# প্ৰতিবিম্বন

## গোৱালপাৰা মহাবিদ্যালয় আলোচনী

২০১৭-২০১৮ বৰ্ষ




সম্পাদক ঃ গীতিকা দাস

# সম্পাদনা সমিতি ঃ প্ৰতিবিম্বন



শৈলেনজিৎ শৰ্মা
তত্ত্বাৱধায়ক



জ্যোতিষ দাস, অধ্যক্ষ
সভাপতি



লনি বৰুৱা
সদস্য



মনীষা ভট্টাচাৰ্য



আছমিনুল হক, সদস্য



গীতিকা দাস, সম্পাদক
(আলোচনী)



ইকৰাম হুছেইন, স



# প্ৰতিবিম্বন

গোৱালপাৰা মহাবিদ্যালয় আলোচনী

২০১৭-২০১৮ বৰ্ষ

# PRATIBIMBAN

GOALPARA COLLEGE MAGAZINE

2017-2018 Session

তত্ত্বাৱধায়ক ঃ শৈলেনজিৎ শৰ্মা

সম্পাদক ঃ গীতিকা দাস

**PRATIBIMBAN :** *Published by Chandra Prakash, Panbazar, Guwahati-1 on behalf of G.C.S.U. & Edited by Gitika Das.*

ISBN : 978-81-244-0585-7

।। সম্পাদনা সমিতি।।

সভাপতি

জ্যোতিষ দাস

তত্ত্বাৱধায়ক

শৈলেনজিৎ শৰ্মা

সম্পাদক

গীতিকা দাস

সদস্যবৃন্দ

লনি বৰুৱা

ড° মনীষা ভট্টাচাৰ্য

আছমিনুল হক

ইকৰাম হুছেইন

বেটুপাতৰ পৰিকল্পনা

শৈলেনজিৎ শৰ্মা

অলংকৰণ

ৰাকেশ

অংগসজ্জা

গীতিকা দাস

আৰ্হিপাঠ

সম্পাদনা সমিতি

মুদ্ৰণ

এ.এছ. ৰেব প্ৰচেছ

কালাপাহাৰ, গুৱাহাটী - ১৬

# উছৰ্গা

গোৱালপাৰা মহাবিদ্যালয়ত অধ্যয়নৰত
প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ হাতত
'প্ৰতিবিম্বন' উছৰ্গা কৰিলোঁ।

— সম্পাদক

# কৃতজ্ঞতা জ্ঞাপন

ৰংবং তেৰাং, প্ৰাক্তন সভাপতি, অসম সাহিত্য সভা
ইমৰান শ্বাহ, প্ৰাক্তন সভাপতি, অসম সাহিত্য সভা
জ্যোতিষ দাস, ভাৰপ্ৰাপ্ত অধ্যক্ষ, গোৱালপাৰা মহাবিদ্যালয়
গুৰুপদ চন্দ্ৰ শৰ্মা, ভাৰপ্ৰাপ্ত অধ্যক্ষ, গোৱালপাৰা মহাবিদ্যালয়
শৈলেনজিৎ শৰ্মা, তত্বাৱধায়ক
লনি বৰুৱা
মনীষা ভট্টাচাৰ্য
আছমিনুল হক
ইকৰাম হুছেইন
দয়ালকৃষ্ণ দাস
শিখা বসাক
গোৱালপাৰা মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীবৃন্দ
গোৱালপাৰা মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দ
মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীবৃন্দ
ছাত্ৰ একতা সভাৰ প্ৰতিগৰাকী সদস্য

**ৰং বং তেৰাং**
প্ৰাক্তন সভাপতি, অসম সাহিত্য সভা



## ॥ শুভ ইচ্ছা ॥

গোৱালপাৰা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই ২০১৭-২০১৮ বৰ্ষৰ 'প্ৰতিবিম্বন' শীৰ্ষক আলোচনীখন অতি সোনকালে প্ৰকাশৰ আয়োজন কৰা বুলি জানিব পাৰি পৰম সন্তোষ লাভ কৰিছোঁ। আলোচনীখনৰ যোগেদি অঞ্চলটোৰ ভাষা-সাহিত্য-সংস্কৃতিৰ বিষয়ে আন ঠাইৰ লোকেও নতুনৰ সন্ধান পাব বুলি মই একান্ত আন্তৰিকতাৰে আশা কৰিলোঁ। কবিতা, চুটিগল্প, প্ৰবন্ধ আদি সামৰি আলোচনীখন সৰ্বাংগসুন্দৰ ৰূপত প্ৰকাশ হওক, - তাৰেই কামনাৰে সকলোলৈকে মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

১২/১০/২০১৮

(ৰংবং তেৰাং)

**ইমৰান শ্বাহ**
প্ৰাক্তন সভাপতি, অসম সাহিত্য সভা



## ॥ শুভেচ্ছা ॥

গোৱালপাৰা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই ২০১৭-২০১৮ বৰ্ষৰ 'প্ৰতিবিম্বন' নামৰ আলোচনীখন প্ৰকাশ কৰাৰ দিহা কৰিছে বুলি জানিব পাৰি আনন্দিত হৈছোঁ আৰু আশা ৰাখিছোঁ যে ছাত্ৰ-ছাত্ৰীসকলৰ সৃজনশীল প্ৰতিভাৰ স্বাক্ষৰ স্বৰূপে আলোচনীখনে সমাদৰ পোৱাৰ মৰ্যাদা অৰ্জন কৰিব পাৰিব। আলোচনীখনৰ প্ৰকাশৰ লগত জড়িত সকলোলৈকে আৰু ছাত্ৰ একতা সভাৰ প্ৰতি শুভেচ্ছা জনালোঁ।

০১/০২/২০১৯ ইং চন

ইমৰান শ্বাহ

(ইমৰান শ্বাহ)

গোৱালপাৰা মহাবিদ্যালয়
GOALPARA COLLEGE


**Jyotish Das**
**Principal (i/c)**
Goalpara College, Goalpara



## ॥ শুভেচ্ছাবাণী ॥

গোৱালপাৰা মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ উদ্যোগত ২০১৭-২০১৮ বৰ্ষৰ বাৰ্ষিক আলোচনী 'প্ৰতিবিম্বন'খন গীতিকা দাসৰ সম্পাদনাত আৰু অধ্যাপক শৈলেনজিৎ শৰ্মাৰ তত্বাৱধানত প্ৰকাশৰ বাবে প্ৰস্তুতি চলিছে বুলি জানি সন্তোষ অনুভৱ কৰিছোঁ। আলোচনীখন মহাবিদ্যালয়ৰ দাপোণস্বৰূপ। ব্যক্তিত্ব তথা প্ৰতিভা বিকাশৰ ক্ষেত্ৰত আলোচনীখন ক্ষুদ্ৰ মাধ্যম যেন লাগিলেও ইয়াৰ জৰিয়তেই ছাত্ৰ-ছাত্ৰীয়ে সাহিত্য-সাধনাৰ জখলাত বগাব পাৰে। আকৌ ছাত্ৰ-ছাত্ৰীয়ে আলোচনীখনৰ জৰিয়তে সাহিত্যৰ বিভিন্ন দিশৰ চৰ্চা কৰি বৌদ্ধিক বিকাশ সাধন কৰিব পাৰে। আলোচনীখন সকলোৰে গ্ৰহণ কৰিলে মই সুখ পাম। সম্পাদনা সমিতি আৰু ইয়াত লিখা আগবঢ়োৱা ছাত্ৰ-ছাত্ৰীসকললৈ শুভেচ্ছা জনালোঁ।

**জ্যোতিষ দাস**
ভাৰপ্ৰাপ্ত অধ্যক্ষ, গোৱালপাৰা মহাবিদ্যালয়
গোৱালপাৰা



কৰ্মৰত অৱস্থাত ভাৰপ্ৰাপ্ত অধ্যক্ষ মাননীয় শ্ৰীযুত জ্যোতিষ দাস




মহাবিদ্যালয়ৰ মূল বাটচ'ৰা মুকলি কৰাৰ মুহূৰ্তত ...

# সম্পাদকীয় ...



বৰ্তমান সময়ত প্ৰতিভা বিকাশৰ কাৰণে বিভিন্ন ক্ষেত্ৰ দেখিবলৈ পোৱা যায়। কিন্তু প্ৰতিভাৰ নামত যি 'মহাযুদ্ধ' চলে তাৰ পৰা প্ৰতিভাৰ উদ্দেশ্য কি, গতি কোন দিশে সেইটো বুজিবলৈ আমাৰ বাবে কঠিন হৈ পৰে। প্ৰতিভাৰ বিকাশ সু-শৃংখল ৰূপত যে আগবঢ়া নাই সেইটো বিভিন্ন কামৰ অভিজ্ঞতাৰ পৰা প্ৰমাণ পাব পাৰি। কবিতা, নাটক, চিত্ৰকলা, সংগীত আদিৰ অন্তৰ্নিহিত সুৰ যে একেটাই সেই কথা বুজাত আমাৰ কোনো অসুবিধা নহয়। সেয়েহে ইটোৱে সিটোৰ লগত প্ৰতিদ্বন্দ্বিতা কৰি বা যুঁজ দি বিজয় উৎসৱ পালন কৰা প্ৰবৃত্তিটো আমাৰ কাম্য নহয়। বৰং প্ৰতিভাৰ প্ৰতিটো মাধ্যমেই এক সু-শৃংখল পথেৰে আগবঢ়া উচিত। চকুৰ আগতেই দেখিছোঁ প্ৰতিযোগিতাৰ নামত প্ৰতিভাই কিনা-বেচা সামগ্ৰীৰ ৰূপ লৈছে। কিন্তু প্ৰতিভাক ভালপোৱা এগৰাকী ছাত্ৰী হিচাপে এনে পৰিৱেশৰ বিৰোধিতা কৰোঁ। কিন্তু এইখিনিতে আমি নতুনচামে আক্ষেপ কৰাৰ যেন কোনোবাখিনিত থল আছে। আমাক উঁমৈহতীয়াকৈ এক শৃংখল ৰূপত প্ৰতিভাৰ কচৰৎ কৰাৰ নেতৃত্ব দি আগুৱাই নিয়াৰ অভাৱ অনুভৱ কৰিছোঁ। অনুষ্ঠান-প্ৰতিষ্ঠানৰ একঘেমিয়া স্বভাৱেও আমাৰ নতুন প্ৰজন্মৰ দৃষ্টি আকৰ্ষণ কৰিব নোৱাৰাৰ এক কাৰণ বুলি ভাবোঁ। এইখিনিতে দাবী কৰিবলৈ মন যায় যে আমাৰ মন বিপথে নিয়াৰ ক্ষেত্ৰত বাট মুকলি কৰিছে জ্যেষ্ঠচামেই। 'সংগীতৰ মহাৰণ', 'সংগীতৰ মহাযুদ্ধ' আদি শব্দই স্বাভাৱিকতে নতুনচামক উত্তেজিত কৰি তোলে। অসূয়া-অপ্ৰীতি আদি কাৰ্যৰ বিপৰীতে সংগীত বা সংস্কৃতিক 'কলা' হিচাপে ব্যৱহাৰ কৰাৰ ইতিহাস আছে। জ্যোতিপ্ৰসাদৰ ভাষাতে দুষ্কৃতি বিনাশ কৰিবলৈ সংস্কৃতি হৈছে এপাত অস্ত্ৰ । কিন্তু ইয়াৰ বিপৰীতে সাহিত্য-সংগীত-সংস্কৃতি আদিকৰি সকলো স্তৰতে নিজ নিজ প্ৰতিভাৰ মাজত প্ৰতিশোধ-পৰায়ণতাই গা কৰি উঠি সুস্থ প্ৰতিভাৰ বিনাশ অভিযান চলোৱা যেন সন্দেহ হয়। আকৌ কোনো কোনো সময়ত প্ৰত্যক্ষ বা পৰোক্ষভাৱে হ'লেও প্ৰভাৱশালী ব্যক্তি বা সমাজৰ প্ৰভাৱো দেখা যায়। দুখ লাগে তেতিয়া যেতিয়া আমি অনভিজ্ঞসকলে অভিজ্ঞ বা সন্মানীয় ব্যক্তিৰ শৰণাপন্ন হওঁ তেতিয়াও আমাৰ প্ৰতিভাসমূহ শৃংখল ৰূপত আগুৱাই নিয়াৰ ক্ষেত্ৰত কোনো সুস্থ পদক্ষেপ গ্ৰহণ নকৰে। প্ৰতিভাসমূহ শৃংখল আৰু পুষ্ট কৰি তোলাৰ দায়িত্ব ডাঙৰচামৰ, অভিজ্ঞচামৰ। নেতৃত্ব মানি চলিবলৈ আগবাঢ়োঁ, কিন্তু নেতৃত্বৰ নামতো চলে শোষণ-দমন, কেৱল ক্ষমতা প্ৰদৰ্শনৰ 'ব'ডি লেংগুৱেজ'। স্বাভাৱিকতেই হতাশ হৈ উভতি আহোঁ। সকলো যুৱ প্ৰজন্মৰ বাবেই মহাবিদ্যালয়-বিশ্ববিদ্যালয়সমূহ প্ৰতিভা বিকাশৰ এক গুৰুত্বপূৰ্ণ থলি। অনুভৱ হয় এই থলিসমূহো এনে প্ৰভাৱৰ পৰা মুক্ত নহয়। গতিকে আমি দিশহাৰা। সঁচাকৈ বলিষ্ঠ পদক্ষেপেৰে আমাৰ অসমৰ দৰে উৰ্বৰ ভূমিৰ প্ৰতিভাৱান যুৱচামক এটা সুস্থ পৰিৱেশৰ মাজেৰে আগুৱাই নিব পাৰিলে সমাজৰ মংগল হ'ব। আশা কৰোঁ সেই দিন নিশ্চিতভাৱে আহিব।

# সম্পাদকীয় ...



বৰ্তমান সময়ত প্ৰতিভা বিকাশৰ কাৰণে বিভিন্ন ক্ষেত্ৰ দেখিবলৈ পোৱা যায়। কিন্তু প্ৰতিভাৰ নামত যি 'মহাযুদ্ধ' চলে তাৰ পৰা প্ৰতিভাৰ উদ্দেশ্য কি, গতি কোন দিশে সেইটো বুজিবলৈ আমাৰ বাবে কঠিন হৈ পৰে। প্ৰতিভাৰ বিকাশ সু-শৃংখল ৰূপত যে আগবঢ়া নাই সেইটো বিভিন্ন কামৰ অভিজ্ঞতাৰ পৰা প্ৰমাণ পাব পাৰি। কবিতা, নাটক, চিত্ৰকলা, সংগীত আদিৰ অন্তৰ্নিহিত সুৰ যে একেটাই সেই কথা বুজাত আমাৰ কোনো অসুবিধা নহয়। সেয়েহে ইটোৱে সিটোৰ লগত প্ৰতিদ্বন্দ্বিতা কৰি বা যুঁজ দি বিজয় উৎসৱ পালন কৰা প্ৰবৃত্তিটো আমাৰ কাম্য নহয়। বৰং প্ৰতিভাৰ প্ৰতিটো মাধ্যমেই এক সু-শৃংখল পথেৰে আগবঢ়া উচিত। চকুৰ আগতেই দেখিছোঁ প্ৰতিযোগিতাৰ নামত প্ৰতিভাই কিনা-বেচা সামগ্ৰীৰ ৰূপ লৈছে। কিন্তু প্ৰতিভাক ভালপোৱা এগৰাকী ছাত্ৰী হিচাপে এনে পৰিৱেশৰ বিৰোধিতা কৰোঁ। কিন্তু এইখিনিতে আমি নতুনচামে আক্ষেপ কৰাৰ যেন কোনোবাখিনিত থল আছে। আমাক উমৈহতীয়াকৈ এক শৃংখল ৰূপত প্ৰতিভাৰ কচৰৎ কৰাৰ নেতৃত্ব দি আগুৱাই নিয়াৰ অভাৱ অনুভৱ কৰিছোঁ। অনুষ্ঠান-প্ৰতিষ্ঠানৰ একঘেমিয়া স্বভাৱেও আমাৰ নতুন প্ৰজন্মৰ দৃষ্টি আকৰ্ষণ কৰিব নোৱাৰাৰ এক কাৰণ বুলি ভাবোঁ। এইখিনিতে দাবী কৰিবলৈ মন যায় যে আমাৰ মন বিপথে নিয়াৰ ক্ষেত্ৰত বাট মুকলি কৰিছে জ্যেষ্ঠচামেই। 'সংগীতৰ মহাৰণ', 'সংগীতৰ মহাযুদ্ধ' আদি শব্দই স্বাভাৱিকতে নতুনচামক উত্তেজিত কৰি তোলে। অসূয়া-অপ্ৰীতি আদি কাৰ্যৰ বিপৰীতে সংগীত বা সংস্কৃতিক 'কলা' হিচাপে ব্যৱহাৰ কৰাৰ ইতিহাস আছে। জ্যোতিপ্ৰসাদৰ ভাষাতে দুষ্কৃতি বিনাশ কৰিবলৈ সংস্কৃতি হৈছে এপাত অস্ত্ৰ । কিন্তু ইয়াৰ বিপৰীতে সাহিত্য-সংগীত-সংস্কৃতি আদিকৰি সকলো স্তৰতে নিজ নিজ প্ৰতিভাৰ মাজত প্ৰতিশোধ-পৰায়ণতাই গা কৰি উঠি সুস্থ প্ৰতিভাৰ বিনাশ অভিযান চলোৱা যেন সন্দেহ হয়। আকৌ কোনো কোনো সময়ত প্ৰত্যক্ষ বা পৰোক্ষভাৱে হ'লেও প্ৰভাৱশালী ব্যক্তি বা সমাজৰ প্ৰভাৱো দেখা যায়। দুখ লাগে তেতিয়া যেতিয়া আমি অনভিজ্ঞসকলে অভিজ্ঞ বা সন্মানীয় ব্যক্তিৰ শৰণাপন্ন হওঁ তেতিয়াও আমাৰ প্ৰতিভাসমূহ শৃংখল ৰূপত আগুৱাই নিয়াৰ ক্ষেত্ৰত কোনো সুস্থ পদক্ষেপ গ্ৰহণ নকৰে। প্ৰতিভাসমূহ শৃংখল আৰু পুষ্ট কৰি তোলাৰ দায়িত্ব ডাঙৰচামৰ, অভিজ্ঞচামৰ। নেতৃত্ব মানি চলিবলৈ আগবাঢ়োঁ, কিন্তু নেতৃত্বৰ নামতো চলে শোষণ-দমন, কেৱল ক্ষমতা প্ৰদৰ্শনৰ 'ব'ডি লেংগুৱেজ'। স্বাভাৱিকতেই হতাশ হৈ উভতি আহোঁ। সকলো যুৱ প্ৰজন্মৰ বাবেই মহাবিদ্যালয়-বিশ্ববিদ্যালয়সমূহ প্ৰতিভা বিকাশৰ এক গুৰুত্বপূৰ্ণ থলি। অনুভৱ হয় এই থলিসমূহো এনে প্ৰভাৱৰ পৰা মুক্ত নহয়। গতিকে আমি দিশহাৰা। সঁচাকৈ বলিষ্ঠ পদক্ষেপেৰে আমাৰ অসমৰ দৰে উৰ্বৰ ভূমিৰ প্ৰতিভাৱান যুৱচামক এটা সুস্থ পৰিৱেশৰ মাজেৰে আগুৱাই নিব পাৰিলে সমাজৰ মংগল হ'ব। আশা কৰোঁ সেই দিন নিশ্চিতভাৱে আহিব।

'প্ৰতিবিম্বন' সম্পৰ্কতঃ গোৱালপাৰা মহাবিদ্যালয়ৰ 'প্ৰতিবিম্বন' নামৰ আলোচনীখন হৈছে সাহিত্যৰ বিভিন্ন দিশৰ চৰ্চা কৰি ছাত্ৰ-ছাত্ৰীৰ মানসিক উৎকৰ্ষ সাধন কৰিব পৰা একমাত্ৰ মাধ্যম। ইয়াত সামাজিক, সাংস্কৃতিক, বৌদ্ধিক, শৈক্ষিক আদি বিভিন্ন দিশৰ প্ৰতিফলন ঘটে। আচলতে মহাবিদ্যালয় এখনৰ আলোচনীয়ে ছাত্ৰ-ছাত্ৰীৰ সুপ্ত প্ৰতিভাক বিকাশ কৰাত সুবিধা দিয়ে। ছাত্ৰ-ছাত্ৰীয়ে ভাষা-সাহিত্যৰ প্ৰতি অৱদান গ্ৰহণৰ উদ্দেশ্যে হাতত কাপ তুলি লৈ আলোচনীখনৰ মাজেৰেই নিজকে আৱিষ্কাৰ কৰিব পাৰে। যিহেতু ছাত্ৰ-ছাত্ৰীয়ে আলোচনীৰ মাধ্যমেদি নিজকে প্ৰকাশ কৰাৰ সুবিধা পায়, সেয়েহে মহাবিদ্যালয়ৰ আলোচনীখনৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। সাহিত্য-সৃষ্টিয়ে ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিত্ব প্ৰকাশ কৰে। আমাৰ মনত উদয় হোৱা প্ৰতিটো চিন্তা-শক্তিক যদি সাহিত্যৰ মাধ্যমেদি বান্ধি ৰাখিব পাৰোঁ, তেতিয়াহে আমাৰ জীৱন সফল হ'ব। সেয়েহে আলোচনী বিভাগৰ সম্পাদক হিচাপে ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীৰ প্ৰতি এটাই অনুৰোধ তেওঁলোকে যাতে আমাৰ আলোচনীখনৰ জৰিয়তে সাহিত্য-চৰ্চাৰ পথ মুকলি কৰি নিজকে সাহিত্যৰ ক্ষেত্ৰখনত প্ৰতিষ্ঠা কৰিবলৈ যত্নপৰ হয়। আমাৰ 'প্ৰতিবিম্বন' নামৰ আলোচনীখনৰ জৰিয়তে সৃষ্টি হওক এচাম সাহিত্যিকৰ, যিসকলে ভাষা-সাহিত্যৰ উন্নতিৰ কাৰণে কিঞ্চিৎ হ'লেও বৰঙণি যোগাব পাৰে।

**'প্ৰতিবিম্বন' সন্দৰ্ভত এটি অনুভৱ ঃ**

জ্ঞান-পিপাসু অনুসন্ধিৎসু মন এটা বাল্যকালৰ পৰাই সাঁচি ৰাখিছিলোঁ। নতুনত্বৰ প্ৰতি সদায় অগ্ৰসৰ হৈছিলোঁ। তথাপি আমাৰ ভাগ্যত এখনি মহান শিক্ষানুষ্ঠানক প্ৰতিনিধিত্ব কৰাৰ সৌভাগ্য উদিত হ'ব বুলি কল্পনা কৰা নাছিলোঁ। তথাপি অযোগ্যতাক মুক্তচিত্তে স্বীকাৰ কৰিবই লাগিব। ৰুচি আৰু আগ্ৰহৰ খাতিৰত আলোচনী বিভাগৰ সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰি তত্ত্বাৱধায়ক আমাৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু তথা বিশিষ্ট নাট্যকাৰ আৰু সাহিত্যিক শৈলেনজিৎ শৰ্মা ছাৰৰ শৰণাপন্ন হৈছিলোঁ আৰু দুয়োজনে নতুনত্ব অনাৰ প্ৰচেষ্টা কৰি পৰিকল্পনা হাতত লৈছিলোঁ। কিন্তু শিক্ষক-ছাত্ৰৰ পৰা যি পৰিমাণে বিভিন্ন শিতানত লেখা পাম বুলি ভাবিছিলোঁ সেইটো সম্ভৱ নহ'ল। সম্পাদক হিচাপে প্ৰতিটো বিভাগৰ শিক্ষকসকলক দুবাৰকৈ পত্ৰ দি লেখা আহ্বান কৰিছিলোঁ যদিও আমাৰ পৰম পূজ্য শিক্ষাগুৰুসকলে লেখা দি সহায় আগ নবঢ়ালে। আমি আশাকৰোঁ শিক্ষাগুৰুসকলে তেওঁলোকৰ লেখাৰে ভৱিষ্যতে 'প্ৰতিবিম্বন' আলোচনীখন সৰ্বাংগ সুন্দৰ কৰি তুলিব। এইখিনিতে আন এটা কথা কওঁ। আমাৰ তত্ত্বাৱধায়ক ছাৰে এটা কথা কৈছিল— "সমসাময়িক জীৱনত সাহিত্য, সংস্কৃতি, সামাজিক জীৱনৰ স্বৰূপ আদি কৰি বিভিন্ন বিষয়ৰ ওপৰত অধিককৈ নহ'লেও সাধাৰণ জ্ঞান আৰু ধাৰণা থকাৰ উপৰিও প্ৰাপ্ত লেখাসমূহৰ প্ৰকাশভংগী, বৰ্ণনাশৈলী, উদ্ধৃত তথ্যৰাশিৰ সত্যাসত্য আদি নিৰূপণৰ দক্ষতা থকাৰ উপৰিও ছপা আৰু অংগসজ্জাৰ গুণো আয়ত্ত কৰিব লাগিব।" এই মহান আদৰ্শক মাপকাঠি হিচাপে ল'বলৈ শিকোৱা আমাৰ অতি শ্ৰদ্ধাৰ তত্ত্বাৱধায়ক শৈলেনজিৎ শৰ্মা ছাৰৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰ'ম।

নিৰ্দিষ্ট সময়ৰ ভিতৰত আলোচনীখন আপোনালোকৰ হাতত তুলি দিবলৈ সক্ষম হ'লোঁ। সুদীৰ্ঘ এটি বছৰৰ কঠোৰ পৰিশ্ৰমৰ বিনিময়ত আপোনালোকৰ হাতত পৰা এই আলোচনীখনে আমাক গৌৰৱান্বিত কৰিছে যদিও কিমানদূৰ সফল হৈছোঁ তাৰ বিচাৰ আপোনালোকৰ হাতত তুলি দিলোঁ। আমাৰ অসামৰ্থ্য আৰু দূৰদৰ্শিতাখিনি আঁতৰ কৰি পৰৱৰ্তী কালৰ সম্পাদকসকলে যাতে পৰিকল্পিতভাৱে নতুন ৰূপত আলোচনীখন সম্পাদনা কৰিবলৈ সক্ষম হয় সেই আশা আমি কৰিলোঁ।

প্ৰতিটো দিশতে মহৎ পৰামৰ্শৰে আমাৰ পথ-প্ৰদৰ্শক হিচাপে থাকি আগবঢ়াই দিয়া তত্ত্বাৱধায়ক মহোদয়ৰ কথা চিৰদিন মনত ৰাখিম। সময়মতে আলোচনীখন প্ৰকাশ কৰাৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰা ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত জ্যোতিষ দাস ছাৰক এই ক্ষণতে কৃতজ্ঞতাৰে শলাগিছোঁ। ইয়াৰ উপৰিও আমাৰ প্ৰতিটো পদক্ষেপতে সহায় আগবঢ়োৱা গোৱালপাৰা মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সভাপতি, সম্পাদক সমন্বিতে প্ৰতিগৰাকী সদস্যালৈ কৃতজ্ঞতা জনালোঁ। যিসকলে লেখা দি আলোচনীখনৰ মানদণ্ড বঢ়ালে তেওঁলোকৰো শলাগ ল'লোঁ।

শেষত অনিচ্ছাকৃত ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি আৰু সৃষ্টিশীল সমালোচনা আশা কৰি আমাৰ কলম সামৰিলোঁ।

ধন্যবাদেৰে—

গীতিকা দাস
সম্পাদক, আলোচনী বিভাগ

# বিষয়-ক্ৰমণিকা

**লিপিবদ্ধ অভিলেখ**.................................................................................................

আমাৰ কাৰ্যকালৰ এক খতিয়ান ঃ *জ্যোতিষ দাস* ॥ ১৩-১৭

**প্ৰবন্ধ** .................................................................................................

আমি গণিত শিকাওঁ কিয়? ঃ ড° *বিজয়কৃষ্ণ দেৱশৰ্মা* ॥ ১৮-২৬
মহিলা কোষৰ প্ৰাসংগিকতা এক ক্ষেত্ৰ ভিত্তিক অধ্যয়ন ঃ ড° *মনীষা ভট্টাচাৰ্য* ॥ ২৭-৩০
নামনি অসমৰ লোক-নাট্যানুষ্ঠান ঃ *দিশা ভট্ট* ॥ ৩১-৩৬
বৈষ্ণৱ গীতি — কাব্যত প্ৰতিফলিত নায়িকাৰ প্ৰতিচ্ছবি ঃ *কাজল সাহা* ॥ ৩৭-৪৩
বৰগীত ঃ এটি আলোচনা ॥ ৪৪-৪৭
পৰিৱৰ্তনকামী যুৱ মানসিকতা আৰু সমাজত ইয়াৰ প্ৰভাৱ ঃ *চিমী কলিতা* ॥ ৪৮-৫০
লোক-সাহিত্য ঃ *জয়াৰাণী দেৱী* ॥ ৫১-৫৫
ড° নিৰ্মলপ্ৰভা বৰদলৈ ঃ এটি অনন্য প্ৰতিভা ঃ *আমজল হক* ॥ ৫৬-৫৯
প্ৰাচীন ভাৰতীয় সাহিত্যত ৰোমাণ্টিক উপাদান ঃ *হীৰকজ্যোতি দাস* ॥ ৬০-৬৩
অসমীয়া সংবাদ পত্ৰ আৰু আলোচনীৰ এটি ৰূপৰেখা ঃ *বিপুল ৰাভা* ॥ ৬৪-৬৬
মাধৱ কন্দলিৰ 'ৰামায়ণ'ৰ ভাষা ঃ *হিয়া মেধী* ॥ ৬৭-৬৯
দেৱকান্ত বৰুৱাৰ কবিতাত প্ৰেম ঃ *মৌচুমী ওজা* ॥ ৭০-৭২

**মহৎলোকৰ জীৱনী** .................................................................................................

আব্দুল কালাম ঃ *কৰবী শৰ্মা* ॥ ৭৩-৭৭
মাদাৰ টেৰেছা ঃ *চিমী কলিতা* ॥ ৭৮-৮০
পণ্ডিত জৱাহৰলাল নেহৰু ঃ *লক্ষ্মীৰেখা নাথ* ॥ ৮১-৮২

**কবিতা** .................................................................................................

সমিধানহীন ঃ *নূৰ আফৰুজ আহমেদ* ॥ ৮৩
জন্মভূমি মোৰ চেনেহৰ যোগীঘোপা ঃ *আয়েশা চুলতানা* ॥ ৮৫

ৰাতিৰ স্বল্পতা ঃ *আছিফ হুছেইন* ॥ ৮৬
ফিডেল কেষ্ট্ৰো ঃ *বিকাশ ডেকা* ॥ ৮৬
মাটিৰ হাঁহি ঃ *শ্ৰাৱণী সৰকাৰ* ॥ ৮৭
প্ৰকৃতি ঃ *পূজা ভট্ট* ॥ ৮৭
মই বিষাক্ত নহয় ঃ *ইয়াৰছান্দ আলী* ॥ ৮৮
শীৰ্ষস্থান ঃ *ৰাচমিনা পাৰবিন মিমি* ॥ ৮৯

**অনুবাদ গল্প** ..............................................................................................

সোণৰ খাৰু ঃ *নূৰ আফৰুজ আহমেদ* ॥ ৯০-৯৩
মৰমৰ অচিনাকি ঃ *অন্যন্যা গোস্বামী* ॥ ৯৪-৯৬

**সাক্ষাৎকাৰ** ..............................................................................................
এটি স্মৰণীয় সন্ধিয়া প্ৰস্তুতি পৰাশৰৰ সৈতে— সাক্ষাৎ গ্ৰহণ ঃ *অনন্যা গোস্বামী* ॥ ৯৭-৯৮

**নাটক** ..............................................................................................
সংঘাত (পূৰ্ণাংগ সামাজিক নাটক) ॥ ৯৯-১৪০
প্ৰতিবেদন ॥ ১৪১-১৪৪

লিপিবদ্ধ অভিলেখ

# আমাৰ কাৰ্যকালৰ এক খতিয়ান

জ্যোতিষ দাস
ভাৰপ্ৰাপ্ত অধ্যক্ষ, গোৱালপাৰা মহাবিদ্যালয়

■ 'গোৱালপাৰা মহাবিদ্যালয়' নামনি অসমৰ এখন উল্লেখযোগ্য মহাবিদ্যালয়। কেইগৰাকীমান বৰেণ্য আৰু চিন্তাশীল ব্যক্তিৰ একান্ত প্ৰচেষ্টাত ১৯৫৫ চনৰ ৮ আগষ্টত বৌদ্ধিক আৰু শৈক্ষিক কেন্দ্ৰস্বৰূপে গোৱালপাৰা মহাবিদ্যালয়ৰ জন্ম হৈছিল। মোৰ স্বপ্নৰ এইখন মহাবিদ্যালয়তে ১৯৭৫ চনৰ পৰা ১৯৭৭ চনলৈ মই অধ্যয়ন কৰিছিলোঁ। আজিৰ পৰা মাত্ৰ কেইদিনমান পিছত এইখন মহাবিদ্যালয়ৰ পৰাই মোৰ কৰ্মজীৱনৰ সামৰণি পৰিব। পঢ়াশালি হিচাপে পোৱাৰ উপৰি কৰ্মস্থলী হিচাপে জীৱন-নিৰ্বাহ কৰা এইখন মহাবিদ্যালয়ৰ পৰা ২০১৮ চনৰ ৩১ অক্টোবৰত অৱসৰ গ্ৰহণ কৰিব লাগিব। এয়া গতানুগতিক নিয়ম।

১৯৮৪ চনৰ ৪ মে'ত মই এইখন মহাবিদ্যালয়ত সহকাৰী অধ্যাপক হিচাপে নিযুক্তি লাভ কৰোঁ। এম.এ. চূড়ান্ত পৰীক্ষা দিয়াৰ পিছতেই টিউটৰ হিচাপে মই ভূগোল বিভাগৰ অধ্যাপক আবেদুৰ ৰহমান শইকীয়া ছাৰক সহায় কৰি দিছিলোঁ। শইকীয়া ছাৰে এম.ফিল. পঢ়িবলৈ যাওঁতে ছাৰৰ ভেকেনছিত মোক দেখুওৱা হৈছিল ১৯৮৪ চনৰ পৰা ১৯৮৫ চনলৈ। Sanction Post এটা আহিছিল যদিও কাক দিব, কোনে পাব ইয়াকে লৈ মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাত বিতৰ্ক হৈছিল। 'গোৱালপাৰা মহাবিদ্যালয় শিক্ষক সংস্থা'ৰ ওচৰত মই সদায় কৃতজ্ঞ হৈ থাকিম এইটো কাৰণতেই যে সেইসময়ত আটাইকেইগৰাকী সদস্যই Sanction Post টো মোক দিব লাগে বুলি দাবী জনাইছিল। এই ছেগতে মই আন এগৰাকী ব্যক্তিৰ নাম উল্লেখ কৰিবই লাগিব। সেইগৰাকী হ'ল প্ৰয়াত হৰেশ্বৰ গোস্বামী ছাৰ। বি.টি. কলেজৰ অধ্যক্ষ গোস্বামী ছাৰ মহাবিদ্যালয় পৰিচালনা সমিতিৰ সদস্য আছিল। মোৰ পোষ্ট সম্পৰ্কত তেওঁ সভাত উত্থাপন কৰা এশাৰী বাক্য আজিও মোৰ মনত আছে। তেওঁ এগৰাকী জ্যেষ্ঠ সদস্যক ধমকিৰ সুৰত কৈছিল Whatever may be the nature of service, Das is the senior most teacher, he will get the post. পৰিচালনা সমিতিৰ সভাই কোনো সিদ্ধান্ত ল'ব নোৱাৰিছিল। ১৯৮৫ চনত এ.জি.পি. চৰকাৰ গঠন হ'ল। মহাবিদ্যালয় পৰিচালনা সমিতি ভংগ কৰি দি এছ. বি. গঠন কৰিলে। সেই সময়ত শিক্ষামন্ত্ৰী আছিল মাননীয় শ্ৰীযুত বৃন্দাৱন গোস্বামী ডাঙৰীয়া। তেওঁক কৈ (Slip এখন লিখি দিছিল) ৩টা Post লৈ যোৱা হৈছিল আৰু non-sanctionত থকা আটাইকেইটা Post ১.১.৮৬ত ৰেগুলাৰ হৈছিল।



ইয়াৰ আগতে ১৯৮৩ চনত মই কোনো ইণ্টাৰভিউ নিদিয়াকৈ মহাবিদ্যালয়ত নিযুক্ত কেনেকৈ লাভ কৰিলোঁ এই বিষয়ত 'মুজাহিদ' (সেই সময়ত প্ৰকাশিত সাপ্তাহিক) নামৰ কাকতখনত বৰ বেয়াকৈ লিখিছিল, যাৰ বাবে মই গোৱালপাৰা মহাবিদ্যালয় এৰি বকো

মহাবিদ্যালয়লৈ ৮ মাহ মানৰ বাবে যাবলগীয়া হৈছিল। অৱশ্যে অসম আন্দোলনত জড়িত থকা বাবে, মাহত বিভিন্ন সংক্ৰান্তত কেবাবাৰো আদালতত উপস্থিত থাকিব লগা হোৱা হেতুকে বহুতো অসুবিধাৰ সৃষ্টি হৈছিল। কিন্তু এই ক্ষেত্ৰত বকো মহাবিদ্যালয়ৰ তেতিয়াৰ অধ্যক্ষ সন্মানীয় যতীন নাথ ছাৰে মোক বহু সহায় কৰিছিল। অৱসৰৰ আগমুহূৰ্তত তেওঁক শ্ৰদ্ধাৰে সুঁৱৰিছোঁ।

১৯৮৫ চনত অসম গণ পৰিষদ চৰকাৰ গঠন হ'ল আৰু আমাৰ চৰকাৰখনৰ লগত থকা সু-সম্পৰ্কৰ বাবে ছাত্ৰী নিবাসৰ বাবদ ৫০,০০০ হেজাৰ টকা অনুদান হিচাপে পাই ছিলোঁ। কমাৰ্ছ ব্লকৰ পশ্চিম ফালৰ পৰিবৰ্ধিত কোঠাকেইটা তাৰ সাক্ষী।

১৯৯৬ চনত মই গোৱালপাৰা পুব বিধান সভা সমষ্টিৰ পৰা বিধায়ক হিচাপে নিৰ্বাচিত হওঁ। আমি নিজে অধ্যয়ন কৰা বা চাকৰি কৰা সূত্ৰে নিজৰ আপোন মহাবিদ্যালয়খনৰ কিছু কাম বা সেৱা কৰাৰ সুযোগ পাইছিলোঁ। ছাত্ৰাবাসৰ বাবে ২ লাখ টকা, ভূগোল বিজ্ঞান বিভাগৰ ছেমিনাৰ লাইব্ৰেৰীৰ বাবে ২৫ হেজাৰ টকা অনুদান দিছিলোঁ। ভূগোল বিজ্ঞান বিভাগৰ বাবে লেব'ৰেটৰী বনাবলৈ untied fund ৰ পৰা ৫ লাখ টকা (ছাত্ৰাবাসৰ সন্মুখত থকা ঘৰটো) অনুদান দিয়া হৈছিল। ইয়াৰ উপৰিও ৰাষ্টাৰ কাষত থকা (বৰ্তমান উদ্ভিদ উদ্যান) পিতনিখন ৭.৫০ লাখ টকাৰে 'স্বৰ্ণজয়ন্তী পাৰ্ক' হিচাপে গঢ়ি তোলা হৈছিল। তৎসত্বেও মহাবিদ্যালয়খনৰ প্ৰতি কৰিবলগীয়া বহুত কাম বাকী থাকি গৈছিল। সেই সময়ত বিধায়ক এলেকা উন্নয়ন পুঁজিৰ ধন আজিৰ দৰে কোটিৰ ঘৰত নাছিল, মাত্ৰ আছিল ১০ লাখ টকাহে। মহাবিদ্যালয়ৰ উন্নয়নৰ কথা কওঁতে এগৰাকী সন্মানীয় ব্যক্তিৰ নাম উল্লেখ কৰিব লাগিব। তেখেত হ'ল সন্মানীয় সাংসদ ডাঃ অৰুণ শৰ্মা, তেখেতে আমাক প্ৰেক্ষাগৃহৰ বাবে ২০ লাখ টকা দিয়াৰ কথা আছিল। কিন্তু প্ৰথম কিস্তিৰ ধন ৫ লাখ টকা ৩ বছৰ ব্যৱহাৰ কৰিব নোৱাৰা হেতুকে বাকীখিনি টকা পোৱা নগ'ল। ৫ লাখ টকা প্ৰেক্ষাগৃহ নিৰ্মাণৰ বাবদ খৰচ কৰা হ'ল যদিও প্ৰেক্ষাগৃহটো সম্পূৰ্ণ হৈ নুঠিল।

২০১৭ চনৰ ১ জুন তাৰিখটো আমাৰ বাবে স্মৰণীয় দিন। কাৰণ এই দিনটোত গোৱালপাৰা মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাপে আমি কাৰ্যকাল আৰম্ভ কৰোঁ। আমাৰ এই কাৰ্যকালত মহাবিদ্যালয়ৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীবৃন্দৰ পূৰ্ণ সহযোগিতা নোপোৱাহেঁতেন আমাৰ দ্বাৰা সুকলমে কাৰ্য সম্পাদন কৰা সম্ভৱ নহ'লহেঁতেন। তদুপৰি মহাবিদ্যালয়খনৰ বিভিন্ন কাম-কাজত দিহা-পৰামৰ্শৰে পূৰ্ণ সহযোগিতা আগবঢ়োৱা বাবে মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড° বিনয় কুমাৰ নাথ ডাঙৰীয়াৰ নাম উল্লেখ কৰিবই লাগিব। এই ক্ষেত্ৰত গোৱালপাৰা মহাবিদ্যালয় ছাত্ৰ সন্থাৰ বিষয়ববীয়া সকলেও সহায়ৰ হাত আগবঢ়াই আমাক ধন্য কৰিছে।

বিধায়ক হিচাপে বহু ঠাই ভ্ৰমণ কৰাৰ সৌভাগ্য হৈছিল। বহু সভা-সমিতিত যোগ দিছোঁ, বহুত মহাবিদ্যালয়ৰ সন্মুখত বাগিছা দেখিছোঁ, সুন্দৰ সভাকক্ষ, ডাঙৰ ডাঙৰ তোৰণ, সুন্দৰ পদূলিমুখ, কলেজ এপ্ৰোচ্ ৰোড্, ৰাষ্টাৰ দুয়োকাষে ফুলৰ গছ দেখিছোঁ, এইবোৰ দেখি ভাল লাগিছিল। তেতিয়াৰ পৰাই আমাৰ মহাবিদ্যালয়খনকো জাতিষ্কাৰ ৰূপত সজাই-পৰাই তোলাৰ সপোন দেখিছিলোঁ। আমাৰ যোগ্যতা নাই যদিও নতুন এগৰাকী অধ্যক্ষ নিযুক্তি নোপোৱালৈকে মহাবিদ্যালয়ৰ জ্যেষ্ঠতম শিক্ষক হিচাপে ভাৰপ্ৰাপ্ত অধ্যক্ষৰ দায়িত্ব মহাবিদ্যালয় পৰিচালনা সমিতিয়ে মোৰ ওপৰত অৰ্পণ কৰে। সময় অতি কম, কিন্তু সন্মুখত বহুত কাম। অৰ্থৰো অভাৱ। কি কৰোঁ, কি নকৰোঁ বুলি ভাবি থাকোঁতেই কিছুদিন পাৰ হৈ গ'ল। আমি প্ৰথমতেই আমাৰ মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী তথা কৰ্মচাৰীবৃন্দৰ পৰা সভানুভূতি আদায় কৰিলোঁ। শিক্ষক-গোটৰ একান্ত ইচ্ছাত আৰু তেওঁলোকৰ হেঁচাত মহাবিদ্যালয় পৰিচালনা সমিতিয়ে সন্মতি জনোৱাত ৰাজ্য চৰকাৰৰ পৰা ১ কোটি আৰু R.U.S.A ৰ পৰা পোৱা ২ কোটিৰ কাম আমি নিজেই কৰিলোঁ আৰু ৰাহি টকাখিনিৰে ত্বৰান্বিত উন্নয়নমূলক কামখিনিও কৰিলোঁ। পৰিচালনা সমিতিয়ে আমাৰ একান্ত ইচ্ছাক সন্মান জনাই 'নিৰ্মাণ কমিটি' গঠন কৰি আমাক আহ্বায়কৰ (Convenor) ৰ দায়িত্ব দিয়ে। সকলোৰে দিহা-পৰামৰ্শ লৈ কৰা কামৰ অগ্ৰগতিয়ে এতিয়া শেষ পৰ্যায়ত উপনীত হৈছে। উল্লেখ্য যে বিভিন্ন ঘাত-পৰিতঘাতৰ মাজেৰে কামৰ অগ্ৰগতি চলি থকাৰ সময়তে Construction Committee ৰ বিৰুদ্ধে অভিযোগ ডি.চি., ৰুচা, ডি.এইচ.ই. আৰু

শেষত দিশপুৰ পালেগৈ। কাৰোবাৰ অভিযোগৰ ভিত্তিত Standing Committee ৰ (বিধানসভাৰ সদস্য) বিধায়কৰ দল পৰিদৰ্শনৰ বাবে মহাবিদ্যালয়লৈ আহিল। মহাবিদ্যালয়ৰ নিৰ্মাণ-কাৰ্য দেখি আমাক শলাগিলে। বিল্ডিঙৰ ইঞ্জিনিয়াৰ আৰিফ আলী, কুলেন বৰ্মন আদিয়ে ক'লে যে ৮৪ লাখ টকা গ্ৰাউণ্ড ফ্লোৰোতেই খৰচ হৈছে। কিন্তু 'কলেজ কনষ্ট্ৰাক্টচন কমিটি'য়ে সম্পূৰ্ণ দুমহলীয়া ভৱনটো সম্পূৰ্ণ কৰিলে। নগদ টকা, ইটা, শিল, বালি, ৰড় ৰাহি হ'ল। ৰাহি হোৱা সামগ্ৰীৰে ড্ৰেইন, পাৰ্ক আদিৰ কাম সম্পূৰ্ণ কৰা হ'ল।

আমি দেখা বহু মহাবিদ্যালয়ৰ তোৰণবোৰ আছিল অতি আকৰ্ষণীয়। সেয়েহে আমাৰ মহাবিদ্যালয়তো তেনে তোৰণ নিৰ্মাণ কৰাৰ কথা মনতে ভাবি আছিলোঁ। এদিন হ'লেও তোৰণ নিৰ্মাণ সম্ভৱ হ'ব বুলি ভাবি মহাবিদ্যালয় খেল পথাৰত অনুষ্ঠিত হোৱা এখন গ্ৰন্থমেলাৰ মূল তোৰণখনৰ ফ'টো উঠাই ৰাখিছিলোঁ। সুযোগৰ সন্ধানত থাকিয়েই গোৱালপাৰাৰ সকলোৰে শ্ৰদ্ধাৰ ব্যক্তি তথা জ্যেষ্ঠ অধিবক্তা জীতেন দাসক তেওঁলোকৰ পিতৃ প্ৰয়াত অম্বিকাচৰণ দাসৰ সোঁৱৰণত তোৰণ এখন দিবলৈ অনুৰোধ জনাইছিলোঁ। তেওঁলোকৰ পৰিয়ালে অতি আগ্ৰহেৰে আমাৰ অনুৰোধ ৰক্ষা কৰি মূল তোৰণ এখন নিৰ্মাণ কৰি দিয়ে। সন্মানীয় জীতেন দাস তথা তেওঁলোকৰ পৰিয়ালবৰ্গৰ প্ৰতি কলেজ কৰ্তৃপক্ষ সদায় কৃতজ্ঞ হৈ থাকিব।

আন এখন তোৰণো প্ৰখ্যাত ঠিকাদাৰ ধৰ্মেশ্বৰ কাছাৰী আৰু ৰমেশ জাজাদিয়াৰ বৰঙণিৰে নিৰ্মাণ কৰি থকা হৈছে আৰু অতি সোনকালেই সম্পূৰ্ণ হৈ উঠিব। তেওঁলোকৰ বদান্যতাৰ প্ৰতি শ্ৰদ্ধা জনাই এই ছেগতে আমি কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

মহাবিদ্যালয়ৰ মূল চৌহদত আমাৰ ফালৰ পৰাও মোৰ সহধৰ্মিনীৰ নামত এখন তোৰণ নিৰ্মাণ কৰি দিয়াৰ কথা মহাবিদ্যালয় পৰিচালনা সমিতিক জনোৱাত সমিতিয়ে অনুমতি প্ৰদান কৰে আৰু এইখন তোৰণৰ নিৰ্মাণ কাৰ্যও সম্পূৰ্ণ হৈছে। আনহাতে মহাবিদ্যালয়ৰ অধ্যাপক গোকুল গোস্বামীৰ সোঁৱৰণত মহাবিদ্যালয় চৌহদৰ উত্তৰ দিশত আন এখন তোৰণ নিৰ্মাণ কৰি থকা হৈছে আৰু এই তোৰণখনো কম সময়ৰ ভিতৰত সম্পূৰ্ণ হৈ উঠিব। প্ৰয়াত গোস্বামীৰ সহধৰ্মিনী তথা আমাৰ মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ জ্যেষ্ঠ অধ্যাপিকা ড° মনীষা ভট্টাচাৰ্যৰ আবেদনৰ ভিত্তিত পৰিচালনা সমিতিৰ অনুমতি সাপেক্ষে তোৰণখন নিৰ্মাণ কৰা হৈছে।

তদুপৰি মহাবিদ্যালয় শিক্ষক সংস্থাই দিয়া উৎসাহক ভিত্তি কৰি শিক্ষক জিৰণী কোঠাটো সুন্দৰভাৱে উন্নতমানৰ কৰি সজোৱা হৈছে। অধ্যাপক-অধ্যাপিকাৰ মুখেৰে 'Conference Room' যেন লগা হৈছে বুলি শুনিব পাৰি আমি অতি সুখ অনুভৱ কৰিছোঁ। এনেকুৱা উৎসাহকে সমল কৰি লৈ loud speaker (Cordless) সহ Sound box সংযোগ কৰা হৈছে। শিক্ষক জিৰণী কোঠাতে সংযুক্ত হৈ থকা প্ৰস্ৰাৱগাৰ আৰু শৌচাগাৰটো কিছুদুৰ আঁতৰাই নি মূল কোঠাৰ লগতে সম্পৰ্ক ৰাখি নতুনকৈ বনোৱা হৈছে। এদিন শিক্ষকসকলে প্ৰস্ৰাৱৰ গোন্ধত সভা অনুষ্ঠিত কৰিব নোৱাৰি IQAC ৰ কোঠাত অনুষ্ঠিত কৰিছিল। আমাক শিক্ষকবৃন্দই কনফাৰেঞ্চ ৰূমৰ পৰা প্ৰস্ৰাৱগাৰ আৰু শৌচাগাৰটো আঁতৰাই নিবৰ বাবে যি আহ্বান জনাইছিল তেওঁলোকৰ প্ৰতি সন্মান জনাই সেই কামটো সম্পূৰ্ণ কৰিছিলোঁ।

আমি আমাৰ মহাবিদ্যালয়ত থকা IDOL, K.K.S.O.U ৰ পৰা বহুত সহায় পাইছিলোঁ। এই ছেগতে ড° সোমেশ্বৰ ৰাও (Co-ordinator, IDOL) আৰু অধ্যাপক ধ্ৰুৱলোচন দাসক ধন্যবাদ জ্ঞাপন কৰিছোঁ। তেওঁলোকৰ পৰা মহাবিদ্যালয় পৰিচালনা সমিতিৰ অনুমতি সাপেক্ষে College Approach Road ৰ নিৰ্মাণ কাৰ্যৰ লগতে মহাবিদ্যালয়ৰ বাবে এটা ট্ৰেন্সফৰ্মাৰ নিজাকৈ কিনিবলৈ সক্ষম হওঁ।

শেষ আমি কৃতজ্ঞতা স্বীকাৰ কৰিছোঁ আমাৰ মহাবিদ্যালয়ৰ শিক্ষক গোট আৰু কৰ্মচাৰীবৃন্দৰ ওচৰত। কাৰণ আমাৰ মনত আগতে উল্লেখ কৰা ধৰণে মহাবিদ্যালয়ৰ মূল গৃহৰ সন্মুখত এখন উদ্যান নিৰ্মাণ কৰাৰ কথা বহুদিন ধৰি ভাবি আছিলোঁ আৰু এই ক্ষেত্ৰত সতীৰ্থ বন্ধু-বান্ধৱীয়ে আমাক সোঁৱৰাইও আছিল। মনতে ভবা কথাটো বাস্তৱত ৰূপ দিব পাৰিলে শান্তি পোৱা যায়। আমাক এই কামখিনি কৰিবলৈ দিহা-পৰামৰ্শ তথা সহযোগিতাৰে উপকৃত কৰাৰ লগতে আৰ্থিকভাৱে সহায় কৰাত উদ্যানখন নিৰ্মাণ হোৱাৰ ক্ষেত্ৰত নিশ্চিত হওঁ। প্ৰত্যেকগৰাকী জ্যেষ্ঠ শিক্ষকে ১০ হাজাৰ আৰু কনিষ্ঠসকলে ৫ হাজাৰকৈ, মুঠ ২ লাখ ৭৫

হাজাৰ টকা বৰঙণি হিচাপে আগ বঢ়োৱাত উদ্যানখন নিৰ্মাণ কৰাত সকাহ পাইছোঁ। দুই-এগৰাকী সতীৰ্থ বন্ধুৱে ভৱিষ্যতে উদ্যানখন কোনে চোৰা-চিতা কৰিব এই প্ৰসংগত আশংকা ব্যক্ত কৰিছে। সঁচা কথা। নিৰ্মাণ কৰা সহজ, প্ৰতিপালন কৰাটো টান। আমি অৱসৰ লোৱাৰ পূৰ্বে মালী হিচাপে কাম কৰাৰ দায়িত্ব কাৰোবাক নিশ্চিতভাৱে দিম। তৎসত্বেও সকলো সতীৰ্থ বন্ধু-বান্ধৱীৰ প্ৰতি মোৰ কাতৰ অনুৰোধ তেওঁলোকে যেন উদ্যানখনৰ একো ক্ষতি হ'বলৈ নিদি উদ্যানখনৰ সৌন্দৰ্য অটুত ৰাখে আৰু নিযুক্ত কৰ্মচাৰীজনক মাজে সময়ে সোঁৱৰাই থাকে।

আমি আন এগৰাকী দাতা আজম মল হক (আজু ভাই)ক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। পূৰ্বতে মহাবিদ্যালয়ৰ উদ্যানৰ মাজত থকা বাইক ষ্টেণ্ডটো তাৰ পৰাই আঁতৰাই নি মহাবিদ্যালয়ৰ খেলপথাৰৰ পশ্চিমফালে দুখন স্থায়ী বাইক ষ্টেণ্ড নিৰ্মাণ কৰি দিছে আজু ভাইয়ে তেখেতৰ পিতৃৰ নামত আৰু সেয়েহে আজু ভাইৰ এই বদান্যতাৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছোঁ।

আমি ইমানদিনে গম পাই আহিছিলোঁ যে মহাবিদ্যালয়খন যেতিয়া বৰ্তমানৰ স্থানত স্থাপিত হৈছিল তেতিয়া সেই মাটিখিনি অকল দেৱোত্তৰ মাটিয়েই নাছিল। এই মাটিখিনিৰ লগত এগৰাকী দানবীৰৰ নাম জড়িত হৈ আছিল। তেখেত হ'ল প্ৰয়াত মহিউদ্দিন আহমেদ (কালঠা শেখ)। অথচ তেখেতৰ নামত কোনো স্মৃতিচিহ্ন মহাবিদ্যালয়ত নাছিল। আমাৰ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক সভাপতি প্ৰয়াত খগেন্দ্ৰনাথ নাথ ডাঙৰীয়াৰ নেতৃত্বত কালঠা শেখৰ পৰা মাটি পোৱাত বৰ্তমানৰ স্থানতে স্থায়ীভাৱে মহাবিদ্যালয় ভৱনৰ নিৰ্মাণৰ কাৰ্য আৰম্ভ কৰিছিল। কালঠা শেখৰ পুত্ৰ মহম্মদ আমিৰ হুছেইন বৰ্তমান আমাৰ মহাবিদ্যালয়ৰ পৰিসংখ্যা বিভাগত চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী হিচাপে কৰ্মৰত। আমিৰ হুছেইনে পিতৃৰ স্মৃতিচিহ্ন এটি ৰখাৰ ক্ষেত্ৰত নিজৰ মনৰ ভাব মহাবিদ্যালয়ৰ বহুতৰ আগত ব্যক্ত কৰিছিল। সেয়েহে সেই মহান ব্যক্তি গৰাকীৰ প্ৰতি সন্মান জনাই আমি উদ্যানখনৰ প্ৰৱেশ পথত থকা তোৰণখনত লিখিছোঁ— 'মহিউদ্দিন আহমেদ (কালঠা শেখ) সোঁৱৰণী তোৰণ' ভূমিদাতা হিচাপে।

মহাবিদ্যালয়ৰ বাবে অতি প্ৰয়োজনীয় প্ৰেক্ষাগৃহটো আপ্ৰাণ চেষ্টা কৰিও আমি নিৰ্মাণ কৰি উলিয়াব নোৱাৰিলোঁ। সৰ্বশেষত ICDF (Infrastructure of City Dev. Fund) ৰপৰা যি ১০০ কোটি টকা আমাৰ গোৱালপাৰা চহৰখনৰ উন্নয়নৰ বাবে আহিছে সেই ফাণ্ডৰ পৰা প্ৰেক্ষাগৃহটো নিৰ্মাণ কৰি দিয়াৰ কথা উপায়ুক্ত মহোদয়াই কৈছে। আমাৰ ফালৰ পৰা ইতিমধ্যে মহাবিদ্যালয়ৰ বহুকেইটা আঁচনিৰ বিষয়ে উপায়ুক্তক অৱগত কৰা হৈছে। তাৰ ভিতৰত উদ্ভিদ উদ্যান আৰু মহাবিদ্যালয়ৰ খেলপথাৰৰ উন্নয়নৰ কথাও আছে। শেহতীয়াভাৱে আমি জানিব পাৰিছোঁ যে প্ৰেক্ষাগৃহটো নিৰ্মাণৰ বাবদ ২.৬০ কোটি টকা আৰু স্বৰ্ণজয়ন্তী পাৰ্কখনৰ বাবদ ১.৭০ কোটি টকাৰ প্ৰাক্কলন তৈয়াৰ কৰা হৈছে। আশা কৰিছোঁ খুব কম সময়ৰ ভিতৰতে মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহটো আৰু মূল ৰাষ্টাৰ কাষত থকা পাৰ্কখনৰ কাম সম্পূৰ্ণ হ'ব।

মহাবিদ্যালয়খনৰ বাবে ৎ এটা ভাল খবৰ এয়ে যে ধুবুৰী লোকসভা সমষ্টিৰ মাননীয় সাংসদ হাজী বদৰুদ্দিন আজমল চাহাবে ইতিমধ্যে ১ কোটি টকা বিজ্ঞানভৱন নিৰ্মাণৰ বাবে আগ বঢ়াইছে। প্ৰস্তাৱিত ভৱনটিৰ আধাৰশিলাও স্থাপন কৰা হৈছে। এই সুযোগতে আমি তেওঁক ধন্যবাদ জনাইছোঁ। ইতিমধ্যে Soil Testing ৰ কাম সমাপ্ত হৈছে।

মহাবিদ্যালয়খনৰ আন এটা অতি গুৰুত্বপূৰ্ণ সমস্যাৰ কথা যদি চৰকাৰক দৃষ্টিগোচৰ নকৰোঁ তেন্তে ভুল কৰা হ'ব। মহাবিদ্যালয়খনত আমি অৱসৰ লোৱাৰ পিছত মুঠ ১৮ টা পদ বিভিন্ন বিভাগত খালী হ'ব। এতিয়ালৈ ১৭টা পদ খালী হৈ আছে। গণিত, ৰসায়ন, পদাৰ্থ, জীৱবিদ্যা, ভূগোল, অৰ্থনীতি, ৰাজনীতি, দৰ্শন এই আটাইকেইটা বিভাগত পদ খালী হৈ থকা বাবে মহাবিদ্যালয়খনে শৈক্ষিক ক্ষেত্ৰত বিৰাট সমস্যাৰ সন্মুখীন হৈছে, আৰু হ'ব। চৰকাৰে অতি সোনকালে এই পদসমূহ পূৰণ নকৰিলে মহাবিদ্যালয়খনে অতীতৰ ঐতিহ্য হেৰাই পেলাব। এই ক্ষেত্ৰত ২৩ জনকৈ অংশকালীন প্ৰবক্তা নিযুক্তি দিব লগা হোৱাত মহাবিদ্যালয়খনে আৰ্থিক দিশত জুৰুলা হৈছে।

মহাবিদ্যালয়খনত বিনামূলীয়াকৈ নামভৰ্তি কৰা ছাত্ৰ-ছাত্ৰীসকলৰ উপৰি এইবেলি জিলা প্ৰশাসনৰ ফালৰ পৰা

সৰ্বমুঠ চাৰি হাজাৰ গছৰ পুলি ৰোপণ কৰা হৈছে। ইয়াৰে দুই হাজাৰ গছ পুলি জীয়াই থাকিলেও মহাবিদ্যালয়খনৰ প্ৰাকৃতিক পৰিৱেশ আটক ধুনীয়া হৈ পৰিব।


আমাৰ কাৰ্যকালত তিনিটা নতুন দিশ উন্মোচন কৰিছোঁ। প্ৰথমটো হ'ল— আমাৰ মহাবিদ্যালয়ৰ পৰা ইতিমধ্যে অৱসৰ গ্ৰহণ কৰা অধ্যাপক-অধ্যাপিকাবৃন্দক শিক্ষক দিৱসৰ দিনা (৫ ছেপ্তেম্বৰ) আমন্ত্ৰণ কৰি আনি একোখনকৈ ফুলাম গামোছাৰে আদৰণি জনাই সেৱা জনাওঁ। এই পৰম্পৰা যাতে নিয়মীয়া কৰি ৰাখে তাৰ বাবে মহাবিদ্যালয় কৰ্তৃপক্ষক অনুৰোধ জনালোঁ। দ্বিতীয়টো হ'ল— 'মহাবিদ্যালয় সপ্তাহ'ৰ আৰম্ভণিৰ দিনা বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা। উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ সাংস্কৃতিক বৈচিত্ৰ্যক সমল কৰি লৈ উলিওৱা শোভাযাত্ৰাই (গোটেই চহৰখনত) আমাৰ মহাবিদ্যালয়খনলৈ প্ৰশংসা আৰু গৌৰৱ কঢ়িয়াই আনিছে। তৃতীয়টো হ'ল— 'আন্তৰ্জাতিক যোগ দিৱস' পালন আৰু শিক্ষক-কৰ্মচাৰীৰ লগতে ছাত্ৰ-ছাত্ৰীৰ নিশ্চিত অংশগ্ৰহণ। উল্লেখ্য যে যোগ দিৱসৰ লগত সংগতি ৰাখিয়েই আমাৰ মহাবিদ্যালয়ত সপ্তাহত দুদিনকৈ যোগাভ্যাসৰ আঁচনি গ্ৰহণ কৰা হৈছে। এই যোগাভ্যাসত শুক্ৰবাৰে দুপৰীয়া ১.৩০ বজাত ছোৱালীয়ে আৰু শনিবাৰে ১.৩০ বজাত ল'ৰাই অংশগ্ৰহণ কৰিব পাৰিব। ছাত্ৰ-ছাত্ৰীৰ মংগলৰ প্ৰতি লক্ষ্য ৰাখিয়েই এই আঁচনি গ্ৰহণ কৰা হৈছে।

সদৌ শেষত এটা কথাই ক'ব খুজিছোঁ— ধুনীয়া ঘৰ, সুন্দৰ বাগিছা, প্ৰেক্ষাগৃহ, কনফাৰেঞ্চ হল আদি থাকিলেও যদিহে শৈক্ষিক পৰিৱেশ নাথাকে তেন্তে সকলো থাকিও একো নথকাৰ দৰে হ'ব। গতিকে শৈক্ষিক দিশটোত গুৰুত্ব দিবলৈ আমি সংশ্লিষ্ট সকলোকে অনুৰোধ জনালোঁ। ছাত্ৰ-ছাত্ৰী সকলকো মহাবিদ্যালয়খন পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰাখিবলৈ আহ্বান জনালোঁ। মহাবিদ্যালয়খনক শ্ৰেষ্ঠ জ্ঞানমন্দিৰ হিচাপে গণ্য কৰি আমাৰ সন্তানস্বৰূপ ছাত্ৰ-ছাত্ৰীসকলে মহাবিদ্যালয়খনৰ সৌষ্ঠৱ আৰু সৌন্দৰ্য বৰ্ধনত নিশ্চয় মনোনিৱেশ কৰিব।

জয়তু গোৱালপাৰা মহাবিদ্যালয়। ●



প্ৰবন্ধ



# আমি গণিত শিকাওঁ কিয়?

(ড° মহেন্দ্ৰ বৰা স্মাৰক বক্তৃতানুষ্ঠানত দিয়া ভাষণৰ কিয়দংশ)

ড° বিজয়কৃষ্ণ দেৱশৰ্মা
বিশিষ্ট গণিতজ্ঞ

■ যিকোনো এটা বিষয় স্কুলীয়া পৰ্যায়ত পাঠ্যক্ৰমৰ অন্তৰ্গত কৰা হয় যাতে সেই বিষয়টোৰ বুনিয়াদ শিকাৰুৱে আয়ত্ত কৰিব পাৰে। লগতে শিকাৰুৱে সামাজিক যোগ্যতা লাভ কৰাটোও হ'ল শিক্ষাৰ প্ৰকৃত লক্ষ্য। কাৰণ, সামাজিকভাৱে যোগ্য ব্যক্তিয়েহে সমসাময়িক পৰৱৰ্তনশীল, সমস্যা আদিৰ প্ৰতি সচেতন হয় আৰু সেয়ে সেইমতে পৰিৱৰ্তনশীল সামাজিক ব্যৱস্থা আয়ত্ত কৰিবলৈ সদা-সতৰ্ক হৈ থাকে। গণিত বিষয়টোৰ ক্ষেত্ৰতো এই কথা প্ৰযোজ্য।

আমাৰ ব্যক্তিগত দৈনিক জীৱনৰ সকলো ক্ষেত্ৰতে গণিতৰ ব্যৱহাৰিক মূল্য নিহিত হৈ আছে। পুৱা উঠাৰ পৰা ৰাতি শুৱালৈ আমি গণিতৰ প্ৰয়োগ আৰু গাণিতিক ঘটনাৰাজিৰে পৰিবৃত হৈ থাকোঁ। গণিতৰ জ্ঞান অবিহনে আমি কোনো কথা শুদ্ধকৈ জানিব নোৱাৰোঁ আৰু যি কোনো গণনামূলক কথাৰ ব্যৱহাৰিক মূল্যবোধ হৃদয়ঙ্গম কৰিব নোৱাৰোঁ। সমাজ জীৱনতো একে কথা। আজিকালি দেশৰ প্ৰগতি নিৰ্ভৰ কৰে আগতীয়াকৈ কৰা আঁচনিৰ ওপৰত। এই আঁচনি শুদ্ধ আৰু নিয়াৰিকৈ কৰিবলৈ হ'লে প্ৰথমতে দৰকাৰ গাণিতিক চিন্তাধাৰাৰ। গাণিতিক নমুনাৰ মডেল সাম্প্ৰতিক চিন্তাধাৰাৰ এক এৰাব নোৱাৰা অংগ। সেয়ে কোৱা হয়— বিজ্ঞানপুষ্ট জনজীৱনত গণিত বা গাণিতিক চিন্তাধাৰা হৈ পৰিছে এক নতুন কৃষ্টি।

(মনত ৰাখিব)— যি কোনো বিষয় এটা উদ্দেশ্য আৰু লক্ষ্য আগত নৰখাকৈ শিকোৱা নহয়। আচলতে পাঠ্যক্ৰমত সন্নিৱিষ্ট কৰা প্ৰতিটো বিষয়ৰে উদ্দেশ্য আৰু লক্ষ্য থাকে। এনে উদ্দেশ্য আৰু লক্ষ্যই হ'ল বিষয়টো শিকনৰ মূল চালক। ক'ত, কিমানখিনি শিকাব লাগে তাক নিৰ্বাচন কৰা হয় এই দুটা কথাৰ ওপৰত নিৰ্ভৰ কৰি। লক্ষ্যত উপনীত হোৱাৰ অৰ্থই হ'ল বিষয়টোৰ মূল্যবোধ আয়ত্ত কৰা। (মাধ্যমিক স্তৰত) স্কুলীয়া পৰ্যায়ত গণিত শিকোৱাৰ ক্ষেত্ৰত প্ৰধানকৈ তিনিটা লক্ষ্য ঠিক কৰা হয়। সেয়া হ'ল—

(১) কৃষ্টিমূলক আৰু নৈতিক লক্ষ্য,

(২) অনুশাসনমুলক লক্ষ্য,

(৩) উপযোগীবাদী বা বৃত্তিমূলক লক্ষ্য।

এতিয়া লক্ষ্য তিনিটা এটা এটাকৈ বিস্তৃত কৰোঁ।

(১) বৈজ্ঞানিক কৃষ্টি বিকাশত গণিতৰ জ্ঞান হ'ল প্ৰাণস্বৰূপ। আমাৰ সমাজখন সুন্দৰ, সুষম, কৰ্মক্ষম কৰি তুলিবলৈ কিছুমান অভ্যাসৰ আৱশ্যক। এই অভ্যাসসমূহ গণিত শিক্ষণে আনি দিব পাৰে। গণিত শিক্ষণে যুক্তি আৰু বিচাৰ ক্ষমতা আনি দি শিকাৰুক প্ৰকৃত অৰ্থত

জ্ঞানী কৰি তোলাত সহায় কৰে। গণিতৰ চিন্তাধাৰাৰ এনে কিছুমান পৰিশুদ্ধ গুণ আছে যিয়ে শিকাৰুক প্ৰভাৱান্বিত কৰি সংস্কৃত কৰে। ই শিকাৰুৰ চৰিত্ৰ বা স্বভাৱ গঠনতো সহায় কৰে। দক্ষতা, পাৰদৰ্শিতা, যুক্তিপ্ৰৱণতা, সুনিৰূপিণতা, নিৰ্দিষ্টতা আদি গুণৰ অধিকাৰী কৰি গণিত শিক্ষণে শিকাৰুৰ নৈতিক চৰিত্ৰত প্ৰভাৱ পেলায়। গাণিতিক চিন্তাধাৰাৰে প্ৰভাৱিত ব্যক্তি এজনে ভাল-বেয়া বা সঁচা-মিছা বাছনিকৰণত দক্ষতা আহৰণ কৰে।

(২) স্কুলীয়া পৰ্যায়ত (মাধ্যমিক) শিক্ষাৰ লক্ষ্য হ'ল সমাজৰ বিশৃংখলতাসমূহ আঁতৰাই এক নিয়ন্ত্ৰিত অৱস্থা অনা যাতে সমাজখনে বিকাশৰ ক্ষেত্ৰত আগবাঢ়ি যোৱাত কোনো অসুবিধাৰ সন্মুখীন নহয়। গণিত শিক্ষাৰ ক্ষেত্ৰতো এই কথা সমানে প্ৰযোজ্য। যিহেতু গণিত শিক্ষণৰ দ্বাৰা ব্যক্তিৰ ওপৰত সৰলতা, শুদ্ধতা, নিয়মানুবৰ্তিতা, যুক্তিযুক্ততা আদি অনুশাসনমূলক গুণৰ প্ৰভাৱ পেলাব পৰা যায়, গতিকে গণিত ঠিকমতে শিকাব পাৰিলে এইবোৰ শৃংখলাত্মক লক্ষ্যত উপনীত হ'ব পাৰি। গণিতৰ মাজত কিমানখিনি শৃংখলাবোধ বা নিয়মানুগ কথা নিহিত আছে জানিব পাৰি গণকযন্ত্ৰত কাম কৰিলে। গণকযন্ত্ৰক কৰিবলৈ দিয়া পাঠ আঁচনিৰ ভাষাত এটা মাথো যতিৰ ভুল থাকিলেও যন্ত্ৰটোৱে কাম নকৰে। দেখুৱাই দিয়ে 'যতিৰ ভুল' ক'ত। আমাৰ দৈনিক জীৱনত সন্মুখীন হোৱা যি কোনো সমস্যাৰ সমাধান পাবলৈ হ'লে গণিতৰ বিশ্লেষণ পদ্ধতি অতি আৱশ্যক। শিক্ষানুষ্ঠানত যি বৌদ্ধিক বিষয়ক শিক্ষা দিয়া হয়, তাক মানসিক অনুশাসনৰ ক্ৰিয়া বুলি কোৱা হয়। গতিকে গণিত শিক্ষণে শিকাৰুৰ নৈতিক শিক্ষা আহৰণত সহায়ক হয়। কাৰণ, গণিত শিক্ষণে ব্যক্তি মনৰ আভ্যন্তৰিণ অনুশাসন নিয়ন্ত্ৰণ কৰে।

গণিত শিক্ষাৰ মাজেদি যুক্তি আৰু চিন্তাৰ ভেটি সুদৃঢ় হয়। সমাজৰ সৰ্বাংগীণ উন্নতি কল্পে সাম্প্ৰতিক বিজ্ঞান আৰু প্ৰযুক্তিৰ ব্যৱহাৰত এই দুটা ধাৰা অপৰিহাৰ্য। এই বাবেই সম্প্ৰতি গণিতৰ প্ৰয়োগ ঊৰ্দ্ধমুখী হৈছে। শুদ্ধ বিজ্ঞানৰ উপৰিও সমাজ বিজ্ঞান, জীৱ-বিজ্ঞান, প্ৰকৃতিৰ সকলো বিশ্লেষণ বা অধ্যয়নৰ বাবে গণিতৰ প্ৰয়োগ হৈছে অৱশ্যাম্ভাৱী। এনেকি সুকুমাৰ ক'লাতো গণিতৰ প্ৰয়োগ পৰিলক্ষিত হৈছে। অৰ্থাৎ গণিত শিক্ষণ উপযোগীবাদী লক্ষ্যৰ দ্বাৰা প্ৰভাৱান্বিত হৈছে।

(৩) আজিকালি এনে এটা বৃত্তি নাই, য'ত গণিতৰ প্ৰয়োগ নোহোৱাকৈ চলিব পাৰি। এজন মিস্ত্ৰীৰ পৰা ৰান্ধনীলৈ, মিঠাইৱালাৰ পৰা বজাৰত বস্তু বিকা ব্যৱসায়ীলৈ সকলোৱে নিজ নিজ বৃত্তিত গণিত প্ৰয়োগ কৰিবৰ বাধ্য। শিল্প-কাৰখানাত গণিতৰ প্ৰয়োগ ভুৰি ভুৰি। ৰ'জাৰ বেকনে কৈছিল— 'গণিত সকলো জ্ঞান-বিজ্ঞানৰ দুৱাৰদলি আৰু সঁচাৰ ছাবিস্বৰূপ।' দাৰ্শনিক কান্তৰ মতে, 'বিজ্ঞান সঠিক হয় গণিতৰ প্ৰয়োগৰ দ্বাৰাহে।' শিক্ষাবিদ ইয়ঙে কৈছে— 'গণিত হ'ল সভ্যতাৰ ৰাজহাড়। ইয়াক আঁতৰালে আমাৰ সকলো বস্তুবাদী জগতৰ সভ্যতা পংগু হৈ পৰিব।'

স্কুলীয়া পৰ্যায়ত গণিত শিকোৱাৰ উদ্দেশ্য নিৰ্ণীত হৈছে দুভাগত : (ক) স্থূল উদ্দেশ্য আৰু (খ) বিশিষ্ট উদ্দেশ্য বুলি। স্থূল উদ্দেশ্যসমূহক কোৱা হয় এইদৰে :

(১) শিকাৰুক গাণিতিক পদ, ধাৰণা, সূত্ৰতত্ত্ব, পদ্ধতি আদিৰ জ্ঞান দিয়া যাতে শিকাৰুই দৈনিক জীৱনত প্ৰয়োজন হোৱা গণিতৰ জ্ঞানখিনি সমুচিতভাৱে প্ৰয়োগ কৰিব পাৰে।

(২) গণিত-শিকনৰ দ্বাৰা অন্যান্য পাঠনীয় বিষয়ত ব্যৱহৃত গণিত বুজিব পাৰি।

(৩) শিকাৰুৱে যাতে উচ্চ স্তৰত গণিত অধ্যয়ন কৰিবলৈ প্ৰয়োজনীয় আধাৰ পূৰঠ কৰিব পাৰে।

(৪) যাতে শিকাৰুই গণিতৰ প্ৰতি আগ্ৰহী হয়; গণিতত অনুৰাগ বঢ়াই গণিতভীতি দূৰ কৰিব পাৰে।

(৫) গাণিতিক জ্ঞান প্ৰয়োগ কৰি শিকাৰুই যাতে শুদ্ধভাৱে বিচাৰ ক্ষমতা, সাধাৰণীকৰণ, নিৰীক্ষণ দক্ষতা, নিৰূপিণতা আৰু যুক্তিযুক্ততা প্ৰদৰ্শন কৰিব পাৰে।

বিশিষ্ট উদ্দেশ্যসমূহ কোৱা হয় এইদৰে :—

(১) মাধ্যমিক স্তৰত বাস্তৱ সংখ্যা প্ৰণালীৰ জ্ঞান আৰু বোধ দিয়া যাতে শিকাৰুই সংখ্যা প্ৰণালী সম্পৰ্কে সম্যক জ্ঞান আহৰণ কৰিব পাৰে।

(২) বিভিন্ন জোখ-মাপৰ বিষয়ে জ্ঞান দিয়া যাতে শিকাৰুই ব্যৱহাৰিক জীৱনত তাক ভালদৰে প্ৰয়োগ কৰিব পাৰে।

(৩) বাণিজ্যিক গণিতৰ ওপৰত জ্ঞান দিয়া।

(৪) প্ৰতীকী গাণিতিক ভাষাৰ (অৰ্থাৎ বীজ গণিতৰ বিষয়ে) সৈতে চিনাকি কৰি দি শিকাৰুক ব্যৱহাৰিক দিশত প্ৰয়োগ কৰিবলৈ শিকোৱা।

জ্ঞানী কৰি তোলাত সহায় কৰে। গণিতৰ চিন্তাধাৰাৰ এনে কিছুমান পৰিশুদ্ধ গুণ আছে যিয়ে শিকাৰুক প্ৰভাৱান্বিত কৰি সংস্কৃত কৰে। ই শিকাৰুৰ চৰিত্ৰ বা স্বভাৱ গঠনতো সহায় কৰে। দক্ষতা, পাৰদৰ্শিতা, যুক্তিপ্ৰৱণতা, সুনিৰূপিণতা, নিৰ্দিষ্টতা আদি গুণৰ অধিকাৰী কৰি গণিত শিক্ষণে শিকাৰুৰ নৈতিক চৰিত্ৰত প্ৰভাৱ পেলায়। গাণিতিক চিন্তাধাৰাৰে প্ৰভাৱিত ব্যক্তি এজনে ভাল-বেয়া বা সঁচা-মিছা বাছনিকৰণত দক্ষতা আহৰণ কৰে।

(২) স্কুলীয়া পৰ্যায়ত (মাধ্যমিক) শিক্ষাৰ লক্ষ্য হ'ল সমাজৰ বিশৃংখলতাসমূহ আঁতৰাই এক নিয়ন্ত্ৰিত অৱস্থা অনা যাতে সমাজখনে বিকাশৰ ক্ষেত্ৰত আগবাঢ়ি যোৱাত কোনো অসুবিধাৰ সন্মুখীন নহয়। গণিত শিক্ষাৰ ক্ষেত্ৰতো এই কথা সমানে প্ৰযোজ্য। যিহেতু গণিত শিক্ষণৰ দ্বাৰা ব্যক্তিৰ ওপৰত সৰলতা, শুদ্ধতা, নিয়মানুবৰ্তিতা, যুক্তিযুক্ততা আদি অনুশাসনমূলক গুণৰ প্ৰভাৱ পেলাব পৰা যায়, গতিকে গণিত ঠিকমতে শিকাব পাৰিলে এইবোৰ শৃংখলাত্মক লক্ষ্যত উপনীত হ'ব পাৰি। গণিতৰ মাজত কিমানখিনি শৃংখলাবোধ বা নিয়মানুগ কথা নিহিত আছে জানিব পাৰি গণকযন্ত্ৰত কাম কৰিলে। গণকযন্ত্ৰক কৰিবলৈ দিয়া পাঠ আঁচনিৰ ভাষাত এটা মাথো যতিৰ ভুল থাকিলেও যন্ত্ৰটোৱে কাম নকৰে। দেখুৱাই দিয়ে 'যতিৰ ভুল' ক'ত। আমাৰ দৈনিক জীৱনত সন্মুখীন হোৱা যি কোনো সমস্যাৰ সমাধান পাবলৈ হ'লে গণিতৰ বিশ্লেষণ পদ্ধতি অতি আৱশ্যক। শিক্ষানুষ্ঠানত যি বৌদ্ধিক বিষয়ক শিক্ষা দিয়া হয়, তাক মানসিক অনুশাসনৰ ক্ৰিয়া বুলি কোৱা হয়। গতিকে গণিত শিক্ষণে শিকাৰুৰ নৈতিক শিক্ষা আহৰণত সহায়ক হয়। কাৰণ, গণিত শিক্ষণে ব্যক্তি মনৰ আভ্যন্তৰিণ অনুশাসন নিয়ন্ত্ৰণ কৰে।

গণিত শিক্ষাৰ মাজেদি যুক্তি আৰু চিন্তাৰ ভেটি সুদৃঢ় হয়। সমাজৰ সৰ্বাংগীণ উন্নতি কল্পে সাম্প্ৰতিক বিজ্ঞান আৰু প্ৰযুক্তিৰ ব্যৱহাৰত এই দুটা ধাৰা অপৰিহাৰ্য। এই বাবেই সম্প্ৰতি গণিতৰ প্ৰয়োগ ঊৰ্দ্ধমুখী হৈছে। শুদ্ধ বিজ্ঞানৰ উপৰিও সমাজ বিজ্ঞান, জীৱ-বিজ্ঞান, প্ৰকৃতিৰ সকলো বিশ্লেষণ বা অধ্যয়নৰ বাবে গণিতৰ প্ৰয়োগ হৈছে অৱশ্যাম্ভাৱী। এনেকি সুকুমাৰ ক'লাতো গণিতৰ প্ৰয়োগ পৰিলক্ষিত হৈছে। অৰ্থাৎ গণিত শিক্ষণ উপযোগীবাদী লক্ষ্যৰ দ্বাৰা প্ৰভাৱান্বিত হৈছে।

(৩) আজিকালি এনে এটা বৃত্তি নাই, য'ত গণিতৰ প্ৰয়োগ নোহোৱাকৈ চলিব পাৰি। এজন মিস্ত্ৰীৰ পৰা ৰান্ধনীলৈ, মিঠাইৱালাৰ পৰা বজাৰত বস্তু বিকা ব্যৱসায়ীলৈ সকলোৱে নিজ নিজ বৃত্তিত গণিত প্ৰয়োগ কৰিবৰ বাধ্য। শিল্প-কাৰখানাত গণিতৰ প্ৰয়োগ ভুৰি ভুৰি। ৰ'জাৰ বেকনে কৈছিল— 'গণিত সকলো জ্ঞান-বিজ্ঞানৰ দুৱাৰদলি আৰু সঁচাৰ ছাবিস্বৰূপ।' দাৰ্শনিক কান্তৰ মতে, 'বিজ্ঞান সঠিক হয় গণিতৰ প্ৰয়োগৰ দ্বাৰাহে।' শিক্ষাবিদ ইয়ঙে কৈছে— 'গণিত হ'ল সভ্যতাৰ ৰাজহাড়। ইয়াক আঁতৰালে আমাৰ সকলো বস্তুবাদী জগতৰ সভ্যতা পংগু হৈ পৰিব।'

স্কুলীয়া পৰ্যায়ত গণিত শিকোৱাৰ উদ্দেশ্য নিৰ্ণীত হৈছে দুভাগত ঃ (ক) স্থূল উদ্দেশ্য আৰু (খ) বিশিষ্ট উদ্দেশ্য বুলি। স্থূল উদ্দেশ্যসমূহক কোৱা হয় এইদৰে ঃ

(১) শিকাৰুক গাণিতিক পদ, ধাৰণা, সূত্ৰতত্ত্ব, পদ্ধতি আদিৰ জ্ঞান দিয়া যাতে শিকাৰুই দৈনিক জীৱনত প্ৰয়োজন হোৱা গণিতৰ জ্ঞানখিনি সমুচিতভাৱে প্ৰয়োগ কৰিব পাৰে।

(২) গণিত-শিকনৰ দ্বাৰা অন্যান্য পাঠনীয় বিষয়ত ব্যৱহৃত গণিত বুজিব পাৰি।

(৩) শিকাৰুৱে যাতে উচ্চ স্তৰত গণিত অধ্যয়ন কৰিবলৈ প্ৰয়োজনীয় আধাৰ পূৰঠ কৰিব পাৰে।

(৪) যাতে শিকাৰুই গণিতৰ প্ৰতি আগ্ৰহী হয়; গণিতত অনুৰাগ বঢ়াই গণিতভীতি দূৰ কৰিব পাৰে।

(৫) গাণিতিক জ্ঞান প্ৰয়োগ কৰি শিকাৰুই যাতে শুদ্ধভাৱে বিচাৰ ক্ষমতা, সাধাৰণীকৰণ, নিৰীক্ষণ দক্ষতা, নিৰূপিণতা আৰু যুক্তিযুক্ততা প্ৰদৰ্শন কৰিব পাৰে।

বিশিষ্ট উদ্দেশ্যসমূহ কোৱা হয় এইদৰে ঃ—

(১) মাধ্যমিক স্তৰত বাস্তৱ সংখ্যা প্ৰণালীৰ জ্ঞান আৰু বোধ দিয়া যাতে শিকাৰুই সংখ্যা প্ৰণালী সম্পৰ্কে সম্যক জ্ঞান আহৰণ কৰিব পাৰে।

(২) বিভিন্ন জোখ-মাপৰ বিষয়ে জ্ঞান দিয়া যাতে শিকাৰুই ব্যৱহাৰিক জীৱনত তাক ভালদৰে প্ৰয়োগ কৰিব পাৰে।

(৩) বাণিজ্যিক গণিতৰ ওপৰত জ্ঞান দিয়া।

(৪) প্ৰতীকী গাণিতিক ভাষাৰ (অৰ্থাৎ বীজ গণিতৰ বিষয়ে) সৈতে চিনাকি কৰি দি শিকাৰুক ব্যৱহাৰিক দিশত প্ৰয়োগ কৰিবলৈ শিকোৱা।

(৫) শিকাৰুৰ লেখ, সমীকৰণ, সূত্ৰাৱলী আৰু তাৰ প্ৰয়োগ সম্পৰ্কে সম্যক জ্ঞান দিয়া।

(৬) কোনো এটা সমস্যাৰ গাণিতিক ৰূপ দিয়া আৰু গাণিতিক ভাষাৰ পৰা সাধাৰণ ভাষালৈ ৰূপান্তৰ কৰিব পৰা দক্ষতা অৰ্জন কৰোৱা।

(৭) গণিতত থকা যুক্তিৰ জ্ঞান আৰু বোধ আয়ত্ত কৰোৱা।

(৮) কোনো এটা প্ৰদত্ত তথ্যৰ প্ৰকৰণ, প্ৰদৰ্শন, বিচাৰ-বিশ্লেষণ আদি কৰিব পৰা, লগতে তাৰ ওপৰত যথাযথ মন্তব্য দিব পৰা কৰা।

(৯) গণিতৰ ওপৰত বিশ্বাস আৰু আস্থা প্ৰতিষ্ঠা কৰা, যাতে শিকাৰুই গণিতৰ কথাবোৰ প্ৰয়োজনীয় বুলি সমাদৰ কৰে। লগতে দৈনন্দিন জীৱনত যে গণিতৰ জ্ঞান এৰাব নোৱাৰা কথা তাক উপলব্ধি কৰোৱা।

(১০) পৰিদৃশ্যমান জগতৰ মাজত থকা জ্যামিতীয় গঢ়, আকাৰ আদিৰ সৈতে পৰিচয় কৰোৱা যাতে শিকাৰুই জ্যামিতিৰ মাজত থকা যুক্তিৰ উপৰিও চানেকি আদিৰ কথা উদ্ধাৰ কৰিব পাৰে।

প্ৰকৃততে এই উদ্দেশ্য দুটাৰ মাজতে সোমাই আছে গণিত আৰহণ কৰা, গণিতক আদৰ কৰা আৰু গাণিতিক আচৰণ আয়ত্ত কৰা কথা তিনিটা। মনকৰিবলগীয়া যে চিন্তাৰ বিকাশ ঘটোৱা, বিশ্লেষণ ক্ষমতা অৰ্জন কৰোৱা, যুক্তিৰ দক্ষতা দেখুওৱা, মৌলিক প্ৰচেষ্টা প্ৰদৰ্শন, নতুন ধ্যান ধাৰণা আয়ত্ত কৰোৱা, প্ৰাপ্ত তথ্য পদ্ধতিগতভাৱে বিশ্লেষণ কৰিব পৰা, স্বজ্ঞা আৰু সাধাৰণ জ্ঞানৰ জুমুঠি গঠন কৰোৱা আদি কথাবোৰেই হ'ল আহৰণ কাৰ্য্যৰ অংগ। এইদৰে যুক্তি আৰু পদ্ধতিগতভাৱে চিন্তা কৰিবলৈ শিকা, স্ব-অধ্যয়ন কৰিব পৰা, মনোনিবেশকৰণ, মনক যুক্তিপ্ৰৱণ কৰা, পৰিশুদ্ধতা আৰু অনুশাসনমূলক নিয়ন্ত্ৰণ ক্ষমতা অৰ্জন, জ্ঞান অৰ্জনৰ বাবে ধাউতি দেখুওৱা, আত্মবিশ্বাস প্ৰদৰ্শন কৰা আদি গুণ আয়ত্ত কৰাটো হ'ল আচৰণ। আনহাতে, গণিতক প্ৰশংসা কৰা, ইয়াৰ প্ৰয়োগ সম্বন্ধে জনা, অন্য বিষয়ৰ সৈতে সহ সম্বন্ধ উদ্ধাৰ কৰা, বৃত্তিমূলক প্ৰয়োগ জনা, গণিত কৰি ৰস পোৱা, কুইজ-সাঁথৰ আদিৰ প্ৰতি আগ্ৰহী হোৱা কথাবোৰক আদৰকৰণ বুলি কোৱা হয়।

এই বাবেই আজিকালি গণিত শিক্ষাৰ পাঠ্যক্ৰম এনেভাৱে যুগুতোৱা হয় যাতে শিকাৰুই আয়ত্ত কৰিব পাৰে—

**(ক) জ্ঞান আহৰণ ঃ** পাঠৰ জ্ঞান সম্যকভাৱে আহৰণ কৰাটো বুজোৱা।

**(খ) বোধ আয়ত্তকৰণ ঃ** বোধ আয়ত্তকৰণৰ দ্বাৰা শিকাৰুই গণিতৰ পদ, ধাৰণা, চিহ্ন, পৰিভাষা, বিধি, প্ৰক্ৰিয়া, সূত্ৰ আদি সুন্দৰভাৱে দিব পৰা হয়। তেতিয়া শিকাৰুই পাঠত থকা কথা নিজৰ ভাষাত ব্যাখ্যা কৰিব পাৰিব, ভুল-শুদ্ধৰ বিচাৰ কৰিব পাৰিব।

**(গ) প্ৰয়োগীকৰণ ঃ** শিকাৰুই প্ৰদত্ত আৰু নিৰ্ণেয় তথ্যৰ বিশ্লেষণ কৰিব পৰা, প্ৰদত্ত তথ্যৰ সম্বন্ধ স্থাপন কৰিব পৰা কাৰ্য্য প্ৰয়োগীকৰণত ফুটি উঠে। প্ৰশ্ন সমাধান আৰু সমস্যা সমধানৰ ক্ষেত্ৰত প্ৰয়োগীকৰণে সহায় কৰে।

**(ঘ) দক্ষতা অৰ্জন ঃ** শিকাৰুই যেতিয়া গণনা কাৰ্য্য, জ্যামিতিৰ সঠিক চিত্ৰ অংকন, লেখ অংকন, তালিকা বা লেখচিত্ৰ আদি খৰ গতিত সমাপন কৰিব পাৰিলে শিকাৰুজনে দক্ষতা অৰ্জন কৰা বুলি বুজোৱা হয়। গণনাৰ দক্ষতা অৰ্জন কৰিলে শিকাৰুই সহজে আৰু ক্ষিপ্ৰতাৰে মৌখিক গণনা কৰিব পাৰিব।

**(ঙ) গণিতৰ ভূমিকা সম্পৰ্কে উপলব্ধিকৰণঃ**

**(চ) অনুৰাগ অৰ্জন ঃ** গণিতৰ প্ৰতি অনুৰাগ বাঢ়িলে শিকাৰুই সাঁথৰ, কুইজ আদিৰ প্ৰতি আগ্ৰহী হ'ব। ইয়াৰ দ্বাৰা পাঠ্যক্ৰমৰ বাহিৰতো গাণিতিক সমস্যা উদ্ধাৰ কৰিবলৈ শিকাৰু সক্ষম হ'ব। অৰ্থাৎ অনুৰাগ অৰ্জন কৰিলে শিকাৰুৰ গণিত প্ৰীতি বাঢ়িব, গণিত কৰি ভালপোৱা অভ্যাস আয়ত্ত হ'ব।

**(ছ) সুস্থ মনোভাৱ আয়ত্তীকৰণ ঃ** শিকাৰুই গণিতৰ প্ৰতি সুস্থ মনোভাৱ গ্ৰহণ কৰিলে গণিতৰ প্ৰতি থকা ভয় ভাব দূৰ কৰিব পাৰে। গণিতৰ দুৰ্বল ছাত্ৰ-ছাত্ৰীৰ বাবে এনে গুণৰ প্ৰয়োজন অতি বেছি।

**(জ) বৈজ্ঞানিক দৃষ্টিভংগী গঠন ঃ** গণিত শিক্ষা যোগেদি শিকাৰুৰ বৈজ্ঞানিক মনোভাৱ গঢ়ি তোলাটো গণিত শিকোৱাৰ অন্যতম উদ্দেশ্য। তেতিয়া হ'লে শিকাৰুই যুক্তিৰে প্ৰমাণিত হ'লেহে কোনো এটা কথা গ্ৰহণ কৰিব, সমস্যা সকলো দিশ চালি জাৰি চাব পৰা হ'ব আৰু যুক্তিৰ সহায়ত চিন্তা কৰাৰ অভ্যাস আয়ত্ত কৰিব।

(ঝ) ব্যক্তিত্ব গঠন ঃ গণিত শিকনৰ দ্বাৰা শিকাৰুই এক আদৰ্শনীয়, ব্যক্তিত্ব গঠন কৰিব পাৰে। তেতিয়া শিকাৰুই গণিত শিকনৰ সহায়ত সময়ানুবৰ্তিতা, নিয়মানুগ হোৱা, মনোযোগিতা, পৰিষ্কাৰ-পৰিচ্ছন্নতা, সুনিশ্চয়তা আৰু সুনিৰ্দিষ্টতা গুণবোৰ আয়ত্ত কৰিব।

(ঞ) গণিতৰ বহল জগত প্ৰদৰ্শন ঃ মাধ্যমিক স্তৰত দিয়া গণিত শিক্ষাৰ যোগেদি শিকাৰুক গণিত জগতৰ বিস্তীৰ্ণতা সম্পৰ্কে সচেতন কৰাটো হ'ল অন্যতম উদ্দেশ্য। তেতিয়া শিকাৰুই গণিতৰ কৃষ্টি আৰু ইতিহাস জানিবলৈ আগ্ৰহী হ'ব। আন কথাত শিকাৰুই গণিতৰ স্বৰূপ বুজি পাব।

**দ্বিতীয় ভাগ (খ)**

এতিয়া আহোঁ মহাবিদ্যালয় স্তৰত গণিত শিকোৱা কথালৈ। মহাবিদ্যালয় স্তৰত গণিত পঢ়িবলৈ অহা ছাত্ৰ-ছাত্ৰীসকলক গণিত অনুৰাগী বুলি ধৰা হয়। লগতে ধৰি লোৱা হয় যে তেওঁলোকে গণিতৰ ভেটি এটা গঠন কৰি আহিছে। সেয়ে এই স্তৰত পাঠ্যক্ৰম প্ৰস্তুত কৰা হয় গণিতৰ বিস্তীৰ্ণতাৰ আধাৰত। যিহেতু উচ্চস্তৰীয় গণিত এজুপি অখণ্ডৰ দৰে, ইয়াৰ শাখা-প্ৰশাখাও বহুত। মহাবিদ্যালয় স্তৰত সেয়ে গণিতৰ পাঠ্যক্ৰম শাখা অনুসৰি ভাগে ভাগে জ্ঞান আহৰণ কৰিব পৰাকৈ প্ৰস্তুত কৰা হয়। উচ্চস্তৰীয় গণিত মূলতঃ দুভাগত বিভক্ত— বিশুদ্ধ গণিত অৰ্থাৎ Pure Mathematics আৰু প্ৰায়োগিক গণিত অৰ্থাৎ Applied Mathematics। ইয়াৰ ওপৰত ভিত্তি কৰিয়েই দুয়োটা ভাগৰ পাঠ্য বিষয় অন্তৰ্ভুক্ত কৰা হয়।

বিশুদ্ধ গণিত তত্ত্ব-দৰ্শী আৰু প্ৰায়োগিক গণিত ব্যৱহাৰ্য-দৰ্শী। প্ৰযুক্তিবিদ্যা আৰু কাৰিকৰী বিদ্যাই প্ৰায়োগিক গণিত ব্যৱহাৰ কৰিয়েই সম্প্ৰতি এক বিকাশপ্ৰাপ্ত অৱস্থা পাইছে। আমি সকলোৱে জানো যে সাম্প্ৰতিক বৈজ্ঞানিক যুগত গণিত অবিহনে কোনো এটা বিদ্যা অধ্যয়ন কৰিব নোৱাৰি। এনেকি ক'লা শাখাতো, বিশেষকৈ অৰ্থনীতি, শিক্ষা আদি বিষয় অধ্যয়নৰ বাবে গণিতৰ জ্ঞান অপৰিহাৰ্য্য। এই বাবেই মহাবিদ্যালয় স্তৰৰ গণিতৰ পাঠ্যক্ৰম ভিন ভিন বিষয় থকা কৰা হয়, যাতে এই স্তৰ অতিক্ৰমি ছাত্ৰজন (বা ছাত্ৰীজনী) গণিত পটু হয়, গণিতৰ বহল জগতখনত বিচৰণ কৰিব পৰা হয় আৰু তেতিয়াহে ছাত্ৰজনে স্নাতকোত্তৰ স্তৰত গণিত পঢ়ি গণিতৰ ভাল গৱেষক হ'ব পাৰে।

মহাবিদ্যালয় স্তৰত যিসকলে গণিত বিষয়টো পঢ়ে, সাধাৰণতে তেওঁলোক গণিতত ৰুচি থকা বিধৰ হয়। সেয়ে এই স্তৰত গণিত পঢ়াওতে অধ্যাপকে ৰুচি বুজি পঢ়াব লাগে। ছাত্ৰই যাতে গণিত বুজি পায়, তালৈ সদায় নজৰ ৰখাৰ প্ৰয়োজন। মহাবিদ্যালয় স্তৰৰ ছাত্ৰই প্ৰতিটো তত্ত্বৰ সাৰমৰ্ম বুজিব লাগিব, তেতিয়াহে তেওঁলোকৰ যিসকলে স্নাতকোত্তৰ স্তৰলৈ নগৈ গণিতৰ শিক্ষক হয়, তেওঁলোকে মাধ্যমিক স্তৰত 'ভাল শিক্ষক' হ'ব পাৰিব।

মহাবিদ্যালয় স্তৰৰ গণিত পঢ়াসকলে বুজিবৰ প্ৰয়োজন যে Mathematics is a doing subject অৰ্থাৎ গণিতৰ অনুশীলনীত থকা প্ৰশ্নবোৰ কৰা উচিত। তেওঁলোকে দৈনিক প্ৰবাদ বাক্যঃ

I hear and I forget
I see and I remember
I do and I know,

-কথাষাৰিৰ মৰ্মাৰ্থ বুজিব পাৰিব।

মহাবিদ্যালয় স্তৰত গণিতৰ ছাত্ৰই গণিতৰ সমস্যা সমাধানৰ নমুনাটো হৃদয়ঙ্গম কৰিব লাগিব। নমুনাটো হ'ল এনে ধৰণৰঃ

সমস্যা ঃ প্ৰথম প্ৰশ্ন— সমস্যাটোৰ সম্ভাব্য সমাধান আছেনে?

উত্তৰ ঃ আছে বা নাই

(২) যদি আছে ঃ কিমানটা?

উত্তৰ ঃ এটা বা বহুতো

৩য় প্ৰশ্ন ঃ ইয়াৰ কোনটো সমস্যাৰ চৰ্ত সাপেক্ষে সত্য?

উত্তৰ ঃ কৰি চোৱা

যদি এটা মাত্ৰ সমাধান আছে, তেন্তে সেয়া হ'ব সমস্যাটোৰ 'একক' (Unique) সমাধান। মহাবিদ্যালয় স্তৰৰ মেজৰ (Honours) লোৱা সকলে এনে Uniquess উপপাদ্য পাঠ্যক্ৰমত পঢ়ে।

গণিতত মেজৰ লোৱা সকলৰ প্ৰায় সকলোৱে মুৰকত গণিতত স্নাতকোত্তৰ পাঠ্য পঢ়িব। গতিকে তেওঁলোকৰ বাবে উচ্চ-গণিতৰ ধ্যান-ধাৰণা অৱগত কৰিব পৰা পাঠ্যক্ৰম প্ৰস্তুত কৰা হয়। লগতে এনে ছাত্ৰৰ বাবে

**(ঝ) ব্যক্তিত্ব গঠন ঃ** গণিত শিকনৰ দ্বাৰা শিকাৰুই এক আদৰ্শনীয়, ব্যক্তিত্ব গঠন কৰিব পাৰে। তেতিয়া শিকাৰুই গণিত শিকনৰ সহায়ত সময়ানুবৰ্তিতা, নিয়মানুগ হোৱা, মনোযোগিতা, পৰিষ্কাৰ-পৰিচ্ছন্নতা, সুনিশ্চয়তা আৰু সুনিৰ্দিষ্টতা গুণবোৰ আয়ত্ত কৰিব।

**(ঞ) গণিতৰ বহল জগত প্ৰদৰ্শন ঃ** মাধ্যমিক স্তৰত দিয়া গণিত শিক্ষাৰ যোগেদি শিকাৰুক গণিত জগতৰ বিস্তীৰ্ণতা সম্পৰ্কে সচেতন কৰাটো হ'ল অন্যতম উদ্দেশ্য। তেতিয়া শিকাৰুই গণিতৰ কৃষ্টি আৰু ইতিহাস জানিবলৈ আগ্ৰহী হ'ব। আন কথাত শিকাৰুই গণিতৰ স্বৰূপ বুজি পাব।

**দ্বিতীয় ভাগ (খ)**

এতিয়া আহোঁ মহাবিদ্যালয় স্তৰত গণিত শিকোৱা কথালৈ। মহাবিদ্যালয় স্তৰত গণিত পঢ়িবলৈ অহা ছাত্ৰ-ছাত্ৰীসকলক গণিত অনুৰাগী বুলি ধৰা হয়। লগতে ধৰি লোৱা হয় যে তেওঁলোকে গণিতৰ ভেটি এটা গঠন কৰি আহিছে। সেয়ে এই স্তৰত পাঠ্যক্ৰম প্ৰস্তুত কৰা হয় গণিতৰ বিস্তীৰ্ণতাৰ আধাৰত। যিহেতু উচ্চস্তৰীয় গণিত এজুপি অখণ্ডৰ দৰে, ইয়াৰ শাখা-প্ৰশাখাও বহুত। মহাবিদ্যালয় স্তৰত সেয়ে গণিতৰ পাঠ্যক্ৰম শাখা অনুসৰি ভাগে ভাগে জ্ঞান আহৰণ কৰিব পৰাকৈ প্ৰস্তুত কৰা হয়। উচ্চস্তৰীয় গণিত মুলতঃ দুভাগত বিভক্ত— বিশুদ্ধ গণিত অৰ্থাৎ Pure Mathematics আৰু প্ৰায়োগিক গণিত অৰ্থাৎ Applied Mathematics। ইয়াৰ ওপৰত ভিত্তি কৰিয়েই দুয়োটা ভাগৰ পাঠ্য বিষয় অন্তৰ্ভুক্ত কৰা হয়।

বিশুদ্ধ গণিত তত্ত্ব-দৰ্শী আৰু প্ৰায়োগিক গণিত ব্যৱহাৰ্য-দৰ্শী। প্ৰযুক্তিবিদ্যা আৰু কাৰিকৰী বিদ্যাই প্ৰায়োগিক গণিত ব্যৱহাৰ কৰিয়েই সম্প্ৰতি এক বিকাশপ্ৰাপ্ত অৱস্থা পাইছে। আমি সকলোৱে জানো যে সাম্প্ৰতিক বৈজ্ঞানিক যুগত গণিত অবিহনে কোনো এটা বিদ্যা অধ্যয়ন কৰিব নোৱাৰি। এনেকি ক'লা শাখাতো, বিশেষকৈ অৰ্থনীতি, শিক্ষা আদি বিষয় অধ্যয়নৰ বাবে গণিতৰ জ্ঞান অপৰিহাৰ্য্য। এই বাবেই মহাবিদ্যালয় স্তৰৰ গণিতৰ পাঠ্যক্ৰম ভিন ভিন বিষয় থকা কৰা হয়, যাতে এই স্তৰ অতিক্ৰমি ছাত্ৰজন (বা ছাত্ৰীজনী) গণিত পটু হয়, গণিতৰ বহল জগতখনত বিচৰণ কৰিব পৰা হয় আৰু তেতিয়াহে ছাত্ৰজনে স্নাতকোত্তৰ স্তৰত গণিত পঢ়ি গণিতৰ ভাল গৱেষক হ'ব পাৰে।

মহাবিদ্যালয় স্তৰত যিসকলে গণিত বিষয়টো পঢ়ে, সাধাৰণতে তেওঁলোক গণিতত ৰুচি থকা বিধৰ হয়। সেয়ে এই স্তৰত গণিত পঢ়াওতে অধ্যাপকে ৰুচি বুজি পঢ়াব লাগে। ছাত্ৰই যাতে গণিত বুজি পায়, তালৈ সদায় নজৰ ৰখাৰ প্ৰয়োজন। মহাৰিদ্যালয় স্তৰৰ ছাত্ৰই প্ৰতিটো তত্ত্বৰ সাৰমৰ্ম বুজিব লাগিব, তেতিয়াহে তেওঁলোকৰ যিসকলে স্নাতকোত্তৰ স্তৰলৈ নগৈ গণিতৰ শিক্ষক হয়, তেওঁলোকে মাধ্যমিক স্তৰত 'ভাল শিক্ষক' হ'ব পাৰিব।

মহাবিদ্যালয় স্তৰৰ গণিত পঢ়াসকলে বুজিবৰ প্ৰয়োজন যে Mathematics is a doing subject অৰ্থাৎ গণিতৰ অনুশীলনীত থকা প্ৰশ্নবোৰ কৰা উচিত। তেওঁলোকে দৈনিক প্ৰবাদ বাক্যঃ

I hear and I forget
I see and I remember
I do and I know,

-কথাষাৰিৰ মৰ্মাৰ্থ বুজিব পাৰিব।

মহাবিদ্যালয় স্তৰত গণিতৰ ছাত্ৰই গণিতৰ সমস্যা সমাধানৰ নমুনাটো হৃদয়ঙ্গম কৰিব লাগিব। নমুনাটো হ'ল এনে ধৰণৰঃ

সমস্যা ঃ প্ৰথম প্ৰশ্ন— সমস্যাটোৰ সম্ভাব্য সমাধান আছেনে?

উত্তৰ ঃ আছে বা নাই

(২) যদি আছে ঃ কিমানটা?

উত্তৰ ঃ এটা বা বহুতো

৩য় প্ৰশ্ন ঃ ইয়াৰ কোনটো সমস্যাৰ চৰ্ত সাপেক্ষে সত্য?

উত্তৰ ঃ কৰি চোৱা

যদি এটা মাত্ৰ সমাধান আছে, তেন্তে সেয়া হ'ব সমস্যাটোৰ 'একক' (Unique) সমাধান। মহাবিদ্যালয় স্তৰৰ মেজৰ (Honours) লোৱা সকলে এনে Uniquess উপপাদ্য পাঠ্যক্ৰমত পঢ়ে।

গণিতত মেজৰ লোৱা সকলৰ প্ৰায় সকলোৱে মুৰকত গণিতত স্নাতকোত্তৰ পাঠ্য পঢ়িব। গতিকে তেওঁলোকৰ বাবে উচ্চ-গণিতৰ ধ্যান-ধাৰণা অৱগত কৰিব পৰা পাঠ্যক্ৰম প্ৰস্তুত কৰা হয়। লগতে এনে ছাত্ৰৰ বাবে

গণিতত গৱেষণামূলক পাঠ্যক্ৰমো থকা উচিত। সেয়ে এইসকল ছাত্ৰৰ বাবে ১০০ নম্বৰৰ 'প্ৰজেক্ট' সূচক পাঠ্যক্ৰম থকা উচিত বুলি আমি ভাবোঁ। তেওঁলোকে বুজা উচিত যে সাম্প্ৰতিক বিজ্ঞানপুষ্ট সভ্যতাত 'গণিতবিনে গতি নাই', অৰ্থাৎ গণিত সৰ্বত্ৰ বিদ্যতে।

## গণিত কি আৰু কিয়?

আপোনাক যদি কোনোবা ছাত্ৰই সোধে 'গণিত কি' বুলি, তেনেহ'লে আপুনি একে আষাৰতে তাৰ সঠিক উত্তৰ দিব নোৱাৰিব। বহুতেই কব— 'গণিত মানে অংকশাস্ত্ৰ য'ত আমি যোগ-বিয়োগ, পূৰণ-হৰণ আদিৰ সহায়ত প্ৰশ্ন সমাধান কৰোঁ। বহুতো ইংৰাজী অভিধানত গণিতৰ সূত্ৰ দিয়া আছে সংখ্যাৰ বিজ্ঞান অৰ্থাৎ Science of numbers বুলি। দৰাচলতে এই সূত্ৰও তেনেই সীমিত আৰু অ-সামগ্ৰিক। সেয়ে মই কওঁ— ই সম্পূৰ্ণ শুদ্ধও নহয়। কাৰণ, আজিৰ গণিতশাস্ত্ৰ কেৱল সংখ্যাৰ বিজ্ঞান বুলি লৈ ভিন ভিন প্ৰক্ৰিয়াৰে কিছুমান প্ৰশ্ন সমাধান কৰাতেই সীমিত হৈ থকা নাই। সংখ্যাৰ মাজত থকা পাৰস্পৰিক সম্বন্ধ, চানেকি, আকৃতি আৰু বিধিসমূহৰ সৈতে পৰিচয় কৰাই দিয়াটো গণিতৰ এক ঘাই কামহে। কিন্তু গণিত ইয়াতেই শেষ হোৱা নাই। বৰং গণিতৰ জ্ঞান আয়ত্ত কৰি তাক ব্যৱহাৰিক দিশত প্ৰয়োগ কৰিব পৰা স্তৰলৈ অনাটোও গণিতৰে কাম। আধুনিক সভ্যতাৰ পৰিপূৰ্ণতা অনাত সহায় কৰা বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ প্ৰয়োগত গণিত হ'ল প্ৰাণকেন্দ্ৰ। সেয়ে 'গণিত কি' বুলি সুধিলে আমি কোৱা উচিত যে 'গণিত হ'ল এক পদ্ধতি, ইংৰাজীত System' ।

'গাণিতিক পদ্ধতি' বুলিলে তাৰ দুটা অংশ থাকে। প্ৰথম অংশত থাকে এটা 'প্ৰতিজ্ঞা' যাৰ প্ৰমাণ পদ্ধতিটোত বিচাৰ কৰা নহয়, বৰং তাক সত্য বুলি ধৰি লোৱা হয়। গণিতত ইয়াক আমি স্বতঃসিদ্ধ (ইংৰাজীত (Axiom) অৰ্থাৎ স্বভাৱতে সিদ্ধ বুলি গণ্য কৰোঁ। দ্বিতীয় অংশত থাকে প্ৰথম অংশত ধৰি লোৱা প্ৰতিজ্ঞাৰ বিধি, নীতি আৰু তত্ত্ব। গণিতৰ এনে প্ৰকৃতিৰ বাবেই আমি কোৱা বা ধৰি লোৱা কথা এটা সত্য বুলি প্ৰমাণ কৰিবলগীয়া হয়। গণিতৰ সত্য সাৰ্বজনীন, সকলোৰে বাবে একে। আপোনাৰ মোৰ বাবে যি সত্য, ৰাছিয়া-আমেৰিকা বা আফ্ৰিকাত থকা ব্যক্তিৰ বাবেও সেই একে সত্য।

অৱশ্যে গণিতৰ সত্য চৰ্ত সাপেক্ষে সত্য হ'ব পাৰে। চৰ্ত সলালে সত্যটোও সলনি হ'ব। এটা উদাহৰণ দি বুজাই দিছোঁ আমি স্কুলীয়া গণিতত পঢ়াই আহিছোঁ যে কোনো এটা ত্ৰিভুজৰ তিনিও কোণৰ মানৰ সমষ্টি ১৮০ ডিগ্ৰী। এই সত্যটো প্ৰমাণিত হৈছে সমান্তৰাল সৰল ৰেখাৰ চৰ্ত সাপেক্ষে। এই চৰ্ত কমালে বা আঁতৰাই দিলে কিন্তু ইউক্লীডিয় সত্যটো পোৱা নাযাব। হাঙ্গেৰীৰ জোহান বলাই (১৭৯৩-১৮৫৬) আৰু ৰাছিয়াৰ নিকোলাই আইভানোভিচ্চী লোভা ছেভেস্কি (১৮০২-১৮৬০) নামৰ গণিতজ্ঞ দুজনে সমান্তৰাল সৰল ৰেখাৰ চৰ্ত কমাই প্ৰমাণ কৰিছিল যে ত্ৰিভুজৰ তিনিও কোণৰ মানৰ সমষ্টি ১৮০ ডিগ্ৰীতকৈ কম। আনহাতে ইটালিৰ জৰ্জ ফ্ৰেডেৰিক বীমানে (১৮২৬-১৮৬৬) সমান্তৰাল সৰল ৰেখাৰ কথাটো নুই কৰি প্ৰমাণ কৰে যে ত্ৰিভুজৰ তিনিও কোণৰ মানৰ সমষ্টি সদায় ১৮০ ডিগ্ৰীতকৈ বেছি।

সাম্প্ৰতিক কালৰ গণিতজ্ঞ সকলৰ মতে গণিত হ'ল এক ভাষা, যি ভাষাৰ অবিহনে আধুনিক জ্ঞান বিজ্ঞানৰ বিশেষকৈ প্ৰযুক্তি বিদ্যাৰ বিকাশৰ প্ৰগতি স্থবিৰ হৈ পৰিব। মন কৰক যে আমি আমাৰ মনৰ ভাব প্ৰকাশ কৰিবলৈ এক বিশেষ মাধ্যমৰ সহায় লওঁ। সেয়ে হ'ল ভাষা। আৰু, আমি আমাৰ মনৰ ভাব প্ৰকাশ কৰোঁ দুই প্ৰকাৰে— গুণগতভাৱে আৰু সাংখিকভাৱে। সাংখিকভাৱে প্ৰকাশ কৰোঁতেই আহি পৰে গণিতৰ ভাষা। উদাহৰণত 'কিমান?' বুলি সুধিলে যি উত্তৰ দিব লাগিব, সেই ভাষা হ'ব গণিতৰ। ইংৰাজীত এষাৰ কথা আছে— The purpose of a language is to communicate অৰ্থাৎ ভাষাৰ উদ্দেশ্য হ'ল যোগাযোগ স্থাপন কৰা। সাম্প্ৰতিক অৱস্থাত আমি জ্ঞান-বিজ্ঞানৰ পৰা কৃষ্টি-সংস্কৃতিলৈ সকলো ক্ষেত্ৰতে যোগাযোগ কৰিবৰ বাবে ভিন ভিন প্ৰতীকধৰ্মী ভাষাৰ সৃষ্টি কৰিছোঁ। বিজ্ঞান আৰু প্ৰযুক্তিৰ বাবে উদ্ভৱ হৈছে গণিতৰ ভাষা। গণিতত সৃষ্টি কৰা ভাষাৰ মনককৰিবলগীয়া দিশটো হ'ল ইয়াৰ সাৰ্বজনীনতা। উদাহৰণতঃ U প্ৰতীকটোৰে আমি অসমৰ এচকুত যি বুজাওঁ, বিশ্বৰ যিকোনো অংশতো সেই একে কথাকে বুজায়। অথচ আমাৰ কথিত বা লিখিত ভাষা, দুয়োজনৰে বেলেগ বেলেগ।





দেখা যায়, আদিম অৱস্থাৰ পৰাই মানুহে সাংখিক মনোভাৱ প্ৰকাশ কৰি আহিছে কিছুমান বিশেষ গাণিতিক ৰাশি আৰু প্ৰতীকেৰে। জোখ-মাপৰ পৰা সংখ্যাৰ পৰিসৰলৈ সকলো কথা বিভিন্ন দেশত বিভিন্নজনে একে ধৰণেৰে প্ৰকাশ কৰি আহিছে। এই বাবেই এখন দেশৰ বেপাৰী এজনে আন এখন দেশলৈ গৈ বিনা কষ্টে ব্যৱসায় কৰিব পাৰে। এয়ে হ'ল গণিতৰ সাৰ্বজনীনতা। আধুনিক গণিতৰ জন্ম হোৱাৰ আগলৈ গণিতৰ ক্ষেত্ৰত সাংকেতিক কথাবোৰত বাহিৰে অধিক কথাই শাব্দিক মাধ্যমেৰে প্ৰকাশ কৰা প্ৰথা প্ৰচলিত আছিল। কিন্তু উনৈছ শতিকাৰ শেষভাগত গণিতৰ মূল ভেটিটো যুক্তিৰ আধাৰত স্থাপিত হোৱা বাবে গণিতৰ সাৰ্বজনীনতা আৰু অধিক হ'ল। যুক্তিৰ আমদানি কৰা বিশেষ ব্যক্তি দুজন হ'ল বাট্ৰাণ্ড ৰাচেল আৰু তেওঁৰ অগ্ৰজ কুৰ্ট গডেল। গডেলে ১৯৩১ চনত পাটীগণিতৰ সীমাবদ্ধতা সম্পৰ্কে আলোচনা কৰি জাৰ্মান ভাষাত এখন সুন্দৰ গৱেষণাপত্ৰ প্ৰকাশ কৰে। তেওঁ দেখুৱালে যে গণিতক যদি 'এক পদ্ধতি' বুলি গ্ৰহণ কৰা হয়, তেনেহ'লে পাটীগণিত কোন পদ্ধতিৰ পৰা আহিছে বুজিব নোৱাৰি। গতিকে পাটীগণিতৰ কথাবোৰ সম্পূৰ্ণ নহয়। গডেলৰ এনে যুক্তিয়ে গাণিতিক ভাষাৰ পৰিশুদ্ধতা আনিলে।

আধুনিক গণিতৰ বাবে জৰ্জ কেণ্টৰ আৱিষ্কৃত চেট তত্ত্ব এক নতুন ভাষাৰূপে পৰিগণিত হৈছে। চেট তত্ত্বৰ সহায়ত পাটীগণিতৰ সীমাবদ্ধতা বা সম্পূৰ্ণতা আঁতৰাব পৰা হ'ল। ইয়াৰ যি বীজগণিত, তাক ঠোৰতে 'যুক্তিৰ বীজগণিত', ইংৰাজীত The algebra of Logic বুলি কোৱা হ'ল। এই নতুন ভাষাৰে সংখ্যাবোৰক এটা পৰিয়ালত আবদ্ধ কৰি সংখ্যা পদ্ধতি— number System ৰ সৃষ্টি কৰা হ'ল। সংখ্যাৰ মাজত থকা বিধি, চানেকি আৰু তাত্ত্বিক কথাবোৰ এই পদ্ধতিত সাঙুৰি লোৱা হ'ল। মন কৰক যে এনে বিধি, সূত্ৰ আদি হ'ল এই নতুন ভাষাটোৰ ব্যাকৰণ।

কম্পিউটাৰ বা গণকযন্ত্ৰ হ'ল অন্যতম উদাহৰণ য'ত গণিতৰ সেই নতুন ভাষাই বিশেষ ভূমিকা গ্ৰহণ কৰিছে। বিভিন্ন জাতি-উপজাতি বা সমাজভেদে যিদৰে ভিন ভিন ভাষা আছে, সেইদৰে কম্পিউটাৰৰো ভিন ভিন ভাষা আছে পৃথক পৃথক কামৰ বাবে। বেচিক, ফ'ৰট্ৰান, ক'ব'ল আদি হ'ল কম্পিউটাৰৰ ভাষাৰ নাম। প্ৰয়োজন অনুসৰি য'ত যি ভাষাৰ আৱশ্যক, সেইমতে তাক প্ৰয়োগ কৰা হয় মাথোন।

যিকোনো এটা ভাষা প্ৰকাশ কৰা হয় কিছুমান চিন বা প্ৰতীকেৰে। অ, আ, ক, খ........ বা a, b, c ...... ১,২,৩ আদি হ'ল তেনে প্ৰতীক, যাৰে ভাষা প্ৰকাশিত হৈছে। শব্দবোৰো এক প্ৰকাৰ প্ৰতীক। এনে প্ৰতীকে কেতিয়াবা 'বস্তু' সূচায় আৰু কেতিয়াবা 'প্ৰক্ৰিয়া'। গণিততো প্ৰক্ৰিয়াসূচক কিছুমান বিশেষ বিশেষ প্ৰতীক আছে। উদাহৰণঃ যোগচিন + বা - বিয়োগ চিন দেখাৰ লগে লগে আমি বুজোঁ যে চিনটোৰে যোগাত্মক বা বিয়োগাত্মক প্ৰক্ৰিয়া কৰিবলৈ নিৰ্দেশিত হৈছে। সেইদৰে '=' (সমান) চিনটো দেখাৰ লগে লগে আমাৰ মনত ৰাশি দুটাৰ সমানতা বুজোৱা ভাৱৰ উদয় হয়। গতিকে দেখা যায় প্ৰক্ৰিয়াৰ সম্বন্ধ বুজোৱা কথাৰ পৰা ব্যক্তিগত জীৱনত প্ৰয়োজন হোৱা গুণগত আৰু সংখ্যাগত দুয়োটা কথাকেই প্ৰতীকেৰে অৰ্থাৎ ভাষাৰে প্ৰকাশ কৰিব পাৰি। [এইখিনিতে কৈ থওঁ যে গাণিতিক চিনবোৰে এক নিৰ্দিষ্ট অৰ্থ সূচায়।]

এইটো সঁচা কথা যে অতি প্ৰাচীন কালৰ পৰাই গণিতশাস্ত্ৰত ভিন ভিন কথাবোৰ উদ্ভৱ হৈ আহিছে নিত্যান্ত প্ৰয়োজনৰ খাতিৰত। সংখ্যা আৰু সংখ্যাৰ প্ৰতীকৰ কথাকেই লওঁচোন। সাংখিক ধাৰণা মানুহৰ মনত উদয় হোৱা স্বজ্ঞা উপাৰ্জিত ধাৰণা। ইতিহাস তাৰ সাক্ষী। ক'ব নোৱাৰাকৈয়ে হয়তো এদিন আদিম অৱস্থাতেই কোনোবা জ্ঞানী ব্যক্তি এজনে অনুভৱ কৰে গণনাৰ প্ৰয়োজনীয়তা আৰু তাতেই উদ্ভৱ হ'ল গণনা। প্ৰথমতে শব্দেৰে, তাৰ পাছত শিলগুটিৰে আৰু শেষত প্ৰতীক ব্যৱহাৰেৰে মানুহে গণিব শিকিলে। প্ৰায় ত্ৰিছ হেজাৰ বছৰ আগৰ কুকুৰনেচীয়া বাঘৰ হাড়ত আঁচ দি সাংখিক হিচাপ ৰখাৰ প্ৰমাণ সম্প্ৰতি উদ্ধাৰ কৰা হৈছে। একৰ বাবে এটা আঁচ, দুইৰ বাবে দুটা, তিনিৰ বাবে তিনিটা আঁচ দি মানুহে সংখ্যাৰ হিচাপ ৰখা বুলি জনা গৈছে। তাৰ পাছত কোনো কোনো দেশত আঁচৰ সলনি শিলগুটি বা গছৰ গুটিৰে নিচান ৰাখি সাংখিক ভাব প্ৰকাশ কৰা গৈছিল বুলি জনা গৈছে। কিন্তু এইদৰে হিচাপ কৰাটো ক্ৰমে কঠিন বা কষ্টকৰ হৈ আহিছিল। মানহে যেতিয়া বেছি বস্তু গণিবলগীয়া হ'ল, তেতিয়া পাঁচোটাক এট থুপ কৰি গণিবলৈ ল'লে। এইদৰে থুপৰ আকাৰ ঠাইভেদে সলনি হৈছিল। আমাৰ সাম্প্ৰতিক গণনা প্ৰণালীও জানো

এইদৰে দহটাৰ থুপ বুলি লোৱা কথাৰ আধাৰত সৃষ্টি নহয়? সেয়েতো আমাৰ গণনাৰ প্ৰতীক দহটা — ০ (শূন্য)ৰ পৰা ৯ (ন) লৈ।

ইতিমধ্যে মানুহৰ মনত 'যোগাত্মক ধাৰণা' প্ৰকাশৰ ধাৰণা জন্মিল। এনে ধাৰণাই আনি দিলে পাটীগণিতীয় বিকাশ। ডাঙৰ সংখ্যাৰ বাবে বিশেষ প্ৰতীকৰ উদ্ভৱ হ'ল। এইদৰে মানৱ সভ্যতাত ভিন ভিন গাণিতিক গণনাৰ আধাৰ বা ভিত্তি আহি পৰিল। এতিয়া বিশ্বৰ সকলোতে দহ-আধাৰিত সংখ্যা প্ৰণালী প্ৰচলিত। কিন্তু এটা সময়ত পৃথিৱীৰ ভিন ভিন ঠাইত ভিন ভিন আধাৰৰ সংখ্যা প্ৰণালী প্ৰচলিত আছিল। এতিয়াও আমি ভিন ভিন কামত ভিন ভিন আধাৰৰ সংখ্যা ব্যৱহাৰ কৰোঁ। যেনে সময়ৰ হিচাপ ৰাখোতে প্ৰথমতে '৬০' (৬০ ছেকেণ্ড, ৬০ মিনিট), তাৰ পাছত ৩০ (মাহৰ দিন), তাৰ পাছত ১২ (বাৰ মাহত এবছৰ) আদি ব্যৱহাৰ কৰোঁ। সেইদৰে হালিৰে ৪ আধাৰিত, ডজনেৰে ১২ আধাৰিত গণনা কৰি আছোঁ। এই সকলোৰে উদ্দেশ্য একেটাই— সাংখিক হিচাপ-নিকাচ প্ৰয়োজন অনুসৰি ব্যৱহাৰিক কামত প্ৰয়োগ কৰা।

ক্ৰমে মানুহৰ প্ৰয়োজন বাঢ়ি আহিল। লগতে জ্ঞান-বিজ্ঞানৰ চাহিদাও বাঢ়িল। দূৰত্বৰ জোখ-মাখ ল'বলৈ অনুভৱ কৰোঁতে মানুহে পূৰ্বৰ সাংকেতিক সংখ্যা প্ৰণালীৰ সীমাবদ্ধতা উপলব্ধি কৰিলে। তাতেই উদ্ভৱ হ'ল ভগ্নাংশ জাতীয় সংখ্যা। মিটাৰক জোখৰ একক বুলি গ্ৰহণ কৰাৰ লগে লগে প্ৰয়োজন হ'ল ছেন্টিমিটাৰ, মিলিমিটাৰ আদি এককৰ। এনে পৰিস্থিতিত পৰিয়েই মানুহে সংখ্যা প্ৰণালীত ভগ্নাংশমূলক (সাধাৰণ ভগ্নাংশ আৰু দশমিক ভগ্নাংশ দুয়োটা) সংখ্যা সৃষ্টি কৰিবলগীয়া হ'ল।

দেখা যায়— গাণিতিক ধ্যান-ধাৰণা, মানুহে পোনতে স্বজ্ঞাৰে আৰু পিছত প্ৰয়োজনৰ দাবীৰে ব্যৱহাৰ কৰি এক নতুন কৃষ্টি বোৱাই আনিছে। প্ৰায় দহ হেজাৰ বছৰ আগেয়ে আদিম মানুহে হঠাৎ অনুভৱ কৰিলে যে চিকাৰ কৰি জীৱন নিৰ্বাহ কৰাটো আৰু সম্ভৱ নহয়। তেতিয়াই মানুহে গছৰ ফল-মূল আদি খাবলৈ আৰম্ভ কৰিলে। আৰু এটা সময়ত মানুহে আৰম্ভ কৰিলে কৃষি ব্যৱস্থা। এই খেতি-বাতি কৰা ব্যৱস্থা আৰম্ভ কৰাটো অন্য এক বিশেষ আৱিষ্কাৰ, ঠিক জুই আৰু শক্তি আৱিষ্কাৰ কৰাৰ পাছতে। খেতি কৰিবলৈ লওঁতে মানুহে যান্ত্ৰিক জ্ঞান আমদানি কৰিবলৈ বাধ্য হ'ল। সময়ত মানুহে লাঠি-খুটি, দা-কোৰ, হালৰ পৰা চকা-কপিকল আৰু ধূৰা আৱিষ্কাৰ কৰিলে। এইদৰে মানুহে শিকিলে যন্ত্ৰৰ ব্যৱহাৰ। তাৰ পাছতে সূচনা হ'ল নদীমাতৃক আৰু নগৰীয়া সভ্যতাৰ। আৰু, মনকৰিবলগীয়া কথাটো হ'ল যে এইবোৰ কাৰ্য্যত ক'ব নোৱাৰাকৈ মানুহে গণিতৰ পূৰ্বঠ জ্ঞান ব্যৱহাৰ কৰিবলগীয়া হ'ল।

প্ৰসঙ্গক্ৰমে জানি থওক যে পঞ্চদশ শতিকাৰ মাজভাগত জন্ম গ্ৰহণ কৰা যন্ত্ৰজনক লিওনাৰ্ডো ডা ভিঞ্চিয়ে তেওঁৰ শিল্পমুখী দৃষ্টি আৰু সৃষ্টি ক্ষমতাৰে গণিতৰ নতুন গতি আনি দিলে। আচলতে তেওঁ তেওঁৰ শিল্প কৰ্মক নিখুঁত ৰূপ দিবলৈ গণিত শাস্ত্ৰত মন দিছিল। গ্ৰীক ভাষাত থকা পুৰণি গণিতৰ গ্ৰন্থবোৰ অধ্যয়ন কৰি তাত থকা তাত্ত্বিক কথাবোৰ কামত খটুৱাবলৈ ডা ভিঞ্চিয়ে যত্ন কৰিলে। এনেদৰে আয়ত্ত কৰা গাণিতিক জ্ঞানেৰে তেওঁ প্ৰকৃতিৰ নিয়ম-কানুন আৰু আচৰণ বিশ্লেষণ কৰিছিল। শিল্পক সম্পূৰ্ণ আৰু স্বাভাৱিক কৰিবলৈ তেওঁ ইটালীৰ উচ্চ পৰ্বত শিখৰলৈ গৈ পোহৰৰ ওপৰত উচ্চতা আৰু দূৰত্বৰ প্ৰভাৱৰ বিষয়ে অধ্যয়ন কৰিছিল। এনে অধ্যয়নে ডা ভিঞ্চিয়ে মনত নতুন গাণিতিক ধ্যান-ধাৰণা উদ্ৰেক কৰিছিল। তেওঁ চকা, ধূৰা আৰু কপিকলক মানুহৰ কামত প্ৰায়োগিক গণিতৰ সূত্ৰ, তত্ত্ব আৰু জ্ঞানৰ আমদানি কৰে।

লিওনাৰ্ডোৰ শিল্পীমনৰ সৃজনীমুখী ভাৱধাৰাত গণিতে যথেষ্ট প্ৰভাৱ পেলাইছিল। গণিতৰ তেওঁ কৌশল আৰু সঁজুলিৰূপে ব্যৱহাৰ কিৰিছিল। পোহৰ আৰু এন্ধাৰৰ নিয়ন্ত্ৰণ শিকি পোহৰক আবদ্ধ কৰিবলৈ তেওঁ পোন প্ৰথমে লেম্পৰ চিমনি আৱিষ্কাৰ কৰে। (তেওঁৰ) চিমনি জনপ্ৰিয় হোৱা দেখি তেওঁ আন কিছুমান প্ৰয়োজনীয় নিত্য ব্যৱহাৰ্য বস্তু তৈয়াৰ কৰিবলৈ উদ্যত হয়। এনে তাগিদাৰ বশৱৰ্তী হৈ ডা ভিঞ্চিয়ে যন্ত্ৰ-বিজ্ঞানৰ সূত্ৰ আৱিষ্কাৰ কৰে। ইচ্ছা কৰি কাম সমাধা কৰিব পৰা লিওনাৰ্ডোই কেইটামান সাধাৰণ গাণিতিক সূত্ৰক আধাৰ কৰি কেইটামান বিশেষ যন্ত্ৰৰ অংশ তৈয়াৰ কৰে। তেওঁ নিজৰ চিত্ৰশালাৰ কোঠাটো আপোনা আপুনি বন্ধ হোৱা দুৱাৰ, খুলিব-জপাব পৰা মেজ, গৰম বতাহেৰে ঘূৰাব পৰা তপত শলা আদিৰ দৰে যান্ত্ৰিক সামগ্ৰীৰে সজাই তুলিছিল। তেওঁৰ এনে প্ৰচেষ্টাই আমাক বুজাই দিয়ে, প্ৰযুক্তিবিদ্যাত গণিতৰ ব্যৱহাৰৰ প্ৰয়োজনীয়তাৰ কথা।

সঁচাকৈয়ে গণিত আমাৰ ভিতৰত লুকাই থকা এক 'শক্তি', যাৰ সহায়ত আমি যুক্তিৰে কথা কাটোঁ, বুদ্ধিৰে টান কাম সহজে কৰিব পাৰোঁ আৰু সুচিন্তিতভাৱে মনৰ ভাব প্ৰকাশ কৰোঁ। গাণিতিক প্ৰকৃতিৰ পৰা আঁতৰি গ'লেই আমি হৈ পৰোঁ বিশৃঙ্খল, অযুক্তিকৰ, কামত লাগ বান্ধ নথকা সাধাৰণতকৈ বেলেগ ব্যক্তি। সাম্প্ৰতিক সময়ত গণিতৰ অধিক প্ৰয়োজনীয়তা অপৰিহাৰ্য্য হৈ পৰিছে সমাজৰ ওপৰত পৰা বিজ্ঞান আৰু প্ৰযুক্তিৰ প্ৰভাৱৰ বাবে। আমাৰ জীৱনৰ প্ৰতিটো ঘটনাতে বিজ্ঞান আৰু প্ৰযুক্তিৰে প্ৰজাত সামগ্ৰী আহি পৰিছে বাবে আমি অধিক গণিত প্ৰেমী হ'বৰ প্ৰয়োজন হৈছে; কাৰণ, বিজ্ঞান আৰু প্ৰযুক্তিৰে উৎপন্ন কৰা সকলো কথাতে আছে গাণিতিক জ্ঞান। প্ৰকৃতকে বৰ্তমানত বিজ্ঞান, প্ৰযুক্তিবিদ্যা আৰু প্ৰজাত সামগ্ৰীৰ সৈতে গণিত চক্ৰাকাৰে সম্বন্ধিত হৈ আছে। এই কথা আমি অতি সহজে উপলব্ধি কৰিব পাৰোঁ বৰ্তমানৰ সংযোগ ব্যৱস্থাৈলে লক্ষ্য কৰিলে। চাওক, এতিয়া আমি আমাৰ বহা কোঠাতে বহি থাকিয়েই বেইজিং বা মস্কোত বা দিল্লীত অনুষ্ঠিত খেলখন উপভোগ কৰিব পাৰোঁ। সেইদৰে প্ৰয়োজনমতে তৎক্ষণাৎ আমেৰিকা বা চৌদি আৰবত থকা ভাতৃ-বন্ধুৰ সৈতে কাষতে থকাৰ দৰে কথা পাতিব পাৰিছোঁ। একেদৰে আকাশ নিৰীক্ষণ কৰিব পাৰিছোঁ, সাগৰ গৰ্ভতো বিচৰণ কৰি ৰহস্য উদ্ধাৰ কৰিব পাৰিছোঁ, বতৰৰ আগলি বতৰা ২৪ ঘণ্টা আগেয়ে জানিব পাৰিছোঁ। এই সকলোবোৰৰ আঁৰত এক বিশেষ শক্তিৰূপে কাম কৰে গণিতৰ তত্ত্বই। কাৰিকৰী বিদ্যাৰ উৰ্দ্ধমুখী দ্ৰুততৰ প্ৰগতিৰ মূলতে আছে গাণিতিক জ্ঞান আৰু পদ্ধতি। ৰেডিঅ', দূৰদৰ্শন, ফোন, কৃত্ৰিম উপগ্ৰহ, গণনা কৰা যন্ত্ৰ কেলকুলেটৰ বা কম্পিউটাৰ আদিৰ প্ৰতিটো অচল হৈ পৰিব, যদি আমি তাৰ নেপথ্যত থকা গণিতৰ তত্ত্বখিনি উঠাই লওঁ। পৃথিৱীৰ কোনোবা এঠাইৰ পৰা ৰকেট উৎক্ষেপণ কৰি চন্দ্ৰৰ বুকুত নীল আৰ্মষ্ট্ৰংহঁতৰ দৰে মানুহ নমোৱাৰ কথা ভবাৰ লগে লগে বিভাগীয় বিজ্ঞানীসকলে গণিতৰ ওচৰত হাত পাতিবই লাগে। সৌ সিদিনা ভাৰতীয় মহাকাশযান মঙ্গল গ্ৰহলৈ পঠাই সফলতা লাভ কৰাৰ আঁৰতো আছে গণিতৰে ব্যৱহাৰ। কি বেগত, কেনেকৈ, কি ধৰণৰ ৰকেট যান পঠাব লাগিব তাৰ বাবে লাগিব গাণিতিক সূক্ষ্মতা আৰু পাৰদৰ্শিতা। তেতিয়াহে মহাকাশযান সঠিকতাৰে লক্ষ্য স্থল পাব পাৰিব।

দেখা যায় কাৰিকৰী বিজ্ঞানত বা প্ৰযুক্তিবিদ্যাত যিদৰে ব্যৱহাৰিক গণিতৰ কৌশলৰ প্ৰয়োজন, সেইদৰে ব্যৱহাৰিক গণিতৰ প্ৰসাৰৰ বাবে প্ৰয়োজন হয় তাত্ত্বিক গণিতৰ। এইবাবেই গণিতৰ ঘাই সুঁতি দুটা— ব্যৱহাৰিক বা প্ৰায়োগিক গণিত, ইংৰাজীত যাক কোৱা হয় applied mathematics আৰু তাত্ত্বিক গণিত বা শুদ্ধ গণিত, ইংৰাজীত pure mathematics। এটাক বাদ দি আনটো অৰ্থহীন হৈ পৰে।

আচলতে কথাটো এনেকুৱাঃ আমাৰ জগতখন সমস্যাৰে ভৰা। পদে পদে আমি সমস্যা সমাধান কৰিবৰ প্ৰয়োজন হয়— তেহেলৈ ই জীৱনৰ সমস্যাই হওক বা কোনোবা বিজ্ঞানৰ সমস্যাই হওক। সমস্যা সমস্যাই, তাক সমাধা কৰিবলৈ চিন্তাৰ প্ৰয়োজন। ইয়াতেই আহি পৰে গণিতৰ প্ৰত্যক্ষ বা পৰোক্ষ জ্ঞানৰ প্ৰয়োগ। কাৰণ, কিছুমান সমস্যা ওলাব যাক আমি গাণিতিক ৰূপত ৰূপান্তৰিত কৰিহে সমাধা কৰিব পাৰিম। এনে সমস্যাসমূহক বোলা হয় আংকিক প্ৰকৃতিৰ, ইংৰাজীত numerical। আকৌ আন কিছুমান সমস্যা ওলাব যি বৌদ্ধিক বা জাগতিক। এনে সমস্যাৰ সমাধানৰ ক্ষেত্ৰত আমি প্ৰয়োগ কৰিব লাগিব গাণিতিক বিশ্লেষণ পদ্ধতি।


[সমস্যা সমাধানৰ গাণিতিক বিশ্লেষণ পদ্ধতিটো এনেদৰে কোৱা হয়ঃ ধৰক 'x' এটা সমস্যা। তেন্তে প্ৰথমতে আপুনি প্ৰশ্ন কৰিব লাগিব- 'x'ৰ সমাধান পাব পাৰিনে? উত্তৰ হ'ব পাৰি বা নোৱাৰি বুলি। যদি নোৱাৰি, তেন্তে সমস্যাটো এৰি দিয়ক। যদি পাৰি, তেনেহ'লে দ্বিতীয় প্ৰশ্ন হ'ব সমস্যাটোৰ সমাধান এটা নে বহুতো? যদি এটা তাক সমাধান কৰিলেই হ'ল। যদি সমাধান বহুতো হয় তেন্তে বিচাৰ কৰি চাব লাগিব বহুকেইটা সমাধানৰ কোনটো বা কোন কেইটা সমস্যাটোৰ পৰিশেষ অৰ্থাৎ চৰ্ত সাপেক্ষে সমিচীন হ'ব। এই তিনিওটা ধাপত বিচাৰ বিশ্লেষণৰ বাবে প্ৰয়োজন হয় গণিতৰ তত্ত্ব বা কাৰ্য্যপ্ৰণালী। আপোনালোকে পঢ়ুওৱা পাঠ্যপুথিত দিয়া প্ৰশ্নাৱলীৰ সমস্যাৰ সমাধান নিৰ্দিষ্ট অৰ্থাৎ এটা। সেয়ে আপুনি অধ্যায়টোত দিয়া নিয়ম বা বিশ্লেষণ পদ্ধতিৰে সমাধা কৰিলেই হয়।]

এটা সৰু উদাহৰণ দিছোঁ— ধৰক, আপোনাৰ পুত্ৰ বা

জীয়ৰীজনীয়ে দ্বাদশ শ্ৰেণীৰ পৰীক্ষা পাছ কৰি ইলেক্‌ট্ৰনিক্স বিষয়ত পঢ়া-শুনা কৰিব বিচাৰে। এয়া তেওঁৰ সমস্যা। এতিয়া তাৰ সমাধান হ'ব এইদৰেঃ প্ৰথমতে বিচাৰ কৰি চাব লাগিব ছাত্ৰজনে ইলেক্‌ট্ৰনিক্স পঢ়া সম্ভৱ হ'বনে? এই সম্ভাৱনীয়তা নিৰ্ভৰ কৰিব কেবাটাও কথাৰ ওপৰত। যেনে— পটুৱৈজন গণিতত ভাল হ'ব লাগিব। তদুপৰি দ্বাদশ শ্ৰেণীৰ পৰীক্ষাত মুঠতে কমেও শতকৰা আশীৰ হাৰত নম্বৰ পাব লাগিব, ইত্যাদি কথাবোৰ আহিব। সকলো কথা চালি জাৰি চাই যদি সম্ভৱ বুলি ভবা হয়, তেনেহ'লে ছাত্ৰজনে এনেদৰে পঢ়া-শুনা কৰিব লাগিব যাতে তেওঁ প্ৰয়োজনীয় হাৰত নম্বৰ পাব পাৰে। তেতিয়াহে তেওঁৰ সমস্যাটোৰ সমাধান ওলাব।

প্ৰকৃততে আজিৰ এই জ্ঞান-বিজ্ঞানৰ যুগত আমাৰ প্ৰতি খোজতে গণিত আহি যায়। সৰু সৰু কথাকেইটামান নজৰ কৰকচোন— আপোনাৰ গৃহিণীয়ে পাক ঘৰত কিমান গণিত প্ৰয়োগ কৰে, মন কৰিছেনে বাৰু? তেওঁ ভাত ৰান্ধোতে চাউল অনুপাতে পানী দিয়ে আন্দাজতে। পানী বেছি হ'লে ভাত কেইটা পেনপেনিয়া হ'ব আৰু পানী কম হ'লে ভাতকেইটা নিসিজিব। অৰ্থাৎ চাউল অনুপাতে যিমানখিনি পানীৰ প্ৰয়োজন, ঠিক সিমানখিনিহে দিব লাগিব। এয়া জানো গণিতৰ কথা নহয়? ঠিক সেইদৰে তৰকাৰী বা মাছৰ জোলত নিমখ দিব লাগিব যিমানখিনি লাগে ঠিক সিমানখিনি। নিমখ বেছি হ'লে জোল বা তৰকাৰীখন চখা হ'ব আৰু কম হ'লে তৰকাৰীখন জুটিত নুঠিব। এই বেছি বা কম বা সমান কথাটোৱেই হ'ল ত্ৰিতত্ত্বৰ বিধিৰ কথা, ইংৰাজীত Law of Trichotomy। আপোনাৰ গৃহিণীজনীয়ে জোখত পানী বা নিমখ দিবলৈ ক'ত গণিত শিকিলে বাৰু? উত্তৰত আমি ক'ব লাগিব— স্বজ্ঞাৰে বুলি। এইবাবেই আমি কোৱা উচিত যে গণিত হ'ল স্বজ্ঞালব্ধ জ্ঞান।

আচল কথাটো হ'ল গণিত সাম্প্ৰতিক কালত আমাৰ বাবে এক অদৃশ্য সংস্কৃতি স্বৰূপ হৈ পৰিছে। ক'ব নোৱাৰাকৈয়ে আজিৰ মানুহে প্ৰত্যক্ষ বা পৰোক্ষভাৱে গণিত অনুসৰণ নকৰাকৈ থাকিব নোৱাৰে। সেয়ে এতিয়া গণিতৰ সামগ্ৰিক বিস্তাৰ দীঘে-বাণিয়ে হৈছে। ফলত গণিতৰ প্ৰায়োগিক বস্ত্ৰখন ক্ৰমে বহল আৰু দীঘল হৈ গৈ আছে। সকলো জ্ঞানৰ আধাৰ স্থাপনৰত গণিতৰ দান-অনুদান এৰাব নোৱাৰা হৈ আহিছে। মহাবিদ্যালয় স্তৰত গণিত পঢ়া ছাত্ৰই এনেবোৰ কথা হৃদয়ঙ্গম কৰিব লাগিব। ●








প্ৰবন্ধ

# মহিলা কোষৰ প্ৰাসংগিকতা

## এক ক্ষেত্ৰ ভিত্তিক অধ্যয়ন



ড° মনীষা ভট্টাচাৰ্য
অধ্যাপক, অৰ্থনীতি বিভাগ

■ মহিলা অধ্যয়ন বা লিংগভিত্তিক অধ্যয়ন বৰ্ত্তমান সমাজৰ এক গুৰুত্বপূৰ্ণ বিষয়। লিংগ বৈষম্য নোহোৱা কৰি বৈজ্ঞানিক দৃষ্টিভংগীৰে পুৰুষ-মহিলা উভয়ে সমানে সমাজত স্থান লাভ কৰাটোৱে এই অধ্যয়নৰ গুৰুত্ব। সমাজ বিৱৰ্তনৰ লগে লগে সমাজত পুৰুষৰ লগত মহিলাও একে গতিত আগবাঢ়িবৰ বাবে চৰকাৰী, বেচৰকাৰী তথা মহিলা স্বেচ্ছাসেৱী অনুষ্ঠানবোৰে প্ৰতিটো দশকতে ভিন্ন ভিন্ন প্ৰচেষ্টাৰে চেষ্টা কৰি আহিছে। ৭০ দশকত UNOৰ বেইজিং আৰু কপেনহাম অধিৱেশনৰ দ্বাৰা 'মহিলা সবলীকৰণ'ৰ যি নীতি উন্নয়নশীল দেশসমূহে গ্ৰহণ কৰিলে তাৰেই পৰিণতি হিচাপে লিংগ অধ্যয়ন বা মহিলা অধ্যয়নে এক সুকীয়া আসন লাভ কৰিছে। পৃথিৱীৰ বিভিন্ন দেশবোৰৰ দৰে, ভাৰতবৰ্ষতো ১৯৭০ চনৰ পৰাই এই প্ৰচেষ্টা অব্যাহত আছে। এই প্ৰচেষ্টাৰ অন্তৰ্গত হিচাপে ভাৰত চৰকাৰে মানৱ সম্পদ উন্নয়ন মন্ত্ৰালয়ৰ অন্তৰ্গত বিশ্ববিদ্যালয় অনুদান আয়োগৰ সহায়ত ভাৰতৰ পৰাই প্ৰতিখন মহাবিদ্যালয় তথা বিশ্ববিদ্যালয়ত মহিলা অধ্যয়ন গৱেষণা কেন্দ্ৰ (WSRC) গঠন কৰি মহিলা বিষয়ক অধ্যয়ন আৰু গৱেষণা কৰাৰ পৰিসৰ ভাৰতৰ প্ৰায় প্ৰতিখন মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় কৰাৰ সুবিধা কৰি দিছে। অসমো এই ক্ষেত্ৰত ব্যতিক্ৰম নহয়। এই কেন্দ্ৰসমূহে মহাবিদ্যালয়ৰ প্ৰতিগৰাকী মহিলাকে পূৰ্ণাঙ্গ পৰ্যায়ত যথাৰ্থ শিক্ষাৰে শিক্ষিত কৰাৰ লগেতে সামগ্ৰিক অৰ্থত গোটেই সমাজখনত পুৰুষৰ সমানে মহিলাকো আগবঢ়াই এক পূৰ্ণাঙ্গ সমাজ গঢ়াৰ লক্ষ্য হিচাপে বাচি লৈছে। ইয়াৰ লগতে সহমত হৈ 'অসম কলেজ শিক্ষক সন্থা' শীৰ্ষক অসমৰ কলেজ শিক্ষকসকলৰ যি এক সৰ্ববৃহৎ অনুষ্ঠান আছে সেই অনুষ্ঠানৰো এক সুকীয়া মহিলা কোষ আছে আৰু এই কোষৰ অন্তৰ্গত মহিলা কোষৰ সদস্যসকলৰো আদৰ্শ আৰু কাৰ্যক্ৰমণিকা ভিন্ন হ'লেও মূল উদ্দেশ্য কিন্তু এটাই— মহিলাৰ সামগ্ৰিক বিকাশ। এতিয়া প্ৰশ্ন হ'ল— এই মহিলা কোষসমূহে সঁচা অৰ্থত মহাবিদ্যালয়সমূহত উক্ত আদৰ্শ আৰু লক্ষ্যত উপনীত হ'ব পাৰিছেনে? নে বাস্তৱত এই কোষসমূহে কোনো ধৰণৰ স্বাধীন মনোভাৱ তথা সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত অপৰাগতা অনুভৱ কৰিছে— এই বিষয়ৰ আলোচনাই আজিৰ নিবন্ধৰ আলোচ্য বিষয়।

অসমৰ কলেজ শিক্ষক সন্থাৰ গোৱালপাৰা মণ্ডলৰ অন্তৰ্গত বিভিন্ন মহাবিদ্যালয়ৰ শিক্ষক-

শিক্ষয়িত্ৰীসকলক লৈ মহাবিদ্যালয়ৰ 'মহিলা কোষৰ' প্ৰাসংগিকতা তথা প্ৰয়োজনীয়তা সম্পৰ্কে এটা জৰীপ কৰা হৈছিল। এই জৰীপ প্ৰতিখন মহাবিদ্যালয়ৰ কিছুসংখ্যক সদস্যক প্ৰশ্নোত্তৰৰ মাধ্যমেৰে 'মহিলা কোষ' সম্পৰ্কীয় কিছু তথ্য আহৰণ কৰা হৈছিল। মহাবিদ্যালয়সমূহৰ উপৰি বিদ্যালয়সমূহতো জৰীপ কাৰ্য চলোৱা হৈছিল যদিও জৰীপ চলোৱা এখনো বিদ্যালয়ত 'মহিলা কোষ'ৰ অৱস্থিতি নাছিল।

তথ্য আহৰণৰ পিছৰ পৰ্যায়ত যেতিয়া এই তথ্যসমূহৰ সামাজিক বিজ্ঞানৰ গৱেষণা পদ্ধতিৰে বিশ্লেষণ কৰা হ'ল তেতিয়া দেখা গ'ল যে 82.5% মহিলা আৰু 70% পুৰুষে মহিলা কোষৰ প্ৰয়োজনীয়তা তথা বৰ্তমান প্ৰেক্ষাপটত ইয়াৰ প্ৰাসংগিকতা স্বীকাৰ কৰিছে। আনহাতে 90.3% মহিলাই 'মহিলা কোষ'ৰ মূল লক্ষ্য আৰু উদ্দেশ্য বাস্তৱত ৰূপায়িত কৰিব নোৱাৰিলে 'মহিলা কোষ' গঠনৰ প্ৰয়োজনীয়তাক একেমুখে অস্বীকাৰ কৰিছে। আনহাতে, কিছুসংখ্যক মহিলাই বৰ্তমানে যদিও মহিলা কোষৰ উদ্দেশ্য বাস্তৱত ৰূপায়িত কৰা হোৱা নাই তথাপি মহিলা কোষ গঠনৰ সপক্ষে মত দিছে এই কাৰণেই যে অদূৰ ভৱিষ্যতে এই কোষসমূহে নিজ উদ্দেশ্য পূৰণৰ দ্বাৰা সমাজৰ নিম্ন খাপত অৱস্থান কৰা মহিলাৰ সামাজিক মানদণ্ড উন্নত কৰিব বুলি তেওঁলোকে বিশ্বাস কৰে। তলত দিয়া তালিকাৰ সহায়ত মহিলা কোষৰ বৰ্তমান অতীত আৰু ভৱিষ্যতৰ প্ৰাসংগিকতা তথা বাস্তৱ সমাজত ইয়াৰ গ্ৰহণযোগ্যতা সম্বন্ধে জানিব পৰা যায়।

তলত দিয়া তালিকা পৰ্যালোচনা কৰিলে দেখা যায় যে মহিলা কোষৰ প্ৰাসংগিকতা সমন্ধে অতীতত কিছু বেছি সংখ্যক মহিলাই ধনাত্মক মন্তব্য আগবঢ়াইছে আৰু ভৱিষ্যতেও কিছু আশা মনত পুহি ৰাখিছে যাতে মহিলা কোষৰ উদ্দেশ্য বাস্তৱত উপনীত হয়। কিন্তু বৰ্ত্তমানে এই উদ্দেশ্য পালনত সম্পূৰ্ণৰূপে ব্যৰ্থ হোৱা বুলিও এই সকলে দাবী কৰে। তেওঁলোকৰ বহুতৰে মন্তব্য এনেকুৱা যে এটা সময়ত অসম কলেজ শিক্ষক সন্থাৰ 'মহিলা কোষ' বহু কেইগৰাকী মহিলাৰ অক্লান্ত কষ্ট আৰু ত্যাগৰ ফলত গঠন হৈছিল। এই সকলো বিলাক মহিলাৰ উদ্দেশ্য এটাই আছিল যে মহিলাৰ সৰ্বাংগীন উন্নতি সাধন কৰা, কিন্তু আজিৰ তাৰিখত যদি বিশ্লেষণ কৰা হয় তেন্তে দেখা যায় মহিলা কোষে অসমৰ মহিলা সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক জীৱনৰ কোনো পৰিবৰ্তন আনিব পৰা নাই। এতিয়াও মহিলা কোষে অসমৰ গ্ৰাম্য মহিলাৰ স্বাস্থ্য, শিক্ষা তথা মৌলিক অধিকাৰসমূহ উপভোগ কৰা কোনো ধৰণৰ বৰঙণি আগবঢ়াব পৰা নাই। অথচ যিটো আছিল ইমান বৃহৎ অনুষ্ঠান এটাৰ নৈতিক তথা সামাজিক দায়িত্ব।

**তালিকা — (১) মহিলা কোষৰ উদ্দেশ্য আৰু কাৰ্যাৱলী জ্ঞাত নে অজ্ঞাত**

| | মহাবিদ্যালয় | | বিদ্যালয় | | মুঠ | |
|---|---|---|---|---|---|---|
| | পৰিমাণ | শতকৰা | পৰিমাণ | শতকৰা | পৰিমাণ | শতকৰা |
| জ্ঞাত | ৭ | ৪৬.৬৬ | ১ | ২০ | ৮ | ৪০ |
| অজ্ঞাত | ৮ | ৫৩.৩৩ | ৪ | ৮০ | ১২ | ৬০ |
| মুঠ | ১৫ | ১০০ | ৫ | ১০০ | ২০ | ১০০ |

**তালিকা— (২) মহিলা কোষৰ প্ৰাসংগিকতা**

| | মহাবিদ্যালয় | | বিদ্যালয় | | মুঠ | |
|---|---|---|---|---|---|---|
| | পৰিমাণ | শতকৰা | পৰিমাণ | শতকৰা | পৰিমাণ | শতকৰা |
| অতীত | ১০ | ৬৬.৬৬ | ৩ | ৬০ | - | - |
| বৰ্তমান | ৫ | ৩৩.৩৩ | ২ | ৪০ | - | - |
| ভৱিষ্যত | ১৫ | ১০০ | ৫ | ১০০ | - | - |





**তালিকা— (৩) মহিলা কোষৰ বৰ্তমানৰ কাৰ্যাৱলীৰ পৰিৱৰ্তন তথা সংশোধন উচিত নে অনুচিত—**

| | মহাবিদ্যালয় | | বিদ্যালয় | | মুঠ | |
|---|---|---|---|---|---|---|
| | পৰিমাণ | শতকৰা | পৰিমাণ | শতকৰা | পৰিমাণ | শতকৰা |
| উচিত | ১৪ | ৯৩.৩৩ | ৩ | ৬০ | ১৭ | ৮৫ |
| অনুচিত | ১ | ৬.৬৬ | ২ | ৪০ | ৩ | ১৫ |
| মুঠ | ১৫ | ১০০ | ৫ | ১০০ | ২০ | ১০০ |

উক্ত মহিলা সকলৰ এই অভিযোগ যদি বিশ্লেষণ কৰা যায় তেন্তে দেখা যায় বাস্তৱত ইয়াৰ সত্যতা নথকা নহয়। আজি দুটা বছৰৰ মহিলা কোষৰ কাৰ্য্যক্ৰমণিকাক লক্ষ্য কৰিলে দেখা যায় যে মহিলা কোষসমূহে গতানুগতিক কিছু কাৰ্য, যেনে— নাৰী দিৱস উদ্‌যাপন (কোনো মহাবিদ্যালয়ত মিটিং পাতিছে) কোনো চহৰৰ উপকণ্ঠত তথা কোনো মহাবিদ্যালয়ত বিদ্যায়তনিক কোনো বিষয় এটাৰ উপৰি বক্তৃতা প্ৰদান ইত্যাদি কাৰ্য সম্পাদন কৰিয়েই মহিলা কোষৰ কৰ্তব্য শেষ কৰিছে; কিন্তু ইমান ডাঙৰ অনুষ্ঠান এটাৰ অসমীয়া সমাজত মহিলাৰ উৎকৰ্ষ সাধনত কৰণীয় এইখিনিয়েই নে? এতিয়া সম্পূৰ্ণ বিচাৰ্য বিষয় বাস্তৱত এই সম্পৰ্কে আলোচনা কৰিলে আমি দেখো যে অসমীয়া মহিলাই এতিয়াও অৰ্থনৈতিক তথা ৰাজনৈতিকভাৱে সবল নহয়। যদিও মহিলাই আসন লাভ কৰিছে সেয়া সম্পূৰ্ণ তথ্যভিত্তিক, কিন্তু বাস্তৱভিত্তিক নহয়। উদাহৰণস্বৰূপে যদি আমি গোৱালপাৰা জিলাকে ধৰোঁ তেন্তে দেখিব যে ই এখন অসমৰ ভিতৰতে অনগ্ৰসৰ জিলাৰ মহিলাই কৃষি কৰ্মৰ লগত জড়িত। কিন্তু তেওঁলোকৰ উৎপাদিত শক্তি শূন্য বুলি ধৰা হয়। নিজৰ ঘৰখনতে তেওঁলোকক উপাৰ্জনক্ষম বুলি ধৰা হয়। ফলস্বৰূপে তেওঁলোকে আৰ্থিকভাৱে সবল নহয়। একেদৰেই যদি লক্ষ্য কৰোঁ তেনেহ'লে দেখা যায় যে জিলাখনত কোনো গুৰু উদ্যোগ নাই। কিন্তু মুগা-লেটা উৎপাদনত জিলাখনে ভৌগোলিক পৰিচয় চিহ্ন (Geographical Identification mark) লাভ কৰিছে। যিহেতু জিলাখনৰ বেছি সংখ্যক মানুহ জনজাতীয় আৰু সংখ্যালঘু সম্প্ৰদায়ৰ, সেয়েহে জনজাতীয় মহিলাসকলৰ প্ৰায় ৯০% গ্ৰাম্য মহিলাই মুগা আৰু এৰি পোহাৰ পৰা বোৱালৈকে ৰেচম উদ্যোগৰ আটাইকেইটা স্তৰতে (Plantation, rearing, realing আৰু weaving) কম-বেছি পৰিমাণে কৰ্মৰত। অন্যহাতে সংখ্যালঘু মহিলাসকলৰ বেছিভাগেই কৃষিকৰ্মৰ বিভিন্ন স্তৰৰ লগত জড়িত। সেয়ে এই মহিলাসকলক উদ্দেশ্য কৰি তেওঁলোকৰ কৰ্মৰ লগত জড়িত কৰি প্ৰয়োজনীয় শিক্ষা, স্বাস্থ্য আদি সম্পৰ্কীয় কোনো শিবিৰ অথবা তেওঁলোকক প্ৰশিক্ষণৰ ব্যৱস্থা কৰি দিয়াৰ দায়িত্ব মহিলা কোষৰ পৰা কৰা হোৱা নাই। কেৱল এই সকল মহিলাক আগত বহুৱাই বিভিন্ন উচচখাপৰ বিদ্যায়তনিক শব্দৰে তেওঁলোকৰ আগত বক্তৃতা প্ৰদান কৰিলে মহিলা কোষৰ প্ৰকৃত উদ্দেশ্য পূৰণ কৰা নুবুজায়। এটা কথা ঠিক যে কেৱল সমালোচনাৰ দ্বাৰাই কাৰ্য সমাধান নহয়, গঠনমূলক সমালোচনাইহে প্ৰকৃত উদ্দেশ্য সাধনত উদ্‌গনি যোগায়। এতিয়া আমি যদি ভাবো যে মহিলা কোষৰ আহ্বায়িকাকে ধৰি প্ৰতিগৰাকী সদস্যাৰে মহিলাৰ সৰ্বাঙ্গীণ উন্নতিৰ কাৰণে কিবা এটা আন্তৰিকতাৰে কৰাৰ ইচ্ছা আছে কিন্তু অসুবিধাতো হ'ল এই কাম বাস্তৱত ৰূপায়িত কৰিবলৈ যাওঁতে আহ্বায়িকাসমূহে বিভিন্ন সমস্যাৰ সন্মুখীন হয়। বিশেষকৈ তেওঁ নিজস্ব স্বকীয়তাৰে সিদ্ধান্ত গ্ৰহণ কৰিবলৈ অপাৰগ হয় যিটো কোনো এটা কাম সমাধান কৰিবলৈ নিতান্তই প্ৰয়োজনীয়। বাস্তৱতো সিদ্ধান্ত গ্ৰহণ ক্ষমতাক কৃতকাৰ্যতাৰে চাবি-কাঠি বুলি ধৰা হয়। যদিহে সময়োপযোগী সিদ্ধান্ত সঠিক সময়ত কোনোৱে ল'বলৈ সক্ষম হয় তেন্তে তেনে লোক সমাজত সকলো ফালৰ পৰাই কৃতকাৰ্য হয়। কিন্তু বাস্তৱত দেখা যায় যে সমাজৰ সকলো স্তৰৰে মহিলাই সাধাৰণতে সিদ্ধান্ত গ্ৰহণ কৰাত পৰনিৰ্ভৰশীল। প্ৰায় সকলো ক্ষেত্ৰতে মহিলাই সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত পুৰুষৰ প্ৰভাৱ যথেষ্ট পৰে। মহিলা কোষৰ আহ্বায়িকাৰ ক্ষেত্ৰতো ইয়াৰ ব্যতিক্ৰম নহয়। কিয়নো মহিলা কোষৰ শীৰ্ষত থকা পদবীটোৰ সাধাৰণতে মহিলা নিৰ্বাচিত নহয়। ইয়াৰ কাৰণ এইটোৱেই যে এতিয়াও অসমৰ

পেক্ষাপটত পুৰুষৰ লগত সমানে আগুৱাই শীৰ্ষত অৱস্থান কৰিব পৰা মহিলাৰ সংখ্যা তাকৰ আৰু এইটো যেতিয়া পৰীক্ষা উত্তীৰ্ণ বহিৰ্ভূত তথা নিৰ্বাচিত কেন্দ্ৰিক বিষয় সেয়ে মহিলাক ভোট দি জিকাব পৰা মানসিকতা অসমীয়া পুৰুষ কিয় মহিলৰো বৰ্তমানে হোৱা নাই। এতিয়াও মহিলা কোষৰ সন্মানীয় পদত থকা মহিলাই 'আমি ভাৰতীয় মহিলা' বুলি নিজৰ পৰিসৰ ৰাজহুৱা মঞ্চত— নিজেই সৰু কৰি লোৱাৰ উদাহৰণ নথকা নহয়। ফলস্বৰূপে 'মহিলা কোষ' সমূহৰ কাৰ্যাৱলীৰ নিৰূপণ কৰোঁতে মহিলাৰ সৰ্বাংগীণ উন্নতি সাধনতকৈ তথাকথিত সংগঠনটোৰ মুৰব্বীজনৰ ইচ্ছা অনিচ্ছাৰ ওপৰত যথেষ্ট নিৰ্ভৰ কৰে। কিয়নো মহিলা সদস্যসকলৰ সিদ্ধান্ত গ্ৰহণৰ ক্ষমতা যিহেতু তুলনামুলকভাৱে কম আৰু তেওঁলোকে অতি সহজতে আনৰ দ্বাৰা আকৰ্ষিত (প্ৰলোভিত যিটো মহিলাৰ স্বাভাৱিক প্ৰৱণতা) হৈ যায় সেয়েহে কোনোবা এগৰাকীৰ সুস্থ চিন্তায়ো 'সমূহ সদস্যক' (Universal) সন্মত কৰাত অপাৰগতা অনুভৱ কৰে, ফলস্বৰূপে সৰহ সদস্যৰ মতামতক (Majoroty must be granted) অগ্ৰাধিকাৰ দিয়া হয়।

সেয়েহে উক্ত সমস্যাসমূহ নোহোৱা কৰিবলৈ হ'লে প্ৰত্যেকগৰাকী মহিলা কোষৰ সদস্যাই প্ৰকৃত অৰ্থত মহিলা কোষৰ উদ্দেশ্য আৰু কৰ্তব্য আন্তৰিকতাৰে উপলব্ধি কৰি তাক বাস্তৱত ৰূপ দিবলৈ নিজে সিদ্ধান্ত গ্ৰহণৰ ক্ষমতা আয়ত্ব কৰিব লাগিব। ইয়াৰ অন্যথাই মহিলা কোষ গঠনৰ প্ৰাসংগিকতা নাই বুলি ক'লেও বঢ়াই কোৱা নহ'ব। ●

> পুৰুষৰ বিৰুদ্ধে নাৰীৰ দুটা প্ৰধান অস্ত্ৰ আছে— এটা হ'ল প্ৰসাধন আৰু আনটো হ'ল চকুলো।
>
> — *নেপ'লিয়ন বোনাপাৰ্ট*





প্ৰবন্ধ

# নামনি অসমৰ লোক-নাট্যানুষ্ঠান



**দিশা ভট্ট**
স্নাতক, পঞ্চম যাণ্মাসিক

■ অনুকৰণশীলতা মানৱৰ স্বভাৱিক প্ৰবৃত্তি। এই স্বাভাৱিক প্ৰবৃত্তিৰ অন্তৰালত লুকাই আছে আনন্দোল্লাসৰ ভাবনা। অনুকৰণশীল মানৱেও দূৰ অতীতত প্ৰকৃতিৰ উপাদানৰাজিৰ ভিন ভিন কাৰ্যাৱলীক অনুকৰণ কৰি হৃদয়ৰ আৱেগ-অনুভূতি তথা ভাৱনাক বাহ্যিক ৰূপ দিবলৈ প্ৰয়াস কৰিছিল। তাৰেই ফলশ্ৰুতিত সৃষ্টি হৈছিল গীত-নৃত্য আৰু অভিনয়ৰ। সাধাৰণ লোকসমাজত পৰিবেশিত হয় বাবে সময়ত ইয়াৰ নামেই হৈ পৰিল লোক-পৰিবেশ্য কলা। লোক-পৰিবেশ্য কলাৰ আৰম্ভণিৰ নিৰ্দিষ্ট সময় নিৰ্ণয় কৰিব নোৱাৰি যদিও অসমত শংকৰদেৱৰ জন্মৰ আগৰ পৰাই যে ইয়াৰ প্ৰচলন আছিল সি ধ্ৰুৱপ। অৰ্থাৎ প্ৰাক্ শংকৰী যুগমানতেই প্ৰচলন থকা বিভিন্ন বৈশিষ্ট্য সম্বলিত পৰিৱেশ্য কলাসমূহে জনমানসত এফালে যেনেদৰে মনোৰঞ্জনৰ বাহক হৈ পৰিছে, আনফালে সমাজ সংগঠনৰো সূচনা কৰি আহিছে। অতীতৰে পৰাই লোক-পৰিবেশ্য কলাৰ এটা ভাগ লোক-নাট্যানুষ্ঠানসমূহে নামনি অসমত উক্ত দুয়োটা উদ্দেশ্যই ৰূপায়ণ কৰি আহিছে। বিশেষকৈ দৰং-মঙ্গলদৈ অঞ্চলত খলীয়া, ভাৰবীয়া, কামৰূপৰ ওজাপালি, বৰপেটা-নলবাৰীৰ পুতলা নাচ, ঢুলীয়া, গোৱালপাৰাৰ কুশান গান, ভাৰী গান আদিৰ ক্ৰিয়াশীলতাই গোটেই ভাৰততে স্পষ্ট ৰূপত উজলি উঠিছে।

**ওজাপালি ঃ** নামনি অসমৰ লোকনাট্যানুষ্ঠানসমূহৰ ভিতৰত ওজাপালিৰ গুৰুত্ব আৰু জনপ্ৰিয়তা সৰ্বাধিক। এই অনুষ্ঠানটো অসমৰ প্ৰাচীন পৰম্পৰাগত এক দৃশ্য-শ্ৰাব্য কলাশৈলী। গীত, নৃত্য আৰু অভিনয় এই তিনিওটা দিশেই ওজাপালিত নিহিত হৈ আছে। ওজাপালিৰ প্ৰাচীনত্ব সম্পৰ্কে আলোকপাত কৰিবলৈ হ'লে কিছুমান গ্ৰন্থৰ নামোল্লেখ কৰাটো উচিত হ'ব। নন্দিকেশ্বৰ কৃত অভিনয় দৰ্পণত লাস্য, নৃত্য, হৰিবংশ গ্ৰন্থত উপস্থাপিত ভদ্ৰনটৰ নৰ্তন বিদ্যাৰ উল্লেখৰ প্ৰসংগতো ওজাপালিৰ প্ৰাচীনত্বৰ এক ইংগিত পাব পাৰি। ভৰতমুনিৰ 'নাট্যশাস্ত্ৰ'তো প্ৰাগজ্যোতিষ কামৰূপত নৃত্য-গীত, বাদ্য আৰু অভিনয়ৰ পৰম্পৰা প্ৰচলিত থকাৰ প্ৰমাণ পোৱা যায়। নাট্যশাস্ত্ৰৰ ত্ৰয়োদশ অধ্যায়ৰ কথাংশ অনুসৰি খ্ৰীঃপুঃ ২য় বা ১ম শতিকাৰ পূৰ্বৰে পৰা প্ৰাগজ্যোতিষ কামৰূপত স্বকীয় প্ৰবৃত্তি সংযুক্ত নাট্যশৈলী বিশেষৰ প্ৰচলন আছিল। গতিকে সেই সময়ৰে পৰা ওজাপালিৰ আৰম্ভণি হোৱা বুলি ক'ব পাৰি। মহাপুৰুষ শংকৰদেৱৰ অংকীয়া নাট সৃষ্টিৰ আঁৰতো ওজাপালিৰ প্ৰভাৱেই আছিল। নামনি অসমৰ দৰং-মঙ্গলদৈ, কামৰূপ, নলবাৰী, বৰপেটা, বাক্সা, চিৰাং আদি জিলাত ওজাপালিৰ সমাদৰ বেছি। নামনি অসমৰ ওজাপালিৰ দলসমূহে দুই প্ৰকাৰৰ

ওজাপালি প্ৰদৰ্শন কৰে— ব্যাসগোৱা ওজাপালি আৰু সুকনান্নী ওজাপালি। ব্যাস ওজাপালি দৰং, মঙ্গলদৈ দক্ষিণ কামৰূপ আদি অঞ্চলত প্ৰচলিত। এইবিধ ওজাপালিৰ কাহিনী পুৰাণ নিৰ্ভৰ। সেইবাবে ওজাজনক ব্যাস বা বিয়াহ বুলি জনা যায়। এজন ওজা, এজন দাইনাপালি, দুজন আগপালি আৰু দুজন গোৰপালিৰে ওজাপালি দলটো পূৰ্ণ। বিভিন্ন সাংগীতিক বৈশিষ্ট্য, তাল-নৃত্য-সুৰ আদিৰ উপস্থাপনেৰে ই জনমানসত স্বকীয়তা বহন কৰিব পাৰিছে। ওজাই পিন্ধনত পট্টজামা আৰু চাপনক চোলা, মূৰত কোষাপটীয়া পাগুৰি আৰু ভৰিত নেপুৰ পিন্ধে। ওজাই তাল নবজায়, পালিসকলেহে তাল বজাই থাকে। ধৰ্মীয় আবেগৰ পৃষ্ঠভূমিত সামগ্ৰিকভাৱে নৃত্যৰ জন্ম; তদ্ৰূপ ওজাপালি নৃত্যয়ো মুখ্যতঃ ধৰ্মীয় নৃত্য।[১]

সুকনান্নী ওজাপালি কামৰূপ, নলবাৰী, বৰপেটা, বাক্সা আদি অঞ্চলত প্ৰচলিত। সৰ্পদেৱী মনসা বা পদ্মা পূজাৰ অনুষংগত সুকবি নাৰায়ণদেৱৰ নামত গোৱা পূজাৰ ওজাপালিয়ে সুকনান্নী ওজাপালি। একোটা ওজাপালি দলত এজন ওজা আৰু পাঁচ-ছয়জন পালি থাকে। পালিৰ মাজত মুখ্য পালিজনক দাইনাপালি বোলে। এই ওজাপালিৰ গীতসমূহৰ দুটা ভাগ— (ক) পূজাৰ গীত বা বহেনি গীত, (খ) পদ্মপুৰাণৰ কাহিনীযুক্ত গীত বা উঠেনি গীত। উঠেনি বা থিয় হৈ গোৱা গীতসমূহে বিশেষ বৈশিষ্ট্য বহন কৰে। ইয়াৰ স্তৰবোৰ হ'ল— (ক) আলাপ (খ) বন্দনা, (গ) দিহা বা ধুৰা, (ঘ) পদ, (ঙ) উপসংহাৰ। মনকৰিবলগীয়া কথা যে মনসা পূজা বুলিয়েই নহয় অন্যান্য পূজাৰ ক্ষেত্ৰতো এই স্তৰসমূহ লক্ষ্য কৰিব পাৰি। বন্দনা গীতত ওজাপালিসকলে পঞ্চদেৱতা— গণেশ, সৰস্বতী, লক্ষ্মী, কৃষ্ণ আৰু মহাদেৱৰ বন্দনা গোৱাটো নিয়ম। তাৰ পিছতহে নিৰ্দিষ্ট পূজাক উদ্দেশ্যি স্তুতিমূলক গীত গায়। ওজাজনে পাছত 'দিহা'ৰে আৰম্ভ কৰি পৌৰাণিক কাহিনী বিভিন্ন ৰাগত গাই যায় আৰু পালিসকলে খুঁটিতাল বজাই সেই গীত দোহাৰে। গীতৰ মাজে মাজে কাহিনীৰ লগত সংগতি ৰাখি বিভিন্ন খুহুতীয়া কথাও কৈ যায়। ওজা আৰু দাইনাপালিজনে অভিনয়ৰ দ্বাৰা তাক ৰসাল আৰু হাস্যমধুৰ কৰি তোলে। স্মৰ্তব্য যে হাতত লিখিত সমল অবিহনে প্ৰখৰ বুদ্ধিমত্তা আৰু স্মৃতিশক্তিৰে তেওঁলোকে আখ্যানসমূহ দৰ্শকৰ আগত উপস্থাপন কৰে। সুকনান্নী ওজাপালিৰ লগত জড়িত নৃত্যটি হ'ল দেওধনী নৃত্য।

সুকনান্নী ওজাপালিৰ সাজপাৰত শিল্পীসকলে ধুতি-চোলা আৰু কান্ধৰ ওপৰত খেন চেলেং চাদৰ পিন্ধা দেখা যায়। বৰ্তমান বৰপেটা, নলবাৰীত আপী ওজাৰ প্ৰচলন লক্ষণীয়।

**পুতলা নাচ ঃ** নামনি অসমৰ এবিধ গুৰুত্বপূৰ্ণ কলা হৈছে পুতলা নাচ। প্ৰাচীন সাহিত্যত পোৱা ভালেমান উল্লেখৰ পৰা পুতলা নাচৰ ইতিহাস মানৱ সভ্যতাৰ সমানে পুৰণি বুলি অনুমান কৰিব পাৰি। সংস্কৃত নাট, অংকীয়া নাট আদিৰ সৃষ্টিৰ মূলতো পুতলা নাচেই আছিল বুলি বহু পণ্ডিতে মত দাঙি ধৰে। ভাৰতীয় বিশ্বাস মতে পুতলাৰ উৎপত্তি হয় পাঞ্চাল ৰাজ্যত। মধ্যযুগৰ অসমীয়া সাহিত্যতো বিশেষকৈ কথাগুৰুচৰিততো পুতলা নচুওৱাৰ উল্লেখ আছে। ভাৰতত আঙুলি পুতলা, হাত পুতলা, সূতা পুতলা, লাঠি পুতলা, ছাঁ পুতলা আৰু জল পুতলা— এই ছয় প্ৰকাৰৰ পুতলাৰ প্ৰচলন থকাৰ প্ৰমাণ পোৱা যায় যদিও অসমত জলপুতলা, ছাঁ পুতলা আৰু সূতা পুতলাৰ প্ৰয়োগ আছিল আৰু বৰ্তমানেও ৰছী বা সূতা পুতলাৰ প্ৰচলন দুই এঠাইত থকাৰ প্ৰমাণ পোৱা যায়। বিংশ শতিকাৰ তৃতীয় দশক মানত নামনি অসমৰ টিহুৰ ওচৰত মথুৰাপুৰৰ ৰামেশ্বৰ পণ্ডিত নামৰ লোক এজনে পুতলা নচুওৱাৰ কথা জনা যায়। তেওঁৰে পৰা পোৱা অনুপ্ৰেৰণাৰে ভালুকীৰ হৰগোবিন্দ শৰ্মাই ১৯৪০ চনত প্ৰথম পুতলা নাচৰ দল উলিয়ায়। 'ভালুকীৰ পুতলা নাচ'ৰ দলত প্ৰায় ১৫ জনমান কলা-কুশলীয়ে কাম কৰিছিল। তেওঁলোকে পৰিৱেশন কৰা প্ৰথম নাটখন আছিল 'বেউলা লখীন্দৰ'। প্ৰায় ১৯৮০ চনলৈ এই দলটো চেগা-চোৰোকাকৈ চলি আহিছিল। ১৯৬৯ চনত ভালুকী গাঁৱতে 'অসম পুতলা নাচ' নামৰ অন্য এটি পুতলা নাচৰ অনুষ্ঠানে পাঞ্চালী শিল্পীগোষ্ঠীৰ পৰিচালনাত জন্ম লাভ কৰিছিল আৰু এই অনুষ্ঠানটোৰ পৰিচালক আছিল হেমেন শৰ্মা। ভালুকীৰ পুতলা নাচৰ লগতে নামনি অসমৰ আন আন পুতলা নাচৰ দলসমূহ হ'ল— অকয়াৰ পুতলা নাচ, পিপলীবাৰীৰ পুতলা নাচ, গন্ধিয়াৰ পুতলা নাচ আদি।





বৰ্তমানে পুতলা নাচৰ পৰম্পৰাটি ৰক্ষা কৰি আছে অকল অজয় শৰ্মাৰ গন্ধিয়াৰ পুতলা নাচৰ দলটিয়ে।

পুতলা নাচৰ কাৰ্যক্ৰমসমূহৰ ভিতৰত বাদ্য-বাজনা, গায়ন-বায়ন, পূৰ্বৰাগ বা গুৰুঘাঁত, নান্দীশ্লোক, প্ৰস্তাৱনা, মুক্তিমংগল ভটিমা আদি ৰূপায়ণ কৰা হয়। বৰ্তমান কিছু পৰিমাণে আধুনিকতাৰ পৰশ পৰা বুলি ক'ব পাৰি। দুখৰ বিষয় আধুনিক চিন্তাধাৰা তথা বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ দিনত নৱপ্ৰজন্মই পুৰণি পৰম্পৰাৰ ফালে কিছু পৰিমাণে পিঠি দিলে। যুগ সাপেক্ষে আধুনিক ভ্ৰাম্যমাম নাট্যদলৰ চমৎকাৰী কৌশলৰ আগত ই বহুখিনি ম্লান পৰি গ'ল। আজিৰ চিনেমা, টেলিভিচনৰ যুগত এনেধৰণৰ লোকনাটসমূহে জনমানসৰ পৰা হেৰাই যোৱাৰ উপক্ৰম হৈছে।

**ঢুলীয়া ঃ** সংস্কৃতিৰ বৰপথাৰত নামনি অসমৰ লোকনাট্যানুষ্ঠান ঢুলীয়ায়ো উল্লেখযোগ্য আসন দখল কৰি আহিছে। কামৰূপ, নলবাৰী, বাক্সা, চিৰাং, ওদালগুৰি, দৰং, মঙ্গলদৈ আদি বৃহত্তৰ এলেকাত ঢুলীয়া অনুষ্ঠানৰ জনপ্ৰিয়তা বেছি। ঢুলীয়া সচৰাচৰ তিনি প্ৰকাৰৰ— বৰঢুলীয়া, জয়ঢুলীয়া আৰু ঢেপাঢুলীয়া। কামৰূপ, নলবাৰী, বাক্সা, চিৰাং আদিত বৰঢুলীয়া, অবিভক্ত দৰঙত জয়ঢুলীয়া আৰু ঢেপাঢুলীয়া অকল দৰঙত প্ৰচলিত। উল্লেখযোগ্য যে এই অনুষ্ঠানটিও প্ৰাচীন। ঢুলীয়া আৰু ওজাপালিৰ বিষয়ে পণ্ডিত মহেশ্বৰ নেওগে 'প্ৰাচ্য শাসনাৱলী'ত লিখিছে—

"The copper plate incription of Dhareswara Tample (Hatimara Hill, Kamrup, 1660, Saka, 1738 AD) was donated by king Siva Singha. The epigraphs gives the humber of priests and paiks also with Dhulia, kalia, Ojapali etc."

বৰঢুলীয়াত বৰঢুলীয়া, সৰুঢুলীয়া, ভাৰৰীয়া, তালুৱৈ, বায়ন আদি কলা-কুশলীৰ সমাহাৰ ঘটে। ঢুলীয়া অনুষ্ঠানটিত আৰম্ভণিৰে পৰা সামৰণিলৈ ভিন ভিন কাৰ্যক্ৰম দেখুওৱা হয়। তাৰ ভিতৰত খলা-বন্ধা প্ৰক্ৰিয়া, সৰুঢোল আৰু সৰুতাল বাদন, বৰঢোল আৰু বৰতাল বাদন, খলাফুৰণি, কুস্তি বা চাৰ্কাচ, বন্দনা বা পাতনি, চং বা কৌতুক উল্লেখযোগ্য।

ঢুলীয়া অনুষ্ঠানৰ শিল্পীসকলে যি ঠাইত অনুষ্ঠান পৰিৱেশন কৰিবলৈ যায়, সেই ঠাইৰ খলাখন প্ৰথম অৱস্থাত বান্ধি লয়। 'খলা' মানে ঢুলীয়াই অনুষ্ঠান পৰিবেশন কৰাৰ বাবে চাফাকৈ ৰখা এটুকুৰা আহল-বহল ঠাই। কলগছৰ পাতৰ চায়নাৰ তলত পাৰি দিয়া ধানখেৰ বা নৰাৰ ওপৰত ৰাইজ বহে আৰু মাজতে দীঘলে ২০-২৫ ফুট মান আৰু বহলে ১২-১৫ ফুট মান মুকলিকৈ ঠাই এৰে। এই খালী ঠাইখিনিয়েই হ'ল খলা। অনুষ্ঠানৰ আৰম্ভণিৰ দিনা ৫/৬ জনমান ঢুলীয়াই ঢোল আৰু ৫/৬ জনমান তালুৱৈৰে তাল বজাই খলাখন পবিত্ৰ কৰি লয় যাতে অপায়-মংগলে অনুষ্ঠান পৰিবেশনত বাধা দিব নোৱাৰে।

এই প্ৰক্ৰিয়াটোৰ নামেই 'খলা সোধ' প্ৰক্ৰিয়া। ইয়াৰ পিছতেই ঢুলীয়া আৰু তালুৱৈয়ে সৰুঢোল আৰু তাল বজায়। প্ৰথমাৱস্থাত ঢুলীয়া আৰু তালুৱৈয়ে সৰুঢোল আৰু তাল বজায়। প্ৰথমাৱস্থাত ঢুলীয়া শিল্পীসকলৰ বিশ্বাসত ঢোলৰ শব্দই এনেকুৱা ৰূপ লয়— চাং চাং চাং /গুৰোতে কোবাং।[২]

ইয়াৰ অৰ্থ এয়াই যে ৰাইজে অনুষ্ঠান উপভোগ কৰিবলৈ আহিবৰ হ'ল। লাহে লাহে দুজন বৰঢুলীয়াই বৃহদাকাৰৰ দুটা ঢোল আৰু দুজন তালুৱৈয়ে বৰতাল বজাবলৈ ধৰে। মাজে মাজে ঘাঁত বাদনৰ দ্বাৰা ঢোলৰ কোব সলনি কৰি থাকে। ঢোল, তাল বাদনৰ পিছতে দুজনমান ঢুলীয়া আৰু তালুৱৈয়ে ঢোল-তাল বজাই খলাখন প্ৰদক্ষিণ কৰে। এয়াই হৈছে 'খলাফুৰণি' প্ৰক্ৰিয়া আবেলি সময়ত বিভিন্ন কুস্তি বা চাৰ্কাচ প্ৰদৰ্শন কৰে কুস্তিৰ পাছতেই চং বা ভাওনা আৰম্ভ কৰে। ভাৰৰীয় বায়নে মিলি চং কৰে আৰু এইবোৰৰ কাহিনী পুৰা বুৰঞ্জী বা প্ৰচলিত সামাজিক ঘটনা নিৰ্ভৰ। হাস্যৰ কাহিনী পুৰাণ, বুৰঞ্জী বা প্ৰচলিত সামাজিক ঘটনা নিভ হাস্যৰসৰ উদ্ৰেক কৰাই উদ্দেশ্য। শিল্পীবোৰে মূৰত ৰ টুপি, ভৰিত পাইজামা, গাত ভমকাফুলীয়া চো কপালত চুণৰ ফোঁট লোৱা দেখা যায়। কেতিয়াবা চো পিছফালে ৪২০ লিখা থকা দেখা যায়। নামনি অ ঢুলীয়াই পৰিবেশন কৰা উল্লেখযোগ্য চং কেইখ হ'ল— মাষ্টৰৰ চং, পাগলীৰ চং, বাঘৰ চং অ কেহাটীৰ মোহন ভাৰৰীয়া, বাক্সাৰ কাৰহানা গাঁৱৰ

ভাৱৰীয়া আদিৰো অভিনয় ৰাইজে আজিও শলাগে।

**খুলীয়া ভাৱৰীয়া ঃ** দৰং জিলাৰ এবিধ জনপ্ৰিয় লোকনাট্যানুষ্ঠান হৈছে খলীয়া ভাৱৰীয়া অনুষ্ঠান। বৰ্তমানৰে পৰা দেইবা দশক আগতে এই অনুষ্ঠানটো কামৰূপ জিলাতো প্ৰচলিত আছিল। সম্প্ৰতি দৰং জিলাত প্ৰচলিত। খোলক মুখ্য কৰি অনুষ্ঠানটো ৰূপায়িত হয় বাবে ইয়াৰ নাম খুলীয়া ভাৱৰীয়া। ই সৰ্বভাৰতীয় কথকতা পৰম্পৰা আশ্ৰিত আৰু ভৰতমুনিৰ নাট্য শাস্ত্ৰত উল্লিখিত ওড্ৰমাগধী শৈলীবিশিষ্ট। ব্যাস ওজাপালিৰ বিকশিত ৰূপেই সময়ত খুলীয়া ভাৱৰীয়াৰ ৰূপ লয়। সেইফালৰ পৰা ইয়াৰ উৎপত্তি কাল খ্ৰীঃ চতুৰ্থ-পঞ্চম শতিকা বুলি অনুমান কৰিব পাৰি। এই অনুষ্ঠানৰো মূল উদ্দেশ্য মানুহৰ মাজত হাঁহিৰ খোৰাক যোগোৱা। গীত-পদ-বাদ্যৰ লগত জড়িত ব্যক্তিসকল আৰু অভিনয়ৰ লগত জড়িত ব্যক্তিসকলৰ দ্বাৰা খুলীয়া ভাৱৰীয়া দলটো গঠিত। এই অনুষ্ঠানৰ মূল ব্যক্তিজনক 'ওঝা' বা 'ওজা' বুলি কোৱা হয়। তেওঁ একেধাৰে মঞ্চ নিৰ্দেশক, অংকীয়া ভাওনাৰ সূত্ৰধাৰৰ লগত ৰিজাব পাৰি। ওজাৰ লগতে দলত ৪/৫ জনমান পালিও থাকে। তদুপৰি দলটোত ৫/৬ জনমান খুলীয়াই খোল আৰু দুই-তিনিজনমান তালুৰৈয়ে তাল বজাই থাকে। ওজাৰ গীত, পালিৰ সমতানৰ লগে লগে বিভিন্ন অংগী-ভংগীসহ নৃত্য পৰিবেশন কৰে। ইয়াৰ পাছতে আৰম্ভ হ'বলগীয়া নাটকখনত চৰিত্ৰানুযায়ী ভাৱৰীয়া থকাৰ উপৰি সঞ্চাৰ কৰাৰ বাবে ২/৪ জন 'বহুৱা'ও থাকে। খুলীয়া ভাৱৰীয়াৰ সাংযুতিক এককবোৰ হ'ল— (ক) বাদ্য বাজনা, (খ) বন্দনা বা মংগলাচৰণ, (গ) বাদ্য সংগীত বা প্ৰস্তাৱনা, (ঘ) মূল কাহিনী বা পালা, (ঙ) অভিনয়, (চ) নৃত্য-গীত, (ছ) সংলাপ, (জ) হাস্য কৌতুক, (ঝ) প্ৰাৰ্থনা গীত।

খুলীয়া ভাৱৰীয়াই প্ৰথমাৱস্থাত খোল আৰু তালেৰে 'খলাবহনি বাদী' পৰিবেশন কৰে। লাহে লাহে ৪/৫ জন খুলীয়া আৰু ২/৩ জনমান তালুৰৈয়ে তাল বজাবলৈ ধৰে। ইয়াৰ মাজতে ওজাই সোঁহাতত এটা চোঁৱৰ আৰু বাওঁহাতত এখন দহি থকা ৰুমাল লৈ মঞ্চলৈ আহে। তেওঁ খুলীয়া আৰু তালুৰৈৰে সৈতে কিছু সময় নৃত্য কৰি থাকে। এই নৃত্যৰ দ্বাৰা বিষয়বস্তুৰ আভাস দাঙি ধৰে। সেই অনুযায়ী মূল কাহিনীটো সংলাপেৰে বৰ্ণিত হয়। এই অনুষ্ঠানৰ এক গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হৈছে ই সম্পূৰ্ণ পুৰুষ প্ৰধান আৰু ইয়াত নাৰী চৰিত্ৰ বিশেষেও পুৰুষেহে অংশগ্ৰহম কৰে। কাহিনীৰ সমাপ্তিৰ পাছত ওজাজনে এটি প্ৰাৰ্থনা গীত লগাই দিয়ে আৰু অন্যান্যসকলেও তাক দোহাৰি সেৱা জনায়। চৰিত্ৰানুযায়ী মুখাৰ ব্যৱহাৰ এই অনুষ্ঠানৰ আন এক বৈশিষ্ট্য। 'বহুৱা' চৰিত্ৰই অসংগতিপূৰ্ণ মুখা পৰিধান কৰি দৰ্শকৰ মাজত হাঁহিৰ উদ্ৰেক কৰা দেখা যায়। সাজসজ্জাৰ ক্ষেত্ৰতো মূল ওজাজনে বগাজামা, বগা চাপকন চোলা, কঁকালত কমৰ বান্ধনি, কপালত চন্দনৰ ফোঁট, মূৰত নাওসেৰীয়া চুপি পিন্ধে। খুলীয়াসকলে ধুতি-চোলা আৰু মূৰত পাগুৰি মাৰে।

**কুশান গান ঃ** অবিভক্ত গোৱালপাৰা জিলাৰ এটি গুৰুত্বপূৰ্ণ আৰু জনপ্ৰিয় লোকনাট্যানুষ্ঠান হৈছে কুশান গান। কুশ আৰু গানৰ সমন্বয়ত কুশান গানৰ সৃষ্টি হৈছে। ৰামৰ পুত্ৰ লৱ-কুশই, ৰামায়ণৰ গীত-পদ আবৃত্তি কৰিছিল বাবেও কুশান গান পৰিভাষাৰ সৃষ্টি হ'ব পাৰে। কুশান গানৰ দলটি পূৰ্ণ হয় এজন মূল গীদাল, এজন মুখ্য দোহাৰী বা দুৱাৰী আৰু কেইজনমান পুৰুষ নৃত্য শিল্পী (চেংড়া), বাদক আৰু পালিৰে। মুখ্য পালিজনক দাইনাপালি আৰু অন্যান্য পালি বা 'বাৱাপালি' বুলি কোৱা হয়। কুশান গানত খোলবাদকসকল বায়ন নামেৰে পৰিচিত আৰু এই অনুষ্ঠান পৰিবেশন কৰা ঠাইখিনিক 'আসৰ' বোলে। কুশান গানৰ সাংযুতিক এককবোৰে পোনতেই উল্লেখনীয় সৰস্বতী বন্দনা। কুশান গানৰ কাহিনি সম্পূৰ্ণ ৰামায়ণভিত্তিক। গীদালজনে বেনা বা বীণা সংগত কৰি গীত গাই গাই মল মঞ্চত প্ৰৱেশ কৰে আৰু বৃত্তাকাৰে ঘূৰে। তেওঁৰ পিছতেই দোহাৰী আৰু চেংড়াসকলে একেলগে মঞ্চত প্ৰৱেশ কৰি তেওঁ গোৱা গীত-পদ-নৃত্যত সহযোগ কৰে। মাজে মাজে কাহিনীৰ লগত সংগতি ৰাখি দৰ্শকৰ মনোৰঞ্জনৰ বাবে পয়াৰ গীত গায় আৰু গীতৰ তালে তালে নৃত্য প্ৰদৰ্শন কৰে। সংলাপ আৰু অভিনয়েৰে ইয়াৰ ভাওনিও আগবঢ়ায়। গায়ন, বায়ন আৰু চেংড়াসকলে এই কাৰ্যত ভাগ লয়। কুশান গানক দোহাৰীজনৰ ভূমিকা লক্ষণীয়। গীদালক কাহিনী আগবঢ়াই নিওঁতে গীত-পদত সহায় কৰাৰ উপৰি অভিনয়েৰে হাস্য-





কৌতুক সৃষ্টি কৰি দৰ্শকক আমোদ যোগায়। মূল গীদাল আৰু দোহাৰীজনৰ কাৰ্যৰ মাজেৰে প্ৰখৰ স্মৃতিশক্তি, উপস্থিত বুদ্ধিমত্তাৰ পৰিচয় পাব পাৰি। মন কৰিবলগীয়া কথা যে কুশান গানৰ ভাষা গোৱালপৰীয়া যদিও মাজে মাজে বঙলা ভাষাৰ শব্দ ৰূপৰো সংমিশ্ৰণ ঘটিছে।

সাজ-পাৰৰ ক্ষেত্ৰত কুশান গানৰ নেতাজনে কঁকালত ধুতি, গাত চোলা, ডিঙিত ভাঁজ কৰা চাদৰ পৰিধান কৰে। দোহাৰীয়ে গেঞ্জিজাতীয় চোলা আৰু ধুতি পিন্ধে। তেওঁ কঁকালত গামোচা, পিঠিলৈ ওলমি পৰা চাদৰ আৰু অলংকাৰস্বৰূপে ডিঙিত মালা, মূৰত টিকনি, কপালত তিলক আৰু হাতত এডাল লাঠী ব্যৱহাৰ কৰে। চেংড়াসকলে দীঘল ঘূৰী, মূৰত কৃত্ৰিম চুলি, গাত চোলা, মূৰত পাতল কাপোৰৰ ওৰণি লয়। কেতিয়াবা কেতিয়াবা চেংড়াসকলেই মহিলাৰ ভাও কৰিবলগীয়া হয় বাবে মহিলাসুলভ সাজ-পাৰ, গহনা-গাঁঠৰি পিন্ধে । আনহাতে পালি আৰু বায়নে সাধাৰণভাৱেই ধুতি-চোলা পিন্ধে। মুঠতে এই লোকনাট্যটিত উত্তৰ-পশ্চিমবংগৰ বৃহৎ অঞ্চলৰ প্ৰভাৱ আছে যদিও তাৰে মাজত গোৱালপাৰাৰ থলুৱা কৃষ্টি-সংস্কৃতি ৰক্ষিত হোৱা বুলিও ক'ব পাৰি।

**ভাৰী গান ঃ** কুশান গানৰ সমপৰ্যায়ৰ আন এক লোকনাট্যানুষ্ঠান হ'ল ভাৰী গান। গোৱালপাৰাৰ দক্ষিণ অঞ্চলত ভাৰী গান সুপ্ৰসিদ্ধ। মূলতঃ ভাৰী গানত ৰামায়ণ আৰু মহাভাৰতৰ আখ্যান বৰ্ণিত হয়। উত্তৰ-পশ্চিম বংগৰ লোক-সংস্কৃতি আহি সীমান্তৱৰ্তী গোৱালপাৰা অঞ্চলত এটা সময়ত একাকাৰ হৈ পৰিছিল। তাৰ প্ৰভাৱৰ পৰিণতিতেই ভাৰী গানতো দুয়োফালৰ সংমিশ্ৰিত ৰূপ লক্ষ্য কৰিব পাৰি। ভাৱৰীয়া বা ভাউৰীয়াৰ গান বাবেই ভাৰী গান শব্দটো প্ৰচলিত হ'ব পাৰে। দৰঙৰ খুলীয়া ভাৱৰীয়া অনুষ্ঠানটিৰ লগত ইয়াৰ সাংযুতিক বৈশিষ্ট্যসমূহৰ বহুখিনি মিল পোৱা যায়। ভাৰী গীনৰ সাংযুতিক বৈশিষ্ট্যসমূহ হ'ল—

(ক) বাদ্য বাজনা, (খ) মংগলাচৰণ বা বন্দনা, (গ) বাদ্য সংগীত বা প্ৰস্তাৱনা, (ঘ) মুল কাহিনী বা পালা, (ঙ) অভিনয়, (চ) নৃত্যগীত, (ছ) সংলাপ, (জ) হাস্য কৌতুক, (ঝ) সামৰণিসূচক প্ৰাৰ্থনা গীত।

ভাৰী গানৰ দলটোৱে অনুষ্ঠান পৰিবেশনৰ আৰম্ভণিতে ইষ্ট দেৱতাৰ নাম লৈ সভাথলীলৈ প্ৰৱেশ কৰে আৰু মূলজনে হাতত চোঁৱৰ লৈ গীত গাই নৃত্য প্ৰদৰ্শন কৰে। এই সময়ত খোল-তালো বাজি থাকে। বাদ্য বাজনাৰ অন্তত মূলে বন্দনা লগাই দিয়ে আৰু পালিসকলে সেই সুৰত সুৰহ মিলায়। গুৰু তথা ইষ্টদেৱৰ বন্দনাৰ পিছত মূলে পুনৰ নৃত্য-গীতৰ দ্বাৰা কাহিনীৰ মাজলৈ যায় আৰু অন্যান্য পালিসকলে তাত সহযোগ কৰে। লাহে লাহে কাহিনী অনুসৰি বিভিন্ন চৰিত্ৰৰ প্ৰৱেশ ঘটে। চৰিত্ৰসমূহে সংলাপসহ যি অভিনয় দক্ষতা প্ৰদৰ্শন কৰে, সি তুলনাতীত। ভাৰী গানৰ এক বিশিষ্ট চৰিত্ৰ হৈছে 'কেতুৱা' চৰিত্ৰটো। কাহিনী বা বিষয়বস্তুৰ লগত কোনো সম্পৰ্ক নথকা এই চৰিত্ৰটোৰ একমাত্ৰ উদ্দেশ্য দৰ্শকক হাঁহিৰ খোৰাক যোগোৱা। খুলীয়া ভাৱৰীয়াৰ 'বহুৱা' আৰু ভাৰী গানৰ 'কেতুৱা'ৰ চৰিত্ৰ দুটাৰ কাৰ্য-কলাপ প্ৰায় একে। স্মৰণযোগ্য যে ভাৰী গানত কাহিনীৰ সামৰণিৰ সময়ত এজন ভাৱৰীয়াই কালী দেৱীসদৃশ পোচাক পিন্ধি লয় আৰু মুখত কালীৰ মুখা আৰু দুই হাতত দুখন তৰোৱাল ধাৰণ কৰে। আন দুজনমান ভাৱৰীয়াই ধূপ-দীপ জ্বলাই দেৱীক মঞ্চলৈ আদৰি আনে আৰু পালিসকলে বজোৱা বাদ্যৰ তালে তালে তেওঁ কালী নৃত্য পৰিবেশন কৰে। এনেদৰেই ভাৰী গানৰ সামৰণি পৰা দেখা যায়।

লোকনাট্যানুষ্ঠানসমূহ জাতি-জনগোষ্ঠীৰ সাংস্কৃতিক জীৱনৰ পৰিচায়ক। এই নাট্যানুষ্ঠানসমূহে বহু শতিকাজোৰা পৰম্পৰা আজিকোপতি অব্যাহত ৰাখিলেও তুলনামূলকভাৱে পূৰ্বৰ নিভাঁজ ৰূপটো বহুলাংশে লাঘৱ হোৱা যেন বোধ হয়; কিয়নো মানুহৰ চিন্তাধাৰাৰ উত্তৰণে প্ৰাচীন বৈশিষ্ট্যৰ মাজত কিছু আধুনিকতাৰ প্ৰলেপ সনাত বাধ্য কৰাইছে। পুতলা নাচ, ঢুলীয়া-খুলীয়া আদিত আঁৰিয়াৰ সলনি বিদ্যুতৰ ব্যৱহাৰ, বাদ্য বাজনাৰ ক্ষেত্ৰতো হাৰমনিয়াম, তবলা, কী-ব'ৰ্ড আদি বাদ্যযন্ত্ৰৰ প্ৰয়োগ, পুতলা নাচৰ গীতাংশত কেছেটৰ প্ৰয়োগ আদিয়ে লোকনাটসমূহক বহুক্ষেত্ৰত আধুনিকীকৰণ কৰা বুলি ক'ব পাৰি। ওজাপালি পুৰুষপ্ৰধান নৃত্য যদিও আজিকালি মহিলায়ো ইয়াত অংশগ্ৰহণ কৰে। এয়া অৱশ্যে আদৰণীয়। বিশেষকৈ নলবাৰী, টিহু অঞ্চলৰ মহিলা ওজাপালিৰ প্ৰসংগই এই লোকনাটত অন্য এক নতুনত্ব আনিবলৈ

সক্ষম হৈছে। কিন্তু দুখৰ বিষয় এয়াই যে বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ ন-ন আৱিষ্কাৰসমূহৰ ধামখুলীয়াত পুতলা নাট, ঢুলীয়া আদি লোকনাটসমূহ ৰাইজৰ মাজৰ পৰা মাৰ যাওঁ যাওঁ অৱস্থা পাইছে। নৱ প্ৰজন্মৰ মাজত অত্যাধুনিক কৌশলপূৰ্ণ ভ্ৰাম্যমাণ, চিনেমা আদিৰ প্ৰতি জন্মা আগ্ৰহো এই অৱস্থাৰ অন্য এক কাৰণ। শিল্পীসকলৰ আৰ্থিক দূৰৱস্থা, চৰকাৰৰ উপেক্ষা, নৱপ্ৰজন্মৰ অনিচ্ছা আদি কাৰণসমূহে এইবোৰক সমাজত জীয়াই ৰখাত মূল প্ৰতিবন্ধকৰূপে থিয় দিছে। এই ক্ষেত্ৰত জনসাধাৰণৰ শক্তি-সামৰ্থ্যৰে যদি লোকনাট্যসমূহক জীয়াই ৰখা নহয় তেন্তে এদিন এনেধৰণৰ কলা-সংস্কৃতি অসমৰ বুকুৰ পৰা নোহোৱা হৈ যে যাব তাত কোনো সন্দেহ নাই। ●

পাদটীকা ঃ


১। শৰ্মা, নবীনচন্দ্ৰ ঃ অসমৰ পৰিৱেশ্য কলা ওজাপালি, পৃঃ ২৬২

২। সংবাদদাতা ঃ বৈকুণ্ঠ দাস, ঔগুৰি, বয়স - ৪৫।

সহায়ক গ্ৰন্থপঞ্জী ঃ


১। গোস্বামী, ৰাম ঃ অসমৰ লোকনাট্য, অসম সাহিত্য সভা, প্ৰথম প্ৰকাশ, ১৯৯১।

২। শৰ্মা, নবীনচন্দ্ৰ ঃ অসমৰ পৰিৱেশ্য কলা ওজাপালি, পাণবজাৰ, প্ৰথম প্ৰকাশ, ১৯৯৬।





প্ৰবন্ধ

# বৈষ্ণৱ গীতি-কাব্যত প্ৰতিফলিত নায়িকাৰ প্ৰতিচ্ছবি


কাজল সাহা

স্নাতক, পঞ্চম ষাণ্মাসিক


■ভাৰতীয় সংস্কৃতিৰ অন্যতম আদৰ্শ হৈছে সমন্বয় সাধন। যুগে যুগে বিভিন্ন সংঘাত আৰু দুৰ্যোগৰ মাজতো ভাৰতীয় সংস্কৃতিয়ে নিজৰ এই ঐতিহ্যময় চৰিত্ৰ নিৰ্বাহ কৰি আহিছে। ফলত নানান ভাষা, নানান সম্প্ৰদায়, নানান বিশ্বাস-অবিশ্বাস, নানান আঞ্চলিক বৈষম্যৰ মাজতো এই দেশে বাৰেবৰণীয়া সংস্কৃতিৰ ৰহঘৰাৰে যুগে যুগে ঐক্য আৰু সম্প্ৰীতিৰ জয়গান গাই আহিছে। শাশ্বত জীৱন প্ৰমূল্যবোধে দেশবাসীক সদায় উদ্বুদ্ধ কৰি আহিছে। যাৰ বাবে যুগ-মনীষীসকলৰ উদ্বোধন বাণীয়ে সমাজত নতুন দিগন্তৰ সূচনা কৰিছে, নবীন প্ৰেৰণাৰে সামাজিক জীৱনক মহিমামণ্ডিত কৰিবলৈ সক্ষম হৈছে। এই পৰিপ্ৰেক্ষিতত বৈষ্ণৱ কবি সাধকসকলৰ ভূমিকা অনস্বীকাৰ্য। এওঁলোকৰ মহান প্ৰচেষ্টাত সামাজিক জীৱনত এক নবীন প্ৰাণস্পন্দন অনুভূত হোৱাৰ উপৰি এক অভিনৱ গতি পথৰো উন্মোচন হোৱা দেখা যায়।

ভক্তি-সাহিত্যৰ মন্দাকিনীয়ে বিধৌত কৰা ভাৰতবৰ্ষত বৈষ্ণৱ সাহিত্যই গঢ় লৈ উঠে ঘাইকৈ মধ্য যুগৰ শেষ ডোখৰত। এই কালছোৱাত বিশাল আৰু পৱিত্ৰ ভাৰতভূমিৰ বুকুত ইমূৰৰ পৰা সিমূৰলৈ নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ যি প্ৰবল হেন্দোলনি উঠিছিল, তাৰেই পৰিণতি স্বৰূপে ইয়াৰ বিভিন্ন প্ৰাদেশিক ভাষাবোৰত বৈষ্ণৱ সাহিত্যই ঠন ধৰি উঠে। আন অৰ্থত ক'বলৈ গ'লে নৱবৈষ্ণৱ ধৰ্মৰ আন্দোলনে সেই কালত ক্ৰমবৰ্দ্ধমান ভাৰতীয় সংস্কৃতিৰ গতিপথ অধিক প্ৰশস্ত আৰু উজ্জ্বল কৰি সন্তাপিত ভক্তহৃদয়ককেৱল অমিয়া শান্তিয়েই প্ৰদান নকৰিলে, বৰং প্ৰাদেশিক সীমাৰ দেওনা নেওচি এক সূত্ৰত আবদ্ধ কৰিলে। দূৰ-সুদূৰৰ পৰা মুৰুলীৰ অমৃত ধ্বনি শুনি গোপীসকলে ব্যক্তিস্বাৰ্থৰ গণ্ডীৰ পৰা উন্মুক্ত হৈ এক পৰম আনন্দময়ৰ মাজত নিমগ্ন হৈ পৰাৰ দৰে বৈষ্ণৱ গীতি সাহিত্যৰ মন্দাকিনীয়ে ভক্তবৃন্দক লৈ যায় এক অপাৰ্থিৱ জগতলৈ য'ত আনন্দৰ মোহন মূৰ্তিয়ে সকলোকে অভিভূত কৰে।

ৰস-বৈচিত্ৰ্যৰ অপূৰ্ব সম্ভাৰেৰে বৈষ্ণৱ সাহিত্য মহিমামণ্ডিত হৈ পৰিছে। অতি প্ৰাচীন কালৰে পৰাই ভাৰতত আধ্যাত্মিক অনুভূতিৰ মৰ্মস্পশী প্ৰকাশ সঙ্গীতে বহন কৰি আহিছে। বেদৰ স্তোত্ৰ, গীতাৰ শ্লোক, পুৰাণৰ স্তৱসমূহে সাঙ্গীতিক মাধুৰ্য্যৰে ভক্ত প্ৰাণত শিহৰণ জগাইছিল। সেই পৰম্পৰাই বৈষ্ণৱ-গীতি-কাব্যৰ মাজেৰে সাৰ পাই উঠিল। অসংখ্য গীতি কবিৰ কল কাকলিৰে মুখৰিত হৈ পৰিল ভাৰতৰ বিভিন্ন প্ৰান্ত। মিথিলাৰ কবি বিদ্যাপতি, বঙ্গদেশৰ

চৈতন্যদেৱ, মহাৰাষ্ট্ৰৰ নামদেৱ, জ্ঞানেশ্বৰ আৰু তুকাৰাম, গুজৰাটৰ মীৰাবাঈ, উত্তৰ ভাৰতৰ সুৰদাস, কবীৰ দাস, তুলসী দাস, উৰিষ্যাৰ বলোৰাম দাস, জগন্নাথ দাস, সৰলা দাস আৰু অসমৰ শংকৰদেৱ-মাধৱদেৱ আদি বৈষ্ণৱ কবি সকলৰ হাতত ঠন ধৰি উঠা বৈষ্ণৱ বা ব্ৰজবুলি পদাৱলী সাহিত্য সমন্বয়ৰ এক উৎকৃষ্টতম আৰ্হি হোৱাৰ উপৰি জনমানসৰ উৎকৰ্ষ সাধনৰ অন্যতম আহিলাস্বৰূপে পৰিগণিত হ'ব পাৰিছে। ফলত বৈষ্ণৱ সাহিত্যৰ শাশ্বত ৰূপক সময়ৰ আঁচোৰে ম্লান কৰিব পৰা নাই।

**বৈষ্ণৱ পদাৱলীত প্ৰেমৰ প্ৰতিচ্ছবি ঃ**

বৈষ্ণৱ ধৰ্ম মূলত প্ৰেমৰ ধৰ্ম। ভগৱান প্ৰেমময়, আনন্দময়। ভক্তই তেওঁৰ আনন্দময় প্ৰেমময় ৰূপত মোহিত হৈ তেওঁৰ প্ৰতি আকৰ্ষিত হয়। আনন্দ আৰু প্ৰেম অঙ্গাঙ্গী সম্পৰ্কযুক্ত। য'তে আনন্দ থাকে তাতেহে প্ৰেম বিদ্যমান। একমাত্ৰ প্ৰেমেই মানুহৰ জীৱনলৈ পৱিত্ৰতা আনিব পাৰে। ইয়ে দিব মানৱক বিশ্বৰ লগত অদ্বৈত চেতনাৰ আধ্যাত্মিক তত্ত্ব জ্ঞান। পৰম পুৰুষৰ ওচৰত একান্ত শৰণাগতিয়ে এই দেৱদুৰ্লভ প্ৰেম প্ৰাপ্তিৰ একমাত্ৰ পথ। প্ৰেম আৰু সৌন্দৰ্য্যৰ সম্পৰ্ক অতি নিবিড়। সেয়েহে বৈষ্ণৱ কবিসকলে প্ৰেমৰ লগতে সৌন্দৰ্য্যৰ জগত এখনো নিৰ্মাণ কৰিছে। য'ত "শ্ৰীকৃষ্ণৰ পাৰ্থিৱ ৰূপৰ মাজেদি অপাৰ্থিৱ, অৰূপ ৰূপক বিমূৰ্ত্ত কৰি তোলা হৈছে। তেওঁৰ ৰূপে আকাশৰ মেঘৰ মাজত, যমুনাৰ জল-কল্লোলত, ময়ূৰ-ময়ূৰীৰ কণ্ঠস্বৰত ইন্দ্ৰজালৰ সৃষ্টি কৰিছে। চণ্ডীদাসৰ আকুল ৰাধাই শ্ৰীকৃষ্ণৰ মাজতেই বিশ্বৰূপ দৰ্শন কৰি কৈ উঠিছে, 'দিক নেহাৰিতে সব শ্যামময় দেখি' বুলি।[১]

সময়ে সময়ে এই গীতসমূহত সৌন্দৰ্য তৃষ্ণা আৰু দেহ লালসা প্ৰকট হৈ উঠিছে যদিও ইয়ে ইয়াৰ মুখ্য সুৰ নহয়। আচলতে এই গীতবোৰৰ প্ৰধান সুৰ হ'ল বিৰহ। বিৰহৰ অপৰিসীম দুখে ভক্ত প্ৰাণক মলিন কৰি তোলাৰ পৰিবৰ্তে আত্মাক দিছে অনিৰ্বচনীয় তত্ত্বজ্ঞানৰ দ্যুতি। যাৰ দ্বাৰা ভক্তই নিজৰ নাৰী-পুৰুষৰ ভেদ জ্ঞানো পাহৰি গৈ সেই অদ্বৈত সত্ত্বাৰ লগত একীভূত হৈ পৰমতৃপ্তি লাভ কৰে।

**বৈষ্ণৱ পদাৱলীৰ নায়িকা ৰাধা চৰিত্ৰৰ বিকাশ ঃ**

ভাৰতীয় ধৰ্ম আৰু সাহিত্যত ৰাধাৰ এক বিশেষ স্থান আছে। আধ্যাত্মিক তত্ত্ব আৰু কাব্যৰ চৰিত্ৰ হিচাপে এই চৰিত্ৰৰ ভূমিকা অতি তাৎপৰ্যপূৰ্ণ। ৰাধা যেন ভাৰতীয় জন মানসৰ, চেতনাৰ অন্তঃস্থলৰ পৰম প্ৰেম, সৌন্দৰ্য্য আৰু মাধুৰ্য্যৰ এক অপূৰ্ব সমাহাৰ।

ৰাধা সুন্দৰতাৰ প্ৰতিমূৰ্ত্তি। ৰাধা-কৃষ্ণৰ যুগল ৰূপৰ সুন্দৰ বৰ্ণনাৰে ভাৰতীয় সাহিত্য উজ্জ্বল হৈ উঠিছে। দ্বাদশ শতিকাত ৰচিত জয়দেৱৰ 'গীত গোবিন্দ'ৰ মাজেদিয়েই পোনতে ৰাধাৰ পূৰ্ণাঙ্গ চিত্ৰ ফুটি ওলায়। তেওঁৰ কোমল কান্ত পদাৱলীত পৰম প্ৰেমময়ী ৰাধাৰ প্ৰেম ব্যাকুলতা প্ৰকাশ পাইছে। ৰাধাৰ প্ৰেমক কবিয়ে অন্তৰৰ সাধনালব্ধ অনুভূতিৰে যেন অনুভৱ কৰিছিল। প্ৰেমৰ ঐন্দ্ৰজালিক শক্তিয়ে যেন অনাদি অনন্তকো মোহিত কৰি পাৰে তাকেই জয়দেৱে তেওঁৰ কাব্যত প্ৰকাশ কৰিব বিচাৰিছে।

পৰকীয়া প্ৰেমাভিসাৰৰ চিত্ৰ প্ৰাচীন সংস্কৃত সাহিত্যতো বিদ্যমান। 'অমৰু শতক', 'কবীন্দ্ৰ বচন সমুচ্চয়', 'সদুক্তি কৰ্ণামৃত' আদি গ্ৰন্থতো এনে প্ৰেমৰ বৰ্ণনা পোৱা যায়। ৰাধা-কৃষ্ণৰ পৰকীয়া প্ৰেমৰ কাহিনী ভাৰতবৰ্ষত অতি প্ৰাচীন কালৰে পৰা প্ৰচলিত হৈ আহিছে। বিদ্যাপতি-চণ্ডীদাসৰ কাব্যত প্ৰেমৰ এই ধাৰাটো যিদৰে প্ৰৱাহিত হৈছে তেনেকুৱা ধাৰা কিন্তু চৈতন্যদেৱৰ ৰচনাৱলীৰ মাজত প্ৰৱাহিত হোৱা দেখা নাযায়। পৰকীয়া প্ৰেমে চৈতন্য পন্থীসকলৰ হাতত এক আধ্যাত্মিক তত্ত্বৰূপে প্ৰকাশ পোৱাৰ ফলত ৰাধা-কৃষ্ণ সম্পৰ্কীয় এই প্ৰেমৰ কবিতাসমূহ আধ্যাত্মিক ব্যঞ্জনাৰে ব্যঞ্জিত হৈ উঠিল।

শ্ৰীকৃষ্ণৰ প্ৰেমত বলিয়া নায়িকা ৰাধাৰ প্ৰেমৰ চিত্ৰ অষ্টাৱস্থাৰ যোগেদি বিকশিত কৰি দেখুওৱা হৈছে এই কাব্যবোৰত। বৈষ্ণৱ সাহিত্যৰ যশস্বী পণ্ডিত শ্ৰী ৰূপ গোস্বামীয়ে তেওঁৰ 'উজ্জ্বল নীলমণি' নামৰ গ্ৰন্থখনত নায়িকাৰ আঠবিধ অৱস্থাৰ কথা বৰ্ণনা কৰিছে। সেইয়া হ'ল —"অভিসাৰিকা, বাসকসজ্জা, উৎকণ্ঠিতা, খণ্ডিতা, বিপ্ৰলব্ধা, কলহান্তৰিতা, প্ৰোষিতভৰ্তৃকা আৰু স্বাধীনভৰ্তৃকা।"[২] অসমীয়া কবিসকলৰ বাহিৰে অন্যান্য বৈষ্ণৱ কবিয়ে এই আঠ প্ৰকাৰৰ নায়িকাক কেন্দ্ৰ কৰি বিভিন্ন গীত-পদ ৰচনা কৰিছে। ৰাধা চৰিত্ৰৰ অসমীয়া বৈষ্ণৱ কাব্যত কোনো ধৰণৰ প্ৰাধান্য নাই কাৰণে এই নায়িকা ভেদৰ ওপৰত ৰচিত কাব্য অসমীয়া বৈষ্ণৱ সাহিত্যত দেখা নাযায়।

নায়িকাৰ এই অষ্টাৱস্থাৰ বিষয়ে তলত দাঙি ধৰা





হ'ল—

**(ক) অভিসাৰিকা নায়িকা ঃ** নায়িকাৰ বিভিন্ন ৰূপসমূহৰ ভিতৰত অভিসাৰিকা নায়িকাৰ নাম বিশেষভাৱে অন্যতম। সাধাৰণতে মদনৰ বশৱৰ্তী হৈ যিগৰাকী ৰমণীয়ে প্ৰিয়ৰ ওচৰলৈ যায় নাইবা প্ৰিয়ক নিজৰ কাষলৈ অনায় তেওঁকে অভিসাৰিকা নায়িকা বুলি কোৱা হয়। বৈষ্ণৱ ৰসশাস্ত্ৰী শ্ৰীৰূপ গোস্বামীয়ে কেৱল শুক্লা আৰু কৃষ্ণাভিসাৰিকাৰ কথা উল্লেখ কৰিছে যদিও পৰবৰ্তী আচাৰ্যসকলে আঠ প্ৰকাৰৰ অভিসাৰিকা নায়িকাৰ শ্ৰেণী বিভাজন কৰা দেখা যায়। সেয়া হ'ল—

১। জ্যোৎস্নাভিসাৰিকা
২। তিমিৰাভিসাৰিকা
৩। দিবা অভিসাৰিকা
৪। বৰ্ষাভিসাৰিকা
৫। কুজ্‌ঝটিকা
৬। তীৰ্থযাত্ৰাভিসাৰিকা
৭। উন্মত্তা আৰু
৮। সঞ্চৰাভিসাৰিকা।"[৩]

অভিসাৰিকা নায়িকাই সামাজিক বাধা, মান-সন্মান নেওচি ধুমুহা, অন্ধকাৰৰ মাজতো ছদ্মৰূপ ধাৰণ কৰি হ'লেও প্ৰিয়ৰ সৈতে মিলনৰ বাবে উপস্থিত হয়। স্বকীয়া নায়িকাৰ তুলনাত পৰকীয়া নায়িকাৰ ক্ষেত্ৰত অভিসাৰৰ প্ৰকৃত আনন্দ উপলব্ধি কৰিব পাৰি। কাৰণ এনে নায়িকাই সমস্ত বাধা-বিঘিনি অতিক্ৰম কৰি প্ৰিয়সঙ্গ লাভ কৰে আৰু নিজৰ মনোবাঞ্চা পূৰ্ণ কৰে।

অভিসাৰৰ পথ সদায় কণ্টকময়। 'মৈথিল কোকিল' বিদ্যাপতিয়ে ৰাধাৰ অভিসাৰৰ বৰ্ণনা দাঙি ধৰিছে তেওঁৰ পূৰ্ব কবি জয়দেৱৰ আদৰ্শত। ৰাধাৰ অভিসাৰৰ মানসিক স্তৰ তেওঁ মনোৰমভাৱে অংকন কৰি নিজৰ অপূৰ্ব দক্ষতাৰ পৰিচয় দিছে। দুৰ্বাৰ কাম আৰু প্ৰেমৰ আকুল তাড়ণাত প্ৰেয়সী ৰাধাই কৃষ্ণাভিসাৰলৈ যাত্ৰা কৰিছে। এই অৱস্থাত তেওঁ অভিসাৰিকা নায়িকাৰ দুৰ্জেয় শক্তি তথা সাহস লাভ কৰিছে। বিদ্যাপতিৰ কবিতাত ৰাধাৰ সখীয়েকে মাধৱক কৈছে— মেঘে বৰষুণ দিছে, ধৰাখন পানীৰে উপচি পৰিছে, ৰজনীৰ অন্ধকাৰ তথাপিও ৰাধাই তোমাৰ গুণ স্মৰণ কৰি অভিসাৰলৈ আহিছে। যি ৰাধাই ঘৰৰ দেৱালত থকা সাপ দেখি ভীত হয়, সেই ৰাধাই নানা বাধা-বিঘিনি নেওচি তোমাৰ সৈতে মিলনৰ আকাংক্ষাত ইয়াত আহি উপস্থিত হৈছে।

চণ্ডীদাসৰ কাব্যত আকৌ অভিসাৰিকা ৰাধাৰ চিত্ৰতকৈ কঠিন বন্ধনৰ মাজত আবদ্ধ হৈ থাকি বন্দী পখীৰ দৰে গুজৰি গুমৰি মৰা প্ৰেয়সী ৰাধাৰ অন্তৰৰ বেদনাহে অধিক সুন্দৰভাৱে পৰিস্ফূট হৈ উঠিছে—

"লোহাৰ পিঞ্জৰে থাকি বাহিৰ হতে চাহে পাখি।
তাৰ হৈল আকুল পৰাণ।।"[৪]

তৎসত্ত্বেও চণ্ডীদাসৰ ৰাধাই শ্ৰীকৃষ্ণ প্ৰাপ্তিৰ তাড়ণাত সকলোকে তুচ্ছ কৰি পিঞ্জৰা ভাঙি ওলাই আহিছে—

"শাশুড়ী ননদে বঞ্চনা কৰিয়া
আইলু গহন বনে।
বড় সাধ মনে এৰূপ যৌৱনে
মিলিব বধূৰ সনে।"[৫]

বৈষ্ণৱ সকলৰ বাবে এই অভিসাৰৰ আধ্যাত্মিক ব্যঞ্জনা হ'ল ভক্তৰ ভগৱানৰ অনুসন্ধান। ভগৱানক পোৱাৰ পথ সহজ নহয়। কিন্তু, ভক্তৰ অন্তৰত যেতিয়া ভগৱানৰ প্ৰতি তীব্ৰ প্ৰেম জাগে তেতিয়া এই সাংসাৰিক বাধা নিষেধ সকলো তুচ্ছ হৈ যায়, চিঙি যায় সকলো বন্ধন আৰু তেতিয়া ভক্তই উন্মাদৰ দৰে দৌৰে প্ৰিয়তম ভগৱানৰ ওচৰলৈ। জ্ঞানদাসৰ ৰাধায়ে কৃষ্ণৰ সৈতে অভিসাৰ কৰিবলৈ আকুল হৈ পৰিছে—

"দেখ দেখ নব অনুৰাগৰ ৰীত
ঘন আন্ধিয়াৰ ভুজগভয় কত শত
তৃণহু না মানয়ে ভীত।"[৬]

গোৱিন্দদাসৰ ৰাধায়ো অন্তৰ ভৰা প্ৰেমৰ তাড়ণাত সকলো ভয়-আশংকা দূৰ কৰি অভিসাৰৰ বাবে যাবলৈ দৃঢ়প্ৰতিজ্ঞ। কবিয়ে বৰ্ষাভিসাৰৰ এক সুন্দৰ চিত্ৰ এনেদৰে অংকন কৰিছে—

"মন্দিৰ বাহিৰ কঠিন কবাট।
চলইতে শঙ্কিল পঙ্কিল বাট।
তঁহি অতি বাদৰ দৰদৰ ৰোল।
বাৰি কি বাৰই নীল নিচোল।।
সুন্দৰি কৈছে কৰবি অভিসাৰ।
হৰি ৰহু মানস সুৰধনি পাৰ।।"[৭]

এনেদৰে ৰাধাৰ মাজেদি অভিসাৰিকা নায়িকাৰ এক অপৰূপ চিত্ৰ ফুটি উঠিছে।

**(খ) বাসকসজ্জা নায়িকা ঃ**

প্ৰিয়তমৰ সৈতে মিলন হোৱাৰ আকাংক্ষাৰে যিগৰাকী নায়িকাই বাসভৱনৰ লগতে নিজকে অনৱদ্য ৰূপত সজাই তোলে তাকে বাসকসজ্জা নায়িকা বোলে। "এনে নায়িকাৰ কিছুমান লক্ষণ হৈছে কেলিবিলাসৰ সংকল্প, প্ৰিয়তমলৈ অধীৰভাৱে বাট চোৱা, সখীয়েক সকলৰ লগত বিনোদ বাৰ্তা, ক্ষণে ক্ষণে দূতীলৈ দৃষ্টিপাত ইত্যাদি।"[৮]

মনকৰিবলগীয়া কথা যে যদিওবা এই নায়িকাই নানা ৰূপে সু-সজ্জিত হৈ প্ৰিয়তমৰ বাবে বৰ উৎকণ্ঠাৰে অপেক্ষা কৰে, তথাপিও কিন্তু প্ৰিয়জন নাহে। যাৰ কাৰণে হতাশ হৈ নায়িকাই নিজৰ সাজসজ্জা ক্ষোভেৰে খুলি পেলায়। প্ৰিয়ৰ সৈতে মিলনৰ বাবে এইদৰে অধীৰ হৈ বিফল হোৱা নায়িকাই হৈছে বাসকসজ্জা।

কবি জয়দেৱে শ্ৰীকৃষ্ণ আহিব বুলি বাসকসজ্জা নায়িকা ৰাধাৰ উৎকণ্ঠা এইদৰে প্ৰকাশ কৰিছে—

"পশ্যতি দিশি দিশি ৰহসি ভৱন্তম
তদধৰ মধুৰ মধুনি পিবন্তম
নাথ হৰে সীদতি ৰাধা বাসগৃহে।"[৯]

বিদ্যাপতিৰ ৰাধাই আকৌ প্ৰিয়জনৰ বাবে অতি আগ্ৰহেৰে বাট চাইছে। কিন্তু, প্ৰিয়তম নহাৰ বাবে কুসুমেৰে ৰচা শয্যা, জ্বলি থকা উজ্জ্বল প্ৰদীপ, অগৰু, চন্দনৰ পৰিমল সকলো অথলে গ'ল—

"কুসুমে ৰচিত সেজা দীপ ৰহল তেজা
পৰিমল অগৰ চন্দনে।
জব জব তুআ মেৰা নিফলে বহলি বেৰা
তবে তবে পীড়লি মদনে।"[১০]

জ্ঞানদাসৰ ৰাধাই গৃহখন অনবদ্য ৰূপত সজাই প্ৰিয়তমলৈ বাট চাইছে। কিন্তু, প্ৰিয়জন নহাত তেওঁৰ আশা বৃথা হ'ল। আকৌ কেতিয়াবা দোভাগ নিশা মেঘৰ গৰ্জন শুনি, বিপদ-সংকুল বাটৰ কথা ভাবি ৰাধাই চিন্তিত হৈ পৰে— কেনেদৰেনো প্ৰিয়তম কৃষ্ণ আহিব তেওঁৰ কাষত। যাৰ বাবে তেওঁ সখীসকলৰ পৰা পৰামৰ্শ বিচাৰে।

সেইদৰে গোবিন্দ দাসৰ ৰাধায়ো জোনাক ৰাতি প্ৰিয়তমৰ কাৰণে নানা বস্তুৰে ঘৰখন সজাই তোলে যদিও প্ৰিয়তম নহাত কুলৱতীৰ মান-সন্মান সকলো বিসৰ্জন দি ৰাধাই সংকেত স্থলীত আহি উপস্থিত হয়হি। নিশাৰ তৃতীয় পোহৰ অতিবাহিত হৈ যোৱা সত্ত্বেও যেতিয়া প্ৰিয়জন নাহে, তেতিয়া ৰাধাৰ হৃদয়ত বিৰহৰ জোৱাৰ উঠে।

কানুৰ লাগিয়া জাগিয়া পোহাইনু, এ চাৰি প্ৰহৰ ৰাতি

এতদিনে সই নিশ্চয় জানিলুঁ, নিঠুৰ পুৰুষ জাতি।"[১১]

**(গ) উৎকণ্ঠিতা নায়িকা ঃ**

প্ৰেয়সীৰ সৈতে মিলনৰ বাবে আহিবলৈ সংকল্প প্ৰকাশ কৰিও যাৰ প্ৰিয়তমে দৈৱবশতঃ আহিব নোৱাৰে, ফলত নায়িকাৰ হৃদয়ত যি বিৰহৰ দাবানল জ্বলি উঠে, তেনে ৰমণীকেই উৎকণ্ঠিতা নায়িকা বোলে। এনে নায়িকাই প্ৰিয়তম নহাৰ কাৰণে নানা ধৰণৰ চিন্তা কৰি বিৰহত কাতৰ হৈ পৰে। নায়িকাৰ এনে বিৰহ দশাক বিপ্ৰলম্ভ শৃঙ্গাৰৰ অন্তৰ্গত স্থান দিব পাৰি।

উৎকণ্ঠিতা ৰাধাৰ বিলাপ চণ্ডীদাসৰ ভাষাত অতি প্ৰাণস্পৰ্শী হৈ পৰিছে। সংকলপ অনুসাৰে প্ৰিয়তম কৃষ্ণ নহাত প্ৰিয়তমা ৰাধাৰ চিত্ত ব্যাকুল হৈ উঠিছে। বিৰহৰ যাতনা সহ্য কৰিব নোৱাৰি ৰাধাই কৈ উঠিছে—

"কানুৰ লাগিয়া জাগি পোহাইলু
এঘোৰ আন্ধাৰ ৰাতি।
এতদিনে সই নিচয়ে জানিলু
নিঠুৰ পুৰুষ জাতি।"[১২]

বাসকসজ্জিকা হৈ যেতিয়া প্ৰিয়তমৰ আগমনৰ কোনো চিন দেখা নাযায় তেতিয়াই নায়িকা উৎকণ্ঠিতা হৈ উঠে। বিদ্যাপতিৰ বাসকসজ্জিকা নায়িকাৰ প্ৰিয় মিলনৰ অপেক্ষা নিষ্ফল হোৱাত তেওঁৰ মন অভিমানেৰে ভৰি পৰিছে। লগে লগে তেওঁৰ মনত জাগিছে নানা সন্দেহ ঃ—

"হৰি বিসৰল বাহৰ গেহ
বসুহ মিলন সুন্দৰ দেহ
..............................
কি সখি কহব কহৈতে ধাখ
খখন্দে জ ওৰা কত এ ৰাখ।"[১৩]

এনেদৰে বৈষ্ণৱ ভক্ত কবিসকলৰ কলাসুলভ পৰশত পদাৱলীত বাসকসজ্জিকা নায়িকাই প্ৰাণ পাই উঠিছে।





**(ঘ) বিপ্ৰলব্ধা নায়িকা ঃ**

বিপ্ৰলব্ধাৰ অৰ্থ হৈছে প্ৰতাৰিতা, বঞ্চিতা। ইংগিত দিও যদি প্ৰিয়তম প্ৰেয়সীৰ কাষলৈ নাহে, নিতান্ত অৱমানিতা সেইগৰাকী নায়িকাক বিপ্ৰলব্ধা বোলা হয়।

'অভিনৱ জয়দেৱ' বিদ্যাপতিৰ কাব্যত ৰাধাৰ বিপ্ৰলব্ধা ৰূপৰ ছবি অতি প্ৰোজ্জ্বল। নায়কক নোপোৱা নায়িকা ৰাধিকাৰ বেদনাৰ চিত্ৰ অতি কৰুণ ৰূপত বিদ্যাপতিয়ে ফুটাই তুলিছে—

"নিফল ভেলি জুবতী
হৰি হৰি হৰি ৰাতি তেজ হৰি
পলটলি নহি দূতী।"[১৪]

জ্ঞানদাসৰ ৰাধাই প্ৰিয় মিলনৰ বাবে বিবিধ আয়োজন কৰি প্ৰবঞ্চিতা হোৱাত এইদৰে নিজৰ খেদ প্ৰকাশ কৰিছে—

"বিফলে সাজায়লুঁ কুঞ্জ। কী ফল উপচাৰ পুঞ্জ।।
কী ফল অন্ধ সমীপ। উজৰলুঁ ৰতন প্ৰদীপ।"[১৫]

সেইদৰে চণ্ডীদাসৰ ৰাধায়ো প্ৰিয়তমৰ বাবে সাজি-কাচি ৰৈ তেওঁক নাপাই দুখত কৈ উঠিছে —

"বধুৰ লাগিয়া সেজ বিছাইলু
গাথিলু ফুলেৰ মালা।
তাম্বুল সাজালু দীপ উজাৰলু
মন্দিৰ হইল আলা।।
সই পাছে এসব হইবে আন।।
সেই হেন নাগৰ গুণেৰ সাগৰ
কাহে না মিলিল কান।।"[১৬]

**(ঙ) খণ্ডিতা নায়িকা ঃ**

প্ৰিয়তমে অন্য ৰমণীৰ সম্ভোগ চিহ্ন ধাৰণ কৰি অহাৰ ফলত যি নাৰীৰ অন্তৰ ঈৰ্ষাত বিকৃত হয়, তেনে নাৰী বা নায়িকাক খণ্ডিতা নায়িকা বুলি কোৱা হয়।

প্ৰেমৰ তীব্ৰতাৰ কাৰণে মানৰ প্ৰয়োজন আছে। সেয়ে মান-অভিমানৰ সংযোগেৰে খণ্ডিতা নায়িকাৰ চিত্ৰ বৈষ্ণৱ কবিসকলে সুন্দৰভাৱে ফুটাই তুলিছে। বিদ্যাপতিৰ ৰাধাই শ্ৰীকৃষ্ণৰ সম্ভোগ চিহ্ন এইদৰে ধৰা পেলাইছে—

"নয়ন কাজৰ অধৰে চোৰাওল, নয়ন চোৰাওল ৰাগে।
বদন বসন নুকাওব কাতিয়ন, তিলা এক কৈতব লাগে।।"[১৭]

জ্ঞানদাসৰ ৰাধাইয়ো কৃষ্ণৰ ছলাহি কথাত ভোল নগৈ প্ৰতি নায়িকাৰ লগত কৰা সম্ভোগচিহ্ন এইদৰে উদঙাই দি ককৰ্থনা কৰিছে—

"যে চাদেৰ সুধাদানে জগত জুড়াও'
সে চান্দ বদনে কেনে আমাৰে পোড়াও।।"[১৮]

তেনেদৰে গোবিন্দ দাসৰ ৰাধায়ো মাধৱৰ দেহত সম্ভোগ চিহ্নবোৰ দেখি এনেদৰে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে—

"নখ পদ হৃদয়ে তোহাৰি।
অন্তৰ জ্বলত হামাৰি।।"[১৯]

এই খণ্ডিতা নায়িকাৰ অভিমানৰ এক আধ্যাত্মিক ব্যঞ্জনাও আছে। অন্তৰৰ অপত্য স্নেহ ঢালি দিয়াৰ পাছতো ভক্তক এৰি যেতিয়া ভগৱানে অন্য ভক্তক কৃপা কৰিবলৈ যায় তেতিয়া অন্য এজন ভক্তৰ ঈৰ্ষা হোৱাটো স্বাভাৱিক আৰু তাকেই যেন খণ্ডিতাৰ অভিমানৰ যোগেদি প্ৰকাশ কৰা হৈছে।

**(চ) কলহান্তৰিতা নায়িকা ঃ**

যি নায়িকাই মানৰ বশীভূত হৈ প্ৰিয়তমক দূৰলৈ খেদি পঠাই পিছত অনুতাপ কৰে, তেওঁকে কলহান্তৰিতা নায়িকা বোলে। প্ৰলাপ, সন্তাপ, গ্লানি আদি এই নায়িকাৰ অন্যতম লক্ষণ।

বিদ্যাপতিৰ কলহান্তৰিতা নায়িকা ৰাধাই প্ৰিয়তম কৃষ্ণৰ প্ৰতি কৰা অভিমানৰ বাবে অনুতাপ কৰিছে আৰু নিজকে দোষাৰোপ কৰিছে—

"তুহুঁ মান ধএলি অবিচাৰে।
অবে কী কৰব প্ৰতিকাৰে
.................................
বঞ্চিত ভৈ পহু চললা
কলজুগ পাপ সতত তোহেঁ ফললা।"[২০]

জ্ঞানদাসৰ ৰাধাই অভিমান কৰি আঁতৰাই পঠিওৱা কানুৰ বিয়োগত নয়নৰ পানী ৰোধ কৰিব পৰা নাই, আনকি মুখেৰেও এষাৰ কথাও ক'ব পৰা নাই—

"আঁচৰে মুখ শশী চগাই ঘন ৰোয়সি, কহইতে কহন না ফুৰা
সো গিৰিধৰ বৰ অনত চলল জব, তজু মিলন বহু দূৰ।"[২১]

এনেদৰে বৈষ্ণৱ কবিসকলৰ হাতত কলহান্তৰিতা নায়িকাই প্ৰাণ পাই উঠিছে।

**(ছ) স্বাধীনভৰ্তৃকা নায়িকা ঃ**

যি নায়িকাৰ প্ৰিয়তম ৰতিগুণত আকৃষ্ট হৈ প্ৰেয়সীৰ কাষৰ পৰা খন্তেকো আঁতৰি নাযায়, তাকে স্বাধীনভৰ্তৃকা নায়িকা বোলে। এই নায়িকাৰ চেষ্টা হৈছে জলকেলি, বনবিহাৰ কুসুম চয়ন আদি।

নায়কক নিজৰ বশীভূত কৰি ৰখাটো স্বাধীনভৰ্তৃকা নায়িকাৰ এক অন্যতম বিশেষত্ব। নায়ক-নায়িকাৰ এই প্ৰেমদশা সম্ভোগ শৃংগাৰ ৰসৰ অন্তৰ্গত।

গোবিন্দ দাসে স্বাধীনভৰ্তৃকা ৰাধিকাক ৰমণীসকলৰ ভিতৰত শ্ৰেষ্ঠা বুলি অভিহিত কৰাৰ কাৰণ হৈছে যে তেওঁ কানুক প্ৰেমৰ বশীভূত কৰিব পাৰিছে। সেই কানুৱে প্ৰেয়সী ৰাধাৰ নিজ হাতেৰে সজাই দিছে—

“ধনি ধনি ৰমণি শিৰোমণি বাই
লোচন ওত কৰত নাহি মাধৱ
নিশি দিশি ৰস অবগাই।

..........................................

সজল বিলোকেনে পুন পুন হেৰই
আকুল গদগদ বোল।”[২২]

**(জ) প্ৰোষিতভৰ্তৃকা নায়িকা ঃ**

নানা প্ৰকাৰৰ কাৰ্যৰ বাবে যাৰ স্বামী দূৰ দেশলৈ যায় আৰু তেওঁৰ অনুপস্থিতিত নায়িকাৰ অন্তৰত যি বিৰহৰ জোৱাৰ উঠে তাকে প্ৰোষিতভৰ্তৃকা নায়িকা বুলি কোৱা হয়। চিন্তা, জড়তা, প্ৰলাপ, ব্যাধি, উন্মাদ, মোহ, মৃত্যু আদি এনে নায়িকাৰ অন্যতম লক্ষণ।

মিলন আৰু বিৰহৰ ৰূপেই হৈছে প্ৰেম। মিলনতকৈ বিৰহৰ মাজত প্ৰেমৰ চৰম প্ৰকাশ দেখিবলৈ পোৱা যায়। বৈষ্ণৱ পদাৱলীত শ্ৰীকৃষ্ণই বৃন্দাবন ত্যাগ কৰি মথুৰালৈ যাত্ৰা কৰাৰ ফলত সমগ্ৰ বৃন্দাবনকে আদি কৰি ৰাধাৰ অন্তৰত বেদনাৰ জোৱাৰ উঠিছে। কবি বিদ্যাপতিয়ে ইয়াৰ কে মৰ্মস্পৰ্শী বৰ্ণনা দাঙি ধৰিছে—

“সুন ভেল মন্দিৰ সুন ভেল নগৰী।
সুন ভেল দস দিস সুন ভেল সগৰী।।”[২৩]

গোবিন্দ দাসৰ ৰাধায়ো কৃষ্ণৰ বিৰহত মুমুৰ্ষজনৰ দৰে হৈ পৰিছে, কৃষ্ণৰ বিৰহত তেওঁ দেহ কিয় ভস্মীভূত হৈ যোৱা নাই তাকে নিজকে প্ৰশ্ন কৰিছে—

“হৃদয় বিদাৰত মনমথ বাণ।
কো জানে কাহে নহত দুই ঠাম।।

..............................................

কাহে সমুঝায়ব মৰমক খেদ।
মৰত না জীয়ত কানুক বিচ্ছেদ।।”[২৪]

এনেদৰে বৈষ্ণৱ কাব্যৰ মাজত ৰাধাৰ নায়িকা ৰূপৰ বিভিন্ন চিত্ৰ প্ৰোজ্জ্বল হৈ উঠাৰ লগতে নায়িকাৰ ৰূপ, সৌন্দৰ্য্য আৰু গুণৰাশিৰ সুন্দৰ প্ৰকাশ ঘটিছে। বৈষ্ণৱ কবিসকলৰ হাতত ৰাধা অলৌকিক প্ৰেমময়ীৰূপে বিকশি উঠাৰ পৰিবৰ্তে লৌকিক বা মানৱীয় প্ৰেম-সৌন্দৰ্যৰ তিলোত্তমা ৰূপেহে উজ্জ্বল হৈ উঠিছে। মানৱীয় অনুভূতিপূৰ্ণ বৈষ্ণৱ কবিসকলৰ কাব্যৰ ৰাধা এক অভিনৱ অৱদান। ●

পাদটীকা ঃ

১। ভট্টাচাৰ্য, পৰাগ কুমাৰ ঃ প্ৰেমধৰ্ম আৰু বৈষ্ণৱ কাব্য, বানী লাইব্ৰেৰী, ১৯৮৪, পৃষ্ঠা- খ
২। ভট্টাচাৰ্য, পৰহাগ কুমাৰ ঃ উক্ত গ্ৰন্থ, পৃষ্ঠা - ২৭
৩। দাস, নাৰায়ণ ঃ ব্ৰজবুলি ভাষা আৰু সাহিত্য, বীণা লাইব্ৰেৰী, ২০১২, পৃষ্ঠা - ১৫৩
৪। ভট্টাচাৰ্য, পৰাগ কুমাৰ ঃ পূৰ্বোক্ত গ্ৰন্থ, পৃষ্ঠা - ২৯
৫। নেওগ, মহেশ্বৰ (সম্পাঃ) ঃ ব্ৰজবুলি গীতি-গুচ্ছ, গুৱাহাটী ইউনিভাৰচিটী প্ৰেছ, গুৱাহাটী বিশ্ববিদ্যালয়, ২০১৫, পৃষ্ঠা- ৪৩
৬। ভট্টাচাৰ্য, পৰাগ কুমাৰ ঃ পূৰ্বোক্ত গ্ৰন্থ, পৃষ্ঠা - ২৯
৭। নেওগ, মহেশ্বৰ (সম্পাঃ) - পূৰ্বোক্ত গ্ৰন্থ, পৃষ্ঠা- ৬০





৮। ৰায়চৌধুৰী, ভূপেন ঃ ব্ৰজবুলি সাহিত্য মুকুৰ, নিউ বুক ষ্টল, ২০১৫, পৃষ্ঠা- ৪২
৯। ৰায়চৌধুৰী, ভূপেন ঃ উক্ত গ্ৰন্থ, পৃষ্ঠা- ৪৩
১০। ৰায়চৌধুৰী, ভূপেন ঃ উক্ত গ্ৰন্থ, পৃষ্ঠা - ৪৩।
১১। ভট্টাচাৰ্য, পৰাগ কুমাৰ ঃ পৰ্বোক্ত গ্ৰন্থ, পৃষ্ঠা- ৩০
১২। ভট্টাচাৰ্য, পৰাগ কুমাৰ ঃ উক্ত গ্ৰন্থ, পৃষ্ঠা - ৩১
১৩। ৰায়চৌধুৰী, ভূপেন ঃ পূৰ্বোক্ত গ্ৰন্থ, পৃষ্ঠা - ৪৫
১৪। ভট্টাচাৰ্য, পৰাগ কুমাৰ ঃ পূৰ্বোক্ত গ্ৰন্থ, পৃষ্ঠা- ৩৩
১৫। দাস, নাৰায়ণ, পূৰ্বোক্ত গ্ৰন্থ, পৃষ্ঠা ঃ ১৫৭
১৬। নেওগ, মহেশ্বৰ (সম্পাঃ) ঃ পূৰ্বোক্ত গ্ৰন্থ, পৃষ্ঠা - ৪৩
১৭। ৰায়চৌধুৰী, ভূপেন ঃ পূৰ্বোক্ত গন্থ, পৃষ্ঠা - ৪৮
১৮। ভট্টাচাৰ্য, পৰাগ কুমাৰ ঃ পূৰ্বোক্ত গ্ৰন্থ, পৃষ্ঠা - ৩২
১৯। ৰায়চৌধুৰী, ভূপেন ঃ পূৰ্বোক্ত গ্ৰন্থ, পৃষ্ঠা - ৪৯
২০। ৰায়চৌধুৰী, ভূপেন ঃ উক্ত গ্ৰন্থ, পৃষ্ঠা - ৫০
২১। দাস, নাৰায়ণ ঃ পূৰ্বোক্ত গ্ৰন্থ, পৃষ্ঠা - ১৬৪
২২। ৰায়চৌধুৰী, ভূপেন ঃ পূৰ্বোক্ত গ্ৰন্থ, পৃষ্ঠা - ৫৩
২৩। নেওগ, মহেশ্বৰ (সম্পাঃ) ঃ পূৰ্বোক্ত গ্ৰন্থ, পৃষ্ঠা - ৫
২৪। ৰায়চৌধুৰী, ভূপেন ঃ পূৰ্বোক্ত গ্ৰন্থ, পৃষ্ঠা- ৫৫

**গ্ৰন্থপঞ্জী**

১। কাকতি, বাণীকান্ত ঃ পুৰণি অসমীয়া সাহিত্য
২। দাস, নাৰায়ণ ঃ ব্ৰজবুলি ভাষা আৰু সাহিত্য
৩। নেওগ, মহেশ্বৰ ঃ শ্ৰী শ্ৰী শংকৰদেৱ
৪। নেওগ, মহেশ্বৰ (সম্পাঃ) ঃ ব্ৰজবুলি নীতি গুচ্ছ
৫। ভট্টাচাৰ্য, পৰাগ কুমাৰ ঃ প্ৰেম ধৰ্ম আৰু বৈষ্ণৱ কাব্য
৬। ৰায়চৌধুৰী, ভূপেন ঃ ব্ৰজবুলি সাহিত্য মুকুৰ
৭। শৰ্মা, সতেন্দ্ৰ নাথ ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত
৮। শৰ্মা দলৈ, হৰিনাথ ঃ শংকৰদেৱৰ সাহিত্য প্ৰতিভা (প্ৰথম খণ্ড)
৯। সেন, সুকুমাৰ ঃ বাংলা সাহিত্যৰ ইতিবৃত্ত

আলোচনী ঃ

১। ৰৰা, লক্ষ্মীনন্দন (সম্পাঃ) ঃ ‘গৰীয়সী’, সাহিত্য প্ৰকাশ, চতুৰ্বিংশ বছৰ, দ্বাদশ সংখ্যা, ছেপ্তেম্বৰ, ২০১৭।

প্ৰবন্ধ




# বৰগীত ঃ এটি আলোচনা

**তন্ময়ী দাস**
**স্নাতক, পঞ্চম ষাণ্মাসিক**

"গীতং নৃত্যং বাদ্যং ত্ৰয়ঃ সংগীতমুচ্যতে"

■গীত, নৃত্য, বাদ্য আদিৰ সমাহাৰেই হ'ল সংগীত। সংগীতৰ ভিতৰত বৰগীত হ'ল ওখ আধ্যাত্মিক ভাৱসম্পন্ন, বিভিন্ন ৰাগ-ৰাগিণীযুক্ত আৰু চৈধ্য প্ৰসংগৰ উপযোগী এক বিশেষ শৈলীৰে গোৱা শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱৰ দ্বাৰা বিৰচিত এবিধ সুষম গীত।

'বৰগীত মহাপুৰুষৰ অভিনৱ অৱদান; বৰগীত নামকৰণ অৱশ্যে মহাপুৰুষে কৰা নাই, শংকৰদেৱ-মাধৱদেৱৰ তিৰোভাৱৰ পিছত ভক্ত সমাজে দিয়া নামহে। বিষয়বস্তুৰ মহত্ত্ব, ৰচনাভংগীৰ সৌষ্ঠৱ আৰু শাস্ত্ৰীয় সুৰৰ গাম্ভীৰ্য আৰু কল্পনা সংযমেৰে মহাপুৰুষদ্বয়ৰ দ্বাৰা ৰচিত গীতসমূহক সমসাময়িক আন শাস্ত্ৰীয় গীতৰ পৰা পৃথক কৰিছে আৰু এই কাৰণে শংকৰদেৱ-মাধৱদেৱৰ ভক্তসকলে গুৰু দুজনাৰ গীতক সাধাৰণ গীতৰ বিপৰীতে বৰগীত বুলি কৈছে। "চৰিতপুথিত উল্লেখ আছে যে বৰগীতৰ প্ৰথম সৃষ্টি হয় খ্ৰীষ্টীয় পঞ্চদশ শতিকাৰ শেষ দশকৰ আৰম্ভণিতে। সেই উল্লেখ মতে মহাপুৰুষে প্ৰথমবাৰ তীৰ্থ ভ্ৰমণ কৰি ফুৰোঁতে বদৰিকাশ্ৰমত উপস্থিত হৈ ১৪৯০ খ্ৰীষ্টাব্দমানত 'মন মেৰিৰাম চৰণেহি লাগু' এই বৰগীতটি ৰচনা কৰে।"[১]

ইয়াৰ পিছত মহাপুৰুষে বাৰকুৰি বৰগীত ৰচনা কৰে যদিও কমলাগায়ন নামৰ ভকত এজনে আওঁৰাবলৈ নি চ'তমহীয়া বনপোৰা জুইত পুৰি সকলো নষ্ট হয় আৰু মাত্ৰ ৩৪ টা গীতহে ৰয়; মনৰ বেজাৰত মহাপুৰুষে আৰু গীত ৰচনা নকৰি প্ৰিয় শিষ্য মাধৱদেৱক গীত ৰচনা কৰিবলৈ কয় আৰু গুৰুৰ আদেশক্ৰমে মাধৱদেৱে ১৫৭ টা বৰগীত ৰচনা কৰে। এই কাৰণে মাধৱদেৱতকৈ শংদৰদেৱৰ ৰচিত বৰগীতৰ সংখ্যা কম।

বৰগীতৰ বৈশিষ্ট্য ঃ (১) বিষয়বস্তু (২) ভাষা (৩) সুৰ (৪) ৰাগ আৰু (৫) তাল

**১। বিষয়বস্তু ঃ** বৰগীতৰ প্ৰথম বৈশিষ্ট্য ফুটি উঠিছে ইয়াৰ বিষয়বস্তুত। এই গীতবোৰ গভীৰ আধ্যাত্মিক ভাৱেৰে পৰিপুষ্ট। ভক্তি গদ গদ চিত্তে ভগৱানৰ চৰণত একান্তভাৱে শৰণ লোৱাৰ বাহিৰে বৰগীতসমূহৰ অন্য কথা নাই। এনে ভক্তিপ্ৰধান ভাব ফুটাই তুলিবৰ কাৰণে কৃষ্ণ চৰিত্ৰৰ লীলাৰূপৰ নানা বৰ্ণনা বৰগীতসমূহত চুটি চুটিকৈ দিয়া হৈছে; কিন্তু মূল কথাটো ভগৱানৰ চৰণত অন্তৰ ভৰা প্ৰণতি।

শংকৰদেৱৰ আটাইখিনি বৰগীততে কৃষ্ণ চৰিত্ৰৰ বিভিন্ন ৰূপৰ আভাস দি কৃষ্ণ ভক্তিৰ মহিমা প্ৰকাশ কৰিছে। বৰগীতসমূহ আধ্যাত্মিক চিন্তা আৰু ঐকান্তিক ভক্তিভাৱৰ অনুভূতিৰ প্ৰকাশ মাথোন আৰু মাধৱদেৱৰ বৰগীতসমূহত শিশু কৃষ্ণৰ চৰিত্ৰ ইমান মনোৰমভাৱে ফুটি উঠিছে যে তাৰ তুলনা অসমীয়া সাহিত্যত বিৰল।

নাৰায়ণক একান্তভাৱে প্ৰাৰ্থনা কৰাৰ লগতে কেতিয়াবা 'বেদান্তৰ মৰ্ম' কথাও বৰগীতত ফুটি উঠিছে। উদাহৰণস্বৰূপে-

'নাৰায়ণ কাহে ভকতি কৰো তেৰা।
মেৰি পামৰু মন, মাধৱ ঘন ঘন, ঘাতুক
পাপ নাছোৰা।।'[২]

এইদৰে ভগৱানৰ চৰণত মূৰ দোঁৱাই কবিয়ে বেদান্তৰ পাৰমাৰ্থিক তত্ত্ব প্ৰকাশ কৰিছে।

মানৱ জীৱন যে মায়াময় এই কথাষাৰ কবিয়ে প্ৰায় আটাইখিনি বৰগীততে কৈছে।

সংসাৰ বন্ধনৰ পৰা মুক্তি পোৱাৰ কাৰণে শংকৰদেৱৰ প্ৰাৰ্থনামূলক বৰগীতৰ ভিতৰত "গোপালে কি গতি কৈলে, গোবিন্দে কি মতি দিলে..... গীতটি বিখ্যাত।"

শংকৰদেৱৰ কেইটামান গীতত কৃষ্ণলীলাৰ চিত্ৰ অংকন কৰিছে।

কৃষ্ণই বৃন্দাবনত গৰু চৰাবলৈ যোৱা দৃশ্যৰ মনোৰম বৰ্ণনা দিছে, "আনন্দে গোবিন্দে বায় বৃন্দাবনে বেণু" গীতটিত।

শংকৰদেৱৰ দুই-এটা গীতত কৃষ্ণ বিৰহৰ ভাবো ফুটি উঠা লক্ষ্য কৰা যায়।

তথাপিও গোপ-গোপীসকলৰ এই বিৰহ বেদনাৰ চিত্ৰ অংকন কৰাৰ পিছতো ভক্ত কবিৰ হৃদয়ৰ বাণী একেষাৰে 'হৰিকো হৃদয়ে জান'।

'বৰগীত'ৰ বিষয়বস্তুক ছয় শ্ৰেণীত ভাগ কৰিব পাৰি। এই ভাগবোৰ হ'ল— (১) লীলা বিষয়ক। লীলা বিষয়ক গীতৰ চাৰিটা শাখা আছে। সেয়া হ'লঃ

জাগন (কানাইক টোপনিৰ পৰা জগোৱাৰ বৰ্ণনাসুন্দৰ ভাব প্ৰকাশিত)।

চলন (গোপ বালক সকলৰ সৈতে সাঁজি কাচি, শিঙা, বেত, বেণু লৈ বৃন্দাবনলৈ যাত্ৰা কৰাৰ বৰ্ণনা থকা গীতসমূহ)।

খেলন (বৃন্দাবনত সমনীয়া গোপবালক সকলৰ সৈতে কৰা নানা ৰং ধেমালিৰ বৰ্ণনা জড়িত গীতসমূহ)।

নৃত্য (খেলাৰ মাজেদি নাচোনৰ লয়লাস ভংগিমাৰ কথা বৰ্ণনা কৰা গীতসমূহ)।

২। বিৰহ বিষয়ক (কৃষ্ণ আৰু গোপীসকলৰ বিষাদেৰে ভৰা মনৰ বৰ্ণনা পৰিস্ফুট গীতসমূহ)

৩। বিৰক্তি বিষয়ক (জীৱনৰ অনিত্যতা প্ৰকাশিত গীতসমূহ)

৪। পৰমাৰ্থ বিষয়ক (বেদৰ জ্ঞানেৰে আবৃত ভগৱান বিষ্ণুৰ লীলা মাহাত্ম্য আৰু ব্ৰহ্মৰ ব্যাখ্যা থকা গীতসমূহ।

৫। চৌৰ্য বিষয়ক।

৬। চাতুৰি বিষয়ক (চৌৰ-চাতুৰি বিষয়ক সুন্দৰ প্ৰকাশেৰে বৰ্ণিত শিশু কৃষ্ণৰ শিশুসুলভ দুষ্টামি মনোভাৱেৰে এই দুই শ্ৰেণীৰ গীত সমৃদ্ধ।

শংকৰদেৱৰ বৰগীতৰ বিষয়বস্তুৰ কথা ড° বাণীকান্ত কাকতিদেৱে এইদৰেই কৈ গৈছে "শংকৰদেৱৰ ৰচিত যিবোৰ গীত এতিয়াও আছে সেই আটাইবোৰ প্ৰাৰ্থনাসূচক। মানৱ জীৱন দুষ্প্ৰাপ্য মোহাচ্ছন্ন জীৱন সমুদ্ৰত ধ্ৰুৱতৰা, এয়ে নানা ভাব আৰু ভাষাত শংকৰদেৱৰ গীতবোৰৰ সাধাৰণ তাৎপৰ্য।"[৩]

**২। ভাষা ঃ** বৰগীতৰ অন্য এক বৈশিষ্ট্য হ'ল ভাষা। "বৰগীতৰ ভাষাৰ বৈশিষ্ট্য লক্ষণীয়। অংকীয়া নাটবোৰৰ দৰে বৰগীতৰ ভাষাও ব্ৰজাৱলী। ব্ৰজাৱলী হৈছে এটি কৃত্ৰিম সাহিত্যিক ভাষা; পুৰণি অসমীয়া আৰু ব্ৰজাৱলী বা ব্ৰজভাষাৰ সংমিশ্ৰণত ব্ৰজাৱলী গঢ়ি উঠিছে। অৱশ্যে ইয়াত পশ্চিমা হিন্দীৰো দুই এটি শব্দ আছে। মৈথেলী ভাষাই ব্ৰজবুলিৰ ভেটি। ব্ৰজবুলি হ'ল ব্ৰজধাম, অৰ্থাৎ কৃষ্ণৰ জন্ম ঠাইৰ ভাষা পবিত্ৰ ভাষা। তদুপৰি এই ভাষাতে বিদ্যাপতিয়ে ৰাধা কৃষ্ণৰ মধুৰ পদাৱলী ৰচনা কৰে। এই শুৱলা ভাষাটো সেই সময়ত গোটেই উত্তৰ আৰু পূব ভাৰতত সমাদৃত হৈছিল। সেইহে শংকৰদেৱ আৰু মাধৱদেৱে এই ভাষাটো ব্যৱহাৰ কৰিছিল। কিন্তু পাছৰ যুগৰ বৈষ্ণৱ কবিসকলে বৰগীতৰ অনুকৰণত গীত ৰচিলেও তাত ব্ৰজাৱলীৰ ব্যৱহাৰ কমি গৈছে।"[৪]

**৩। সুৰ ঃ** "বিষয়বস্তু, উদ্দেশ্য আৰু সময় অনুসৰি গুৰু দুজনাই বৰগীতবোৰত সুৰ সংযোজনা কৰি গৈছে। ড° নেওগৰ ভাষাত বৰগীতক অসমৰ 'ক্লাছিকেল' বা উচ্চাংগ সংগীত বুলি ক'ব পাৰি। উত্তৰ ভাৰতৰ ধ্ৰুপদৰ দৰে অসমৰ এই গীতবোৰো উচ্চ পৰ্যায়ৰ এই গীতবোৰ ভক্তি-সহকাৰে গোৱা হয়। তদুপৰি একে ভাব আৰু একে আদৰ্শেৰে ৰচিত

হ'লেও ভক্তসকলে 'বৰ' বিশেষণেৰে শংকৰদেৱ-মাধৱদেৱৰ আৰু আন কবিৰ গীতৰ মাজত পাৰ্থক্য ৰাখিছিল।"[৫]

৪। **ৰাগ ঃ** বিশিষ্ট ধ্বনি স্বৰযুক্ত আৰু বৰ্ণৰে বিভূষিত, যিয়ে মানুহৰ চিত্ত ৰঞ্জিত কৰে বা শ্ৰোতাক আনন্দ প্ৰদান কৰে তাকে ৰাগ বুলি ক'ব পাৰি। সংস্কৃত শব্দ 'ৰঞ্জ' শব্দৰ পৰাই ৰাগ শব্দৰ উৎপত্তি হৈছে। উদাহৰণস্বৰূপে- আশোৱাৰী ঃ ৰা ...... ম......... ৰা ........। মহাপুৰুষীয়া পৰম্পৰাত বৰগীতৰ ৰাগ দুই প্ৰকাৰৰ— (১) মেলাৰাগ (২) বন্ধাৰাগ। দিনটোৰ কোন ভাগত কেনে ধৰণৰ ৰাগসমূহ গাব লাগে তাৰ ধৰাবন্ধা নিময় আছে। বৰগীতত প্ৰচলিত নিয়মসমূহ এনেধৰণৰ — পুৱাৰ ৰাগ-অহিৰ, শ্যাম, কৌ, ললিত। দুপৰৰ পৰা তিনিপৰলৈকে — গৌৰী, ভাটিয়ালী, বসন্ত, শ্ৰীগান্ধাৰ, ধনশ্ৰী, শ্ৰী,বৰাড়ী, মাহুৰ ইত্যাদি।

সন্ধ্যা গোৱা ৰাগ— আশোৱাৰী, বেলোৱাৰ, সাৰেং আদি।

ৰাতিৰ প্ৰথম ভাগত — কানাৰা, সুহাই, সিন্ধুৰা আদি।

ৰাতিৰ দ্বিতীয় ভাগত — ভূপালি, কামোদ আদি।

৫। **তাল ঃ** গীত বাদ্য আৰু নৃত্যত যাৰ দ্বাৰা সময়ৰ পৰিমাণ জোখা হয় তাকে তাল বোলা হয়। বৰগীতসমূহ বিভিন্ন ধৰণৰ তালৰ দ্বাৰা পৰিবেশন কৰা হয়। তালসমূহ তিনিটা অংশত বিভক্ত- ১। গামান ২। ঘাত আৰু ৩। চোক।

মহাপুৰুষীয়া সত্ৰানুষ্ঠানসমূহত বিভিন্ন ধৰণৰ তালৰ প্ৰয়োগ দেখা যায়। যেনে— পৰিতাল, একতাল, ৰূপক, ৰক্ততাল, ৰূপগঞ্জল, সৰুবিষম, বৰবিষম, দোৱাজ, থাকতাল, দোমানি, চুতকলা, মাথতাল, যতিতাল, ব্ৰহ্মতাল, আচতলা, উনযতি, বনযতি ইত্যাদি।

**বৰগীতৰ ব্যৱহাৰ ঃ** "বিষ্ণুৰ মহিমা প্ৰচাৰ বা আনন্দ বিনোদনৰ কাৰণেই বৰগীতবোৰ গোৱা হয় যদিও চৈধ্য প্ৰসংগ বা বিভিন্ন সময়ত নিৰ্দিষ্ট ৰাগৰ গীতহে গোৱাৰ নিয়ম। পুৱাৰ প্ৰসংগৰ আৰম্ভণিতে বৰগীতত স্তুতি আৰু তাৰ পাছতহে ভটিমা, কীৰ্ত্তন আদি গোৱা হয়। এই ফালৰ পৰা বৰগীতক 'প্ৰাৰ্থনা- সংগীত' বুলিব পাৰি। অৱশ্যে বৰগীতবোৰ সত্ৰ-নামঘৰৰ বাহিৰতো আনন্দ-বিনোদনৰ কাৰণে বিভিন্ন সময়ত গোৱা হয়।"[৬]

**সাহিত্যিক সৌন্দৰ্য্য ঃ**

**ৰস ঃ** সাহিত্যমধুৰ হয় পাঠ কৰি বা শুনি, পাঠক বা শ্ৰোতাই লাভ কৰা বিমল আনন্দৰ পৰা আৰু এই আনন্দ যোগান ধৰে লেখকে নিজ প্ৰতিভাৰ জৰিয়তে। তেখেত সকলৰ লিখনিত পৰিস্ফুট কৰা ৰসৰ জৰিয়তে। বৰগীতৰ প্ৰধান ৰস আলংকাৰিক সকলে কোৱা নৱৰসৰ বাহিৰৰ ৰস যাক কোৱা হয় ভক্তিৰস। ভক্তিৰসৰ অন্তৰ্গত দাস্য ৰস আৰু বাৎসল্য ৰস বৰগীতত বিচাৰি পোৱা যায় আৰু এই দুটা ৰসেই বৰগীতৰ প্ৰধান ৰস। অৱশ্যে এই দুটা ৰসৰ উপৰিও নৱ ৰসৰ অন্তৰ্গত ৰস যে বৰগীতত পোৱা নাযায় তেনে নহয়। শান্তৰস নৱৰসৰ অন্তৰ্গত। পণ্ডিতসকলে শান্ত ৰসক ভক্তি ৰসৰে অভিব্যক্তি বুলি কৈছে। এই শান্তৰস বৰগীতসমূহত বিদ্যমান। দুই এটি বৰগীতত বিশেষকৈ কৃষ্ণৰ চোৰ-চাতুৰি বিষয়ক গীতত হাস্যৰস আৰু ৰামায়ণী গীতত বীৰ ৰস ফুটি উঠিছে। শংকৰদেৱৰ কৃষ্ণ বীৰহৰ গীত, মাধৱদেৱৰ 'ভয়ো ভাই সাৱধান যাৰে নাহি টুটে প্ৰাণ', 'আলো মই কি কহব দুখ' আদি গীতত কৰুণ ৰস ধ্বনিত হৈছে।

**চিত্ৰধৰ্মীতা ঃ** ভক্তিমূলক গীত হ'লেও বৰগীতসমূহৰ মাজত চিত্ৰধৰ্মী বৰ্ণনা সুন্দৰ ৰূপত অংকিত কৰি তুলিছে। শ্ৰীকৃষ্ণৰ ৰূপ, বৃন্দাবন আৰু যমুনা তীৰৰ প্ৰাকৃতিক সৌন্দৰ্য্য, গোপ-গোপীসকলৰ গৰু চৰোৱা, গাখীৰ মথা আদি কাৰ্য, শ্ৰীকৃষ্ণৰ চোৰ-চাতুৰি, যশোদাৰ পুত্ৰস্নেহ আদিৰ চিত্ৰৰ অপূৰ্ব দক্ষতা প্ৰকাশ পাইছে বৰগীতত। কবিয়ে বাল-কৃষ্ণৰ কাৰ্যকলাপৰ আঁৰত দেখা অলৌকিক ৰূপ বা শক্তিৰ কথাও বৰ্ণনা কৰিছে। তাতো সাহিত্যিক সৌন্দৰ্য প্ৰকটিত হৈছে।

**ৰূপক আৰু উপমাৰ প্ৰয়োগ ঃ** বৰগীতত ৰূপক আৰু উপমাৰ ব্যৱহাৰ আছে। যেনে— 'ভৱ গহন বন', 'কাল-ব্যাধ', 'কাম ক্ৰোধ কুত্তা', নয়ন পংকজ যোৰ দশন কুন্দেৰ কোৰ কানু মুখ ঐচন সুচান্দ' ইত্যাদি।

উক্ত বিবৰণে বৰগীতৰ সাহিত্যিক সৌন্দৰ্য্য বঢ়োৱাৰ লগতে তৎসম, তদ্ভৱ, ব্ৰজাৱলী শব্দৰ প্ৰচুৰ প্ৰয়োগে গীতৰ মাধুৰ্য্য বৃদ্ধি কৰিছে। যেনে—

"জগজন জীৱন বহুৰামা।
কোটি কল্পতৰু পূৰণ কামা।।"

বৰগীতৰ ধ্বনি-ব্যঞ্জনাও মন কৰিবলগীয়া। শংকৰদেৱে বৰগীতৰ যুদ্ধ বৰ্ণনাত কেনে নিপুণভাৱে শব্দ চয়ন কৰিছে।



"ঠাট প্ৰকট পটু কোটি কোটি কপি
গিৰি গৰ গৰ পদ ঘাৰে।
বাৰিদি তীৰ তৰি কৰে গুৰুতৰ গিৰি
ধৰি ধৰি সমৰক ধাৰে।। "

মাধৱদেৱৰ গীতৰ চিত্ৰকল্পও মনকৰিবলগীয়া—

"কৰ পংকজ যুগে ধৰি পদ পংকজ
বয়স পংকজে নিৰেশিতং।
মুনিবৰ কৈছন ছোড়ি অমিময়া মজু
পদ পংকজ ৰস গীতং।"


ওপৰৰ আলোচনাটি পঢ়ি জানিব পৰা গ'ল যে বৰগীত সঁচাকৈয়ে এক মনোহাৰি গীত। ইয়াৰ ভাষা, সুৰ, সৰ্বোপৰি বিষয়বস্তুৰে ভক্ত সমাজৰ মূল ভক্তিৰ পিনে আকৰ্ষিত কৰি তোলে। বৰগীতত ফুটি উঠা চিত্ৰধৰ্মী বৰ্ণনাই ভক্তৰ হৃদয়ত ভক্তিৰ ভাব খুব কম সময়তে আনি দিব পাৰে। এনেবোৰ কাৰণতে ড° বাণীকান্ত কাকতিয়ে বৰগীতক, Noble Numbers অৰ্থাৎ পৱিত্ৰ সংগীত, কালিৰাম মেধিয়ে great Song বা Song Celestial অৰ্থাৎ মহান গীত বা স্বৰ্গীয় গীতি আৰু দেবেন্দ্ৰনাথ বেজবৰুৱাই Holy Song অৰ্থাৎ পৱিত্ৰতকৈও পৱিত্ৰ সংগীত বুলি কৈছে। ●

**পাদটীকা ঃ**

১। শৰ্মা, ড° সতেন্দ্ৰ নাথ ঃ 'অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত', পৃষ্ঠা নং - ১২৯
২। মহন্ত, লক্ষীকান্ত ঃ 'অসমীয়া সাহিত্য অধ্যয়ন' পৃষ্ঠা নং - ১১৩
৩। মহন্ত, লক্ষ্মীকান্ত ঃ 'অসমীয়া সাহিত্য অধ্যয়ন', পৃষ্ঠা নং - ১১৩
৪। শৰ্মা, ড° হেমন্ত কুমাৰ ঃ 'অসমীয়া সাহিত্যত দৃষ্টিপাত' পৃষ্ঠা নং - ১০৬
৫। শৰ্মা, ড°হেমন্ত কুমাৰ ঃ 'অসমীয়া সাহিত্যত দৃষ্টিপাত' পৃষ্ঠা নং - ১০৬
৬। শৰ্মা, ড° হেমন্ত কুমাৰ ঃ 'অসমীয়া সাহিত্যত দৃষ্টিপাত' পৃষ্ঠা নং - ১০৬

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

(ক) শৰ্মা, ড° সত্যেন্দ্ৰ নাথ ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, ২০১৫।
(খ) শৰ্মা, ড° হেমন্ত কুমাৰ ঃ অসমীয়া সাহিত্যত দৃষ্টিপাত, ১৯৯১।
(গ) মহন্ত, লক্ষ্মীকান্ত ঃ অসমীয়া সাহিত্য অধ্যয়ন।
(ঘ) মহন্ত, বাপচন্দ্ৰ ঃ বৰগীত, ২০১৫।
(ক) মহন্ত, বাপচন্দ্ৰ ঃ বৰগীত
(খ) মহন্ত, লক্ষ্মীকান্ত
(গ) শৰ্মা, সত্যেন্দ্ৰ
(ঘ) শৰ্মা, হেমন্ত



প্ৰবন্ধ




# পৰিৱৰ্তনকামী যুৱ মানসিকতা আৰু সমাজত ইয়াৰ প্ৰভাৱ

চিমী কলিতা
ষষ্ঠ ষাণ্মাসিক, বিজ্ঞান

■অগ্ৰসৰমান সভ্যতাৰ লগে লগে মানুহৰ চিন্তা-চৰ্চাৰ প্ৰণালী সলনি হ'বলৈ ধৰিছে। প্ৰয়োজনীয়তাৰ গুৰুত্ব উপলব্ধি নকৰি মাত্ৰ সভ্যতাৰ সৈতে অগ্ৰসৰ হোৱাৰ চিন্তা-চৰ্চাহে কৰিবলৈ লৈছে। আৰু এনেকৈয়ে সমাজ-ব্যৱস্থাত নানা আসোঁৱাহবোৰে বাহৰ পাতিবলৈ লৈছে। পৰিৱৰ্তনৰ নামত আনৰ কথাতো বাদেই, মানুহে নিজৰ জীৱনকে তুচ্ছ জ্ঞান কৰিবলৈ লৈছে। পৰিৱৰ্তন সকলোৰে কাম্য। কিন্তু সমাজ ব্যৱস্থাত আউল নলগোৱা পৰিৱৰ্তনহে। পৰিৱৰ্তন কৰিব লাগে বুলিয়েই অনৰ্থক পৰিৱৰ্তনক কেতিয়াও উৎসাহ জগোৱাটো উচিত নহয়। এনে পৰিৱৰ্তনে আমাক কোনো প্ৰকাৰে লাভান্বিত নকৰে, বৰং সমাজ ব্যৱস্থাত বিৰূপ প্ৰভাৱহে পেলাব পাৰে।

**যুৱ মানসিকতা ঃ** যুৱাৱস্থা বা যৌৱনকাল এনে এটা সময় যিটো শৈশৱ বা প্ৰাপ্তবয়স্ক কোনো স্তৰতে অন্তৰ্ভুক্ত নহয় যদিও এই দুটা স্তৰৰে মাজৰ সময়ছোৱাক বুজায়। এই অৱস্থাতে লোৱা সিদ্ধান্তবোৰে মানুহৰ ভৱিষ্যৎ জীৱনত যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰে। যুৱ অৱস্থা মানৱ জীৱনৰ আটাইতকৈ প্ৰত্যাহ্বানমূলক সময়। এই সময়ছোৱাতে ব্যক্তি এজনে শাৰীৰিক, মানসিক, সামাজিক তথা ব্যক্তিগতভাৱে পৰিপক্কতা লাভ কৰিবলৈ ধৰে। দেশভেদে যুৱ অৱস্থাৰ ধাৰণা কিছু পৃথক। ভাৰতবৰ্ষৰ 'নেচনেল ইউথ পলিচি (২০১৪)' অনুসৰি ১৫-২৯ বছৰ বয়সৰ ভিতৰৰ ব্যক্তিসকলক যুৱ অৱস্থাৰ ব্যক্তি বুলি গণ্য কৰা হয়। আকৌ, আমাৰ শাস্ত্ৰমতে ১৬-৩০ বছৰ পৰ্যন্ত যৌৱন কাল বুলি গণ্য কৰা হয়।

সাধাৰণতে যুৱ বা তৰুণ লোক কিছুমানৰ সমষ্টিগত মানসিক গঠনকে যুৱ মানসিকতা বোলা হয়। এখন সমাজৰ উন্নতিৰ আগজাননী সেই সমাজৰ যুৱ মানসিকতাৰ বিচাৰ-বিশ্লেষণে আগবঢ়ায়। যুৱ মানসিকতাত যিবোৰ বিচাৰ-বুদ্ধি, মূল্যবোধে স্থান লয় সিবোৰ সময়ত সমাজ আৰু জাতীয় জীৱনত বিকশিত হয় আৰু তেওঁলোকৰ মানসিকতাৰ ধৰণ অনুযায়ী এখন সমাজৰ সভ্যতা গঢ় লয়।

**পৰিৱৰ্তনকামী যুৱ মানসিকতা ঃ** কৈশোৰ আৰু যৌৱন — এই দুয়োটা স্তৰত মানুহৰ শৰীৰৰ আকাৰ আৰু শক্তি ক্ৰমাগতভাৱে বাঢ়ি গৈ থাকে। মানুহৰ মন এই সময়ছোৱাত পৰিৱৰ্তন হ'বলৈ ধৰে। লগে লগে মনত আবেগ-অনুভূতি থিতাপি লয়। যুৱ কালছোৱাত সমস্ত দেহৰ জোৰাৰ উপচি পৰে। দেহৰ পেশী, মাংসপেশী, হাড় তথা বাহিৰৰ অংগসমূহ পূৰ্ণ হয়। এনে পৰিৱৰ্তনৰ ফলত কৰ্মশক্তি বাঢ়ি যায়। যুৱ প্ৰজন্ম সদায় পৰিৱৰ্তনৰ সপোনত বিভোৰ হৈ থাকে। যিদৰে প্ৰত্যেক মুদ্ৰাৰে ২খনকৈ পিঠি থাকে ঠিক তেনেদৰে যুৱ প্ৰজন্মৰ মাজতো ইতিবাচক আৰু নেতিবাচক দুয়োধৰণৰ পৰিৱৰ্তনৰ মানসিকতা থাকে। যুৱ প্ৰজন্মৰ এই দুয়ো ধৰণৰ মানসিকতাই সমাজত প্ৰভাৱ বিস্তাৰ কৰে। আমাৰ মাজত এনে বহু যুৱক-যুৱতী আছে যিসকলে সমাজৰ সকলো স্তৰৰ ব্যক্তিৰ উৎকৰ্ষ সাধনৰ বাবে অনেক সময়ত চৰম ত্যাগো কৰি আছে। আনহাতে জীৱনক গভীৰভাৱে বুজিবৰ চেষ্টা নকৰি দুঃসংস্কৃতিৰে সমাজ জীৱন কলুষিত কৰা যুৱ প্ৰজন্মৰ কথাও অস্বীকাৰ কৰিব নোৱাৰি।

**পৰিৱৰ্তনকামী যুৱ মানসিকতাৰ ইতিবাচক প্ৰভাৱ ঃ** সৎ, শুদ্ধ মতাদৰ্শৰে পৰিৱৰ্তনৰ পথত অগ্ৰসৰ হোৱাৰ যুৱ প্ৰজন্মই আমাৰ সমাজলৈ নতুন আশাৰ ৰেঙণি কঢ়িয়াই অনাত সফল হ'ব। আজিৰ যুৱক-যুৱতীসকলে অনাগত দিনত দেশৰ উন্নতিৰ গুৰিধৰোতা হ'ব। পৰিৱৰ্তনকামী যুৱ মানসিকতাই সমাজলৈ কঢ়িয়াই অনা ইতিহাচক প্ৰভাৱ সম্পৰ্কে তলত আলোচনা কৰা হ'ল—

ক) যুৱ প্ৰজন্মই আওপুৰণি কিছুমান অনৰ্থক নীতি-নিয়ম ত্যাগ কৰি বৈজ্ঞানিক মানসিকতা গঢ় দিব বিচাৰে। ইয়ে আমাৰ সমাজৰ পৰা পুৰণিকলীয়া বহু এলান্ধু আঁতৰাই আমাক এখন সভ্য সমাজৰ বাসিন্দা বুলি জগতৰ সৈতে পৰিচয় কৰায় দিব।

খ) যুৱ প্ৰজন্মৰ অধিক সংখ্যকে সমাজৰ সকলো ক্ষেত্ৰতে উন্নতি হোৱাটো মনে-প্ৰাণে বিচাৰে। যিয়ে আমাৰ সমাজখনক এখন উন্নয়নশীল সমাজৰ পৰা উন্নত সমাজলৈ ৰূপান্তৰিত হোৱাত বৰঙণি যোগাব।

গ) বৰ্তমান সময়তো বহু লোকৰ মনত থকা ল'ৰা-ছোৱালীৰ মাজৰ ভেদাভেদৰ ব্যৱধান আঁতৰ হোৱাটো যুৱ প্ৰজন্মই বিচাৰে। এই পৰিৱৰ্তনে আমাৰ সমাজত নাৰীক মুক্তমনে চিন্তা-চৰ্চা কৰিবলৈ আৰু সমাজৰ উন্নতিত হাত উজান দিবলৈ উৎসাহিত কৰিব।

ঘ) সমাজৰ প্ৰতিজন ব্যক্তিয়ে সম অধিকাৰৰ সৈতে জীৱন-যাপন কৰিবলৈ সুবিধা পোৱাটো যুৱ প্ৰজন্মই বিচাৰে। এই পৰিৱৰ্তনে সমাজত ব্যক্তিৰ অধিকাৰ খৰ্ব হোৱাৰ আশংকা বহুলাংশে দূৰ কৰিব।

ঙ) শান্তি আৰু ভাতৃত্ববোধৰ সপোনত বিভোৰ হৈ থাকে যুৱ প্ৰজন্মই। এই স্বপ্নই বিশ্বশান্তি স্থাপিত হোৱাত যথেষ্ট অৰিহণা যোগাব।

চ) সমাজৰ প্ৰতিটো স্তৰত কম-বেছি পৰিমাণে চলি থকা দুৰ্নীতিৰ ঘোৰ বিৰোধী যুৱ প্ৰজন্ম। যুৱ প্ৰজন্মৰ এই বিৰোধে সমাজৰ পৰা দুৰ্নীতিৰ বটবৃক্ষ জোপা চিৰকাললৈ শিপাৰে সৈতে উভালি পেলাব।

ছ) মানৱ কল্যাণ সাধিত ন ন প্ৰযুক্তিৰ উন্নয়ন হোৱাটো যুৱ প্ৰজন্মৰ মনোবাঞ্ছা। এই মনোবাঞ্ছাই মানৱৰ বহু সময় আৰু কষ্ট ৰাহি কৰিব।

জ) উদ্যোগ খণ্ডৰ উন্নতকৰণ আৰু পৰিসৰ বৃদ্ধি হোৱাটো যুৱ প্ৰজন্মই বিচাৰে। যিয়ে বিদেশী বিনিয়োগকাৰীক আকৰ্ষিত কৰিব।

ঝ) যুৱ প্ৰজন্মই ফলে-ফুলে জাতিস্বাৰ প্ৰকৃতি গঢ়িব বিচাৰে। ইয়ে আমাৰ সমাজত সুস্থ বাতাৱৰণ সৃষ্টি কৰিব।

ঞ) যুৱ প্ৰজন্মৰ বহু সংখ্যকে ব্যক্তিগত সুবিধা কাষৰীয়া কৰি সামাজিক বিষয়বোৰকহে অধিক প্ৰাধান্য দিয়ে। ইয়ে স্বাৰ্থপৰমুক্ত সমাজৰ গঢ় দিয়ে।

ট) আমাৰ সমাজৰ সমূহ সুকুমাৰ-কলাৰ সঠিক বিশ্লেষণ হোৱাটো যুৱ প্ৰজন্মই বিচাৰে। ইয়াৰ জৰিয়তে আমাৰ সমাজ-সংস্কৃতিত এক নতুন দিগন্তৰ সূচনা হ'ব।

যুৱ প্ৰজন্মৰ মানসিকতা কেৱল পৰিৱৰ্তনকামী নহয়, পৰিৱৰ্তনৰ বাবে নিজৰ সাধ্যানুসৰি কৰিব পৰা সকলো কৰ্মত হাত উজান দিয়াৰ মানসিকতাও যুৱ প্ৰজন্মৰ আছে। 'উপদেশতকৈ আৰ্হি ভাল পোৱা'— আমাৰ যুৱ প্ৰজন্মই অন্ধকাৰ আঁতৰাই শ্ৰদ্ধাৰ এ.পি.জে আব্দুল কালামৰ 'সপোনৰ ভাৰত ২০২০' গঢ়াৰ স্বপ্নত মগ্ন হৈ পৰিছে।এই স্বপ্নই আমাৰ সমাজ জীৱনলৈ এক ন আলোক কঢ়িয়াই আনিব।

**পৰিৱৰ্তনকাৰ্মী যুৱ মানসিকতাৰ নেতিবাচক প্ৰভাৱ ঃ** পৰিৱৰ্তনৰ ফলাফল সম্পৰ্কে বিচাৰ নকৰা যুৱ মানসিকতাই আমাৰ সমাজলৈ বহু অৱক্ষয় কঢ়িয়াই আনিছে। এই সম্বন্ধে তলত আলোচনা কৰা হ'ল—

ক) অৰ্থনৈতিকভাৱে মানুহ স্বচ্ছ হওক বা নহওক - কোনো কথা নাই- চান্দা তুলিব লাগে, অনুষ্ঠানৰ

কৃতকাৰ্য্যতাৰ লগত একো কথা নাই, হিচাপ দিব নালাগে, পাৰে মানে সকলোবোৰ ভৱিষ্যতলৈ চিন-চাব নৰখাকৈ আত্মসাৎ কৰিব লাগে। ইয়াৰ ফলস্বৰূপে সমাজত দুঃসংস্কৃতিমূলক কাৰ্যৰ পয়োভৰ বৃদ্ধি পাবলৈ লৈছে।

খ) পশ্চিমীয়া সভ্যতাক আদৰিবলৈ যাওঁতেই হওক বা পৰিৱৰ্তনৰ নামত বেশ ভূষা বা কাপোৰ-কানি পিন্ধনৰ ক্ষেত্ৰতো আজিৰ প্ৰজন্মই শালীনতাৰ ক্ষেত্ৰত মন-কাণ প্ৰায়ে নিদিয়া হৈছে। এনে মানসিকতাই সমাজত বাস কৰা অন্যান্য সকলক বহু সময়ত অসহ্যকতৰ ঘটনাৰ সৈতে মুখামুখি কৰায়।

গ) পৰীক্ষা বা অন্য যিকোনো ক্ষেত্ৰতে কষ্ট নকৰাকৈ ভাল ফলৰ আশাত বহু প্ৰাৰ্থীয়ে অসৎ উপায় অৱলম্বন কৰিবলৈ লোৱাও বৰ্তমান সময়ত দৃষ্টিগোচৰ হয়। যিয়ে আমাৰ শিক্ষা গুৰুসকলক অসন্মানিত কৰে লগতে আন প্ৰাৰ্থীসকলকো সুস্থ মানসিকতাৰে পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ নিদিয়ে।

ঘ) যুৱ প্ৰজন্মৰ অনেকে কেৱল স্বাধীনচিতিয়াকৈ জীৱন কটোৱাৰ ওপৰত অধিক গুৰুত্ব দিয়ে। এনে মানসিকতাই সমাজৰ বিভিন্ন সম্পৰ্কৰ স্খলন ঘটায়।

ঙ) যুৱ প্ৰজন্মৰ অনেকৰ ভাবধাৰা যে যুৱ প্ৰজন্মৰহে সামৰ্থ্য আৰু শক্তি আছে উন্নতি সাধিবলৈ। এনে মানসিকতাই আমাৰ সমাজৰ জ্যেষ্ঠসকলৰ অৱদানক অৱমাননা কৰে।

চ) যুৱ প্ৰজন্মই অনেকে কেৱল আহিবলগীয়া দিনবোৰৰ পৰিৱৰ্তনৰ কথাই চিন্তা কৰে যিয়ে বৰ্তমানৰ সমাজৰ উন্নতিত বাধা আৰোপ কৰে।

ছ) পৰিৱৰ্তনৰ নামত, অন্ধবিশ্বাস আঁতৰোৱাৰ নামত সৎ বিশ্বাস, ভক্তি আদি সমাজৰ পৰা আঁতৰোৱাৰ চেষ্টা কৰে একাংশ যুৱ প্ৰজন্মই। যিয়ে এখন নাস্তিক সমাজৰহে জন্ম দিব পাৰে।

জ) যুৱ প্ৰজন্মই বিচাৰে প্ৰত্যেক সমঅধিকাৰ লাভ কৰাটো। কিন্তু, এনে হ'লে কিছু সংখ্যক কু-অভিসন্ধিৰ লোকে সমাজখনক বিপথে পৰিচালিত কৰাৰ যথেষ্ট আশংকা আছে।

ঝ) যুৱ প্ৰজন্মই সদায় বিজ্ঞান প্ৰযুক্তিৰ উন্নতি হোৱাটো কামনা কৰে। কিন্তু এইখিনিতে মনত ৰখাটো জৰুৰী যে প্ৰযুক্তিৰ অত্যাধিক উন্নয়নে বহু মানুহক কৰ্মবিমুখ কৰি তুলিব।

ঞ) উদ্যোগখণ্ডলৈ পৰিৱৰ্তনৰ জোৱাৰ অনাৰ চিন্তা-চৰ্চা কৰোঁতে পৰিৱেশৰ কথা বহু সময়ত আওকাণ কৰাও পৰিলক্ষিত হয়। প্ৰদুষণ ঘটোৱাৰ আশংকা থাকে।

যুৱ প্ৰজন্মৰ চিন্তা-চৰ্চাত বহু সম্ভাৱনীয়তা আছে। কিন্তু, সঠিক দিহা-পৰামৰ্শৰ অভাৱে তেওঁলোকৰ চিন্তা-চৰ্চাৰে সমাজক বিপথে পৰিচালিত কৰাৰো আশংকা আছে। যুৱ প্ৰজন্মই ফলাফলৰ কথা চিন্তা কৰিহে তেওঁলোকে বিচৰা পৰিৱৰ্তনবোৰৰ ধাৰণা সমাজত প্ৰকাশ কৰিব লাগে তেতিয়া তেওঁলোকে বিচৰা পৰিৱৰ্তনবোৰৰ নেতিবাচক প্ৰভাৱ বহুলাংশে আঁতৰ হ'ব সমাজৰ পৰা।

দ্ৰুতগতিত সফলতাৰ শিখৰ আৰোহণ কৰিবলৈ বৰ্তমান যুগত পৰিৱৰ্তন অতিকৈ আৱশ্যক। বৰ্তমান যুগৰ সৈতে আমাৰ সমাজক আগুৱাই লৈ যোৱাত যুৱসমাজৰ সৎ, শুদ্ধ চিন্তাধাৰাই যথেষ্ট বৰঙণি আগবঢ়াব পাৰিব। আমাৰ দৰে উন্নয়নশীল দেশৰ বাসিন্দাৰ উন্নত দেশৰ বাসিন্দা হোৱাৰ সপোন যুৱ প্ৰজন্মৰ মানসিকতাৰ ওপৰত বহুলাংশে নিৰ্ভৰশীল। সমাজ-ব্যৱস্থাৰ লগত জড়িত ব্যক্তিসকলোৰো দায়িত্ব যে তেওঁলোকে আমাৰ যুৱ প্ৰজন্মক নিজৰ চিন্তা-ধাৰা দাঙি ধৰিবলৈ সুবিধা কৰি দিয়াটো। সমাজৰ হিতৰ অৰ্থে যুৱ প্ৰজন্মই গ্ৰহণ কৰা পৰিৱৰ্তন আমি সকলোৱে দুহাতে আঁকোৱালি লোৱা উচিত। লগতে বিপথে যাবলৈ লোৱা সকলকো মূল সুঁতিলৈ আনি এখন শৃংখলাবদ্ধ সমাজ গঠনত আমি সকলোৱে হাত উজান দিব লাগে। ●



প্ৰবন্ধ

# লোক-সাহিত্য

**জয়াৰাণী দেৱী**
প্ৰথম ষাণ্মাসিক, কলা

■ লোক-সংস্কৃতিৰ অন্যতম সমল হৈছে লোক-সাহিত্য। সকলো জাতিৰ সাহিত্যই লিখিত ৰূপ পোৱাৰ আগত মৌখিক গীত, মাত, প্ৰৱচন, সাধুকথা আদি থকাৰ প্ৰমাণ পোৱা যায়। লোক-সাহিত্য বুলি ক'লে সাধাৰণতে আমি ক'ব পাৰো যে চহা গাঁৱলীয়া অশিক্ষিত লোকৰ মুখে মুখে প্ৰচলিত সাহিত্যক বুজায়। আমি জনা মতে এই সাহিত্যসমূহ কোনো লেখকৰ দ্বাৰা ৰচিত নহয়। ইয়াত লোক জীৱনৰ সুখ-দুখ, আশা-আকাংক্ষা, অনুভূতিবিলাক নিবিড়ভাৱে সাঙুৰ খাই আছে।

ক'বলৈ গ'লে কোনো এটা ভাষা সৃষ্টি নোহোৱাকৈ সাহিত্যৰ সৃষ্টিৰ সম্ভৱপৰ নহয়। সেয়েহে ভাষাই যেতিয়া বিভিন্ন ভাব, অনুভূতি, অৱস্থা প্ৰকাশ কৰিব পৰা শক্তি অৰ্জন কৰে আৰু উচ্চাৰণ কৰা বিভিন্ন ধ্বনি বুজাবলৈ সাংকেতিক চিহ্নৰ সৃষ্টি কৰি লিখাৰ পদ্ধতি প্ৰৱৰ্তন কৰে তেতিয়াৰ পৰাহে সাহিত্যৰ প্ৰকৃত বুৰঞ্জী আৰম্ভ হয় বুলি ক'ব পাৰি। লোক-সাহিত্যৰ ৰচয়িতা কোন সেয়া নিৰ্ণয় কৰা কঠিন আৰু মৌখিক পৰম্পৰা অনুক্ৰমে প্ৰবাহমানৰ বাবে আঞ্চলিক ৰূপ থকাও পৰিলক্ষিত হয়। তদুপৰি ব্যক্তি নিৰপেক্ষ ৰূপো ইয়াৰে এক উল্লেখযোগ্য বৈশিষ্ট্য। প্ৰাকৃতিক জগতৰ লগত ইয়াৰ সম্পৰ্ক নিবিড়ভাৱে জড়িত।

অতীত, বৰ্তমান, ভৱিষ্যৎ সীমাৰেখাৰে লোক-সাহিত্য সীমিত নহয়। লোক-সাহিত্যৰ সংস্কৃতিৰ সোণসেৰীয়া উপাদান। সমাজৰ দৈনন্দিন জীৱন পদ্ধতি, চিন্তা-চৰ্চা, বিশ্বাস, পৰম্পৰা, সংস্কাৰ আদিৰ ই এক সমৃদ্ধ ভঁৰাল।

**বিষয়বস্তু ঃ** লোক-সাহিত্য হৈছে আদিম যুগৰ মানুহবিলাকে বিভিন্ন অনুভূতি, অভিজ্ঞতাৰ দ্বাৰা কিছুমান মৌখিকভাৱে সাহিত্য প্ৰচলন কৰিছিল। আৰু আদিম যুগৰ মানুহৰ পৰা বৰ্তমানলৈকে গাঁৱলীয়া মানুহৰ মুখে মুখে সেই অভিজ্ঞতাসমূহ, সেইবোৰ অনুভূতিৰ দ্বাৰা কিছুমান গীত, পদ, সাহিত্য প্ৰচলন কৰিছিল। এনেকৈয়ে পুৰুষানুক্ৰমে মুখে-মুখে বাগৰি অহা গীত, পদ সমূহকে লোক-সাহিত্য বুলি কৈছিল। এই লোক-সাহিত্যসমূহ শিক্ষিতসকলৰ মাজত লিখিতৰূপে প্ৰচলন হৈছিল। এই লিখিত সাহিত্যসমূহ কবিতা, নাটক, গল্প আদি নাম দিয়া হৈছিল। লিখিত সাহিত্যৰ দৰে লোক সাহিত্যতো মানুহৰ জীৱনৰ সুখ-দুখ, আশা-নিৰাশা, হৰ্ষ-বিষাদ, শোক-বেদনা, এই প্ৰকৃতিৰ বিভিন্ন ৰূপ, সামাজিক পৰিৱেশৰ চিত্ৰ, ইয়াৰ অনুভূতিসমূহক লৈ লোক-সাহিত্যত বিচিত্ৰ ৰূপ প্ৰকাশ পাইছে। মানুহৰ মাজত থকা ভাষা, সুৰীয়া মাত, প্ৰেম প্ৰীতি সমূহৰ পৰা যিবিলাক আনন্দ-অনুভূতি প্ৰকাশ পাইছিল সেইবিলাকে মৌখিক লোক-

সাহিত্যৰ ৰূপত প্ৰকাশ কৰা হৈছিল। এই সাহিত্যসমূহ মানুহৰ স্মৃতি লৈয়ে প্ৰচলন কৰা হৈছিল, আৰু সেইবাবে লোক-সাহিত্যক জন-সাহিত্য বা মৌখিক-সাহিত্যও বোলা হৈছিল।

লোক-সাহিত্য বুলি ক'লে ওপৰত লিখাৰ পৰা গ'ম পোৱা যায় যে এই সাহিত্যৰ দুটা ধাৰা দেখিবলৈ পোৱা যায়। প্ৰথমটো হ'ল শিক্ষিতসকলৰ মাজত প্ৰচলিত ধাৰা যাক আমি লিখিত সাহিত্য বুলি কওঁ আৰু দ্বিতীয়টো ধাৰা হ'ল— চহা গাঁৱলীয়াৰ মুখে মুখে প্ৰচলিত হৈ অহা ৰূপ যাক আমি লোক-সাহিত্য বা জন-সাহিত্য বা মৌখিক-সাহিত্য বুলি কওঁ। লিখিত সাহিত্যবোৰ হ'ল— কবিতা, নাটক, গল্প, আলোচনী, গ্ৰন্থ ইত্যাদি। মৌখিক সাহিত্যবোৰ হ'ল— সাধুকথা, ফকৰা-যোজনা, লোকগীত, বিহুগীত, বিয়ানাম.... ইত্যাদি।

আমি জানিব পাৰোঁ যে বিভিন্ন পণ্ডিতে লোক-সাহিত্যৰ বিষয়ে বিভিন্ন ধৰণৰ মত প্ৰকাশ কৰিছে। উদাহৰণস্বৰূপে— কবিগুৰু ৰবীন্দ্ৰনাথে কৈছিল যে— "শিপাই যেনেকৈ মাটিৰ তলত থাকি গছক পত্ৰে-পুষ্পে সুশোভিত কৰি ৰাখে, সেইদৰে সকলো দেশৰে সাহিত্যৰ মূলভাগ লোক-জীৱনৰ মাটিৰ তলত ঢাক খাই সজীৱ হৈ থাকে।"

লোক-জীৱনৰ লগত জড়িত এই সাহিত্য সম্পূৰ্ণভাৱে স্থানীয়। ই কেৱল দেশৰ জন সাধাৰণৰ উপভোগৰ আৰু উপলব্ধিৰ যোগ্য। বৰ্তমান প্ৰধানকৈ লিখিত সাহিত্যৰ বহুল চৰ্চা হ'লেও অনাখৰী লোকৰ মাজত লোক-সাহিত্য ৰচিত আৰু সমাদৃত হৈ আছে। অৱশ্যে আন লোক-সাহিত্যৰ দৰে অসমীয়া লোক-সাহিত্যৰো ৰচনা কাল সম্পৰ্কে খাটাংকৈ কোৱা টান। কিয়নো অতি প্ৰাচীন কালৰে পৰা গীত-পদবোৰ ৰচিত হৈ আহিলেও সময়ৰ হাত বুলনিত তাৰ ভাষাৰো পৰিৱৰ্তন ঘটিছে।

বিষয়-বস্তু আৰু ৰচনা-ৰীতিৰ ফালৰ পৰা অসমীয়া লোক-সাহিত্যক প্ৰধানকৈ তিনিটা শ্ৰেণীত ভগাব পাৰি ঃ (ক) লোক-গীত, (খ) ফকৰা-যোজনা, সাঁথৰ-পটন্তৰ আৰু (গ) সাধু কথা।

**(ক) লোক-গীত ঃ** আদিম যুগৰ মানুহবোৰ আছিল বৰ আৱেগ, অনুভূতিপ্ৰৱল। আগৰ দিনৰ মানুহবিলাকে প্ৰকৃতিৰ পৰা পোৱা আনন্দ, অনুভূতি বিলাক আনৰ আগত বিলাবৰ বাবে মুখে মুখে বহুতো গীত গাবলৈ ধৰিছিল আৰু সেই বিলাকৰ পৰা বহুতো আনন্দ পাইছিল। সুখ-দুখ, আনন্দ, অনুভূতি নামৰ মাজত থকা বিভিন্ন ভাবসমূহ আনৰ আগত প্ৰকাশ কৰি ভাল পাইছিল। এই গীতবোৰ লোকগীত ৰূপত প্ৰকাশ কৰিছিল আৰু এই গীতবোৰ কোনো ৰচকৰ দ্বাৰা লিখা হোৱা নাছিল।

প্ৰকৃতিৰ যি মধুৰ সৌন্দৰ্য্য সেইবিলাক তেওঁলোকৰ মনত এক মধুৰ আনন্দৰ সৃষ্টি কৰিছিল। সেই বোৰ অনুভূতিয়ে আত্মপ্ৰকাশ আৰু আত্মপ্ৰচাৰৰ হেঁপাহত বিভিন্ন সুৰত গাবলৈ ধৰিছিল। লোকগীতসমূহত অনাড়ম্বৰ সৰল ভাষা, ঘৰুৱা চিত্ৰ, আঞ্চলিক প্ৰকাশভংগী, ভাবৰ মুকলি প্ৰকাশ, সৰল বিশ্বাস আৰু অলৌকিকতাৰ প্ৰভাৱ লক্ষ্য কৰা দেখা যায়। গীতবোৰৰ ছন্দ, ভাব আৰু ভাষা শৃংখলিত নহয়, সাৱলীল আৰুল উন্মুক্ত। লোকগীতবোৰ হৈছে সকলো ভাষাৰে অমূল্য সম্পদ। এই গীতবোৰৰ লগত গাঁৱলীয়া মানুহে জন্মৰ পৰা মৃত্যুলৈ অনুষ্ঠান আদিৰ নিবিড়ভাৱে সম্বন্ধ আছে। চহাপ্ৰাণৰ ই মুক্ত পৰিস্ফুৰণ আৰু মৌলিক ভাৱাবেগৰ অকৃত্ৰিম প্ৰকাশ। লোকগীতবোৰত ব্যক্তি বিশেষৰ ভাব-অনুভূতি প্ৰকাশ হোৱাতকৈ সামূহিক জীৱনৰ আশা-আকাংক্ষাহে বেছি প্ৰতিফলিত হৈছে। যেনে-

"কানাই পাৰ কৰা হে হে......
বেলিৰ পৰিল ছায়া নষ্ট হৈলো
দধিৰ ভান্দ বজাৰ হৈলো বয়া......."

লোকগীতৰ ভাগবোৰ হ'ল— ১। অনুষ্ঠানমূলক
২। কৰ্মবিষয়ক
৩। আখ্যানমূলক

**১। অনুষ্ঠানমূলক ঃ** অনুষ্ঠানমূলক গীতসমূহৰ ভিতৰত হ'ল বিহুগীত, বিয়ানাম, ভেকুলী বিয়াৰ নাম, আইনাম আদি। এই শ্ৰেণীৰ গীত কোনো বিবাহাদি অনুষ্ঠান বা উৎসৱতহে হোৱা হয় যদিও অইন সময়ত গোৱাতো একো বাধা নাই।

**(ক) বিহুগীত ঃ** বিহুগীত অনুষ্ঠানমূলক লোকগীতৰ ভিতৰত পৰে। চ'তৰ শেষত ব'হাগৰ প্ৰথমত বিহু উৎসৱ পালন কৰা হয়। বিহুগীত বুলিলে কৃষিজীৱী মানুহে বিশ্বাস কৰিছিল যে ব'হাগ মাহত কৃষিজীৱী মানৱে বছৰৰ আৰম্ভণিতে বসুমতী আইক প্ৰাৰ্থনা জনায় যাতে তেওঁলোকৰ





কৃষিভূমিৰ উৰ্বৰা বৃদ্ধি পায়। ডেকা-গাভৰু সকলে পথাৰত গৈ মনৰ ভাব প্ৰকাশ কৰা লগতে, নানান ধৰণৰ বিহুগীত গাই আনন্দ উপভোগ কৰে। এনেকৈ আনন্দ মনৰে গোৱা গীতবোৰকে বিহুগীত বোলা হয়।

উদাহৰণ ঃ "অতিকৈ চেনেহৰ মুগাৰে মহুৰা.....
তাতকৈ চেনেহৰ মাকু........
তাতকৈ চেনেহৰ ব'হাগৰ বিহুতি ঐ
নেনাচি কেনেকৈ থাকোঁ।"

আকৌ বিহুগীতৰ বহুতো ভাগ কৰা যায়। তাৰ ভিতৰত — হুঁচৰি, বনগীত আদি পৰে।

হুঁচৰি ঃ ব'হাগৰ বিহুত ডেকাসকলে প্ৰত্যেক গৃহস্থৰ ঘৰে ঘৰে গৈ ঢোল, পেঁপা, তাল আদিলৈ হুঁচৰি গাই গৃহস্থৰ মঙ্গল কামনা কৰে।

এন ধৰণে গোৱা গীতবোৰকে হুঁচৰি গীত বোলে।

উদাহৰণ ঃ "ঐ লাহে ঐ লাহে বান্ধই ....
বিহু কোনে ফালে আহে,
পুবে বা পশ্চিমে উত্তৰে-দক্ষিণে অ অ...
বিহু চাৰিপিনে আহে......."

**বনগীত ঃ** বনগীতবোৰ প্ৰধানকৈ উদ্দাম যৌৱনৰ যৌন বাসনাৰ উন্মুক্ত প্ৰকাশ। এইবোৰ সাধাৰণতে বিহুতলিত, মুকলি পথাৰত অথবা নিৰ্জন বনস্থলীত গোট খাই গোৱাৰ নিয়ম আছিল। সেই কাৰণেই ইয়াৰ অন্য নাম বনঘোষা বা বনগীত।

উদাহৰণঃ "অ বনগীত সুৰীয়া ৰতনীৰ ধুনীয়া
মুখনি মন প্ৰাণ সৰা, দুভৰিৰ ধুনীয়া
তেজ ৰঙা, গেৰুৱা,
মৰমে হিয়াখন ভৰাই।

**(খ) বিয়ানাম ঃ** আমাৰ অসমীয়া সমাজৰ বিবাহ অনুষ্ঠানত নাৰীসকলে গৈ আনন্দৰে মনৰ সুলভ কোমলতাৰে, অনুভূতিৰে গীত গায়। এই গীতবোৰ অসমীয়া লোক-সাহিত্যৰ অমূল্য সম্পদ। আয়তীসকলে নানা ধৰণৰ বিয়াগীত গাই বিয়াঘৰখনত উদুলি-মুদুলি পৰিৱেশৰ সৃষ্টি কৰি বিয়াখন আনন্দৰে পাৰ কৰি দিয়ে।

বিয়ানামবোৰত দাম্পত্য জীৱনৰ আদৰ্শ, বৰ কন্যাৰ ৰূপ-যৌৱন, উলিয়াই দিবলৈ ধৰা কন্যাৰ আসন্ন বিচ্ছেদৰ কাৰুণ্য, নাৰী জীৱনৰ আশা-আকাংক্ষা আৰু ঘৰুৱা চিত্ৰৰ সুন্দৰ প্ৰকাশ বিয়ানামবোৰত লক্ষ্য কৰা যায়। বিয়ানাম বুলি ক'লে ইয়াৰ ভিতৰত বহুতো পৰে যেনে— দৰা আদৰোতে, হোমৰ গুৰিত বহোঁতে, কন্যাক আখৈ তুলি দিওতে........ ইত্যাদি।

আকৌ বিয়াগীত দুই শ্ৰেণীত ভগাব পাৰি— গহীন আৰু ৰুচিপূৰ্ণ আৰু যোৰা নাম বা খিচাগীত। গহীন আৰু ৰুচিপূৰ্ণ গীতসমূহৰ ভিতৰত পৰে ৰাম-সীতা, কৃষ্ণ-ৰুক্মিণী, ঊষা-অনিৰুদ্ধ আদি পৌৰাণিক চৰিত্ৰসমূহৰ বিবাহৰ বৰ্ণনা দি আৰু সেই চৰিত্ৰসমূহ বৰ-কন্যাত আৰোপ কৰি নামতীসকলে বিয়াঘৰত সুৰৰ এটি গহীন পৰিৱেশ সৃষ্টি কৰে। যোৰা নাম বা খিচা-গীতৰ উদ্দেশ্য হ'ল— এই গীতৰ সুৰ লঘু আৰু বৰ্ণনাও কৌতুকপূৰ্ণ। দৰা-কন্যা ঘৰীয়াক জোঁকাই ৰং ৰহইচ কৰাই এই গীতৰ উদ্দেশ্য। বিয়ানামৰ উদাহৰণ হ'ল—

"আগে দিয়া পাছে দিয়া
পঞ্চ আয়তীয়ে
দুৰ্বাঘাটৰ পানী আনি
আইদেউৰ মূৰত দিয়ে"....

**২। কৰ্মবিষয়ক গীত ঃ** এই গীতৰ ভিতৰত পৰে— গৰখীয়া গীত, মহখেদা গীত... ইত্যাদি।

**গৰখীয়া গীত ঃ** গৰখীয়াসকলে গৰু ৰখোঁতে বা উমলোঁতে গোৱা গীতক গৰখীয়া গীত বোলে। এই গীতৰ উদ্দেশ্যও শ্ৰম লাঘৱ আৰু আনন্দ বিনোদন।

উদাহৰণ ঃ "গৰখীয়া হেৰ গৰখীয়া
কি সুৰ বজালি কি সুৰ বজালি
দুপৰীয়া
পথাৰৰ মাজতে আঁহতৰ তলতে
ম'হৰ শিঙৰ পেপাতি বাই"

**৩। আখ্যানমূলক গীত ঃ** এই গীতবোৰক আকৌ তিনিটা ভাগত ভাগ কৰিব পাৰি— বুৰঞ্জীমূলক, কিংবদন্তি বা জনশ্ৰুতিমূলক আৰু কাল্পনিক।

**বুৰঞ্জীমূলক ঃ** এই মালিতাৰ ভিতৰত পৰে জয়মতী কুঁৱৰীৰ গীত, হৰদত্ত-বীৰদত্তৰ গীত ইত্যাদি।

"হৰদত্তৰ জীয়াৰী পদ্মাকুমাৰী
বনৰাত নাখালি ভাত,
কুমোদান বঙালে হাতত ধৰি নিলে

বঙালে মাৰিলে জাত।”
(হৰদত্ত-বীৰদত্তৰ গীত)

**কিংবদন্তি বা জনশ্ৰুতিমূলক ঃ** এইবোৰ ভিতৰত পৰে ফুল-কোঁৱৰৰ গীত, মণিকোঁৱৰৰ গীত, বৰফুকনৰ গীত .... ইত্যাদি।

উদাহৰণ ঃ “পোৱালী হাতীৰ শুৰে সেইনো
কথা শুনি কাচন কুঁৱৰীয়ে
তললৈ কৰিলে মূৰ” (ফুল কোঁৱৰৰ গীত)
“জৰাৰ কোমল জীম
বগী বগী ছোৱালীবোৰ তহঁতক দিম”
(বৰফুকনৰ গীত)

**কাল্পনিক গীত ঃ** এই গীতবোৰৰ ভিতৰত পৰে— মধুমতীৰ গীত, কন্যা বাৰমাহীৰ গীত.... ইত্যাদি।

উদাহৰণ ঃ “বৈহাগৰ মাহতে ডাউকী কান্দয়।
ডাউকীৰ কান্দন শুনি হৃদয় নসহয়।।
বৈহাগৰ মাহত কুলিয়ে কৰে ৰাৱ।
কুলিৰ কান্দন শুনি নুবুৰায় গাৱ”
(মধুমতীৰ গীত)
“জৈষ্ঠ মাসে নিদাঘত প্ৰচণ্ড দিনেশ।
প্ৰভুসমে জলক্ৰীড়া কৰিলা বিশেষ।।
বিকশিত কুসুমত ভ্ৰমৰৰ ধ্বনি।
অনঙ্গ তৰঙ্গ ৰঙ্গ দিৱস ৰজনী।।”
(বাৰমাহীৰ গীত)

**ফকৰা-যোজনা ঃ** ফকৰা-যোজনাবোৰ সাধাৰণতে সংসাৰত চলি থকা অভিজ্ঞতালব্ধ জ্ঞানমূলক নীতি, বিভিন্ন সময়ত জীৱন চৰ্যা আৰু বহুক্ষেত্ৰত সমালোচনাও পোৱা যায়। গাঁৱলীয়া মানুহৰ অভিজ্ঞতাসমূহ মুখে-মুখে ফকৰা আকাৰত প্ৰচলন কৰা হয়। ফকৰাবোৰ সাধাৰণতে চুটি চুটি বাক্যত, বৰ ৰসাল আৰু অৰ্থপূৰ্ণ হোৱা দেখা যায়। সৰহখিনি ফকৰা-যোজনা, প্ৰবচনৰ সময় নিৰ্ণয় কৰা টান। এই প্ৰবচন-প্ৰবাদ বাক্যবোৰ হৈছে— “দহৰ জ্ঞান, একৰ বাণী।’

একো একোটি ফকৰা-যোজনা বুজি লৈ সেইবোৰ ৰচনা আকাৰত প্ৰকাশ কৰিছিল। সেই ফকৰাটো ভাঙি দিয়া হয় আৰু তেতিয়া বাক্যশাৰী বুজি পোৱাত সহায় হয়। ফকৰাবোৰ সাধাৰণতে গূঢ়াৰ্থক, আপাত বক্তব্যৰ অন্তৰালত একোটা নিগূঢ় অৰ্থ সোমাই থাকে আৰু কিছুমান ভকতীয়া অৰ্থও থাকে। যোজনা বিলাকত এফাঁকি কথা পূৰাবলৈ আন এফাঁকি কথা যোগ কৰি দিয়া হয়।

ফকৰা-যোজনা হ'ল— শুই থকা শিয়ালে হাঁহ ধৰিব নোৱাৰে, ভূকতে কল নপকে.... ইত্যাদি।

উদাহৰণ ঃ “শুই থকা শিয়ালে হাঁহ ধৰিব নোৱাৰে।”

উক্ত ফকৰা ফাঁকিৰ পৰা বুজিব পাৰো যে এলেহুৱা মানুহে জীৱনত কেতিয়াও উন্নতি কৰিব নোৱাৰে।

শিয়াল এটিয়ে যদি হাঁহ ধৰিব ধৰিব বুলি শুই থাকে তেতিয়াহ'লে আগেৰে হাঁহবোৰ পাৰ হৈ গ'লেও হাঁহ ধৰিব নোৱাৰিব। কাৰণ তেওঁৰ এলেহুৱা স্বভাৱৰ বাবে। যদি শুই নাথাকিলেহেঁতেন তেতিয়াহ'লে হাঁহ ধৰিব পাৰিলেহেঁতেন।

ঠিক সেইদৰে এলেহুৱা মানুহ এজনে জীৱনত কেতিয়াও উন্নতি কৰিব নোৱাৰে। যদি এলেহুৱা মানুহ এজনে কাম-বন একো নকৰি ঘৰত ভিতৰত সোমাই বিচনাত শুই থাকে তেতিয়াহ'লে তেওঁ জীৱনত কেতিয়াও টকা-পইচা অৰ্জন কৰিব নোৱাৰিব। তেওঁৰ কামবোৰ পৰিয়ে থাকিব। সমাজৰ বাবেও একো কৰিব নোৱাৰিব। তেওঁ যদি সকলো ক্ষেত্ৰতে আগ ভাগ লৈ জীৱনত আগুৱাই যাবলৈ শ্ৰেষ্ঠ কৰিলেহেঁতেন, সমাজৰ উন্নতিৰ বাবে কাম কৰিলেহেঁতেন তেতিয়াহ'লে নিজৰ লগতে সমাজৰ উন্নতি হ'লহেঁতেন।

**সাঁথৰ ঃ** সাঁথৰ হৈছে দ্বৈত অৰ্থ বা অস্পষ্ট থকা এক বাক্য, প্ৰশ্ন বাক্য, প্ৰশ্ন বা খণ্ড-বাক্য, যাক প্ৰহেলিকাৰ ৰূপত সমাধান কৰিবৰ বাবে আগবঢ়োৱা হয়। কোনো এটা প্ৰশ্নৰ উত্তৰ পোনপটীয়াভাৱে নিবিচাৰি ইয়াত আওপকীয়াকৈ উত্তৰ বিচৰা মানুহজনক প্ৰশ্ন কৰা হয়। সাধাৰণতে প্ৰশ্নটোৰ মাজতে ইয়াৰ উত্তৰ সোমাই থাকে যদিও সেই কথা অলপ চিন্তা কৰিলেহে বিচাৰি পোৱা যায়। সাঁথৰসমূহ মানুহৰ মুখে-মুখে প্ৰচলিত হৈ থাকে আৰু সাধাৰণতে শিশুৰ মনোৰঞ্জনৰ কাৰণে ব্যৱহাৰ কৰা হয়।

উদাহৰণ ঃ “ক আইটি তপৰাই। কাটি নিলে বাঢ়ি যায়।।”

উত্তৰ ঃ সূতা।

“চুই চা চুই চা, চুই দিলে পইচা”

উত্তৰ ঃ কেৰেলুৱা”

**সাধু কথা ঃ** সাধুকথা অসমীয়া সাহিত্যৰ এটা বিশিষ্ট ভাগ। সাধুকথাবোৰ সাধাৰণতে এক অনিৰ্দিষ্ট ৰূপৰ এক লোক কথা। কিন্তু এইবোৰত এটা সজ নীতিকথা থাকে আৰু সেয়ে হয়তো এইবোৰ লোককথাক অসমীয়াত সাধুকথা বোলা হয়।

সাধুকথাবোৰ সাধাৰণতে আদিম অৱস্থাৰ পৰা বৰ্তমানলৈ চলিয়ে আছে। এইবোৰৰ কোনো ৰচক নাই, কোনো স্তৰ নাই। এইবোৰ গাঁৱলীয়া মানুহৰ মুখে মুখে প্ৰচাৰ হৈ আছে। মানুহৰ ভাব অনুভূতিবোৰ মানুহৰ মুখে মুখে প্ৰচাৰ হৈ সেইবোৰৰ দ্বাৰা বিভিন্ন সাধুকথা প্ৰকাশ কৰা হয়। প্ৰেম-প্ৰীতি, ঈৰ্ষা-অসূয়া, জনবিশ্বাস, কু-সংস্কাৰ আদি আদিম ভাব আৰু অনুভূতিসমূহৰ সৰল আৰু মুকলি প্ৰকাশ সাধুকথাৰ মাজেৰে হয়।

যুগ-যুগ ধৰি মানুহৰ মুখে-মুখে চলি অহা গীত-পদ, ফকৰা-যোজনা, সাঁথৰ, মালিতা, সাধুকথা আদিয়েই হ'ল এটা জাতিৰ লোক-সাহিত্য। ইয়াৰ মূল চালিকা শক্তি হ'ল— স্মৃতি। পৰিশ্ৰমকাৰী মানুহৰ গীত-মাত অসমীয়া লোকসাহিত্যৰ ভঁৰাল অতি চহকী। আৰম্ভণিৰ গৰ্ভৰ পৰা সেইবোৰ বুটলি বিশিষ্ট গৱেষক পণ্ডিতসকলে অকল অসমীয়া লোক-সাহিত্যৰ ভঁৰাল সমৃদ্ধ কৰাই নহয়— এই লোক-সাহিত্যয়ে উত্তৰ পুৰুষলৈ ৰাখি থৈ গৈছে এক উজ্জ্বল চানেকি। ●

গ্ৰন্থপঞ্জী

১। বৰুৱা, ড° বিৰিঞ্চি কুমাৰ ঃ অসমৰ লোক-সংস্কৃতি
২। ভট্টাচাৰ্য, ড° বসন্ত কুমাৰ ঃ অসমীয়া লোকগীত সমীক্ষা
৩। শৰ্মা, ড° সত্যেন্দ্ৰ নাথ ঃ অসমীয়া সাহিত্যৰ-সমীক্ষাত্মক ইতিবৃত্ত
৪। শৰ্মা, ড° হেমন্ত কুমাৰ ঃ অসমীয়া সাহিত্যত দৃষ্টিপাত, গুৱাহাটী- ১৫ আগষ্ট, ১৯৬৩
৫। শৰ্মা, ড° হেমন্ত কুমাৰ ঃ অসমীয়া লোকগীত সঞ্চয়ন।

দেউতাক ঃ তুমি ডাঙৰ হ'লে কি হ'বা?
পুত্ৰ ঃ এগৰাকী পশু চিকিৎসক হ'ব খোজো।
দেউতাক ঃ কিয় পশু চিকিৎসক হ'ব খোজা?
পুত্ৰ ঃ কিয়নো পশুৱে ভুল চিকিৎসাৰ বাবে কেতিয়াও অভিযোগ আনি চিকিৎসালয় ভাঙি-চিঙি লণ্ড-ভণ্ড কৰিব নোৱাৰে।

প্ৰবন্ধ



# ড° নিৰ্মলপ্ৰভা বৰদলৈ ঃ এটি অনন্য প্ৰতিভা

আমজল হক
পঞ্চম ষাণ্মাসিক, কলা

■আধুনিক অসমত জাকত-জিলিকা নাৰীৰ সংখ্যা পুৰুষৰ তুলনাত কম। পুৰুষতান্ত্ৰিক ভাৰতীয় সামন্তীয় ব্যৱস্থাত পুৰুষৰ প্ৰাধান্য অতি বেছি । অসমৰ সমাজ সেই ভাৰতীয় ব্যৱস্থাৰেই অংশ বিশেষ। তদুপৰি ভাৰতীয় সমাজৰ আধুনিকীকৰণ সম্পূৰ্ণ হ'বলৈ এতিয়াও বহু বাকী। অসমৰ দৰে তুলনামূলকভাৱে পশ্চাদপদ অঞ্চল এটাত এই বিকাশ অধিক দুৰ্বল বুলি ক'লেও বঢ়াই কোৱা নহয়। এই পৰিস্থিতি পঞ্চাশ বছৰৰ পূৰ্বে কিমান অধিক পশ্চাদপদ আছিল সেইটো সহজেই অনুমেয়। তেনে প্ৰতিকূল পৰিস্থিতত নাৰী সমাজৰ বাবে নিজকে আধুনিক শিক্ষা, বৌদ্ধিকতা, চিন্তা-চৰ্চা তথা কৰ্মৰাজিৰে সমৃদ্ধ কৰি সমাজৰ আগশাৰীত স্থান লাভ কৰিবলৈ সক্ষম হোৱাটো কেনে কঠিন আছিল সেইটো অনুমেয়। এই প্ৰতিকুল পৰিস্থিতিৰ মাজতো যি এমুঠি অসমীয়া নাৰীয়ে আধুনিক যুগত চমৎকাৰ তথা আধুনিক ৰীতিৰে নিজকে মহীয়ান কৰি সমাজৰ আগশাৰীত স্থান লাভ কৰিবলৈ সক্ষম হৈছিল তাৰেই এগৰাকী শ্ৰদ্ধেয়া ড° নিৰ্মলপ্ৰভা বৰদলৈ।

শিৱসাগৰৰ পুৰণা আমোলাপট্টিত ১৯৩৩ চনৰ ২০ জুনত জন্ম গ্ৰহণ কৰা নিৰ্মলপ্ৰভা বৰদলৈ আছিল ধৰ্মেশ্বৰ শৰ্মা বৰদলৈ আৰু মুক্তাৱালা বৰদলৈৰ জীয়ৰী। এক ৰক্ষণশীল সমাজৰ এটা অভিজাত পৰিয়ালৰ কন্যা ড° নিৰ্মলপ্ৰভা বৰদলৈক অধুনালুপ্ত অসমীয়া পৰম্পৰাৰে আগবিয়া দিয়া হৈছিল। কিন্তু কিশোৰী অৱস্থাতে তেওঁক অসৎ সুবিধাবাদী স্বামীৰ দ্বাৰা প্ৰাত্যাখিত হয়। এই সময়ত আসন্ন মাতৃত্বৰ দায়িত্ব নিজেই কান্ধ পাতি ল'ব খোজা আৰু নিৰ্মল প্ৰভাৰ পিতৃ -পৰিয়ালে তেওঁক আৱৰি ৰখাৰ বাবে স্থানীয় লোক, জ্ঞাতি-কুটুম্বই পৰিয়ালটোক সমাজচ্যুত কৰে। কিন্তু অসীম ধৈৰ্য, সাহস বুকুত লৈ নিৰ্মল প্ৰভাই প্ৰাইভেটকৈ মেট্ৰিক পৰীক্ষাত অৱতীৰ্ণ হয় আৰু সংস্কৃতত লেটাৰসহ সুখ্যাতিৰে উত্তীৰ্ণও হয়। তেওঁ সেই সময়ত নতুনকৈ প্ৰতিষ্ঠা হোৱা শিৱসাগৰ কলেজৰ পৰা আই.এ. পাছ কৰে। পৰৱৰ্তী কালত গুৱাহাটীৰ সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ পৰা সন্মানসহ স্নাতক পৰীক্ষাত উত্তীৰ্ণ হয়। পুৰুষতান্ত্ৰিক আৰু গোড়া সমাজখনত সকলো প্ৰতিকূলতা নেওচিও নিজ কন্যাক ভালদৰে গঢ় দিবলৈ সক্ষম হোৱা ড° বৰদলৈয়ে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ১৯৭২ চনত 'দি ট্ৰিটমেণ্ট অৱ নেচাৰ ইন আছামিচ পয়েট্ৰি' বিষয়ত ডক্টৰেট ডিগ্ৰী লাভ কৰে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগত অধ্যাপনা কৰি জৱাহৰলাল নেহৰু অধ্যাপক হিচাপে তেওঁ অৱসৰ গ্ৰহণ কৰে।

নিৰ্মলপ্ৰভা বৰদলৈ একাধাৰে প্ৰসিদ্ধ কবি, জনপ্ৰিয় গীতিকাৰ, ঔপন্যাসিক, শিশু সাহিত্যিক, শিক্ষাবিদ আৰু গৱেষক।

তেওঁৰ কবিতা আৰু গীতে কেইবা দশক ধৰি পাঠক আৰু শ্ৰোতাক মুগ্ধ কৰি আহিছে আৰু মুগ্ধ কৰি থাকিব। অসমৰ সমাজ জীৱনৰ ছন্দ তেওঁ ৰচনা কৰা গীত আৰু কবিতাত বাংগময় হৈ আছে। তেওঁৰ সূক্ষ্ম সন্ধানী মনে অসমৰ সাহিত্য-সংস্কৃতিৰ ঐতিহ্য অনুসন্ধান কৰিছিল। তেওঁৰ ৰোমাণ্টিক সৃজনী কল্পনা অতীত প্ৰীতিতে কেৱল আবদ্ধ নাছিল। অতীতৰ বুকুত এতিয়াও যি জীৱন্ত, তাৰ বুকুতে তেওঁ আধুনিক মানুহৰ জীৱনৰো আচহুৱা আৰু অনিয়মীয়া ছন্দৰ অন্বেষণ কৰে। তেওঁ গীতত বৰ্ণোৱা পৰিবেশ, পৰিস্থিতি আৰু কবিতাৰ ইন্দ্ৰিয়গ্ৰাহ্য চিত্ৰকল্পই গাঁও আৰু নগৰ সামৰি সামগ্ৰিকভাৱে অসমৰ সমাজ বাস্তৱত মূৰ্ত হৈ উঠে। অসমৰ সাংস্কৃতিক পৰম্পৰাক তেওঁ নিবিড়ভাৱে অনুভৱ আৰু উপলব্ধি কৰিছিল।

অসমীয়া সাহিত্যৰ ক্ষেত্ৰখনত লেখিকাৰ স্থান প্ৰান্তীয় (marginal) হৈ থকাৰ সময়তে নিৰ্মলপ্ৰভা বৰদলৈয়ে নিজক আগশাৰীৰ সাহিত্যিক হিচাপে প্ৰতিষ্ঠা কৰিছিল। সৃষ্টিশীল ৰচনাৰ সমানে তেওঁ সাহিত্য-সংস্কৃতিৰ গৱেষণাও আগবঢ়াই লৈ গৈছিল। তেওঁক নাৰীবাদী আখ্যা দিবলৈ অসুবিধা তেওঁৰ ৰচনাৰাজিৰ বিশালতাৰ বাবেহে। কিন্তু পুৰুষৰ আধিপত্যত থকা সাহিত্য জগতখনত তেওঁৰ কবিতাত নাৰী কণ্ঠস্বৰ সুতীব্ৰ। চিঠি, আইতা, দ্ৰৌপদী, গান্ধাৰী, গীতা আদি 'বনফৰিঙৰ ৰং' সংকলনত সন্নিবিষ্ট কবিতাত পৰম্পৰাগত নাৰীৰ মনৰ অৱস্থা মৰ্মান্তিক। সাহিত্য শব্দৰ খেল আৰু শব্দৰ সহায়তে এইজগত সম্পৰ্কে সচেতন হওঁ। বৰদলৈৰ এই শব্দ সাধনা আছিল চমৎকাৰ। অমিতাভ শব্দ সংকলনৰ 'শব্দ আৰু শব্দ' কবিতালৈ তেওঁৰ শব্দ সম্পৰ্কীয় উপলব্ধি। 'মই শব্দবোৰৰ মাজত শব্দবোৰ মোৰ মাজত/ শব্দবোৰৰ মাজত মই/ ধ্বনিবোৰে মোক কাতৰ কৰে/— মোক কৰে উত্তেজিত/— শব্দত ইমান তেজ/ শব্দত ইমান জুই । আনহাতে হিংসা, ঘৃণাই কৰ্দম কৰি তোলা সভ্যতাৰ বধ্যভূমিত কবিয়ে বন্দুকৰ শব্দৰ বিপৰীতে গান গোৱা চৰাই জাককে বিচাৰিছে। বন্দুকৰ শব্দত /ৰাতিপুৱায়নে /ওঁহো /পুৱায় সেই চৰাইটোৰ মাতত /যি কুটি খায় /ৰাতিৰ আন্ধাৰবোৰ /লাহে লাহে।

অসমীয়া সাহিত্য-সংস্কৃতিৰ ভঁৰাললৈ নিৰ্মল প্ৰভা বৰদলৈৰ যি মেটমৰা অৱদান, সেইবিলাক অনাদিকাললৈ আমাৰ গৌৰৱৰ স্থল হ'ব।

**নিৰ্মলপ্ৰভা বৰদলৈৰ ৰচনা সম্ভাৰ—**

**কলেজ-বিশ্ববিদ্যালয়ৰ কাৰণে ঃ** 'অসমৰ লোক সংস্কৃতি', 'কবিতাৰ কথা', 'অসমৰ লোক কবিতা', 'সাহিত্য আৰু সংস্কৃতি', 'কবিতা দেশী-বিদেশী', 'আধুনিক কবিতা', 'অসমীয়া চুটি গল্প', 'Assamese short story', 'কবিতা আৰু প্ৰকৃতি', 'কাৰ্বি সমাজ সংস্কৃতিত এচেৰেঙা', 'ৰবীন্দ্ৰনাথৰ গীত আৰু কবিতা', 'স্বাধীনতা সংগ্ৰামৰ গীত-মাত আৰু কথা', 'বৰগীতৰ কথা', 'যাত্ৰা আৰু অংকীয়া ভাওনা', 'দেৱী', 'শিৱ', 'সূৰ্য', 'গোপন সাধনা ৰাতিসেৱা'।

**সৃষ্টিমূলক তথা মৌলিক কাব্যপুথি ঃ** 'বন ফৰিঙৰ ৰং', 'সমীপেষু', 'দিনৰ পাছত দিন', 'অন্তৰংগ', 'সুদীৰ্ঘ দিন আৰু ঋতু', 'অমিতাভ শব্দ', 'শব্দৰ ইপাৰে শব্দৰ সিপাৰে', নিৰ্মল প্ৰভা বৰদলৈৰ নিৰ্বাচিত কবিতা, 'বন্ধুকো কি আৱাজ চে সুবহ হতী ক্যা', 'বসন্তৰ এদিন'।

**গানৰ সংকলন ঃ** 'সোণবৰণী আই', 'সূৰুযমুখ', 'এই মেলাতো'।

**উপন্যাস ঃ** 'জলপদ্ম'।

**শিশু সাহিত্য ঃ** 'চিল চিল চিলা বাগী চিলমিলা', 'অসমীয়া ওমলা গীত', 'কথাসৰিৎ সাগৰ', 'সুৱদী মাত', 'সুৰীয়া মাত', শিশু গীতি-নাট্য সংকলন, Five Freedom Fighters, 'মন উৰণীয়া', 'মানুহ (দহটা খণ্ড) 'সেউজী সেউজী' (নাট সংকলন) 'হায়', 'নাৰিকল পিঠা', (নাট সংকলন), 'জিকিমিকিৰ কথা', 'এনেহেন মৰমৰ দেশ', 'ৰজা', 'বন্ধু', 'গছে গছে পাতি দিলে ফুলৰে শৰাই'।

**নাটক, কাব্য, অপেৰা, সংগীতালেখ্য ঃ** 'মেঘদূত', (কাব্যনাট) ওৰণী (নৃত্য নাটিকা), 'তৃতীয় অংক (নাটক) 'অগ্নিগৰ্ভা' (নাটক) 'বেউলা' (নৃত্য নাটিকা), 'ফুলকোঁৱৰ' (সংগীতালেখ্য), 'মহাকাল' (পূৰ্ণাংগ নাটক), 'অশ্বকোষ' 'অপেৰা', 'সোণবৰণী আই' (নাট), 'পুতলা নাচ' (নাচ) 'মেঘমল্লাৰ' (অপেৰা), 'বিহুৰে বিৰিণা পাত

(সংগীতলেখ্য), 'ৰাগ বসন্ত' (সংগীতালেখা) 'বুকুৰ আপোন আই' (নৃত্য নাটিকা) 'হে অমিতাভ' (অপেৰা), 'কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ', 'চন্দ্ৰ কুমাৰ আগৰৱালা', 'অসমৰ জনজাতীয় গীত-মাত', 'মাজুলী' (সংগীতালেখ্য) 'আই' (নৃত্য নাটিকা), 'ৰঙালী' (সংগীতালেখ্য), 'ভোগালী' (সংগীতালেখ্য) 'জেংবিহু' (নৃত্য নাটিকা)।

Englsih Monograph : Rajani Kanta Bordoloi.

**আত্মজীৱনী ঃ** জীৱন জীৱন বৰ অনুপম।

**অনুবাদ সাহিত্য ঃ** 'তুলসী দাস', 'মীৰাবাঈ', 'বিন্দু আৰু হিন্দু', 'আমাৰ লাগতিয়াল গছ-গছনি', 'এছিয়াৰ সাধুকথা', 'উৰিষ্যাৰ লোক-সংস্কৃতি', 'অমৰত্ব আভাস' (ছোভিয়েট কবিতা) 'তাও তে চিং' (চাইনিজ কবিতা), 'নামঘোষা' (অসমীয়াৰ পৰা বাংলালৈ), ডাক ঘৰ (বাংলা নাটক), 'শব্দৰ আকাশ' (উড়িয়া কবিতা), 'শুভ বাৰ্তা' (বাইবেলৰ পৰা), 'প্ৰাৰ্থনা' (বাইবেলৰ পৰা), 'আলামেলুৰ হুতাহ', 'সিংহ পোৱালীয়ে গৰজিবলৈ শিকিলে', 'ময়ূৰৰ পাখীত থকা চকু', 'ৰাণী লক্ষ্মীবাই'।

**সম্পাদনা আৰু নিৰ্দেশনা ঃ** 'কবিতা মঞ্জৰী', 'এশ বছৰৰ অসমীয়া কবিতা', 'অসমীয়া ভাষা সাহিত্য', 'সংস্কৃতিত আৰ্য্যভিন্ন উপাদান', 'পাঞ্চালী বিবাহ, Mask's of Assamese (Documentary), 'Kamakhya' (English Documentary).

**কেচেট, ৰেকৰ্ড, গ্ৰামোফোন ৰেকৰ্ড ঃ** 'সেউজী বননি' (লংপ্লেয়িং ৰেকৰ্ড ড° ভূপেন হাজৰিকাৰ সৈতে), 'শুভ বাৰ্তা' (কেচেট), প্ৰাৰ্থনা (কেচেট), 'সাধু সাধু সাধু' (কেচেট), 'স্তুতি', 'নিৰ্মলপ্ৰভাৰ অমৰ গীত'।

১৯৫৭ চনত ভাৰতীয় শিশু সাহিত্য প্ৰতিযোগিতাত তেওঁৰ 'চিল চিল চিলা বাগী চিল মিলা' নামৰ শিশু পুথিখন পুৰস্কৃত হয়। ১৯৭৭ চন আৰু ১৯৮৯ চনত তেওঁ অসম উপত্যকা সাহিত্য বঁটা লাভ কৰে। ১৯৮৩ চনত কাব্যগ্ৰন্থ 'সুদীৰ্ঘ দিন আৰু ঋতু'ৰ বাবে সাহিত্য একাডেমী বঁটা লাভ কৰে। বিশেষকৈ কবিতাৰ মাজেৰে আন্তৰাষ্ট্ৰীয় খ্যাতি অৰ্জন কৰা ড° নিৰ্মল প্ৰভা বৰদলৈয়ে চীন, জাপান, জাৰ্মেনী, আমেৰিকাত অনুষ্ঠিত নানা আলোচনা চক্ৰ আদিত ভাগ লয়। ১৯৮৭ চনত তেওঁক অসম সংস্কৃত সমাজে 'সৰস্বতী' উপাধি প্ৰদান কৰে।

তেখেতে ২০০২ চনত লাভ কৰে প্ৰবীণা শইকীয়া বঁটা। সাহিত্য-সংস্কৃতি গৱেষণা আৰু শিক্ষাৰ ক্ষেত্ৰলৈ বৰঙণি আগবঢ়োৱা ড° নিৰ্মল প্ৰভা বৰদলৈ অধ্যাপিকা ৰূপেও গুৱাহাটী বিশ্ববিদ্যালয়ৰ শিক্ষাৰ্থীৰ মাজত জনপ্ৰিয় আছিল। উল্লেখযোগ্য যে এক অনন্য শৈলীৰ গীত ৰচনা কৰা ড° নিৰ্মল প্ৰভা বৰদলৈ গীতসমূহ অসমীয়া আধুনিক গানৰ ভঁৰালৰ অমূল্য সম্পদ। ড° ভূপেন হাজৰিকা, জয়ন্ত হাজৰিকা, দীপালী বৰপঠাকুৰ প্ৰমুখ্যে অলেখ নবীন-প্ৰবীণ শিল্পীৰ কণ্ঠত বাণীবদ্ধ ড° বৰদলৈৰ গীতসমূহৰ লগতে বহু অসমীয়া চলচিত্ৰৰ বাবে তেওঁ লিখা গীতসমূহে জনপ্ৰিয়তা লাভ কৰিছে।

১৯৯১ চনত দুধনৈত অনুষ্ঠিত অসম সাহিত্য সভাৰ ৫৭তম অধিবেশনত ড° বৰদলৈ সভানেত্ৰী নিৰ্বাচিত হৈছিল আৰু নলিনীবালা দেৱীৰ পিছত তেওঁ আছিল এই মৰ্যাদাসম্পন্ন আসন অলংকৃত কৰা দ্বিতীয়গৰাকী মহিলা সাহিত্যিক। এইগৰাকী প্ৰজ্ঞা আৰু সাধনাৰ স্ৰষ্টা মহীয়সী নাৰীয়ে চেতনালব্ধ অপৰিসীম শক্তিৰে সাহিত্যৰ বিষয়ে আগবঢ়োৱা কথাষাৰ প্ৰণিধানযোগ্য— "আত্মক্ষৰীধ্বংসতা, আত্মহত্যা, হত্যা আৰু মৃত্যুৰ বিপৰীতে জীৱনৰ সুস্থতা, শাশ্বত সততা আৰু পোহৰক তুলি ধৰি তীব্ৰভাৱে মানুহক চেতনাসম্পন্ন কৰিব পৰাটোহে সাহিত্যৰ লক্ষ্য হ'ব লাগে। অশালীন ৰুচি বিগৰ্হিত সাহিত্যই শুভ সমাজ গঠন কৰিব নোৱাৰে।"

অৰ্ধশতিকাজুৰি অসমীয়া সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰখনত নিজকে নিয়োজিত কৰি পাৰ্থিৱ জীৱনৰ ব্যস্ততা সামৰি ৭১টা বছৰৰ দীঘল বাটৰ শেষত তেওঁ ১ জুন, ২০০৪ত গুচি গ'ল চিৰকালৰ কাৰণে। জীৱনক, মানুহক, দেশক ভালপোৱা এটি সাংস্কৃতিক সুকুমাৰ মন আৰু লক্ষ্যত উপনীত হ'বৰ বাবে কঠোৰ সাধনা কৰিব পৰা ক্ষমতাৰ অধিকাৰিণী বৰদলৈৰ দেহাৱসানৰ লগে লগে অসমৰ সাহিত্য-সংস্কৃতিৰ আকাশৰ এটি উজ্জ্বল নক্ষত্ৰ চিৰ দিনৰ বাবে নিৰ্বাপিত হ'ল, তেওঁ আৰু ঘূৰি নাহে। গীতাত যদিও কৈছে 'ন হন্যতে হন্যমানে শৰীৰে'.., তথাপি 'আত্মাৰ সম্পৰ্কত কোৱা 'ন হন্যতে' কথাষাৰ আক্ষৰিক অৰ্থত সংশয়াত্মক; কিন্তু প্ৰতীকী অৰ্থত আমি এই কথা ক'ব পাৰোঁ যে ড° নিৰ্মল প্ৰভা বৰদলৈৰ শৰীৰ চিতাগ্নিত ছাই হৈ গ'ল





সঁচা, কিন্তু তেওঁৰ সত্তাৰ পোহৰ থাকি যাব। এই আশ্বাসেই সংস্কৃতিধন্য অসমীয়াৰ ওলাই অহা চকুপানী ৰোধ কৰিব। অসমীয়াৰ সাংস্কৃতিক জগতখনৰ এইগৰাকী মহীয়সী নাৰীৰ কণ্ঠস্বৰ তেওঁৰেই সৃষ্টিশীল ৰচনাৰাজিৰ প্ৰতিটো শব্দত জিলিকি থাকিব—


"শব্দটোত নয়ন; শব্দটোত পোহৰ
শব্দটোত সকলো গান
তোমাৰ হয়তো মৃত্যু হৈছে
মোৰ কাৰণে এই শব্দটোৰেই প্ৰাণ"

('শব্দ শক্তি'— নিৰ্মল প্ৰভা বৰদলৈ)






প্ৰবন্ধ



# প্ৰাচীন ভাৰতীয় সাহিত্যত ৰোমাণ্টিক উপাদান

**হীৰকজ্যোতি দাস**
প্ৰাক্তন সম্পাদক, প্ৰতিবিম্বন

■ভাৰতবৰ্ষীয় সমগ্ৰ ভাষাসমূহৰ জননী হৈছে সংস্কৃত। এই সংস্কৃত ভাষাতে ৰচিত হৈছে বেদ-উপনিষদ, ৰামায়ণ-মহাভাৰত প্ৰভৃতি মহাকাব্য, কালিদাস-ভৱভূতি, জয়দেৱ আদি মহাকবি সকলৰ কাব্য- নাটক আদি। এই সাগৰ সদৃশ বিশাল সাহিত্যৰাজিৰ মাজতেই সিঁচৰতি হৈ আছে ৰোমাণ্টিক ধ্যান-ধাৰণাৰ অলেখ উপকৰণ। সংস্কৃতৰ বটবৃক্ষৰূপী সাহিত্যৰাজিৰ মাজত বিচাৰি পোৱা যায় ৰোমাণ্টিচিজিমৰ প্ৰচুৰ সমল।

এনেকুৱা দৃষ্টিভংগীৰ পৰাই ক'ব পাৰি যে ৰোমাণ্টিকতা কোনো কালধৰ্ম নহয়, বৰং এটা বিশেষ মনোধৰ্মহে। স্মৰ্তব্য যে, কল্পনাৰ ঐশ্বৰ্য, আৱেগৰ গভীৰতা, সৌন্দৰ্য্যৰ নিবিড়তা আৰু সু-দূৰৰ ব্যঞ্জনা সাধাৰণভাৱে এইবোৰেই ৰোমাণ্টিক মনোভংগীৰ লক্ষণ বুলি স্বীকৃত হৈ আহিছে। ৰোমাণ্টিকতা কোনো ৰচনা ৰীতি নহয়, ই এক ধৰণৰ মানস প্ৰতীতিহে। ৰোমাণ্টিক কবি বা শিল্পীৰ সত্য চেতনা এই মানস প্ৰতীতিৰ প্ৰধান অৱলম্বন। কিন্তু সুদূৰৰ আকাংক্ষা, দুৰ্জ্জেয়ৰ প্ৰতি অভিসাৰ, অপ্ৰাপনীয়ৰ প্ৰতি ব্যাকুলতা-এইবোৰেই কোমাণ্টিক প্ৰকৃতিৰ মূল বৈশিষ্ট্য। ৰোমাণ্টিচিজিমৰ বৈশিষ্ট্য সম্পৰ্কে ক'ব পাৰি — "ব্যক্তি সত্বাৰ প্ৰাধান্য, সামগ্ৰিক দৃষ্টিত ৰোমাণ্টিচিজিমৰ বৈশিষ্ট্য সম্পৰ্কে ক'ব পাৰি — "ব্যক্তি সত্বাৰ প্ৰাধান্য, প্ৰকৃতিপ্ৰীতি, সাধাৰণ প্ৰাণী বা পদাৰ্থৰ প্ৰতি উদাৰ মনোভাৱ, বাস্তৱবিমুখিতা, অতীতৰ প্ৰতি শ্ৰদ্ধা আৰু ভৱিষ্যতৰ ৰঙীন কল্পনা, কল্পলোকৰ সৃষ্টিৰ সহায়ত আত্মমুক্তিৰ প্ৰচেষ্টা, প্ৰেম আৰু সৌন্দৰ্যৰ পূজা, জাগতিক সৌন্দৰ্যৰ প্ৰতি বিস্ময় বিমূঢ় দৃষ্টি, প্ৰিয়াৰ ৰূপ আৰাধনা আৰু বিশ্বপ্ৰকৃতিত প্ৰিয়াৰ ৰূপ দৰ্শন, অতীন্দ্ৰিয়বাদ, সুদূৰৰ আকৰ্ষণ, নীতিধৰ্মিতা, স্বদেশপ্ৰীতি, জীৱন ৰহস্য ভেদৰ বৌদ্ধিক প্ৰচেষ্টা" আদি ৰোমাণ্টিচিজিমৰ প্ৰধান লক্ষণ।

ৰোমাণ্টিচিজিমৰ উল্লিখিত স্বৰূপ লক্ষণ প্ৰাচীন ভাৰতীয় সাহিত্যত অনুপস্থিত নহয়। মৰ্ত্যচেতনা আৰু ভাগৱতচেতনা সুকীয়া আৰু সমন্বিত প্ৰকাশ ভাৰতীয় সাহিত্যত সণ্চালনিকৈ পোৱা যায়। বিশ্বজগতৰ আনন্দৰ মেলা, ইয়াত আছে অনন্ত মাধুৰী, অনন্ত গান। তৈত্তিৰীয় উপনিষদত কোৱা হৈছে ঃ আনন্দৰ পৰাই ভূতসমূহ জন্মিছে, আনন্দৰ দ্বাৰাই সিহঁত জীয়াই অৱশেষত আনন্দতেই সিহঁত বিলীন হৈ আছে ঃ

"আনন্দাদ্ধ্যেৱ খলিবমানি ভূতানি জায়ন্তে।
আনন্দেন জাতনি জীৱন্তি।
আনন্দং প্ৰযন্ত্যভি সংবিশন্ততি।"

ভাৰতীয় ঐতিহ্যৰ এই মৰ্ত্যচেতনা ৰবীন্দ্ৰনাথলৈকে প্ৰকাশিত। সেয়ে তেওঁ গাইছেঃ

"I have had my invitation to this world's festival and thus life has been blessed. My eyes have seen and my ears have heard."

গতিকে এক ৰোমাণ্টিক কাব্য আন্দোলনৰ মৰ্ত্ত্যপ্ৰেম আৰু ঈশ্বৰপ্ৰেম ভাৰতীয় চিন্তা চেতনাৰ তথা ঐতিহ্যৰ সৈতেও সম্পৃক্ত বিষয়।

ৰোমাণ্টিকতাৰ এটি বিশেষ লক্ষণ হ'ল প্ৰেমানুৰাগ। বিবাহতকৈ ৰোমাণ্টিক মনোভঙ্গীয়ে প্ৰেমৰ ওপৰতেই গুৰুত্ব দিছিল অধিক। বিবাহৰ প্ৰতি চূড়ান্ত অনীহাৰ মনোভাৱ প্ৰকাশ পাইছে শ্যেলীৰ জীৱনত। প্ৰেমক চিৰস্মৰণীয় কৰি ৰাখিবৰ বাবেই বিবাহৰ প্ৰতি ৰোমাণ্টিক কবিসকল আগ্ৰহী নাছিল। কাৰণ তেওঁলোকে ভালদৰেই জানিছিল যে, বিবাহবন্ধনে প্ৰেমৰ দুৰ্বাৰ গতিবেগ স্তিমিত কৰি পেলায়, প্ৰেমৰ উন্মাদনা আৰু আবেগ কমাই দি তাৰ অপমৃত্যু ঘটায়। বৈবাহিক জীৱনৰ যান্ত্ৰিকতাত অতীষ্ঠ হৈ বিবাহপূৰ্ব প্ৰেমপৰ্যায়ৰ কথা সুঁৱৰিছে প্ৰাচীন ভাৰতীয় নাৰী কবি শীলা ভট্টাৰিকাই ঃ

"যঃ কৌমাৰহৰঃ স এৱ হি বৰস্তাশ্চৈৱ চৈত্ৰক্ষপা
স্তে চোন্মীলিতমালতী সুৰভয়ঃ পৌঢ়াঃ কাদম্বানিলা।
মা চৈবাস্মি তথাপি তত্ৰ সুৰতঃ ব্যাপাৰ লীলা বিধৌ
ৰেবাৰোধসি বেতসীতৰুতলে চেতঃ সমোৎকণ্ঠতে।।"

ইয়াত পূৰ্বৰাগৰ পিছত দাম্পত্য জীৱনত হোৱা প্ৰেমৰ অপমৃত্যুৰ এক মৰ্মান্তিক আকুলতা প্ৰকাশ পাইছে। এনে ধৰণে বিবাহপূৰ্ব জীৱনত উচ্চলতাক সুঁৱৰি লিখা কবিতাক নিশ্চয় ৰোমাণ্টিক নহয় বুলি ক'ব নোৱাৰি।

সেইদৰে দ্বাদশ শতিকাত ৰচিত জয়দেৱৰ 'গীত গোবিন্দ'ত ধ্বনিত হৈছে যুগপৎ ৰাধা-কৃষ্ণ লীলাবিলাসক কেন্দ্ৰ কৰি সাধন সঙ্গীত, প্ৰকৃতি আৰু প্ৰেমৰ সঙ্গীত। তদুপৰি ৰোমাণ্টিক কবি কল্পনাৰ সৌন্দৰ্য্য আৰু প্ৰেম এইবোৰত লীলায়িত ভঙ্গীত উজলি উঠিছে। 'গীতিগোবিন্দ'ত প্ৰেমৰ যি চিত্ৰ ফুটি উঠিছে, সেয়া যেন ৰোমাণ্টিক নায়ক-নায়িকাৰ হৃদয়াকুলতাৰেই বহিঃপ্ৰকাশ। অভিমানী নায়িকাৰ অভিমান দূৰ কৰিবলৈ নায়কে যিদৰে অনুনয় কৰিছে, সি ৰোমাণ্টিক কল্পনাসমৃদ্ধ প্ৰেমত অৱগাহন কৰা নায়কৰ আকুলতাৰেই নামান্তৰ ঃ

"ত্বমসি মম ভূষণং ত্বমসি মম জীৱনম
ত্বমসি মম ভৱজলধিৰত্নম্
ভৱতু ভৱতীহ ময়ি সততমনোৰোধিনী
তত্ৰ মম হৃদয়মতিযত্নম্।।"

—অৰ্থাৎ তুমিয়েই মোৰ বিভূষণ, তুমিয়েই মোৰ প্ৰাণ, তুমিয়েই মোৰ ৰতন। মোৰ আন্তৰিক ইচ্ছা এয়ে যে, তুমি সদায়েই মোৰ প্ৰতি অনুৰক্তা হৈ থাকা।

লৌকিক নায়ক-নায়িকাসুলভ এই আচৰণ ৰোমাণ্টিক আবেগ বৈচিত্ৰ্যেৰে পৰিপূৰ্ণ। মান-অভিমান, বিৰহ-মিলনৰ কবি জয়দেৱে জীৱনৰ এই সূক্ষ্ম তথা গভীৰ অনুভূতিসমূহক প্ৰকাশ কৰিবলৈ যোৱাত তেওঁৰ কণ্ঠত ধ্বনিত হৈছে ৰহস্যৰ সুৰ। 'গীতগোবিন্দ'ৰ তৃতীয় সৰ্গৰ যি বিৰহ কাতৰতাৰ চিত্ৰ আছে, সিয়ে আধুনিক ৰোমাণ্টিক কবিৰ গীত ক্ৰন্দনকেৰ (Lyrical cry) সোঁৱৰাই দিয়েঃ

"কিং কৰিষ্যতি কিম বদিষ্যতি সা চিৰং বিৰহেন
কিং ধনেন জনেন কিং মম জীৱিতেন গৃহেণ।"

"এই বিচ্ছেদত তেওঁ কি কৰিব? কি ক'ব? প্ৰিয়তমাক নাপালে মোৰ ধনৰ কি প্ৰয়োজন? বন্ধু বান্ধৱৰেই বা কি আৱশ্যক? সুখ ভোগৰেই বা কি ফল?"— এই বিৰহ ব্যাকুলতাৰ মাজত যি আবেগৰ তীব্ৰতা প্ৰকাশ পাইছে তাৰ মৰ্মবাণীয়েই হ'ল ৰোমাণ্টিক আকুলতা।

ৰোমাণ্টিক কবিসকলে বিচ্ছেদ-বিৰহকো প্ৰেমৰ চিৰন্তন আবেগৰ অঙ্গীভূত কৰি লৈছিল। ৰোমাণ্টিক অভিধামতে বিচ্ছেদে প্ৰেম ধ্বংস নকৰে, মাথো শাৰীৰিক ব্যৱধানহে আঁতৰায়। এনে কি বিৰহে প্ৰেমৰ বোলেৰে সনা প্ৰেমিক মনৰ সকলো ৰূপ জেউতি নিষ্প্ৰভ কৰিব নোৱাৰে। ৱৰ্ডৰ্চৱৰ্থ, শ্বেলী, ৰবীন্দ্ৰনাথ প্ৰভৃতি সকলো ৰোমাণ্টিক কবিৰ মাজতেই মিলনতকৈ বিৰহৰ শ্ৰেষ্ঠত্ব ঘোষিত হোৱাৰ প্ৰমাণ পোৱা যায়। ৱৰ্ডৰ্চৱৰ্থৰ, 'লুচী'ৰ মৃত্যুৰ পাছতো কবিৰ মনত লুচীৰ অস্তিত্ব শেষ হৈ যোৱা নাই, বৰং পূৰ্বতকৈ প্ৰকট হৈ উঠিছে। কবিয়ে লুচীক দেখা পাইছে বিশ্ব চৰাচৰৰ সকলোতে ঃ

"No motion has she now, no force;
She neither hears no sees;

Roll'd round in earth's diurnal course
with socks, and stones and streets!"

সেইদৰে ৰবীন্দ্ৰনাথৰ কবিতাতো পোৱা যায় বিৰহৰ ব্যাপ্তিৰ কথা ঃ

"মিলনে আছিল বাঁদা
শুধু এক ঠাই, বিরহে টুটিয়া বাঁধ
আজি বিশ্বময় ব্যাপ্ত হ'য়ে গেছে প্ৰিয়ে
তামারে দেখিতে পাই সৰ্বত্ৰ চাহিয়ে।"

ৰোমাণ্টিক কবিসকলৰ এই বিৰহ বন্দনা পোৱা যায় ভাৰতীয় প্ৰাচীন সাহিত্যতো ঃ

"সংগম বিৰহ বিকল্পে বৰমিহবিৰহো ন
সঘ্গমস্তস্যা ঃ
সংগমে সৈব তথৈৰা ত্ৰিভূৱনমপি তময়ং বিৰহে।।"

ৰোমাণ্টিক কবিতাৰ এটা বিশেষ দিশ হৈছে প্ৰকৃতিচিত্ৰণ। এই প্ৰকৃতিও ৰোমাণ্টিক কবিতাত বিভিন্ন ৰূপত চিত্ৰিত হয়। প্ৰকৃতিৰ মানৱায়ন, প্ৰকৃতিলৈ প্ৰত্যাৱৰ্ত্তনৰ অভীপ্সা (Return to nature), প্ৰকৃতিৰ ৰূপমুগ্ধতা, প্ৰকৃতিৰ গতিশীলতা, প্ৰকৃতিৰ মাজত প্ৰিয়তমাৰ ৰূপ দৰ্শন ইত্যাদি বিভিন্ন ৰূপত প্ৰকৃতিয়ে ৰোমাণ্টিক কবিতাত স্থান পায়। ৰোমাণ্টিক কবিসকলৰ প্ৰকৃতিৰ প্ৰতি যি আকুলতা— এই আকুলতা প্ৰাচীন ভাৰতীয় সাহিত্যৰ ছত্ৰে ছত্ৰে প্ৰতিফলিত হৈছে। সংস্কৃত সাহিত্যত এনে এজন কবি হয়তো বিচাৰি পোৱা নাযাব— যাৰ কাষত অলপ হ'লেও প্ৰকৃতিৰ মোহময় মুৰুতিয়ে ভুমুকি মৰা নাই। প্ৰকৃতিৰ যি মানৱায়ন প্ৰৱণতা ৰোমাণ্টিক সাহিত্যত বিদ্যমান, কালিদাসৰ ৰচনাতো এই প্ৰৱণতা ৰোমাণ্টিক কবিৰ তুলনাত কোনো গুণেই কম নহয়। 'ঋতুসংহাৰ'ত তৃতীয় সৰ্গৰ প্ৰাৰম্ভতে ন- বোৱাৰীৰ দৰে শৰৎ ঋতুৰ মনোমোহা ৰূপৰ কল্পনা কবিয়ে নিজৰ হৃদয়ত অনুভূতিৰে এনেদৰে প্ৰকাশ কৰিছে ঃ

"কাশাংশুকা বিকচপদ্ম মনোজ্ঞাবক্ৰা
সেন্মোদহংস-ৰব-নূপুৰনাদৰম্যা।
আপক্কশালিৰুচিৰানত গাত্ৰ মষ্টি
প্ৰাপ্তা শৰন্নৱ বধুৰিৱ ৰূপৰম্যা।।"

"কাশফুলৰ দৰে যাৰ পৰিধান, প্ৰফুল্ল পদ্মৰ দৰে যাৰ মুখ, উন্মত্ত হংসৰ মাতৰ দৰে যাৰ নূপুৰৰ ধ্বনি, পকা শালিধানৰ দৰে সুন্দৰ যাৰ ক্ষীণ দেহলতা, অপৰূপ যাৰ আকৃতি সেই ন বোৱাৰী সদৃশ শৰৎকাল পাইছেহি।"

প্ৰকৃতিলৈ প্ৰত্যাৱৰ্ত্তন অভীপ্সা ৰোমাণ্টিক প্ৰকৃতিৰ কবিতাৰ অন্যতম দিশ। প্ৰকৃতিৰ সৈতে মানুহৰ আকস্মিক সম্পৰ্কৰ উপলব্ধিয়ে ৰোমাণ্টিক কবিসকলক বাস্তৱ পৃথিৱী বিমুখ কৰি প্ৰকৃতিৰাজ্যত আশ্ৰয় গ্ৰহণ কৰিবলৈ অনুপ্ৰেৰিত কৰিছিল। বাস্তৱ পৃথিৱীখন দ্বন্দ্ব-সংঘাতৰে পৰিপূৰ্ণ, সেয়ে শান্ত সমাহিত জীৱন-যাপনৰ পক্ষপাতী ৰোমাণ্টিক কবিসকলে ব্যৱহাৰিক বাস্তৱ জীৱনৰ যান্ত্ৰণাকাতৰতাৰ পৰা আঁতৰি গৈ প্ৰকৃতিৰ আদিম জীৱনধাৰাত আশ্ৰয় লোৱাৰ প্ৰৱণতা গ্ৰহণ কৰিছিল। বাস্তৱৰ নিষ্ঠুৰ পৰিবেশ যেতিয়াই অসহনীয় হৈ উঠে তেতিয়াই ৰোমাণ্টিক কবিসকলে প্ৰকৃতিৰ সান্নিধ্যৰ বাবে ব্যাকুল হৈ উঠে। যন্ত্ৰ যুগৰ নিৰ্মমতাত অতীষ্ঠ হৈ আধুনিক যুগৰ কবি ইয়েটছেও (W.B. Yests) The White Bird নামৰ কবিতাত চৰাইৰূপে আশ্ৰয় ল'ব খুজিছে প্ৰকৃতিৰ নিবিৰ কোলাত। প্ৰকৃতিৰ প্ৰতি মানুহে ভাল পোৱা প্ৰদৰ্শন কৰিলে প্ৰকৃতিয়ে তেওঁক কেতিয়াও বিশ্বাস ঘাতকতা নকৰে। প্ৰকৃতিৰ এই স্বভাৱ ধৰ্মৰ কথা ৱডৰ্ছৱৰ্তে বৰ্ণনা কৰিছে এনেধৰণেঃ

"Nature never did betray
the heart that loved her in her privilage
Though, all the years of this our life, to lead
from joy to joy"

কালিদাসৰ 'অভিজ্ঞান শকুন্তলম্' নাটকত শকুন্তলাই তপোবন এৰি পতি গৃহলৈ যাত্ৰা কৰাৰ সময়ত তেওঁৰ প্ৰতিবেশীসকল বৃক্ষ বা বনস্পতি, বনজ্যোৎস্নাদি লতাবিতপ, হৰিণী, মৃগপোটক, ময়ূৰ, কুলি প্ৰভৃতি জীৱই শোকগ্ৰস্ত হৈছে। এয়া যেন 'Nature ever did betray the heart that loved her' তেওঁ যাবলৈ ওলোৱাত বনস্পতিসমূহে উপহাৰ দিছে ঃ

"ক্ষৌমং কেনচিদিন্দুপাণ্ডু তৰুণা মাঙ্গল্যমাৱিষ্কৃতং
নিষ্ঠ্যুতশ্চৰণো পৰোগসুলভো লাক্ষাৰসঃ কেনচিৎ।
অন্যেভ্যো বনদেৱতা কৰতলৈৰা পৰ্বভাগোত্থিতৈ
দ স্তান্যাভৰানানি তৎকিললয়োদভে প্ৰতিদ্বন্দিতি।।"

প্ৰকৃতিৰ প্ৰতি এই আত্মিক আকুলতা ৰোমাণ্টিক বিলাসৰেই নামান্তৰ।

ৰূপ- ঐশ্বৰ্য্যৰ আৰাধনাও ৰোমাণ্টিচিজিমৰ অন্যতম বিশেযত্ব। কীটচৰ কবিতাত নায়কে নায়িকাৰ দেহ সৌন্দৰ্য্য আৰু আত্মাৰ প্ৰতি দেখুওৱা আকুলতা এইদৰে ফুটি উঠিছে—

"O let me have the whole-all-all be mine!
That shape, that fairness, that sweet minot zest,
Of love, your kiss,- Those hands,
those eyes devine,
That warm, white, lucent, million-pleasured breast,
With hold no atom's atom or I die."

সংস্কৃত সাহিত্যতো ৰূপ-ঐশ্বৰ্য্যৰ বৰ্ণনা উভৈনদী। নৈষধ চৰিতৰ প্ৰণেতা শ্ৰীহৰ্ষই দময়ন্তীৰ অলৌকিক সৌন্দৰ্য্যৰ চমৎকাৰ চিত্ৰ দাঙি ধৰিছে ঃ

"হৃতসাৰসিবেন্দুমণ্ডলং দময়ন্তীবদনায় বেধনা।
কৃতমধ্যবিলং বিলোক্যতে ধৃতগম্ভীৰ ধনীখনীলিম।"

অৰ্থাৎ, "দময়ন্তীৰ মুখমণ্ডল তৈয়াৰ কৰাৰ বাবে ব্ৰহ্মাই চন্দ্ৰক হৰণ কৰি তাৰ তত্ত্ব উদ্‌ঘাটন কৰিছে। ফলত মাজত ছিদ্ৰ হোৱা বাবে তাৰ সেই পাৰৰ আকাশৰ নীলিমা দেখা হৈছে।"

দময়ন্তীৰ শৰীৰত প্ৰতিভাত হোৱা কাম আৰু যৌৱনৰ প্ৰতীক স্তনযুগলৰ বৰ্ণনা হৰ্ষই এনেদৰে দিছে ঃ

"অপি তদ্বপুষি প্ৰসৰ্পতোৰ্গমিতে কান্তিঝৰৈৰগাধতাম।
স্মৰযৌৱনয়োঃ খলু দ্বয়োঃ প্লৱকুম্ভৌ ভৱতঃ
কুচাবুভৌ।।"

অৰ্থাৎ "দময়ন্তীৰ শৰীৰৰ কান্তি অনেক নিজৰাৰ সমাবেশেৰে ধৌত হৈ গ'ল। তাত বিচৰণ কৰা লোকসকলে ডুবি যোৱাৰ ভয়ত ভীত। কিন্তু দময়ন্তীৰ অঙ্গ-প্ৰত্যঙ্গত কাম আৰু যৌৱনৰ সঞ্চাৰ হৈছে। এই কাম আৰু যৌৱন ডুবাৰ পৰা কেনেদৰে পৰিত্ৰাণ পায়। ইয়াত সাঁতুৰিবৰ বাবে দুটা কলহ পোৱা গৈছে। সেই দুটাই হৈছে দময়ন্তীৰ স্তন। তাৰ সহায়েৰে কাম আৰু যৌৱন তেওঁৰ শৰীৰৰূপী সৰোবৰত স্বচ্ছন্দমনে সাঁতুৰি আছে।"

এই আকাশলঙ্গী দীপ্ত কল্পনাক ৰোমাণ্টিক কল্পনাতকৈ কম বুলিব পাৰিনে?

এইদৰে বিচাৰ কৰিলে বহুতো ৰোমাণ্টিক উপাদান প্ৰাচীন ভাৰতীয় সাহিত্যত বিচাৰি পোৱা যাব। আমি দুই এটা উদাহৰণেৰে বিষয়টো মাত্ৰ দাঙি ধৰাৰহে প্ৰয়াস কৰিছোঁ। সেয়ে ক'ব পাৰি— ৰোমাণ্টিকতা একান্তভাৱে আধুনিক কালৰ সৃষ্টি আৰু আধুনিকতাৰ লগতহে ই অঙ্গাঙ্গীভাৱে জড়িত— এনে ধাৰণা সামগ্ৰিক বিচাৰত সত্য নহয়। ৰোমাণ্টিকতা আধুনিকতাৰ এটা বিশেষ লক্ষণ হ'লেও প্ৰাচীন সাহিত্যত ৰোমাণ্টিকতা নাই— এই কথা মানি ল'ব নোৱাৰি। প্ৰাচীন সাহিত্যৰ কোনো কোনো দিশত ৰোমাণ্টিকতা এনেদৰে পৰিস্ফুট হৈ উঠিছে যে, সেইবোৰক ৰোমাণ্টিক মনোধৰ্মৰেই বহিঃপ্ৰকাশ বুলিব পাৰি। গতিকে ৰোমাণ্টিকতা কোনো কাল ধৰ্ম নহয়, বৰং এটা বিশেষ মনোধৰ্মহে। "ই কোনো বিশেষ সাহিত্যিকগোষ্ঠীৰ সুনিৰ্দিষ্ট মতবাদ নহয়। সাহিত্য তথা শিল্পকৰ্মৰ আধাৰত ই এক বিশেষ মনোভঙ্গী অথবা মেজাজৰহে প্ৰকাশ।" গতিকে প্ৰাচীন ভাৰতীয় সাহিত্য, মধ্যযুগৰ সাহিত্য, প্ৰাচীন ভাৰতীয় সাহিত্য, মধ্যযুগৰ সাহিত্য, আধুনিক সাহিত্য— সকলোতে ৰোমাণ্টিক লক্ষণ থাকিব পাৰে। ●


**সহায়িকা পুথি ঃ**

(ক) সংস্কৃত সাহিত্যৰ ইতিবৃত্ত — ড° থানেশ্বৰ শৰ্মা
(খ) সংস্কৃত সাহিত্যৰ বুৰঞ্জী— হৰমোহন দেৱগোস্বামী।
(গ) সংস্কৃত সাহিত্যৰ জিলিঙনি— কামাখ্যাচৰণ ভাগৱতী।
(ঘ) History of Indian literatura- N. Winternitz.
(ঙ) Ramanticiom - L. Abercrombie
(চ) ৰমন্যাসবাদ — ড° মহেন্দ্ৰ বৰা
(ছ) সংস্কৃত সাহিত্য আৰু ৰঘুনাথ চৌধাৰী— ড° উমেশ ডেকা

প্ৰবন্ধ




# অসমীয়া সংবাদ পত্ৰ আৰু আলোচনীৰ এটি ৰূপৰেখা

বিপুল ৰাভা
তৃতীয় যাণ্মাসিক, কলা

■ অসমীয়া সাহিত্যৰ ইতিহাস হাজাৰ বছৰৰ ক্ৰমবিৱৰ্তনৰ ফল। বিভিন্ন যুগৰ মাজেদি বগুৱা বাই অহা অসমীয়া সাহিত্য বৰ্তমানৰ অৱস্থা প্ৰাপ্তিত সংবাদ পত্ৰ আৰু আলোচনীৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। অসমীয়া বাৰ্তালোচনী বা সংবাদ পত্ৰয়ে অসমীয়া ভাষা-সাহিত্যৰ বিকাশত নতুন নতুন চিন্তা চৰ্চাৰ সমল যোগাই আহিছে। সংবাদ পত্ৰৰ জৰিয়তে বিভিন্নজন লেখকৰ ব্যক্তিগত প্ৰতিভাৰ পূৰ্ণবিকাশ হৈছে আৰু সাহিত্যৰ এটা নতুন যুগৰো সৃষ্টি হৈছে। 'অৰুণোদই যুগ', 'জোনাকী যুগ' বা 'ৰামধেনু যুগ' ইয়াৰ প্ৰকৃষ্ট উদাহৰণ।

একবিংশ শতিকাৰ অতি ব্যস্ততাৰ এই সময়ছোৱাত মানুহৰ অৱসৰৰ সময় নোহোৱাই হৈছে। সেয়েহে ব্যস্ত মানুহে সংবাদ পত্ৰত আলোচনাৰ পৰা বিশ্বৰ বা-বাতৰি লোৱাৰ লগতে কাহিনী সংবাদকে মুখ্য কৰি ঐতিহাসিক, ৰাজনৈতিক, সামাজিক, আৰ্থিক চুটি প্ৰবন্ধৰাজি পঢ়ি মনৰ খোৰাক পাইছে। আনহাতে বিজ্ঞানৰ যুগটোত বিজ্ঞানৰ বিবিধ সংবাদে ছাত্ৰ-ছাত্ৰী তথা অন্যান্য সকলো লোককে বিজ্ঞানৰ প্ৰতি ধাউতি যোগাইছে। সংবাদপত্ৰ, আলোচনীবিলাকত বহুজনৰ বিভিন্ন ভাবধাৰা, ৰচনাশৈলী আদিয়ে এটা সাহিত্যিক ৰূপ দিয়ে, কিন্তু এটা প্ৰশ্ন হয়— বাতৰিৰ সংবাদবিলাক সাহিত্যৰ শাৰীত পৰেনে নপৰে? এটা সংবাদ লিখোঁতে যদি সংবাদ দাতাজনে শুদ্ধ, সাৱলীল, ৰসাল কৰি বাতৰিটো লিখে, তেন্তে সি সাহিত্যই নিশ্চয় চাগৈ। গতিকে সংবাদকো সাহিত্য হিচাপে ধৰি ল'ব পাৰি। ১৮৪৬ চনৰ জানুৱাৰী মাহৰ অসমীয়া সাহিত্যৰ প্ৰথম সংবাদপত্ৰ 'অৰুণোদই' প্ৰকাশেৰে অসমীয়া সাহিত্যত এটা নৱযুগৰ সূচনা হয়। অসমীয়া ভাষাৰ প্ৰথম বাৰ্তালোচনী হিচাপে 'অৰুণোদই' প্ৰকাশ হৈছিল শিৱসাগৰৰ পৰা। ১৮৩৩ চনত নাথান ব্ৰাউন আৰু ও.টি. কটৰে ছপাশালৰ যন্ত্ৰ আনি শিৱসাগৰত স্থাপন কৰেহি। ১৮৪৬ চনত বেপ্তিষ্ট মিছনেৰীসকলে এই সংবাদপত্ৰৰ জৰিয়তে অসমীয়া সংবাদ সাহিত্যৰ ধাৰাক উন্মোচিত কৰে। অৰুণোদয়ৰ প্ৰথমজন সম্পাদক আছিল ড° নাথান ব্ৰাউন। ১৮৪৬ চনৰ জানুৱাৰীৰ পৰা ১৮৫০ চনলৈ 'অৰুণোদই' সংবাদ পত্ৰ আৰু ১৮৫১ চনৰ জানুৱাৰী মাহৰ পৰা মাত্ৰ 'অৰুণোদই' বুলিহে উল্লেখ কৰা হৈছিল। 'অৰুণোদই' কেৱল খ্ৰীষ্টান ধৰ্ম প্ৰচাৰৰ মুখপত্ৰ নাছিল। ইয়াৰ পিছত ১৮৮২ চনৰ পৰা ১৮৮৫ চনলৈকে হেমচন্দ্ৰ বৰুৱাৰ সম্পাদনাত কাকতখন গুৱাহাটীত ছপা হৈছিল। ১৮৮৯ চনৰ ১৩ জানুৱাৰীত নৱন্যাস যুগৰ





বাটকটীয়া 'জোনাকী' প্ৰকাশ হয়। ইয়াৰ স্বত্বাধিকাৰী আৰু কাৰ্যাধ্যক্ষ চন্দ্ৰকুমাৰ আগৰৱালা আছিল, সম্পাদনাত আছিল সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা। ১৮৯২ চনত কলিকতাত জন্ম লাভ কৰা 'বিজুলী'ৰ সম্পাদক আছিল কৃষ্ণ প্ৰসাদ দুৱৰা। ১৯০৯ চনত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ সম্পাদনাত 'বাঁহী' আলোচনীৰ জন্ম হয়। এই দুয়োখন আলোচনী জোনাকীৰ নৱজন্ম বুলিব পাৰি। সমসাময়িক ভাষা আৰু সাহিত্য আৰু সামাজিক সমস্যাবোৰৰ সমালোচনাই দুয়োখন কাকতে ঠাই পাইছিল। ১৯৪৪ চনত আলোচনী বাঁহী বন্ধ হৈ যায়। ১৯২৮ চনত অসমীয়া ভাষাৰ প্ৰথম মহিলা আলোচনী 'ঘৰ জেউতী' প্ৰকাশ হৈছিল শিৱসাগৰৰ পৰা। ইয়াৰ সম্পাদিকা আছিল ঁকমলালয়া কাকতী আৰু ঁকনকলতা চলিহা। সেই সময়ত মহিলাসকলৰ ই এক সাহসী পদক্ষেপ আছিল। ১৯৬১ চনত বীৰেন বৰকটকীদেৱৰ সম্পাদনাত প্ৰকাশ হৈছিল 'হিমাচল'। সাহিত্য সংস্কৃতি বিষয়ত 'হিমাচল' মাত্ৰ চাৰিটা সংখ্যাহে প্ৰকাশ হৈছিল। প্ৰবচন আৰু জীৱন বৃত্ত চলোৱা 'অৰুণোদয়'ৰ মুখ্য উদ্দেশ্য আছিল। ডেৰশ বছৰ ধৰি কানি বৰবিহে অসমীয়া জাতিটোৰ জীৱনীশক্তি নিঃশেষ কৰি পেলাইছিল। অৰুণোদয়ে তাৰ বিৰুদ্ধে গীতো প্ৰচাৰ কৰিছিল। "অৰুণোদই" অসমীয়া জাতিৰ অৰ্থনৈতিক, ৰাজনৈতিক, সামাজিক আদি সকলো দিশ সামৰি লৈছিল। মুঠতে অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি প্ৰথিতযশা সাহিত্যিক অতুল চন্দ্ৰ হাজৰিকাৰ ভাষাত ক'বলৈ হ'লে— "অৰুণোদই মৃত্যুৰ পাছতো থাকি গ'ল আৰু আগলৈকো থাকিব। সাহিত্যৰ নৱযুগৰ পথ প্ৰদৰ্শিকা আৰু এটা ভোতা তৰা হৈ।" — সঁচাকৈয়ে অসমীয়া ভাষা সাহিত্যৰ ইতিহাসত 'অৰুণোদয়ৰ যুগ' এক স্বৰ্ণমণ্ডিত যুগ।

প্ৰথম সংবাদ পত্ৰ 'অৰুণোদয়'ৰ পিছত উনবিংশ শতিকাৰ সময় ছোৱাত অসমত বিবিধ সংবাদপত্ৰ আৰু আলোচনীয়ে অসমীয়া ভাষাক সমৃদ্ধ কৰি আহিবলৈ ধৰিলে, ১৮৭১ চনত আউনী আটীৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰী দণ্ডদেৱ গোস্বামী প্ৰভুয়ে সত্ৰত 'ধৰ্ম প্ৰকাশ' যন্ত্ৰ স্থাপন কৰি 'আসাম বিলাসিনী' নামে অসমৰ দ্বিতীয় সংবাদ পত্ৰখন উলিয়ায়। পাশ্চাত্য শিক্ষাৰ আওভাও নোপোৱা সত্ৰাধিকাৰজনাই ৩৩ বছৰ বয়সত সত্ৰীয়া পৰিবেশৰ কিন্তু সাহিত্য-সংস্কৃতিৰ ন ন বিষয়বস্তু আৰু গল্প, কবিতাৰ উন্নত ৰূপেৰে আলোচনীখনক মুখপাঠ্য কৰি তুলিছিল। অসমীয়া ভাষা আৰু সাহিত্যৰ নতুন জাগৰণত ইন্ধন যোগোৱা কবি, সাহিত্যিক পদ্মধৰ চলিহাদেৱৰ পৃষ্ঠপোষকতাত জন্ম হৈছিল জাতীয়তাবাদী বাৰ্তালোচনী 'অসমজ্যোতি' (১৯৬৭)।

পঞ্চম দশকৰ শেষৰফালে জ্ঞানপীঠ বঁটা লাভ কৰা কবি, ঔপন্যাসিক, গল্প লেখক, তথা সাংবাদিক শ্ৰদ্ধেয় বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ সম্পাদনাত 'ৰামধেনু' আলোচনী প্ৰকাশ হয়। ইয়াৰে অসমীয়া সাহিত্যত 'ৰামধেনুৰ যুগ'ৰ শুভাৰম্ভ। ৰামধেনুৰ পিছত এখেতৰ সম্পাদনাত ১৯৩৬ ৰ পৰা ১৯৬৭ চনলৈকে 'সাদিনীয়া নৱযুগ' খনো প্ৰকাশ হয়।

সংবাদপত্ৰ বা আলোচনীৰ দুৰৱস্থা দেখি শ্ৰদ্ধেয় সত্যেন্দ্ৰনাথ শৰ্ম্মাই কৈছিল "অসমীয়া সংবাদপত্ৰ, আলোচনী, কাকত বেছি দিন নিটিকে। ইয়াৰ প্ৰধান কাৰণ হ'ল কাকতৰ অনিয়মিত প্ৰকাশ আৰু গ্ৰাহকৰ বৰঙণি দিয়াৰ উদাসীনতা। প্ৰকাশ প্ৰতিষ্ঠানৰ অভাৱো অন্যতম কাৰণ।" অৱশ্যে সত্তৰৰ দশকৰ মাননীয় শৰ্ম্মাদেৱৰ মন্তব্যৰ পৰা বৰ্তমান অসমীয়া পঢুৱৈয়ে ফালৰি কাটি অহা দেখা যায়। অসম আন্দোলন আৰম্ভ হোৱাৰ লগে লগে বাতৰি-আলোচনীৰ সংখ্যা অসমত বহুত বাঢ়িল, চাহিদাও বাঢ়িছে। সাহিত্য-সংস্কৃতিকে মুখ্য কৰি বিভিন্ন আলোচনা প্ৰকাশৰ যি প্ৰয়াস, তাত ইন্ধনযোগাইছিল সমসাময়িক ধ্যান-ধাৰণা আৰু মঞ্চ, চলচিত্ৰৰ প্ৰতি থকা মানুহৰ বিশেষ অনুৰাগে।

সংবাদ পত্ৰক গণতন্ত্ৰৰ চতুৰ্থটো স্তম্ভৰূপে আখ্যা দিয়া হৈছে। গণতন্ত্ৰৰ সবাটোতকৈ সজাগ আৰু সংযোগৰ মাধ্যম হিচাপে সংবাদ সেৱাই বিশেষ ভূমিকা লৈ আহিছে। কোনো দলক প্ৰশাসনৰ গাদীৰ পৰা নমাবলৈ, জনগণে দলীয় নেতাসকলতকৈ সংবাদ মাধ্যমৰ ওপৰত বেছি গুৰুত্ব আৰোপ কৰে। বৃটিছ চৰকাৰক ভাৰত ত্যাগ কৰিবলৈ বাধ্য কৰোৱা, স্বাধীনতা আন্দোলনৰ সৈনিকসকলক গান্ধী, নেহেৰু, পেটেল-আজাদৰ ভাষণে অনুপ্ৰাণিত কৰিছিল সঁচা, কিন্তু সেই সময়ত জনসাধাৰণৰ মাজত জাগৰণ আনিবলৈ মুখ্য ভূমিকা লৈছিল, নিৰ্ভীক নিৰপেক্ষ দুৰ্দমনীয় সম্পাদকসকলে। বগা বঙালৰ অন্যায়-অবিচাৰ-অত্যাচাৰৰ চাক্ষুষ বৰ্ণনাৰে সম্পাদনীয় লিখি যিদৰে বস্তুনিষ্ঠ ছবি দাঙি ধৰিছিল বৰ্তমান তেনে সম্পাদকীয় দুৰ্লভ হোৱাৰ উপক্ৰম

হৈছে। তথাপিও কোনো কোনো সংবাদ পত্ৰই প্ৰশাসনলৈ ভয় নকৰি ভুলক ভুল প্ৰমাণিত কৰি চৰকাৰকো কঁপাই আছে। বোফ'ৰ্চ কেলেংকাৰী আৰু বাবৰি মজজিদ ধ্বংসৰ দৰে ৰাষ্ট্ৰীয় মোকৰ্দমাত লুকাই থকা ৰহস্য ক্ৰমান্বয়ে উদঘাটন কৰি আছে।

বৰ্তমান অসমৰ প্ৰায়সকল শিক্ষিত লোকেই সংবাদ পত্ৰ আৰু আলোচনী পঢ়ে। অসমত বৰ্তমান যি কেইখন বাতৰি কাকতে জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হৈছে তাৰ ভিতৰত— সাদিন, আজি, অসমীয়া প্ৰতিদিন, আসাম ট্ৰিবিউন, সময়, পূৰ্বাঞ্চল প্ৰহৰী, দৈনিক অসম, অসমীয়া খবৰ, দৈনিক অগ্ৰদূত, আমাৰ অসম আদিয়েই প্ৰধান। অসমীয়া সাহিত্যৰ প্ৰসাৰত সংবাদ পত্ৰ আৰু আলোচনীৰ অৰদান অধিক উল্লেখনীয়, অসমীয়া সাহিত্যৰ যুগজয়ী কাৰেংঘৰ ৰচনাত উল্লেখ কৰি অহা সংবাদ পত্ৰ, আলোচনী আদিৰ সম্পাদক আৰু লেখকসকলৰ অৰদান সদায় স্বীকাৰ্য। ●

মোৰ মৃত্যু যদি অসমৰ বাহিৰত হয়, তোমালোকক কৈছোঁ ৰে'লৰ তৃতীয় শ্ৰেণীৰ ডবাত হ'লেও মোৰ মৰাশটো তোমালোকে যেনে-তেনে আনি গোলকগঞ্জৰ ইপাৰে অসমৰ মাটিলৈ দলিয়াই দিবাহঁক। মই যেন অসমৰ ধূলিৰ লগত মিলি থাকিব পাৰোঁ।

*— বাগ্মীবৰ নীলমণি ফুকন*





প্ৰবন্ধ

# মাধৱ কন্দলিৰ 'ৰামায়ণ'ৰ ভাষা




**হিয়া মেধী**
পঞ্চম ষাণ্মাসিক, কলা

■ প্ৰাক্‌শংকৰী যুগৰ শ্ৰেষ্ঠ কবি মাধৱ কন্দলিৰ 'ৰামায়ণ' অসমীয়া সাহিত্যত এক অভিনৱ সংযোজন। মহৰ্ষি বাল্মীকি বিৰচিত সংস্কৃত ৰামায়ণখনৰ প্ৰথম অসমীয়া ভাঙনি মাধৱ কন্দলিয়েই কৰিছিল। বৰাহী ৰজা মহামাণিক্যৰ পৃষ্ঠপোষকতা লাভ কৰি তেওঁৰ অনুৰোধমৰ্মেই কন্দলিয়ে চতুৰ্দশ শতিকাৰ মাজভাগত সংস্কৃত ৰামায়ণখনৰ ভাঙনি কৰিছিল। কন্দলিয়ে ৰামায়ণৰ লংকাকাণ্ডত 'সপ্তকাণ্ড ৰামায়ণ পদবন্ধে নিবন্ধিলো' বুলি উল্লেখ কৰিছে যদিও মাজৰ পাঁচটা কাণ্ডহে উদ্ধাৰ হৈছিল। পৰৱৰ্তী সময়ত মহাপুৰুষ শঙ্কৰদেৱ আৰু মাধৱদেৱৰ বাকী দুটা কাণ্ড ক্ৰমে উত্তৰাকাণ্ড আৰু আদিকাণ্ড ৰচনা কৰি সংযোজন কৰে। মাধৱ কন্দলিয়ে ৰচনা কৰাৰ প্ৰায় ডেৰশ বছৰৰ পিছতো শঙ্কৰদেৱৰ দিনত এই কাব্য অতিশয় জনপ্ৰিয় আছিল। মাধৱ কন্দলিৰ ৰামায়ণখনে শঙ্কৰদেৱ আৰু তেওঁৰ সম-সাময়িক বৈষ্ণৱ পণ্ডিতসকলক নথৈ মুগ্ধ কৰিছিল।[১] মাধৱ কন্দলিৰ কবি প্ৰতিভাত শঙ্কৰদেৱ যে অভিভূত হৈ পৰিছিল তাৰ প্ৰমাণ শঙ্কৰদেৱৰ ভাষাৰেই পাব পাৰি—

"পূৰ্ব কবি অপ্ৰমাদী মাধৱ কন্দলি আদি
তেহে বিৰচিলা ৰাম কথা।
হস্তীৰ দেখিলা লাদ শশা যেন ফাড়ে মাৰ্গ
মোৰ হৈল তেহ্নয় অৱস্থা।"

ইয়াৰ পৰা এটি কথাৰ আভাস পাব পাৰি যে শঙ্কৰদেৱে মাধৱ কন্দলিৰ দ্বাৰা প্ৰভাৱান্বিত হৈছিল।

**মাধৱ কন্দলিৰ ৰামায়ণৰ বৈশিষ্ট্য ঃ**

মাধৱ কন্দলিৰ ৰামায়ণৰ মূল বাল্মীকিৰ সংস্কৃত 'ৰামায়ণ'খন। এই ৰামায়ণখনক তেওঁ বেদ জ্ঞান কৰিছিল। তেওঁ নিজেই তাৰ উদ্ধৃতি দিছে এনেদৰে—

"মহাঋষি বাল্মীকিয়ে ৰামায়ণ কৰিলন্ত
সাক্ষাতে জানিবা যেন বেদ।"

বেদসদৃশ ভাবিয়েই কন্দলিয়ে নিজৰ অসমীয়া ভাঙনিত বাল্মীকিৰ ৰামায়ণৰ পৰা আঁতৰি অহা নাই। মূলৰ কথা অবিকৃত ৰূপত ৰাখি সহজ-সৰল ভাষাত জনসাধাৰণৰ বোধগম্য হোৱাকৈ তেওঁ ৰামায়ণখনৰ ভাঙনি কৰিছে। তদুপৰি তাৰে মাজত কেতিয়াবা কিছু আঁতৰি আহিছে যদিও বিশেষ লৰচৰ নোহোৱা বুলিয়েই ক'ব পাৰি। তেওঁ 'লম্ভা পৰিহৰি সাৰোদ্ধৃতে' বুলি কৈ ঠাই বিশেষে প্ৰয়োজন অনুযায়ী চমুৱাইছে। কাব্যৰস সৃষ্টিৰ উদ্দেশ্য ঠায়ে ঠায়ে দুই এটা নতুন কথাৰ

সংযোগ ঘটাইছে যদিও এনে সংযোগে কাহিনী বিকৃত কৰা বুলিব নোৱাৰি।[2]

কন্দলিয়ে বাল্মীকি ৰামায়ণৰ আক্ষৰিক অনুবাদৰ পৰিৱৰ্তে লোক-জীৱনৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি শ্লোকানুবাদ অথবা ভাবানুবাদতহে অধিক গুৰুত্ব দিছিল।[3] তেওঁৰ ৰামায়ণত সাম্প্ৰদায়িক অথবা ধৰ্মীয় মতবাদৰ প্ৰাধান্য দেখা নাযায়। কাব্যখনি অনুবাদ কৰোঁতে কবিয়ে পাঠকৰ ৰুচি-অভিৰুচি আৰু কাব্যিক সৌন্দৰ্য্য সৃষ্টিৰ প্ৰতি সততে দৃষ্টি ৰাখিছে। তদুপৰি কাব্যখনিৰ এটা গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হৈছে যে ইয়াত কবিয়ে ৰামক আদৰ্শ মানৱৰূপে চিহ্নিত কৰিছে। আকৌ সীতা চৰিত্ৰ হৈছে বৈশিষ্ট্যপূৰ্ণ মানৱীয় আৱেগ-অনুভূতিৰে সিক্ত। কবিয়ে সীতাক লোক-জীৱনৰ অধিক ওচৰ চপাই নিবৰ বাবে চেষ্টা কৰিছে। ইয়াৰ উপৰিও অন্যান্য চৰিত্ৰ কৌশল্যা, কৈকেয়ী, সুমিত্ৰা, তাৰা, মন্দোদৰী, সৰমা প্ৰভৃতি নাৰী চৰিত্ৰক নাৰীসুলভ বৈশিষ্ট্যৰে প্ৰোজ্জ্বল কৰি তুলিছে।

**ৰামায়ণৰ ভাষিক বৈশিষ্ট্য ঃ**

অসমীয়া ভাষাৰ ইতিহাস তথা বিকাশত কন্দলিৰ ৰামায়ণখনৰ গুৰুত্ব অধিক। কন্দলিৰ সমসাময়িক কবি হেম সৰস্বতী, কবিৰত্ন সৰস্বতী আদিৰ ৰচনাত অসমীয়া ভাষাটোৱে চালুকীয়া ৰূপ এটিহে পাইছিল যদিও মাধৱ কন্দলিৰ ৰামায়ণত অসমীয়া ভাষাটোৰ পূৰ্ণ বিকাশ দেখিবলৈ পোৱা যায়।

মাধৱ কন্দলি আছিল ভাষাৰ নিপুণ ওজা। তেওঁৰ শব্দচয়নৰ ক্ষেত্ৰত দক্ষতাও আছিল সেইদৰে চমকপ্ৰদ। সেই যুগৰ আন এজনা আগশাৰীৰ কবি হৰিবৰ বিপ্ৰৰ নিচিনা কন্দলিয়েও তেওঁৰ ৰামায়ণত প্ৰচুৰ পৰিমাণৰ তৎসম, অৰ্ধ-তৎসম আৰু তদ্ভৱ শব্দৰ উপৰি ভালেমান দেশী শব্দৰ প্ৰয়োগ কৰিছিল আৰু মাজে মাজে দুই এটা বিদেশী শব্দও ব্যৱহাৰ কৰিছিল।[4] উদাহৰণস্বৰূপে- নফাৰ, নুকৰ, দোকান, বজাৰ (আৰবী, পাৰ্চী) আদি।

মাধৱ কন্দলিৰ ৰামায়ণৰ আন এটি গুৰুত্বপূৰ্ণ ভাষিক বৈশিষ্ট্য হ'ল অলঙ্কাৰৰ প্ৰয়োগ। একোটা পৰিস্থিতি বা দৃশ্যক তেওঁ বিভিন্ন ধৰণৰ ৰূপক, উপমা, নিদৰ্শনা আদি অলঙ্কাৰৰ দ্বাৰা উপস্থাপন কৰিছিল। ক'বলগীয়া ভাবখিনিক তেওঁ শব্দৰ যাদুকৰী সজ্জাৰে ফুটাই তুলিছিল। যেতিয়া ৰামৰ বনবাসৰ কথা শুনিছিল তেতিয়া ভৰতে মাতৃ কৈকেয়ীক কৈছিল—

> "সুসিনি নাগিনি নিদাৰুনি সংহাৰিনি।
> নিৰ্দ্দয়িনি ৰাসসিনি বাঘিনি দাৰুনি।।
> জক্ষিনি ডাকিনি তঞ্জি সুস্বামি ভক্ষিনি।
> পিসাচিনি আবে ৰাণ্ডি ভৈলি আলক্ষিনি।।"
>
> (অযোধ্যা ৭৮)

ইয়াত অনুপ্ৰাস অলঙ্কাৰৰ সৃষ্টি হৈছে। ৰামায়ণখনত এনেধৰণৰ উদাহৰণে কবিৰ নৈপুণ্যকে প্ৰকাশিত কৰে। তেনেদৰে তেওঁ ত্ৰিপদী, পয়াৰ, দুলড়ী আদি ছন্দৰো সুন্দৰ প্ৰয়োগ কৰিছিল।

ভাষা প্ৰয়োগৰ ক্ষেত্ৰত কন্দলিৰ দক্ষতা প্ৰকাশি উঠাৰ দৰে বিষয়বস্তু উপস্থাপনৰ দিশতো তেওঁ বিশেষ কৌশল অৱলম্বন কৰিছে। কথোপকথনৰ স্বাভাৱিক ৰীতিৰে কাহিনীভাগ উল্লেখ কৰিছে, য'ত নাটকীয় সুৰ প্ৰতিভাত হয়। অযোধ্যা কাণ্ডত ৰামচন্দ্ৰই বনবাসলৈ যাত্ৰা কৰাৰ সময়ত ৰাম আৰু দশৰথৰ মানসিক অৱস্থাক কবিয়ে খুব সুন্দৰকৈ বৰ্ণনাইছে। পৰৱৰ্তী পৰ্যায়ত তেওঁৰ বৰ্ণনীয় এনে কলা-কৌশলৰ দ্বাৰা বহতো কবিয়ে প্ৰভাৱান্বিত হোৱা দেখা গৈছে। প্ৰকৃততে মাধৱ কন্দলিৰ হাতেতেই অসমীয়া ভাষাই পৰিপূৰ্ণতা লাভ কৰিছিল বুলি ক'ব পৰা যায়।

শব্দ ভাণ্ডাৰৰ দিশলৈ চালে কন্দলিকৃত ৰামায়ণত বৰ্তমানে অপ্ৰচলিত, কিন্তু চতুৰ্দশ শতিকাত প্ৰচলিত বিভিন্ন শব্দৰ প্ৰয়োগ আছে। তদুপৰি মন কৰিবলগীয়া কথা হ'ল যে তেওঁ ব্যৱহাৰ কৰা সেই শব্দসমূহ পৰৱৰ্তী যুগৰ কবিসকলৰ ৰচনাত পোৱা নাযায়। উদাহৰণ স্বৰূপে - বিহড়ি, উড়ে, ময়, হাঙ্কাৰ, হাততোলা, তঙ্ক, বিচুই, তহি, পসৰ, টহক, সাঞ্জ, নাথুকাৰ, উতভনা, দাদৰি আদি। আনহাতে তেওঁ ব্যৱহাৰ কৰা, কিন্তু পৰৱৰ্তী কবিসকলে ব্যৱহাৰ নকৰা কেইটামান ক্ৰিয়াৰূপৰ উদাহৰণ হ'ল- তুড়ো, আণ্টাইলেক, সনাইল, গঞঁকৰি, লোকাৰে থোকাৰে, তৰসিয়া, ভসাৰিয়া, লুকিদিয়া, আণ্টাইল আদি। ইয়াৰোপৰি ৰামায়ণত বৈশিষ্ট্যপূৰ্ণ শব্দ 'পানি'ৰ সঘন প্ৰয়োগ কৰাও পৰিলক্ষিত হয়।

তদুপৰি তেওঁ ৰামায়ণত ভাষাৰ আঞ্চলিক আৰু কথিত ৰূপৰ যথেষ্ট প্ৰয়োগ কৰিছে। উদাহৰণস্বৰূপে কাহানি, পুৰণি, সুন্দৰ, চলি, পুলি, গোৰা, পোকৰ, ধুলা, বুলি, চেলে, সুখান আদি। ইয়াৰ পৰা প্ৰমাণিত হয়-যে তেওঁ ৰামায়ণখন অনুবাদ কৰোঁতে লোক-জীৱন আৰু লোক-ভাষালৈও দৃষ্টি ৰাখিছিল।

কন্দলি ৰামায়ণৰ ভাষাৰ ক্ষেত্ৰত আন এটি উল্লেখনীয় বৈশিষ্ট্য হ'ল তেওঁ ব্যৱহাৰ কৰা খণ্ডবাক্য আৰু জঁটুৱা ঠাঁচৰ প্ৰচুৰ প্ৰয়োগ।[5] তেওঁৰ ৰচনাত ব্যৱহৃত কেইটামান খণ্ডবাক্য আৰু জটুৱা ঠাঁচৰ উদাহৰণ হ'ল—

(ক) আসজ সুনিয়া জেডন তেলিয়াৰ জান্ত।
(খ) টিপচিৰ বাবে মেৰু পৰ্ব্বত উড়িল।
(গ) তুনি সাপে সব নাগ পুৰিক গিলিল।
(ঘ) নৰকৰ পলুৰ স্বৰ্গত নাহি আস।
(ঙ) ডালত পড়িয়া জেন ওলোমা বাদুলি।
(চ) কাঁস পড়ি জিম গৈল, আদি।

এনেধৰণৰ জটুৱা ঠাঁচ আৰু ঘৰুৱা উপমাদিৰ প্ৰয়োগৰ দ্বাৰা কবিগৰাকীয়ে লোকজীৱনৰ ওচৰ চাপিবলৈ সক্ষম হৈছে। এইবোৰে তেওঁৰ ৰামায়ণখনক যথেষ্ট আকৰ্ষণীয় কৰি তুলিছে। তাৰ দ্বাৰা সাহিত্যিক তথা কাব্যিক সৌন্দৰ্য বৃদ্ধি হৈছে।

ভাষাৰ ব্যাকৰণগত দিশলৈ চালে তেওঁৰ ৰামায়ণত বিভিন্ন বৈশিষ্ট্যও ফুটি উঠা দেখা যায়। বিশেষকৈ নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ ভিতৰত তেওঁ ৰামায়ণত গুটি, গোট, জুৰি, জন, টো, খান, খানি, কুণ্ড আদিৰ ব্যৱহাৰ কৰিছে। তেনেদৰে গণ, সব, সা, চয় আদি বহুবচনাত্মক প্ৰত্যয়ৰ প্ৰয়োগ কৰিছে। স্ত্ৰী প্ৰত্যয়ৰ ভিতৰত 'ই' আৰু 'নি'ৰ প্ৰয়োগেই সৰ্বাধিক।

কন্দলিয়ে বিভিন্ন প্ৰকাৰৰ শব্দ বিভক্তিৰো প্ৰয়োগ কৰিছে। যেনেঃ

প্ৰথম- এ— বন্দিগনে তুতি পঢ়ে।
দ্বিতীয়া- ক/অক— ৰাম সিতা লক্ষণক মিলাইলন্ত আনি।
ষষ্ঠী- ৰ— সতিনিৰ পোৰ গুণ বখানক কিস।
সপ্তমী- ত/অত— সৰিৰত অলঙ্কাৰ পিন্ধি নানাভাৱে আদি।

ক্ৰিয়াৰ বিভিন্ন কাল আৰু সৰ্ব্বনামৰ বিভিন্ন ৰূপৰ উপৰিও 'ইল' প্ৰত্যয়ান্ত কৃদন্ত বিশেষণ আৰু 'ইবা' প্ৰত্যয়ান্ত কৃদন্ত পদৰ ব্যৱহাৰ কন্দলি ৰামায়ণত লক্ষ্য কৰিব পাৰি।

(ক) বিয়াইল বাঘিনি সসে কৰ পৰিহাস। (-ইল প্ৰত্যয়ান্ত)

(খ) বাসবে দিবাৰ অস্ত্ৰ-গুণত তড়াইল। (ইবা প্ৰত্যয়ান্ত)

পুৰুষবাচক প্ৰত্যয়ৰো সুন্দৰ প্ৰয়োগ কবিজনাই ৰামায়ণত কৰিছিল। যেনেঃ

মায়েৰ, ভায়েৰ (-এৰ প্ৰত্যয়ান্ত), পুতেৰে (-এৰ প্ৰত্যয়ান্ত) আদি

তেওঁ ৰামায়ণত মাজে মাজে স্বাৰ্থিক প্ৰত্যয়ৰ প্ৰয়োগ অন্য এক বিশেষত্ব। যেনেঃ 'বিন্ধি এৰো' আদি।

মুঠতে উত্তৰ-পুব ভাৰতৰ বিভিন্ন প্ৰান্তীয় ভাষাসমূহৰ ভিতৰত মাধৱ কন্দলিৰ ৰামায়ণখনেই যিহেতু প্ৰাচীন সেইহেতু ইয়াৰ গুৰুত্ব সৰ্বাধিক। ●

**পাদটীকা ঃ**

১। লক্ষ্মীকান্ত মহন্ত ঃ অসমীয়া সাহিত্য অধ্যয়ন, পৃ.৪
২। প্ৰফুল্ল কুমাৰ নাথ ঃ তুলনাত্মক ভাৰতীয় সাহিত্য ঃ বিচাৰ আৰু বিশ্লেষণ, পৃ. ৪৩
৩। উক্ত গ্ৰন্থ, পৃ. ৪৮
৪। ৰামচৰণ ঠাকুৰীয়া ঃ ভাষা-সাহিত্য সমীক্ষা, পৃ. ৪৫
৫। উক্ত গ্ৰন্থ, পৃ. ৪৯

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

১। ঠাকুৰীয়া, ৰামচৰণ ঃ ভাষা-সাহিত্য সমীক্ষা, প্ৰথম প্ৰকাশ, আগষ্ট, ১৯৯০, পাণবজাৰ, গুৱাহাটী।
২। নাথ, প্ৰফুল্ল কুমাৰ ঃ তুলনামূলক ভাৰতীয় সাহিত্যঃ বিচাৰ আৰু বিশ্লেষণ, দ্বিতীয় সংস্কৰণ, ফেব্ৰুৱাৰী, ২০১১, পাণবজাৰ, গুৱাহাটী।
৩। মহন্ত, লক্ষ্মীকান্ত ঃ অসমীয়া সাহিত্য অধ্যয়ন, প্ৰথম প্ৰকাশ, জুন, ১৯৯৩, পাণবজাৰ, গুৱাহাটী।

প্ৰবন্ধ

# দেৱকান্ত বৰুৱাৰ কবিতাত প্ৰেম



মৌচুমী ওজা
তৃতীয় ষাণ্মাসিক, কলা

■কলংপৰীয়া কবি দেৱকান্ত বৰুৱা ৰোমাণ্টিক যুগৰ শেষ স্তৱৰ কবি। আনহাতে তেওঁৰ হাততেই আৰম্ভ হয় আধুনিক কবিতাৰ জন্মযাত্ৰা। একেবাৰে মুষ্টিমেয় কেইটামান কবিতাৰে অসমীয়া সাহিত্যাকাশত তোলপাৰ লগোৱা এই বিখ্যাত কবিগৰাকী হৈছে প্ৰেমৰ পূজাৰী। ৰমন্যাসিক অসমীয়া কবিতাৰ কীৰ্তিস্তম্ভ 'সাগৰ দেখিছা' তেওঁৰ একমাত্ৰ কবিতা পুথি। ১৯৪৫ চনত প্ৰথম প্ৰকাশিত পুথিখন বিংশ শতাব্দীৰ তৃতীয় দশকৰ ভিতৰত ৰচিত আৰু তাৰ বেছিভাগ কবিতাই 'আৱাহন' কাকতত প্ৰকাশিত। গতিকে 'আৱাহন'ৰ সুৱাসমণি তেওঁৰ প্ৰতিটো কবিতা। সেইবাবে কবিক আৱাহন যুগৰ শ্ৰেষ্ঠ কবি আখ্যা দিয়া হয়। আকৌ তেওঁৰ শেহতীয়া কবিতা 'আমি দুৱাৰ মুকলি কৰোঁক বহু আলোচকে নতুন কবিতাৰ বাটকটীয়া বুলি ক'ব খোজে। সেই দৃষ্টিকোণৰ পৰা তেওঁক যুগসন্ধিৰ কবি বুলিও ক'ব পাৰি।

তেওঁৰ একমাত্ৰ কবিতা পুথি 'সাগৰ দেখিছা'ত আমি দেখিবলৈ পাওঁ প্ৰেমৰ নানা আভিব্যক্তি। বাস্তৱধৰ্মী কবিতা সৃষ্টিৰ দ্বাৰা তেওঁ প্ৰেমক প্ৰাধান্য দি পৃথিৱীত প্ৰেমক অনন্য স্থান দিবলৈ সক্ষম হৈছে। প্ৰেমতেই যেন তেওঁৰ আৰম্ভণি আৰু প্ৰেমতেই যেন তেওঁৰ পৰিসমাপ্তি। অসমীয়া কাব্যত অম্বিকাগিৰী ৰায় চৌধুৰী, যতীন্দ্ৰ নাথ দুৱৰা, ৰত্নকান্ত বৰকাকতী, গণেশ গগৈ আদিকে ধৰি কেবাজনো বিখ্যাত প্ৰেমৰ কবি আছে। কিন্তু তেওঁলোকৰ শাৰীত বৰুৱাক থ'লে ভুল কৰা হ'ব। কিয়নো তেওঁৰ প্ৰেমৰ কবিতা ব্যতিক্ৰমধৰ্মী। অম্বিকাগিৰীৰ প্ৰেমৰ অতীন্দ্ৰিয়তা, দুৱৰাৰ প্ৰেমৰ নৈৰাশ্যবাদিতা, বৰকাকতীৰ প্ৰেমৰ ভাৱজনিত অপূৰ্ণতা আৰু গণেশ গগৈৰ গভীৰ হতাশাৰ লগত তেওঁক তুলনা কৰিব নোৱাৰি। বাকীসকলে বেছিভাগ সময় ভাবজগতত বিচৰণ কৰিছে, কিন্তু বৰুৱাই তাৰ সলনি বিচৰণ কৰিছে বাস্তৱ জগতত। তেওঁৰ প্ৰেম অশ্ৰুসিক্ত প্ৰেম। ধূলিময় ধৰণীৰ আবৰ্তত তেওঁৰ প্ৰেম চলি থাকে। তেওঁৰ কবিতাত প্ৰাণ পাই উঠিছে তেওঁৰ প্ৰিয়াজনী, সখী, লাহৰী, বালী, মনোৰমা আদিৰ ৰূপত। যদিও প্ৰিয়াই নিষ্ঠুৰভাৱে গচকি গ'ল বৰুৱাদেৱৰ প্ৰেমিক মনক, তথাপি তেওঁৰ ইয়াত কোনো আক্ষেপ নাই। জীৱনত কাৰুণ্যকে আঁকোৱালি লৈ জীয়াই থকাৰ পক্ষপাতীও তেওঁ নহয়। কবিয়ে নিজৰ অনুভৱ ব্যক্ত কৰি কৈছেঃ

তোমাৰ বিয়ালৈ আৰু কেইদিন বাকী? দহদিন? মাথো দহদিন আছে? এনে দহ নিশা, তুমি যাবা তোমাৰ বাটেদি, মই যাম মোৰ বাটে বাটে। (কলংপাৰত মাজনিশা)





'কলংপাৰত মাজনিশা' কবিতাত কবিয়ে এনেদৰেই বিৰহ-গাঁথা গাইছে। কলঙৰ দুৱৰিত গঢ় লৈ উঠা কবিৰ প্ৰেমে মাজনিশা লুকাই অহা প্ৰেয়সীক কাষৰত বহুৱাই লৈ কৈছে— 'তুমি গোলাপৰ আজি লভিছোঁ পৰশ! প্ৰিয়া কাঁইটৰ শঙ্কা নাই মোৰ'। কবিয়ে প্ৰেয়সীৰ সু-শ্ৰী মুখলৈ চাই অপলকভাৱে প্ৰকাশ কৰিছে বিষাদময় বাস্তৱানুভূতি। প্ৰেয়সী এদিন যেতিয়া আনৰ হৈ যাব, এখন নতুন ঘৰত মৰমৰ নতুন শলিতা জ্বলাব, তেতিয়া ছোৱালীকালৰ সকলো আশা মচ খাই কবিৰ সমস্ত ভালপোৱা এদিন পাহৰি যাব আৰু ধূসৰিত হৈ যাব। এদিন কলংপাৰৰ মাজনিশাৰ মিলনভূমিও। কিন্তু তাক লৈ বাস্তৱবাদী কবিৰ কোনো আক্ষেপ নাই। তেওঁৰ মতে এদিন সকলোৱে নিষ্ঠুৰ হ'লেও বাস্তৱক সংগ দিব লাগিবই।

প্ৰেমিক কবিয়ে সম্পূৰ্ণৰূপে অগ্ৰাধিকাৰ দিছিল দৈহিক সান্নিধ্যক। মানুহৰ জীৱনৰ এটা মূৰে আছে প্ৰেম, আৰু আনটো মূৰত মৃত্যু। মৃত্যুৰ গভীৰ উপলব্ধিৰ মাজতো ভালপোৱাৰ ভাবাৱেগে কবিৰ হৃদয়ৰ অধিকাংশ ঠাই আগুৰি আছে। তেওঁৰ মতে প্ৰেম চিৰন্তন, বাকী সকলোবোৰ মিছা। নশ্বৰতাময় মানৱ জীৱনত প্ৰেমৰ বাদে আছেই বা কি? প্ৰকৃত প্ৰেম কেতিয়াও পাপ হ'ব নোৱাৰে। গতিকে এইহেন জীৱনত যদি অকণমান কাৰোবাৰ মৰম, সহানুভূতিও পোৱা যায়, তাতে তৃপ্ত হৈ উঠে কবিৰ মন। প্ৰেমৰ বাবে দৈহিক সান্নিধ্য কেতিয়াও অৰুচিপূৰ্ণ হ'ব নোৱাৰে। প্ৰেম আৰু জীৱন দুয়োটাই দুয়োটাৰ পৰিপূৰক। দুদিনীয়া জীৱন যাত্ৰাৰ সমাপ্তি এদিন কৰিবো হ'ব। গতিকে ক্ষন্তেকীয়া জীৱন পৰিক্ৰমাত কাৰোবাক অকৃত্ৰিম ভালপোৱাটো কেতিয়াও পাপ হ'ব নোৱাৰে। কাৰণ পাপ-পূণ্যৰ উৰ্দ্ধত এই অনুভূতি। এনে এক পৰম আত্ম উপলব্ধি তেওঁৰ কবিতাত পৰিলক্ষিত হয়ঃ

"আমিও লেৰেলি যাম? অসাৰ্থক প্ৰেম মোৰ? পাপ মাথো এই চুমা চুমি?
কি কৰিম? হক পাপ, ক্ষতি নাই, মই পাম স্বৰ্গ তাতে,
তুমি ৰ'বা তুমি।" (অসাৰ্থক)

প্ৰেয়সীৰ ৰূপৰ প্ৰশংসাত পঞ্চমুখ হৈ পৰিছে বৰুৱাদেৱ। তেজ মঙহৰ প্ৰেয়সীক লৈ তেওঁ যৌৱনৰ মাদকতা পান কৰিছে। প্ৰেমৰ মাধুৰী বিচাৰি পাইছে প্ৰেয়সীৰ প্ৰতিটো অঙ্গ-প্ৰত্যঙ্গত। স্ৰষ্টাই যেন কবিৰ বাবে প্ৰেয়সীক তিল তিলকৈ গঢ়ি তুলিছিল। তেওঁ সৌন্দৰ্য্যৰ বৰ্ণনা দিছে এনেদৰেঃ

"নিপোটল বুকু লাটুমণি ওঁঠ
দুয়োপাৰি দাঁত ডালিম গুটি,
মৰুময় মোৰ জীৱনৰ সখি
তুমি কবিতাৰ একেটি সুঁতি।" (মনোৰমা)


একেদৰে নিশাৰ পূৰবী, ওলগ, প্ৰথমা, দৃষ্টিসৃষ্টি, বিচুৰ পেঁপা আদি কৰি কেবাটাও কবিতাত কবিৰ মনোৰমাজনীৰ স্বৰূপ আৰু প্ৰথম প্ৰেমৰ সতেজতা বিচাৰি পোৱা যায়।

কিন্তু হৃদয়হীনা প্ৰিয়াৰ কোনো সদুত্তৰ নাই কবিৰ আশা-আকাংক্ষাৰ প্ৰতি। কবিৰ ব্যথাভৰা হৃদয়ক তাই নিৰীক্ষণ কৰিবৰ যত্ন কৰা নাই। কবিৰ মানস মঞ্চত নানা ৰূপেৰে বিভূষিতা হৈ তাই সুশোভিত হৈ পৰে। কবিয়ে ভাবে যেন প্ৰিয়াই অবিৰত কণ্ঠেৰে আকুলতাৰে মাতি আছে। কবিৰ মনত প্ৰিয়াজনীয়েই শ্ৰেষ্ঠ। যেনেদৰে কালিদাসৰ শকুন্তলা, ওৱৰ্ডছৱৰ্থৰ লুচিৰ সুন্দৰতা তেনেদৰে কবিজনাৰ বাবে প্ৰিয়াৰো মাধুৰতা। তেওঁ 'প্ৰথমা'ত আত্মিক ভক্তিৰে প্ৰেমৰ বেদীত বন্দনা কৰিছে। কাৰণ কবিৰ বাবে প্ৰেৰণাৰ একমাত্ৰ উৎস হৈছে প্ৰিয়াজনী। কবি মনৰ অধিকাৰিনী পূজাৰ পুষ্পৰ দৰেই পবিত্ৰ। 'পৃথিৱী' কবিতাত তেওঁক বসন্তৰ আগমনৰ লগে লগে স্বপ্নমন্দিৰত উদ্বাউল কৰি থৈ গ'ল। কবিয়ে জীৱনত প্ৰতিটো ক্ষণত বিচাৰি ফুৰা পদুম পাহিটি কেৱল কবিৰ প্ৰিয়তমা। কিন্তু পৃথিৱীত সকলো বস্তুৰে স্থান ক্ষন্তেকৰ বাবেহে, সেইবাবে কবিৰ প্ৰিয়ায়ো এদিন বাস্তৱৰ এই চিৰন্তন ৰীতি তথা সত্যক মানি ল'ব লাগিব। কবিয়ে বুজাই দিছে যে প্ৰেমৰ, সুন্দৰৰ পৃথিৱীখনিত মৃত্যুই কেতিয়াবাই এডাল সীমাৰেখা টানি থৈ দিছে। প্ৰেম হ'ল অন্তৰৰ অনুভূতি। ইয়াক দুৰ্বল মানুহে অনুভৱ কৰিব নোৱাৰে। কবি কেতিয়াও দুৰ্বল নহয়। সেইবাবে প্ৰেমৰ সকলো সঁচাক স্বীকাৰ কৰি গৈছে। কবিজনাই ভাবিছিল প্ৰেমৰ দীপ্তিৰে জীৱন উদ্ভাসি উঠিব। কিন্তু সেই আশা, আশা হৈ ৰ'ল। অপূৰ্ণ আশাৰ সুন্দৰ প্ৰতিফলন ঘটিছে 'বিষকন্যা' নামৰ বিতাটোৰ মাজত। কবিৰ প্ৰেয়সী যদিও ৰহস্যময়ী, ছলনাময়ী, কিন্তু তেওঁৰ প্ৰেমৰ গাঢ়তা বেছি। উৰ্বশী, বিদায় কবিতাতো যৌৱনৰ মধুৰতাই দেহৰ মধুৰতাৰ কাৰণ বুলি

ঘোষণা কৰিছে।

দেৱকান্ত বৰুৱাৰ 'সাগৰ দেখিছা'ৰ বেছিভাগ কবিতাতে গভীৰ প্ৰেমে ভাস্বৰ হৈ উঠিছে। প্ৰতিটো কবিতাতে তেওঁ প্ৰাণখুলি কৈছে অন্তৰৰ গোপন কথা। গতিকে দেখা যায়, প্ৰধানত তেওঁ ৰোমান্টিক ভাববাদী কবি হিচাপেই অগ্ৰণী। কিয়নো, বাস্তৱ ভাৱানুভূতিৰ দ্বাৰা ব্যঞ্জিত এজন ইন্দ্ৰিয়গ্ৰাহ্য কবি হিচাপে তেওঁৰ স্থান সদায় থাকি যাব। প্ৰেমৰ কবিতাসমূহৰ অন্তৰ্নিহিত ভাবধাৰাই প্ৰাচীন ছন্দৰীতি ভাঙি যি নাটকীয় একোক্তিৰ মাজেৰে ধাবমান হৈছে, তেওঁৰ সেই সৎ প্ৰচেষ্টা সঁচাকৈয়ে প্ৰশংসনীয়। যাৰ বাবে পিছৰ কবিসকলে এক নতুন পথত অগ্ৰসৰ হ'বলৈ সুবিধা পাইছে। পৰিশেষত ক'ব পাৰি যে দেৱকান্ত বৰুৱা এজন 'ব্যতিক্ৰমধৰ্মী প্ৰেমৰ কবি' আৰু ইন্দ্ৰিয়জ প্ৰেমৰ সৰ্বোত্তম কাব্যচৰ্চ্চাকাৰীসকলৰ বাবে চিৰ পাথেয় হৈ ৰ'ব। ●

**সহায়ক গ্ৰন্থপঞ্জী ঃ**
(১) ড° মহেন্দ্ৰ বৰা ঃ ৰমন্যাসবাদ, বনলতা, প্ৰথম প্ৰকাশ, ১৯৯৫।
(২) ড° হেম বৰা ঃ ৰমন্যাসবাদ, অসমীয়া কবিতা আৰু জনদিয়েক প্ৰধান কবি, প্ৰথম প্ৰকাশ, ১৯৯২।
(৩) ড° বিমল মজুমদাৰ ঃ অসমীয়া কবিতাৰ বিচাৰ, প্ৰথম প্ৰকাশ, ১৯৯৮।








মহৎলোকৰ জীৱনী

# আব্দুল কালাম



কৰবী শৰ্মা
দ্বিতীয় ষাণ্মাসিক, কলা

■ **জন্ম আৰু ল'ৰালি কাল ঃ** ১৯৩১ চনৰ ১৫ অক্টোবৰত তামিলনাডুৰ ৰামেশ্বৰামত জন্ম গ্ৰহণ কৰিছিল আব্দুল কালামে। তেওঁৰ সম্পূৰ্ণ নাম আবু পাকিৰ জয়নুলাদ্দিন আব্দুল কালাম (APJ Abdul Kalam)। তেওঁৰ দেউতাক জয়নুলাদ্দিন মাৰকায়াৰে কোনো আনুষ্ঠানিক শিক্ষা লাভ কৰা নাছিল। কিন্তু তেওঁৰ উদাৰতা আৰু সহজাত জ্ঞান আছিল অসীম। মাক আছিয়াম্মাও আছিল তেনেই সাধাৰণ মহিলা। কিন্তু ল'ৰা-ছোৱালী কেইটিৰ পৰিচৰ্যাত ত্ৰুটি কৰা নাছিল। তেওঁৰ দেউতাক পঞ্চায়ত বোৰ্ডৰ সভাপতি আছিল। তেওঁৰ কেইখনমান নাও আছিল। ধনুস্কোটি আৰু ৰামেশ্বৰমৰ মাজত তীৰ্থ যাত্ৰী অনা-নিয়াৰ বাবে নাও কেইখনমান ভাৰালৈ দিছিল। ১৯৬৪ চনৰ ঘূৰ্ণী বতাহত ধনুস্কোটিৰ বিস্তৰ ক্ষতি হয় আৰু তেওঁৰ নাৱো বহুকেইখন ধ্বংস হয়। সৰুতে কালামে সমুদ্ৰ তীৰৰপৰা বিক্ৰীৰ বাবে শামুক গোটাইছিল। কিন্তু পৰিয়ালৰ আটাইতকৈ সৰু বাবে কালামক ঘৰৰ আটায়েই মৰম-চেনেহ কৰিছিল।

**ছাত্ৰ জীৱন শিক্ষা আৰু শিক্ষক ঃ** কালামে ৰামেশ্বৰমৰ ছামিয়াৰ স্কুলত প্ৰাথমিক শিক্ষা লাভ কৰে। তেওঁৰ জীৱনৰ এই সময়ছোৱাই পৰৱৰ্তী সময়ৰ বাবে তেওঁক প্ৰস্তুত কৰি তুলিছিল। মানুহ আৰু মানুহৰ মাজৰ ভেদাভেদে সমাজৰ জ্ঞানী-গুণী মানুহে নকৰে। ৰামেশ্বৰমৰ প্ৰাথমিক স্কুলৰ তেওঁ তেতিয়া পঞ্চম মানৰ ছাত্ৰ। তেওঁ স্কুললৈ যাওঁতে এটা টুপি পিন্ধি গৈছিল। সেইটোৱে তেওঁক মুছলমান বুলি চিনা সহজ হৈছিল। শ্ৰেণীত তেওঁ সদায় ৰামেশ্বৰম মন্দিৰৰ প্ৰধান পুৰোহিত লক্ষ্মণ শাস্ত্ৰীৰ ল'ৰা ৰামনাধা শাস্ত্ৰীৰ লগত একেলগে প্ৰথম বেঞ্চত বহিছিল। এদিন স্কুললৈ নতুনকৈ অহা শিক্ষক এজনে হিন্দু পুৰোহিতৰ ল'ৰা মুছলমান ল'ৰাৰ লগত একেলগে বহাটো সহ্য কৰিব নোৱাৰিলে। তেওঁ কালামক শেষৰ বেঞ্চলৈ পঠালে। ৰামনাধাই তেতিয়া উচুপি উচুপি কান্দিছিল। কথাটো প্ৰত্যেকেই নিজৰ নিজৰ ঘৰত কৈছিল। লক্ষ্মণ শাস্ত্ৰীয়ে শিক্ষকজনক ঘৰলৈ মতাই আনি কালামহঁতৰ সন্মুখতে ধমকি দিছিল। সামাজিক বৈষম্য আৰু সাম্প্ৰদায়িক কথাৰ দৰে বৰবিহ ল'ৰাহঁতৰ মনত সুমুৱাই নিদিবলৈ তেওঁক সতৰ্ক কৰি দিছিল। লক্ষ্মণ শাস্ত্ৰীৰ এই কামে শিক্ষকজনৰ মনৰ বেছি পৰিৱৰ্তন আনে। ৰামেশ্বৰমৰ সামাজিক গোষ্ঠীবিলাকৰ মাজৰ পাৰ্থক্য বৰ কঠোৰ আছিল।

তেওঁৰ দেউতাকৰ কামৰ সহযোগী আহমেদ জালালুদ্দিন বয়সত কালামতকৈ প্ৰায় ১৫ বছৰ ডাঙৰ যদিও তেওঁৰ ঘনিষ্ঠ বন্ধু হৈ পৰিছিল। তেওঁ প্ৰায়েই ধৰ্মৰ কথা, শিক্ষিত মানুহৰ কথা, বৈজ্ঞানিক আৱিষ্কাৰৰ কথা আৰু চিকিৎসা জগতৰ ন ন ৰোমাঞ্চকৰ কথা শুনাই এখন নতুন জগতৰ লগত কালামক পৰিচয় কৰি দিছিল। আনহাতে তেওঁৰ সম্পৰ্কীয় ভাই ছামছুদ্দিন

ৰামেশ্বৰমৰ একমাত্ৰ কাগজ পৰিবেশক আছিল। কালামে ছামছুদ্দিনৰ কামত কহায় কৰিছিল। ছামছুদ্দিনৰ অসুবিধা হ'লে কালামে কাগজ বিক্ৰি কৰি ফুৰিছিল। কালামৰ নাম যেতিয়া ৰাষ্ট্ৰপতি পদৰ বাবে মনোনীত হয় তেতিয়া তেওঁ বন্ধু ভেংকাটা সুব্ৰামনিয়া শাস্ত্ৰীয়ে আনন্দতে এই বুলি মন্তব্য কৰিছে "বাতৰি কাকত বিক্ৰী কৰি ফুৰা ল'ৰাজনেই আজি বাতৰিৰ শিৰোনাম দখল কৰিছে।"

**হাইস্কুলৰ শিক্ষা ঃ** ৰামেশ্বৰমত প্ৰাথমিক শিক্ষা লাভ কৰাৰ পাছত তেওঁ ৰামনাথপুৰমলৈ যায় আৰু শ্বাৰ্টজ স্কুলত ভৰ্তি হয়। ইয়াতে তেওঁ আয়াদুৰাই ছলমন নামৰ এগৰাকী শিক্ষকৰ সান্নিধ্যলৈ আহে। কালামে ভৱিষ্যতে কি কৰিব ভবা নাছিল আৰু তেওঁৰ সন্মুখত থকা সম্ভাৱনা সম্পৰ্কে আছিল সম্পূৰ্ণ অজ্ঞ। এই শিক্ষকগৰাকী আছিল কালামৰ পথ প্ৰদৰ্শক। মানুহৰ নিজৰ নিজৰ ভৱিষ্যত নিজৰ হাততে— এই কথা ছলমনে প্ৰায়েই কৈছিলঃ "জীৱনত সফল হ'ব খুজিলে আৰু ফল লাভ কৰিবলৈ তিনিটা কথা বুজিব লাগিব আৰু আয়ত্ত কৰিব লাগিব। এই তিনিটা কথা হ'ল— আকাংক্ষা, বিশ্বাস আৰু সম্ভাৱনা।" এইগৰাকী শিক্ষকে কালামৰ আত্ম-বিশ্বাস আনি দিছিল। "বিশ্বাসেৰে তুমি তোমাৰ ভাগ্য পৰিৱৰ্তন কৰিব পাৰা।" শ্বাৰ্টজত থকা সময়ত ঘৰলৈ আহিলে তেওঁৰ ককায়েক মুস্তাফা কালামৰ ৰে'লষ্টেচনৰ ৰাস্তাত থকা গেলামালৰ দোকানলৈ তেওঁক নি মাল বিক্ৰীত লগাই দিছিল। আনকি তেওঁৰ সৰু ভায়েক কাছিম মোহম্মদকো সাগৰৰ শামুক বিক্ৰীৰ কামত লগাই দিছিল।

**উচ্চ শিক্ষা ঃ** কালামে কলেজীয়া শিক্ষা লাভ কৰিছিল টিৰুচিৰ (ত্ৰিচিনপোল্লি) ছেইণ্ট জোচেফ কলেজত। তেওঁ কলেজৰ শেষ বাৰ্ষিকৰ ছাত্ৰ থকা সময়ত ইংৰাজী সাহিত্যৰ প্ৰতি আকৃষ্ট হয়। টলষ্টয়, স্কট আৰু হাৰ্ডিৰ বিখ্যাত ৰচনা সেই সময়তে পঢ়ে। তেওঁ দৰ্শনৰ কিতাপো পঢ়িবলৈ লয়। সেই সময়তে পদাৰ্থ বিজ্ঞান তেওঁৰ খুব প্ৰিয় বিষয় হৈ পৰে। কিন্তু বি.এছছি পৰীক্ষাত উত্তীৰ্ণ হৈ তেওঁ উপলব্ধি কৰিছিল যে পদাৰ্থ বিজ্ঞান তেওঁৰ ভৱিষ্যত জীৱনৰ লক্ষ্য নহয়। সেই সময়ৰ কাৰিকৰী শিক্ষাৰ শিৰোমণি মাদ্ৰাজ ইনষ্টিটিউট অৱ টেকনলিজত (MIT) তেওঁ নাম ভৰ্তি কৰে, ১৯৫৪ চনত। এই সিদ্ধান্ত আছিল তেওঁৰ সম্পূৰ্ণ নিজা। তেওঁৰ নাম ভৰ্তিৰ সময়ত লগা মোটা অংকৰ ধন দিয়াৰ সামৰ্থ্য দেউতাকৰ নাছিল। কিন্তু ভনীয়েক জোহাৰাৰ হাতৰ সোণৰ ছুৰি আৰু ডিঙিৰ চেইন বন্ধকত দি সেই টকা যোগাৰ কৰি দিছিল। তেওঁ কষ্ট কৰি হ'লেও জলপানি পাবৰ বাবে চেষ্টা কৰিছিল আৰু পাইছিলোঁ। অতি সাধাৰণ পৰিয়ালৰ পৰা অহা বাবে তেওঁ মাজে মাজে অসুবিধাত পৰিছিল— আচহুৱা পৰিস্থিতিৰ সন্মুখীনো হৈছিল। কিন্তু দেউতাকৰ এই উপদেশে তেওঁক বহু জটিল পৰিস্থিতিতো অন্তৰত সাহস দি আহিছে ঃ "যিয়ে আনক বুজি পায়, তেঁৱেই শিক্ষিত, কিন্তু নিজক চিনি পোৱা জনেই প্ৰকৃত জ্ঞানী। জ্ঞানবিহীন শিক্ষাৰ কোনো মূল্য নাই।" MIT ৰ তিনিগৰাকী শিক্ষকে তেওঁৰ চিন্তাক বাস্তৱত ৰূপায়িত কৰাত সহায় কৰিছে বুলি তেওঁ স্বীকাৰ কৰিছে। তেওঁলোক আছিল— প্ৰফেছৰ স্প'ণ্ডৰ; প্ৰফেছৰ কে.এ.ভি পাণ্ডালাই আৰু প্ৰফেছৰ নৰসিংহ ৰাও। (MIT) ৰ পৰা বিদায় লোৱাৰ দিনলৈ কালামৰ জীৱনৰ এক স্মৰণীয় দিন। সকলো বিদায়ী ছাত্ৰৰ লগত অধ্যাপকসকল গ্ৰুপ ফ'টোৰ বাবে সাজু। অধ্যাপকসকল প্ৰথম শাৰীৰ আসনত বহিছিল আৰু তেওঁলোকৰ পিছত ছাত্ৰসকলৰ তিনি শাৰীত থিয় হৈছিল। হঠাতে প্ৰফেছৰ স্প'ণ্ডক থিয় হৈ কালামক তৃতীয় শাৰীৰ পৰা আনি তেওঁৰ ওচৰত বহিবলৈ ক'লে। তেওঁৰ কথা হ'ল— "তুমি মোৰ আটাইকৈ ভাল ছাত্ৰ আৰু কঠোৰ পৰিশ্ৰমে ভৱিষ্যতে তোমাৰ শিক্ষকসকলৰ সুনাম বঢ়োৱাত তোমাক সহায় কৰিব। ..... ভগৱান হওঁক তোমাৰ আশা, আশ্ৰয়, তোমাৰ পথ প্ৰদৰ্শক। আৰু ভৱিষ্যতে তোমাৰ যাত্ৰাৰ মাৰ্গ দৰ্শনকাৰী পোহৰ হওক। মাদ্ৰাজ (MIT) ৰ পৰা তেওঁ বিমান বিদ্যা ইঞ্জিনিয়াৰিঙত ডিপ্ল'মা লাভ কৰে ১৯৫৭ চনত। এম. আই টি (MIT) ৰ পাছত কালামে বাংগালোৰৰ হিন্দুস্তান এৰ'নটিকছ লিমিটেডত এজন প্ৰশিক্ষাৰ্থী হিচাপে যোগদান কৰে। ১৯৫৮ চনত তেওঁ এইছ. এ. এফলৰ (HAL) ৰপৰা বিমান বিদ্যাৰ ইঞ্জিনিয়াৰিঙৰ স্নাতক হৈ ওলায়। ইয়াত একাগ্ৰতাৰে কাম কৰি তেওঁ বিমানৰ বহু ক্ৰুটি সংশোধন কৰিব পাৰিছিল।

**প্ৰতিভা বিকাশ ঃ** এজন বিমান বিদ্যাৰ ইঞ্জিনিয়াৰিঙৰ স্নাতক হিচাপে তেওঁৰ আগত দুটা পথ খোলা আছিল। প্ৰতিৰক্ষা মন্ত্ৰালয়ত ডিৰেক্টৰেট অব টেকনিকেল ডেভেলপমেণ্ট এণ্ড প্ৰডাকচনত (DTD & P) চাকৰি লোৱা অথবা ভাৰতীয় বায়ু সেনাত (IAF) যোগ দিয়া। তেওঁ দুয়ো ঠাইতে দৰ্খাস্ত কৰিছিল আৰু প্ৰায় একে সময়তে সাক্ষাৎকাৰৰ বাবে উপযুক্ত নাছিল। ডি টি ডি এণ্ড পিৰ চাকৰি তেওঁৰ জ্ঞান প্ৰসাৰৰ বাবে উপযুক্ত নাছিল। তথাপিতো তেওঁ ইয়াৰ সাক্ষাৎকাৰৰ পাছত ডেৰাডুনলৈ বায়ু সেনাৰ বাবে সাক্ষাৎকাৰ দিবলৈ যায়। এই সাক্ষাৎকাৰ বিষয়জ্ঞানতকৈ ব্যক্তিগত পৰীক্ষাৰ দৰে আছিল। পঁচিশজনীয়া প্ৰাৰ্থীৰ ভিতৰত তেওঁৰ স্থান নৱম হয়। আঠজনক কমিছনড কৰা হ'ল — কালাম বাদ পৰিল। মনত পুহি ৰখা দুৰন্ত আশাত চেঁচা পানী পৰিল।

দিল্লীলৈ উভতি আহি কালামে ডিটিডি এণ্ড পিৰ (DTD & P) কাৰিকৰী কেন্দ্ৰত (অসামৰিক উৰণ) মাহে ২৫০ টকা বেতনত জ্যেষ্ঠ বৈজ্ঞানিক সহায়কাৰী হিচাপে যোগদান কৰে। বিমান উৰণক্ষম কৰিব পাৰিব বুলি ভাবি তেওঁৰ চাকৰি নোপোৱাৰ মনৰ আক্ষেপ নোহোৱা হ'ল। ইয়াত তেওঁ ছুপাৰছনিক টাৰ্গেট বিমানৰ আৰ্হি এটাৰ কাম কৰে। তেওঁক এই বিষয়ত সহায় কৰিছিল আৰ ভৰদাৰাজনে। তেওঁৰ এই কাম চাই সঞ্চালক ডঃ নীলকান্তন প্ৰশংসা মুখৰ হৈ পৰে।

এ ডি ই (ADE)ত কালাম জ্যেষ্ঠ বৈজ্ঞানিক সহযোগী আছিল। ইয়াতে এটা সৰু দলৰ নেতৃত্ব দি এখন নমুনা হভাৰক্ৰাফটত উঠি এপাক উৰিছিল। কিন্তু চৰকাৰে এই আঁচনি পৰিত্যাগ কৰে। তেওঁ এ ডি ই (ADE) এৰি ১৯৬২ চনত ভাৰতৰ মহাকাশ আঁচনিত যোগ দিয়ে। ইছৰোত (ISRO) তেওঁ আঁহৰ দ্বাৰা দৃঢ় কৰা প্লাষ্টিকৰ (FRP) ওপৰত কাম কৰে। তাত কিছুদিন কাম কৰাৰ পাছত তেওঁ থুম্বাৰ কৃত্ৰিম উপগ্ৰহ উৎক্ষেপণ যানৰ আঁচনিত যোগ দিয়ে। সোনকালেই তেওঁ এছ. এল. ভিত (SLV-3) আঁচনিৰ সঞ্চালক নিযুক্ত হয়। এই আঁচনিত ৪৪টা মুখ্য উপ প্ৰণালীৰ আৰ্হি তৈয়াৰ কৰা, উন্নীত কৰা, গুণগতমান আৰু উৰণ পৰীক্ষা চোৱাৰ দায়িত্ব সঞ্চালক হিচাপে তেৰেঁই বহন কৰিব লগা হৈছিল। এই আঁচনি অনুসৰি ১৯৮০ চনত বৈজ্ঞানিক উপগ্ৰহ ৰোহিনী উৎক্ষেপণ কৰা হয়।

ৰোহিনী উৎক্ষেপণৰ পাছত ভাৰতৰ মহাকাশ যান গৱেষণাৰ দিগন্ত প্ৰসাৰিত হ'ল। ভাৰতীয় মহাকাশ গৱেষণা প্ৰতিষ্ঠানত সুদীৰ্ঘ ১৯ বছৰ ব্যস্ততাৰে কটোৱাৰ পাছত তেওঁ প্ৰতিৰক্ষা গৱেষণা উন্নয়ণ সংস্থান মিছাইল উন্নয়ন প্ৰকল্পত যোগদান কৰে। ভাৰতৰ ইন্টিগ্ৰেটেড গাইডেড মিছাইল ডেভেলপমেণ্ট প্ৰগ্ৰেম আচলতে কালামৰ মগজু প্ৰসূত প্ৰকল্প। তেওঁ এই প্ৰকল্পত পাঁচখন মুখ্য আঁচনি গ্ৰহণ কৰিছিল। এই আঁচনিৰো লক্ষ্য আছিল প্ৰতিৰক্ষা বিভাগৰ অভাৱ পূৰণ কৰা আৰু মিছাইলৰ পুনৰ প্ৰৱেশ নিখুঁত কৰা। তেওঁৰ আঁচনি সাৰ্থক হ'ল— অগ্নি আৰু পৃথ্বি উৎক্ষেপণৰ জৰিয়তে। অগ্নি আৰু পৃথ্বি মধ্যম দূৰত্বৰ ক্ষেপণাস্ত্ৰ। কালামে মিছাইল প্ৰগেমৰ ব্লু প্ৰিণ্ট তৈয়াৰ কৰে। অলপ সংশোধনৰ পাছত এই প্ৰকল্পৰ প্ৰস্তাৱ চৰকাৰে গ্ৰহণ কৰে। এই প্ৰকল্প মাত্ৰ দহ বছৰৰ ভিতৰত সম্পূৰ্ণ কৰাৰ সিদ্ধান্ত লোৱা হৈছিল। ইয়াৰ পাঁচটা ভাগ হ'ল—

১) নাগ (Nag) ঃ টেংক বিধ্বংসী ক্ষেপণাস্ত্ৰ।

২) পৃথ্বি (Prithvi) ঃ পৃষ্ঠভাগৰ ওপৰেদি যোৱা যুদ্ধক্ষেত্ৰৰ ক্ষেপণাস্ত্ৰ।

৩) আকাশ (Akash) ঃ বেগী মধ্যম দূৰত্বৰ পৃষ্ঠভাগৰ পৰা ওপৰলৈ মৰা ক্ষেপণাস্ত্ৰ।

৪) ত্ৰিশূল (Trishul) ঃ কম দূৰত্বৰ তৎক্ষণাৎ ক্ৰিয়া কৰিব পৰা পৃষ্ঠভাগৰ পৰা ওপৰলৈ মৰা ক্ষেপণাস্ত্ৰ।

৫) অগ্নি (Agni) ঃ এই আটাই কেইবিধতকৈ অধিক শক্তিশালী পৃষ্ঠভাগৰ পৰা ওপৰলৈ মাৰিব পৰা ক্ষেপণাস্ত্ৰ।

কালামৰ এছ.এল.ভি-ত অভিজ্ঞতাই এই প্ৰকল্পত বেছি সহায় কৰিছে। ত্ৰিশূল উৎক্ষেপণ কৰা হয় ১৯৮৫ চন, পৃথ্বি-১৯৮৮, অগ্নি ১৯৮৯ চনত আৰু আনবোৰ ১৯৯০ চনত উৎক্ষেপণ কৰি তেওঁ কম সময়ৰ ভিতৰতে ভাৰতৰ মিছাইল প্ৰযুক্তিৰ শ্ৰেষ্ঠতা প্ৰতিপন্ন কৰে। ইয়ে ভাৰতৰ আত্ম নিৰ্ভৰশীলতাৰ এক নতুন আস্থাৰ মাইলৰ খুটি। ভাৰতৰ প্ৰতিৰক্ষাৰ ক্ষেত্ৰত এই সফল মিছাইল প্ৰকল্পৰ সুদূৰপ্ৰসাৰী। বিশেষকৈ অগ্নিৰ সফল উৎক্ষেপণে ভাৰতৰ অতি উন্নত ৰাষ্ট্ৰবোৰৰ লগত এক মৰ্যাদাপূৰ্ণ ক্লাৱৰ সদস্য হিচাপে স্থান দিছে। ত্ৰিশূলে ভাৰতৰ জল, স্থল আৰু বায়ু তিনিওবিধ সামৰিক শক্তিৰ অভাৱ পূৰণ কৰিছে। ডঃ অৰুণাচলমে মন্তব্য কৰিছে — "আমি এতিয়া পৰিপক্ক। আমি ভুলৰ পৰা শিক্ষা লাভ কৰোঁ আৰু নতুন উদ্যমত আগবাঢ়োঁ।" কালামে দায়িত্ব লোৱাৰ পাছত ভাৰতৰ মিছাইল প্ৰকল্পই পিছলৈ ঘূৰি চাবলগীয়া হোৱা নাই। সেয়েহে এই প্ৰকল্পই প্ৰাণ সঞ্চাৰ কৰা

বিজ্ঞানী কালামক 'মিছাইল মানৱ' বুলি কোৱা হয়। ক্ষেপণাস্ত্ৰ প্ৰকল্প ৰূপায়ণৰ সময়ত ডি আৰ ডি এলৰ পৰা ৮ কিলোমিটাৰ দূৰত স্থাপন কৰা গৱেষণা কেন্দ্ৰ ইমাৰত সম্ভৱ। তেওঁৰ আটাইতকৈ সন্তোষজনক কৃতিত্ব ১৯৮৮ চনত স্থাপন কৰা এই কেন্দ্ৰটোলৈ চৰকাৰে মুক্তহস্তে ধনৰ যোগান ধৰিছিল। কালাম উদ্বিগ্ন হৈ পৰিছিল ভাৰতক কিয় ক্ষেপণাস্ত্ৰ লাগে, যুদ্ধ টেংক অথবা যুঁজাৰু বিমান কিয় লাগে? তাৰ উত্তৰত তেওঁ কৈছিল শক্তিয়ে শক্তিক সন্মান কৰে।

কালাম অলৌকিক শক্তিৰ অধিকাৰী নহয়। তেওঁ হয়তো তেওঁৰ নিজৰ বিশেষ ক্ষেত্ৰত আৰু অধিক বৰঙণি যোগাব পাৰিলহেঁতেন। বহু ভিন ভিন গৱেষণাগাৰৰ মুৰব্বী হিচাপে তেওঁ বহু কথাত চকু দিব লগা হৈছিল। কাশ্মীৰৰ হিমবাহ নিয়ন্ত্ৰণকাৰী ব্যৱস্থা, থৰ মৰুভূমিৰ লুণীয়া পানীক অলুণীয়া কৰা সঁজুলি, আদি প্ৰস্তুত কৰা কামবোৰ তদাৰক তেওঁ কৰিবলগা হৈছিল। কৰ্মযোগী কালামৰ ব্যক্তিত্বৰ প্ৰভাৱত আন বিলাকেও মনপুতি কাম কৰিবলৈ বাধ্য হৈছিল।

১৯৯৯ চনৰ ২৫ নৱেম্বৰত কালামক ভাৰত চৰকাৰৰ মুখ্য বৈজ্ঞানিক উপদেষ্টা হিচাপে নিযুক্তি দিয়া হয়। মৰ্যাদাত এই পদবী এগৰাকী কেবিনেট মন্ত্ৰীৰ সম পৰ্যায়ৰ।

২০০১ চনৰ ১০ নবেম্বৰত চৰকাৰৰ মুখ্য বৈজ্ঞানিক উপদেষ্টাৰ পদ তেওঁ ইস্তাফা দিয়ে। এই পদ ইস্তাফা দি তেওঁ ইছৰৰ বিশিষ্ট অধ্যাপক হিচাপে যোগদান কৰে। শেহতীয়া ভাৱে তেওঁ প্ৰযুক্তি তথ্য আগজাননী আৰু নিৰ্ণায়ক পৰিষদৰ সভাপতিৰ দায়িত্ব গ্ৰহণ কৰি ভাৰতৰ ভৱিষ্যতৰ স্বপ্ন আৰু লক্ষ্যৰ ওপৰত কাম কৰি আছিল। এই পৰিষদৰ উদ্যোগতেই — "India 2020 : A vision for the New Millenium" প্ৰকল্পক চূড়ান্ত ৰূপ দিয়া হয়।

**কালামৰ জীৱনৰ মাইলৰ খুটি ঃ** মহান লোকৰ সংগই মানুহৰ অন্তৰত থকা প্ৰতিভা বিকাশত সহায় কৰে— মহানতাক আৰু বেছি মহীয়ান কৰে। কালামে স্বীকাৰ কৰিছে যে তিনিগৰাকী বিশাল মনৰ পুৰুষৰ লগত কাম কৰাৰ সৌভাগ্য তেওঁৰ হৈছিল। কালামৰ অভিজ্ঞতাখিনি তেওঁৰ ভাষাতেই দিয়া হ'ল ঃ "এই তিনিগৰাকী ব্যক্তিৰ সান্নিধ্যত নিবিড়ভাৱে কাম কৰাৰ যি সৌভাগ্য মোৰ হৈছিল— সেয়া মোৰ জীৱনৰ আটাইতকৈ ডাঙৰ সুযোগ বুলি মই ভাবো।

মোৰ জীৱনৰ চাৰিটা মাইলৰ খুটি হ'ল—

১। "ভাৰতীয় মহাকাশ বিজ্ঞান সংস্থাত (ISRO) কাম কৰাৰ সৌভাগ্য।

২। ইছৰৰ পাছত মই প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন সংস্থা (DRDO) যোগদান কৰিছিলোঁ। ইয়াতে ভাৰতৰ গাইডেড মিছাইল আঁচনিৰ লগত নিজকে জড়িত কৰাৰ সুযোগ লাভ কৰোঁ।

৩। পাৰমাণৱিক শক্তি বিভাগ আৰু ডি আৰ ডি অ' ১১ আৰু ১৩ মেৰ পাৰমাণৱিক বোমা পৰীক্ষা কাৰ্যৰ অসাধাৰণ অংশীদাৰ আছিল।

৪। আমি অগ্নিৰ প্ৰত্যাৱৰ্তনৰ কৌশলো উদ্ভাৱন কৰিছোঁ। তাৰ বাবে আৱশ্যকীয় কাৰ্বন-কাৰ্বন নামৰ অতি পাতল বস্তুবিধ আমি নিজে তৈয়াৰ কৰিছোঁ।

**স্বপ্নদ্ৰষ্ট বিজ্ঞানী ঃ** এইগৰাকী বিজ্ঞানীয়ে শয়নে-সপোনে, মনে-প্ৰাণে বিচাৰে— ভাৰত সকলো বিষয়তে স্বাধীন হওক, ভাৰত এখন উন্নত আৰু শক্তিশালী ৰাষ্ট্ৰ হওক। বিশ্বৰ দৰবাৰত ভাৰতৰ স্থান উন্নত ৰাষ্ট্ৰৰ লগত হোৱাটোৱেই তেওঁ কামনা কৰে। তেওঁৰ তিনিটা স্বপ্ন হ'ল —

(ক) স্বাধীনতাৰ (খ) স্বপ্ন শক্তিৰ (গ) উন্নয়নৰ

**কালামৰ প্ৰতি সন্মান ঃ** ভাৰতৰ ৰাষ্ট্ৰপতি নিৰ্বাচিত হোৱাৰ লগতে কৰ্মযোগী, বৈৰাগী এই মহান বিজ্ঞানী গৰাকীক ভাৰত চৰকাৰে অসামৰিক আটাইবোৰ শ্ৰেষ্ঠ বঁটাৰে সন্মানিত কৰিছে। ১৯৮০ চনত এছ. এল. ভি-৩ ৰ জৰিয়তে 'ৰোহিনী' উপগ্ৰহৰ সফল উৎক্ষেপণৰ পাছত ১৯৮১ত কালামক চৰকাৰে 'পদ্মভূষণেৰে' সন্মানিত কৰে। ১৯৮৯ চনত অগ্নিৰ সফল উৎক্ষেপণত বহু বিদেশী ৰাষ্ট্ৰ ঈৰ্ষান্বিত হৈ বিৰূপ মন্তব্য দিছিল। ক্ষেপণাস্ত্ৰ আৰু যুদ্ধ সামগ্ৰীৰ তথাকথিত মাৰ্কিন বিশেষজ্ঞ গেৰি মিসলেনে ৱাল ষ্ট্ৰিট জাৰ্নিলত ভাৰতে পশ্চিম জাৰ্মানীৰ প্ৰযুক্তিৰ সহায়ত 'অগ্নি' উৎক্ষেপণ কৰা বুলি দাবী কৰে। এই বাতৰি পঢ়ি কালামে এক অন্তৰ উজাৰি দিয়া হাঁহিৰে তাক প্ৰত্যাখ্যান কৰিছিল। ক্ষেপণাস্ত্ৰ প্ৰকল্পৰ সফলতা সমগ্ৰ ৰাষ্ট্ৰই উদ্‌যাপন কৰে ১৯৯০ চনত দুই বিজ্ঞানী ড° অৰুণাচলম আৰু কালামক 'পদ্মবিভূষণেৰে' সন্মানিত কৰি। চেন্নাইৰ আন্না বিশ্ববিদ্যালয়ে তেওঁক সন্মানিত ডক্টৰ অৱ ছায়েন্স ডিগ্ৰীৰে বিভূষিত কৰিছে। তদুপৰি এই সমাৱৰ্তনৰ দীক্ষান্ত ভাষণ দিছিল ড° ৰাজা ৰামান্নাই। ১৯৯১ চনত মুম্বাইৰ 'ইণ্ডিয়ান ইনষ্টিটিউট অৱ টেকন'লজিয়েও তেওঁক সন্মানিত ডি. এছছি (D.Sc) ডিগ্ৰী প্ৰদান কৰে।

তেওঁক আগবঢ়োৱা আন কিছুমান উল্লেখনীয় বঁটা হ'ল নেচনেল ডিজাইন এৱাৰ্ড, ড° বীৰেন ৰয় স্পেছ এৱাৰ্ড, ওম প্ৰকাশ ভাছিন এৱাৰ্ড, আৰ্যভট্ট এৱাৰ্ড আৰু জাতীয় সংহতিৰ ইণ্ডিৰা গান্ধী এৱাৰ্ড।

ভাৰতীয় প্ৰতিৰক্ষা আৰু বিজ্ঞান আৰু প্ৰযুক্তিৰ ক্ষেত্ৰত আগবঢ়োৱা অভূতপূৰ্ব বৰঙণিৰ বাবে ভাৰত চৰকাৰে কালামক সৰ্বোচ্চ অসামৰিক সন্মান 'ভাৰত ৰত্নে'ৰে সন্মানিত কৰিছে (২৫ নৱেম্বৰ, ১৯৯৭ চনত)।

এক শক্তিশালী মহান ভাৰতৰ স্বপ্নদ্ৰষ্টা, মিছাইল মানৱ, আবুল পাকিৰ জয়ানুলাদ্দিন আব্দুল কালামক এক কৃতজ্ঞ ৰাষ্ট্ৰই নিৰ্বাচিত কৰিছে ভাৰতৰ ৰাষ্ট্ৰপতি পদলৈ ২০০২ চনৰ ২৫ জুলাইত।

**মৃত্যু ঃ** আব্দুল কালামে শ্বিলঙত ভাষণ দি থকা অৱস্থাত জুলাই মাহৰ ২৭ তাৰিখে, ২০১৫ চনত ইহলীলা সম্বৰণ কৰে।

**সামৰণি ঃ** কালাম অকল ৰাষ্ট্ৰপতিয়ে নহয়। সুদক্ষবান ব্যক্তি আৰু বিজ্ঞানী আছিল। তেওঁৰ সৰলতাই সকলোকে সহজে আকৰ্ষিত কৰিছিল। তেওঁ বিভিন্ন গুণেৰে সকলোৰে মনত মহৎ লোক হিচাপে হৈ গ'ল। ●

> জীয়াই থকাটো ডাঙৰ কথা নহয়, ডাঙৰ কথাটো হ'ল তুমি আঁতৰি যোৱাৰ পিছতো মানুহৰ মনত তোমাৰ কৰ্মৰাজি, আদৰ্শ জীপাল হৈ থকাটোহে। কাল-বলুকাত খোজ ৰাখি থৈ যোৱা সম্ভৱ কেৱল মাথোঁ সুকৰ্মৰাজিৰ দ্বাৰাহে।
>
> — *বেঞ্জামিন ফ্ৰেংকলিন*

মহত্বলোকৰ জীৱনী

# মাদাৰ টেৰেছা



চিমী কলিতা
চতুৰ্থ ষাণ্মাসিক, বিজ্ঞান

■দুখ আৰু যন্ত্ৰণাৰ পৃথিৱীত মাদাৰ টেৰেছা দয়াৰ এগৰাকী দেৱদূত, যি সমগ্ৰ জীৱন জুৰি দৰিদ্ৰ, নিৰাশ্ৰয়, ৰোগাক্ৰান্তসকলক অতি নিষ্ঠা আৰু আন্তৰিকতাৰে সেৱা কৰিছিল। তেওঁ আনকি এই বুলিও কৈছিল যে বিশ্বৰ চুকে-কোণে থকা দৰিদ্ৰসকলৰ উপৰি চন্দ্ৰতো যদি দৰিদ্ৰ থাকে, তেন্তে তেওঁ তালৈকো গৈ সেই দৰিদ্ৰসকলৰ সেৱা কৰিব। জন্মসূত্ৰে তেওঁ ভাৰতীয় নহ'লেও তেওঁৰ মূল কৰ্মভূমি আছিল ভাৰতৰেই কলিকতা আৰু তেওঁ নিজে আবেদন কৰি এই দেশৰ নাগৰিক হৈছিল।

**জন্ম ঃ** ১৯১০ চনৰ ২৭ আগষ্টত অটোমাম সাম্ৰাজ্যৰ উছকুবত মাদাৰ টেৰেছাৰ জন্ম হয়। জন্মৰ সময়ত তেওঁৰ নাম আছিল এগনেছ গোণ্ডজা বোজাদজিউ। তেওঁৰ দেউতাকৰ নাম আছিল নিকোলা বোজাদজিউ আৰু মাকৰ নাম আছিল ড্ৰনা।

**শিক্ষা ঃ** তেওঁ প্ৰথম পঢ়াশলীয়া শিক্ষা লাভ কৰিছিল স্থানীয় 'ছেক্ৰেড হাৰ্ট' গিৰ্জাৰ লগতে থকা বিদ্যালয়খনত। আলবেনিয়া ভাষাত চাৰি বছৰ শিক্ষা গ্ৰহণ কৰাৰ পাছত তেওঁ উচ্চ শিক্ষাৰ বাবে বাহিৰৰ পাব্লিক স্কুলত ভৰ্তি হ'ল আৰু ছাৰ্বক্ৰোৰেছিয়ান ভাষা শিকিবলগীয়া হ'ল। তেওঁ এগৰাকী নিয়মানুৱৰ্তী আৰু নিষ্ঠাৱান ছাত্ৰী হিচাপে জনাজাত আছিল।

**কৰ্মজীৱন ঃ** এগনেছ দাৰ্জিলিঙৰ 'ছেইণ্ট টেৰেছাছ স্কুল'ৰ শিক্ষয়িত্ৰী হিচাপে নিযুক্ত হৈছিল। ১৯৩১ চনৰ ২৪ মে'ত এগনেছ 'ছিষ্টাৰ অৱ লৰেটো'বা এগৰাকী নান হিচাপে ওৰে জীৱন সেৱা আগবঢ়াবলৈ প্ৰথম বাৰৰ বাবে এক ধৰ্মীয় শপত গ্ৰহণ কৰে। ধৰ্মীয় শপত গ্ৰহণ কৰাৰ কিছুদিন পাছত তেওঁক পূব কলিকতাৰ 'ছেইণ্ট মেৰীজ' স্কুলৰ শিক্ষয়িত্ৰী হিচাপে নতুন দায়িত্ব দি কলিকতালৈ পঠিয়ায়। তাৰ পাছৰ কুৰি বছৰ মাদাৰ টেৰেছাই তাতে চাকৰি কৰি আছিল আৰু ১৯৪৪ চনত প্ৰধান শিক্ষয়িত্ৰী পদত অধিষ্ঠিত হৈছিল। এগৰাকী শিক্ষয়িত্ৰী হিচাপে ছিষ্টাৰ টেৰেছাইতো খ্যাতি অৰ্জন কৰিছিলেই, লগতে সুগুণসম্পন্না এগৰাকী সহৃদয় আৰু মৰমীয়াল লোক হিচাপেও ছিষ্টাৰ টেৰেছাই আন নান আৰু শিক্ষাৰ্থীসকলৰ মনোজগতত বিশেষ স্থান অধিকাৰ কৰিছিল। ক'ৰবাত মজিয়া লেতেৰা হৈ থকা যেন দেখিলেই তেওঁ বন কৰা মানুহলৈ বৈ নাথাকি নিজে হাতত কাপোৰ আৰু পানী লৈ সেয়া চাফা কৰিবলৈ লাগি যায়। ছিষ্টাৰ টেৰেছাই নিয়মানুৱৰ্তিতাত বেছ গুৰুত্ব দিছিল। স্কোপেত থাকোঁতে টেৰেছা 'ছোডালিটি অফ চিলড্ৰেন অব মেৰী' নামৰ এক সংগঠনৰ লগত জড়িত হৈ আছিল। ১৯৩৭ চনৰ ২৪ মে'ত নান হিচাপে তেওঁৰ অন্তিম শপত ল'বৰ বাবে ছিষ্টাৰ টেৰেছা দাৰ্জিলিঙলৈ যায়। তাত তেওঁ গোটেইজীৱন জুৰি দৰিদ্ৰ, অভাৱ আদিত ভূগি থকা লোকসকলৰ বাবে কাম কৰি যোৱাৰ শপত গ্ৰহণ কৰে আৰু ভগৱানৰ সেৱাত নিজকে নিয়োজিত কৰি ৰাখিবলৈ অংগীকাৰ কৰে।

**মানৱ সেৱা ঃ** তেওঁ পৰিধান কৰে নীলা পাৰী দিয়া বগা সূতাৰ শাড়ী, বাওঁ কান্ধত পবিত্ৰ ক্ৰুছৰ চিহ্ন। পাছলৈ তেওঁ 'লৰেটো ছিষ্টাৰ্ছ' এৰি কলিকতাৰ দৰিদ্ৰ, অভাৱী, নিৰাশ্ৰয় লোকসকলৰ বাবে কাম কৰিবলৈ মন মেলিলে। পাটনাত তেওঁৰ লগত একেলগে কাম কৰা সেৱিকাসকলে মাদাৰ টেৰেছাৰ বিষয়ে কৈছিল যে যিমানেই সংক্ৰামক অসুখত ভোগা ৰোগী নহওক, তেওঁ প্ৰয়োজনীয় শুশ্ৰূষা কৰিবলৈ পিছ হুহকি অহা নাছিল। মাদাৰে দুখীয়াসকলৰ ল'ৰা-ছোৱালীৰ বাবে স্কুল খুলি তেওঁলোকক সহায় কৰিছিল।

১৯৫০ চনত তেওঁ 'মিছনেৰিজ অৱ চেৰিটি' গঠন কৰে। মাত্ৰ ১৩ জন কৰ্মীৰে সৈতে তেওঁ এই ধৰ্মীয় সংগঠনৰ স্মৰণীয় যাত্ৰা আৰম্ভ কৰিছিল। দুখীয়াসকলৰ প্ৰতি সেৱাৰ ক্ষেত্ৰত আনৰ তুলনাত তেওঁৰ দৃষ্টিভংগী আছিল যথেষ্ট পৃথক। তেওঁ কৈছিল— 'আমি যদি দুখীয়াসকলক সহায় কৰিব লাগে তেন্তে আমি প্ৰথমতে তেওঁলোকৰ দুখবোৰ বুজিব লাগিব। তাকে কৰিবলৈ হ'লে আমি নিজেও সেই দৰিদ্ৰসকলৰ দৰে বাস কৰিব লাগিব। সেইসকল দৰিদ্ৰ আৰু আমাৰ মাজত থকা পাৰ্থক্যটো হ'ল তেওঁলোক জন্মগতভাৱে দুখীয়া আৰু আমি নিজে ইচ্ছা কৰি দুখীয়া হৈছোঁ।'

১৯৫২ চনৰ ২২ আগষ্টত মাদাৰ টেৰেছাই 'নিৰ্মল হৃদয়' নামৰ এক আশ্ৰয়গৃহ মুকলি কৰে। এই আশ্ৰয়গৃহত মুমূৰ্ষ আৰু মৃত্যুমুখী লোকসকলক স্থান দিয়া হৈছিল।

মাদাৰৰ একান্ত বিৰোধী এজন ডেকা হিন্দু পুৰোহিতে এদিন তেজ বমি কৰি কৰি লেবেজান হৈ গ'ল। তেওঁ টিউবাৰকুলছিছৰ শেষ পৰ্যায়ত ভোগা ৰোগী আছিল। কোনো হস্পিটেলে তেওঁক ৰাখিব নুখুজিলে। বাহিৰতে অ'ত ত'ত পৰি থকা পুৰোহিতজনক মাদাৰে 'নিৰ্মল হৃদয়'লৈ লৈ আহে।

পশ্চিমবংগৰ মুখ্যমন্ত্ৰী বিধান চন্দ্ৰ ৰায়ৰ লগত মাদাৰে শিশুসকলৰ বাবে আশ্ৰয়গৃহ স্থাপন কৰা বিষয়ে কথা পাতিলে আৰু তাৰ পাছত মুখ্যমন্ত্ৰীৰ সহায়ত ১৯৫৫ চনৰ ২৩ ছেপ্তেম্বৰত ক্ৰীক লেনৰ ওচৰতে থকা এটা ঘৰত 'নিৰ্মলা শিশু সদন' নামৰ আশ্ৰয়গৃহ প্ৰতিষ্ঠা কৰে। মাদাৰে সৰু ল'ৰা-ছোৱালীৰ শিক্ষাৰো ব্যৱস্থা কৰিছিল। শিশু সদনৰ ল'ৰা-ছোৱালীবোৰ ডাঙৰ হোৱাৰ পাছত সিহঁতৰ পঢ়া-শুনাৰ উপৰিও উপযুক্ত বয়সত বিয়া পাতি দিছিল।

১৯৫৬ চনত মাদাৰ টেৰেছাই কুষ্ঠ ৰোগী সকলৰ বাবে এক ভ্ৰাম্যমান ডিছপেন্সেৰী আৰম্ভ কৰে। এখন ভ্ৰাম্যমান ক্লিনিকে কলিকতাৰ হাজাৰ হাজাৰ কুষ্ঠ ৰোগীৰ সেৱা আগবঢ়াব নোৱৰাৰ বাবে পাছত এনে ধৰণৰ আঠটা কেন্দ্ৰ স্থাপন কৰা হ'ল আৰু কলিকতাৰ প্ৰায় ৩০,০০০ কুষ্ঠ ৰোগীক মাদাৰৰ ভ্ৰাম্যমান চিকিৎসালয়ে সহায় কৰিবলৈ ধৰিলে। তীতলাগড়তো তেওঁ কুষ্ঠ ৰোগীসকলৰ বাবে এক পৰিচৰ্যা গৃহ স্থাপন কৰে। ১৯৫৯ চনৰ মাৰ্চত তিতলাগড়ত এখন ক্লিনিক স্থাপন কৰা হ'ল। মাদাৰ টেৰেছাই কুষ্ঠ গোৰীসকলৰ শান্তিৰ বাবে এক স্থান 'শান্তি নগৰ' স্থাপন কৰে।

১৯৮২ চনত বেইৰুটৰ অৱৰোধৰ সময়ত মাদাৰ টেৰেছাই যুদ্ধৰ ফণ্টলাইনৰ এখন হস্পিটেলৰ পৰা অৱৰুদ্ধ হৈ পৰা ৩৭ জন ল'ৰা-ছোৱালীক উদ্ধাৰ কৰে।

**স্বীকৃতি ঃ** বিশ্ববাসীয়ে মাদাৰ টেৰেছাৰ উদাৰ মানৱতাবাদী দৃষ্টিভংগীৰ বাবে তেওঁলৈ যাঁচিছে বিভিন্ন সন্মান আৰু উপাধি। ১৯৬২ চনত ভাৰত চৰকাৰে মাদাৰ টেৰেছাক 'পদ্মশ্ৰী' সন্মান যাচি তেওঁৰ কৰ্মৰাজিক প্ৰথম স্বীকৃতি দিয়ে। ১৯৮০ চনত মাদাৰ টেৰেছাই 'ভাৰতৰত্ন' সন্মান লাভ কৰে। ১৯৭১ চনত পোপ ষষ্ঠ পলে মাদাৰক দুখীয়াৰ কাৰণে কৰা কাম, খ্ৰীষ্টান জনসেৱাৰ নিদৰ্শন প্ৰদৰ্শন আৰু শান্তিৰ চেষ্টাৰ বাবে শান্তি পুৰস্কাৰ প্ৰদান কৰে। ১৯৭৯ চনত তেওঁ নোবেল বঁটা লাভ কৰে। 'শান্তিৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰা দাৰিদ্ৰ আৰু আশ্ৰয়হীনতা দূৰ কৰিবলৈ তেওঁ চলোৱা প্ৰচেষ্টা'ৰ বাবে মাদাৰক এই বঁটা দিয়া হৈছিল। তেওঁ পুৰস্কাৰৰ ১,৯২,০০০ ডলাৰ ধন ভাৰতৰ দৰিদ্ৰসকলক দিবলৈ কৈছিল। এই ক্ষেত্ৰত তেওঁৰ স্পষ্ট মত আছিল যে পুৰস্কাৰে যদি দুখীয়াসকলৰ দুখ দূৰ কৰিব পাৰে, তেতিয়াহে পুৰস্কাৰ গুৰুত্বপূৰ্ণ। ভাৰত আৰু বিদেশৰো বহুকেইখন বিশ্ববিদ্যালয়ে তেওঁক সন্মানীয় ডক্টৰেট ডিগ্ৰী প্ৰদান কৰিছিল। আমেৰিকা যুক্তৰাষ্ট্ৰই ১৯৯৬ চনৰ ১৬ নৱেম্বৰত মাদাৰ টেৰেছালৈ সেই দেশৰ সন্মানীয় নাগৰিকত্ব আগবঢ়ায়।

মাদাৰ টেৰেছাই পোৱা অন্যান্য পুৰস্কাৰৰ ভিতৰত আছিল— মানৱতাৰ প্ৰচাৰৰ বাবে 'বালজান পুৰস্কাৰ' (১৯৭৮) আৰু 'এলবাৰ্ট স্কোৱেটজাৰ আন্তৰ্জাতিক পুৰস্কাৰ' (১৯৭৫)।

**সামৰণি ঃ** বাৰ্দ্ধক্যৰ বাবেই ১৯৯৭ চনৰ ৫ ছেপ্তেম্বৰত মাদাৰ টেৰেছাৰ পৰলোক প্ৰাপ্তি ঘটে। মাদাৰ টেৰেছা সঁচাকৈয়ে ত্যাগ আৰু সেৱাৰ মহিমাৰে উজলি থকা এক অনন্যা নাৰী। তেওঁ নিজেই মূৰ্তিমতী কৰুণাৰ প্ৰতীক, মানৱিক প্ৰমূল্যৰ ধাৰক আৰু বাহক। এই মহান মনিষীজনাৰ কৰ্মৰাজিয়ে আমাক মানৱ সেৱাত ব্ৰতী হৈ দেশ আৰু দহৰ বাবে বিনাস্বাৰ্থত সেৱা আগবঢ়াবলৈ উদ্বুদ্ধ কৰে। তেওঁৰ কৰ্মই বুজায় আনে আমাৰ লগত যি ধৰণৰ ব্যৱহাৰ নকৰক আমি সদায় মানৱতাকহে আগস্থান দিয়া উচিত। ●



আজি আমাৰ মাজত প্ৰেম আৰু ভাতৃত্ববোধৰ অভাৱ ঘটিছে, কাৰণ আমি প্ৰত্যেকেই প্ৰত্যেকৰ প্ৰতি থকা দায়িত্ব আৰু সমৰ্পণৰ ভাব পৰিহাৰ কৰিছোঁ।

*— মাদাৰ টেৰেছা*



মহৎলোকৰ জীৱনী

# পণ্ডিত জৱাহৰলাল নেহৰু



**লক্ষ্মীৰেখা নাথ**
**ষষ্ঠ ষাণ্মাসিক, কলা**

■ বিশ্বৰ শান্তি প্ৰয়াসী মানৱৰ আশাৰ প্ৰতিমূৰ্ত্তি জৱাহৰলাল নেহৰু ভাৰতৰ জাগ্ৰত পুৰুষসকলৰ কৰ্ম প্ৰেৰণাৰ চিৰন্তন প্ৰতীক। স্বাধীন ভাৰতৰ প্ৰাণ প্ৰতিষ্ঠাতা, শান্তি প্ৰগতিৰ বাটকটীয়া নেহৰুৱে ১৮৮৯ চনৰ ১৪ নৱেম্বৰ তাৰিখে এলাহাবাদ নগৰত সোণৰ চামুচ মুখত লৈ জন্মগ্ৰহণ কৰিছিল। লব্ধ প্ৰতিষ্ঠ আইনবিদ আৰু বিখ্যাত ৰাজনীতিবিদ মতিলাল নেহৰু তেওঁৰ দেউতাক আছিল আৰু মহাধৰ্ম পৰায়ণা মহিলা স্পৰূপৰাণী নেহৰু তেওঁৰ মাতৃ আছিল। নেহৰুৱে পিতৃ মতিলালৰ পৰা দুৰ্বাৰ সাহসিকতা, দেশপ্ৰেম আৰু মাতৃ স্বৰূপ ৰাণীৰ পৰা দয়া, ক্ষমা, শান্তি, স্নেহ, প্ৰীতি আদি শিক্ষা লাভ কৰিছিল।

**শিক্ষা ঃ** জৱাহৰলাল নেহৰুৱে চৈধ্য বছৰ বয়সলৈকে ঘৰতে শিক্ষা লাভ কৰি উচ্চ শিক্ষাৰ বাবে ১৯০৫ চনত ইংলেণ্ডলৈ যায় আৰু ইংলেণ্ডৰ প্ৰসিদ্ধ 'হেৰো' স্কুলত ভৰ্ত্তি হয়। তাৰ পিছত ১৯০৭ চনত 'হেৰো' স্কুলৰ শিক্ষা শেষ কৰি 'ট্ৰিনিটি' কলেজলৈ যায়। 'ট্ৰিনিটি' কলেজত পঢ়া-শুনা শেষ হোৱাৰ পিছত নেহৰুৱে 'কেম্ব্ৰিজ' বিশ্ববিদ্যালয়ৰ পৰা ৰসায়ন, ভু-তত্ত্ব আৰু উদ্ভিদ বিদ্যাত অনাৰ্চসহ ডিগ্ৰী লাভ কৰে। তাৰ পিছত তেওঁ 'ইনাৰ টেম্পল'ৰ পৰা বেৰিষ্টাৰী পাছ কৰি ১৯১২ চনত স-গৌৰৱেৰে স্বদেশলৈ ঘূৰি আহে।

**কৰ্ম জীৱন ঃ** ভাৰতলৈ ঘূৰি আহি নেহৰুৱে এলাহাবাদ হাই কোৰ্টত আইন ব্যৱসায় আৰম্ভ কৰে। কিন্তু যাৰ শৰীৰৰ প্ৰতি শিৰাই স্বাধীনতাৰ তপ্ত ৰুধিৰ চিৰ প্ৰবাহমান, যাৰ অন্তৰত স্বদেশ প্ৰেমৰ আকুল আৱেগ, তেওঁক আইন ব্যৱসায়ে ধৰি ৰাখিব নোৱাৰিলে। নেহৰুৱে বাকীপুৰত বহা কংগ্ৰেছ অধিবেশনত যোগদান কৰি ভাৰতীয় জাতীয় সংগ্ৰামত প্ৰৱেশ কৰে। ইয়াৰ পিছত ১৯১৬ চনত তেওঁ কমলা বাউলৰ লগত বিবাহ পাশত আবদ্ধ হয়। সেই বছৰতেই নেহৰুৰ জীৱনৰ পথ পৰিবৰ্তন ঘটে।

**ৰাজনৈতিক জীৱন ঃ** ১৯১৬ চনত লক্ষ্ণৌত অনুষ্ঠিত হোৱা কংগ্ৰেছ অধিবেশনত জৱাহৰলাল নেহৰুৱে যোগদান কৰে। তেখেত কম সময়ৰ ভিতৰতে মহাত্মা গান্ধীৰ প্ৰিয়পাত্ৰ হৈ ৰাজনীতিৰ ফালে ঢাপলি মেলে। ১৯১৭ চনৰ হোমৰুল আন্দোলনত, ১৯১৯ চনৰ জালিয়ানৱালাবাগৰ হত্যাকাণ্ডৰ তথ্য সংগ্ৰহত তেওঁ বহুতো সহায় কৰিছিল। ১৯২১ চনত প্ৰিন্স অৱ ৱেলছৰ ভাৰত আগমনত হৰতাল পালন প্ৰসঙ্গত তেওঁ প্ৰথমবাৰৰ বাবে জে'ললৈ গৈছিল। আকৌ ১৯২২ চনত বিদেশী বস্তু বৰ্জন আন্দোলন পৰিচালনাৰ অভিযোগত আৰু ১৯২৩ চনত ৰাজ্য পৰিত্যাগৰ আদেশ অমান্য কৰাৰ অভিযোগত কাৰাৰুদ্ধ হয়। ইয়াৰ পৰা মুক্তি লাভ কৰিয়েই এলাহাবাদ 'মিউনিচিপালিটি'ৰ সভাপতি নিৰ্বাচিত হয়। ১৯২৮ চনত চাইমন কমিচনৰ

বিৰুদ্ধে শোভাযাত্ৰা পৰিচালনাত পুলিচৰ লাঠিৰ আঘাতত তেওঁ আহত হয়। ইয়াৰ পিছত ১৯৩০ চনত 'লোন আইন ভঙ্গ আন্দোলন আৰু কিষাণ সন্মিলনৰ যোগদানৰ অভিযোগত দুবছৰ কাৰাদণ্ডেৰে দণ্ডিত হয়। সেই সময়তে পিতৃ মতিলাল নেহৰুৰ বিয়োগ ঘটে। আকৌ ১৯৩৪ চনত কলিকতাত ৰাষ্ট্ৰ বিদ্ৰোহী বক্তৃতা দিয়াৰ বাবে কাৰাবৰণ খাটিবলগীয়া হয়।

ইয়াৰ অলপ দিনৰ পিছতে পত্নী কমলাৰ বিয়োগ ঘটে। শোকত অভিভূত হৈ কিছুদিন ৰাজনীতিৰ পৰা বিৰত থাকে। পুনৰায় ১৯৩৬ চনত লক্ষ্ণৌ কংগ্ৰেছত সভাপতি নিৰ্বাচিত হয়। ১৯৩৮ চনত মাতৃ স্বৰূপৰাণীৰ বিয়োগ হয় যদিও সেই বছৰতেই তেওঁ স্পেইন আৰু চীন ভ্ৰমণ কৰে। ১৯৪০ চনত সত্যাগ্ৰহ আন্দোলনত যোগদান কৰা কাৰণে নেহৰুৰে ৪ বছৰৰ বাবে কাৰাদণ্ডেৰে দণ্ডিত হয় আৰু ১৯৪২ চনত ভাৰত ত্যাগ আন্দোলনত যোগদান কৰি কাৰাৰুদ্ধ হয়। ১৯৪৬ চনত তেওঁ চতুৰ্থবাৰৰ বাবে কংগ্ৰেছৰ সভাপতি নিৰ্বাচিত হয়। ১৯৪৭ চনৰ ১৫ আগষ্ট তাৰিখে ভাৰতে স্বাধীনতা লাভ কৰে। পিছত নেহৰুৱে স্বাধীন ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰীৰ দায়িত্ব বহন কৰে।

**বিশ্ব শান্তিৰ অগ্ৰদূত নেহৰু ঃ** প্ৰধানমন্ত্ৰী হৈ জৱাহৰলাল নেহৰুৱে ভাৰতৰ বুকুত হাজাৰ হাজাৰ শান্তিৰ কপৌ উৰুৱাইছিল। বাণ্ডুং সন্মিলনৰ পঞ্চশীল নীতিৰ প্ৰবক্তা নিৰস্ত্ৰীকৰণ প্ৰস্তাৱৰ উদ্ভাৱন কৰ্তা নেহৰুৰ বিশ্ব শান্তিৰ প্ৰচেষ্টাই বিশ্বৰ শত সহস্ৰ মুমূৰ্ষ জাতিৰ প্ৰাণত সঞ্জীৱনী সঞ্চাৰ কৰিলে। স্বাধীনতা, সাম্য, মৈত্ৰীৰ প্ৰেৰণা মোলালে। বিশ্বযুদ্ধৰ বিপুল সম্ভাৱনা সাময়িকভাৱে হ'লেও অন্তৰ্নিৰ্হিত হৈ প্ৰগতিৰ বাটত খোজ দিলে। নেহৰুৰ বিশ্ব শান্তিৰ গৌৰৱময় প্ৰচেষ্টা দেখি বৈজ্ঞানিক আইনষ্টাইনে নেহৰুক সাৰটি কৈছিল— "তুমিয়েই একমাত্ৰ ভৰসা, তোমাৰ পদচিহ্নই ভৱিষ্যতৰ পৃথিৱীৰ কক্ষপথ।'

**সাহিত্যিক জৱাহৰলাল ঃ** প্ৰখ্যাত মানৱতাবাদী ৰাজনীতিজ্ঞ জৱাহৰলাল নেহৰু এগৰাকী সু-সাহিত্যিকো আছিল। তেওঁ ৰচনা কৰা 'ভাৰত আৱিষ্কাৰ' এখন উচ্চ প্ৰশংসিত গ্ৰন্থ। তেওঁ লিখা আন এখন গ্ৰন্থ হ'ল— 'গ্লিমপচ অফ ওৰ্ল্ড হিষ্টৰি' (বিশ্ব ইতিহাসৰ জিলিকনি)। 'লেটাৰ ফ্ৰম ফাদাৰ টু হিজ ডটাৰ' অটো বায়গ্ৰাফী আদি গ্ৰন্থ লিখি বিশ্বৰ শ্ৰেষ্ঠ সাহিত্যিকৰ আসন অলংকৃত কৰিছিল। জে'ল জীৱনৰ নিসংগতাই কোনো কালেই তেওঁৰ মন দিগন্তৰ পৰিধিত ক'লা ডাৱৰৰ সৃষ্টি কৰিব পৰা নাছিল। বৰঞ্চ তাৰ পৰিৱৰ্তে সৃষ্টি কৰিছিল বিশাল আবেগ আৰু অনুভূতিৰ জীৱন্ত প্ৰকাশ। তেওঁৰ প্ৰতিখন গ্ৰন্থই সাহিত্যৰ অক্ষয়কীৰ্ত্তি। নেহৰুৰ সাহিত্যৰ সুকুমাৰ মনৰ ভাবৰ প্ৰতিফলন আৰু ঐতিহাসিক চেতনা, আৰু দাৰ্শনিক গভীৰ জ্ঞানৰ জীৱন নিদৰ্শন।

**সামৰণি ঃ** ১৯৬৪ চনৰ ২৭ মেৰ দিনা এইজনা জাতীয় জীৱন নিৰ্মাতাই সমগ্ৰ বিশ্বতে শোকৰ ছাঁ পেলাই ইহলীলা সম্বৰণ কৰে। দেশৰ স্বাধীনতাৰ বাবে সংগ্ৰাম কৰিবলৈ গৈ প্ৰায় বাৰ বছৰ কাল কাৰাগাৰত কটোৱা জৱাহৰলাল নেহৰু এজন নিৰ্ভীক তথা প্ৰকৃত দেশপ্ৰেমী তথা শিশুপ্ৰেমিক আছিল। দেশমাতৃক শৃংখলমুক্ত কৰোৱাই আছিল তেওঁৰ জীৱনৰ একমাত্ৰ উদ্দেশ্য। ভাৰত মাতৃৰ সু-সন্তান, বিৰল প্ৰতিভাৰ অধিশ্বৰ জৱাহৰলাল নেহৰু আজি আমাৰ মাজত নাই সঁচা, কিন্তু তেওঁৰ এই বিশাল জীৱন দৰ্শনেই চিৰদিন জৱাহৰলাল নেহৰুৰ শিশুৰ প্ৰতি থকা মৰম চেনেহৰ বাবে তেওঁৰ জন্ম দিৱস ১৪ নৱেম্বৰৰ দিনটোক শিশু দিৱস হিচাপে সমগ্ৰ দেশখনত পালন কৰা হয়। ●






কবিতা

# সমিধানহীন

**নূৰ আফৰুজ আহমেদ**
ষষ্ঠ ষাণ্মাসিক, কলা




প্ৰেমত পৰাটোৱে একমাত্ৰ নিয়ম নেকি,
কাৰোবাৰ হৃদয়ত অকণমান ঠাই কৰিবলৈ
মাথো কেইটামান দিন থাকিবলৈ
ভালপোৱাৰ ভাৱনাবোৰেৰে
সৰু এটি জুপুৰী ঘৰ সজাই?
প্ৰেমত পৰাটো চৰ্ত নেকি
ভাগ-বতৰা কৰি ল'বলৈ, কাৰোবাৰ লগত
জীৱনৰ কঠিন অধ্যায়বোৰ?
কাৰোবাৰ হৃদয়ৰ অবুজন ক্ৰন্দনক
এধানি সান্ত্বনাৰ বাণী শুনাবলৈও কি
প্ৰেমত পৰিব লাগিব?
ৰ'দজাকে চোন আমাক সদায় পোহৰ দিয়ে,
গছ জোপাই অক্সিজেন দিয়ে
অৰণ্যই ইন্ধন দিয়ে
নদীখনে দিয়ে দূৰ দুৰণিৰ পৰা
আলফুলে কঢ়িয়াই অনা
এছাটি শীতল সমীৰণ;
সেই বুলি নদীখনে কি মোৰ প্ৰেমত পৰিছে?
গছজোপাৰ পত্ৰস্থিত হৰিৎ কণাই
আলফুলে আঁকোৱালি লৈছে সূৰুযৰ ৰশ্মিক
আৰু সেই সান্নিধ্যৰেই পাতখিলাই প্ৰস্তুত কৰিছে
গছডালৰ প্ৰয়োজনীয় আহাৰ—
সেইবুলি গছজোপাই প্ৰেমত পৰিছে নেকি
সূৰুযৰ ৰশ্মিৰ?
আকাশখনে বৃষ্টি কণাৰে ধৰিত্ৰীলৈ-
প্ৰেৰণ কৰিছে শান্তিৰ সুযম বাৰ্তা,
ৰাতিপুৱাৰ নীড়মুখী চৰাইজাকেও
কঢ়িয়াই আনে মন জুৰোৱা
এফাকি ভটিয়ালী গান....
চৰাই জাকেও কি মোৰ প্ৰেমত পৰিছে
সিহঁতৰ হিয়াৰ অজানিতেই?
আৰু যদি পৰিছে— মই সহমত;
হয় সিহঁত প্ৰেমত পৰিছে,
সিহঁতে মোৰ প্ৰেমত পৰিছে
সিহঁতে তোমাৰ প্ৰেমত পৰিছে
সিহঁত সবেই মানুহৰ প্ৰেমত পৰিছে
'তেন্তে কিয়' বিৰাট এক প্ৰশ্ন মোৰ,
তেন্তে কিয় পৰা নাই মানুহবোৰে
মানুহৰ প্ৰেমত?
কিয় মানুহবোৰে অধ্যয়ন কৰা নাই
ভালপোৱাৰ ভাৱনাবোৰ?
অন্তৰৰ অন্তঃস্থলত মানুহে
কিয় পুহি ৰাখে এজাক ঘৃণা?
কিয় প্ৰশ্ৰয় দিয়ে মানুহে কণ্টকতাক?
লোভ-লালসা আৰু কামনা চৰিতাৰ্থ কৰিবলৈ
কিয় মানুহবোৰে জীৱন্তে দমন কৰি দিয়ে
সততাক?
কিয় বিলীন কৰি দিয়ে নিজকে
হত্যা আৰু হিংসাৰ দাবানলত?
কিয় ধৰা নপৰে দিনৰ পোহৰতো
চক্ৰেটিছৰ লণ্ঠনত
এজনো জীয়া মানুহ?
কিয়?
প্ৰত্যেকজন গৰ্ভৱতী মাতৃয়েই কি
জন্ম দিছে একো একোজন মৃত সন্তানৰ?
যি সন্তান আমি ধৰিত্ৰীৰ বুকুত আহি
জীয়াই তুলিব পাৰা নাই নিজকে?
হিংসা আৰু স্বাৰ্থপৰতাৰ কৰাল গ্ৰাসত পৰি

হেৰুৱাই পেলাইছোঁ নিজৰ অস্তিত্ব
আৰু বিলীন কৰি দিছো নিজকে বৰ্বৰতাৰ আদিম স্তৰলৈহু
নিশিকিলো প্ৰেম,
নিশিকিলো ভালপোৱা
নিশিকিলো অহিংসাৰ পিয়লাত
হৃদয়খন পখালিবলৈ;
নুবুজিলোঁ ধৰ্ম,
নুবুজিলোঁ ঈশ্বৰ
নুবুজিলোঁ মহামানৱে গাই যোৱা
মানৱতাৰ গান
আৰু তাৰ অৰ্থ।
যি শিকিলো যি বুজিলোঁ
সেয়া মাথো বিভেদকামী সৃষ্টিৰ
স্ৰষ্টাৰ জন্ম দেখিলোঁ।
কি শিকিলো—
যন্ত্ৰণাৰ দুৱাৰত জ্বলি থকা
আশাৰ বন্তি গছিত ফু মাৰি নুমাই
দিবলৈ শিকিলোঁ,
ধৰ্মৰ নামত অধৰ্মৰ জয়গান
গাবলৈ শিকিলোঁ।
কি দেখিলোঁ—
দেখিলো হত্যা, লুণ্ঠন আৰু
ধৰ্ষণমিশ্ৰিত সমাজ এখনৰ জীয়া চিত্ৰ
দেখিলো জ্বলি থকা এখন আকাশ
বুৰি থকা এখনি ধৰণী,
বন্দুকৰ নলীত দেখিলোঁ মানুহৰ আত্মাহু
পথাৰ সমূহত দেখিলোঁ
গোট মৰা শোণিতৰ চেকুৰা;
গগন চুম্বী অট্টালিকাৰ পাদদেশত দেখিলোঁ
ধূলিত পোত যোৱা শত শৈশৱ,
দহ মহলাৰ পৰা জপিয়াই আত্মহত্যা কৰিছে
ঈশ্বৰ সৃষ্ট 'ৰবট'।
শিমলু তুলাৰ দৰে উৰিছে কামনা
বিগলিত যৌৱন
অশ্লীল আবৰ্জনাৰে ভৰি পৰিছে
পৱিত্ৰ গংগা, সৰস্বতী আৰু যমুনা।

কি শুনিলোঁ—
শত সহস্ৰ অসহায় মানুহৰ
ক্ৰন্দনৰ মাজতো উচ্চস্বৰত শুনিলোঁ
কৃত্ৰিম ভালপোৱাৰ বিমিক্স গান,
শুনিলোঁ সেই শব্দ যান্ত্ৰিকতাৰ
যিয়ে কাণে কাণে কৈ গ'ল,
ছিঙি গৈছে মানুহৰ হৃদয়ৰ টান,
ছিঙি গৈছে প্ৰেম ভালপোৱাৰ এনাজৰী
অন্তৰৰ মাজত ছিঙি গৈছে মানুহৰ
স্বাধীনতাৰ বাঘজৰী।
প্ৰেমত পৰা নাই;
কোনেও কাৰো প্ৰেমত পৰা নাই;
প্ৰেমিকে প্ৰেমিকাৰ প্ৰেমত পৰা নাই
প্ৰেমিকাই পৰা নাই প্ৰেমিকৰ প্ৰেমত
সন্তানে পিতৃ-মাতৃৰ প্ৰেমত পৰা নাই
আনকি পিতৃ মাতৃয়েও পাহৰিছে সন্তানক
গুৰুৱে শিষ্যৰ প্ৰেমত পৰা নাই
শিষ্যই পৰা নাই গুৰুৰ প্ৰেমত
সময় ইতিহাসৰ প্ৰেমত পৰা নাই
ইতিহাসেও আজিকালি অগ্ৰাহ্য কৰে সময়ক
প্ৰেমৰ বজাৰত লাগিছে হাহাকাৰ
উতলি উঠিছে কাৰাপশ্ব্যনহু
মানুহে মানুহৰ প্ৰেমত পৰা নাই
আনকি নিজৰ প্ৰেমতো পৰা নাই,
কেনেকৈনো পৰিব মানুহ ঈশ্বৰৰ প্ৰেমত?
যাৰ অস্তিত্বক লৈয়ে ইমান ঠেলা হেঁচাহুহু

যদি পৰিছে,
তেন্তে মানুহে মাথো পৰিছে
গতিৰ প্ৰেমত
গতি কৰিছে মানুহে দুৰ্বাৰ গতিত
সসীমৰ সীমা অতিক্ৰমি
গতি কৰিছে অসীমলৈ
'ভূলোক-দ্যুলোক-গোলকৰ সীমা ভেদি
মানুহে গতি কৰিছে শূন্যলৈ
উত্তৰৰ সন্ধানত মানুহে গতি কৰিছে





উত্তৰ বিহীনতালৈ
গন্তব্যহীনতালৈ চলিছে মানুহৰ
বিৰামহীন গতি,
পাহৰিছে জীৱন, পাহৰিছে সময়
পাহৰিছে নিজক, পাহৰিছে নিজৰ অস্তিত্ব
মাথো গতি কৰিছে, অসীমৰ পৰা অসীমতালৈ.... !
ক'ত আছে এই গতিৰ অন্ত?

ক'ত আছে সেই ঠাই?
ক'ত মই ল'ব পাৰিম জিৰণিৰ শ্বাস অকণ?
ক'ত সাৰিব পাৰিম পলাই?
কেতিয়া অন্ত হ'ব সেই সূৰ্যাস্তৰ
কেতিয়া আৰু নাহিব এই সূৰ্যোদয়, কেতিয়া বন্ধ হ'ব
পৃথিৱীৰ এই গতিৰ
কেতিয়া, কেতিয়া আহিব সেই সময়?? •



# জন্মভূমি মোৰ চেনেহৰ যোগীঘোপা

আয়েশা চুলতানা
দ্বিতীয় ষাণ্মাসিক, বিজ্ঞান

প্ৰজ্ঞাৰ সাধনাৰ সমুজ্জ্বল মাতৃভূমি
মোৰ এক গৌৰৱ অৰ্চনা
সমতল ভৈয়ামৰে আৰৱা
সোণালী হাঁহিৰ গুৱনি পথাৰ যোগীঘোপা
অনেক জনগোষ্ঠীৰ অনেক যোগীৰ
ই এক সাধনা
হিন্দু, মুছলমান অনেক জনগোষ্ঠীৰ
জীয়াই থকাৰ ই এক বাসস্থান যোগীঘোপা।
ব্ৰহ্মপুত্ৰ, অনেক উপনৈ
আৰু অনেক ক্ষুদ্ৰ সৃষ্টিৰে আৰৱা
অনেক ৰূপেৰে অনেক খ্যাতিৰ
সংগমস্থল আৰু জিজ্ঞাসাৰ এক মাধুৰ্য্য যোগীঘোপা।
মহতী ঋষি, অনেক মুনিয়ে কৰা
তপস্যা, আৰাধনা
অনেক উছৰ্গা, অনেক ত্যাগৰ ফলত
হে ৰোৱা সুদীৰ্ঘদিনৰ এক তীৰ্থস্থান যোগীযোপা।
বিভিন্ন উৎসৱ, বিভিন্ন ধৰ্মাৱলম্বী লোকৰ
আশা-আকাংক্ষা

সকলোৰে হিয়া আদৰি লোৱা
চঞ্চল সৌন্দৰ্য্যৰ চানেকি যোগীঘোপা
নৱ নৱ ৰূপ, নৱ নৱ ৰং
অনেক বংশৰ জখলা
অতীতৰ পৰা বৰ্তমানলৈকে
অনেকৰ স্মৃতি বহন কৰা ই যাউতীযুগমীয়া যোগীঘোপা।
অনেক খেতি-বাতি, অনেক আহুতিৰ
অনেকৰ বিভীষিকা
লক্ষ্যৰে আৰৱা ত্যাগৰ সাধনা বিয়পোৱা
ই এক সুগন্ধৰ আত্মীয় যোগীঘোপা।
অনেক জনগোষ্ঠীৰ অনেক ভাৱনাৰ
ই এক উজ্জ্বল আসনৰ ছাঁ
মায়াৰে আৰৱা, অনেক কৃষ্টি-সংস্কৃতিৰ
এক ক্ষুদ্ৰ সংস্কৰণ যোগীঘোপা
গ্ৰীষ্মৰ উত্তাপ, শীতৰ কুঁৱলী, বসন্তৰ ফুলৰ
নানান অপেক্ষা
আনন্দৰ আৱেগত বৰষুণৰ আগমন পাই
শিহৰিত হৈ উঠা এক প্ৰতিশ্ৰুতি যোগীঘোপা।

আধুনিক যুগৰ আধুনিক মানৱৰ
আচাৰ-ব্যৱহাৰ, শিক্ষা-দীক্ষা
সজালে অনেক সমন্বয়ৰ বাটেৰে
হে ৰ'ল ৰক্ষা সচেতনতাৰ পৰিচয় যোগীঘোপা
অনেক ঘটনাৰ অনেক বিনম্ৰৰ
অনেক সৌন্দৰ্য্যৰ
অনেক লোক সংস্কৃতিৰ অনেক সাধনাত
অস্তিত্ব পোৱা ই ইতিহাসৰ যোগীঘোপা
অনেক জীৱনৰ অনেক লক্ষ্যৰ
স্মৃতিৰ এক থাপনা
বিপৰ্য্যয়ৰ মাজতো, নিৰাশাৰ মাজতো
স্বৰ্গৰে বিৰাজিত জন্মভূমি ই মোৰ চেনেহৰ যোগীঘোপা। ●



# ৰাতিৰ স্বচ্ছতা

**আছিফ হুছেইন**
**ষষ্ঠ ষাণ্মাসিক, কলা**

কোনোবাজন জীয়াই থাকে মৰি মৰি,
নাচাওঁ বুলি ক'লেও দেখা হয় ঘন ক'লা এটা ৰাতি,
নুশুনোঁ বুলি ক'লেও শুনিব লগা হয়,
শিয়ালৰ হোৱা হোৱা নাইবা ফেঁচাৰ মিউ মিউ চিঞৰ,
যেতিয়া উভতি আহে এটি ৰৌদ্ৰোজ্জ্বল পুৱা,
হৃদয়ত ভৰাই ল'ব পাৰি ৰিব্ ৰিব্ বতাহ,
নাইবা প্ৰভাতৰ কোমল ৰ'দালি।

যেতিয়া যায়গৈ হৃদয়ৰ আপোনজন আঁতৰি,
ফাটি যায় হিয়াখন চিৰাল ফটাদি,
নাইবা বৈ থাকে চকুলো দুধাৰি,
কিন্তু যেতিয়া কোনোকালেই নাহে আপোনজন উভটি,
তেতিয়া কোনোবাজন জীয়াই থাকে আপোনজনক সুঁৱৰি,
কোনোবাজন জীয়াই থাকে মৰি মৰি। ●

# ফিডেল কেষ্ট্ৰো



**বিকাশ ডেকা**
**ষষ্ঠ ষাণ্মাসিক, কলা**

তুমি জীয়াই থাকা ফিডেল,
বিশ্বৰ সমূহ নিঃস্ব মানুহৰ জেপত
মুক্তিৰ ঠিকনা হৈ,
বিশ্বৰ সমূহ নিষ্পেষিত মানুহৰ চকুত
প্ৰেৰণাৰ উৎস হৈ,

তুমি জীয়াই থাকা।

অন্ধকাৰৰ পাৰ ভগা অৰণ্যত
মুক্তিযুঁজৰ অপেক্ষাত ৰোৱা
মোৰ প্ৰতিজন সৈনিক বন্ধুৰ অন্তৰত
তুমি দৃঢ়তাৰ সূৰ্য্য হোৱা।

বোকা মাটিৰ সুগন্ধিৰে
শইচ সোণোৱালী পৃথিৱীৰ সপোন দেখা
মোৰ ককাইৰ নাঙলৰ শীৰলুত
তুমি জীয়াই থাকা

অথবা,
মেহনতী জনতাৰ বুকুৰ তেজ শুহি শুহি
নৰখাদক হোৱা প্ৰতিজন ঈশ্বৰৰ বুকু কঁপাই
তুমি মোৰ জনগণৰ বিপ্লৱৰ অস্ত্ৰ হোৱা।

শতিকাৰ পৰা শতিকালৈ
চিয়েৰা মেষ্ট্ৰাৰ পৰা নগা পাহাৰলৈ
তোমাৰ কণ্ঠৰ উত্তাপেৰে
প্ৰতিবাদৰ অগ্নিস্ফুলিঙ্গ উমাই উমাই
তুমি জীয়াই থাকা ফিডেল কেষ্ট্ৰো
তুমি জীয়াই থাকা। ●







# মাটিৰ হাঁহি

**শ্ৰাৱণী সৰকাৰ**
**পঞ্চম ষাণ্মাসিক, কলা**

ছিৰাল ফটা পথাৰ দেখি
খেতিয়কৰ আকাশত উদয় হোৱা মন
ক'লা ডাৱৰ হৰি হৰি
আকাশে ল'লে পিন্ধি

এটি গানহীন ৰাত্ৰি মুখত
সুৰ গুঁজি গুঁজি
বৰষুণে আনিলে মাদকতা
কৰিলে ফৰকাল ফৰকাল
কৃষকৰ বিষণ্ণ আকাশে
কঠীয়ায়ো মেলিলে ডিঙি
বিৰিঙালে মাটিৰ হাঁহি।

বগলীৰ দৰে বগা হোৱা
পথৰুৱা এটি দিনত
কৃষকৰ খোজে পতি বাঢ়ে
পানীৰ মাদল
হেঁপাহত ৰোৱণীয়ে বুকুত ৰচে
শইচ সোণোৱালী ভৱিষ্যতৰ সপোন।
দেখি দেখি। ●

# প্ৰকৃতি


**পূজা ভট্ট**
**ষষ্ঠ ষাণ্মাসিক, কলা**



প্ৰত্যুষতে, চৰাইৰ কলৰৱে
পুৱাৰ বতৰা দিয়ে,
সূৰ্য্যৰ কোমল কিৰণে
মনলৈ কঢ়িয়াই আনে
নৱ প্ৰভাতৰ এক মিঠা অনুভূতি
নিশাৰ জড়তা আঁতৰাই
দেহ-মন জুৰ পৰি যায়....।
প্ৰকৃতিক বিভিন্নৰূপে সজাবলৈ
ঋতু আহে, ঋতু যায়,
আহিনক প্ৰাণ চঞ্চলা কৰি
শৰৎ আহে নতুন প্ৰতিশ্ৰুতি লই
নিয়ৰসনা বিস্তীৰ্ণ পথাৰ,
দূৰ দিগন্তলৈ বিয়পা নিৰ্মল আকাশ
আকাশৰ শুকুলা ডাৱৰৰ লুকা-ভাকু,
লুইতৰ পাৰৰ শুভ্ৰ বালি চাপৰি
মৃদু মলয়াত কঁপি থকা কহুৱাই
জীৱনৰ প্ৰতিটো দুখ আঁতৰাই
ক্ষণিকৰ বাবে দি যায় নিৰ্মল আনন্দ....।
শৰৎ মানেই হ'ল শেৱালি
ফুলাৰ বতৰ, নিয়ৰ সনা দুবৰিয়ে
প্ৰকৃতিক দি যায় নতুন উপহাৰ,
বসন্তৰ আগমনত ফুলনিত ফুলে
চম্পা, কেতেকী, নাহৰ, তগৰ আদি
বসন্তৰ আগমনে মানুহ আৰু প্ৰকৃতিৰ
জগতলৈ কঢ়িয়াই আনে সৃষ্টিৰ উন্মাদনা। ●

# মই বিষাক্ত নহয়

ইয়াৰছান্দ আলী
পঞ্চম ষান্মাসিক, কলা



মই বিষাক্ত নহয়,
মই চিন্তা কৰিব নোৱাৰোঁ।
কেতিয়াবা তোমাৰ ভয়ত
লুকাই থাকোঁ,
কেতিয়াবা অত্যাচাৰত অতিষ্ঠ
হৈ দংশন কৰোঁ তোমাক।
তথাপি
মই বিষাক্ত নহয়।
হ'ব পাৰোঁ মই সৰ্প,
হ'ব পাৰোঁ মই তোমাৰ শত্ৰু
কিন্তু, মই বিষাক্ত নহয়।
বিষাক্ত, তুমি,
হে মানৱ, বিষাক্ত তুমি।
মই মোৰ জীৱনৰ প্ৰতিদানতো
নিজৰ প্ৰজাতিক ৰক্ষা কৰিবলৈ সাজু
কিন্তু,
কিন্তু, তুমি নিজৰ প্ৰজাতিৰ
ধ্বংস ৰচনা ৰচিছা,
জানিব পাৰিমনে, কিয়?
তোমাৰ মগজুৰ প্ৰতি চিন্তাধাৰাতেই
বয় বিষাক্তময়ী নীতি,
যি নীতিয়ে শিকায় মাথো
হিংসা ভেদাভেদৰ পাঠ।
তোমাৰ মন নাযায় নে
সেই বিষাক্তময়ী নীতিৰ পৰা
হাত সাৰিবলৈ?
নিশ্চয় নাযায়,
যাবই বা কিয়?
সেই নীতি যে অতি মনোৰম,
সেয়া যে অতি লাভদায়ক,
সেয়া যে অতি আকৰ্ষণীয়,
তোমাৰ বাবে সেয়া যে
অতি সন্তুষ্টিকৰ।


মই নাজানো তুমি মোৰ
শত্ৰু হোৱা নে নাই।
কিন্তু,
কিন্তু, মই জানো যে তুমি তোমাৰ শত্ৰু,
যি বিষ লৈ তুমি ঘূৰি ফুৰিছোঁ
চাবা,
এদিন সেয়াই তোমাৰ ধ্বংসৰ কাৰণ হ'ব।
হয়,
তুমি বিষাক্ত
তুমি তোমাৰ শত্ৰু
তুমি তোমাৰ ধ্বংসৰ কাৰণ। ●






# শীৰ্ষস্থান

ৰাচমিনা পাৰবিন মিমি
দ্বিতীয় ষাণ্মাসিক, বিজ্ঞান



মোক লাগে মাথো এতিয়া শীৰ্ষস্থান
যন্ত্ৰযুগত ষড়যন্ত্ৰৰে
হাচিল কৰিব খোজোঁ মই মাথো শীৰ্ষস্থান।
ক্ষেত্ৰ লাগে যিয়েই নহওক
মোৰ যোগ্যতা থাকক বা নাথাকক
ঠগ-প্ৰৱঞ্চনাৰে
হাচিল কৰিম শীৰ্ষস্থান।
সময়তকৈ আগতেই লাগে মোক
আকাংক্ষিত সকলোবোৰ




এতিয়া শাৰী পতাৰ প্ৰয়োজন নাই
মনেৰে আগবাঢ়িছোঁ মই
তথাপিও বিচাৰোঁ শীৰ্ষস্থান।
ষড়যন্ত্ৰৰ চুটি পোছাক বিন্ধি
জখলা বগাবৰ সময় এইয়া
সকলোৰে আশিস খোজাৰ সময়
উন্মিলিত চকুৰে মোক সকলোৰে
মোক ওপৰলৈ চোৱাৰ সময়
কিন্তু ই কি ..... ??
মইতো শীৰ্ষস্থানত বন্ধু .....।
সেয়া কোন...??
আৰু মই ক'ত .......??
অ.... বুজিলোঁ ......
যন্ত্ৰযুগত ষড়যন্ত্ৰৰে হাচিল কৰিলোঁ
মাথো মৃতকৰ শাৰীৰ শীৰ্ষস্থান। ●

অনুবাদ গল্প

# সোণৰ খাৰু

(মূল ঃ চন্দ্ৰকিৰণ সৌণৰেক্সাৰ 'কংগন')



অনুবাদক ঃ **নূৰ আফৰুজ আহমেদ**
তৃতীয় ষাণ্মাসিক, কলা

■বাৰ বছৰীয়া শৰবতীৰ চকু থৰ হৈ ৰ'ল। পলক জপাবলৈ পাহৰিয়ে গ'ল তাই। এপলক নেত্ৰে তাই হীৰা মহাজনৰ জীয়েকৰ জোৰণত অহা খাৰু যোৰকেই চাই আছে, যিবোৰ এইমাত্ৰ দৰাপক্ষই পঠিয়াইছে। জোৰণত অহা অলংকাৰসমূহ দেখিবলৈ এইটো সময়ত গাঁৱৰ প্ৰায়ভাগ মহিলাই এই কোঠাটোত জুম বান্ধিছে। জেঠ মহীয়া গৰম, আটাইৰে শৰীৰত যেন জুই ঢালিছে, প্ৰত্যেকেই জোৰণ চাই চাই পানী আৰু বিচনী বিচাৰি বাহিৰলৈ ওলাই আহিছে; কিন্তু শৰবতী? আনমনা, তাই মাথো অলংকাৰসমূহেই চাই আছে— কাৰণ ইয়াৰ প্ৰত্যেকটো গহনাই আছিল তাইৰ কাৰণে লোভৰ বস্তু। দুখীয়া বিধৱা ব্ৰাহ্মণীৰ জীয়েক তাই। হাতত পিতলৰ কলা আৰু ভৰিত কৃত্ৰিম ৰূপৰ ঝুমুৰ পিন্ধি সখীয়েকৰ বিয়ালৈ আহিছে তাই। গতিকে এই অলংকাৰসমূহৰ প্ৰতি তাইৰ আকৰ্ষণ স্বাভাৱিক। কিন্তু এই আটাইবোৰ গহনাৰ ভিতৰত সেই ৰত্নখচিত সোণৰ খাৰুবোৰে তাইক বৰকৈ আকৰ্ষিত কৰিছে। এটা এটাকৈ গোটেইবিলাক গহনা চন্দাক পিন্ধাই দিয়া হ'ল। ৰূপৱতী চন্দা এই সুন্দৰ, দামী গহনাবোৰৰ সৈতে জিলমিলাই উঠিল। "যদি এক মুহূৰ্তৰ কাৰণে তাই খাৰুবোৰ চুই চাব পাৰিলেহেঁতেন"— শৰবতীয়ে মনে মনে ভাবিলে। লোভ সামৰিব নোৱাৰি তাই চন্দাৰ খাৰু পিন্ধা হাতৰ মনিবন্ধটো চুই চালে, তাই চন্দাৰ হাতখন আনি তাইৰ হাতৰ ওপৰত ৰাখিলে। তাইৰ লাহি সুন্দৰ হাতৰ ওপৰত ৰত্নখচিত সোণৰ খাৰুবোৰ যেন সোণত সুৱাগহে চৰালে।

"অই শৰবতী, তাইৰ ওপৰত কিয় এনেদৰে জুমি আছ অ'— তাইক উশাহ তো ল'ব দে।"— মহাজনীয়ে আহি তাইক ডাঙৰকৈ ক'লে। শৰবতীয়ে যেন সম্বিত ঘূৰাই পালে, ইতস্ততঃ বোধ কৰি তাই চন্দাৰ হাত দুখন এৰি দিলে আৰু লাহে লাহে কোঠাটোৰ পৰা ওলাই আহিল। চন্দাৰ বিয়া পাৰ হৈ গ'ল। তাইৰ পিছতে এইটো অঞ্চলত আৰু কেইবাটাও বিয়া হৈ গ'ল। জোৰণ আহিল, ভাল বেয়া বহু ধৰণৰ খাৰুও আহিছে। কিন্তু চন্দাৰ জোৰণত দিয়াৰ দৰে ৰত্নখচিত সোণৰ খাৰু কোনো বাৰেই অহা নাই। শৰবতীৰ মনত সেই খাৰুযোৰ পাৰ্বতীৰ মূৰ্তিৰ দৰেই প্ৰতিষ্ঠিত হৈ গৈছে। এতিয়া মাকৰ কথামতে তাই যেতিয়াই সোমবাৰে ব্ৰত ৰাখে তেতিয়া ভগৱানৰ ওচৰত ভাল 'বৰ'ৰ লগতে ৰত্নখচিত সোণৰ খাৰুৰ কাৰণেও প্ৰাৰ্থনা কৰে। বৰঞ্চ নিজৰ দৰাৰ কোনো পাৰ্থিৱ ৰূপৰেখা তাই কল্পনাও কৰা নাছিল; কিন্তু চন্দাৰ জোৰণৰ খাৰুৰ সৌন্দৰ্য তাইৰ অন্তৰত স্মৃতি হৈ ৰৈ গৈছে। আৰু তাইৰ আচল প্ৰাৰ্থনা এইটোৱে যে— "হে শম্ভু পাৰ্বতী মোৰ বিয়াৰ সময়ত জোৰণত ভাল খাৰু দিব— আন সকলোবোৰ গহনা ৰূপৰেই নহওক কিয়, খাৰুযোৰ চন্দাৰ নিচিনাই হ'ব লাগে, তেনেকুৱাই ৰত্নখচিত, তেনেকুৱাই ভাৰী-পুৰা ছয় তোলা।" কিন্তু তাইৰ চেতন মনে বিদ্ৰোহ কৰিছিল 'মোক ইমান ধনী মানুহৰ লগত ক'ত মিলিব? বাপেক নোহোৱা, গাঁৱৰ দুখীয়া বিধৱাৰ ছোৱালী তাই। মাকে গাঁৱৰ ঘৰে ঘৰে খুজি-মাগি, লাড়ু-পাপৰ বনাই, বেচি, নিজৰ সংসাৰখন কোনোমতে চলায়। জোৰণত সোণৰ খাৰু দিব পৰা শহুৰেকে যৌতুক নিবিচাৰিবনে?" কোনো অজ্ঞাত আশংকাত তাইৰ বুকুখন চিৰিংকৈ উঠে, চিন্তা বন্ধ কৰি তাই চকু দুটা মুদি দিয়ে; তাইৰ এনে লাগে যেন তাইৰ ৰত্নখচিত সোণৰ খাৰুযোৰ এতিয়াই কোনোবাই কাঢ়ি লৈ গ'ল।

তিনি বছৰ পাৰ হৈ গ'ল— শৰবতী এতিয়া পোন্ধৰ বছৰীয়া পাট গাভৰু। গাঁৱলীয়া খাদ্য আৰু ফটা-ছিঙা কাপোৰৰ মাজতেই তাইৰ গাঁৱলীয়া সৌন্দৰ্যই ভুমুকি মাৰিছে। বেচেৰী মাকজনীয়ে কোনো ধৰণৰ সঁহাৰি নাপাই গাঁৱৰ পৰা দহমাইল দূৰত থকা ননদৰ তালৈ গ'ল কিজানি তাতেই ক'ৰবাত শৰবতীক বিয়া দিয়া যায়, এনেকুৱা বিয়া য'ত কোনো ধৰণৰ যৌতুকৰ আদান-প্ৰদান নহয়। পাঁচ বছৰৰ পিছত ননদীয়েকক লগ পাই দুয়ো খুব কান্দিলে। "এই প্ৰস্তৱক মই কাৰ মূৰত থ'ম, মইতো পাহাৰ হৈ গৈছো।" ননদীয়েকে নিজৰ ৰূপৱতী ভতিজীৰ মূৰত হাত ফুৰাই মৰমেৰে ক'লে— "বৌ আপুনি কিয় চিন্তা কৰে— এনে সোণৰ টুকুৰাকতো চহৰৰ ধনী মানুহে আদৰেৰে ল'ব; মোৰ জেঠা আলীগড়ত পুৰোহিত, তেখেতৰ ল'ৰা পঢ়া-শুনা কৰা বিদ্বান ল'ৰা, চহৰতে চাকৰিও কৰে— যদি তুমি কোৱা তেন্তে মই কথা পাতিব পাৰোঁ। 'অন্ধই কি বিচাৰে? দুটা চকু।' শৰবতীৰ মাকে বিনা বাক্যেই মান্তি হৈ গ'ল।

শৰবতীৰ বিয়া ঠিক হ'ল। কিন্তু তাইৰ মনত এটাই প্ৰশ্ন, 'কোনে জানে জোৰণত খাৰু দিয়ে নে নিদিয়ে'? কিমান বাৰ যে তাইৰ ইচ্ছা হৈছে পেহীয়েকক ক'বলৈ— 'পেহী, তোমাৰ জেঠাইক কবা মোক অইন একো নিদিলেও যাতে জোৰণত এযোৰ সোণৰ খাৰু দিয়ে; কিন্তু গাঁৱৰ অশিক্ষিতা, লজ্জাবোধৰ চৰম সীমাত আবদ্ধ শৰবতী মুখ খুলি একো ক'ব নোৱাৰে— বাৰে বাৰে পেহীয়েকৰ ওচৰলৈ যায় আৰু উভতি আহে। পেহীয়েকে পৃথিৱীখন দেখিছে; শৰবতীৰ উদ্বিগ্নতা তাইৰ চকুৰ আৰ হ'ব নোৱাৰিলে। পেহীয়েকৰ মনত ভয়ে খোপনি পাতিলে— জানোচা শৰবতীৰ গাঁৱৰ কোনো ল'ৰাৰ লগত চেনেহা-চেনেহীৰ ভাব আছে? তাই যে ইমান ব্যাকুল হৈ আছে। ভতিজীয়েকৰ মনৰ বাতৰি ল'বলৈ সাম-দামৰ সহায় ল'লে। ইফালে শৰবতীয়ে কিন্তু পেহীয়েকক ক'লে, "পেহী, ৰত্নখচিত সোণৰ খাৰু মোৰ বৰ ভাল লাগে, অইন বস্তু নিদিলেও জোৰণত এযোৰ সোণৰ খাৰু ...... মুখৰ বাক্য আধাতে এৰি শৰবতী দৌৰি গুচি গ'ল।

শৰবতীকৈ ভাগ্যৱান আজি পৃথিৱীত আৰু কোন আছে? তাইৰ জোৰণত শহুৰেকে সোণৰ খাৰু পঠিয়াইছে। শহুৰেক এজন সাধাৰণ মানুহ। তেওঁৰ ওচৰত বেছি সোণ নাছিল, কিন্তু ন-বোৱাৰীৰ ইচ্ছাৰ কথা জানিব পাৰি তেখেতে সকলোবোৰ সৰু সৰু গহণা ভাঙি এযোৰ খাৰু গঢ়াইছে। বাকী গহনাবোৰ ৰূপৰেই দিলে। ঘৰৰ কোনো ব্যক্তিৰেই জোৰণ পছন্দ নহ'ল। কিন্তু সৰবতীৰ আনন্দত গা সাতখন-আঠখন লাগিছে। সোণৰ খাৰু! আজি তাইৰ ওচৰত ৰত্নখোচিত সোণৰ খাৰু আছে। উপযুক্ত ছোৱালী, আহাৰ মাহত বিয়া আৰু দুৰ্গা পূজাৰ সময়ত দ্বিৰাগমনৰ ব্যৱস্থাও হ'ল। কিছুদিন পিছত শৰবতী আলিগড়লৈ আহিল। ইম্মান ডাঙৰ নগৰ! এইবাৰ শৰবতীৰ আচৰিত হোৱাৰ পাল। কিমান ডাঙৰ ডাঙৰ দোকান, গাড়ী-মটৰ, ৰিক্সা-অট'ৰিক্সা আৰু যে ক'ত কি? বাহ! তাৰ ওপৰত তাইৰ হাতত আছে ৰত্নখোচিত সোণৰ খাৰু।

শৰবতীৰ শহুৰ-শাহু আজি গাঁৱলৈ গৈছে। ঘৰত তাই আছে আৰু তাইৰ সৰু ননদ এজনী আছে। তাইৰ গিৰিয়েক মোহনে সন্ধিয়া দুয়োকে কোম্পানীৰ বাগিচালৈ ফুৰাবলৈ লৈ যায়। এবাৰ চিনেমাও দেখুৱাইছে। ৰূপৱতী পত্নী লগত লৈ ফুৰাতো গৰ্ব আছে। আৰু লাহী হাতত সোণৰ খাৰু পিন্ধি যেতিয়া তাই কিবা দেখুৱায়, সুধে নাইবা কোনো দোকানৰ পৰা কিবা কিনাৰ কথা কয় তেতিয়া মোহনক নিজকে ছত্ৰপতি যেন লাগে। কিন্তু ইফালে দেশত যেতিয়া চীনৰ আক্ৰমণৰ খবৰ আহিব ধৰিলে তাৰ লগতে সুৰক্ষা কোষৰ

কাৰণে ৰাইজক ধন-সম্পদ জমা দিয়াৰ বাবে আহ্বান আহিল তেতিয়াৰ পৰা মোহনৰ হিয়া গধুৰ হৈ পৰিছে। পঢ়া-শুনা কৰা ল'ৰা তেওঁ। চাকৰিৰ পৰা পোৱা বেতনৰ এক বুজন অংশ তেওঁ সুৰক্ষা কোষলৈ আগবঢ়াইছে। কিন্তু হাতৰ একমাত্ৰ সোণৰ আঙঠিটোৰ বাহিৰে সোণ বুলিবলৈ তাৰতো একোৱেই নাই। কিন্তু এইটো আঙঠি তেওঁক শাহুয়েকে দিছে। আঙঠিটোও বৰ পাতল, খুব বেছি চাৰি অনা। শেষত এদিন মোহনে আঙঠিটো দি দিলে। ঘৰত আহি তেওঁ ভয়ে ভয়ে থাকিল, ঘৈণীয়েকে সুধিলে তাইক তেওঁ কেনেদৰে বুজাব? .....

ভবামতেই কাম— খোৱাৰ সময়ত শৰবতীয়ে আঙুলি খালী দেখি আচৰিত হৈ সুধিলে— "আঙঠি ক'লৈ গ'ল?" তাই দৌৰি বাথৰুমলৈ ঢাপলি মেলিলে কিজানিবা গা ধোৱাৰ সময়ত তাতে খুলি থৈছে। 'ৰ'বাচোন" মোহনে তাইক মাতিলে— "আঙঠিটো মই সুৰক্ষা কোষত দি দিলোঁ।" — "অ' শৰবতীৰ মেলা মুখ মেল খায়েই থাকিল। 'গম্বই' গাঁৱৰ অশিক্ষিতা জীয়ৰী তাই। গোটেই বছৰ লাডু-পাপৰ তৈয়াৰ কৰি, সেইবোৰ বিক্ৰী কৰি তাইৰ মাকে জোঁৱায়েকক দিবলৈ এই আঙঠিৰ পইচা যোগাৰ কৰিছিল। তাই কান্দোনমুৱা হৈ ক'লে "দৰমহাৰ পৰাতো তুমি ইমান টকা দিয়েই দিছা, এতিয়া আঙঠিটোও দি দিলা।"

মোহনে তাইৰ আঁচলখনত ধৰি টানি আনি কাষত বহুৱাই ল'লে আৰু মৰমেৰে বুজাবলৈ ধৰিলে, "আকৰী, তুমি একোৱেই নুবুজা; আজি দেশৰ ওপৰত শত্ৰুৱে আক্ৰমণ কৰিছে। আমাৰ সৈনিকসকলৰ ওচৰত যদি ভাল আধুনিক অস্ত্ৰ-শস্ত্ৰ নাথাকে তেনেহ'লে সিহঁতে কেনেকৈ যুদ্ধ কৰিব। এনে পৰিস্থিতিতো সকলো এৰি আমি দেশক ৰক্ষা কৰিব লাগে। যদি দেশখনেই নাথাকে তেনেহ'লে স্বৰ্ণ কি কামত আহিব।"

শৰবতীৰ মুখৰ পৰা মাত নোলাল। গিৰিয়েকৰ কথাৰ উত্তৰ তাই অশিক্ষিত ছোৱালীয়ে কেনেকৈ দিব? তাই মাথো নিৰৱ হৈ ৰ'ল, কিন্তু হঠাতে তাই তাইৰ হাত দুখন আঁচলেৰে ঢাকি ল'লে— তাইৰ এনে লাগিল জানোচা গিৰিয়েকে তাইৰ খাৰু যোৰকে খুলি দিবলৈ কয়।

মোহন শিক্ষিত আৰু জ্ঞানী ল'ৰা, আজি পত্নীৰ মনৰ আশংকা বুজি পাই তেওঁ মিঁচিকি হাঁহি ক'লে— 'ভয় পালা? বাৰু, তোমাৰ খাৰু মই তোমাৰ ইচ্ছাৰ বিৰুদ্ধে কিয় দিম?" শৰবতীয়ে তলমূৰ কৰিলে। দুই দিন পাৰহৈ গ'ল। শৰবতী এতিয়া সকলো সময়তে খাৰুযোৰ পিন্ধিয়েই থাকে; ক'ৰবাত এনেকুৱা নহওক যে তাইক নোকোৱাকৈয়ে গিৰিয়েকে কেতিয়াবা খাৰুযোৰ বাকচৰ পৰা উলিয়াই লৈ যায়। ৰাতি সাৰ পাই তাই খাৰুযোৰ বাৰে বাৰে চাই লয়।

মোহনে আজিকালি কথা কম কয়। গোটেই দিন বাহিৰতে থাকে আৰু ৰাতি হ'লে ভাৰাত অনা ৰেডিঅ'টোত বাতৰি শুনে, শৰবতীয়েও অৱশ্যে বাতৰি শুনে। কোনে কেতিয়া কিমান সোণ সুৰক্ষা কোষত দান কৰিলে তাকো শুনে। এইবোৰ শুনি তাইৰ গা শিৰশিৰাই উঠে; "উহ্ নাজানো এই তিৰোতাবিলাকে কেনেকৈ নিজৰ আ-অলংকাৰ সমূহ দি আছে।" কিন্তু ৰেডিঅ'টো তাই চালু কৰিব নাজানে, সেয়ে চুবুৰীয়া নীলাহঁতৰ ঘৰলৈ গৈ তাই দুপৰীয়া ৰেডিঅ' বা-বাতৰি শুনে। কিন্তু আজি গৈ দেখিলে যে নীলাই মাটিত বহি বহি কান্দি আছে। শৰবতীক দেখি তাইৰ কান্দোন আৰু বৃদ্ধি হ'ল। "বাইদেউ, কিয় কান্দি আছা?" শৰবতীয়ে তাইৰ কান্ধত হাত থৈ সুধিলে। "অ' শৰো মোৰ বীৰ ভাই"— লীলাৰ দুচকুৰে ধাৰাসাৰে অশ্ৰু বহিব ধৰিলে। "দাদা গুচি গ'ল— বিশ বছৰীয়া পাহোৱাল দাদা মোৰ— এই চীনা সৈনিক বিলাকে.......; উহ্ নাজানো কিমান মাকৰ কলিজাৰ টুকুৰা এই যুদ্ধত জীৱন বিসৰ্জন দিছে—" আৰু কান্দি কান্দি লীলাই ডিঙিৰ 'হাৰ', হাতৰ খাৰু আদি সকলোবোৰ খুলি দলিয়াই দি শৰবতীক ক'লে, 'শৰো তই ইয়াতে বহি ৰেডিঅ' শুন মই এই গহনাবিলাক দি এতিয়াই আহিম। যেতিয়ালৈকে মই এই অলংকাৰ বিলাক নিদিম মোৰ মনে শান্তি নাপাব।"

— "ক'ত দিবা বাইদেউ?"

— "ক'ত দিম? লীলাই উৎকণ্ঠাৰে ক'লে সুৰক্ষা কোষত দিম, যাৰ দ্বাৰা অস্ত্ৰ-শস্ত্ৰ কিনা যাব, যাৰ দ্বাৰা আমাৰ ভাতৃসকলৰ যুদ্ধ কৰাত সহায় হ'ব, যাৰ দ্বাৰা শত্ৰু সকলক খেদি মোৰ দৰে হেজাৰ ভনীৰ ভায়েকসকল কুশলে ঘৰ আহি পাব। উহ্ মই প্ৰথমেই এইবোৰ কিয় নিদিলো। নাজানো, এই অলংকাৰেই মোৰ কাল হ'ল। "দাদা মোৰ সীমান্তত দেশৰ কাৰণে লৰি আছিল আৰু মই ডিঙিত হাৰ ওলোমাই ঘূৰি আছিলোঁ.. উহ্... মোৰ কপাল....।"





— "বাইদেউ যোৱাজনতো এতিয়া গ'লেই, এতিয়া দি আৰু কি হ'ব?"

— "কি ক'লি শৰো?" লীলাই চিঞৰি উঠিল— "অকল মোৰ ভায়েইতো যুদ্ধলৈ যোৱা নাছিল। যি হেজাৰ মাকৰ আঁচলৰ ধন, হেজাৰ ভনীৰ বীৰ ভাই, হেজাৰ বোৱাৰীৰ সেওতাৰ সেন্দুৰ দেশৰ কাৰণে গৈ আছে। এই অলংকাৰ সিহঁতৰ কামত আহিলেই মই শান্তি পাম। আজি বীৰ জোৱানসকলৰ ওচৰত হাতিয়াৰ নাই, তাৰ কাৰণ মোৰ দেশৰ আই-ভনীসকলে এতিয়াও হাতত, ডিঙিত অলংকাৰ ওলোমায়ে আছে, ছিঃ ধিক্কাৰ.... !"

— "বাইদেউ" শৰবতীয়ে লীলাৰ ডিঙি সাৱটি ধৰি কান্দিবলৈ ধৰিলে। তাইৰ খুড়াৰ ল'ৰা এজনেও কালি সেনাত যোগদান কৰিছে। তাকোতো অস্ত্ৰৰ প্ৰয়োজন আছে।

ৰাতি ৰুটি বনাই থকাৰ সময়ত মোহনে শৰবতীৰ হাত খালি দেখা পাই সুধিলে, "আৰে খাৰুযোৰ ক'লৈ গ'ল? মোৰ ভয়ত মাৰাৰ ঘৰলৈ পঠিয়াই দিলা নেকি?"

"নহয়" শৰবতীয়ে মিচিকিয়াই হাঁহি ক'লে— "সুৰক্ষা কোষত দি আহিছোঁ।" সোণৰ অভাৱত দেশলৈ অস্ত্ৰ-শস্ত্ৰৰ আমদানী নহওক ইয়াতকৈ লাজৰ কথা কি হ'ব পাৰে। দেশেই যদি নাথাকে তেন্তে অলংকাৰেৰে কি হ'ব?"

মোহনে অবিশ্বাসেৰে ঘৈণীয়েকৰ পিনে চালে— কিন্তু সেউজীয়া কাঁচৰ চুৰি পৰিধান-ৰত তাইৰ লাহি হাত দুখনে তাক বিশ্বাস কৰাই দিলে যে যুদ্ধক্ষেত্ৰত যুদ্ধ কৰা জোৱান বীৰসকলৰ পাছত গোটেই দেশখনেই আছে। আক্ৰমণকাৰীসকল উভতি যাবই লাগিব। ●

| | | |
|---|---|---|
| দেউতাক | ঃ | তুমি কিয় বয়সিয়াল আৰু ধনী মানুহবোৰক জন্মদিনলৈ নিমন্ত্ৰণ কৰিছা। তোমাৰ বয়সৰ ল'ৰাবোৰকহে মাতিব লাগিছিল? |
| পুতেক | ঃ | অৱশ্যে মই মাতিব লাগিছিল। কিন্তু বয়সিয়াল আৰু ধনী লোকৰহে টকা থাকে আৰু টকা থকা বোৰেহে দামী উপহাৰ আনিব পাৰে। মোৰ দৰে বেকাৰবোৰে আনিব ক'ৰ পৰা? |

অনুবাদ গল্প

# মৰমৰ অচিনাকি

মূল ঃ ও হেনৰী
অনুবাদ ঃ অন্যন্যা গোস্বামী
ষষ্ঠ ষাণ্মাসিক, কলা

■ৰাস্তাৰে কেঁকুৰিটো ঘূৰিলেই মিছ মাৰ্থা মিশ্যাৰ কেক, বিস্কুট, পাওৰুটীৰ দোকানখন দেখা যায়। খট্‌খটী বগাই তিনিটা ঢাপ উঠি দুৱাৰখনত হাত দিলেই অদৃশ্য গোপন ঠাইৰ পৰা টুং-টাং বাজি উঠে।

মিছ মাৰ্থাৰ বয়স ৪০, বেংকৰ পাছ বুক অনুযায়ীতেওঁৰ সঞ্চয় দুহেজাৰ ডলাৰ। দুটা দাঁত বন্ধোৱা আৰু হৃদয়খন চেনেহেৰে ভৰা। কিয় যে বিয়াখন আজিলৈকে হোৱা নাই কোনে জানে।

সপ্তাহত দুবাৰ বা তিনিবাৰ মিছ মাৰ্থাৰ দোকানলৈ এজন বিশেষ ধৰণৰ গ্ৰাহক আহে। লাহে লাহে মাৰ্থাই আগন্তুকৰ প্ৰতি কৌতূহলী হৈ উঠিল। মানুহজন আদ বয়সীয়া। চকুত চছমা, গালত জোঙা বাদামী দাড়ি। ভদ্ৰ লোকজনৰ ইংৰাজী কথাত স্পষ্ট জাৰ্মান সুৰ। সাজ-পোছাকৰ অৱস্থা ভাল নহয়, কিন্তু এনেয়ে দেখাত সভ্য আৰু ব্যৱহাৰো অতি ভদ্ৰ। যেতিয়াই আহে তেওঁ দুটা শুকান বাহী পাওৰুটী কিনে। সতেজ কোমল পাওৰুটীৰ দাম প্ৰতিটোত পাঁচ চেণ্ট।

এদিনাখন মিছ মাৰ্থাৰ তীক্ষ্ণ দৃষ্টিত ধৰা পৰিল সেই অচিনাকি মানুহজনৰ আঙুলিত ৰঙা আৰু বাদামী ৰঙৰ প্ৰলেপ। নিশ্চয় শিল্পী আৰু দাল দৰিদ্ৰ। হয়তো সৰু-কোঠা এটি ভাৰাত লৈ কোনো ৰকমে থাকে, শুকান পাওৰুটী চোবায় আৰু মনতে মিছ মাৰ্থাৰ দোকানৰ ভাল ভাল লোভনীয় খাদ্যৰ কথা ভাবি ভাবি দীৰ্ঘশ্বাস পেলায়। মিছ মাৰ্থাই যেতিয়াই মাংসৰ চুপ, কোমল পাওৰুটী, জাম, চাহ আদিৰে পৰিপাটিকৈ খাবলৈ বহে, তেতিয়াই এই অচিনাকিৰ দুৰৱস্থাৰ কথা ভাবি তেওঁৰ হুমুনিয়াহ নিগৰে। ইচ্ এইবোৰ যদি তেওঁৰ স'তে ভগাই খাব পাৰিলোহেঁতেন। সি যে সদায় সৰু কোঠা এটিৰ অন্ধকাৰৰ মাজত বহি শুকান বাহী ৰুটী চোবায়। কথাটো প্ৰমাণ কৰিবৰ বাবেই মিছ মাৰ্থাই তেওঁৰ ঘৰৰ পৰা এখন পানী ৰঙৰ ছবি (নিলামত কিনা) আনি ৰেকৰ পাছ পিনৰ দেৱালত আঁৰি থ'লে। ভেনিচীয় দৃশ্য। সুন্দৰ বগা মাৰ্বলৰ প্ৰসাদ এটি পানীৰ সন্মুখত। সেইবোৰ যেন চকুপানী। সুন্দৰী নাৰীৰ হাতে স্পৰ্শ কৰিছে বোঁৱতী পানী। মেঘ, আকাশ, এন্ধাৰ-পোহৰ খেল সকলোবোৰে ছবিখনত আছে।

দুদিন পিছত অচিনাকিজন আহিল। "দুটা শুকান পাওৰুটী দিয়কচোন।" মাৰ্থাই পাওৰুটী মেৰিয়াই থাকোঁতে অচিনাকিজনে কৈ উঠিল— বৰ সুন্দৰ ছবিখন। মিছ মাৰ্থা সচকিত হ'ল।

"কি কৈছে? দৰাচলতে চিত্ৰকলা মোৰ খুবেই পছন্দৰ। চিত্ৰকৰো নহয় নেকি (তথাপি সেইটো কোৱাৰ সময় এতিয়াও অনা নাই।) বিশেষকৈ সুন্দৰ ছবি। তেনেহ'লে মই ভালেই কিনিছো বুলিছে?"

অচিনাকিজনে ক'লে— এই প্ৰসাদটি সঠিকভাৱে অঁকা হোৱা নাই। বিষয়বস্তুৰ সঠিক আৰু পৰিমিত আকৃতিবোধ চিত্ৰকাৰৰ নাই। মই আহিলোঁ— বিদায় ম্যাডাম।

ৰুটীৰ টোপোলাটো লৈ অচিনাকিজনে ততালিকে বিদায় ল'লে।

হয়, ঠিকেই। অনুমানত ভুল হোৱা নাই। অচিনাকিজন নিশ্চয় শিল্পী। মিছ মাৰ্থাই ছবিখন নিজৰ ঘৰলৈ পুনৰ লৈ আহিল।

ইচ্ ছছমাৰ তলত কি উজ্জ্বল বুদ্ধিদীপ্ত দুটি চকু। ভ্ৰুযুগলো যেন নিপুণ তুলি আঁচ। মাত্ৰ এবাৰ দৃষ্টিতেই চিত্ৰানুকৃতি সম্পৰ্কে কি স্পষ্ট ধাৰণা; আস্। ইমান গুণৰ অধিকাৰী হৈয়ো জানো শুকান বাহী ৰুটী খাবলগীয়া হয়। অৱশ্যে বেছিভাগ প্ৰতিভাৱানৰেই এনেকুৱা ফুটা কপাল। উপযুক্ত সন্মান তথা পাৰিশ্ৰমিক তেওঁলোকে নাপায়।

আস্ প্ৰতিভাৰ স'তে যদি দুহেজাৰ ডলাৰ সঞ্চয় যোগ হৈ যায়। তাৰ লগতে উপৰি আয় হিচাপে দোকানখনতো আছেই। লগতে আৰু মিছ্ মাৰ্থাৰ অগাধ ভালপোৱা। তথাপি হয়তো এই সকলোবোৰ তাইৰ বাবে দিবাস্বপ্ন। আজিকালি অৱশ্যে মাজে-সময়ে অচিনাকিজনে দোকানলৈ আহিলে মিছ্ মাৰ্থাৰ কাষত থিয় হৈ অকণমান সময় নানা কথা পাতি যায়। হয়তো বুজিব পাৰিছে যে মিছ্ মাৰ্থা কোমল মনৰ এজনী ছোৱালী। পিছে শুকান বাহী ৰুটী কিনিয়েই আছে।

মাৰ্থাৰৰ ভাব হ'ল— অচিনাকিজন যেন দিনে দিনে দুৰ্বল হৈ পৰিছে। মাৰ্থাৰৰ প্ৰাণে কান্দি উঠিল তেওঁৰ দুখ-দুৰ্দশাৰ কথা ভাবি। মনতো ইচ্ছা হ'ল অচিনাকিক ভালদৰে কিবা কিবি খুওৱাৰ। কিন্তু তাতে আকৌ যদি তেওঁৰ সন্মানত আঘাত লাগে। শিল্পীসকলৰ ভাব প্ৰৱণতা এনেয়েও বৰ বেছি। মাৰ্থাৰৰ ইমানখিনি সাহস নহ'ল।

মিছ্ মাৰ্থাই আৰম্ভ কৰিলে নীলা ফুট্‌ফুটীয়া সাজ পিন্ধিবলৈ। পাছ ফালৰ ঘৰটোত বনোৱা হ'ল ভেষজ প্ৰসাধন সামগ্ৰী। বহুতেইতো দেহৰ ৰং বগা কৰাৰ বাবে, গালৰ দাগ নাইকিয়া কৰিবলৈ আজিকালি এইবোৰ ব্যৱহাৰ কৰে।

এদিনাখন ক্ৰেতাজন আহি ঠংকৈ কাউণ্টাৰৰ ওপৰত পইচা পেলাই ক'লে— "দিয়ক দুটা শুকান বাহী ৰুটী দিয়ক।"

এইখিনি সময়তে ৰাস্তাত শুনা গ'ল ঘণ্টা বজাৰ শব্দ আৰু জনতাৰ চাঞ্চল্য। অচিনাকিজনে কৌতূহলী হৈ বাহিৰলৈ দৃষ্টি নিক্ষেপ কৰিলে।

ক্ৰেতাজনে যেতিয়া কাউণ্টাৰলৈ উভতি আহিল মিছ্ মাৰ্থাই তেতিয়া ব্যস্ত হাতেৰে টোপোলা বান্ধিবলৈ আৰম্ভ কৰিলে। অকণমান সময় কথা-বতৰা পাতি অচিনাকিজনে বিদায় ল'লে। মাৰ্থাৰৰ হৃদয়খন অনিৰ্বচনীয় পুলকেৰে উপচি পৰিল। কল্পনাৰ সোণালী পখী উৰি গ'ল আকাশলৈ।

সেইদিনা বহু সময় ধৰি মাৰ্থাই মনে মনে স্বপ্নৰ জাল গঁথাত লাগিল। হয়তো এইখিনি সময়ত ৰং তুলি নমাই লৈ ইজনৰ পিনে দৃষ্টি নিক্ষেপ কৰি আছে অচিনাকিজনে। মাৰ্থাই মনে মনে পাওৰুটীত সানি দিয়া মাখনখিনি চাই তেওঁ বুজি পালে মাৰ্থাৰৰ মৰম তেওঁৰ প্ৰতি। পাছৰ দৃশ্য কল্পনা কৰাৰ লগে লগে মিছ্ মাৰ্থাৰৰ মুখখন লাজতে ৰঙা পৰি উঠিল।

দুৱাৰত টুং টাং শব্দ হ'ল। কোনোবা আহিছে। কিন্তু এনেদৰে অভদ্ৰৰ নিচিনাকে দপ্‌দপাই আহিছে কিয়? খঙতে?

মিছ্ মাৰ্থাই দুৱাৰৰ পিনে আগুৱাই গৈয়েই বাধা পালে— সন্মুখত দুজন ভদ্ৰলোক। এজন যুৱক— পাইপ হুপিছে আৰু আনজন মাৰ্থাৰ সেই অচিনাকি গ্ৰাহক।

গ্ৰাহক ভদ্ৰলোকজনৰ চকু-মুখ ৰঙা। মূৰৰ টুপি সুলকি পৰিছে। চুলিখিনি আউল-বাউল। দুহাত মুঠি মাৰি তেওঁ মিছ্ মাৰ্থাৰৰ পিনে চাই উত্তেজিত কণ্ঠেৰে চিঞৰিবলৈ ধৰিলে। হয় মিছ্ মাৰ্থাই সেই আক্ৰমণৰ লক্ষ্য। কথাবোৰ যেন অচিনাকিজনে জাৰ্মান ভাষাতেই কৈছিল।

যুৱকজনে তেওঁক শান্ত কৰাৰ চেষ্টা কৰিলে। অচিনাকিজনে খঙাল কণ্ঠেৰে ক'লে— "কোনো কথা শুনিব নিবিচাৰোঁ মই। তেওঁ জানিবই লাগিব মোৰ কি সৰ্বনাশ তেওঁ কৰিলে।"

মিছ্ মাৰ্থাৰৰ কাউণ্টাৰত ক্ৰুদ্ধ ভংগীৰ চাপৰ মাৰিলে অচিনাকিজনে। তেওঁৰ নীলা চকু দপ্‌দপকৈ জ্বলিব ধৰিলে চছমাৰ গ্লাছৰ আঁৰত। "আপুনি মোক শেষ কৰি দিলে। আপুনি, অ' আপুনি। আদবুঢ়ী, নাকফেচী ক'ৰবাৰ।"

মিছ্ মাৰ্থাই কঁপা ভৰিৰে দেৱালত ধৰি কোনোমতে থিয় দি থাকিল। যুৱকজনে অচিনাকিজনৰ কাপোৰত খামুচি

ধৰিল। 'বলক বলক যথেষ্ট হৈছে।' অচিনাকিজনক ঠেলি ঠেলি বাহিৰলৈ লৈ গৈ ক'লে উভতি আহিলে।

"আপোনাক গোটেই ঘটনাটো খুলি কোৱা দৰকাৰ। এই মানুহজনৰ নাম ব্লুমবাৰ্জাৰ। এজন স্থপতিৰ অধীনত কাৰিকৰী নক্সা অঁকাৰ কাম কৰে তেওঁ। অৰ্থাৎ ড্ৰাফ্টছমেন। সেই একেটা অফিচতে ময়ো কাম কৰোঁ।"

মিঃ ব্লুমবাৰ্জাৰে যোৱা তিনি মাহেই হ'ব এখন নক্সা অঁকাৰ বাবে অক্লান্ত পৰিশ্ৰম কৰিছে। বহুত টকাৰ কাৰবাৰ। প্ৰতিযোগিতামূলক বুলিয়েই ধৰিব পাৰে। কাৰণ কেবাটাও ফাৰ্মে এই কামটো পাবলৈ চেষ্টা কৰিছে। তেওঁ কালিহে ৰং সানি সম্পূৰ্ণ নক্সাখন অঁকা শেষ কৰিছে। জানেইতো ড্ৰাফ্টছমেনসকলে প্ৰথমতে কাঠ পেঞ্চিলেৰে জোখ-মাখ কৰি আঁকে। তাৰ পিছত মনে বিচৰা ধৰণৰ হ'লে ৰং সানি পিছত পেঞ্চিলৰ দাগ মচি পেলায়। আৰু দাগ মচিবলৈ আটাইতকৈ ভাল শুকান বাহী পাওৰুটীৰ গুড়ি। যোৱা কেইদিনমান ধৰি নক্সা আঁকি আঁকি এটাও পছন্দ হোৱা নাছিল তেওঁৰ। সেয়েহে সঘনে পাওৰুটী কিনিছিল। তেওঁ কালিহে সফল হৈছিল যদিও নক্সাৰ অবাঞ্ছিত পেঞ্চিলৰ দাগ মচিবলৈ গৈ পাওৰুটী বোলাবলৈ আৰম্ভ কৰিলে......। ঘটনাটি বুজিব পাৰিছেতো? সেই নক্সাখন একেবাৰে বৰ্বাদ হৈ গ'ল। পেলনীয়া বাকচৰ বাহিৰে আৰু ক'তো ঠাই নহ'ব সেই কাগজখনৰ— তাত মাখন লাগি থকাৰ বাবে।"

মিছ্ মাৰ্থা অলস, মন্থৰ খোজেৰে পাছফালৰ ঘৰত সোমাল। খুলি পেলালে নীলা ফুট্‌ফুটীয়া সাজ। পুৰণি ডাঠ বাদামী কাপোৰেই তেওঁৰ ভাল। খিৰিকীৰে বাহিৰৰ ছাইৰ দ'মৰ ওপৰত উবুৰিয়াই দিলে তেওঁৰ প্ৰসাধনৰ বটল। আদবুঢ়ী ছোৱালীৰ আকৌ ইমান চখ্ চৌখিনতা, প্ৰসাধন, ৰং-ধেমালিৰ কি প্ৰয়োজন? ●







সাক্ষাৎকাৰ

# এটি স্মৰণীয় সন্ধিয়া প্ৰস্তুতি পৰাশৰৰ সৈতে



সাক্ষাৎ গ্ৰহণ ঃ অনন্যা গোস্বামী
ষষ্ঠ ষাণ্মাসিক, কলা

**অনন্যা গোস্বামী ঃ** বাইদেউ আপুনি নাটক জগতলৈ কেতিয়া আৰু কেনেকৈ আহিল?

**প্ৰস্তুতি পৰাশৰ ঃ** সৰুতে মই নাটক কৰিছিলোঁ। প্ৰায় ৩ বছৰ মান বয়সৰ পৰাই নাটক কৰিছোঁ। মই যোৰহাটত, মোৰ দেউতা প্ৰবক্তা আছিল, তেওঁ হয় অৱসৰ গ্ৰহণ কৰিছে, মোৰ মা এগৰাকী মহিলা, ঘৰৰ ডাঙৰ। H.S 1st Year মানত মই কৰা প্ৰথম নাটকখন আছিলে 'অৰণ্যৰ সাধু'— জয়ন্ত ৰাজগুৰুৰ পৰিচালনাত যোৰহাটত District Administrationএ কৰিছিল। তাৰ পাছৰ পৰা Continously প্ৰায় ৩-৪ বছৰ মই শিশু নাটেই কৰিলোঁ। Then after I took a break মোৰ পঢ়া-শুনাৰ কাৰণে সপ্তম শ্ৰেণীৰ পৰা আকৌ মই Amateur নাটক কৰিবলৈ আৰম্ভ কৰিলোঁ। মই ৮ম মানলৈকে অজস্ৰ নাটক কৰিছোঁ। মই সিখিনি সময়ত বিভিন্ন ধৰণৰ চৰিত্ৰৰ নাট কৰিবলৈ সুবিধা পাইছিলোঁ যিয়ে মোক আজি সহায় কৰি আছে। তাৰ পাছত H.S পঢ়ি থাকোঁতে মই এখন ধাৰাবাহিকৰ বাবে সুযোগ পালোঁ। ধাৰাবাহিকখনৰ নাম আছিল "চক্ৰবেহু"। কিন্তু সেইখন প্ৰচাৰ নহ'ল। সেইখনৰ পিছত মোক বৰ্ণালীখনৰ কাৰণে Cast কৰিছিল। So Bornali was the first camera play.

বৰ্ণালীৰ পাছত ১৯৯৯ত বাণী দাসে 'মহাৰথী'খনৰ কাৰণে পচন্দ কৰিলে। ২০০২ত 'মহাৰথী'খন বিমোচন হ'ল। তাৰ পাছত চিনেমাত একাদিক্ৰমে অভিনেত্ৰী হৈ থাকোঁ, মই ২০05 ত প্ৰথম ৰঙ্গমঞ্চলৈ আহিলোঁ। 'শকুন্তলা নাটঘৰ' তাত মই ৪ বছৰ থাকিলোঁ। তাৰ পাছত মই এটা Break ল'লোঁ। মোৰ এজনী ছোৱালী হ'ল। তাৰ পাছত মই আকৌ ২০১৩ত নাটক কৰা আৰম্ভ কৰিলোঁ। যোৱা বছৰ মই আৱাহনত আহিলোঁ। এই বছৰ আকৌ আৱাহনত। এইটো হৈছে মোৰ সৰুকৈ ক'বলগীয়া যাত্ৰা।

**অনন্যা ঃ** আপুনি কি পাৰ্থক্য পাইছে দৰ্শকৰ সন্মুখত নাটক কৰি আৰু কেমেৰাৰ সন্মুখত অভিনয় কৰি?

**প্ৰস্তুতি ঃ** ভীষণ পাৰ্থক্য পাইছোঁ। মই নিজে যেতিয়া নাটকৰ ছোৱালী, Amateur নাটকৰ ছোৱালী, গতিকে I love this place আৰু মোক যদিও চিনেমাৰ নায়িকা বুলি মানুহে জানে, তথাপি মোৰ নিজৰ চিনাক্তকৰণ এজনী মঞ্চ কলাকাৰহে।" I love the stage

and the audience and it is one of the best feeling in this world.

অনন্যা ঃ আপোনাক কিহে প্ৰভাৱান্বিত কৰিলে নাটক কৰিবলৈ?

প্ৰস্তুতি ঃ মই নাজানো, নাজানো। একো প্ৰভাৱৰ কথা নাজানো। কাৰণ ৫ বছৰ বয়সত প্ৰভাৱৰ কথা নাহে। "And I believe it has to be in blood, guidance and education can show us the path but if we don't have it in our blood then we can't bring it out so I think I have it in my blood cause I come from a family which had a rich theatre background.

অনন্যা ঃ নাটক বুলি ক'লে আৱেগ নামি আহে আমাৰ মনত, আমাৰ পিছৰ প্ৰজন্মই সেইটো পাবনে?

প্ৰস্তুতি ঃ আমি সেইটো নিশ্চিত কৰিব লাগিব। নাটক আমাৰ সংস্কৃতিৰ এটা সম্পত্তি আৰু নাটকক পাহৰিলে আমি নিজকে পাহৰা নহ'ব জানো?

অনন্যা ঃ আপুনি নৱ প্ৰজন্মক কি বাৰ্তা (Message) দিব বিচাৰে?

প্ৰস্তুতি ঃ I just want to say that never give up. কেতিয়াও হাৰি যাব নালাগে। There will be ups and downs but we have to be strong and keep learning from our experiences. সদায় আগবাঢ়ি যাব লাগে।

অনন্যা ঃ আপোনাক ধন্যবাদ। ব্যস্ততাৰ মাজতো সময় দিয়াৰ বাবে। ●






নাটক

# সংঘাত

## (পূৰ্ণাংগ সামাজিক নাটক)



**ৰচনা ঃ শৈলেনজিৎ শৰ্মা**
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ

**নাট্য-চৰিত্ৰ**

| | |
|---|---|
| ১। চন্দন বৰুৱা (শিল্পী) | ২০/২২ বছৰ। |
| ২। সাগৰিকা গোস্বামী | ১৮/২০ বছৰ। |
| ৩। বিজয় গোস্বামী (সাগৰিকাৰ পিতৃ) | ৫৫/৬০ বছৰ। |
| ৪। সৰলা (বিজয় গোস্বামীৰ পত্নী) | ৪০/৪৫ বছৰ। |
| ৫। ৰূপক গোস্বামী (বিজয় গোস্বামীৰ পুত্ৰ) | ২৫/৩০ বছৰ। |
| ৬। পৰাণ বেজবৰুৱা (আঢ্যৱন্ত) | ৩০/৩৫ বছৰ। |
| ৭। ৰবীন বেজবৰুৱা (পৰাণৰ ভাতৃ) | ২৫/৩০ বছৰ। |
| ৮। ধনীৰাম (পৰাণৰ ঘৰৰ বনকৰা ল'ৰা) | ২৫/৩০ বছৰ। |
| ৯। শান্তনু বেজবৰুৱা (পৰাণৰ পিতৃ) | ৫৫/৬০ বছৰ। |
| ১০। বিমলা (শান্তনুৰ পত্নী) | ৪৫/৫০ বছৰ। |
| ১১। জালান (মাৰোৱাৰী ব্যৱসায়ী) | ৪০/৪৫ বছৰ। |
| ১২। শীলা (চন্দনৰ ভগ্নী) | ১৮/২০ বছৰ। |
| ১৩। মহীকাই (চন্দন, শীলাৰ অভিভাৱক) | ৫০/৫৫ বছৰ। |
| ১৪। ৰতন (পৰাণৰ তাৰৈৰ ল'ৰা,পৰাণৰ সমবয়সীয়া) | ৩০/৩৫ বছৰ। |
| ১৫। বিপুল দত্ত (শিক্ষক) | ৩০/৩৫ বছৰ। |
| ১৬। ফাডাৰ | |

নাৰী চৰিত্ৰ ঃ ৪টা ।। পুৰুষ চৰিত্ৰ ঃ ১২টা, মুঠ = ১৬টা চৰিত্ৰ।

### ।। প্ৰথম দৃশ্য ।।

[কলেজৰ নৱাগত আদৰণী সভা। মঞ্চত "সাংস্কৃতিক অনুষ্ঠান আৰু নৱাগত আদৰণী সভা" বুলি লেখা এখন ফলক থাকিব। জ্যেষ্ঠ ছাত্ৰ চন্দন বৰুৱা মঞ্চলৈ আহি ঘোষণা কৰিব।]

চন্দন ঃ শ্ৰদ্ধেয় দৰ্শকবৃন্দ, আপোনালোকক জনাবলৈ পাই আমি সুখী হৈছোঁ যে আমাৰ কলেজৰ সাংস্কৃতিক প্ৰতিযোগিতাত শ্ৰেষ্ঠা নৃত্যশিল্পী হিচাপে স্বীকৃতি পাইছে তৃতীয় ষাণ্মাসিকৰ ছাত্ৰী মিছ সাগৰিকা গোস্বামীয়ে। সাগৰিকাক আমাৰ একতা সভাৰ তৰফৰ পৰা সাদৰ-সম্ভাষণ জ্ঞাপন কৰি উজ্জ্বল ভৱিষ্যত কামনা কৰিলোঁ। এতিয়া মিছ সাগৰিকা

গোস্বামীক মঞ্চলৈ আহি নৃত্য প্ৰদৰ্শনেৰে আমাক আনন্দিত কৰিবলৈ অনুৰোধ জনালোঁ। [সত্ৰীয়া নৃত্যৰ সাজ পিন্ধি সাগৰিকাই মঞ্চলৈ আহে।] — এয়া আপোনালোকৰ সন্মুখত আমাৰ অতিকৈ মৰমৰ মিছ সাগৰিকা গোস্বামী। [সাগৰিকাই নৃত্য আৰম্ভ কৰে। চন্দন আঁতৰি যায়। নৃত্যৰ শেষত পুনৰ চন্দনে মঞ্চলৈ আহি কয়] — মিছ সাগৰিকা গোস্বামী, তোমাক ধন্যবাদ জ্ঞাপন কৰিছোঁ আৰু লগতে আশা কৰিছোঁ তুমি কলা-কৃষ্টি সাধনাত ব্ৰতী হৈ আমাৰ কলেজ তথা অসমৰ নাম উজ্জ্বল কৰিবা। [দৰ্শকৰ হাত চাপৰিৰ লগে লগে আঁৰ কাপোৰ পৰে।]

### ।। দ্বিতীয় দৃশ্য।।

[বিজয় গোস্বামীৰ ঘৰ। মধ্যবিত্ত পৰিয়ালৰ পৰিৱেশ। বিজয় গোস্বামীয়ে খঙতে তৰ্জন-গৰ্জন কৰি থাকে।]

বিজয়ঃ নাচনী হ'ব, মোৰ ছোৱালী নাচনী হ'ব। নাচ-গান কৰি মোৰ মান-সন্মান নষ্ট কৰিব আৰু মই নীৰৱে সহি থাকিব লাগিব? ইহঁতে মোক কি বুলি ভাবিছে? [ভিতৰলৈ চাই ডাঙৰকৈ মাতে] — সৰলা, সৰলা, এইফালে আহা। [সৰলা ভিতৰৰ পৰা ওলাই আহে]

সৰলাঃ কি হ'ল? কিয় ইমান তৰ্জন-গৰ্জন কৰি আছে?

বিজয়ঃ তৰ্জন-গৰ্জন কৰা নাই। তোমালোকৰ গুণহে বখানি আছোঁ।

সৰলাঃ কওক, কিয় মাতিছে?

বিজয়ঃ সাগৰিকাক নাচিবলৈ কোনে পাৰ্মিছন দিছিল?

সৰলাঃ আজি-কালিৰ ছোৱালীক পাৰ্মিছন দিব লাগে নেকি?

বিজয়ঃ কি ক'লা? তোমাৰ ছোৱালীয়ে কাৰো পাৰ্মিছন নোলোৱাকৈ নাচিব আৰু তুমি চাই থাকিবা?

সৰলাঃ কিনো বেয়া কামটো কৰিলে?

বিজয়ঃ ভাল কাম কৰিলে নহয়? মোৰ ছোৱালীয়ে এজাক মানুহৰ আগত দেহ দেখুৱাই কঁকাল ভাঙি নাচিব আৰু তাকে চাই চাই এচামে কিৰিলি পাৰিব। এইবোৰ ভাল কাম নহয়?

সৰলাঃ একো বেয়া কাম কৰা নাই দিয়ক। আজি-কালি এইবিলাক চলিছেই।

বিজয়ঃ আজি-কালি চলিছে, চলক। তাত মোৰ মাত মাতিবলৈ একো নাই। কিন্তু মোৰ ছোৱালীয়ে নাচিব কিয়?

সৰলাঃ আপোনাৰ ছোৱালী অন্যবোৰৰ দৰে নহয় নেকি?

বিজয়ঃ নহয়, হ'ব নোৱাৰে। মোৰ পৰিয়ালত কোনোৱেও নাচ-গান কৰা নাই। তায়ো কৰিব নোৱাৰে।

সৰলাঃ আপোনাৰ পৰিয়ালত দেখোন মানুহেই নাছিল।

বিজয়ঃ কি ক'লা? মোৰ পৰিয়ালত মানুহ নাছিল? তেন্তে মই আহিলোঁ ক'ৰ পৰা?

সৰলাঃ আপুনিয়ে দেখোন কৈছিল আপোনাক বোলে দেউতাকে দিন হাজিৰা কৰিহে পঢ়াইছিল।

বিজয়ঃ সিমানেই নহয়। মোৰ মা চিকিৎসাৰ অভাৱত মোক সৰুতে এৰি থৈ গুচি গৈছিল। তথাপিতো দেউতাই এই ভেটিটো বিক্ৰী কৰা নাছিল। যিজন মানুহে ইমান অভাৱৰ মাজতো চহৰৰ এই মাটিডোখৰ বিক্ৰী কৰা নাছিল তেওঁক তুমি উলাই কৰিব পাৰিবা?

সৰলাঃ তেওঁক মই উলাই কৰাৰ কথা কোৱা নাই।

বিজয়ঃ আৰু জানা, চহৰৰ এই মাটিডোখৰৰ দাম আজি ৭০/৮০ লাখ হ'ব। কোন বাপেকে ইমান এটা মূল্যৱান প্ৰ'পাৰ্টি অনাহাৰে থাকি পুত্ৰক দি থৈ যাব পাৰিছে?

সৰলাঃ শহুৰ দেউতাক হেয় কৰিবলৈ গৈ কথাটো কোৱা নাছিলোঁ।

বিজয়ঃ তেন্তে কিয় তেনেকৈ ক'লা?

সৰলাঃ আপুনি যে ক'লে আপোনাৰ পৰিয়ালত কোনোৱেও নাচ-গান কৰা নাছিল, নাচ-গান কৰিবলৈ আপোনাৰ পৰিয়ালত আপোনাৰ বাহিৰে আৰু কোন আছিল? আপুনিও হেনো অভাৱৰ কাৰণে কলেজলৈ যাব নোৱাৰিলে। এতিয়া আপুনি কওকচোন, তেনেকুৱা অভাৱত থাকি আপুনি নাচ-বাগৰ কথা ভাবিব পাৰিছিলনে? [বিজয়ে কেৱল সৰলাৰ মুখলৈ চাই থাকে] আজি আপোনাৰ পৰিশ্ৰমৰ ফলত আমাৰ ভাত-কাপোৰৰ অভাৱ হোৱা নাই। তাই পঢ়া-শুনাৰ লগতে অলপমান নাচ-বাগ কৰিছে। তাতনো কি ইমান ডাঙৰ জগৰটো লাগিল?

বিজয়ঃ নাচ-বাগ কৰিছে, কৰক। সেইবোৰ জাক মানুহৰ আগত নাচিব কিয়? [চন্দন সোমাই আহে]

চন্দনঃ খুৰা?





বিজয়ঃ চন্দন আহিলা? কোৱাচোন চন্দন, তোমালোকৰ কলেজৰ ফাংচনত আমাৰ ছোৱালীয়ে নাচিছিল, হয়নে?

চন্দনঃ হয় খুৰা, বঢ়িয়া নাচিছিল।

বিজয়ঃ কি ক'লা? বঢ়িয়া নাচিছিল? তাৰ মানে মোৰ ছোৱালীয়ে এজাক মানুহৰ মনোৰঞ্জনৰ খোৰাক যোগাইছিল।

চন্দনঃ অকল মনোৰঞ্জনেই নহয় খুৰা, প্ৰতিজন দৰ্শকে কৈছিল সাগৰিকা গোস্বামী এদিন অসমৰ ভিতৰত নাম কৰা নৰ্তকী হ'ব।

বিজয়ঃ নৰ্তকী হ'ব নে এজনী নামকৰা বাঈজী হ'ব?

চন্দনঃ কিয় তেনেকৈ কৈছে খুৰা? সাগৰিকাৰ নৃত্যক কিয় বাঈজীৰ লগত ৰিজাইছে?

বিজয়ঃ হেৰা নৃত্য নৃত্যই। নৃত্যৰ উদ্দেশ্যই হ'ল এজাক মানুহৰ মনোৰঞ্জন। আৰু সেই মনোৰঞ্জন যোগাব মোৰ ছোৱালীয়ে?

চন্দনঃ খুৰা, আপুনি তেনেকৈ কিয় ভাবিছে?

বিজয়ঃ উস, তোমালোকে মোৰ কথাটো বুজিবলৈ কিয় চেষ্টা নকৰা?

চন্দনঃ খুৰা, কথা এটা কওঁ বেয়া নেপাব।

বিজয়ঃ কি কথা?

চন্দনঃ আজিৰ পৰা ২০ বছৰৰ আগত নৃত্যৰ যি পজিছন আছিল আজিকালি নাই। বহুত চেঞ্জ হৈ গৈছে।

বিজয়ঃ কি কৈছা?

চন্দনঃ আজিকালি নৃত্যই যশ-খ্যাতি অনাৰ লগতে চাফিচিয়েণ্ট অৰ্থ উপাৰ্জনো কৰিব পৰা হৈছে।

বিজয়ঃ হেৰা, আমাৰ ছোৱালী নাচ-বাগ কৰি আমাক ধন ঘটি খুৱাব নেলাগে।

চন্দনঃ চাওক খুৰা, আজি অসমৰ সত্ৰীয়া নৃত্য ভাৰতৰ লগতে বিদেশতো প্ৰচাৰ হৈছে। কেৱল সত্ৰতে আবদ্ধ হৈ থকা নাই। ফ্ৰান্স, জাপান, জাৰ্মানী, ৰাছিয়া আদি দেশৰ ল'ৰা-ছোৱালীয়ে সত্ৰীয়া নৃত্য শিকাত লাগি গৈছে।

বিজয়ঃ হেৰা, সেইবোৰ স্বদেশী-বিদেশীয়ে নাচিছে নাচক। তাত মোৰ অলপো আপত্তি নাই। কিন্তু মোৰ ছোৱালীয়ে নাচিব কিয়?

চন্দনঃ আপুনি সাগৰিকাৰ প্ৰতিভা শেষ কৰি দিব নেকি?

বিজয়ঃ ছোৱালী এজনীৰ প্ৰতিভা প্ৰকাশ পায় ঘৰ এখন সুন্দৰকৈ গঢ়ি তোলাত। সেইটো কথা তুমি জানানে?

চন্দনঃ আপুনি কোৱাটোও অস্বীকাৰ নকৰোঁ। কিন্তু যাৰ প্ৰতিভা আছে তেওঁ যদি নিজৰ কলা-কৃষ্টি ৰক্ষা নকৰে কোনে কৰিব?

বিজয়ঃ তোমাৰ কলা-কৃষ্টি ৰক্ষা কৰিবলৈ মোৰ ছোৱালীজনীক এৰি দিব নোৱাৰোঁ। শুনা, মই তাইৰ কাৰণে ল'ৰা চাই আছোঁ। ভাল ল'ৰা পালে মই তাইক বিয়া দিম। তাই এজনী সু-গৃহিণী হোৱাটোহে মই বিচাৰোঁ। সৰলা, চন্দনক বুজাবা এইবিলাক কথা কৈ কৈ ছোৱালীজনীক যেন বিপথে নিনিয়ে। [ওলাই যায়। ক্ষন্তেক নীৰৱ]

সৰলাঃ চন্দন?

চন্দনঃ খুৰা ইমান জেদী বুলি ভবা নাছিলোঁ খুৰী।

সৰলাঃ নহয় বুজিছা, তুমি ভবাৰ দৰে তেখেত নহয়। কিন্তু তুমি তেখেতৰ কথাবোৰৰ যুক্তি নাই বুলি ক'ব পাৰিবা?

চন্দনঃ যুক্তি হয়তো আছে। সেই বুলি কি এজনী ছোৱালীৰ প্ৰতিভা নষ্ট হ'বলৈ এৰি দিম। আপুনিতো জানে সকলোৱে প্ৰতিভা লৈ জন্মগ্ৰহণ নকৰে।

[ৰূপক সোমাই আহে]

ৰূপকঃ প্ৰতিভা বিকাশ হ'বলৈ বাতাৱৰণ লাগিব বুলিতো তুমি জানা চন্দন?

চন্দনঃ ৰূপক, তুমিও কি কথাবিলাক শুনি আছিলা?

ৰূপকঃ হ'বা। তুমি যি প্ৰতিভাৰ কথা কৈছা তোমাৰ দেশত আৰু বহুত প্ৰতিভাৱান ল'ৰা-ছোৱালী আছে। সিহঁতে প্ৰতিভা বিকাশৰ কিবা বাতাৱৰণ পাইছে বুলি তুমি ডাঠি ক'ব পাৰিবা?

চন্দনঃ বাতাৱৰণ সৃষ্টি কৰিব লাগিব। যিখন সমাজত তোমাৰ দেউতাৰাৰ দৰে মানুহ থাকিব তাত বাতাৱৰণ সৃষ্টি কেনেকৈ হ'ব?

ৰূপকঃ শুনা, যিটো পৰিস্থিতিৰ প্ৰভাৱৰ ফলত দেউতাৰ স্থিতি আমি দেখা পাইছোঁ তাৰ লগত বৰ্তমানৰ কোনো সম্পৰ্ক নাই। মই কি কৈছোঁ তুমি বুজিব পাৰিছানে?

চন্দনঃ মই বুজিবলৈ টান পাইছোঁ।

ৰূপকঃ আমি থিয় হৈ থকা এই মাটিডোখৰৰ বাহিৰে আমাৰ ককাই পুতেকৰ কাৰণে একো এৰি থৈ যোৱা

নাছিল। জানা, মোৰ দেউতাই নকৰা কাম একো নাই। তেওঁৰ কঠোৰ পৰিশ্ৰম আৰু এইজনী মাৰ অশেষ ত্যাগৰ ফলত মই আৰু সাগৰিকাই বৰ্তমানৰ অৱস্থা পাইছোঁহি। এতিয়া আমাৰ ঘৰখনৰ বাতাৱৰণটো তুমি বুজিব পাৰিছানে?

সৰলাঃ চন্দন, মই তোমালোকলৈ চাহ কৰোঁগৈ। তোমালোক বহা। [ভিতৰলৈ যায়]

চন্দনঃ তুমি কি ক'ব খুজিছা মই বুজিছোঁ। এতিয়াতো সেই পৰিস্থিতি নাই। বৰ্তমান আন দহজনতকৈ তোমালোকৰ অৱস্থা বেচ ভাল। তুমিতো খুৰাক বুজাব পাৰিব লাগিছিল।

ৰূপকঃ লাগিছিল। কিন্তু মই নোৱাৰোঁ। কিয় নোৱাৰোঁ জানা?

চন্দনঃ কিয়?

ৰূপকঃ দেউতাই অতীতটো পাহৰা নাই আৰু পাহৰিব নোৱাৰেও। এটা কথা মনত ৰাখিবা,— যিবিলাক মানুহে আনৰ সহায় নোলোৱাকৈ নিজৰ ভৰিৰ ওপৰত থিয় হৈছে তেওঁলোকে লোকৰ কথা কেতিয়াও নুশুনে। আৰু কি জানা, তেওঁলোক নিজে নিজে এখন কিতাপ।

চন্দনঃ মানুহ এজন কিতাপ এখন হ'ব কেনেকৈ?

ৰূপকঃ এখন কিতাপ পঢ়িলে যিমান জ্ঞান হয় দেউতাহঁতৰ নিচিনা সংঘাতপূৰ্ণ জীৱনবিলাকৰ বিষয়ে জানিব পাৰিলে তাতকৈ বেছি বাস্তৱ জ্ঞান হয়। এই বাস্তৱ জ্ঞানৰ পৰা বহু কথা শিকিব পাৰি।

চন্দনঃ তেওঁ বহুত সংঘাতৰ মুখা-মুখি হৈ নিজকে ভালদৰে প্ৰতিষ্ঠা কৰিলে। লগতে তোমালোককো প্ৰতিষ্ঠা কৰিলে। ভালদৰে প্ৰতিষ্ঠা হোৱাৰ পিছত তুমি কোৱা বাতাৱৰণটো চেঞ্জ হ'ব লাগিছিল।

ৰূপকঃ চেঞ্জ হ'ব লাগিছিল। কিন্তু মই সাহস কৰিব নোৱাৰোঁ।

চন্দনঃ কিয়?

ৰূপকঃ ইমান সংঘাতপূৰ্ণ মানুহ এজনৰ মনত আঘাত দিবলৈ মই ভাল পোৱা নাই। অৱশ্যে এইটো মোৰ দুৰ্বলতা বুলিও ক'ব পাৰা।

চন্দনঃ তুমি নিজাববীয়াকৈ একো কৰিব নোৱাৰাটোৱে তোমাৰ দুৰ্বলতা।

ৰূপকঃ অ' বাস্তৱ সত্যটো তুমি এতিয়াহে বুজি পাৰিলা। [সাগৰিকা সোমাই আহে]

সাগৰিকাঃ দাদা, মোৰ নৃত্যক লৈ আপোনালোকে ৰিচাৰ্চ আৰম্ভ কৰি দিলে নহয়?

চন্দনঃ [হাঁহি] — তোমাৰ হৈ ওকালতি কৰি কৰি ভাগৰি গৈছোঁ। বাৰু কোৱাচোন, তোমাৰ অভিমত কি?

সাগৰিকাঃ মোৰ আকৌ কি অভিমত থাকিব পাৰে?

চন্দনঃ নিশ্চয় থাকিব পাৰে। কোৱাত কিবা বাধা আছে নেকি?

সাগৰিকাঃ মই নাচিলোঁ, দৰ্শকে ভাল পালে। কিন্তু দেউতাই বেয়া পাইছে। গতিকে দেউতাই বেয়া পোৱা কাম মই আৰু নকৰোঁ।

চন্দনঃ কি ক'লা?

সাগৰিকা ঃ মোৰ নাচ ইমানতে শেষ। আৰু নক'ব।

চন্দন ঃ এয়া তোমাৰ অভিমান নে অভিযোগ?

সাগৰিকা ঃ এটাও নহয়। মাত্ৰ এটা বাস্তৱ সত্য। দাদাই আপোনাক কোৱাৰ দৰে ময়ো কৈছোঁ আমাৰ কাৰণে এইটোৱে বাস্তৱ সত্য।

চন্দন ঃ সাগৰিকা, তুমিও কি তোমাৰ দেউতাৰাৰ অতীতটো পাহৰিব পৰা নাই?

সাগৰিকা ঃ পাহৰাটো ভুল হ'ব।

চন্দন ঃ কি ক'লা?

সাগৰিকা ঃ মই দেউতাৰ অবাধ্য হ'ব নোৱাৰোঁ। দেউতাই মোক কোনোবা এজন ল'ৰালৈ বিয়া দিব। ময়ো কোনো প্ৰতিবাদ নকৰি বোৱাৰী হৈ গুচি যাম। সেই অচিনজনৰ প্ৰতি সেৱা-শুশ্ৰূষাই হ'ব মোৰ ধৰ্ম। তাত মোৰ নিজা বুলিবলৈ একোৱেই নাথাকিব। [চকুলো ওলায়।]

চন্দন ঃ সাগৰিকা?

সাগৰিকা ঃ আহক। চাহ বাকি মাই বৈ আছে। [চকুলো মচি ভিতৰ সোমায়।]

ৰূপক ঃ মই আৰু কিবা ক'ব লাগিব চন্দন?

চন্দন ঃ নেলাগে। মই সকলো বুজিছোঁ। জানা ৰূপক, ৰাইজক চিঞৰি চিঞৰি ক'বলৈ মোৰ মন গৈছে— [কিছু আৱেগিক হৈ উচ্চস্বৰত ক'ব] শ্ৰদ্ধেয় ৰাইজ, আজি আমাৰ মাজৰ পৰা আমাৰ অতিকৈ মৰমৰ বিৰল প্ৰতিভাসম্পন্ন নৃত্য পটিয়সী সাগৰিকা গোস্বামী





আঁতৰি গ'ল ৰাইজ, আঁতৰি গ'ল।

আঁৰ কাপোৰ পৰে।

।। তৃতীয় দৃশ্য ।।

[পৰাণ বেজবৰুৱাৰ ঘৰ। চহৰত নতুনকৈ প্ৰতিষ্ঠা হোৱা ন ধনী লোক। ঘৰৰ বনকৰা ল'ৰা ধনীৰাম। হাত-ভৰি লৰাই লৰাই নাচিবলৈ চেষ্টা কৰি থাকে। তেনেতে ৰবীন সোমাই আহে]

ৰবীন ঃ [হাঁহি] হেৰ' তেনেকৈ হাত-ভৰি আচাৰি মৰিছ কিয়?

ধনী ঃ ৰ'ব, ডিচটাৰ্ব নকৰিব। [নাচি থাকে]

ৰবীন ঃ হেৰ' মই কি সুধিছোঁ শুনিছনে?

ধনী ঃ টিভিত দেখা নাই এনেকৈ হাত-ভৰি মাৰি ল'ৰা-ছোৱালীবোৰে নাচি থকা?

ৰবীন ঃ হ'ব হ'ব, বন্ধ কৰ। কোনোবাই দেখিলে কিবা নিচা-তিচা খালি বুলিহে ভাবিব।

ধনী ঃ [নাচ বন্ধ কৰি] ভবাটো বাদ দিয়ক। বহুতে মোকো ডাউট্ কৰে।

ৰবীন ঃ হেৰ' কি ডাউট্ কৰাৰ কথা কৈছ?

ধনী ঃ আপোনাৰ কাৰণে বটল আনি থকাৰ কাৰণেই ডাউট্ কৰে।

ৰবীন ঃ [হাঁহি] হ'ব হ'ব। বাৰু ধনীৰাম তোৰ এই নামটো কোনে দিছিল অ'?

ধনী ঃ আপোনাৰ নামটোনো কোনে দিছিল?

ৰবীন ঃ মা-দেউতাই দিছিল।

ধনী ঃ তেনেহ'লে মোকো আই-বোপাইয়ে দিছিল।

ৰবীন ঃ তোৰ নাম দিলে ধনীৰাম। এতিয়া ধনৰ অভাৱত পৰি তই হ'লি আমাৰ ঘৰৰ বনকৰা ল'ৰা। হেৰ' আচলতে তোৰ নাম হ'ব লাগিছিল দুখীৰাম।

ধনী ঃ দাদা, আপোনাৰ নামটোও কিন্তু ভুল হ'ল।

ৰবীন ঃ কি ক'লি? কি ভুল হ'ল ক'চোন?

ধনী ঃ আপোনাৰ নামটো হ'ব লাগিছিল পানীৰাম অথবা বটলৰাম।

ৰবীন ঃ কি? [বাহিৰত পৰাণৰ মাত "আহকঃ আহক"] ঐ তোৰ বচ পালেহি। মই আহিলোঁ। [ভিতৰলৈ যায়। পৰাণে জালানক লৈ সোমাই আহে।]

পৰাণ ঃ আহক জালান, বহক।

জালান ঃ হ'ব হ'ব। [বহে।]

পৰাণ ঃ ধনীৰাম দেউতাক মাতিছোঁ বুলি ক'গৈ।

ধনী ঃ আৰু কিবা ক'ব লাগিবনে?

পৰাণ ঃ নেলাগে যা।

ধনী ঃ কিয় আলহী অহাৰ কথা ক'ব নেলাগে?

পৰাণ ঃ গ'লিনে? [চকু থিয় কৰি চোৱাত ধনীৰাম যায়] কওক জালান।

জালান ঃ দেখক আপুনি মাটিৰ মালিক। মই খৰিদ্দাৰ। আপুনি বিক্ৰী কৰিব আৰু মই কিনিম। গতিকে আপুনিহে ক'ব লাগে।

পৰাণ ঃ শুনক, মাটি আছে দেউতাৰ নামত। কথা-বাৰ্তা দেউতাৰ লগত পাতিব লাগিব।

জালান ঃ তেতিয়াহ'লে তেখেত আহক।

পৰাণ ঃ তাৰ আগতে আমি দৰ-দামটো ঠিক কৰি লওঁ।

জালান ঃ আপোনাৰ লগত কি দৰ-দাম কৰিম? এতিয়া যি দাম চলি আছে সেই দামকে আপুনি পাব। [শান্তনু বেজবৰুৱা ভিতৰৰ পৰা আহে।]

শান্তনু ঃ পৰাণ—?

পৰাণ ঃ দেউতা, এখেতেই জালান। [জালানে বহাৰ পৰা উঠি নমস্কাৰ দিয়ে]

শান্তনু ঃ বহক, বহক। [দুয়ো বহে] আপোনাৰ কথা মোৰ ল'ৰাই কৈছে। এতিয়া কথা হ'ল কিনিবলৈ লোৱা মাটিখিনি আপুনি দেখিছে জানো?

জালান ঃ মাটি দেখাৰ কোনো দৰকাৰ নাই। মাটি হ'লেই হ'ল।

শান্তনু ঃ ৰ'ব,— দ'মাটি, বামমাটি আদি মাটিৰ ভাগ ভাগ আছে। আপুনি কেনেকুৱা মাটি কিনিব খোজে?

জালান ঃ আপোনাৰ ল'ৰাই বামমাটি বুলি মোক কৈছে।

পৰাণ ঃ দেউতা, আমাৰ ৰাস্তাৰ কাষৰ মাটিডৰাৰ কথা কৈছোঁ।

শান্তনু ঃ অ' সেইডৰা অৱশ্যে বাম মাটি, হেৰি নহয় আপোনাৰ ব্যৱসায় চহৰত। গাঁৱত মাটি লৈ কি কৰিব?

জালান ঃ দেখক বেজবৰুৱা বাবু, গাঁও-চহৰ বুলি কোনো কথা নাই। আজিকালি মাটিৰ চাহিদা চবতে আছে।

শান্তনু ঃ বেয়া নেপাব। আপুনি মাটিডৰা লৈ কি কৰিব?

জালান ঃ দেখক আমি খেতি কৰিবলৈ মাটি নিকিনো। ভৱিষ্যতে তাত কিবা ইণ্ডাষ্ট্ৰী এটাকে বহাব পাৰিম বা

ফাৰ্ম এখনকে খুলিব পাৰিম।

পৰাণ ঃ দেউতা, তেখেতে মাটি কিনাৰ পিছত কি কৰে আমাৰ জানিবৰ দৰকাৰ নাই। বিক্ৰী কৰাৰ বিষয়ে কথা পাতা।

শান্তনু ঃ তই দৰ-দাম কৰা নাই জানো?

পৰাণ ঃ কৰিছোঁ।

শান্তনু ঃ তেতিয়াহ'লে ক'বলৈ কিটো আছে?

পৰাণ ঃ শুনিলে জালান, এতিয়া মাটি বিক্ৰী কৰাটো খাটাং। আপুনি কেতিয়া লেখা-পঢ়া কৰে সেইটো কওক।

জালান ঃ অহা সোমবাৰে কাছাৰীলৈ ওলাওক। তাতে লেখা-পঢ়া কৰি টকা দি দিম।

পৰাণ ঃ হ'ব।

জালান ঃ বেজবৰুৱা বাবু, বৰ ভাল পালোঁ। এতিয়া যাওঁ নেকি? আৰু জানো কিবা কথা আছে?

শান্তনু ঃ নাই, নাই। যাওক।

জালান ঃ তেন্তে আহোঁ। যায়। [পৰাণে আগবঢ়াই দি ঘূৰি আহে]

শান্তনু ঃ পৰাণ, এই মাৰোৱাৰীবোৰে কিয় য'তে ত'তে মাটি কিনিবলৈ লৈছে?

পৰাণ ঃ তেওঁলোক বিজ্‌নেচ্‌মেন। বিজ্‌নেচৰ কাৰণেই কিনিছে।

শান্তনু ঃ নহয়। ইহঁতে অসমীয়া মানুহৰ অভাৱৰ সুবিধা লৈ মাটিবোৰ কিনিছে। ইহঁতে জানে মাটি আৰু সোণৰ দাম সদায় বাঢ়ি থাকে।

পৰাণ ঃ তেতিয়াহ'লে খেতিৰ মাটিবোৰ বিক্ৰী কৰি সোণকে কিনি থওঁ।

শান্তনু ঃ ৰহচোন, তেওঁ যে ক'লে কিবা ইণ্ডাষ্ট্ৰী খুলিব। গাঁৱৰ মাজত ইণ্ডাষ্ট্ৰী এটা খুলিলে ওচৰে-পাঁজৰে থকা মানুহবোৰৰ অসুবিধা নহ'বনে?

পৰাণ ঃ দেউতা, গাঁৱৰ কথা ভাবিলে তুমি মাটি বিক্ৰী কৰিব নোৱাৰা।

শান্তনু ঃ ৰহ , গাঁৱৰ পৰা আহিলোঁ বুলি গাঁৱৰ কথাবোৰ পাহৰি যাব নোৱাৰোঁ নহয়। তহঁত ডাঙৰ-দীঘল হৈহে চহৰ পাইছহি। সেই সৰুকালৰ কথাবোৰ ইমান সোনকালে পাহৰি গ'লিনে?

পৰাণ ঃ গাঁৱত ডাঙৰ-দীঘল হ'লোঁ বুলিয়েই অতীতক খামুচ মাৰি ধৰি থাকিব লাগিব নেকি?

শান্তনু ঃ নেলাগে। মাত্ৰ অতীতক পাহৰি গৈ গাঁওখনক অৱহেলা কৰাটো ভুল হ'ব।

পৰাণ ঃ হ'ব, হ'ব। তুমি গাঁৱৰ কথা ভাবি থাকা আৰু মোক মোৰ ভাৱে চলিবলৈ দিয়া।

শান্তনু ঃ গাঁৱৰ কোনোবা মানুহে মাটিডৰা কিনে নেকি খবৰটো কৰি চা।

পৰাণ ঃ কি ক'লা?

শান্তনু ঃ শুন, মাটি বিক্ৰী কৰিবলৈ হ'লে প্ৰথমে বংশৰ কোনোবাই কিনিব পাৰে নেকি সুধিব লাগে। তেওঁলোকে নোৱাৰিলে মাটিডৰাৰ আশে-পাশে মাটি থকা মানুহক সুধিব লাগে। তেওঁলোকে নোৱাৰিলেহে আনলৈ বিক্ৰী কৰিব লাগে। এইটো মাটি বিক্ৰী কৰাৰ চলিত নিয়ম।

পৰাণ ঃ জালানৰ লগত খাটাং কৰাৰ পিছত তোমাৰ নিয়মবোৰ মানি গাঁৱলৈ গ্ৰাহক বিচাৰি যাম?

শান্তনু ঃ আমিতো এড্‌ভাঞ্চ লোৱা নাই।

পৰাণ ঃ এড্‌ভাঞ্চ নল'লোঁ বুলি মুখৰ কথাৰ কোনো মূল্য নাই নেকি?

শান্তনু ঃ গাঁৱৰ মানুহবোৰৰ ভালৰ কাৰণে আমাৰ কথা নৰ'ল যেনিবা তাতে কি হ'ল?

পৰাণ ঃ তুমি বুঢ়া মানুহ। তোমাৰ কথাৰ মূল্য নেথাকিব পাৰে। কিন্তু মোৰ কথাৰ মূল্য মই ৰাখিবই লাগিব। [বিমলা ভিতৰৰ পৰা ওলাই আহে।]

বিমলা ঃ মাটিডৰা বিকাৰ কথাটোকে লৈ বাপেক-পুতেকে ইমানকৈ লাগি থাকিব লাগেনে?

পৰাণ ঃ চোৱা মা, দেউতাই কথাবোৰ একেবাৰে নুবুজে।

বিমলা ঃ হ'ব দিয়ক, তাৰ মতেই তাক চলিবলৈ দিয়ক।

শান্তনু ঃ নহয়হে। মই ভাবি আছোঁ গাঁৱৰ মাটি এটুকুৰা বিক্ৰী কৰি যদি তাৰ বিয়াখন পাতোঁ, মানুহৰ মনত প্ৰশ্ন নহ'বনে চাকৰি কৰা ল'ৰা এটাই মাটি বিক্ৰী কৰিবলৈ কি হ'ল?

পৰাণ ঃ চোৱা মা, মোৰ বিয়া পাতিবলৈ তোমালোকে চিন্তা কৰিব নালাগে। সেইটো মোৰ চিন্তা।

বিমলা ঃ তোৰ বিয়াখনৰ খৰচটো যদি তইয়ে দিব পাৰ তেতিয়াহ'লে গাঁৱৰ মাটি বিকিবলৈ কিয় ওলাইছ?

পৰাণ ঃ গাড়ী এখন কিনিব লাগে।



শান্তনু ঃ কি মাটি বিক্ৰী কৰি গাড়ী কিনিবি? শুনিলা বিমলা, সি কি কৈছে? মাটি বিক্ৰী কৰি কোনোবাই গাড়ী কিনেনে?

পৰাণ ঃ পৰি থকা মাটিডৰাইনো তোমাক কি দিছে?

শান্তনু ঃ উস্, মানুহক মই কি উত্তৰ দিম?

বিমলা ঃ ৰ'বচোন, আপুনি ইমান চিন্তা কৰিব নেলাগে। আপুনি যে তাৰ বিয়া পতাৰ কথা ভাবিছে ছোৱালী এজনী ঠিক নকৰাকৈ কেনেকৈ বিয়া পাতিব।

শান্তনু ঃ ছোৱালী এজনী মই ঠিক কৰিছোঁ।

বিমলা ঃ আও আমি নজনাকৈ আপুনি ছোৱালী ঠিক কৰিছে? কওক কাৰ ছোৱালী, ক'ৰ ছোৱালী?

শান্তনু ঃ আমাৰ এই চহৰৰে ছোৱালী।

বিমলা ঃ আমাৰ চহৰৰে ছোৱালী। কাৰ ছোৱালী চিনি পামনে?

শান্তনু ঃ বিজয় গোস্বামীৰ ছোৱালী।

বিমলা ঃ নামটো কওকচোন।

শান্তনু ঃ সাগৰিকা গোস্বামী।

বিমালা ঃ কি? [পৰাণলৈ চায়। পৰাণ আঁতৰি যায়।]

**বিয়াৰ মিউজিক আৰু এই মিউজিকতে নেমকাষ্টিং হ'ব।**

**।। চতুৰ্থ দৃশ্য।।**

[পৰাণ বেজবৰুৱাৰ ঘৰ। তৃতীয় দৃশ্যৰ পৰিৱেশৰ পৰিৱৰ্তে নতুন পৰিৱেশ। নতুন চোফা চেট। নতুন কায়দাৰে সজ্জিত কোঠা। নিচাসক্ত ৰবীন সোমাই আছে।]

ৰবীন ঃ আও ইমান এখন সাংঘাতিক বিয়া হৈ গ'ল, মোৰ কোনো গুৰুত্বই নাই। এইখন ঘৰৰে যে মই এটা মানুহ কাৰো খবৰ নাই। হেৰ' তই মোৰ দাদা। তই এজনী গৃহলক্ষ্মী আনিবি। তেওঁ মোৰ নবৌ হ'ব। তাত মই বেয়া পামনে? হেৰ' কমচে কম মোকতো এটা দায়িত্ব দিব পাৰ। [হাঁহি] অ' বিশ্বাস নাই। মোক বিশ্বাস নকৰ? বিশ্বাসনো তই কাক কৰ? হুঃ কাক কৰ? [ধনীৰাম সোমাই আহে।]

ধনী ঃ অ' দাদা, কাৰ লগত কথা পাতি হাঁহি আছে?

ৰবীন ঃ অ' আমাৰ দুখীৰাম। আহ, আহ।

ধনী ঃ দুখীৰাম নহয় দাদা, ধনীৰাম।

ৰবীন ঃ অ' চ'ৰি ধনীৰাম।

ধনী ঃ এতিয়া কওক পানীৰামদা।

ৰবীন ঃ তই দেখোন মোক পানীৰামদা বুলি মাতিলি? কিয়?

ধনী ঃ পানী পি অহাৰ কাৰণে।

ৰবীন ঃ তয়ো মোক গুৰুত্ব নিদিয়া হ'লি নহয়?

ধনী ঃ চাওকচোন নতুন মানুহ এজনী অহা কেইদিন হ'ল? আপুনিনো সেই সোপা পি আহিব লাগেনে? নবৌৱে দেখিলে বাৰু কি ভাবিব?

ৰবীন ঃ ৰহচোন, এই চোফাচেট্‌বোৰ নবৌৱে লগত অনা নহয়নে?

ধনী ঃ নহয়।

ৰবীন ঃ হেৰ' নহয় যদি এইবোৰ ক'ৰ পৰা আহিল?

ধনী ঃ ডাঙৰ দাদাই কিনি আনিছে।

ৰবীন ঃ হেৰ' লোকৰ ঘৰত ন-বোৱাৰীয়ে লগত অনা চোফাচেট্ সজাই-পৰাই পাৰি থয়। আমাৰ কিনি আনিবৰ কি গৰজডাল পৰিল।

ধনী ঃ [ফুচ্‌ফুচাই কোৱাদি কয়] — নবৌৱে অনাবোৰৰ হেনো ইচ্টেনদাৰ্ড নাই।

ৰবীন ঃ [বৰকৈ হাঁহি] ষ্টেণ্ডাৰ্ড নাই?

ধনী ঃ ৰ'ব, ইমানকৈ হাঁহিবলৈ আকৌ কি হ'ল?

ৰবীন ঃ বুজিছ, তোৰ বচৰ দুই নম্বৰী টকা বেছি হৈছে কাৰণে ষ্টেণ্ডাৰ্ড বাঢ়ি গৈছে।

ধনী ঃ আৰু আপুনি সেই সোপা পি আহি দাদাৰ ইচ্টেনৰ্ডাত চেঁচা পানী ঢালিছে।

ৰবীন ঃ অ' ঠিক ধৰিছ। সেই কাৰণেই মই লাল পানী খাই আহিছোঁ। [বোৱাৰী বেশত সাগৰিকা সোমাই আহে]

সাগৰিকা ঃ ধনীৰাম, এটা কাম কৰাচোন।

ধনী ঃ কি কাম নবৌ? [ৰবীনে নিজকে লুকুৱাবলৈ চেষ্টা কৰে]

সাগৰিকা ঃ দোকানৰ পৰা আহিব লাগে। অ' এইয়া ৰবীন নহয়নে?

ধনী ঃ কিয় নহয়?

সাগৰিকা ঃ কিয় তেওঁ তেনেকৈ আছে?

ধনী ঃ তেওঁকে সোধক।

সাগৰিকা ঃ ৰবীন কি হ'ল, তোমাক দেখোন দুদিনমান দেখা নাই। কি হৈছে তোমাৰ? [ওচৰলৈ গৈ মদৰ গোন্ধ পায়] কি তুমি মদ খাই আহিছা?

ৰবীন ঃ হয়।

সাগৰিকা ঃ এই দিন দুপৰতে মদ খাই আহিছা? ইমান

গোন্ধাইছে।

ৰবীন ঃ হয়, ময়ো গোন্ধ পাইছোঁ।

সাগৰিকা ঃ গোন্ধ পাইছা যেতিয়া খাইছা কিয়?

ধনী ঃ আজিয়ে নহয় নবৌ, — সদায় খায়। নবৌ কওক কি আনিব লাগে?

সাগৰিকা ঃ চানস্লিক দুপেকেট লৈ আহা। [পইচা লৈ ধনীৰাম যায়।] ৰবীন? কি হ'ল তুমি মোলৈ নোচোৱা কিয়? [ৰবীনে মূৰ তুলি চায়] তুমি বাৰু কিহৰ দুখত মদ খোৱা?

ৰবীন ঃ নবৌ, কথা এটা সোধো, বেয়া পাবা নেকি?

সাগৰিকা ঃ নেপাওঁ। সোধা।

ৰবীন ঃ তুমি বাৰু এইখন ঘৰলৈ আহি সুখ পাইছানে?

সাগৰিকা ঃ কি?

ৰবীন ঃ অ' ছ'ৰি। বেয়া নেপাবা নবৌ। [নিজৰ গলত চৰ মাৰি] ধেৎতেৰি।

সাগৰিকা ঃ সেয়া আকৌ কি কৰিলা?

ৰবীন ঃ ইমান পাৰ্চনেল কথা এটা সুধিব নেলাগিছিল। মোৰ ভুল হে গ'ল নবৌ। মাফ কৰিবা।

সাগৰিকা ঃ তোমাৰ ভুল হোৱা নাই। তোমাৰ অনুমান এটাহে কৈছা।

ৰবীন ঃ নবৌ?

সাগৰিকা ঃ হ'ব, তুমি ভিতৰলৈ যোৱা। সৌৱা তোমাৰ দাদা আহিছে। [ৰবীন ভিতৰ সোমায়। হাতৰ মুঠি বন্ধ কৰি উৎফুল্লিত হৈ পৰাণ সোমাই আহে]

পৰাণ ঃ কি সাগৰিকা, মোৰ কাৰণে ৰৈ আছা?

সাগৰিকা ঃ অ, তেনেকৈয়ে ভাবিব পাৰা।

পৰাণ ঃ তোমালৈ কি আনিছোঁ জানা?

সাগৰিকা ঃ ক'তা, একোতো দেখা নাই।

পৰাণ ঃ এয়া হাৰ মুঠিত।

সাগৰিকা ঃ হাতৰ মুঠিত! কি বস্তু?

পৰাণ ঃ এটা সাংঘাতিক প্ৰেজেণ্ট। তাকো তোমাৰ কাৰণে।

সাগৰিকা ঃ সাংঘাতিক প্ৰেজেণ্ট হাতৰ মুঠিত। কথা কি?

পৰাণ ঃ চহৰৰ ম'ষ্ট বিউটিফুল সাগৰিকাৰ কাৰণে এয়া মোৰ ক্ষুদ্ৰ প্ৰেজেণ্ট,— এপাত ছাবি। [ছাবিপাত সাগৰিকাৰ আগত দাঙি ধৰে]

সাগৰিকা ঃ ছাবি? কিহৰ ছাবি?

পৰাণ ঃ এখন গাড়ীৰ ছাবি। তোমাৰ কাৰণে এখন গাড়ী কিনি আনিছোঁ। লোৱা ছাবিপাত। [সাগৰিকাৰ হাত টানি আনি ছাবিপাত তুলি দিয়ে]

সাগৰিকা ঃ মোক আকৌ গাড়ীখন কেলৈ?

পৰাণ ঃ ফুৰিবা। গাড়ী লৈ ফুৰিবলৈ যাবা। আহা, গাড়ীখন নোচোৱা?

সাগৰিকা ঃ ক'ত?

পৰাণ ঃ ঘৰৰ সন্মুখত। আহা। [হাতত ধৰি লৈ যায়। তেনেতে বিমলা সোমাই আহি পৰাণহঁতলৈ চাই থাকে। পৰাণহঁত পুনৰ আহে]

বিমলা ঃ পৰাণ?

পৰাণ ঃ [হাঁহি] মা, সাগৰিকাৰ কাৰণে এখন গাড়ী কিনি আনিলোঁ।

বিমলা ঃ গাড়ী কিনি আনিলি? আমাক দেখোন একো কোৱা নাই?

সাগৰিকা ঃ মা, লওক। [ছাবিপাত বিমলাৰ হাতত গুজি দিয়ে]

পৰাণ ঃ সাগৰিকা?

সাগৰিকা ঃ ঘৰৰ মূল মানুহৰ হাতত ছাবিপাত দিব লাগে। অ' ৰ'বা, তুমি নতুন বস্তু এটা কিনি আনিছা। তোমালৈ চাহ একাপ আনোঁগৈ। [সাগৰিকা ভিতৰলৈ যায়]

বিমলা ঃ পৰাণ, কথাটো কি ভালদৰে ক'চোন।

পৰাণ ঃ একো কথা নাই মা। তোমাৰ বোৱাৰী ইফালে সিফালে যাবলৈ গাড়ী এখন লাগে। গতিকে গাড়ী এখন কিনিলোঁ।

বিমলা ঃ আমাক কাকো একো নোকোৱাকৈ গাড়ী এখন কিনিলি। কিয় কিনিলি?

পৰাণ ঃ চোৱা মা, আজিকালি গাড়ী এখন ঘৰৰ সন্মুখত নেথাকিলে তোমাক কোনেও পাট্টা নিদিয়ে। তদুপৰি গাড়ী এখন কিনাটো একো নতুন কথা নহয়।

বিমলা ঃ ৰহ, গাড়ীখন কিমান দি কিনিলি? ইমানবোৰ টকা ক'ত পালি?

পৰাণ ঃ আস, তুমি কিয় ইমান চিৰিয়াচ হৈছা? টকা ক'ত পালোঁ, দাম কিমান দিলোঁ,— তোমাৰ জানিবৰ দৰকাৰ। [হাতত পানীৰ বটল এটা লৈ ধনীৰাম ভিতৰৰ পৰা আহে]

ধনী ঃ দাদা?

পৰাণ ঃ পানীৰ বটল তোক কোনে খুজিছে?





ধনী ঃ নহয় দাদা। গাড়ীখনৰ চকাকিটা ধুব লাগে।

পৰাণ ঃ [হাঁহি] সেইটো আকৌ কি কথা?

ধনী ঃ আমাৰ গাঁৱত গৰু-ম'হ কিনি আনিলে লগে লগে ঠেংকিটাত পানী ঢালি দিয়া নিয়ম। এতিয়া আপুনিও নতুন গাড়ী এখন আনিছে। গাড়ীৰ ঠেং নাই যেতিয়া চকাকিটাতে পানী অলপ ঢালি দিওগৈ। নহয়নে আইদেউ?

পৰাণ ঃ যা যা, চকাকিটাকে ধুই দেগৈ। চাবি আকৌ ব'ডিত যেন পানী নপৰে।

ধনী ঃ মই জানো দিয়ক। [বাহিৰলৈ যায়]

পৰাণ ঃ দেখিলা মা, তাৰ কিমান ফুৰ্তি লাগিছে।

বিজয়া ঃ দেউতাৰেই কথাটো জাননে? [শান্তনু ওলাই আহে]

শান্তনু ঃ বিমলা, তাৰ দেউতাক বুঢ়া মানুহ। বুঢ়া মানুহে এইবিলাক কথা জানিবৰ কোনো দৰকাৰ নাই।

পৰাণ ঃ দেউতা

শান্তনু ঃ আই. এচ. অফিচৰ কেৰাণী এটাই গাড়ী কেনেকৈ কিনিব পাৰে এইটো কথা ভাবিহে মই আচৰিত হৈছোঁ।

পৰাণ ঃ উস্ তোমালোক কিয় ইমান চিৰিয়াচ হৈছা? জানা আজিকালি অফিচৰ পিয়ন এটাইও ৬/৭ লাখ টকীয়া গাড়ী লৈ ফুৰা-চকা কৰে।

শান্তনু ঃ পিয়ন-চকীদাৰে গাড়ী কেনেকৈ ল'ব পাৰে মই নেজানো বুলি তই কিয় ভাবিছ?

পৰাণ ঃ যদি জানা তেন্তে কিয় ইমান চিৰিয়াচ হৈছা?

শান্তনু ঃ গাঁৱত ইণ্ডাষ্ট্ৰী খুলিবলৈ দি মাটি বিক্ৰী কৰি গাড়ী কিনিব বুলি মই ভবা নাছিলোঁ।

পৰাণ ঃ আজি এমাহৰ আগতে বিয়াখন পাতোতে কিমান টকা খৰচ হ'ল মানুহে জাননে?

শান্তনু ঃ এমাহৰ আগত ৯/১০ লাখ টকা খৰচ কৰি বিয়া পাতিলি। আজি আকৌ ৮/৯ লাখ টকাদি এখন গাড়ী কিনি আনিলি। এমাহৰ ভিতৰত কেৰাণী এটাই ইমান টকা ক'ত পালি বুলি মানুহে সুধিলে কি উত্তৰ দিবি? ময়েবা মানুহক কি উত্তৰ দিম?

পৰাণ ঃ সেই কাৰণেই মাটি বিক্ৰী কৰিলোঁ। মাটি বিক্ৰী কৰা টকাৰে এইবিলাক কৰিছোঁ বুলি ক'বা।

শান্তনু ঃ শুনিলা বিমলা, দুনীয়াৰ মানুহবিলাকক তাৰ দৰেই মূৰ্খ বুলি ভাবিছে।

পৰাণ ঃ পণ্ডিতালি কৰাবোৰ যে আজিকালি অচল টকা তাকেই মোৰ দৰে মূৰ্খবোৰে প্ৰমাণ কৰি দেখুৱাইছো।

শান্তনু ঃ তাৰ যুক্তি শুনিলা বিমলা?

পৰাণ ঃ পিয়ন-চকীদাৰৰ লিভিং ষ্টাইলৰ লগত যে পণ্ডিতৰ লিভিং ষ্টাইল নিমিলে তাৰেই প্ৰমাণ মূৰ্খবোৰে কৰি আছে। মাক-দেউতাকে কোৱা মূৰ্খবোৰেই আজিৰ সমাজত দপ্‌দপাই বুকু ফিন্দাই জীয়াই আছে। [উচাৎ মাৰি আঁতৰি যায়। ক্ষন্তেক নীৰৱ]

শান্তনু ঃ বিমলা, কি ভাবিছা?

বিমলা ঃ ভাবিমনো কিটো, তাৰ খুউব খং উঠিছে।

শান্তনু ঃ চোৰক চোৰ বুলি ক'লে সি খং কৰি তাৰ চুৰিকাৰ্যটো ঢাকিবলৈ চেষ্টা কৰে। তোমাৰ ল'ৰাও এটা চোৰ, কিন্তু সাংঘাতিক ধূৰ্ত চোৰ।

বিমলা ঃ হ'ব দিয়ক, বোৱাৰীজনীয়ে জানিলে বাৰু কি ভাবিব?

শান্তনু ঃ বুজিছা, বৰ ভাল লক্ষ্মীবোৱাৰী এজনী আনিছিলোঁ। কিন্তু মোৰ সন্দেহ হৈছে ই বোৱাৰীজনীকো নষ্ট কৰিব। [কলিং বে'ল বাজে।]

বিমলা ঃ কোনোবা আহিছে।

শান্তনু ঃ চোৱাচোন কোন আহিছে। [বিমলা দুৱাৰৰ ফালে যায়। বিজয় গোস্বামী সোমাই আহে]

বিজয় ঃ বেজবৰুৱা।

শান্তনু ঃ অ' গোস্বামী, আহক, আহক [আগবঢ়াই আনে] বহক, বহক। [দুয়োজনে বহে]

বিজয় ঃ কওকচোন, আপোনাকৰ ভালনে?

শান্তনু ঃ হয় ভালেই।

বিজয় ঃ ৰ'বচোন, ঘৰৰ আগত নতুন গাড়ী এখন দেখি আহিলোঁ। কথা কি?

বিমলা ঃ আপোনাৰ জোঁৱায়ে আজি কিনি আনিছে।

বিজয় ঃ হয় নেকি? বৰ ভাল লাগিছে। কিমান পৰিল?

বিমলা ঃ কিমান পৰিল এতিয়াও আমাক কোৱা নাই।

শান্তনু ঃ বিমলা?

বিমলা ঃ আপোনালোকে কথা পাতকচোন। [ভিতৰলৈ যায়]

শান্তনু ঃ গোস্বামী, কথা এটা লক্ষ্য কৰিছেনে?

বিজয় ঃ কওকচোন।

শান্তনু ঃ আজিকালি ল'ৰা-ছোৱালীয়ে লোকগঞ্জনালৈ অকণো ভয় নকৰে।

বিজয় ঃ লোক-গঞ্জনা বা লোক-প্ৰশংসাই কাৰো একো ক্ষতি নকৰে বুলি তেওঁলোকে বুজিছে। সেই কাৰণেই ভয় নকৰে।

শান্তনু ঃ চাওক গোস্বামী, মোৰ ল'ৰা আই. এচ. অফিচৰ এটা কেৰাণী।ময়ো কিবা বিৰাট সম্পত্তিৰ মালিক নহয়। মাত্ৰ এমাহৰ আগতে এখন বিয়া পাতি উঠিছো। গাড়ী এখন কিনাত মানুহে মোকেই বা তাকেই কি ভাবিব?

বিজয় ঃ আপুনি তেনেকৈ কিয় ভাবিছে? তেওঁ পাৰিছে কাৰণেহে কিনিছে। মানুহে কি কয় সেইটো গুৰুত্বপূৰ্ণ নহয়।

শান্তনু ঃ মই ভাবিব পৰা নাই তাক গাড়ীখনৰ ইমান প্ৰয়োজন কিয়?

বিজয় ঃ বুজিছে গাড়ী এখন গৃহস্থীঘৰত বৰ দৰকাৰ। গাড়ীখন কিনি ভাল কৰিছে। [শান্তনুৱে গোস্বামীলৈ চায়] আপুনি নেভাবিব যে মোৰ জোঁৱাইয়ে গাড়ী কিনিছে, মোৰ ছোৱালীজনী উঠি ফুৰিব— এই বুলি মই ভাল পাইছোঁ। বুজিছে গাড়ী এখনৰ অভাৱটো ময়ো উপলব্ধি কৰোঁ। কিন্তু সামৰ্থ্য হোৱা নাই। আপোনাৰ ল'ৰা সামৰ্থ্য হোৱাত মই ভাল পাইছোঁ। [সাগৰিকা ওলাই আহে]

সাগৰিকা ঃ দেউতা, ভিতৰলৈ মাতিছে।

বিজয় ঃ হেৰ' মই অকলে যামনে?

শান্তনু ঃ ব'লক [দুয়ো যায়, পিছত সাগৰিকা]

### ।। পঞ্চম দৃশ্য।।

[চন্দন নিম্ন পৰ্যায়ৰ ঘৰ। আচবাব অতি সাধাৰণ। মহীকাই বাহিৰৰ পৰা সোমাই আহে। কপালত ৰঙা ফোঁট? কাণত ৰঙা ফুল। দুয়োহাত প্ৰণাম জনোৱাৰ কায়দাত সোমাই আহে।]

মহী ঃ আইজনী, আইজনী [শীলা ভিতৰৰ পৰা ওলাই আহে]

শীলা ঃ ওৱা, মহীকাইটি এয়া কি ৰূপ?

মহী ঃ ৰ'বা আইজনী, মই থানৰ পৰা আহিছোঁ।

শীলা ঃ ক'ৰ থানৰ পৰা আহিলা?

মহী ঃ সেই যে টিলাটোৰ ওপৰত থানখন আছে তাৰ পৰায়ে আহিছোঁ।

শীলা ঃ থানলৈ আকৌ কিয় গৈছিলা?

মহী ঃ তাত থকা বাবাজনৰ বৰ মাহাত্ম্য আছে। ভাবিলোঁ আমাৰ বাপুটো কিয় শুকাই-ক্ষীণাই গৈছে বাবাজনক সুধি চাওঁ। অ' আইজনী মই কথাটো ক'লোহে তেওঁ চব সৰসৰকৈ কৈ দিলে নহয়।

শীলা ঃ কি ক'লে?

মহী ঃ আমাৰ বাপুৰে কি কৰে, কেনেকৈ থাকে আৰু যে মানুহটো ক্ষীণাই গৈছে তাকো কৈ দিলে নহয়।

শীলা ঃ হয়নে? তাৰ পিছত?

মহী ঃ বাবাই ক'লে বাপুক ডাইনীয়ে লম্ভিছে। ডাইনীয়ে বাপুৰ তেজবোৰ শুহি আছে। সেই কাৰণেই শুকাই-ক্ষীণাই গৈছে।

শীলা ঃ হায় ভগৱান, ডাইনী লম্ভিবলৈ দাদাইনো কি কৰিছিল?

মহী ঃ ৰ'বা, ইমান ভয় খাব নালাগে। বাবাই এইটো তাবিজ দি পঠাইছে। বাপুৰ হাতত বান্ধি দিলেই ডাইনী পলাই পত্ৰং দিব। [হাতৰ তাবিজটো দেখুৱাই]

শীলা ঃ দাদাই জানো তাবিজ পিন্ধিব?

মহী ঃ কিয় নিপিন্ধিব? পিন্ধিবই লাগিব। আৰু কি জানা বাপুৱে তাবিজটো পিন্ধাৰ দিনৰ পৰাই এমাহৰ নিৰামিষ খাব লাগিব।

শীলা ঃ দাদাৰ চেহেৰাৰ যিটো বিলাই হৈছে মাছ-মাংস নেখালে দেখোন মৰিয়েই থাকিব।

মহী ঃ নমৰে, ডাইনীয়ে মৰিবলৈ নিদিয়ে। আৰু শুনা, এমাহৰ পিছত গ্ৰহ হোম কৰিব লাগিব। তেতিয়াৰ পৰা ডাইনীয়ে একো কৰিব নোৱাৰে। এতিয়া তাবিজটো লোৱা আৰু বাপুক পিন্ধাই দিয়াগৈ।

শীলা ঃ মই নোৱাৰো পাই। দাদাই মোক বকিব।

মহী ঃ নোৱাৰিলে কেনেকৈ হ'ব? [চন্দন ওলাই আহে। গোটেই মানুহটো শুকাই-ক্ষীণাই ক'লা পৰি যায়]

চন্দন ঃ শীলা, তহঁত দুটাই কি ডাইনীৰ কথা পাতি আছ?

শীলা ঃ দাদা, মহীকাইটিয়ে কৈছে তোৰ গাত ডাইনী লম্ভিছে। সেই কাৰণেহে তই ক্ষীণাই গৈছ।

চন্দন ঃ [সামান্য হাঁহিৰে] হয়নে মহীকাইটি?

মহী ঃ নহয়নো আৰু কি? নহ'লে বেমাৰ নাই, আজাৰ নাই অথচ তোমাৰ দেহাটো শুকাই গৈছে। কিবা এটা নহ'লে এনেকুৱা হয় নেকি?



চন্দন ঃ তুমি বুজা নাই মহীকাইটি। মোৰ বেমাৰটো ধৰা পৰা নাই। বেমাৰটো ধৰা পৰিলেই দৰব খালে ভাল হৈ যাব।

মহী ঃ নহয় বাপু, তোমাৰ গাৰ পৰা ডাইনী আঁতৰ হ'লেহে ভাল হ'ব?

চন্দন ঃ আস্ মহীকাইটি, সেইবিলাক অন্ধবিশ্বাস। মই নেমানো।

মহী ঃ বাপু, কথা এটা কওঁ।

চন্দন ঃ কি কথা?

মহী ঃ বিধৱা মাৰাই তোমালোক দুটাক মোৰ হাতত গতাই দি গুচি গ'ল। সেইদিন ধৰি তোমালোকক মই চোৱা-চিতা কৰি আছোঁ। মাউৰা ল'ৰা-ছোৱালীহাল এৰি মই ক'লৈকো যাব নোৱাৰোঁ [থোকাথুকি মাতেৰে] আজি মোৰ চকুৰ আগত তুমি এনেকৈ শুকাই-ক্ষীণাই গ'লে মই বাৰু কেনেকৈ সহি থাকোঁ?

চন্দন ঃ মহীকাইটি তুমি নেকান্দিবা। হ'ব দিয়া, কি আনিছা মোৰ হাতত বান্ধি দিয়া। [হাতখন আগবঢ়াই দিয়ে। মহীয়ে তাবিজটো বান্ধে। তেনেতে ৰূপক সোমাই আহে]

ৰূপক ঃ মহীকাইটি কি কৰিছা?

মহী ঃ বাপুৰ হাতত তাবিজ এটা বান্ধি দিছোঁ।

ৰূপক ঃ তাবিজ কিয়?

চন্দন ঃ বুজিছা ৰূপক, মোৰ গাত বোলে ডাইনী লম্ভিছে।

ৰূপক ঃ তুমি বিশ্বাস কৰিছা?

চন্দন ঃ নাই কৰা।

ৰূপক ঃ তেন্তে বান্ধিছা কিয়?

চন্দন ঃ মহীকাইটিয়ে বিশ্বাস কৰে কাৰণেই বান্ধিবলৈ দিছোঁ।

ৰূপক ঃ কি কৈছা?

চন্দন ঃ মহীকাইটিক শান্ত্বনা দিবৰ কাৰণেই বান্ধিছোঁ। তেওঁ আঘাত পোৱা কাম আমি কৰিব নোৱাৰোঁ।

ৰূপক ঃ আৰু তোমাৰ এনেকুৱা হোৱাটো মই সহিব পাৰোঁ নেকি?

চন্দন ঃ নোৱাৰা কাৰণেইতো তাবিজটো বান্ধিবলৈ দিছোঁ।

মহী ঃ ইয়াৰ পিছত দেখিবা তুমি আকৌ আগৰ মানুহটো হৈ পৰিছা।

ৰূপক ঃ সেইটো হ'লে তাতকৈ আৰু কি ভাল কাম হ'ব পাৰে মহীকাইটি?

মহী ঃ এতিয়া তোমালোক বহা। মই কামত লাগোগৈ। [যায়]

ৰূপক ঃ শীলা, ব্লাড আৰু ইউৰিনৰ ৰিজাল্টটো আনিলা?

শীলা ঃ হয়, আনিলোঁ।

ৰূপক ঃ কি পালে?

শীলা ঃ ইউৰিনত একো নাই। কিন্তু ব্লাডত হিম'গ্লবিনৰ মাত্ৰাটো কম পাইছে।

ৰূপক ঃ ৰ'বা, সেইটো ইমান চিৰিয়াচ প্ৰব্লেম নহয়।

শীলা ঃ দাদা, ডাক্তৰে ছন'গ্ৰাফি কৰাৰ কথা কৈছে।

ৰূপক ঃ কৰি পেলোৱা। কিয় ৰৈ আছা?

শীলা ঃ কাইলৈ কৰোঁ বুলি ভাবিছোঁ।

ৰূপক ঃ ভাবা নহয়। কাইলৈ কৰিবই লাগিব। কি কোৱা চন্দন?

চন্দন ঃ কৰিবতো লাগেই। কিন্তু....

ৰূপক ঃ কিন্তু কি? তাৰ মানে টকা নাই, নহয়নে?

চন্দন ঃ তোমাকনো আৰু কিমান ভৰাম?

ৰূপক ঃ ৰ'বা। শীলা চিন্তা নকৰিবা। কাইলৈ ন বজাৰ আগত টকা মেনেজ হৈ যাব। তুমি মাত্ৰ চন্দনক ৰেডি কৰি ৰাখিবা। [ৰবীন সোমাই আহে]

ৰবীন ঃ ৰূপক, এটা ভাল খবৰ আছে।

ৰূপক ঃ আমাৰো এটা ভাল খবৰ আছে। শুন, চন্দনৰ ব্লাড আৰু ইউৰিন অ'কে।

ৰবীন ঃ বৰ ভাল কথা।

ৰূপক ঃ এতিয়া চন্দনক ছন'গ্ৰাফি কৰিব লাগে।

ৰবীন ঃ কৰি পেলোৱা যাওক।

ৰূপক ঃ কাইলৈ কৰাম বুলি ভাবিছো। এতিয়া তোৰ ভাল খবৰটো ক'ব পাৰ।

ৰবীন ঃ এক নম্বৰ, আজি মই নিচা খোৱা নাই। দুই নম্বৰ, মই নবৌৰ পৰা এহেজাৰ টকা লৈ আহিলোঁ।

ৰূপক ঃ কি বুলি কৈ আনিলি?

ৰবীন ঃ নবৌৱে চন্দনৰ কথা শুনি বৰ দুখ পালে। মোৰ পৰা টকাৰ অভাৱৰ কথা শুনি এহেজাৰ টকা দিলে। নিচা খালে কিবা ভুল হয় বুলি ভাবিয়ে নিচা-তিচা বাদ দি টকা হেজাৰ লৈ গুচি আহিলোঁ।

শীলা ঃ আচলতে তুমি বৰ ভাল ল'ৰা। মতলবি কৰি মদসোপা খাইহে পাগলামি কৰা। কিয় খোৱা বাৰু?

ৰবীন ঃ হ'ব, হ'ব,— গুণ গাব নেলাগে। টকাখিনি লোৱা।

শীলা ঃ দাদাৰ হাতত দিয়া।

চন্দন ঃ ৰবীন, সাগৰিকাক মাত্ৰ মই কলেজত এবছৰ পাইছিলোঁ। তাতে সাগৰিকাৰ মোৰ প্ৰতি ইমান দৰদ হ'ল, মই আচৰিত হৈছোঁ।

ৰূপক ঃ শুনা, যিমানেই নহওক মোৰ ভনীও এগৰাকী শিল্পী। গতিকে তোমাৰ দৰে শিল্পী এজনক তাই সহায় কৰাত একো আচৰিত হ'বলগীয়া নাই।

ৰবীন ঃ তদুপৰি পৰাণদাৰ দুই নম্বৰী টকাৰ পৰা এহেজাৰ ওলাই আহিছে। [হাঁহি] বুজিছা, তাৰো এনেকৈ তাৰ একাউণ্টত অকণমান পুণ্য জমা হ'লেও হওক। নে কি কৱ ৰূপক?

ৰূপক ঃ লগতে লোকৰ টকা হ'লেও সাগৰিকাৰ আস্থাটো দেখি মই ভাল পাইছোঁ।

ৰবীন ঃ এতিয়া ক এইটো ভাল খবৰ হয়নে নহয়?

চন্দন ঃ টকাখিনিতকৈ সাগৰিকাৰ মনোভাৱৰ কথাটোহে বেছি মূল্যৱান, ৰবীন। তোমাক ধন্যবাদ নজনাই নোৱাৰিলোঁ।

ৰবীন ঃ হ'ব, হ'ব। টকাখিনি লোৱা। আৰু এটা কথা আজি তোমালোকে জানিলা যে ৰবীনে ভাল কাম কৰাৰ বেলিকা মদ নেখায়।

শীলা ঃ তেতিয়াহ'লে আজি নিশ্চয় চাহ খাবা?

ৰবীন ঃ অ' দিব পাৰা।

শীলা ঃ মই এই আনিছোঁ। তোমালোক বহা। [যাব খোজে। এনেতে চাহ তিনি কাপ লৈ মহী সোমাই আহে]

মহী ঃ নেলাগে আইজনী, মই চাহ আনিলোৱে। তুমি ভিতৰতে খোৱাগৈ। [শীলা ভিতৰলৈ যায়। মহীয়ে চাহ দি মাটিতে বহে]

ৰূপক ঃ মহীকাইটি, তুমি শীলাক একো কাম কৰিব নিদিয়া নহয়?

মহী ঃ নহয় বুজিছা, ল'ৰা-ছোৱালীহালে কষ্ট পায় বুলি পৰাখিনি কৰি দিওঁ। বাৰু বোপাহঁত, মই কথা এটা কওঁ তোমালোকে ৰাখিবানে?

ৰবীন ঃ কিয় নাৰাখিম, কোৱা।

মহী ঃ তোমালোকে দেখিছা এই ল'ৰা-ছোৱালীহালৰ ভাগ্যখন। আজি মই সিহঁতৰ মাক-বাপেক-গাৰ্জেন চব হ'ব লগা হ'ল। বিশেষকৈ আইজনীৰ চিন্তাই মোক খাই মাৰিছে। চোৱাচোন মই জানো সদায় থাকিম? কাইলৈ যদি মই চকু মুদো ছোৱালীজনীৰ কি হ'ব?

ৰূপক ঃ বুজিছোঁ। তাৰ মানে তুমি শীলাক বিয়া দিয়াৰ কথা ভাবিছা?

মহী ঃ এৰাহে। তোমালোক দুটাৰ এটাই ছোৱালীজনীক সামৰি ল'লে মই বৰ ভাল পাম। বাপুও নিশ্চিন্ত হ'ব পাৰে।

ৰবীন ঃ মহীকাইটি মোক নক'বা [হাতযোৰ কৰি]

মহী ঃ কিয় তুমি জানো পুৰুষ নোহোৱা?

ৰবীন ঃ পুৰুষ হয়। কিন্তু মদাহী পুৰুষ। মদৰ নিচাত কেতিয়া কি কৰোঁ একো ক'ব নোৱাৰোঁ। হাতযোৰ কৰিছোঁ মোক বাদ দিয়া। ৰূপকক ধৰা।

মহী ঃ বোপা ৰূপক?

ৰূপক ঃ মহীকাইটি তুমি বেছিকৈ ভাবিছা। হ'ব ৰ'বাচোন। আমি আছোঁ যেতিয়া ভাল ল'ৰা এজন চাই শীলাক বিয়া দিব লাগিব।

মহী ঃ ভাল ল'ৰা চাবলৈ নাই। তুমিয়ে মোক কথা দিয়া। তুমি হ'লে আইজনীয়েও ভাল পাব আৰু আমাৰো ভাগ্য।

ৰূপক ঃ ৰ'বা মহীকাইটি, আগতে চন্দনৰ কথাটো ভাবা। চন্দন ভাল হোৱাৰ পিছত আমি সকলোৱে বহি আলোচনা কৰিম। কি কৱ ৰবীন?

ৰবীন ঃ হ'ব। কিন্তু মোক বাদ দি আলোচনা হ'ব লাগিব।

ৰূপক ঃ [হাঁহি] হ'ব, হ'ব। চন্দন, তুমি কি কোৱা?

চন্দন ঃ তোমালোকৰ কথাৰ পৰা মই বুজিব পাৰিছোঁ মোৰ একমাত্ৰ ভনীজনীৰ ক্ষেত্ৰত মোৰ কোনো গুৰুত্ব নাই।

ৰূপক ঃ তুমি আকৌ চেণ্টিমেণ্টেল হৈ পৰিলা কিয়?

চন্দন ঃ নহয়। তোমালোকে ভাবিছা নেকি যে মোৰ শৰীৰটো ক্ষীণাই গৈছে কাৰণে মোৰ চিন্তাধাৰাবোৰো ক্ষীণাই গৈছে।

ৰবীন ঃ চন্দন?

চন্দন ঃ ৰ'বা, মোক ক'বলৈ দিয়া। চোৱা তোমালোক মোৰ বন্ধু আৰু শুভাকাংক্ষী। তেনে ক্ষেত্ৰত যদি মহীকাইটিৰ কথামতে কাম কৰা হয়, তেতিয়া তোমালোকক মানুহে হাঁহিব। মোৰ ভনীজনীৰ কাৰণেহে আহা বুলি মানুহে বেয়াকৈ ক'ব। তেতিয়া তোমালোকেও বেয়া পাবা আৰু আমাৰো বেয়া লাগিব। হয়নে নহয় কোৱা?

ৰূপক ঃ ৰবীন, সঁচাই আমি স্বাৰ্থপৰ বুলি মানুহে আমাক





ইতিকিং কৰিব। [শীলা ওলাই আহে]

শীলা ঃ দাদা, মই এটা কথা কওঁ আপোনালোকে বেয়া নেপাব।

ৰূপক ঃ কোৱা, কিয় বেয়া পাম?

শীলা ঃ মহীকাইটি আমাৰ অতি আপোন মানুহ। তেওঁৰ আমি কোনো কথা অৱজ্ঞা কৰিব নোৱাৰোঁ। কিন্তু সেই বুলিয়েই তেওঁৰ মতামতটো মই মানিব নোৱাৰোঁ। বৰ্তমান আমাৰ কাম হৈছে দাদাৰ স্বাস্থ্যটো ভাল কৰা। তাকে নকৰি মোৰ বিয়াৰ কথা পাতি থকাত মই বেয়া পাইছোঁ।

ৰূপক ঃ ৰ'বা, মহীকাইটিহেহে কৈছে। আমিতো কোৱা নাই।

মহী ঃ আইজনী?

শীলা ঃ আহা, ভিতৰলৈ আহা। এওঁলোকৰ লগত আড্ডা মাৰি থাকিব নেলাগে। [হাতত ধৰি টানি নিয়ে, বাকী তিনিওজনে তিনিওজনৰ চকুলৈ স্থিৰ হৈ চাই থাকে]

।। ষষ্ঠ দৃশ্য।।

[পৰাণ বেজবৰুৱাৰ ঘৰ। বিমলা বহি থাকে। পৰাণে থিয় হৈ কথা কৈ থাকে]

পৰাণ ঃ মানিলোঁ চন্দন বৰুৱাই ভাল গান গায়। অসমৰ নতুন পুৰুষচামৰ মাজত এজন নাম কৰা শিল্পী। তোমাৰ ৰবীন এটা মস্ত মদাহী। নতুন পুৰুষচামৰ ধ্বংসৰ প্ৰতীক। এই বিপৰীতধৰ্মী দুজন লোকৰ সম্বন্ধৰ কাৰণ কি মোক কোৱাচোন।

বিমলা ঃ ক'ৰবাত কিবা এটা মিল আছে চাগৈ। নহ'লে সিহঁত ইমান ভাল বন্ধু হ'ব পাৰে নেকি?

পৰাণ ঃ ঠিক কৈছা, কিবা এটা মিল থাকিব লাগিব। কিন্তু মিলটো কি জানানে?

বিমলা ঃ তইনো কি বুলি ভাবিছ?

পৰাণ ঃ মদৰ। চন্দন বৰুৱাও এটা মস্ত মদাহী। দুয়ো মদাহী গোট খাই বটলে বটলে মদ গিলি থাকে।

বিমলা ঃ মই শুনিছোঁ চন্দন হেনো বৰ ভাল ল'ৰা। বৰ ভাল গান গায়। তেওঁৰ গান ল'ৰা-ছোৱালীবোৰৰ মুখে মুখে।

পৰাণ ঃ ভাল গান গায় কাৰণে ভালকৈ মদ খায়।

বিমলা ঃ তই দেখিছ?

পৰাণ ঃ কিয় দেখিব লাগে? কোনজন ভাল গায়কে মদ নেখায়, তুমি ক'ব পাৰিবা?

বিমলা ঃ মই কেনেকৈ জানিম?

পৰাণ ঃ মই কওঁ শুনা,— আমাৰ ল'ৰাবোৰৰ মাজত যিয়ে দুটা গান গাই মানুহৰ বাঃ বাঃ পায় সি ভাবে যে সি জগত বিখ্যাত হৈ গ'ল। গতিকে মদ খাব লাগে। তাকো লুকাই-চুৰকৈ নহয়। সকলোৱে দেখাকৈ খাব লাগে আৰু খাই মঞ্চত পাগলামি কৰি নিজৰ স্বৰূপটো উদঙাই দেখুৱাব লাগে। তাতেই গৰ্ববোধ কৰে।

বিমলা ঃ মোৰ আগত এইবোৰ কথা কিয় কৈ আছ?

পৰাণ ঃ চন্দন বৰুৱাই গান গায় কাৰণে মদ খায়। কিন্তু তোমাৰ ল'ৰাই কি কাৰণত মদ খাই মাতলামি কৰি ফুৰে?

বিমলা ঃ তই তাৰ ককায়েকটো হৈ তাক শাসন কৰিব নোৱাৰ?

পৰাণ ঃ নোৱাৰোঁ।

বিমলা ঃ কিয় নোৱাৰ? সি তোৰ ভায়েৰ নহয় নেকি?

পৰাণ ঃ হয়। কিন্তু তোমালোক জীয়াই থকালৈকে মই একো কৰিব নোৱাৰোঁ।

বিমলা ঃ আমি নহ'লে কি কৰিবি?

পৰাণ ঃ পিটি পিটি ঘৰৰ পৰা বাহিৰ কৰি দিম। তেতিয়া মদটো বাদেই এমুঠি ভাতৰ কাৰণে হাহাকাৰ কৰি ফুৰিব লাগিব।

বিমলা ঃ হ'ব, হ'ব, মোক ক'ব নেলাগে। কি ক'ব লগা আছে দেউতাৰক ক'বি।

পৰাণ ঃ শুনা, আজি মোৰ শেষ কথা যদি তাক কণ্ট্ৰোল কৰিব নোৱাৰা মই ঘৰৰপৰা ওলাই যাম। মদ খাবলৈ কাকো টকা দি থাকিব নোৱাৰোঁ।

বিমলা ঃ জানো, তই যে ঘৰৰ পৰা ওলাই যোৱাৰ সুযোগ বিচাৰি আছ সেইটো মই লক্ষ্য কৰি আছোঁ।

পৰাণ ঃ তথাপি তোমালোকে তাক কণ্ট্ৰোল কৰিব নোৱাৰা নহয়? ঠিক আছে। মোৰ কথা ক'লো। যি ভাল দেখা কৰিবা। [আঁতৰি যায়। বিমলা নীৰৱ হৈ বহি থাকে। ধনীৰাম সোমাই আহে।]

ধনী ঃ আইদেউ।

বিমলা ঃ ধনীৰাম, ৰবীনে মদ খোৱা কথাটো বোৱাৰীয়ে জানে নেকি?

ধনী ঃ এ আইদেউ, জনায়ে নহয়। নবৌৱে সৰু দাদাক মদ নাখাবলৈ শপত খুৱাইছিল।

বিমলা ঃ হয়নে? তাৰ পিছত?

ধনী ঃ সৰু দাদাইও নাখাও বুলি শপত খাইছিল।

বিমলা ঃ শপত খোৱাৰ পিছত আকৌ খাইছিল নেকি?

ধনী ঃ নেজানো। পিছে মদাহীৰ কি বিশ্বাস আছে? ল'ৰা-ছোৱালীৰ মূৰত ধৰি শপত খোৱাৰ পিছতো মদখাই ৰাস্তাৰ দাঁতিত পৰি থাকে। [কলিং বেল বাজে]

বিমলা ঃ কোনোবা আহিছে চাগে, তই যা। [ধনীৰাম বাহিৰলৈ যায়। বিমলা ভিতৰ সোমায়। ধনীৰামে বিপুল দত্তক লৈ সোমাই আহে]

ধনী ঃ আহক, বহক।

বিপুল ঃ বেজবৰুৱা আছেনে?

ধনী ঃ আছে। আপুনি বহক, মই মাতি দিছোঁ। [ধনীৰাম ভিতৰলৈ যায়। পৰাণ ওলাই আহে। বিপুল থিয় হয়।]

পৰাণ ঃ অ' দত্ত। বহক, বহক। [বিপুল বহে] কওক, কি খবৰ আনিছে?

বিপুল ঃ আপুনি কি খবৰ আনিছে তাকেহে জানিবলৈ আহিলোঁ।

পৰাণ ঃ চাওক, কালি মই দিছপুৰৰ পৰা আহিলোঁ। আপোনালোক সকলোৰে চাকৰি ৰেগুলাৰ হৈ যাব।

বিপুল ঃ হয়নে?

পৰাণ ঃ কিন্তু টকা খৰচ কৰিব লাগিব।

বিপুল ঃ কিয় টকাতো আমি দি থৈছোঁ।

পৰাণ ঃ সেইবিলাক কথা পাহৰি যাওঁক। এতিয়া আকৌ নতুনকৈ টকা দিলেহে চাকৰি ৰেগুলাৰ হ'ব। নহ'লে আন মানুহৰ এপইন্টমেন্ট হৈ যাব।

বিপুল ঃ হ'ব, এতিয়া লাগ বোলোতে মানুহবোৰে টকা কেনেকৈ যোগাৰ কৰিব?

পৰাণ ঃ যোগাৰ কৰিব নোৱাৰিলে চাকৰি নেথাকিব।

বিপুল ঃ বাৰু কওকচোন এতিয়া কিমানকৈ দিব লাগিব?

পৰাণ ঃ চাওক দত্ত, হাতী ধৰিবলৈ হাতী ব্যৱহাৰ কৰিবই লাগিব।

বিপুল ঃ সেয়াতো হয়েই।

পৰাণ ঃ আপোনালোকে মাত্ৰ পাঁচ হাজাৰ টকা পাই আছে। কিন্তু চাকৰিটো ৰেগুলাৰ হৈ গ'লে মাহে ২৫/৩০ হেজাৰকৈ পাব। তেতিয়াহ'লে এতিয়া আপোনালোকে অলপ টকা ভৰাত আপত্তি থাকিব নেলাগে।

বিপুল ঃ ঠিকেই কৈছে। কওকচোন কিমানকৈ দিব লাগিব?

পৰাণ ঃ মই হিচাব কৰি চাইছোঁ। যদি প্ৰতিজনে পোন্ধৰ হেজাৰকৈ দিয়ে মই সকলোকে মেনেজ কৰিব পাৰিম।

বিপুল ঃ চাওক বেজবৰুৱা, ব্যক্তিগতভাৱে পোহৰ হাজাৰ দিয়াত মোৰ কোনো আপত্তি নাই। কিন্তু বাকীসকলৰ কথাটো এতিয়াই ক'ব নোৱাৰিম।

পৰাণ ঃ ব্যক্তিগত এজনৰ কাৰণে হ'বই নোৱাৰে। সমূহীয়াকৈ হ'লেহে কামটো হ'ব। আচ্চা, আপোনালোকৰ মানুহ কিমান আছে?

বিপুল ঃ সৰ্বমুঠ অসমত ডেৰশ মানুহ আছে।

পৰাণ ঃ তেতিয়াহ'লে ২২ লাখ ৫০ হেজাৰ পৰিব।

বিপুল ঃ ইমান টকা লাগিবনে?

পৰাণ ঃ টোটেল এমাউণ্টটো শুনি ভয় নেখাব। মাত্ৰ পোন্ধৰ হাজাৰৰ বিনিময়ত প্ৰতিজনে মাহে কিমানকৈ পাব সেইটো চিন্তা কৰিলে কথাটো একেবাৰে লাইট হৈ যাব।

বিপুল ঃ শুনক, সভাপতিৰ লগত আলোচনা কৰি কথাটো আপোনাক জনাম।

পৰাণ ঃ চাওক, আগত ইলেক্চন আহি আছে। ইলেক্চনৰ আগতে কামটো কৰিব নোৱাৰিলে কিন্তু ২/৩ বছৰ পিছুৱাই যাব।

বিপুল ঃ নাই, নাই, ইমানদিন পিছুৱাব নোৱাৰি। আপোনাক দুই-এদিনতে জনাই আছোঁ। বেজবৰুৱা, তেন্তে মই এতিয়া উঠোঁ।

পৰাণ ঃ হয় যাওক। ইমিডিয়েট আলোচনা কৰি মোক জনাব।

বিপুল ঃ হ'ব, আহিছোঁ।

পৰাণ ঃ শুনকচোন। [কথা পাতি পাতি দুয়ো ওলাই যায়। পৰাণহঁত যোৱাৰ ভিতৰৰ পৰা সাগৰিকা ওলাই আহি পৰাণহঁত যোৱাৰ ফালে চাই থাকে। কাষৰ এটা কোঠাৰ পৰা ৰবীন ওলাই আহে]

ৰবীন ঃ নবৌ।

সাগৰিকা ঃ ৰবীন, তুমি ক'ৰ পৰা আহিলা?

ৰবীন ঃ ৰূমতে আছিলোঁ। কথাবোৰ শুনিলানে? ওলাই আহিছোঁ।

সাগৰিকা ঃ শুনিহে মানুহজন কোন চাবলৈ ওলাই আহিছোঁ।

ৰবীন ঃ বিপুল দত্ত ক্ষুদ্ৰ দালাল আৰু আমাৰ পৰাণদা মস্ত দালাল, মানে ডন।

সাগৰিকা ঃ সঁচাই কি মাষ্টৰবোৰে ইমানবোৰ টকা তুলিছিল?

ৰবীন ঃ তোমাৰ স্বামী দেৱতাই যিখন জাল পেলাইছে তাত পুঠি-খলিহনাও সাৰি নেযাব। তেওঁলোকে টকা দিবই লাগিব। কিন্তু কি জানা, এই টকাৰ ভাগ কোনেও নেপায়।

সাগৰিকা ঃ তুমি কেনেকৈ জানিলা?

ৰবীন ঃ বিশ্বস্তসূত্ৰে জানিব পাৰিছোঁ সেই শিক্ষকসকলৰ চাকৰি ৰেগুলাৰ কৰিবলৈ চৰকাৰে সিদ্ধান্ত লৈছে। কামটো যেতিয়া হ'বই আমাৰ দাদাই হাৱাতে টকাখিনি গিলিব পাৰিব। আৰু লগতে তাৰ ওপৰত থকা বিশ্বাসটোও অটুট থাকিব।

সাগৰিকা ঃ ইমান ডাঙৰ অন্যায় কৰিবলৈ তেওঁ বেয়া নেপায়?

ৰবীন ঃ সি বেয়া পালে আমাৰ ঘৰৰ সন্মুখত থকা ৯/১০ লাখ টকীয়া গাড়ীখন ক'ৰ পৰা আহিব?

সাগৰিকা ঃ এইবিলাক মানুহে দেখা নাইনে?

ৰবীন ঃ কোনে চকু দিব? চব দেখোন একেটা ধান্দাতে চলি আছে। জানা নবৌ, আমাৰজনে মাৰা টকাটো অতি নগণ্য। প্ৰাইমৰী স্কুলৰ কণ কণ ল'ৰা-ছোৱালীক বঞ্চিত কৰি আমাৰ দেশত দুই লাখ কোটি টকা আত্মসাৎ কৰা মানুহো আছে।

সাগৰিকা ঃ এইবিলাকৰ কোনো প্ৰতিকাৰ নাই নেকি?

ৰবীন ঃ নাই।

সাগৰিকা ঃ কি?

ৰবীন ঃ চোৰে চোৰৰ কিডাল প্ৰতিকাৰ কৰিব?

সাগৰিকা ঃ তোমালোকৰ দৰে ল'ৰাবোৰে কি কৰিছা?

ৰবীন ঃ মদ খাইছোঁ। একো কৰিব নোৱাৰোঁ কাৰণে মদ খাই পৰি থাকোঁ। তেতিয়া নিচাত এই কথাবোৰ পাহৰি থাকোঁ।

সাগৰিকা ঃ তোমালোকে মদৰ নিচাত পাহৰি থাকা। আমি কি কৰিম?

ৰবীন ঃ তোমালোকেও মদ খোৱা।

সাগৰিকা ঃ কি ক'লা?

ৰবীন ঃ অ' ছ'ৰি। মহিলাই মদ খালে বেয়া দেখায়। এটা কাম কৰিবা।

সাগৰিকা ঃ কি কাম?

ৰবীন ঃ চকু দুটা মুদি, কাণ দুখন বন্ধ কৰি থ'বা। [ধনীৰাম আহে]

ধনী ঃ নবৌ আপোনাক মাতিছে।

সাগৰিকা ঃ হয় নেকি? তোমালোকে ৰোৱা। [ভিতৰলৈ যায়]

ৰবীন ঃ দুখীৰাম কাই....।

ধনী ঃ উস্ মোৰ নামটোও তোমাৰ মনত নেথাকেনে?

ৰবীন ঃ অ' ছ'ৰি। বুজিছ তোৰ দুখবোৰ দেখি দেখি নামটো যে ধনীৰাম পাহৰিয়ে যাওঁ।

ধনী ঃ মোৰনো ক'ত দুখ দেখিলা?

ৰবীন ঃ এই যে কাম কৰি কৰি ঘূৰি ফুৰ,— ইয়াত কি সুখ পাৱ?

ধনী ঃ কামবোৰ নকৰিলে ঘৰখন চলিব কেনেকৈ?

ৰবীন ঃ তই এটা মস্ত ডাঙৰ ঘানীৰ গৰু।

ধনী ঃ কি ক'লা, ঘানীৰ গৰু?

ৰবীন ঃ যা যা চকু বান্ধি ঘূৰি ফুৰগৈ। [ওলাই যায়। ধনীৰামে চাই থাকি ভেকাহি মাৰি ভিতৰলৈ যায়]

### ।। সপ্তম দৃশ্য ।।

[বিজয় গোস্বামীৰ ঘৰ। ৰূপকে বাহিৰৰ পৰা মাকক মাতি মাতি সোমাই আহে]

ৰূপক ঃ মা, অ' মা। [সৰলা ভিতৰৰপৰা ওলাই আহে]

সৰলা ঃ কি হ'ল? গেটৰ পৰায়ে দেখোন মা মা কৈ চিঞৰি আহিছ? কথা কি?

ৰূপক ঃ অ' মা, সাংঘাতিক প্ৰব্লেম এটাত পৰিছোঁ।

সৰলা ঃ চিঞৰি আহোঁতেই বুজিছোঁ কিবা এটা হৈছে। ক'চোন কি হৈছে?

ৰূপক ঃ সেই যে চন্দন বৰুৱা.....

সৰলা ঃ কোন চন্দন বৰুৱা?

ৰূপক ঃ সেই যে গান গায়। আৰু সাগৰিকা থাকোঁতে যে আমাৰ ঘৰলৈ আহি আছিল?

সৰলা ঃ অ' এতিয়া চিনি পাইছোঁদে। তেওঁ ভালেমান দিন অহা নাই কাৰণেই পাহৰি গৈছিলোঁ।

ৰূপক ঃ চন্দনৰ অসুখ।

সৰলা ঃ কি অসুখ?

ৰূপক ঃ চিৰিয়াচ অসুখ।

সৰলা ঃ হেৰ' বেমাৰৰতো নাম এটা আছে। কি অসুখ ক'চোন।

ৰূপক ঃ তুমি জানো ডাক্তৰ? বেমাৰৰ নামটো ক'লোৱেই যেনিবা তুমি জানো কিবা এটা কৰিব পাৰিবা?

সৰলা ঃ সেয়া তাৰ খঙেই উঠিল। ক' তোৰ প্ৰব্লেমটো কি?

ৰূপক ঃ চন্দনৰ ব্লাড, ইউৰিন পৰীক্ষা কৰা হ'ল। শেষত ছনʼগ্ৰাফিও কৰা হ'ল। কিন্তু বেমাৰটো ধৰা পৰা নাই।

সৰলা ঃ বেমাৰ নাই চাগৈ। বেমাৰ থাকিলে ধৰা পৰিবহই।

ৰূপক ঃ কিন্তু মানুহটো শুকাই-ক্ষীণাই অস্থিসাৰ হৈছে। এতিয়া বিচনাৰ পৰা উঠিবই নোৱাৰে।

সৰলা ঃ তেওঁৰ ঘৰৰ মানুহে কি কৰে কৰিব। তই আকৌ ইমান চিন্তা কৰিছ কিয়?

ৰূপক ঃ কথাটো সেইটোৱে।

সৰলা ঃ কি সেইটোৱে কথা?

ৰূপক ঃ শুনা মা, তেওঁৰ মাক-দেউতাক, ককাই-ভাই কোনো নাই। মাত্ৰ ভনী এজনী আছে।

সৰলা ঃ কি?

ৰূপক ঃ ভনীয়েকজনী আমাৰ সাগৰিকাৰ লগত একেলগে পঢ়িছিল।

সৰলা ঃ মাক-দেউতাকৰ দিনৰে পৰা মানুহ এজন আছে। তেৱেঁই বৰ্তমান মাক-বাপেক-গাৰ্জেন সকলো।

সৰলা ঃ উপাৰ্জনৰ পথ কি?

ৰূপক ঃ চন্দন আৰু ভনীয়েকে টিউচন কৰা টকাৰে ঘৰো চলাইছিল আৰু পঢ়িছিলোঁ। চন্দনৰ বেমাৰ হোৱাৰ পৰা এটায়ে টিউচন কৰিবলৈ যাব নোৱাৰা হ'ল।

সৰলা ঃ হেৰ' ল'ৰা-ছোৱালীহাল ইমান দুৰ্ভগীয়া হ'লনে?

ৰূপক ঃ এতিয়া চন্দনৰ চিকিৎসাৰ কাৰণে বাহিৰলৈ নিব লাগে। কিন্তু হাতত টকা এটাও নাই। মা, এইটোৱেই এতিয়া তোমালোকৰ ডাঙৰ প্ৰব্লেম।

সৰলা ঃ ৰহ, মোক কিয় শুনাইছ?

ৰূপক ঃ তুমি অলপ টকা দি সিহঁতক সহায় কৰিব নোৱাৰানে?

সৰলা ঃ মই কেনেকৈ পাৰিম। মোৰ হাতত ইমান টকা কেনেকৈ থাকিব?

ৰূপক ঃ দেউতাক কৈ অলপ টকা দিয়ানা।

সৰলা ঃ আমাৰতো ইমান জমা টকা নাই। তেখেতে ক'ৰ পৰা দিব?

ৰূপক ঃ কিন্তু মা, কিবা এটা নকৰিলে চন্দন মৰি থাকিব। আৰু তেতিয়া ছোৱালীজনীৰ বিলাই নাইকিয়া হ'ব।

সৰলা ঃ উস্ ভগৱাননো ইমান নিষ্ঠুৰ হ'লনে?

ৰূপক ঃ ভগৱানৰ কথা বাদ দিয়া। মানুহে কিবা এটা কৰিলেহে সেই দুৰ্ভগীয়া প্ৰাণী দুটা ৰক্ষা পৰিব। [বিজয় সোমাই আহে।]

বিজয় ঃ ৰূপক, লোকক সহায় কৰাটো ভাল কথা। কিন্তু তাৰ আগতে নিজৰ কিমান কেপাচিটি আছে সেইটো ভাবি চোৱা উচিত।

ৰূপক ঃ দেউতা।

বিজয় ঃ বহু বিপদ পাৰ কৰি মই থিয় হৈ আছোঁ। ঘৰখন ধৰি ৰাখিছোঁ। কিন্তু মোৰ বিপদৰ সময়ত সহায়ৰ হাত এখন কোনেও আগবঢ়োৱা নাছিল। আৰু ময়ো বিচৰা নাছিলোঁ।

ৰূপক ঃ নহয় দেউতা মই ক'ব খুজিছোঁ....।

বিজয় ঃ চন্দন বৰুৱা আৰু তেওঁৰ ভনীয়েকজনীৰ বিৰাট বিপদ।

ৰূপক ঃ হয়।

বিজয় ঃ যিটো কাম তোৰ কেপাচিটিৰ বাহিৰত তাত মাথা মাৰি কি লাভ?

ৰূপক ঃ কিন্তু....

**বিজয় ঃ জানো। চন্দন বৰুৱা চিকিৎসাৰ অভাৱত মৰিব আৰু ভনীয়েকজনী নিঠৰুৱা হ'ব। সেইটো তই সহিব পৰা নাই।**

ৰূপক ঃ হয়।

বিজয় ঃ ডেকা ল'ৰা হিচাপে সহিব নোৱাৰাটো আচৰিত নহয়। কিন্তু সেই ঘৰখনলৈ গৈ থকাৰ কাৰণে যে তোৰ এটা বদনাম হৈছে সেইটো সহিব পাৰিবিনে?

ৰূপক ঃ কি বদনাম হৈছে?

বিজয় ঃ একমাত্ৰ অসুস্থ ল'ৰাটো আৰু তাৰ গাভৰু ভনীজনী থকা ঘৰখনলৈ সঘনে অহা-যোৱা কৰিলে কি বদনাম হয় মই আকৌ ক'ব লাগিব?

সৰলা ঃ হেৰি পাৰে যদি অকণমান সহায় কৰি দিব নেকি?

বিজয় ঃ নোৱাৰোঁ। লোকক সহায় কৰাৰ মোৰ সামৰ্থ্য নাই। সৰলা, তুমিতো জানাই মই কেনেকৈ ঘৰখন চলাই আছোঁ। ইমানৰ পিছতো তুমি লোকক সহায় কৰাৰ কথা কেনেকৈ ক'ব পাৰিলা?

সৰলা ঃ শুনিছোঁ আমাৰ জোঁৱাইৰ বোলে বহুত টকা। আপুনি ক'লে কিজানি তেওঁ সহায় কৰেই।





বিজয় ঃ শুনা, আমাৰ জোঁৱাই যে বহুত টকাৰ মালিক মই জানো। সেইবাবে মোৰ ঈৰ্ষাও নাই, সমৰ্থনো নাই। তেওঁৰ কেপাচিটি আছে। যেনেকৈ নহওক তেওঁ টকা ধৰিছে। ছোৱালীজনী দিলোঁ বুলিয়েই কি মই জোঁৱাইৰ ওচৰত হাত পাতিবলৈ যাম? তাকো আনৰ কাৰণে।

ৰূপক ঃ সেইটো কৰিবলৈ ময়ো নকওঁ। মা, তুমি এই অবান্তৰ কথাটো কোৱাত ময়ো বেয়া পাইছোঁ।

সৰলা ঃ তোৰ অশান্তি দেখিহে কৈছোঁ। নহ'লে কোনোবা ক'ৰবাত মৰিল,— মোৰ কি আহে যায়।

ৰূপক ঃ তুমি আকৌ খং খাই উঠিলা কিয়?

সৰলা ঃ লোকৰ দুখত দুখী হৈ সহায় কৰিবলৈকো লাগে, আনহাতে লোকৰ ওচৰত হাত পাতিবলৈ লাজো লাগে, তেন্তে কি মোৰ হাতৰ-কাণৰ গহণা বিক্ৰী কৰি তোৰ বন্ধুৰ চিকিৎসা কৰিবলৈ টকা দিব লাগে?

বিজয় ঃ সৰলা, তুমি যি কথাত খং কৰিব লাগে তাকে নকৰি আনৰ কথাত কিয় মিছাতে খং কৰিছা?

সৰলা ঃ মই সেইবিলাক পাক্‌চক্ৰত সোমাবলৈ নাই। কি কৰে কৰি থাকক। [ভিতৰলৈ যায়]

বিজয় ঃ ৰূপক লোকৰ সংসাৰৰ আউল মাৰিবলৈ যাওতে যে নিজৰ সংসাৰখনত আউল লাগিব সেইটো কথা বুজিব পাৰিছনে?

ৰূপক ঃ দেউতা।

বিজয় ঃ শুন, কিছুমান মানুহে প্ৰয়োজনতকৈ বেছি টকা জমা কৰি থৈছে। আৰু কিছুমান মানুহে খোৱামুঠিৰ কাৰণে, বেমাৰ-আজাৰত খৰচ কৰিবৰ কাৰণে প্ৰয়োজনীয় টকাকিটাও গোটাব নোৱাৰে। এইটো আমাৰ দেশখনৰ নিয়ম হৈ পৰিছে। তোৰ সংস্থাপনৰ দিহা কৰিবলৈ বা চন্দন বৰুৱাৰ দৰে ডেকা ল'ৰা এটাৰ চিকিৎসা কৰিবলৈ কাৰো ইচ্ছাও নাই, সময়ো নাই। আৰু সেইটোৱে বৰ্তমানৰ নিয়ম।

ৰূপক ঃ তেন্তে উপায় দেউতা?

বিজয় ঃ এনেকৈয়ে চলিছে আৰু চলিবও লাগিব।

ৰূপক ঃ তেন্তে বিনা চিকিৎসাত চন্দনৰ দৰে শিল্পী এজন মৰিব আৰু আমি চাই থাকিম?

বিজয় ঃ কিয় চাই থাকিবি? শোভাযাত্ৰা পাতিবি, শোক প্ৰস্তাৱ ল'বি, কাগজে-পত্ৰই তেওঁৰ বিষয়ে লিখি দুখ-প্ৰকাশ কৰিবি। কোনোবা এম.এল.এ., মিনিষ্টাৰক লগ ধৰি-মেলি ১০/১৫ হেজাৰ টকাৰ এটা অনুদান দিয়াবি।

ৰূপক ঃ দেউতা, আপুনি এইবোৰ কি কৈছে?

বিজয় ঃ আজি অতবছৰে যি দেখি আছোঁ তাকেই কৈছোঁ।

ৰূপক ঃ তেতিয়াহ'লে অত বছৰে একো পৰিৱৰ্তন দেখা নাই?

বিজয় ঃ দেখিছোঁ। অনাই-বনাই ঘূৰি ফুৰা কেলেহুৱা কিছুমানৰ লগতে, গঁড় হত্যাকাৰী, মানুহ হত্যাকাৰী, ঠগ-প্ৰবঞ্চক কিছুমানক এম.এল.এ হোৱা, মিনিষ্টাৰ হোৱা দেখিছোঁ। খেৰ-বাঁহেৰে সজা জুপুৰীঘৰৰ পৰিৱৰ্তে বিৰাট বিৰাট বিল্ডিং হোৱা দেখিছোঁ। যাৰ ঘৰত চাইকেল এখন নাছিল তাৰ ঘৰত দামী দামী ২/৩ খন মটৰ গাড়ী দেখিছোঁ, হাতে হাতে দামী ম'বাইল দেখিছোঁ। এনেকুৱা আৰু বহুত পৰিৱৰ্তন দেখিছোঁ।

ৰূপক ঃ দেউতা, তোমাৰ কিয় ইমান খং উঠিছে?

বিজয় ঃ দেশখনৰ সামগ্ৰিক উন্নতিৰ কোনো আঁচনি সিহঁতে ল'ব নোৱাৰে। অফিচৰ পিয়ন-চকীদাৰ, প্ৰাইমাৰী স্কুলৰ শিক্ষক আদি সৰু সৰু চাকৰি দিয়াতে এম.এল.এ., মিনিষ্টাৰ ব্যস্ত। চন্দন বৰুৱা মৰি গ'ল সিহঁতৰ কি হ'ল? চন্দনৰ ভনীয়েকজনীক কোনোবাই নি ধৰ্ষণ কৰি মাৰি পেলালে সিহঁতৰ কি ক্ষতি হ'ল?

ৰূপক ঃ দেউতা?

বিজয় ঃ এই পৰিৱৰ্তনবোৰ দেখি তহঁতৰ খং নুঠে। কাৰণ তহঁতে তেনেকুৱা সুবিধা ভোগ কৰিবলৈ ভয় কৰ, লাজ কৰ।

ৰূপক ঃ দেউতা হৈছে, মই চব বুজিছোঁ।

বিজয় ঃ বুজিছ যদি চন্দনৰ হৈ কিবা কৰিব পাৰিবি?

ৰূপক ঃ নোৱাৰোঁ। চন্দন মৰাটো খাটাং।

বিজয় ঃ অ' চন্দন মৰিলে সিহঁতৰ মাত্ৰ এটা ভোট নষ্ট হ'ব। তাৰ পৰিৱৰ্তে সিহঁতৰ জেপত হেজাৰ হেজাৰ ভোট জমা হৈ আছে। সেইখিনি ভোটৰ কোনো ক্ষতি হ'ব নোৱাৰাটোৱে সিহঁতৰ জীৱনৰ শেষ লক্ষ্য।

ৰূপক ঃ দেউতা, যিবোৰক উদ্দেশ্য কৰি তুমি কৈ আছা সিহঁতক দেখোন আমিয়েই ক্ষমতাত বহুৱাই আছোঁ।

বিজয় ঃ আমি বহুৱা নাই। সিহঁতৰ ধনবল, বাহুবল আৰু প্ৰলোভনে বহুৱাইছে।

ৰূপক ঃ দেউতা।

বিজয় ঃ তয়ো সিহঁতৰ মাজৰে এজন হ'বলৈ চেষ্টা কৰ। যেনেকৈ নহওক টকা যোগাৰ কৰ। কাৰোবাক মাৰি পাৰ, প্ৰলোভন দি পাৰ যেনেকৈ পাৰ কেৱল টকা ঘটিবলৈ চেষ্টা কৰ।

ৰূপক ঃ তোমাৰ ল'ৰা হৈ মই সেইবোৰ কাম কৰিব নোৱাৰোঁ।

বিজয় ঃ ভুল নকৰিবি। লোকৰ ধন দেখি ঈৰ্ষা নকৰিবি, জ্বলি নমৰিবি। তয়ো কেনেকৈ সেইবোৰৰ দৰে ধন গোটাব পাৰ সেই পথ বিচাৰি ল'।

ৰূপক ঃ মই বিৱেকহীন হ'ব নোৱাৰোঁ।

বিজয় ঃ তেতিয়াহ'লে মোৰ দৰে ঠেলা চলাব লাগিব, ৰিক্সা চলাব লাগিব, দুৱাৰে দুৱাৰে বাতৰি কাকত দি ফুৰা হকাৰ হ'ব লাগিব।

ৰূপক ঃ কি?

বিজয় ঃ এসময়ত সেইবিলাক কৰি কৰি মই বুজিব পাৰিছিলোঁ যেনেকৈ নহওক ধনী হ'ব লাগে। কাৰোবাক মাৰি বা ঠগি মাত্ৰ লাখপতি হ'ব লাগে, কোটিপতি হ'ব লাগে। লোকৰ দুখত দুখী, লোকৰ সুখত সুখী হ'বলৈ গৈ জীৱনটো নষ্ট নকৰিবি। সিহঁতৰ মাজৰে এজন হ'বলৈ চেষ্টা কৰ।

ৰূপক ঃ নোৱাৰোঁ, মই নোৱাৰোঁ দেউতা। [দুহাতেৰে মুখ ঢাকি বহি পৰে। সাগৰিকা সোমাই আহে]

সাগৰিকা ঃ দেউতা?

ৰূপক ঃ ক'ৰ পৰা আহিলি তই?

সাগৰিকা ঃ ঘৰৰ পৰায়ে আহিলোঁ।

বিজয় ঃ এনেকৈ হঠাৎ কিয়?

সাগৰিকা ঃ আহিব লগা হ'ল কাৰণেই আহিলোঁ।

বিজয় ঃ ভাল কৰিলি। বাৰু কিহত আহিলি?

সাগৰিকা ঃ কিয়, অ'টোত আহিলোঁ।

বিজয় ঃ নিজৰ গাড়ী থাকোঁতে অ'টোত আহিলি যে?

সাগৰিকা ঃ তেওঁ নিলেহে গাড়ীত উঠোঁ। তেওঁ নহ'লে নিজৰ গাড়ী হ'লেও মই গাড়ীত নুঠোঁ।

বিজয় ঃ সেইটো আকৌ কি কথা? নিজৰ গাড়ীত নুঠ, কিয় নুঠ?

সাগৰিকা ঃ তুমি জানো কেতিয়াবা আমাক গাড়ীত উঠাই পাইছিলা?

বিজয় ঃ হেৰ' এতিয়াতো তই মোৰ হৈ থকা নাই।

সাগৰিকা ঃ মই জানো তোমাৰে ছোৱালী নহয়?

বিজয় ঃ তোক দেখিছোঁ আজিকালি কথাৰে নোৱাৰি। যা, ভিতৰলৈ যা।

সাগৰিকা ঃ দাদা আহচোন, তোৰ লগত কথা আছে।

ৰূপক ঃ ব'ল। [দুয়ো ভিতৰলৈ যায়। বিজয় বহি পৰে]

### ।। অষ্টম দৃশ্য ।।

[পৰাণ বেজবৰুৱাৰ ঘৰ। শান্তনু বেজবৰুৱাই বাতৰি কাকত পঢ়ি থাকে। বিমলাই চকীত বহি থাকে]

বিমলা ঃ আপুনি কথা এটা মন কৰিছেনে?

শান্তনু ঃ কি কথা?

বিমলা ঃ আমাৰ বোৱাৰীয়ে হাঁহি-মাতি কথা কোৱা দেখিছেনে?

শান্তনু ঃ এৰাহে। ময়ো কথাটো লক্ষ্য কৰি আছোঁ। বেছিভাগ সময়েই কামৰ মাজত ডুব গৈ থাকে। বাৰু বিমলা, তেওঁ ৰূমত থাকোঁতে কি কৰি থাকে খিয়াল ৰাখিছানে?

বিমলা ঃ ৰূমত সোমাই তেওঁ কেৱল কিতাপ পঢ়ি থাকে।

শান্তনু ঃ কিতাপবোৰ ক'ত পায়?

বিমলা ঃ তেওঁ আহোঁতে বহুত কিতাপ লৈ আহিছে।

শান্তনু ঃ সঁচাই বিমলা, আমি বহু ভাগ্যৰ বলত এনেকুৱা বোৱাৰী এজনী পাইছোঁ। [হাতত গিলাচ আৰু দৰৱ লৈ সাগৰিকা আহে]

সাগৰিকা ঃ দেউতা আপোনাৰ দৰৱ।

শান্তনু ঃ দিয়া। সাগৰিকাই দিয়ে। বেজবৰুৱাই দৰৱ খায় বোৱাৰী বহাচোন।

সাগৰিকা ঃ হ'ব, কওক।

শান্তনু ঃ তুমি যে থিয় হৈ থাকিলা। বহাচোন।

সাগৰিকা ঃ মা?

বিমলা ঃ একো নহয়, বহা।

শান্তনু ঃ [হাঁহি] দেখিছা বিমলা, তেওঁ আমাৰ লগত বহিবলৈ বেয়া পাইছে। হেৰা আজিকালি এইবিলাক অতি সৰু কথা। বহা একো নহয়।

সাগৰিকা ঃ আপোনালোকৰ সমানে সমানে বহিব নেপায় বুলি মায়ে কৈছিল।

বিমলা ঃ হয়, মাৰাই ঠিকেই কৈছিল। কিন্তু কি কৰিবা আজিকালি ৰীতি-নীতিবোৰ সৰু কথা বুলি মানুহে উৰাই দিয়ে।

সাগৰিকা ঃ মা, এই সৰু সৰু ৰীতি-নীতিবোৰ অৱজ্ঞা কৰাৰ কাৰণেই ডাঙৰ-ডাঙৰ ৰীতি-নীতিবোৰো মানুহে পাহৰি যোৱা নাইনে?

শান্তনু ঃ তুমি এটা সুন্দৰ কথা ক'লা বোৱাৰী। সৰু হওক ডাঙৰ হওক সকলো ৰীতি-নীতিৰে মূল্য আছে। ঘৰুৱা ৰীতি-নীতিবোৰ অৱজ্ঞা কৰাৰ কাৰণেই আমাৰ ল'ৰা-ছোৱালীবিলাক উদণ্ড হৈছে। বিমলা, বোৱাৰীয়ে কোৱা কথাটো বুজিলানে?

বিমলা ঃ শুনিছোঁ। কিন্তু আজিকালি কোনে কাৰ কথা শুনে? [পৰাণ সোমাই আহে]

পৰাণ ঃ মা, বৰ ভাল খবৰ এটা আছে।

বিমলা ঃ ক'চোন, কি ভাল খবৰ আনিছ?

পৰাণ ঃ তোমাৰ বোৱাৰীৰ চাকৰি এটা হৈ গ'ল।

বিমলা ঃ আমাৰ বোৱাৰীয়ে চাকৰি কৰিব?

পৰাণ ঃ অ, চাকৰি পালে কিয় নকৰিব?

বিমলা ঃ কিহৰ অভাৱত বোৱাৰীয়ে চাকৰি কৰিব লাগে?

পৰাণ ঃ কি যে অঁকৰা মানুহৰ দৰে কথা কিছুমান কোৱা। আজিকালি চাকৰি এটা পোৱাটো সিমান সহজ নহয়। সিমানতো যে চাকৰি এটা পাইছে সেইটো কম ভাগ্যৰ কথা।

বিমলা ঃ হয় ভাগ্যৰ কথা। অভাৱী মানুহক চাকৰি এটা লাগে সঁচা কথা। কিন্তু তোৰতো একো অভাৱ নাই। তোক আকৌ চাকৰিটো কেলৈ?

পৰাণ ঃ ঠিকেই কৈছা। মোৰ কোনো অভাৱ নাই। কিন্তু শিক্ষিতা ছোৱালী এজনী কিয় ঘৰত বহি থাকিব লাগে? চাকৰিটো কৰিবলৈ যাওঁতে এখন সমাজ পাব আৰু নিজকে ব্যস্ত ৰাখিবও পাৰিব।

বিমলা ঃ হেৰ' তেওঁ দেখোন ঘৰৰ কামতে ব্যস্ত থাকে। আকৌ বেলেগকৈ ব্যস্ত হ'ব লাগে কিয়?

পৰাণ ঃ তোমালোকৰ সেই দিন নাই মা। এনেকুৱা পঢ়া-শুনা কৰা ছোৱালীয়ে কেৱল ঘৰুৱা কামতে কিয় ব্যস্ত থাকিব লাগে?

বিমলা ঃ ঘৰুৱা কামবোৰ কোনে কৰিব?

পৰাণ ঃ তুমি কৰিবা। তোমাৰতো একো কাম নাই?

বিমলা ঃ মই যে আগৰ দৰে কাম-বন কৰিব নোৱাৰোঁ গম পাইছনে?

পৰাণ ঃ অ ঠিক আছে বন কৰা ল'ৰা আৰু এটা ৰাখিব লাগিব। [বিমলা মনে মনে থাকে] দেউতা, তুমি যে চুপ মাৰি শুনি আছা কিবা এটা নেমাতা কিয়? নে বোৱাৰীয়ে চাকৰি কৰাটো তুমিও পচন্দ নকৰা?

শান্তনু ঃ বহ, সুধিবলৈ মই সুবিধাই পোৱা নাই। কচোন, চাকৰিটো বাৰু কি?

পৰাণ ঃ মাষ্টৰী চাকৰি।

শান্তনু ঃ কোন স্কুলত?

পৰাণ ঃ মিছন স্কুলত।

শান্তনু ঃ তাত খৃষ্টীয়ান ল'ৰা-ছোৱালীয়ে পঢ়ে বুলিহে জানো।

পৰাণ ঃ আজিকালি সকলোৱে পঢ়ে। কিন্তু পঢ়াৰ মাধ্যমটো ইংৰাজী। কেইদিনমান পঢুৱাৰ পিছত তেওঁ পাৰিব।

শান্তনু ঃ চাকৰিটো সেই আমাৰ মাটি কিনা ফাডাৰজনে দিলে নহয়নে?

পৰাণ ঃ অ' কথাটো তেনেকৈ ভাবিব পাৰা। সাগৰিকা, তুমিও দেখোন একো মতা নাই? চাকৰি কৰিবা নে নকৰা?

সাগৰিকা ঃ তুমি ক'লে কৰিবই লাগিব। কিন্তু তাৰ আগতে মা-দেউতাক ৰাজী কৰাই লোৱা।

পৰাণ ঃ কি মা-দেউতা ৰাজী নহ'লে তুমি চাকৰি নকৰা?

সাগৰিকা ঃ কথাটো এবাৰ ভাবি চোৱাচোন।

পৰাণ ঃ তুমিও কথা এটা মনত ৰাখিবা। এইখন ঘৰ বৰ্তমান মোৰ মতে চলে আৰু চলিবও লাগিব। এইখন এপইণ্টমেণ্ট লেটাৰ। কাইলৈ জইন কৰিব লাগিব। [লেটাৰখন সাগৰিকাৰ হাতত দি ভিতৰ সোমায়]

সাগৰিকা ঃ শুনাচোন। [পৰাণৰ পিছে পিছে যায়। ক্ষন্তেক নীৰৱ]

শান্তনু ঃ বিমলা।

বিমলা ঃ আমাৰ কপাল। ভগৱানেহে জানে আমাৰ কপালত কি আছে?

শান্তনু ঃ হয় দিয়া, তুমি ঠিকেই কৈছা। বিমলা, মই এটা কথা ভাবিছোঁ।

বিমলা ঃ কি কথা?

শান্তনু ঃ বোৱাৰী চাকৰি কৰিবলৈ যোৱাৰ পিছত আমি দুটা অকলশৰীয়া নহম জানো?

বিমলা ঃ কিয় নহম?

শান্তনু ঃ শুনা, ইয়াত অকলশৰীয়া হৈ থকাতকৈ গাঁৱৰ ঘৰতে থকাটো বেছি ভাল হ'ব।

বিমলা ঃ এৰি থৈ অহা ঘৰখনৰ কথা আকৌ কিয় ভাবিছে?

শান্তনু ঃ ইয়াত গৱালত থকাদি আমি দুটা সোমাই আছোঁ। কোনেও আমাৰ ঘৰলৈ নাহে। আমিও ওলাই মেলি কাৰো ঘৰলৈ যাব নোৱাৰোঁ।

বিমলা ঃ গ'লেওনো আমাক কোনে মাতিব?

শান্তনু ঃ গাঁৱত মোৰ বংশ-পৰিয়ালৰ মানুহবোৰ আছে। চিনাকী মানুহবোৰো আছে। ইটো-সিটো মানুহে মোক মাত এষাৰ লগাব। ময়ো ইঘৰ-সিঘৰলৈ গৈ দুটা কথা পাতিব পাৰিম। তুমিও ইঘৰ-সিঘৰলৈ গৈ সুখ-দুখৰ কথা পাতিব পাৰিবা। ভাবি চোৱা ইয়াত কি পাইছা আৰু আগলৈ কি পাবা।

বিমলা ঃ আপুনি কোৱাটো হয়। কিন্তু ৰবীনৰ কিবা এটা দিহা নোহোৱাকৈ যাওঁ কেনেকৈ?

শান্তনু ঃ ল'ৰাৰ মোহত থাকিলে কিন্তু পিছত কান্দিব লাগিব। পৰাণৰ মতি-গতি দেখিছা নহয়?

বিমলা ঃ ৰ'বাচোন, আৰু দুদিনমান চাওঁ। [বাহিৰত 'তাঁৰৈ তাঁৰৈ' বুলি মতা শুনা যায়। বিমলা উঠি যায়। পৰাণৰ সমবয়সীয়া ৰতন সোমাই আহ]

ৰতন ঃ তাঁৰৈ, নমস্কাৰ।

শান্তনু ঃ কোন অ'? এইটো ৰতন নহয়নে?

ৰতন ঃ কিয় নহয়। আপোনাৰ সখাৰ ল'ৰা ৰতন।

শান্তনু ঃ আহ, আহ, বহ বোপাই। কচোন সখাৰ ভালনে?

ৰতন ঃ ভালেই। কিন্তু আগৰ দৰে ঘূৰা-ফুৰা কৰিব নোৱাৰে।

শান্তনু ঃ সেইটো হ'বই। পিছে গাঁৱত সকলোৰে ভালনে? আগৰ দৰে নামঘৰত ভাওনা-সবাহ হয়নে। গোপিনীসকলে ভাদমহীয়া নাম গায়নে?

ৰতন ঃ ৰ'ব তাঁৰৈ। আপুনি একেবাৰতে যিমানবিলাক কথা সুধিলে মই কেনেকৈ উত্তৰবোৰ দিম?

শান্তনু ঃ অ হয়দে। তোক লগ পাই কিমানযে ভাল লাগিছে কি ক'ম। বাৰু এতিয়া ক'চোন গাঁৱৰ খবৰ কি?

ৰতন ঃ আপোনালোকৰ দিনৰ গাঁও হৈ থকা নাই তাঁৰৈ।

শান্তনু ঃ হেৰ' হ'বই। সকলোতে পৰিৱৰ্তন আহিছে যেতিয়া তোৰ গাঁওখন কিয় পিছ পৰি ৰ'ব? বাৰু কচোন আজিকালি নামঘৰত আগৰ দৰে সবাহ-ভাওনা হয়নে?

ৰতন ঃ সবাহ-ভাওনা দূৰৰে কথা, নামঘৰলৈয়ো কোনো নোযোৱা হ'ল।

শান্তনু ঃ কিয়?

ৰতন ঃ চাওক ঘৰে ঘৰে টি.ভি. হ'ল, হাতে হাতে ম'বাইল হ'ল। ঘৰতে বহি বহি নাচ-গান-চিনেমা নেচাই নামঘৰত বহি থাকিবলৈ কোন যাব?

শান্তনু ঃ সেইবুলি কি নিজৰ সংস্কৃতিটো পাহৰিব লাগেনে?

ৰতন ঃ শুনক, আমি এবাৰ ভাওনা এখন পাতিছিলোঁ। কিন্তু কি হ'ব? ভাৱৰীয়াকেইজন প্ৰৱেশ কৰাৰ পিছতে নামঘৰ খালী হৈ পৰিল। এতিয়া ভাৱৰীয়াই কাৰ আগত ভাওনা কৰিব? গতিকে সিমানতে ভাওনা সামৰি ঘৰা-ঘৰি গুচি গ'ল। সেইদিন ধৰি নামঘৰত ভাওনা হোৱা নাই।

শান্তনু ঃ এইটো বৰ বেয়া কথা হৈছে অ'। চহৰৰ বিজতৰীয়া কথাবোৰে গাঁৱতো খোপনি পুতিলে হেৰ' জাতিটো কেনেকৈ থাকিব?

ৰতন ঃ তাঁৰৈ সেইবোৰ কথা থওক এতিয়া। মই কিয় আহিছোঁ সোধক।

শান্তনু ঃ অ' হয়দে। ক'চোন তইনো কিয় আহিলি?

ৰতন ঃ আপোনাক গাঁৱৰ মানুহে গালি পাৰি পাৰি কুকুৰে কাঁইট নোখোৱা কৰিছে।

শান্তনু ঃ হেৰ' মোক গালি পাৰিবলৈ মই কি কৰিলোঁ?

ৰতন ঃ দেখাকৈ একো কৰা নাই। কিন্তু সেই যে আলিমূৰৰ মাটিডৰা মাৰোৱাৰীক বেচিলে সেইটোৱে দোষৰ কাৰণ হ'ল।

শান্তনু ঃ মাটিডৰা পৰাণে মাৰোৱাৰীৰ ওচৰত বেচাটো হয়। কিন্তু তাৰ পৰা কি হ'ল?

ৰতন ঃ সেইটোৱে কাল হ'ল।

শান্তনু ঃ কিয়?

ৰতন ঃ শুনক, মাৰোৱাৰীয়ে তাত শিল ভঙা কোৱাৰী এটা বহুৱালে। মেচিনৰ বিকট শব্দ, কাম কৰা লেবাৰৰ চিঞৰ-বাখৰ, হৈ-হাল্লা আৰু শিল কঢ়িওৱা ট্ৰাকবোৰ অহা-যোৱা কৰি গাঁওখনৰ শান্তি নাইকিয়া কৰিলে।

শান্তনু ঃ মই তেতিয়াই মাৰোৱাৰীৰ ওচৰত মাটি নেবেচিবলৈ তাক কৈছিলোঁ, সি মোৰ কথা নুশুনিলে।

ৰতন ঃ এনেকুৱা ধামখুমীয়া পৰিৱেশ এটা হোৱাৰ কাৰণেই আপোনাক জগৰীয়া কৰিছে।

শান্তনু ঃ হেৰ' মাটিডৰা মই বেচা নাই নহয়? পৰাণেহে বেচিলে। এই কথাটো কোনেও নাজানেনে?

ৰতন ঃ কেনেকৈ জানিব? আৰু এটা কথা নহয় তাঁৰৈ।

শান্তনু ঃ আৰু কি কথা?

ৰতন ঃ পথাৰলৈ যোৱা গৰু বাটটোৰ কাষৰ আপোনাৰ মাটিৰ দাগটোত দেখোন বিৰাট বিল্ডিং বনাব ধৰিছে।

শান্তনু ঃ অ' সেই দাগটোও সিয়ে বেচিলে।

ৰতন ঃ তাত হেনো ইংৰাজী মাধ্যমৰ স্কুল হ'ব। বিনামূলীয়াকৈ ল'ৰা-ছোৱালীক পঢ়াব। কিতাপ-পত্ৰ দিব, খোৱা-বোৱা কৰিবলৈ টকা দিব আৰু কত কি শুনিছোঁ।

শান্তনু ঃ ৰহচোন, স্কুল খুলিবলৈকে বিৰাট বিৰাট বিল্ডিং বনাব লাগেনে?

ৰতন ঃ তাত বোলে কিবা খ্ৰীষ্টানৰ গীৰ্জা ঘৰো হ'ব।

শান্তনু ঃ আমাৰ গাঁৱতো গিৰ্জা হ'ব?

ৰতন ঃ অ ৰাস্তাৰ দাঁতিত বিৰাট চাইনবোৰ্ড মাৰি দিছে নহয়।

শান্তনু ঃ খালে, খালে। ই চব শেষ কৰিলে। ধনীৰাম, ধনীৰাম। [ধনীৰাম আহে]

ধনী ঃ কিয় মাতিছিল দেউতা?

শান্তনু ঃ ই পৰাণ ঘৰত আছেনে?

ধনী ঃ ডাড়ি কাটি আছে দেউতা।

শান্তনু ঃ যা, মই মাতিছোঁ বুলি ক।

ধনী ঃ এতিয়াই মাতি দিছোঁ। [যায়]

শান্তনু ঃ ৰতন, মই গালি খোৱাৰ কাম কৰিছোঁ যেতিয়া গালি দিবই।

ৰতন ঃ তাঁৰৈ, বিনামূলীয়াকৈ স্কুল এখন হ'লে আমাৰ গাঁৱৰ স্কুললৈ ল'ৰা-ছোৱালী আহিবনে বাৰু?

শান্তনু ঃ কিয় আহিব?

ৰতন ঃ স্কুলখন বন্ধ হৈ গ'লে মাষ্টৰকিটাৰ কি বিলাই হ'ব?

শান্তনু ঃ হৈছে। মই চব বুজিছোঁ। তই আৰু ক'ব নালাগে। [পৰাণ আহে] পৰাণ, এই ৰতনে কি কৈছে শুন।

পৰাণ ঃ অ ৰতন, ক'ৰ পৰা আহিলি?

ৰতন ঃ ঘৰৰ পৰায়ে আহিলোঁ দে।

পৰাণ ঃ ভালে আছ? [আৰামত ঠেঙৰ ওপৰত ঠেং তুলি বহে]

ৰতন ঃ ভালে থকা নাই দেখিহে আহিছোঁ।

পৰাণ ঃ কি হ'ল, কিবা অভাৱনে?

ৰতন ঃ তাঁৰৈ?

শান্তনু ঃ কৈ দে, তই ঘৰৰ ল'ৰা। ক'বলৈ কিয় বেয়া পাইছ?

ৰতন ঃ পৰাণ, তহঁতৰ আলিমূৰৰ মাটিডৰা মাৰোৱাৰীৰ ওচৰত বেচিছিলি?

পৰাণ ঃ অ বেচিছিলোঁ। তাতে কি হ'ল?

ৰতন ঃ তই গাঁৱৰ মানুহলৈ মাটিডৰা বেচিব নোৱাৰিলি?

পৰাণ ঃ মাৰোৱাৰীয়ে যিমান টকা দিছে তোৰ গাঁৱৰ মানুহে সিমান দামত মাটি কিনিব পাৰে জানো?

ৰতন ঃ টকাটোৱে আচল কথানে?

পৰাণ ঃ হেৰ' আজিকালি টকাৰ বাহিৰে আৰু কি কথা আছে?

ৰতন ঃ কিন্তু গাঁওখনৰ যে শান্তি নোহোৱা হ'ল সেইটো জাননে?

পৰাণ ঃ কি শান্তি নাইকিয়া হোৱাৰ কথা কৈছ?

ৰতন ঃ তোৰ মাৰোৱাৰীয়ে সেই মাটিত শিলভঙা কোৱাৰী বহুৱালে। সিমান এটা ডাঙৰ কাৰবাৰৰ কাৰণে আশে-পাশে থকা মানুহবিলাক শান্তিত থাকিব নোৱাৰা হৈছে।

পৰাণ ঃ অ' তই তাকে ক'বলৈ আহিছ? শুন, আমি মাৰোৱাৰীলৈ মাটি বিক্ৰী কৰিলোঁ। তেওঁ কোৱাৰী বহুৱায়, ইটা ভটা বহুৱায় বা কিবা ইণ্ডাষ্ট্ৰি খোলে সেইটো তেওঁৰ কথা। আমি তাত কি মাতিম?

ৰতন ঃ এসময়ত সেইখন গাঁৱতে থাকি ডাঙৰ-দীঘল হ'লি। এতিয়া চহৰত থাকিবলৈ ল'লি বুলিয়েই কি গাঁওখনৰ প্ৰতি তোৰ কোনো দায়িত্ব নাই?

পৰাণ ঃ ৰহ, ৰহ, তই কি ক'ব খুজিছ পৰিস্কাৰকৈ ক'।

ৰতন ঃ তদুপৰি গৰুবাটৰ কাষৰ তহঁতৰ মাটিডৰাত কি হৈ আছে কিবা জাননে?

পৰাণ ঃ তাত এখন স্কুল হ'ব। গাঁৱত এখন ভাল স্কুল হ'লে তহঁতৰহে লাভ।

ৰতন ঃ লগতে যে এটা গীৰ্জাঘৰো সাজি আছে তই জাননে?

পৰাণ ঃ গীৰ্জা সাজে, মন্দিৰ সাজে মোৰ জানিবলৈ কি দৰকাৰ পৰিছে?

ৰতন ঃ অলপ দিনৰ পিছত যেতিয়া ওচৰৰ গাঁওবোৰৰ দুখীয়া মানুহবোৰ প্ৰলোভনত পৰি খ্ৰীষ্টান হ'ব তেতিয়াও তোৰ একো ক'বলগীয়া নেথাকিবনে?

পৰাণ ঃ চা ৰতন, সেইবিলাক গাঁৱৰ প্ৰব্লেমৰ কথা আমাক কৈ লাভ নাই। আৰু যদি পাৰ চৰকাৰৰ লগত

যোগাযোগ কৰি সেইবিলাক বন্ধ কৰগৈ।

ৰতন ঃ এতিয়া যে গাঁৱৰ মানুহে তাৰৈক গালি পাৰি আছে জাননে?

পৰাণ ঃ মূৰ্খ কিছুমানে নুবুজি গালি পাৰিলে আমাৰ কি হ'ল?

ৰতন ঃ পৰাণ, গাঁৱৰ মানুহবিলাকক মূৰ্খ বুলি ক'ব পাৰিলি?

পৰাণ ঃ মূৰ্খ নহয় আৰু কি?

ৰতন ঃ পৰাণ?

পৰাণ ঃ মাটি বিক্ৰী কৰাৰ পিছত তাত যে আমাৰ অধিকাৰ একো নাথাকে এইটো নুবুজাবোৰ মূৰ্খ নহয় আৰু কি?

ৰতন ঃ টকাৰ প্ৰলোভনত এখন গাঁৱৰ শান্তি নষ্ট কৰা আৰু এটা অঞ্চলৰ মানুহক ধৰ্মান্তৰ কৰাৰ সুবিধা কৰি দিয়া মূৰ্খবোৰক কোনোবাই পণ্ডিত বুলিব পাৰে। আমি নোৱাৰোঁ।

পৰাণ ঃ ৰতন, মোৰ সমনীয়া বুলি সীমা চেৰাই নেযাবি।

ৰতন ঃ সীমা চেৰাই গৈ তই যিবোৰ কাম কৰি আছ ময়ো ক'বলৈ বাধ্য হৈছোঁ।

পৰাণ ঃ কি কৰা দেখিলি?

ৰতন ঃ তই আই.এচ. অফিচৰ এটা সামান্য কেৰাণী। কিন্তু তই কি কৌশলেৰে শিক্ষকসকলক শোষণ কৰি কৰি টকা মাৰি আছ, আমি নাজানো বুলি ভাবিছ?

পৰাণ ঃ দেউতা, তোমাৰ সখাৰ ল'ৰা হ'ল বুলি সি ঘৰতে মোক অপমান কৰিব আৰু তুমি শুনি থাকিবা?

শান্তনু ঃ ৰতনে এটাও মিছা কথা কোৱা নাই।

পৰাণ ঃ তেন্তে তুমিয়ে তাৰ কথাৰ উত্তৰ দি থাকা। এনেকুৱা চকুচৰহা মানুহৰ লগত মই কথা পাতিব নোৱাৰোঁ। [উচাৎ মাৰি আঁতৰি যায়]

ৰতন ঃ তাৰৈ আপুনি অক্ষম কাৰণে সি ইমান উন্তগুলি কৰিছে। হ'ব। আমিও যি পাৰোঁ কৰিম। আহিলোঁ তাৰৈ। [যায়, শান্তনুৱে আকাশ-পাতাল ভাবি বহি থাকে।]

### ।। নৱম দৃশ্য।।

[চন্দনৰ ঘৰ। শোকাকুল পৰিৱেশ। শীলা চকীত বহি কান্দি থাকে। মহীয়ে শান্ত্বনা দিয়াত ব্যস্ত]

মহী ঃ আইজনী অ', নাকান্দিবিচোন। ভগৱানক চিন্তা কৰ। তাৰ বাহিৰে আমি আৰু কি কৰিব পাৰোঁ?

শীলা ঃ মহীকাইটি, মই দাদাৰ ভৰষাতে জীয়াই আছোঁ। কিবা এটা হ'লে মই কি কৰিম? মই কেনেকৈ জীয়াই থাকিম?

মহী ঃ আই অ', ভগৱানে তোৰ পৰীক্ষা লৈছে। তই ধৈৰ্য ধৰচোন। [ৰূপক সোমাই আহে]

ৰূপক ঃ ভগৱানে দুখীয়াক দয়া কৰা ক'ত শুনিছা মহীকাইটি? ভগৱানে দয়া কৰা হ'লে দেশত ইমানবোৰ দুখীয়া মানুহ নাথাকিলেহেঁতেন।

শীলা ঃ দাদা। [কান্দে]

ৰূপক ঃ কান্দা, তোমাক ভগৱানে কান্দিবলৈকে জন্ম দিছে।

মহী ঃ বোপা, এইবোৰ কি কৈছা?

ৰূপক ঃ জানা মহীকাইটি, ধনী মানুহ বেছি ধনী হয়, দুখীয়া মানুহ আৰু বেছি দুখীয়া হয় ভগৱানৰ দয়াত। গতিকে ভগৱানৰ দয়া তোমালোকৰ প্ৰতি নাই।

মহী ঃ বাৰু কিবা সুবিধা কৰিব পাৰিলানে?

ৰূপক ঃ কোনেও আমাক সহায় নকৰে। কেৱল দুখহে প্ৰকাশ কৰে।

মহী ঃ তেন্তে উপায়?

ৰূপক ঃ ৰ'বা তোমালোক দুটা যে ইয়াত আছা তেওঁৰ ওচৰত কোন আছে?

মহী ঃ শুকান মুখখনলৈ কিমান চাই থাকিবা?

ৰূপক ঃ সেইটো বেয়া কথা হৈছে। ৰ'বা। [ভিতৰলৈ যায়]

মহী ঃ আইজনী, কি বুজিলি?

শীলা ঃ অ' মহীকাইটি, আমাক কোনেও সহায় নকৰে। [মহীক সাৱটি ধৰে]

মহী ঃ ৰ'বাচোন ৰ'বা, ইমান অধৈৰ্য নহ'বা। বহাচোন বহা। [বহুৱায়। শীলাই উচুপি থাকে। মহী মূৰে-কপালে হাত দি বহি পৰে। সবেগে ৰবীন সোমাই আহে]

ৰবীন ঃ মহীকাইটি কি হ'ল? শীলাই কিয় কান্দিছে?

মহী ঃ নাকান্দি আৰু কি কৰিব? বেজাৰত কান্দিছে।

ৰবীন ঃ ৰূপক অহা নাই?

মহী ঃ আহিছে, ভিতৰতে আছে।

ৰবীন ঃ শীলা যোৱাচোন, মই আহিছোঁ বুলি কোৱাগৈ। [শীলা যায়]

মহী ঃ বাপু, ক'ৰবাত কিবা পালানে?

ৰবীন ঃ ৰ'বা, ব্যৱস্থা এটা কৰিছোঁ।

মহী ঃ কৰিছা? কি কৰিছা? আমাৰ বাপুক বাহিৰলৈ নিব পাৰিবা?

ৰবীন ঃ ইমান বিতত হ'ব নালাগে। ৰূপকক আহিবলৈ দিয়া। [ৰূপক আহে]

ৰূপক ঃ ৰবীন, কিবা খবৰ আছে?

ৰবীন ঃ এতিয়া চন্দনক কেতিয়া বাহিৰলৈ নিয় সেইটো ঠিক কৰ।

ৰূপক ঃ কি টকা যোগাৰ কৰিলি?

ৰবীন ঃ ৰহ, মহীকাইটিৰ দৰে তয়ো বিতত হৈছ কিয়?

ৰূপক ঃ ইমান এটা ভাল খবৰ অনাত বিতত নহম কিয়?

ৰবীন ঃ শুন, মই এটা সাংঘাতিক কাম কৰি আহিছোঁ।

ৰূপক ঃ কি কাম?

ৰবীন ঃ [জেপৰ পৰা সোণৰ চেইন এডাল উলিয়াই] এইডাল চা।

ৰূপক ঃ সোণৰ চেইন। ক'ৰ পৰা আনিছ?

ৰবীন ঃ চুৰি কৰি আনিছোঁ।

ৰূপক ঃ কি টকাৰ কাৰণে তই সোণৰ চেইন চুৰ কৰি আনিছ?

ৰবীন ঃ তাৰ বাহিৰে যে আৰু উপায় নাই। নহ'লে চন্দনক বাহিৰলৈ নিবি কেনেকৈ?

ৰূপক ঃ এইটো জানো ভাল কাম হৈছে? ধৰাপৰি জে'ললৈ যাব লগা হ'লে কি কৰিবি?

ৰবীন ঃ একো বেয়া কাম হোৱা নাই। মানুহ এটা যদি মৃত্যুৰ পৰা বাচে মই চুৰ কৰাৰ কাৰণে জে'ইল যোৱাটো সামান্য কথা।

ৰূপক ঃ ক'ৰ পৰা চুৰ কৰিলি?

ৰবীন ঃ নবৌৰ পৰা।

ৰূপক ঃ কি সাগৰিকাৰ চেইন চুৰ কৰি আনিছ?

ৰবীন ঃ মোৰ নবৌ তোৰ ভনী হ'ব পাৰে। কিন্তু তেওঁ এতিয়া কোটিপতি তিৰোতা। এনেকুৱা গহণাৰ চেট তেওঁৰ ৯/১০ টা আছে। কোনটো চেটৰ পৰা আনিছোঁ তেওঁ গমকে নাপাব।

ৰূপক ঃ তাই যদি গহণা পিন্ধিবলৈ ধৰোঁতে গম পায়?

ৰবীন ঃ হেৰ' গহণাৰ চেট এটা হ'লে গম পাব। নিপিন্ধাকৈয়ে যে সেইবোৰ পৰি আছে। কাৰোবাৰ এনেয়ে পৰি থকা বস্তুৰ পৰা যদি কাৰোবাৰ মহৎ কাম হয় তাক কৰাত ক্ষতি কি?

ৰূপক ঃ সেইটো হয়। তোৰ উদ্দেশ্যটো মহান হ'লেও কামটো বেয়া হ'ল।

ৰবীন ঃ হ'ব, হ'ব। সেইবিলাক এতিয়া ভবাৰ সময় নাই। কেতিয়া দিল্লীলৈ যাব, কোনে লগত যাব, ঘৰত কোন থাকিব— এইবিলাক চিন্তা কৰ। মই চেইনডাল সোণাৰীক দি টকাকিনি লৈ আহোঁ। মহীকাইটি সাৱধান কিন্তু। কথাটো যেন প্ৰকাশ নাপায়।

মহী ঃ হ'ব বাপু, তুমি কোনো চিন্তা নকৰিবা।

ৰবীন ঃ অ মই এই আহিছোঁ [সবেগে যায়]

মহী ঃ বাপু, এই ল'ৰাটোৱে মদ খায় যদিও কিমান ভাল ল'ৰা দেখিলা।

ৰূপক ঃ ৰ'বা, চুৰ কৰি একো ভাল কাম কৰা নাই। কাৰোবাৰ উপকাৰ কৰিবলৈ গৈ আনৰ পৰা সোণৰ চেইন চুৰ কৰা ক'ত শুনিছা?

মহী ঃ তুমি চিন্তা নকৰিবা। এইবিলাক ভগৱানৰে কাম।

ৰূপক ঃ ভগৱান, ভগৱান, কেৱল ভগৱান। [কে কৈ ভিতৰলৈ যায়]

মহী ঃ সেয়া তেওঁৰ খঙেই উঠিল। [সাগৰিকা সোমাই আহে]

সাগৰিকা ঃ হেৰি, এইটো চন্দন বৰুৱাৰ ঘৰ হয়নে?

মহী ঃ হয় আইজনী। বহা।

সাগৰিকা ঃ হ'ব, শীলা ঘৰত আছেনে?

মহী ঃ আমাৰ আইজনীক তুমি কেনেকৈ চিনি পোৱা?

সাগৰিকা ঃ শীলা আৰু মই একেখন কলেজত পঢ়িছিলোঁ। তেওঁ আছেনে?

মহী ঃ আছে, আছে। তুমি বহা। মই মাতি দিছোঁ [ভিতৰলৈ যায়। শীলা ওলাই আহে]

সাগৰিকা ঃ শীলা?

শীলা ঃ সাগৰিকা, তুমি আহিলা?

সাগৰিকা ঃ চন্দনদা ক'ত?

শীলা ঃ ভিতৰত আছে।

সাগৰিকা ঃ যাব মাৰিমনে?

শীলা ঃ পাৰিবা আহা। [দুয়ো ভিতৰলৈ যায়। লগে লগে মহীকাই ওলাই আহে আৰু বহে। ক্ষন্তেক পিছতে সাগৰিকা আৰু ৰূপক ওলাই আহে]

সাগৰিকা ঃ দাদা, তহঁতে মোক খবৰটো দিয়া নাই কিয়?

ৰূপক ঃ চা সাগৰিকা, তই এতিয়া এঘৰৰ বোৱাৰী। তোক খবৰ দিবলৈ আমাৰ সাহস হোৱা নাছিল। [শীলা আহি মহীক ভিতৰলৈ যাবলৈ ইংগিত দিয়ে, মহী ভিতৰলৈ

যায়]

সাগৰিকা ঃ সেইবোৰ বাদ দে। এতিয়া কি কৰিম বুলি ভাৱিছ?

ৰূপক ঃ বাহিৰলৈ নিয়াৰ কথা ভাবি আছোঁ। কিন্তু টকা যোগাৰ হোৱা নাই।

শীলা ঃ সাগৰিকা, তুমি আমাক অলপ সহায় কৰানা। [ভৰিত ধৰিব খোজে]

সাগৰিকা ঃ ছিঃ ছিঃ কি কৰিব খুজিছা? [সাৱটি ধৰে]

শীলা ঃ দাদা নহ'লে মই মৰি যাম সাগৰিকা। [উচুপি]

সাগৰিকা ঃ হ'ব, মই সহায় কৰিম। দাদা, ক'ত চিকিৎসা কৰ ঠিক কৰ। যিমানখিনি টকা লাগে মই দিম। কোনো চিন্তা নকৰিবি। চন্দনদাক বচোৱাতো আমাৰ নৈতিক দায়িত্ব।

ৰূপক ঃ সাগৰিকা, এই দুৰ্ভগীয়া জীৱ কেইটাক সহায় কৰিলে তোৰ বহুত মংগল হ'ব।

সাগৰিকা ঃ হ'ব, মই কথা দিলোঁ নহয়।

শীলা ঃ সাগৰিকা। [সাৱটি ধৰি কান্দে]

সাগৰিকা ঃ এতিয়া কন্দা-কটা বাদ দিয়া। কেতিয়া যোৱা ঠিক কৰি মোক জনাবা। দেৰি কৰিব নালাগে। দাদা, মই আহিলোঁ। [যায়]

শীলা ঃ দাদা, সঁচাকৈ সাগৰিকাই সহায় কৰিবনে?

ৰূপক ঃ তাই আদৰ্শ ছোৱালী। কথা দিলে যেতিয়া চিন্তাৰ কোনো কাৰণ নাই। কিন্তু ৰবীনেতো কিবা এটা মেনেজ কৰিছে। সেইটো কি কৰা যাব? [মহীকাইটিয়ে দুৱাৰমুখৰ পৰা মাত দিয়ে]

মহী ঃ আইজনী, বাপু, বেগতে আহাচোন। [সকলো ভিতৰ সোমায়। ভিতৰত এটা গণ্ডগোলৰ সৃষ্টি হয়। 'দাদা' বুলি চিঞৰা শুনা যায়। ঠিক তেনেতে ৰবীন সোমাই আহে]

ৰবীন ঃ মহীকাইটি, ৰূপক। [ৰূপক ভিতৰৰ পৰা ওলাই আহে]

ৰূপক ঃ তই মিছাতে চোৰৰ বদনামটো গা পাতি ল'লি।

ৰবীন ঃ কিয় ক'লি ক'চোন?

ৰূপক ঃ চন্দন আৰু নাই।

ৰবীন ঃ কি ক'লি?

ৰূপক ঃ তেওঁ আমাক এৰি গুচি গ'লগৈ।

ৰবীন ঃ চন্দন [চিঞৰ মাৰি ভিতৰলৈ যায়। ৰূপকে মুখ ঢাকি বহি পৰে। ভিতৰত কান্দোন শুনা যায়]

।। দশম দৃশ্য।।

[পৰাণ বেজবৰুৱাৰ ঘৰ। বাহিৰৰ পৰা পৰাণ খঙেৰে সোমাই আহে]

পৰাণ ঃ ধনীৰাম, ধনীৰাম। [ধনীৰামে সবেগে ওলাই আহে]

ধনী ঃ কিয় মাতিছিল দাদা?

পৰাণ ঃ দুপৰীয়াখন সাগৰিকাই ক'লৈ যায় জাননে?

ধনী ঃ নেজানো।

পৰাণ ঃ কিয় নেজান?

ধনী ঃ মই এইখন ঘৰৰ বনকৰা মানুহ। কোন ক'লৈ যায় সুধিবৰ মোৰ কি ৰাইট আছে?

পৰাণ ঃ তই এইখন ঘৰৰ মেম্বাৰ হয়নে নহয়?

ধনী হয়, কিন্তু বনকৰা মেম্বাৰহে।

পৰাণ ঃ উস্ তাৰ কথা শুনা। হেৰ' ঘৰখনৰ মেম্বাৰ হিচাপে কোন ক'লৈ যায় তই জানিব লাগেনে নালাগে?

ধনী ঃ দাদা, মই বৰ অভাৱী মানুহ কাৰণেহে আপোনাৰ ঘৰত আছোঁ। ডাঙৰ মানুহৰ কথাত সোমাবলৈ মোৰ ভয় লাগে।

পৰাণ ঃ কিয় ভয় লাগে?

ধনী ঃ মোক আপুনি খেদি দিলে অনাহাৰে মৰিব লাগিব। [বিমলা সোমাই আহে]

বিমলা ঃ এইবোৰ কথা তাক সুধি হাৰাশাস্তি কৰিছ কিয়? সি কি জানে?

পৰাণ ঃ তেন্তে তোমাকে সুধিছোঁ কোৱাচোন সাগৰিকাই ক'ৰবালৈ গ'লে তোমালোকক কিবা কৈ যায়নে?

বিমলা ঃ আমাক নোকোৱাকৈ তেওঁ ক'লৈকো নাযায়। [ধনীৰাম আঁতৰি যায়]

পৰাণ ঃ কি তোমালোকৰ পাৰ্মিচন লৈ সাগৰিকাই সেইচবৰ ঘৰলৈ যায়?

বিমলা ঃ কোন সেইচবৰ কথা কৈছ তই?

পৰাণ ঃ সেই যে গান গোৱাৰ চলেৰে মদ খাই খাই বেমাৰী হৈ পৰি আছে? সেইচবৰ খবৰ ল'বলৈ ভাল মানুহ যায় নেকি?

বিমলা ঃ অ' তাৰ মানে তই চন্দনৰ কথা কৈছ?

পৰাণ ঃ শিল্পী চন্দনক তেন্তে তুমিও চিনি পোৱা?

বিমলা ঃ তেওঁকনো কোনে চিনি নাপায়?





পৰাণ ঃ কেনেকৈ চিনি পোৱা?

বিমলা ঃ টি.ভি.ত দেখিছোঁ। গান শুনিছোঁ। বাৰু ৰহচোন তেওঁৰ আকৌ কি বেমাৰ হ'ল?

পৰাণ ঃ কলিজাৰ বেমাৰ।

বিমলা ঃ সেইটো আকৌ কি বেমাৰ?

পৰাণ ঃ অতিপাত মদ খোৱা মানুহৰ কলিজা ভালে থাকে নেকি?

বিমলা ঃ তই যে তেনেকৈ কৈছ তেওঁ মদ খোৱা তই নিজে দেখিছনে?

পৰাণ ঃ কিয় দেখিব লাগে? তোমাৰ মদাহী পুত্ৰৰ সংগী যেতিয়া তেওঁ মদ নোখোৱাকৈ থাকিব পাৰে নেকি?

বিমলা ঃ অনুমানতে ইমান ভাল ল'ৰা এটাক কিয় বেয়াকৈ কৈছ?

পৰাণ ঃ সেই মদাহীটোৱে তোমাৰ বোৱাৰীৰ নাচ-গানৰ গুৰু আছিল।

বিমলা ঃ কি কৈছ?

পৰাণ ঃ মোৰ শহুৰৰ ঘৰখন তাৰ ভাতঘৰ আছিল আৰু সেইখন ঘৰৰ ছোৱালীজনীকে তোমালোকে বোৱাৰী কৰি আনিলা। এতিয়া কোৱা, সেইজনী ছোৱালীৰ লগত তেওঁৰ কিবা সম্পৰ্ক নাছিলনে? আৰু সেই কাৰণে তেওঁৰ খবৰ ল'বলৈ সাগৰিকাই যোৱা নাছিলনে? [সাগৰিকা ওলাই আহে]

সাগৰিকা ঃ যদি ইমানবোৰ কথা জানিছিলা তেন্তে মোক বিয়া কৰাই কিয় আনিছিলা? মইতো জোৰ কৰি এইখন ঘৰত সোমোৱা নাছিলোঁ।

পৰাণ ঃ সাগৰিকা।

সাগৰিকা ঃ হয়, চন্দনদা মোৰ গুৰু আছিল। গুৰু-শিষ্যৰ যি সম্পৰ্ক সেই সম্পৰ্ক আমি মানি চলিছিলোঁ। তুমি ভবাৰ দৰে আমাৰ কোনো বেয়া মনোভাৱ নাছিল।

পৰাণ ঃ শুনিলা মা। মই কোৱা কথাৰ প্ৰমাণ পালানে? তেওঁ নিজে স্বীকাৰ কৰিলে। চন্দন বৰুৱা তেওঁৰ গুৰু আছিল। মানে তোমাৰ বোৱাৰী এটা মদাহীৰ শিষ্যা আছিল। [ৰবীন সোমাই আহে]

ৰবীন ঃ দাদা, তই কোৱা মদাহীজনক অসমৰ চুকে-কোণে সকলোৱে চিনি পায়। কিন্তু তোক দালাল কেইটামানৰ বাহিৰে কোনে চিনি পায়?

পৰাণ ঃ দেখিলা মা, চোৰৰ সাক্ষী মাতাল আহি হাজিৰ। মাতাল ভাতৃ, তোৰ আৰু কিবা ক'ব লগা আছে?

ৰবীন ঃ তোৰ সৌভাগ্য যে নবৌৰ দৰে এগৰাকী স্ত্ৰী পালি। কিন্তু তেওঁক চিনি নাপালি। কেৱল টকাহে চিনি পালি।

পৰাণ ঃ কি ক'লি?

ৰবীন ঃ আৰু নবৌৰ দুৰ্ভাগ্য যে তোৰ দৰে এটা ধন খকুৱাৰ লগত জীৱন কটাবলগীয়া হ'ল।

পৰাণ ঃ আৰু মদাহী চন্দন বৰুৱাৰ দুৰ্ভাগ্য যে তাৰ শিষ্যা আহি মোৰ ঘৰত বোৱাৰী হৈ থাকিব লগা হ'ল।

ৰবীন ঃ দাদা। [চিঞৰি দিয়াৰ লগে লগে পৰাণে ঠাচ্‌কৈ চৰ মাৰি দিয়ে]

বিমলা ঃ পৰাণ?

পৰাণ ঃ এটকা ইনকাম কৰিব নোৱাৰা মানুহ এটাই মোৰেই খাব আৰু মোকেই দম দিব। ইয়াক.... [মাৰিবলৈ যায়। বিমলা মাজত সোমায়]

বিমলা ঃ তহঁত পৰৰ কথাত লাগি ঘৰত কাজিয়া কৰিছ কিয়?

ৰবীন ঃ মা, তাক মাৰিবলৈ দিয়া। সি ডাঙৰ যেতিয়া মোক মাৰাৰ অধিকাৰ আছে। কিন্তু মা যিজন মানুহক তাচ্ছিল্য কৰি কথা কৈ আছে সেই মানুহজন আৰু নাই।

সাগৰিকা ঃ কি কৈছা ৰবীন?

ৰবীন ঃ নবৌ, চন্দনে আমাৰ এৰি থৈ গুচি গ'ল।

বিমলা ঃ গুচি গ'ল, ক'লৈ গুচি গ'ল?

ৰবীন ঃ চন্দন বৰুৱা মৰি থাকিল মা। [মুখ ঢাকি আঁতৰি যায়]

বিমলা ঃ কি? [হঠাৎ সাগৰিকা ভিতৰলৈ যায়। বিমলাই ঘূৰি চায় সাগৰিকাক নেদেখি] বোৱাৰী [বিমলাইও ভিতৰলৈ যায়। পৰাণে পৰিৱেশটো হজম কৰিব নোৱাৰি ইফালে সিফালে চাই বহি পৰে। সবেগে জালান সোমাই আহে]

জালান ঃ বেজবৰুৱা।

পৰাণ ঃ অ' জালান বাবু। কি হ'ল?

জালান ঃ সাংঘাটিত প্ৰ'ব্লেমত পৰিছোঁ বেজবৰুৱা।

পৰাণ ঃ কি সাংঘাতিক প্ৰ'ব্লেম?

জালান ঃ আপোনাৰ পৰা কিনা মাটিত আমি এটা কোৱাৰী বহুৱালো।

পৰাণ ঃ অ মই গম পাইছোঁ।

জালান ঃ আপুনি কোৱাৰী বহুৱাটোহে গম পাইছে। পিছৰ বিলাকতো গম পোৱা নাই।

পৰাণ ঃ কিয় গম নাপাম?

জালান ঃ কি গম পাইছে?

পৰাণ ঃ আপুনি শিল ভাঙিছে, দিন-ৰাতি মেচিন চলিছে, ট্ৰাকে ট্ৰাকে গিট্টি কোৱাৰীৰ পৰা গৈ আছে। আৰু এইবোৰ হৈ-হাল্লাত মানুহৰ শান্তি নাইকিয়া হৈছে।

জালান ঃ সেইটোতো হ'বই। এইটো ইণ্ডাষ্ট্ৰীত হৈ-হাল্লা হ'বই।

পৰাণ ঃ কওক, আপোনাৰ প্ৰ'ব্লেমটো কি?

জালান ঃ মোৰ বিজনেছ বন্ধ হ'ব ধৰিছে।

পৰাণ ঃ কিয়?

জালান ঃ গাঁৱৰ ডেকা-বুঢ়া, মতা-মাইকী চব আহি মোৰ কোৱাৰী বন্ধ কৰিববৈলে ধমকি দিছে। ট্ৰাকবোৰ অহা-যোৱা বন্ধ কৰি দিছে।

পৰাণ ঃ এতিয়া মই কি কৰিব লাগে?

জালান ঃ বহুত টকা বৰবাদ হৈ যাব। কিবা কৰি মোক বচাওক বেজবৰুৱা।

পৰাণ ঃ মই কেনেকৈ বচাম?

জালান ঃ সেইবোৰ চব আপোনাৰ মানুহ আছে। আপুনি ক'লে সিহঁতে মানি যাব।

পৰাণ ঃ দেখক জালান, মই মাটি বিক্ৰী কৰিলোঁ, আপুনি লেখা-পঢ়া কৰি মাটি চমজি ল'লে। তাৰ পিছত আপোনাৰ লগত মোৰ আৰু কি লেনা-দেনা আছে?

জালান ঃ হ'লেও আপুনি আমাৰ নিজা মানুহ হৈ মোক লোকচান ভৰিবৰ্বলৈ দিবনে?

পৰাণ ঃ লাভ-লোকচান আপোনাৰ কথা। তাত মোৰ কি কথা আছে?

জালান ঃ হ'লেওতো অলপ মদদ কৰিব পাৰে।

পৰাণ ঃ দেখক জালান, আপুনি মাটি কিনোতে মোক কোৱা নাছিল যে তাত আপুনি কোৱাৰী বহুৱাব আৰু কিবা ঝামেলা হ'লে মই দায়িত্ব ল'ব লাগিব?

জালান ঃ হয়। কিন্তু মইতো কৈছিলোঁ ইণ্ডাষ্ট্ৰী বহুৱাম বুলি।

পৰাণ ঃ ইণ্ডাষ্ট্ৰিতো আৰু বহুত আছে। গাঁৱৰ মাজত ইমান ঝামেলা থকা ইণ্ডাষ্ট্ৰি কিয় বহুৱাইছিল?

জালান ঃ দেখক আজিকালি পাথৰৰ ডিমাণ্ড বহুত বেছি, লাভো বহুত বেছি হয়।

পৰাণ ঃ ইটা, বালি, চিমেণ্টৰ ডিমাণ্ডো কম নহয়। আপুনি এটা ইটাৰ ভটা নবহালে কিয়? তেতিয়াতো ইমান হৈ-হাল্লা নহ'লহেঁতেন। গাঁৱৰ মানুহৰ ইমান অশান্তিও নহ'লহেঁতেন।

জালান ঃ আপুনি কোৱাতো হয়। ইতিমধ্যে যে বহুত লাখ টকা খৰচ হৈ গ'ল।

পৰাণ ঃ আপুনি যিহেতু আগতে মোৰ লগত কোনো কথা আলোচনা নকৰিলে এতিয়া মই কোনো সহায় কৰিব নোৱাৰিম।

জালান ঃ নহয় বেজবৰুৱা, আপুনি লোকেল মানুহ যেতিয়া আপোনাৰ কথা মানুহবিলাকে মানিব।

পৰাণ ঃ দেখক, মই গাঁও এৰি অহা দহ বছৰৰ বেছি হ'ল। এতিয়া মই ইয়াতহে লোকেল। গাঁৱৰ মানুহে মোৰ কথা নামানিব।

জালান ঃ নহয় বেজবৰুৱা, মই আপোনাৰ ভৰিত ধৰিছোঁ [ধৰিব খোজে]

পৰাণ ঃ ৰ'ব, ৰ'ব, এইবিলাক নকৰিব। মই বেয়া পাওঁ।

জালান ঃ কিবা এটা উপায় দিয়ক।

পৰাণ ঃ আপোনাক পাৰ্মিট কোনে দিছিল?

জালান ঃ ইণ্ডাষ্ট্ৰি মিনিষ্টাৰে।

পৰাণ ঃ আপোনাক নিশ্চয় গাঁৱৰ ভিতৰত কোৱাৰী বহুৱাবলৈ দিয়া নাছিল?

জালান ঃ হয়।

পৰাণ ঃ অ তাতো ঝামেলা লগাই থৈছে। ৰেচিডেণ্ডিয়েল এৰিয়াত তেনেকুৱা ইণ্ডাষ্ট্ৰী বহুৱাবলৈতো আইনে নিদিয়ে।

জালান ঃ মানুহবিলাকে তাকে লৈ হুলস্থূল কৰি আছে।

পৰাণ ঃ আচ্ছা, আপুনি টকা খৰচ কৰিব পাৰিব?

জালান ঃ এতিয়া টকালৈ চাই থাকিলে মোৰ ইণ্ডাষ্ট্ৰী নাবাচিব। টকা খৰচ কৰাত মোৰ আপত্তি নাই।

পৰাণ ঃ তেন্তে আহক। দুয়ো ওলাই যায়। [ধনীৰাম আহে]

ধনী ঃ যা বেটা, পৰাণদাই গঁড়ে চেলেকাদি তোৰ পিঠিৰ হাড় বাহিৰ কৰিহে এৰিহ। [সবেগে ৰতন সোমাই আহে]

ৰতন ঃ হেৰা, পৰাণ আছেনে?

ধনী ঃ নাই। এইমাত্ৰ মানুহ এজনৰ লগত ওলাই গৈছে।





ৰতন ঃ তাৰৈ আছেনে নাই? [ইতিমধ্যে শান্তনু ওলাই আহে]

শান্তনু ঃ কি হ'ল ৰতন, একেবাৰে দেখোন তৎ নাইকিয়া হৈ আহিছ?

ৰতন ঃ তাৰৈ সাংঘাতিক খবৰ। পৰাণক দিবলৈ আহিছোঁ।

শান্তনু ঃ ক'চোন কি সাংঘাতিক খবৰ?

ৰতন ঃ আপোনাৰ মাটিত বহুৱা কোৱাৰী আমি বন্ধ কৰি দিলোঁ।

শান্তনু ঃ কেনেকৈ?

ৰতন ঃ তিনি-চাৰিখন গাঁৱৰ ৰাইজ আহি কোৱাৰী ঘেৰাও কৰি পেলালে। সিহঁতে ভাঙি দ'ম কৰি থোৱা পাথৰবোৰ লৈ লেবাৰবোৰৰ গালৈ দলিয়ালে। সিহঁতে আও-ভাও একো বুজি নাপাই যেনি-তেনি দৌৰি পলাল। ডেকাবোৰে পাথৰ টনা ট্ৰাক এখন জ্বলাই দিলে।

শান্তনু ঃ ৰহ, কোৱাৰীৰ মালিকে পুলিচ লগাই যদি মানুহবোৰক মাৰ-পিট কৰে তেতিয়া কি কৰিবিহঁত?

ৰতন ঃ মালিকে পুলিচ লগাব নোৱাৰা হ'ল।

শান্তনু ঃ কিয়?

ৰতন ঃ আমি উকীলৰ পৰামৰ্শতহে কাম কৰিছোঁ।

শান্তনু ঃ উকীলেনো কি পৰামৰ্শ দিলে?

ৰতন ঃ ৰেচিডেণ্ডিয়েল এৰিয়াত কোৱাৰীৰ নিচিনা ইণ্ডাষ্ট্ৰী বহুৱাবলৈ আইনৰ বাধা আছে। গতিকে কোৱাৰীৰ মালিকে একো কৰিব নোৱাৰা হ'ল।

শান্তনু ঃ হেৰ' মানুহটোৰ দেখোন বৰ লোকচান হ'ল।

ৰতন ঃ এই খবৰটোকে পৰাণক দিবলৈ আহিছিলোঁ। পৰাণ আহিলে খবৰটো দিব। মোৰ সময় নাই। [সবেগেৰে প্ৰস্থান]

### ।। একাদশ দৃশ্য।।

[বিজয় গোস্বামীৰ ঘৰ। ৰূপকে জুপুকা মাৰি বহি থাকে। সৰলা ওলাই আহি ৰূপকক ক্ষন্তেক লক্ষ্য কৰি থাকি মাত দিয়ে]

সৰলা ঃ ৰূপক, তেনেকৈ জুপুকা মাৰি বহি আছ। কিয়?

ৰূপক ঃ মা।

সৰলা ঃ এনেকৈ নাখাই-নবৈ জুপুকা মাৰি বহি থাকিলে চন্দন ঘূৰি আহিব জানো?

ৰূপক ঃ নহয় মা, মই চন্দনৰ কথা ভবা নাই।

সৰলা ঃ বুজিছোঁ দে, চন্দনৰ চিন্তাই তোৰ মনত শান্তি নাইকিয়া কৰিছে। নহয়নে?

ৰূপক ঃ হয়। ছোৱালীজনীয়ে অকলে অকলে কি কৰিব, ক'লৈ যাব তাকেই ভাবি উৱাদিহ পোৱা নাই। আনহাতে একো কৰিবও নোৱাৰোঁ।

সৰলা ঃ কিয় একো কৰিব নোৱাৰ?

ৰূপক ঃ কিবা কৰিববৈলে মোৰ কি আছে?

সৰলা ঃ ডেকা ল'ৰা এটাৰ কি থাকিব লাগে। তোৰ দেখোন চব আছে।

ৰূপক ঃ উস্ মা, তুমি নুবুজা কিয়? তোমালোকৰ হাতলৈ, তোমালোকৰ মুখলৈ চাই থকা ল'ৰা এটাই কি কৰিব পাৰে?

সৰলা ঃ আন একো কৰিব নোৱাৰিলেও শীলাকতো বিয়া কৰাব পাৰ?

ৰূপক ঃ [চিঞৰি] মা, তুমি এইবোৰ কি কৈছা?

সৰলা ঃ যিটো কথা কাকো ক'ব নোৱাৰি জুপুকা লাগি বহি ভাবি থাক সেইটো কথাকে মই কৈছোঁ।

ৰূপক ঃ মা, তুমি নুবুজা কিয়?

সৰলা ঃ তোৰ মনৰ কথা নুবুজিবলৈ মই জানো তোৰ মা নহয়?

ৰূপক ঃ জানো মা, প্ৰতিগৰাকী মাকেই পুতেকহঁতে বিয়া-বাৰু কৰাই ঘৰ পতাটো বিচাৰে। কিন্তু মা.....।

সৰলা ঃ তোৰ একো উপাৰ্জন নাই কাৰণে ভয় খাইছ নহয়?

ৰূপক ঃ সেইটোও একেবাৰে মিছা নহয়।

সৰলা ঃ শুন, তই ইচ্ছা কৰিলে তয়ো উপাৰ্জন কৰা মানুহ হ'বি।

ৰূপক ঃ কেনেকৈ?

সৰলা ঃ দেউতাৰৰ এই ঘৰৰ ভেটিটোৰ বাহিলে একো নাছিল। কিন্তু গাত বল, বুকুত সাহস আৰু অদম্য ইচ্ছা থকাৰ কাৰণে ঘৰখন চলাইও তোক বি.এ. পাছ কৰালে। সাগৰিকাকো বি.এ.লৈকে পঢ়াই বিয়া দিলে। জান, এইবিলাক কৰোঁতে তেওঁ কাৰো ওচৰত হাত পতা নাছিল।

ৰূপক ঃ দেউতাই বোলে এদিন ঠেলা চলাইছিল, ৰিক্সা চলাইছিল আৰু মানুহৰ ঘৰে ঘৰে পেপাৰ দি ফুৰা হকাৰৰ কাম কৰিছিল। ময়ো কি তাকেই কৰিব লাগিব?

সৰলা ঃ কৰিলে কি অপৰাধ হ'ব?

ৰূপক ঃ কি?

সৰলা ঃ সেইবোৰ কাম কৰিয়ে জানো কিছুমানে পৰিয়াল চলাই থকা নাই? তয়ো নোৱাৰাৰ কোনো কাৰণ নাই।

ৰূপক ঃ মা, তুমি নিবিচাৰা নেকি তোমাৰ ল'ৰাটো অফিচাৰ হওক, বাইক বা মটৰ গাড়ী লৈ ঘূৰি ফুৰিব পৰা হওক। এটা ধুনীয়া বিল্ডিং বনাই আনৰ দৰে বুকু ফিন্দাই জীয়াই থাকক।

সৰলা ঃ সকলোৱে বিচাৰে। কিন্তু পাৰিছে জানো। নোৱাৰাৰ কাৰণ কি জাননে?

ৰূপক ঃ কি?

সৰলা ঃ লাজ। লাজৰ কাৰণে আমাৰ ল'ৰাবোৰে সৰু সৰু কামবোৰ নকৰে। কিন্তু আন ঠাইৰ মানুহবিলাকে কেনেকৈ সৰু সৰু কামবোৰ কৰি জীয়াই আছে দেখা নাই?

ৰূপক ঃ মা, তুমি এইবোৰ কথাও জনা বুলি মই ভবা নাছিলোঁ।

সৰলা ঃ আৰু শুন, কালি বাতৰি কাকতত পঢ়িলোঁ আমেৰিকাত বোলে মানুহে কোনো কাম কৰিবলৈ লাজ নকৰে। ভাল ভাল ঘৰৰ ল'ৰা-ছোৱালীয়েও লোকৰ ঘৰত ঝাড়ু মাৰে, গাড়ী চাফ কৰে, হোটেলত কাম কৰে।

ৰূপক ঃ [অভিভূত হৈ] মা।

সৰলা ঃ আমাৰ ল'ৰাবোৰেওতো সৰু সৰু কামবোৰ কৰিব পাৰে। কিয় নকৰে? কেৱল লাভ আৰু অহংকাৰেই কাৰণ নহয়নে?

ৰূপক ঃ মা, ডাঙৰ ডাঙৰ চিন্তাবিদে কোৱা কথাবিলাক তুমি ঘৰৰ ভিতৰতে থাকি কেনেকৈ শিকিলা? [বিজয় ওলাই আহে]

বিজয় ঃ অভিজ্ঞতা, অভিজ্ঞতাই শিকাইছে।

ৰূপক ঃ দেউতা?

বিজয় ঃ মোৰ জীৱনৰ অভিজ্ঞতাবোৰ দেখি দেখি মাৰে এইবোৰ কথা শিকিছে। বাস্তৱ জগতৰ বাস্তৱ অভিজ্ঞতা।

সৰলা ঃ হেৰি, মই তাক শীলাক বিয়া কৰাবলৈ কৈছোঁ।

বিজয় ঃ কি ক'লা?

সৰলা ঃ ছোৱালীজনীৰ বৰ্তমানৰ অৱস্থাটো আপুনি জানো নাজানে?

বিজয় ঃ জানো। চন্দন গুচি যোৱাত তাই একেবাৰেই অকলশৰীয়া হৈ পৰিল। আৰু এইটোও জানো ছোৱালীজনীয়ে যিকোনো মুহূৰ্ততে চৰম বিপদত পৰিব পাৰে।

সৰলা ঃ সেই কাৰণেই সি অতিপাত অশান্তিত দিন কটাইছে।

বিজয় ঃ সেই বুলিয়েই কি বাটৰ কচু গাত ঘঁহি লৈ খজুৱাই মৰিবা?

সৰলা ঃ সি অশান্তিত দিন কটালে আমি জানো সহি থাকিব পাৰোঁ?

বিজয় ঃ বিয়া কৰালেই যেনিবা, বিয়াৰ পিছত তেল, পাউডাৰ, সেন্দূৰ আদি সি কিনি দিব ক'ৰপৰা?

সৰলা ঃ সেইবোৰ সামান্য বস্তু যোগাৰ কৰিব নোৱাৰিলে সি পুৰুষটো কিহৰ?

বিজয় ঃ পুৰুষ হ'লেই নহ'ব। ক্ষমতা থাকিব লাগিব, টকা থাকিব লাগিব।

সৰলা ঃ মই তাক টকা ঘটাৰ দিহা দিছোঁ নহয়।

বিজয় ঃ সিতো তোমাৰ দিহামতে চলিব বুলি কোৱা নাই।

সৰলা ঃ ৰূপক?

ৰূপক ঃ মা, মোক লৈ তোমালোকে ইমান চিন্তা কৰিছা কিয়?

সৰলা ঃ অশান্তি কৰি আছ দেখিহে আমাৰ চিন্তা হৈছে।

ৰূপক ঃ হ'ব। তোমাক কথা দিছোঁ। তুমি কোৱামতে মই কাম কৰিম।

সৰলা ঃ শুনিলেনে? সি কাম কৰিব।

বিজয় ঃ তেতিয়াহ'লে ময়ো আজিৰ পৰা নতুনকৈ চিন্তা কৰিব লাগিব।

সৰলা ঃ আপুনি চিন্তা কৰি থাকক, মই বিয়াৰ আয়োজন কৰোঁ।

বিজয় ঃ নহয়, তাক আগতে কামত লগোৱা। বিয়াৰ কথা পিছত।

সৰলা ঃ অকলশৰীয়া ছোৱালীজনীৰ কথাটো কিয় পাহৰি গৈছে?

বিজয় ঃ অকলশৰীয়া ছোৱালীজনীক আশ্ৰয় দিয়াৰ পিছত তোমাৰ ভাতৰ মজিয়াত আৰু এখন কাঁহী বাঢ়িবনে নাবাঢ়ে?

সৰলা ঃ বাঢ়িব।





বিজয় ঃ সেই কাঁহীখনত যিখিনি খোৱা বস্তু পৰিব সেইখিনি আগতে যোগাৰ নকৰিলে হ'বনে?

সৰলা ঃ নহয়।

বিজয় ঃ আশ্ৰয় দিয়াৰ পিছত যদি আশ্ৰয় পোৱাজনে তোমাৰ কাৰণে এটা বিৰাট পাহাৰৰ দৰে দাঙিব নোৱাৰা বোজা হৈ পৰে তেতিয়া সি কি কৰিব?

সৰলা ঃ উস্, হৈছে আৰু। ইমানবোৰ কথা ভাবিবলৈ গ'লে আমাৰ ল'ৰাৰ অশান্তিবোৰ কেতিয়াও আঁতৰ নহ'ব।

বিজয় ঃ অ, সেইকাৰণেই কৈছোঁ তাক আগতে কাম কৰিবলৈ দিয়া। তাৰ পিছত কি কৰা কৰি থাকিবা।

সৰলা ঃ ৰূপক, বুজিছনে কথাবোৰ?

ৰূপক ঃ হ'ব মা, মোক আৰু একো ক'ব নালাগে।

বিজয় ঃ শুন ৰূপক, আনৰ দুখত দুখী হোৱাটো মানুহৰ স্বভাৱ। কিন্তু আনৰ দুখত নিজকে জাহ যাবলৈ এৰি দিয়াটো মানুহৰ কাম নহয়। মনত ৰাখিবি। [আঁতৰি যায়]

সৰলা ঃ ৰূপক, চন্দন বিছনাত পৰি থাকোঁতে সাগৰিকাক তহঁতে খবৰ দিয়া নাছিলি?

ৰূপক ঃ নাই দিয়া।

সৰলা ঃ কিয়? [সাগৰিকা সোমাই আহে] সাগৰিকা আহিলি? আহ, বহ।

সাগৰিকা ঃ মা, তহঁতৰ ভালনে?

সৰলা ঃ আছোঁ দে। ক'চোন তহঁত কেনে আছ?

সাগৰিকা ঃ ভালেই। দাদা, মই তোক লগ পাবলৈহে আহিছোঁ।

ৰূপক ঃ ক'চোন।

সাগৰিকা ঃ তহঁতৰ ভুলৰ বাবে চন্দনদাৰ দৰে প্ৰতিভাৱান ল'ৰা এজনক আমি হেৰুৱালোঁ।

ৰূপক ঃ আমি কি ভুল কৰিলোঁ?

সাগৰিকা ঃ তেওঁ বিছনা লোৱাৰ আগতে মোক নজনালি কিয়?

ৰূপক ঃ চা, মই যোৱাৰ দৰে ৰবীনেও তালৈ যায়। ৰবীনে তোক খবৰটো নিদিব বুলি মই কেনেকৈ ভাবিম?

সৰলা ঃ সেইবোৰ কথা এতিয়া পাতি লাভ নাই। এতিয়া কি কৰ সেইটোহে আলোচনা কৰ। সাগৰিকা, তহঁতে কথা পাতচোন। [সৰলা ভিতৰলৈ যায়]

সাগৰিকা ঃ দাদা, এতিয়া কি কৰোঁ বুলি ভাবিছ?

ৰূপক ঃ কি ভবাৰ কথা কৈছ?

সাগৰিকা ঃ শীলাৰ কথা কি ভাবিছ?

ৰূপক ঃ একো ভবা নাই।

সাগৰিকা ঃ কি কৈছ? একো নভবাকৈ থাকিব পাৰিছ?

ৰূপক ঃ চা সাগৰিকা, চন্দনৰ দৰে সৎ ল'ৰা এটাক বচাবলৈ আপ্ৰাণ চেষ্টা কৰিলোঁ। কিন্তু টকাৰ অভাৱত একো কৰিব নোৱাৰিলোঁ। চন্দন যোৱাৰ পিছত ৰবীন আৰু মই সাংঘাতিকভাৱে মৰ্মাহত হৈছোঁ। টকাৰ অভাৱটো বুজি জ্বলি মৰিছোঁ।

সাগৰিকা ঃ মই সেইবোৰ সোধা নাই। শীলাৰ কথা কি ভাবিছ সেইটোহে জানিব খুজিছোঁ।

ৰূপক ঃ চন্দনৰ কথা ভাবি থকাৰ মাজত শীলাৰ কথা মনলৈ অহায়ে নাই।

সাগৰিকা ঃ দাদা, মোক ফাঁকি নেমাৰিবি।

ৰূপক ঃ কি ফাঁকি মাৰিলোঁ?

সাগৰিকা ঃ তই ভালপোৱা ছোৱালীজনীৰ কথা নভবাকৈ আছ বুলি কিয় ফাঁকি মাৰিছ?

ৰূপকা ঃ সাগৰিকা?

সাগৰিকা ঃ আনক ফাঁকি মৰাদি মোক ফাঁকি নামাৰিবি। তই শীলাক ভাল নাপাৱ?

ৰূপক ঃ পাওঁ।

সাগৰিকা ঃ তেন্তে শীলা সেই নিজান ঘৰটোত অকলে পৰি থাকিব আৰু কাছই কণীবোৰৰ পৰা দূৰত থাকি ধ্যান কৰাদি তই ঘৰতে বহি বহি ভাবি থাকিবি?

ৰূপক ঃ ৰহচোন, তই ইমান খং কৰিছ কিয়?

সাগৰিকা ঃ সেইবোৰ মই নাজানো। আজি তই মোক এটা খাটাং উত্তৰ দিব লাগিব।

ৰূপক ঃ কি খাটাং উত্তৰ?

সাগৰিকা ঃ শীলা সেই নিজান ঘৰটোত পৰি থাকিব নে তই কিবা এটা ব্যৱস্থা কৰিবি?

ৰূপক ঃ শীলাৰ কিবা এটা ব্যৱস্থা কৰিবলৈ মোৰ কি অধিকাৰ আছে?

সাগৰিকা ঃ ভালপোৱাৰ অধিকাৰতকৈ আৰু কি আন অধিকাৰ তোক লাগে?

ৰূপক ঃ ৰহ, একপক্ষীয় বিচাৰ নকৰিবি। শীলাৰ মতামতৰ কথা নাই নেকি?

সাগৰিকা ঃ শীলাৰ মতামত মই জানো কাৰণেহে মই ইমান

জোৰ দি ক'ব পাৰিছোঁ।

ৰূপক ঃ শীলাৰ মতটো তই কেনেকৈ পালি?

সাগৰিকা ঃ সেইটো তই জানিব নালাগে। মুঠতে তই জানি থ তই যি সিদ্ধান্ত দিবি শীলাই তাকেই মানি ল'ব।

ৰূপক ঃ বাৰু সেইটো কথা মই মানিলোঁ। কিন্তু মোৰ যোগ্যতাৰ কথা নাই নেকি? শীলাৰ মতটো পালেই মই চূড়ান্ত সিদ্ধান্ত ল'ব লাগিব?

সাগৰিকা ঃ নিশ্চয় লাগিব।

ৰূপক ঃ যোগ্যতাৰ কথা নাই?

সাগৰিকা ঃ তই নিজকে অযোগ্য বুলি কিয় ভাবিছ?

ৰূপক ঃ আস্, তই সকলো জানিও কিয় নজনাৰ ভাও জুৰিছ?

সাগৰিকা ঃ তাৰ মানে তই খুৱাব-পিন্ধাব নোৱাৰিবি? নহয় জানো?

ৰূপক ঃ সেইটো জানো মিছা কথা?

সাগৰিকা ঃ মিছা কথা।

ৰূপক ঃ কি?

সাগৰিকা ঃ এজন শিক্ষিত ডেকা ল'ৰাই নিজকে অযোগ্য বুলি ভবাটো কাপুৰুষালী। তই ইমান কাপুৰুষ বুলি মই ভবা নাছিলোঁ।

ৰূপক ঃ ইচ্ছামতে টকা খৰছ কৰিবলৈ পাইছতো, কিয় ভাবিবি?

সাগৰিকা ঃ তই দেউতাৰ ল'ৰা নহয়? দেউতাৰ তেজ তোৰ গাত নাই?

ৰূপক ঃ আছে।

সাগৰিকা ঃ তেতিয়াহ'লে? [সৰলা আহে]

সৰলা ঃ সাগৰিকা।

সাগৰিকা ঃ তোমাৰ ল'ৰা ইমান কাপুৰুষ কেনেকৈ হ'ল মা?

সৰলা ঃ আহ ভিতৰলৈ আহ। তোক চব কথা ক'ম। [সাগৰিকাক হাতত ধৰি লৈ যায়। ৰূপকে বহি পৰে]

।। দ্বাদশ দৃশ্য।।

[পৰাণ বেজবৰুৱাৰ ঘৰ। ফাডাৰ চকীত বহি থাকে। পৰাণে থিয় হৈ কথা কৈ থাকে]

পৰাণ ঃ শুনক ফাডাৰ, বজাৰৰ বেপাৰীৰ পৰা টকা দি মাল-বস্তু কিনি আনো। সেই কিনা বস্তুবোৰ আমি খাওঁ, পেলাই দিওঁ, জমা কৰি থওঁ সেইবোৰ বিক্ৰেতাৰ জনাৰ দৰকাৰ আছে নেকি?

ফাডাৰ ঃ নাই।

পৰাণ ঃ মই মাটি বিক্ৰী কৰিলোঁ, আপুনি কিনিলে। লেখা-পঢ়া কৰি মাটি আপুনি চমজি ল'লেনে নাই?

ফাডাৰ ঃ হয় ল'লোঁ।

পৰাণ ঃ তেন্তে সেই মাটিত আপুনি কি কৰে মোৰ জনাৰ কি দৰকাৰ আছে, কওক?

ফাডাৰ ঃ আপুনি কোৱাটো হয়। কিন্তু আপুনি বন্ধু হিচাপেতো মোক অলপ সহায় কৰিব পাৰে?

পৰাণ ঃ আপোনাৰ প্ৰ'ব্লেমটো এখন গাড়ী নহয় যে খালত পৰিছে, আপোনাৰ লগতে ময়ো ঠেলা এটা মাৰি গাড়ীখন উঠাত সহায় কৰি দিওঁ।

ফাডাৰ ঃ দেখক বেজবৰুৱা, আপুনি ফিজিকেলি একো কৰিব নালাগে। পৰামৰ্শ এটাতো দিব পাৰে।

পৰাণ ঃ চাওক, পোনচাতেই তাত আপুনি এখন স্কুল পতাৰ আয়োজন কৰিব নালাগিছিল।

ফাডাৰ ঃ এটা এৰিয়াত যদি এখন ষ্টেণ্ডাৰ্ড স্কুল হয় তেতিয়া সেই এৰিয়াটোৰ ল'ৰা-ছোৱালীৰ সুবিধা নহ'ব নেকি?

পৰাণ ঃ সেই এৰিয়াত স্কুল আছেনে নাই সেইটোও চাব লাগিব।

ফাডাৰ ঃ সেইবিলাক স্কুলৰ কোনো ষ্টেণ্ডাৰ্ড নাই। তাৰপৰা ভাল ল'ৰা-ছোৱালী প্ৰ'ডিউচ হ'ব নোৱাৰে।

পৰাণ ঃ ৰ'ব, ৰ'ব, তেনেকৈ নক'ব সেইবিলাক স্কুলৰ পৰাইতো পাছ কৰি অহা ল'ৰা-ছোৱালী ডাক্তৰ, ইঞ্জিনিয়াৰ হৈ আছে। ময়োতো সেই স্কুলৰ পৰাই পাছ কৰি আহিছোঁ।

ফাডাৰ ঃ আপোনালোকৰ দিন এতিয়া নাই। মডাৰ্ণ শিক্ষা-পদ্ধতিৰ লগত খাপ খাব পৰা ধৰণৰ ব্যৱস্থা সেইবিলাক স্কুলত নাই।

পৰাণ ঃ হয়। কিন্তু আপোনাৰ স্কুললৈ যদি সেই এৰিয়াৰ চব ল'ৰা-ছোৱালী উঠি আহে সেই স্কুলবিলাকৰ কি হ'ব? তাত মাষ্টৰী কৰি থকা মাষ্টৰবোৰৰ কি হ'ব?

ফাডাৰ ঃ ষ্টেণ্ডাৰ্ড নথকা স্কুল বন্ধ হৈ যোৱাই ভাল।

পৰাণে ঃ এই যুক্তি ৰাইজে কেতিয়াও নামানে। তদুপৰি আপোনাৰ স্কুলৰ শিক্ষাৰ মাধ্যম হ'ব ইংৰাজী। এইটোও ৰাইজে মানি ল'ব নোৱাৰে।

ফাডাৰ ঃ আচামিছ চাবজেক্টটো আমাৰ স্কুলতো থাকিব। ইচ্ছা কৰাবোৰে পঢ়িব পাৰিব।

পৰাণ ঃ শুনক, শিক্ষাৰ মাধ্যমটো ইংৰাজী হোৱা আৰু অসমীয়া ভাষাটো মাত্ৰ চাবজেক্ট হিচাপে থকা দুটা বেলেগ কথা। এইটো ৰাইজে বুজিছে কাৰণেই প্ৰতিবাদ কৰিছে।

ফাডাৰ ঃ স্কুল পতাৰ বিৰুদ্ধে প্ৰতিবাদ কৰা মানুহবোৰে গীৰ্জাঘৰ সজাত প্ৰতিবাদ কৰাৰ কাৰণটো বুজি নাপালোঁ।

পৰাণ ঃ স্কুলৰ লগত গীৰ্জাঘৰটোৰ প্ৰয়োজন কি মোক কওকচোন।

ফাডাৰ ঃ ছাত্ৰ-ছাত্ৰীবোৰে প্ৰেয়াৰ কৰা ঘৰ এটা থাকিলে ভাল হয়।

পৰাণ ঃ কিয় ক্লাচ ৰূমতে প্ৰেয়াৰ কৰিলে নহয় নেকি?

ফাডাৰ ঃ মৰেলিটি ডেভেলপমেণ্টৰ কাৰণে চেপাৰেট ঘৰ এটাৰ অতি দৰকাৰ। [পৰাণে ডাঙৰকৈ হাঁহি দিয়ে] কি হ'ল, আপুনি হঠাৎ ডাঙৰকৈ হাঁহি দিলে যে?

পৰাণ ঃ আপোনাৰ এই দীৰ্ঘকালীন পৰিকল্পনাটো দেখি হাঁহি উঠিল।

ফাডাৰ ঃ কি পৰিকল্পনাৰ কথা কৈছে?

পৰাণ ঃ চাওক ফাডাৰ, আজি-কালি গাঁৱৰ মানুহ আগৰ দৰে হোজা হৈ থকা নাই। ঘৰে ঘৰে বি.এ., এম.এ. পাছ কৰা ল'ৰা-ছোৱালী আছে। সিহঁতে আপোনাৰ এই পৰিকল্পনা বুজিব পাৰিহে প্ৰতিবাদ কৰিছে।

ফাডাৰ ঃ কি পৰিকল্পনা বুজিব পাৰিছে?

পৰাণ ঃ এই পৰিকল্পনাবোৰ কাৰ্যকৰী কৰাত আপোনালোকৰ বহুত টকা খৰছ হয়?

ফাডাৰ ঃ হয়।

পৰাণ ঃ সেই টকাতো ৰাজ্যিক বা কেন্দ্ৰীয় চৰকাৰে নিদিয়ে?

ফাডাৰ ঃ হয়, নিদিয়ে।

পৰাণ ঃ তেন্তে কোনে দিয়ে?

ফাডাৰ ঃ ইণ্টাৰনেছনেল ট্ৰাষ্টে টকাটো বিয়েৰ কৰে।

পৰাণ ঃ কিয় কৰে?

ফাডাৰ ঃ বিশ্বৰ পিছ পৰি থকা এৰিয়াবোৰৰ উন্নতিৰ কাৰণে ইণ্টাৰনেছনেল ট্ৰাষ্টে ডে এণ্ড নাইট চেষ্টা চলাই আছে।

পৰাণ ঃ [হাঁহি] এৰিয়াবোৰৰ উন্নতিৰ লগতে আপোনাৰ ধৰ্ম প্ৰচাৰৰো এটা বিৰাট উদ্দেশ্য নহয় জানো?

ফাডাৰ ঃ নহয়। আমাৰ প্ৰধান উদ্দেশ্য উন্নতিহে।

পৰাণ ঃ হ'ব, হ'ব। শুনক আপোনালোকৰ উদ্দেশ্য ৰাইজে বুজিছে কাৰণেই প্ৰতিবাদ কৰিছে। গতিকে আপুনি ট্ৰাষ্টক জনাই দিয়ক ইয়াত কাম কৰাটো অসম্ভৱ।

ফাডাৰ ঃ সেইটো কৰিলে দেখোন মোৰ যোগ্যতা নোহোৱাটো প্ৰমাণ হ'ব।

পৰাণ ঃ যোগ্যতাৰ প্ৰমাণ দিবলৈ আপোনাৰ হাতত সমল নাই?

ফাডাৰ ঃ আপোনাকনো ইমান ৰিকুৱেষ্ট কৰিছোঁ কিয়? আপুনি লোকেল মানুহ হিচাপে উপায় এটা দিব পাৰিব। প্লিজ, উপায় এটা দিয়কনা।

পৰাণ ঃ ৰ'ব, তাৰ আগতে এটা কথা কওঁ।

ফাডাৰ ঃ কওক।

পৰাণ ঃ এড্‌ভোকেটৰ লগত কিবা আলোচনা কৰিলে তেওঁলোকে কন্‌চালটেচ্ছন ফিজ লয় বুলি আপুনি জানেনে?

ফাডাৰ ঃ হয় জানো।

পৰাণ ঃ কেচত হৰা-জিকাৰ লগত কনচালটেচ্ছন ফিজৰটো কোনো সম্বন্ধ নাই?

ফাডাৰ ঃ নাই।

পৰাণ ঃ তেতিয়াহ'লে আপুনিও মোক ফিজ দিলেহে পৰামৰ্শ দিম।

ফাডাৰ ঃ মই ৰেডি আছোঁ। কওক কিমান দিম?

পৰাণ ঃ এক লাখৰ কম নহ'ব।

ফাডাৰ ঃ হ'ব, আপোনাক কথা দিলোঁ, আপুনি কোৱামতেই পাব।

ফাডাৰ ঃ কওক।

পৰাণ ঃ শুনক, বৰ্তমান আপুনি কনষ্ট্ৰাকছনৰ কাম বন্ধ কৰি দিয়ক। চাইনবোৰ্ডবোৰ উঠাই পেলাওক। ঘোষণা কৰি দিয়ক যে পাব্লিকৰ দাবীত কাম বন্ধ কৰা হৈছে।

ফাডাৰ ঃ কি আচৰিত কথা কৈছে আপুনি?

পৰাণ ঃ কিয় ভয় খাইছে? পাব্লিক মেমৰি অতি চৰ্ট। সিহঁতে কথাবোৰ এদিন পাহৰি যাব। বৰ্তমান লিড্ দিয়া ল'ৰাবোৰো কেনিবা গুচি যাব। দুই-তিনি বছৰৰ পিছত অলপ অলপকৈ আকৌ কাম আৰম্ভ কৰি দিব।

ফাডাৰ ঃ অ তাৰ পিছত?

পৰাণ ঃ কিন্তু এটা কথা, বাউণ্ডেৰীৰ ওৱালখন দিবলৈ

নাপাহৰিব।

ফাডাৰ ঃ তেতিয়াওতো ছাত্ৰ-ছাত্ৰী নাপাব পাৰোঁ।

পৰাণ ঃ আপোনালোকৰ পূৰ্বৰ গুৰুসকলে দি থৈ যোৱা বীজ-মন্ত্ৰটো মনত আছেনে?

ফাডাৰ ঃ কি বীজমন্ত্ৰ?

পৰাণ ঃ ডিভাইড্ এণ্ড ৰুল। সেই বীজমন্ত্ৰটো প্ৰয়োগ কৰিয়েই দেখোন আমাৰ দেশখন দুভাগ কৰিছিল।

ফাডাৰ ঃ এতিয়া সেইটো ক'ত প্ৰয়োগ কৰিম?

পৰাণ ঃ শুনি লওক, যিহেতু আপোনালোকৰ আঁচনিটো দীৰ্ঘম্যাদী সেয়ে এই মন্ত্ৰটো ব্যৱহাৰ কৰিবলৈ চেষ্টা কৰক।

ফাডাৰ ঃ ক'ত কৰিম?

পৰাণ ঃ আপোনাৰ স্কুলৰ পৰা ডেৰ-দুইমাইল দূৰত এখন বিৰাট ট্ৰাইবেল গাঁও আছে।

ফাডাৰ ঃ হয় আছে।

পৰাণ ঃ কেনেকৈ জানিলে?

ফাডাৰ ঃ আমাৰ টাৰ্গেট সেই গাঁওখনেই আছিল।

পৰাণ ঃ ঠিক ধৰিছে। গাঁওখনৰ মানুহবোৰ অত্যন্ত গৰীব। আপুনি সেই গাঁৱলৈ যাওক। গাঁৱৰ অতি দুখীয়া মানুহৰ ঘৰলৈ গৈ সিহঁতৰ ল'ৰা-ছোৱালীবোৰৰ খবৰ কৰক। পঢ়া-শুনা, খোৱা-বোৱা, খেলা-ধূলাৰ কথা গাৰ্জেনবোৰক সোধক। সিহঁতৰ দুখত দুখী হৈ এশ, দুশ টকা এনেয়ে দি দিয়ক। তেতিয়া সিহঁতে আপোনাক চাপোৰ্ট দিবই। নিদিবনে কওক?

ফাডাৰ ঃ দিবতো লাগে।

পৰাণ ঃ লাহে লাহে সিহঁতৰ মাজত সোমাবলৈ চেষ্টা কৰক। সিহঁতক বুজাই দিয়ক যে সিহঁতৰ ল'ৰা-ছোৱালীবোৰ পঢ়া-শুনা কৰি ভাল হোৱাটো ওচৰৰ গাঁৱৰ মানুহে নিবিচাৰে। তেতিয়া সিহঁত আপোনাৰ প্ৰতি সদয় হ'ব। নহ'বনে?

ফাডাৰ ঃ হয়, কৈ যাওক।

পৰাণ ঃ তেতিয়া আন গাঁৱৰ মানুহে যে সিহঁতক হেঁচি ৰাখিছে সেইটো বুজাই দিয়ক। যিমান পাৰে সিমান অন্য গাঁৱৰ মানুহৰ প্ৰতি বিদ্বেষভাৱ সৃষ্টি কৰক। গাঁওবোৰৰ মাজত অনৈক্যৰ ভাব সৃষ্টি কৰাৰ এইটোৱে প্ৰচেষ্ নহয়নে?

ফাডাৰ ঃ হয়।

পৰাণ ঃ ইয়াকে কয় ডিভাইন্ এণ্ড ৰুল।

ফাডাৰ ঃ ৰাইট। ইউ আৰ ৰাইট বেজবৰুৱা।

পৰাণ ঃ সেই মানুহবোৰ আপোনাৰ হাতলৈ অহাৰ পিছত আপোনাৰ স্কুলো হ'ব, গীৰ্জাও হ'ব। কিন্তু কিছু সময় ল'ব। এতিয়া মোৰ পৰামৰ্শটো কেনে পালে?

ফাডাৰ ঃ ৰিয়েলি বেজবৰুৱা, ইউ আৰ গ্ৰেইট্।

পৰাণ ঃ এতিয়া যাওক, মই কোৱামতে কৰককৈ।

ফাডাৰ ঃ থেংকিউ ভেৰি মাচ্। এতিয়া আহক।

পৰাণ ঃ ক'লৈ?

ফাডাৰ ঃ [হাঁহি] আপোনাৰ ফিজ্‌টো।

পৰাণ ঃ অ ব'লক। [দুয়ো ওলাই যায়। ধনীৰাম আহে]

ধনী ঃ ঐ ফাদাৰ, মাৰদাৰ হ'লিদেই। বেয়া মানুহৰ চেঁপাত পৰিলি। [শান্তনু ওলাই আহে]

শান্তনু ঃ এদিন বদন বৰফুকনে দেশখন শেষ কৰিছিল আৰু আজি মোৰ ল'ৰাই এটা জাতি শেষ কৰিব।

ধনী ঃ হয় দেউতা; সেই মাৰোৱাৰীটোৰ দৰে এই ফাডাৰটোও মৰিব।

শান্তনু ঃ হেৰ' ধনীৰাম, ইহঁত মৰিবলৈ অহা নাই, মাৰিবলৈহে আহিছে।

ধনী ঃ নহয় দেউতা, পৰাণদাৰ হাতত সিহঁতেহে মাৰ খাব।

শান্তনু ঃ তই সেইবিলাক বুজি নাপাৱ। যা, গুচ ইয়াৰপৰা। [বিমলা আহে]

বিমলা ঃ কি হ'ল? ধনীৰামক খং কৰিছে কিয়?

শান্তনু ঃ তাক খং কৰা নাইহে। খং উঠিছে তোমাৰ ল'ৰাৰ কাণ্ড-কাৰখানাবোৰ দেখিহে।

বিমলা ঃ খং কৰি কিবা লাভ পাবনে?

শান্তনু ঃ বুজিছা বিমলা, কু-পুত্ৰ তোলাতকৈ নিঃসন্তান হৈ থকায়ে ভাল।

বিমলা ঃ আনক দোষ দি লাভ নাই। আমাৰ ভাগ্যক দোষ দিয়ক। কু-পুত্ৰৰ মাক-বাপেক হ'বলৈ আমি আহিলোঁ।

শান্তনু ঃ চোৱাচোন বিমলা, তাৰ এটা চাকৰি আছে। গাঁৱৰ পৰাও ধানবোৰ আনি বিক্ৰী কৰি আছে। খাওতা আমি মাত্ৰ পাঁচটা প্ৰাণী। এই সৰু সংসাৰখন চলাবলৈ ইমান টকা লাগেনে? মই দেখোন চাকৰি নকৰাকৈ দুবেলা দুসাজ খাই শান্তিৰে জীয়াই আছিলোঁ।

বিমলা ঃ আমি খাই-বৈ জীয়াইহে আছিলোঁ। আজিৰ দৰে লাহ-বিলাহৰ বস্তু কিবা আছিল জানো?



শান্তনু ঃ হ'লেও মানুহক জীয়াই থাকিবলৈ ইমান ধন নালাগেহে। বুজিছা, আমাৰ ল'ৰা ধনপাগল হৈছে। ধনৰ কাৰণেই সি এদিন আমাক ঘৰৰপৰা উলিয়াই দিব। গতিকে তাৰ আগতেই মই গাঁৱলৈ যোৱাটো ভাল হ'ব বুলি ভাবিছোঁ।

বিমলা ঃ এতিয়া ময়ো তাকেই ভাবিছোঁ। এই বোৱাৰীজনীৰ কাৰণেহে মোহটো এৰিব পৰা নাই।

শান্তনু ঃ মোহ বাদ দিব লাগিব। বোৱাৰীৰ ভাগ্যত যি আছে হৈ থাকিব। আমাৰ নিজৰ কথা ভাবা।

বিমলাঃ ৰবীনৰ কথাটো ভাবিলেও বেয়া লাগে। তাক এই অসুৰটোৰ লগত এৰি থৈ গৈ আমি কি শান্তিত থাকিমগৈ?

শান্তনু ঃ বুজিছোঁ, তুমি তাৰ গালি-গালাজ খায়ে থাকিবা। তেওঁ সিহঁতৰ মোহ এৰিব নোৱাৰা। তুমি যি কৰা কৰি থাকা। মই আৰু নোৱাৰোঁ। [খঙেৰে ভিতৰ সোমায়]

বিমলা ঃ হেৰি শুনকচোন। হে ভগৱান, তুমি আমাক ৰক্ষা কৰিলেহে কৰা।

।। ত্ৰয়োদশ দৃশ্য।।

[চন্দনৰ ঘৰ। মহীকায়ে কাপোৰৰ টোপোলা এটা ৰছীৰে বান্ধি থাকে। তেনেতে ৰবীন সোমাই আহে]

ৰবীন ঃ মহীকাইটি, কিহৰ টোপোলা বান্ধি আছা?

মহী ঃ ৰবীন বোপা আহিলা? বুজিছা, মোৰনো কিদাল আছে,— কম্বলখন, আঁঠুৱাখন আৰু গাৰুটো। তাকে বান্ধি আছোঁ।

ৰবীন ঃ কিয় বান্ধিছা? ক'ৰবালৈ যোৱা নেকি?

মহী ঃ নগৈ আৰু কি কৰিম? ইয়াত আৰু থাকিব পাৰিনে?

ৰবীন ঃ কি ক'লা? তুমি ইমান নিৰ্দয় হ'লা। অকলশৰীয়া ছোৱালীজনীক এৰি থৈ যাবা?

মহী ঃ নাযাওঁ।

ৰবীন ঃ তেন্তে?

মহী ঃ আইজনীৰ লগতহে যাবলৈ ওলাইছোঁ।

ৰবীন ঃ শীলাৰ লগত যাবলৈ ওলাইছা মানে তাই ক'ৰবালৈ যায়?

মহী ঃ নগৈ আৰু কি কৰিব কোৱাচোন? গাভৰু ছোৱালীজনী এতিয়া ইয়াত কাৰ ভৰষাত জীয়াই থাকিব?

ৰবীন ঃ কিয় তুমি কেনৈ আছা?

মহী ঃ মই বুঢ়া মানুহ। আজি আছোঁ কাইলৈ নাই। তাৰ পিছত কি কৰিব?

ৰবীন ঃ ক'লৈ যাব ওলাইছা?

মহী ঃ আইজনীৰ মোমায়েকৰ ঘৰলৈ।

ৰবীন ঃ ৰ'বা, তোমালোক যে ইয়াৰ পৰা যাবাগৈ ৰূপকে জানেনে?

মহী ঃ জানিবলৈ তেওঁ ভালেমান দিন এইপালে অহায়ে নাই।

ৰবীন ঃ কি ৰূপক অহা নাই?

মহী ঃ এতিয়ানো তোমাৰ বাহিৰে আমাৰ খবৰ কৰোঁতা কোন আছে?

ৰবীন ঃ আন কোনো মানুহ অহা নাই?

মহী ঃ আমাৰ বাপু মৰা দুমাহমানলৈ মানুহৰপৰা ঘৰখনত সোমাব নোৱাৰা হৈছিল। লাহে লাহে কমি গৈ এতিয়া কোনো নহা হ'ল। এতিয়া বুজিছোঁ আমাৰ বাপু যে নাই। [চকুলো মচে]

ৰবীন ঃ হয় দিয়া, সেইটোৱে সমাজৰ নিয়ম। ৰ'বাচোন শীলা ক'ত?

মহী ঃ ভিতৰত কাপোৰ-কানি বন্ধাত লাগি আছে। [চুলি তুলি মেলি বিষণ্ণ মনেৰে শীলা ওলাই আহে]

শীলা ঃ দাদা।

ৰবীন ঃ হয়নে শীলা তোমালোক বোলে ইয়াৰপৰা যাবাগৈ?

শীলা ঃ নগৈ কি কৰিম? ৰবীনদা, তুমিতো জানা কুকুৰ-মেকুৰীকো আশ্ৰয় এটা লাগে। মই এজনী অকলশৰীয়া ছোৱালী হৈ ইয়াত কাৰ আশ্ৰয়ত থাকিম?

ৰবীন ঃ কিয় মহীকাইটি দেখোন আছে।

শীলা ঃ মহীকাইটিয়ে আমাৰ কাৰণে সকলো বাদ দি বুঢ়া হ'ল। তেওঁক আৰু কিমান দায়িত্ব দিম? কিন্তু এৰিও মই থাকিব নোৱাৰোঁ।

ৰবীন ঃ তুমি বোলে তোমাৰ মোমায়েৰাৰ ঘৰলৈ যোৱা?

শীলা ঃ তাকেই কৰোঁ বুলি ভাবিছোঁ।আন আপোন মানুহতো কোনো নাই।

ৰবীন ঃ তোমাক ভাগিন ছোৱালী বুলি তেওঁলোকে ৰাখিব, কিন্তু মহীকাইটিক কিয় ৰাখিব? তেওঁক যদি তেওঁলোকে বোজা বুলি ভাবে তেতিয়া?

মহী ঃ হয় বাপু, তুমি কোৱাটো ময়ো ভাবিছোঁ। এইজনীৰ কথা পেলাব নোৱাৰিহে মই ওলাইছোঁ।

ৰবীন ঃ শীলা?

শীলা ঃ মামাইতো মহীকাইটিকো লৈ যাবলৈ কৈছে।

ৰবীন ঃ মামাৰ কথা বিশ্বাস কৰিছা?

শীলা ঃ নিজৰ মামাৰ কথা কিয় বিশ্বাস নকৰিম? মামাৰ আশ্ৰয় লোৱাৰ বাহিৰেতো আন উপায় নাই।

ৰবীন ঃ মোৰ কিন্তু এক পাৰ্চেন্টো বিশ্বাস নহয়।

শীলা ঃ কিয়?

ৰবীন ঃ তোমাৰ মামা যদি ইমান বিশ্বাসযোগ্য হয় তেন্তে চন্দন পৰি থাকোঁতে কিয় এদিনো নাহিল?

শীলা ঃ দাদা?

ৰবীন ঃ নাহিল এই কাৰণেই যে চন্দনৰ চিকিৎসাৰ দায়িত্ব তেওঁ ল'ব লাগিব।

মহী ঃ ঠিক ধৰিছা বাপু, তেতিয়া তোমালোক দুজনৰ বাহিৰে আমাক মাত এষাৰ দিয়া মানুহো নাছিল।

ৰবীন ঃ মই যিটো বুজিছোঁ তোমাৰ কপালত আৰু দুখ আছে।

শীলা ঃ [হঠাৎ কান্দি] তেতিয়াহ'লে মই কাৰ আশ্ৰয়ত জীয়াই থাকিম?

ৰবীন ঃ [শীলাৰ মূৰত হাত থৈ] শীলা!

শীলা ঃ [কান্দি] দাদা?

ৰবীন ঃ সদায় তুমি মোক দাদা বুলি মাতি আহিছা যেতিয়া আজিৰ পৰা মোক চন্দন বুলিয়ে ধৰি লোৱা। আৰু ময়ো মোৰ ভনীজনীক লোকৰ আশ্ৰয় ল'বলৈ এৰি দিব নোৱাৰোঁ।

শীলা ঃ দাদা। [ৰবীনৰ হাত দুখন খামুচি ধৰে]

ৰবীন ঃ মহীকাইটি আৰু তুমি মোৰ আশ্ৰয়ত ইয়াতে থাকিব লাগিব।

মহী ঃ বাপু, ময়ো এইবোৰ ইয়াতে এৰিলোঁ। আইজনীয়ে বন্ধা টোপোলাটোও খুলি থওগৈ। [ভিতৰলৈ যায়]

ৰবীন ঃ শীলা, এজন উপযুক্ত ল'ৰাৰ হাতত তোমাক তুলি দিব নোৱাৰালৈকে তুমি মোৰ আশ্ৰয়ত থাকিবা। এই মোৰ প্ৰতিজ্ঞা বুলি ধৰিব পাৰা। [হঠাৎ শীলা ভিতৰলৈ যায়] কি হ'ল শীলা? [ঘূৰি চাই দেখে ৰূপকক]

ৰূপক ঃ ৰবীন?

ৰবীন ঃ আৰে ৰূপক আহিলি? অ' সেইকাৰণে শীলাই ভিতৰলৈ দৌৰ মাৰিলে।

ৰূপক ঃ কি কৈছ? মই অহা দেখি শীলাই ভিতৰলৈ দৌৰ মাৰিছে? আগতেতো মই আহিলে শীলাই এনেকুৱা নকৰে?

ৰবীন ঃ আজি কিয় কৰিছে গম পাইছনে?

ৰূপক ঃ নাই পোৱা।

ৰবীন ঃ আজি কিমান দিনৰ মূৰত আহিছ ক'চোন?

ৰূপক ঃ হয় দে। কিবা-কিবি কামত লাগি থকাত কেইদিনমান আহিব পৰা নাই।

ৰবীন ঃ অজুহাত। সেইবিলাক অজুহাতৰ কথা মোক নক'বি। আচলতে তই ভয়ত অহা নাই।

ৰূপক ঃ কাৰ ভয়ত মই নহাকৈ থাকিম?

ৰবীন ঃ দায়িত্বৰ ভয়ত।

ৰূপক ঃ ৰবীন, তই এইবোৰ কি কৈছ?

ৰবীন ঃ শুন, আমি হ'লোঁ মদাহী মানুহ। মদাহীয়ে কিন্তু পেটত কথা নাৰাখে। চব আগা-আগিকৈ কৈ দিয়ে।

ৰূপক ঃ লেক্‌চাৰ বাদ দে।

ৰবীন ঃ চন্দন গুচি যোৱাৰ পিছত শীলা অকলশৰীয়া হ'ল। আশ্ৰয়হীনা হ'ল। আনহাতে শীলাই এটা আশ্ৰয় বিচাৰে। সেইকাৰণে কৈছোঁ আশ্ৰয়দাতা হোৱাৰ ভয়ত ইমানদিন নহাকৈ আছিলি।

ৰূপক ঃ তেন্তে আজি আহিলোঁ কিয়?

ৰবীন ঃ অন্তৰৰ গোপন টানটো ক'ত যাব? সিটোৱে অজ্ঞাতে টানি লৈ আহিছে।

ৰূপক ঃ নিচা নাখালে তই দেখোন এটা সাংঘাতিক মনোবিজ্ঞানী।

ৰবীন ঃ সেইকাৰণেই তোক দেখি অভিমানত আঁতৰি গৈছে।

ৰূপক ঃ বহ, মহীকাইটি ক'ত?

ৰবীন ঃ সেইটো মহীকাইটিৰ টোপোলা, দেখিছনে?

ৰূপক ঃ কি মহীকাইটি গ'লগৈ?

ৰবীন ঃ অকল মহীকাইটিয়ে নহয়,— শীলাইও যাবলৈ ওলাইছে।

ৰূপক ঃ ৰবীন?

ৰবীন ঃ চন্দন গুচি যোৱাৰ পিছত তই নাহ, মই নাহো, শুভাকাংক্ষীও কোনো নাহে। এই উদং ঘৰখনত গাভৰু ছোৱালী এজনী অকলে অকলে থাকিব পাৰে নেকি?

ৰূপক ঃ কিয় মহীকাইটি নাছে জানো?





ৰবীন ঃ মহীকাইটিৰ আশাত তেওঁ সদায় থাকিবনে? সেয়ে আশ্ৰয় বিচাৰি শীলাই ইয়াৰ পৰা যাবলৈ ওলাইছে।

ৰূপক ঃ অ ভালেই কৰিছে।

ৰবীন ঃ কি কৈছ, ভালে কৰিছে? তাৰ বাহিৰে তোৰ আৰু ক'বলগীয়া একো নাই?

ৰূপক ঃ থাকিলেইতো একো লাভ নাই।

ৰবীন ঃ উস্ তই কি মানুহ অ'? শীলা ক'লৈ যাব, কাৰ লগত থাকিব, কেনেকৈ থাকিব— এইবিলাক জানিবলৈ তোৰ ইচ্ছা নাই? কোনো প্ৰশ্ন তোৰ মনলৈ অহা নাই?

ৰূপক ঃ উত্তৰ নোহোৱা প্ৰশ্নবোৰ কৰি কি লাভ?

ৰবীন ঃ এইবিলাক প্ৰশ্নৰ উত্তৰ যদি তোৰ মনত নাই তেন্তে মনে মনে শীলাক ভাল পাই আছিলি কিয়? ভাল পোৱা ছোৱালীজনীক আশ্ৰয় দিবলৈ ভয় কৰ কিয়?

ৰূপক ঃ [খং কৰি] ৰবীন, মোৰ সকলো কথা জনাৰ পিছত এইবোৰ কথা কৈ কৈ তই মোক জ্বলাই আছ কিয়?

ৰবীন ঃ বহ, মিছাতে খং কৰিব নালাগে। জানো তোৰ কোনো ইনকাম নাই কাৰণে শীলাক আশ্ৰয় দিবলৈ ভয় কৰিছ। আকৌ আশ্ৰয় দিয়াৰ দুৰ্দান্ত মনো পুহি ৰাখিছ। মই উপায় দিও, শুন।

ৰূপক ঃ তই আকৌ কি উপায় দিবি?

ৰবীন ঃ শুন, তই অহাৰ আহে আহে শীলাক মোৰ ধৰ্মভনী বুলি মানি ল'লোঁ। শীলাইও মোক ধৰ্মভাতৃ বুলি মানি ল'লে।

ৰূপক ঃ কি কৈছ?

ৰবীন ঃ চন্দনে যি দায়িত্ব পালন কৰিলেহেঁতেন এতিয়াৰ পৰা সেই দায়িত্ব মোৰ। গতিকে শুন.....।

ৰূপক ঃ বহ, শীলাই তোক গাৰ্জেন হিচাপে মানি ল'লে?

ৰবীন ঃ শীলাৰ গাৰ্জেন হিচাপে কওঁ শুন,— চন্দনৰ ঘৰ থকা এই মাটিডোখৰত তিনি কঠাতকৈ বেছি মাটি আছে। আজিৰ বজাৰত ইয়াৰ মূল্য ৭০ লাখতকৈও বেছি হ'ব। অৰ্থাৎ শীলাৰ দায়িত্ব গ্ৰহণ কৰাজনে ৭০ লাখ টকা লাভ কৰিব। এজন মানুহক বিজনেছ কৰিবলৈ ইয়াতকৈ বেছি টকা কিয় লাগে অ'? হয়নে নহয়?

ৰূপক ঃ হয়।

ৰবীন ঃ তেন্তে তোৰ ভয়ৰ কাৰণ কি?

ৰূপক ঃ এইবিলাক অকল তোৰ কথা নে শীলাৰো সমৰ্থন আছে?

ৰবীন ঃ শীলাৰ মই গাৰ্জেন। গাৰ্জেনৰ ওপৰত শীলাৰ কি মাত থাকিব পাৰে?

ৰূপক ঃ হ'ব, হ'ব, শীলাক মাতচোন।

ৰবীন ঃ কি হ'ল, লগ পাবলৈ মনটো উচ্‌পিচাই আছে?

ৰূপক ঃ ফাট্ৰামী কৰি নাথাকিবি অ'।

ৰবীন ঃ [হাঁহি] শীলা, অ' শীলা। এইফালে আহ। [শীলা আহে] সেইটো দেখিছানে ঠেৰেঙা লাগি আছেহি। ভালদৰে এজাউৰি দিয়া, ভয় নকৰিবা,— মই আছোঁ। অ' এই মহীকাইটি ক'লৈ গ'ল? [মহীকাইটি মাতি মাতি ভিতৰলৈ যায়। ক্ষন্তেক নীৰৱ]

ৰূপক ঃ শীলা?

শীলা ঃ কোৱা।

ৰূপক ঃ ৰবীনে কোৱা কথাবিলাক কেৱল তাৰেই কথানে?

শীলা ঃ নহয়।

ৰূপক ঃ তেন্তে?

শীলা ঃ মোৰ, মহীকাইটি, ৰবীনদা সকলোৰে সেইটোৱে কথা। কিন্তু... [হঠাৎ কান্দি দিয়ে]

ৰূপক ঃ শীলা। [শীলাক বহুৱাই দিয়ে।]

### ।। চতুৰ্দশ দৃশ্য।।

[পৰাণৰ ঘৰ। কাপোৰ-কানি পিন্ধি শান্তনু বহি থাকে। ধনীৰাম ভিতৰৰ পৰা ওলাই আহে]

ধনী ঃ দেউতা, আপুনি পিন্ধি-উৰি ওলাই আছে। তেখেতেও ভিতৰত কাপোৰ-কানি বান্ধি আছে। আপোনালোকে ক'ৰবালৈ তীৰ্থভ্ৰমণ কৰিবলৈ যায় নেকি?

শান্তনু ঃ তই ঠিক ধৰিছ। আমি তীৰ্থলৈ যোৱাটোৱে ঠিক কৰিলোঁ।

ধনী ঃ ভাল কাম কৰিছে। পিছে ক'লৈকে যাব?

শান্তনু ঃ শুন, মোৰ মানুহজনীয়ে ন-কইনাৰ সাজেৰে য'ত প্ৰথমে ভৰি দিছিল আৰু ময়ো তেওঁৰ লগতে জীৱনৰ সৰহখিনি সময় য'ত কটাইছিলোঁ সেইখনেই আমাৰ কাৰণে তীৰ্থস্থান। আমি তালৈকে তীৰ্থ কৰিবলৈ ওলাইছোঁ।

ধনী ঃ মই বুজা নাই দেউতা।

শান্তনু ঃ আমি তোৰ মালিকৰ ঘৰ এৰি থৈ যাবলৈ ওলাইছোঁ।

ধনী ঃ তাৰ মানে আপুনি গাঁৱত এৰি থৈ অহা ঘৰখনলৈ যাবগৈ?

শান্তনু ঃ তাৰ বাহিৰে উপায় নাই ধনীৰাম।

ধনী ঃ এইখন জানো আপোনাৰ ঘৰ নহয়?

শান্তনু ঃ এইখন তোৰ মালিকৰ ঘৰ। তোৰ মালিকৰ বোজা হৈ আমি আৰু থাকিব নোৱাৰোঁ।

ধনী ঃ তাত গৈ আপোনালোকে কৰিব কি, খাব কি?

শান্তনু ঃ খেতিৰ মাটিখিনি আধি, বন্ধুৱাকৈ দি কিবা কৰি চলিম আৰু।

ধনী ঃ হ'ব দিয়ক। বনৰ ৰজা সিংহ। সি কণীও পাৰিব পাৰে, পোৱালিও দিব পাৰে। আপোনালোক ডাঙৰ মানুহ,— য'তে ইচ্ছা তাতে থাকিব পাৰে। মৰণ আমাৰ দৰে খাবলৈ নোপোৱাবোৰহে।

শান্তনু ঃ হ'ব দে। যা চোন, ৰিক্সা এখন মাতি আন।

ধনী ঃ হ'ব, এই মাতি আনিছোঁ। [ওলাই যায়]

শান্তনু ঃ [ভিতৰলৈ চাই] বিমলা, সোনকালে কৰা। সি নাহোঁতেই ওলাই যাওঁ। সাগৰিকা সোমাই আহে

সাগৰিকা ঃ দেউতা, আপোনালোক সঁচাই যাবগৈ?

শান্তনু ঃ ভাবিছোঁ।

সাগৰিকা ঃ মোৰ কথা এবাৰো নাভাবিলে?

শান্তনু ঃ বোৱাৰী অ', তোমাৰ কথা এবাৰ নহয় হাজাৰবাৰ ভাবিছোঁ। জানা বোৱাৰী, আমি বোৱাৰী পালোঁ, কিন্তু পো নাপালোঁ।

সাগৰিকা ঃ মই কি পালোঁ দেউতা?

শান্তনু ঃ কথাতে কয় নহয়— ভাতৰ তিতা খাব পাৰি, কিন্তু মাতৰ তিতা খাব নোৱাৰি। তাৰ উপাৰ্জনেৰে খাই আছোঁ বুলি তাৰ কেটেৰা-জেঙেৰা সহি আৰু কিমান থাকিম?

সাগৰিকা ঃ গাঁৱত আপোনালোকৰ কষ্ট নহ'ব জানো?

শান্তনু ঃ আমাৰ ভাগ্যত বুঢ়া বয়সত কষ্ট ভোগ কৰাটো লিখা আছে। গতিকে ভোগ কৰিবই লাগিব।

সাগৰিকা ঃ দেউতা, আপোনাৰ জেগা অকণমান আছে কাৰণে যাবলৈ ওলাইছে। কিন্তু মই কি কৰিম? ক'লৈ যাম?

শান্তনু ঃ ঠিক কৈছা, তোমাৰ যাবলৈ জেগা নাই। বিয়া দি উলিয়াই দিয়া ছোৱালীৰ বাবে মাকৰ ঘৰখন ঘৰ হ'ব নোৱাৰে। কষ্ট হ'লেও তুমি ইয়াতে থাকিব লাগিব।

সাগৰিকা ঃ আপোনালোক যোৱাৰ পিছত মোৰ কি হ'ব ধৰিব পাৰিছেনে দেউতা?

শান্তনু ঃ উপায় নাই অ' আই।

সাগৰিকা ঃ আপোনালোকে গাঁৱলৈ গৈ খোৱা-লোৱাত কষ্ট পালে মই শান্তি পামনে দেউতা?

শান্তনু ঃ আমাক যদি বৃদ্ধাশ্ৰমত নি থয় তেতিয়া জানো তুমি শান্তি পাবা?

সাগৰিকা ঃ বৃদ্ধাশ্ৰমলৈ আপোনালোক আকৌ কিয় যাব?

শান্তনু ঃ কালি আমাৰ ল'ৰাই কোৱা নুশুনিলা,— সি বোলে আমাক নি বৃদ্ধাশ্ৰমত থৈ আহিব। তাত যিমান খৰছ পৰে সি বহন কৰিব।

সাগৰিকা ঃ কোনোবাই ক'লে কাৰণেই আপুনি কিয় মানিব? এইখন ইংলেণ্ড, আমেৰিকা নেকি?

শান্তনু ঃ সিটো তেনেকৈয়ে ভাবে। আৰু হয়তো আমি মৰাৰ পিছত শ্ৰাদ্ধাদি কৰ্ম কৰাটোও নিৰৰ্থক বুলিয়েই ক'ব।

সাগৰিকা ঃ দেউতা বেয়া নাপাব। এইবোৰৰ বাবে কিন্তু দায়ী আপুনি।

শান্তনু ঃ মই কেনেকৈ দায়ী হ'লোঁ।

সাগৰিকা ঃ আপুনি জীয়াই থাকোঁতেই মাটি বিক্ৰী কৰিবলৈ কিয় দিছিল? আপোনাৰ সম্পত্তি বিক্ৰী কৰাৰ অধিকাৰ পোৱাতহে তেওঁৰ উদ্ভণ্ডালি বেছি হ'ল।

শান্তনু ঃ মোৰ সম্পত্তিত তাৰ অধিকাৰ আছে বুলিয়ে অনুমতি দিছিলোঁ।

সাগৰিকা ঃ ৰবীনোতো আপোনাৰ ল'ৰা। তেওঁৰ অধিকাৰ নাই নেকি?

শান্তনু ঃ আছে কাৰণেইতো পৰাণক গোটেইবোৰ মাটি বিক্ৰী কৰাৰ অধিকাৰ দিয়া নাই। [ৰবীন সোমাই আহে]

সাগৰিকা ঃ ৰবীন।

ৰবীন ঃ নবৌ, দেউতাই যিটো কৰিলে শান্তি পায় তাত তুমি বাধা দিছা কিয়?

সাগৰিকা ঃ কি ৰবীন, তেওঁলোক ইয়াৰ পৰা যোৱাটো তুমিও বিচাৰিছা?

ৰবীন ঃ চোৱা নবৌ, মই একো নাজানিলেও এটা কথা জানো যে যিটো কাম কৰিলে মানুহে শান্তিত থাকিব পাৰে সেইটোকে কৰা উচিত। গতিকে তুমি তোমাৰ কথা ভাবি তেওঁলোকক কিয় অশান্তি দিব খুজিছা?

সাগৰিকা ঃ মোৰ অশান্তিতো তোমালোক কোনেও কিয় বুজিবলৈ চেষ্টা নকৰা?

ৰবীন ঃ তোমাৰ অশান্তিতো মই দেখা নাই। তোমাৰ এই ঘৰ-দুৱাৰ, গাড়ী, টকা-পইচা চব আছে। তোমাকতো দাদাই একো অভাৱ অনুভৱ কৰিবলৈ দিয়া নাই। ইমান আৰামত থকাৰ পিছত তোমাৰ আকৌ অশান্তিতো আহিল ক'ৰ পৰা?

শান্তনু ঃ ৰবীন, তই কোৱা প্ৰতিটো কথাই সঁচা। কিন্তু বোৱাৰীৰ মনৰ বেদনা তই নুবুজিলি।

ৰবীন ঃ হ'ব দেউতা, মই চব বুজিছোঁ। আৰু বুজিছোঁ কাৰণেই তোমালোকক মানা কৰা নাই। তোমালোক যোৱাগৈ। ময়ো অতি সোনকালে গাঁৱলৈ গৈ আছোঁ।

শান্তনু ঃ কি? তয়ো গাঁৱলৈ যাবি?

ৰবীন ঃ ভাবিছোঁ।

শান্তনু ঃ যা তেন্তে মাৰক মাত। তেওঁ কিয় দেৰি কৰিছে নাজানো।

ৰবীন ঃ ৰ'বা, মই মাক লৈ আহিছোঁ। ভিতৰলৈ যায়

শান্তনু ঃ বোৱাৰী, বুজিছোঁ, তুমি বৰ আঘাত পাবা।

সাগৰিকা ঃ দেউতা, মই আৰু একো নকওঁ। কিন্তু....

শান্তনু ঃ (বুজিছোঁ), নালাগে ক'ব। মানুহে ভাবিব তোমাৰ কাৰণে আমি আঁতৰি আহিলোঁ। কিন্তু সময়ত সঁচা কথাটো সকলোৱে জানিব। তেতিয়া তোমাক কোনেও দোষ নিদিয়ে। [ডাঙৰ বেগ এটা লৈ ৰবীন আহে। পাছে পাছে মাক চকুলো মচি আহে]

সাগৰিকা ঃ মা।

বিমলা ঃ বোৱাৰী। [সাৱটি ধৰি কান্দে]

শান্তনু ঃ ৰবীন.... [বিজয় গোস্বামী সোমাই আহে]

বিজয় ঃ বেজবৰুৱা, কি হৈছে? কন্দা-কটা কিহৰ?

শান্তনু ঃ গোস্বামী আহিল। বহক।

বিজয় ঃ বহিম ৰ'ব। কি হৈছে কওকচোন।

ৰবীন ঃ দেউতা, মোৰ মা-দেউতা ঘৰলৈ যাবলৈ ওলাইছে। সেয়ে নবৌৱে কান্দিছে।

বিজয় ঃ সেইটো আকৌ কি কথা? গাঁৱৰ ঘৰলৈ যোৱাটো একো নতুন কথা নহয়। পুৰণি ঘৰখনলৈ মাজে-সময়ে যোৱাটো অতি ভাল কথা।

ৰবীন ঃ নহয় দেউতা, তেওঁলোক গাঁৱৰ ঘৰলৈ একেবাৰেই গুচি যাবগৈ।

বিজয় ঃ কিন্তু কিয়?

শান্তনু ঃ আপোনাৰ জোঁৱায়েকৰ দুৰ্ব্যৱহাৰত অতিষ্ঠ হৈ আমি যাবলৈ ওলাইছোঁ।

বিজয় ঃ মোৰ জোঁৱাই বুলি নকৈ আপোনাৰ নিজৰ ল'ৰাৰ দুৰ্ব্যৱহাৰত বুলি নকয় কিয়?

শান্তনু ঃ একেই কথা দিয়কচোন। মোৰ ল'ৰা আপোনাৰ জোঁৱাই নহয় জানো?

বিজয় ঃ ৰ'ব, নিজৰ ল'ৰাৰ কাৰণে কোনো মাক-বাপেকে ঘৰ এৰি যোৱা শুনা নাই। তাৰ মানে মোৰ ছোৱালীয়ে কিবা কৰিছে নেকি?

শান্তনু ঃ আপোনাৰ ছোৱালী সাক্ষাৎ লক্ষ্মী। তেওঁ আমাৰ চোৰা-চিতা কৰাত অকণো কৃপণালি কৰা নাই।

বিজয় ঃ আপোনাৰ ল'ৰাই কি কাৰণত বেয়া ব্যৱহাৰ কৰে বুজি নাপালোঁ।

শান্তনু ঃ আমি বুঢ়া হ'লোঁ বুজিছে। আমাক বহুৱাই থৈ খুৱাব লগা হৈছে। বেমাৰ-আজাৰত দৰব-পাতি কিনি ধন খৰছ কৰিব লগা হৈছে।

বিজয় ঃ সেইবিলাকতো কৰিবই লাগিব। মানুহকনো ধন কেলৈ?

শান্তনু ঃ হ'ব দিয়ক। সিয়ে ধন ঘটি সুখেৰে থাকক। আমি নিজৰ খৰছতে গাঁৱলৈ গৈ কিবা কৰি চলিম আৰু।

ৰবীন ঃ সি আকৌ মা-দেউতাক বৃদ্ধাশ্ৰমত থ'ব খুজিছে।

বিজয় ঃ কি কৈছা?

শান্তনু ঃ ইমানৰ পিছতো আমি ইয়াত থকাটো উচিত হ'বনে? কওকচোন।

বিজয় ঃ বেজবৰুৱা, বেয়া নাপাব। আপোনালোকৰ ঘৰুৱা কথাত মোৰ কোনো মন্তব্য নিবিচাৰিব।

শান্তনু ঃ কিয়?

বিজয় ঃ পৰাণ হ'ল মোৰ জোঁৱাই। গতিকে তেওঁ অসন্তুষ্ট হোৱাটো মই নিবিচাৰোঁ। আপোনালোক হ'ল মোৰ ছোৱালীজনীৰ শাহু-শহুৰ। আপোনালোক অসন্তুষ্ট হোৱাটোও মই নিবিচাৰোঁ। গতিকে মই কোনো সিদ্ধান্ত নিদিওঁ।

সাগৰিকা ঃ দেউতা, তেতিয়াহ'লে এই বয়সত তেওঁলোক গাঁৱৰ ঘৰলৈ গৈ কষ্ট ভোগ কৰি মৰাটোৱে আপুনি বিচাৰে নেকি?

বিজয় ঃ তাতো মই সন্তুষ্ট নহয়।

সাগৰিকা ঃ তেন্তে। [ধনীৰাম বাহিৰৰ পৰা আহে]

ধনী ঃ দেউতা, ৰিক্সা গে'টত হাজিৰ।

শান্তনু ঃ গোস্বামী, আপুনি বহক। আমি ওলালোঁ।

বিজয় ঃ বেজবৰুৱা, মই আহি আপোনালোক ঘৰ এৰি যোৱাৰ সাক্ষীহে হ'লোঁহি।

ৰবীন ঃ ধনীৰাম, বেগটো ৰিক্সালৈকে ল। [ধনী, ৰবীন যায়]

শান্তনু ঃ বোৱাৰী আমি আহিলোঁ। আহা বিমলা।

সাগৰিকা ঃ মা [শান্তনু, বিমলা ওলাই যায়। সাগৰিকাই কান্দে]

বিজয় ঃ সাগৰিকা।

সাগৰিকা ঃ দেউতা। [দেউতাকক ধৰি কান্দে। বিজয়ে সাগৰিকাক বহুৱায়]

বিজয় ঃ সাগৰিকা, সঁচাই তেওঁলোকে কোৱা কথাবোৰ সঁচা?

সাগৰিকা ঃ সঁচা দেউতা, তেওঁলোকৰ গাত অকণো দোষ নাই।

বিজয় ঃ তেন্তে কিয় এনেকুৱা হৈছে?

সাগৰিকা ঃ মা-দেউতা অতি সহজ-সৰল মানুহ। সেইটোকে এওঁ চাঞ্চ হিচাপে লৈ যা-তা ব্যৱহাৰ কৰে। তেওঁলোকে বহুত সহিলে।

বিজয় ঃ তই কি কৰ?

সাগৰিকা ঃ মই একো নামাতো।

বিজয় ঃ কিয়?

সাগৰিকা ঃ বাপেক-পুতেকৰ কথাত ভাগ ল'বলৈ মই বেয়া পাওঁ।

বিজয় ঃ ৰহচোন। মই জনাত তহঁতৰতো ধনৰ কোনো অভাৱ নাই? [পৰাণৰ প্ৰৱেশ]

পৰাণ ঃ কেৱল ধনৰ নহয় দেউতা, মোৰ কোনো বস্তুৰে অভাৱ নাই। সোধক, তেওঁ কেতিয়াবা কিবা অভাৱ অনুভৱ কৰিছেনে?

বিজয় ঃ তেতিয়াহ'লে দেখোন তোমালোক মহানন্দত দিন কটাব লাগিছিল।

পৰাণ ঃ ঠিক কৈছে। মই মহানন্দতে দিন কটাইছোঁ।

বিজয় ঃ তেন্তে বুঢা মা-দেউতাৰা কিয় ইয়াৰ পৰা যাব লগা হ'ল?

পৰাণ ঃ মা-দেউতা ইয়াৰ পৰা ক'লৈ গ'ল?

বিজয় ঃ তোমালোকৰ গাঁৱৰ ঘৰলৈ।

পৰাণ ঃ কেতিয়া গ'ল?

বিজয় ঃ ক্ষন্তেক আগতে গ'ল।

পৰাণ ঃ কিয় গ'ল আপুনি কিবা জানেনে?

বিজয় ঃ চোৱা পৰাণ, সেইবোৰ তোমালোকৰ ঘৰুৱা কথা। কি লাগি কিয় গ'ল মই কেনেকৈ জানিম?

পৰাণ ঃ সাগৰিকা?

সাগৰিকা ঃ মোকো সুধিবলৈ একো নাই। তুমি নিজকে সোধা।

পৰাণ ঃ চাওক দেউতা, মই ঘৰত কোনো বস্তুৰে অভাৱ অনুভৱ কৰিবলৈ নিদিওঁ। চবকে খুৱাইছোঁ, পিন্ধাইছোঁ, আৰামত ৰাখিছোঁ। সিমানৰ পিছতো যদি অমুকটো কিয় কৰিলি, তমুকটো কাক দিলি— এনেকৈ কৈ থাকে কাৰ খং নুঠিব? তাতে যদি মোক বেয়া পাই গুচি গৈছে যাবলৈ দিয়ক। সেইবোৰ কথা মই চিন্তা নকৰোঁ, আপুনিও নকৰিব। আপুনি বহক। [ভিতৰ সোমায়]

বিজয় ঃ প্ৰয়োজনতকৈ ধন বেছি হোৱাত এওঁৰ অহংকাৰ হ'ল। ঠিক আছে, তই একো নামাতিবি। সাগৰিকা, ময়ো যাওঁ দে। [যায়গৈ। সাগৰিকাই অকণমান আগবঢ়াই দি মঞ্চৰ সন্মুখভাগলৈ আহি ক'ব]

সাগৰিকা ঃ আজিৰ পৰা এখন নতুন নাটকৰ আখৰা চলিব, নতুন নাটকৰ।

**।। পঞ্চদশ দৃশ্য।।**

[বিজয় গোস্বামীৰ ঘৰ। ৰতন বহি থাকে, ৰূপকে কৈ থাকে]

ৰূপক ঃ আপোনাৰ গাঁৱৰ প্ৰ'ব্লেমটো জানিলোঁ। এতিয়া সিহঁতে কি কৰিব বুলি ভাবিছে?

ৰতন ঃ ডাঙৰ ডাঙৰ চাইনবোৰ্ড মাৰিছিল নহয় সেইবোৰ উঠাই নিলে। আমি সোধাত ক'লে সিহঁতৰ বোলে ওপৰৰ পৰা অৰ্ডাৰ হৈছে কাম বন্ধ কৰি দিব লাগে।

ৰূপক ঃ আপোনালোকে বিশ্বাস কৰিছে?

ৰতন ঃ নাই, নাই কৰা।

ৰূপক ঃ কিয় কৰা নাই?

ৰতন ঃ আমি ভাবিছোঁ ইয়াত গুৰিত কিবা এটা সাংঘাতিক প্লেন আছে।

ৰূপক ঃ ঠিক ধৰিছে। সিহঁতে কামটো বন্ধ কৰি আপোনালোকক সন্তুষ্ট কৰিলে। ২/৩ বছৰৰ পিছত ৰাইজে কথাটো পাহৰিব। তেতিয়া সিহঁতে আকৌ কাম চালু কৰিব।

ৰতন ঃ আমি আকৌ বাধা দিম।

ৰূপক ঃ নোৱাৰিব। শুনক, পাব্লিক মেমৰি ক্ষন্তেকীয়া। আৱেগত কিবা কৰে আৰু পিছলৈ এৰি দিয়ে।

ৰতন ঃ তেন্তে কি কৰোঁ?

ৰূপক ঃ আপোনালোকে এটা দীৰ্ঘম্যাদী প্লেন ল'ব লাগিব।

ৰতন ঃ কওকচোন।

ৰূপক ঃ আপোলোকৰ প্ৰতিঘৰ মানুহৰ ল'ৰা-ছোৱালীবোৰক পঢ়াটো বাধ্যতামূলক কৰিব লাগিব।





ৰতন ঃ এতিয়াৰপৰা আপোনালোকে কামটো অতি সাৱধানে তদাৰক কৰিব লাগিব। তাতোকৈ এটা ডাঙৰ কাম শিক্ষিত ল'ৰাবোৰে কৰিব লাগিব।

ৰতন ঃ কওকচোন কি কাম?

ৰূপক ঃ আপোনাৰ এৰিয়াত এখন ডাঙৰ ট্ৰাইবেল গাঁও আছে।

ৰতন ঃ হয় আছে।

ৰূপক ঃ সেই গাঁওখনৰ অৱস্থা ভাল নহয় কাৰণে সৰহ-সংখ্যক ল'ৰা-ছোৱালী স্কুললৈ নাযায়। হয়নে?

ৰতন ঃ হয়।

ৰূপক ঃ সেই ল'ৰা-ছোৱালীবোৰক কৌশল কৰি স্কুললৈ যোৱাটো বাধ্যতামূলক কৰিব লাগিব।

ৰতন ঃ গাৰ্জেনবোৰে নপঠালে আমি কেনেকৈ আনিম?

ৰূপক ঃ তেওঁলোকৰ ঘৰলৈ গৈ বুজাব লাগিব। তেওঁলোকক ক'ব লাগিব তেওঁলোকক কিতাপ-কাগজ বিনামূলীয়াকৈ দিয়া হৈছে, স্কুলতে খোৱাৰ যোগান ধৰা হৈছে, পিন্ধিবলৈ ইউনিফৰ্মৰ ব্যৱস্থা কৰা হৈছে। তেতিয়া কিয় নপঠাব কওকচোন?

ৰতন ঃ পঠাবতো লাগে।

ৰূপক ঃ চাওক, আপোনালোকে মাত্ৰ এবছৰ তদাৰক কৰক। তাৰ পিছত দেখি সিহঁতে নিজে নিজে তদাৰক কৰিছে। চাওক, এইটোৱে মিছন স্কুলৰ প্লেন। আপোনালোকে এই কামটো কৰাৰ পিছত সিহঁতে স্কুল পাতিলেও ছাত্ৰ-ছাত্ৰী নাপাব। এনেকৈ যদি দীৰ্ঘম্যাদী প্লেন হাতত নলয় আপুনি চাক্‌চেচ্‌ফুল হ'ব নোৱাৰিব।

ৰতন ঃ আপুনি ঠিক কৈছে। আমি সেইটো কৰিবই লাগিব।

ৰূপক ঃ আৰু শুনক, আপোনালোকে যদি কামটো নকৰে আমাৰ জাতিৰ এটা সাংঘাতিক বিপদ হ'ব।

ৰতন ঃ কি বিপদ?

ৰূপ ঃ সেই ট্ৰাইবেল গাঁওখনৰ দৰিদ্ৰতাৰ সুযোগ লৈ ল'ৰা-ছোৱালীবোৰ তেওঁলোকৰ স্কুললৈ নিব। গাৰ্জেনবোৰক প্ৰলোভন দি ধৰ্মান্তৰ কৰিব। এইটোৱে তেওঁলোকৰ দীৰ্ঘম্যাদী প্লেন। সেই কাৰণেই স্কুলৰ লগতে গীৰ্জা ঘৰৰ কাম কৰিছিল।

ৰতন ঃ তাৰ মানে সিহঁতে আমাক ইতিমধ্যে বুৰ্বক বুলি ধৰি ল'লেই?

ৰূপক ঃ জানে, এই প্লেন লৈয়ে তেওঁলোকে অসমৰ বহু ঠাইত স্কুল আৰু গীৰ্জাঘৰ ইতিমধ্যে পাতি পেলাইছে। যদি ভুল কৰে আপোনালোকৰো সেই বিলাই হ'ব।

ৰতন ঃ ৰ'ব, এই ধৰ্মান্তকৰণত চৰকাৰে বাধা নিদিয়ে কিয়?

ৰূপক ঃ চৰকাৰৰ এইবোৰ কথাত গুৰুত্ব নাই। চৰকাৰৰ গুৰুত্ব পায় কেৱল ভোটাৰে। গতিকে এই ধৰ্মান্তৰকৰণত ৰাইজে গুৰুত্ব আৰোপ কৰিব লাগিব। চৰকাৰলৈ চাই থাকিলে নহ'ব।

ৰতন ঃ গাঁৱত মাটি বিক্ৰী কৰা মানুহবোৰে এইবিলাক কথা বুজি নাপায়?

ৰূপক ঃ আমাৰ এনে কিছুমান মানুহ আছে যে সিহঁতে কেৱল টকাহে চিনি পায়। জাতি-মাটি-ভেটি, কলা-কৃষ্টি জহন্নামে যাওক। তেওঁলোকৰ কি আহে যায়।

ৰতন ঃ ৰ'ব আপুনি কোৱামতে কৰিমেই। লগতে মাটি বিক্ৰী কৰা মানুহজনক একো কৰিব নোৱাৰোনে?

ৰূপক ঃ তেওঁ ক'ৰবাতে এটা সৰু চাকৰি কৰে। কিন্তু সাংঘাতিক মেনেজ মাষ্টাৰ। এম.এল.এ., মিনিষ্টাৰ, চেক্ৰেটেৰিয়েটৰ চেক্ৰেটাৰীলৈকে চবকে টকা দি মেনেজ কৰি থৈছে। বাৰু, আপুনি মানুহজনক চিনি পায়নে?

ৰতন ঃ আমাৰ শান্তনু বেজবৰুৱাৰ ল'ৰা। মোৰ লগত একেলগে পঢ়িছিল। বৰ্তমান আই.এচ. অফিচৰ কেৰাণী।

ৰূপক ঃ আপুনি দেখোন নিজে তেওঁক ক'ব পাৰে?

ৰতন ঃ জালানে কোৱাৰী বহুৱাৰ পিছত তাক লগ ধৰি কৈছিলোঁ। সি মোক ওলোটাই চেলেঞ্জ দি টান কথা শুনালে।

ৰূপক ঃ তেওঁ মোৰ কি হয় আপুনি জানেনে?

ৰতন ঃ নাজানো। আপোনাৰ কিবা হয় নেকি?

ৰূপক ঃ ক'বলৈ মোৰ লাজ লাগে। তথাপি কওঁ, সেই মেনেজ মাষ্টাৰজন মোৰ ভনীজোঁৱাই।

ৰতন ঃ কি ক'লে, পৰাণ আপোনাৰ ভনীজোঁৱাই? সেই পাষণ্ডটোলৈ আপোনাৰ ভনীয়েকক বিয়া দিছিল?

ৰূপক ঃ তেওঁ তেনেকুৱা বুলি আগতে জনা নাছিলোঁ।

ৰতন ঃ তাৰ মদাহী ভায়েক এটা আছে নহয়?

ৰূপক ঃ আপুনি ৰবীনৰ কথা কৈছে?

ৰতন ঃ অ', ৰবীনৰ দৰে মদাহী দ্বিতীয়টো আপুনি নাপাব।

ৰূপক ঃ সি বৰ্তমান মদ নাখায়।

ৰতন ঃ আপুনিও যে মানুহ। মদাহীয়ে মদ এৰিব পাৰে?

ৰূপক ঃ পাৰে। সি আজিকালি ভাল ল'ৰা।

ৰতন ঃ হেৰি, সি আমাৰ গাঁৱতে ডাঙৰ-দীঘল হৈ অহা ল'ৰা।

তাক মই চিনি নেপাওনে?

ৰূপক ঃ হয়, সি বেয়া ল'ৰা আছিল। কিন্তু এতিয়া তাৰ সমান ভাল ল'ৰা নাই। [নিচাসক্ত ৰবীন সোমাই আহে]

ৰবীন ঃ ৰূপক [ৰতনক দেখি] অ' আমাৰ ৰতন দা। তুমি ক'ৰ পৰা আহিলা?

ৰতন ঃ গোস্বামী, মই কৈছিলোঁনে মদাহীয়ে মদ এৰিব নোৱাৰে। এয়া হাতে হাতে প্ৰমাণ পালেনে?

ৰূপক ঃ ৰবীন, তই মদ এৰা বুলি কৈছিলি নহয়?

ৰবীন ঃ হয়, কৈছিলোঁ। কিন্তু আজি আনন্দত এক বটল মাৰি দিলোঁ।

ৰূপক ঃ কিহৰ আনন্দ লাগিল?

ৰবীন ঃ মোৰ মা-দেউতা গাঁৱলৈ গুচি গ'ল। পুতেকৰ আদৰ-সাদৰ সহিব নোৱাৰি একেবাৰে টালি-টোপোলা বান্ধি গুচি গ'ল।

ৰূপক ঃ গাঁৱত গৈ তেওঁলোকে কি কৰিব?

ৰবীন ঃ খাব আৰু কিবাকৈ। ময়ো ওলাই আহিলোঁ।

ৰূপক ঃ তয়ো আহিলি? ক'ত থাকিবি?

ৰবীন ঃ গাঁৱলৈ যামগৈ। গাঁৱত খেতি কৰি উপাৰ্জন কৰিম।

ৰূপক ঃ খেতি কৰিবলৈ তই জানো হাল মাৰিব জান?

ৰবীন ঃ [হাঁহি] তোৰো যে কথা। আজিকালি কোনে গৰুৰে হাল মাৰে? চবেই ট্ৰেক্টৰেৰে মাটি চহাই খেতি কৰে। নহয়নে ৰতনদা?

ৰতন ঃ হয়, ৰবীনে ঠিকেই কৈছে। গাঁৱত আজিকালি চবেই ট্ৰেক্টৰেৰে খেতি কৰে।

ৰূপক ঃ ভাল কথা। গাঁওবিলাক তেন্তে উন্নত হৈছে।

ৰতন ঃ এতিয়া গাঁৱত হালোৱা নাই বুলিয়েই ক'ব পাৰি।

ৰবীন ঃ বুজিলি, এতিয়া ক মই কিয় খেতি কৰিব নোৱাৰিম?

ৰতন ঃ ৰহচোন, খেতি কৰিবি বাৰু, তাৰ আগতে কথা এটা সোধোঁ, সঁচা কথা কবি কিন্তু।

ৰবীন ঃ হেৰ' মদ খালেও মোৰ হুচ আছে, সোধ কি সোধ।

ৰতন ঃ সেই মাৰোৱাৰী আৰু খ্ৰীষ্টান চাহাবৰ ওচৰত তইঁতে মাটি বেচিছিলি নহয়?

ৰবীন ঃ মই নহয়। পৰাণদাই বেচিছিল।

ৰতন ঃ লেখা-মেলা কোনে কৰিছিল?

ৰবীন ঃ পৰাণদাই কৰিছিল।

ৰতন ঃ তই চহী দিছিলি নেকি?

ৰবীন ঃ নাই দিয়া। মোক চহী দিয়াৰ কথা কোনেও কোৱা নাছিল।

ৰতন ঃ গোস্বামী বুজিলেনে? ৰবীনতো নাবালক নহয়?

ৰূপক ঃ আপুনি কি ক'ব খুজিছে?

ৰতন ঃ আমি হাইক'ৰ্ট কৰিম। তেতিয়া খ্ৰীষ্টান চাহাবৰো প্লেন বাদ পৰিব, আমাৰো লাভ হ'ব।

ৰূপক ঃ আপুনি ঠিক ভাবিছে। কিন্তু কেছটো কৰিব লাগিব ৰবীনে বা তাৰ দেউতাকে।

ৰতন ঃ দেউতাকক আমি বুজাব পাৰিম। বাৰু ৰবীন, তই কি কৰ?

ৰবীন ঃ মই ৰেডি। চবৰে মংগলৰ কাৰণে মই কেচ্ দিম বুলি কথা দিলোঁ।

ৰতন ঃ শুনিলে? কেচ্‌টো কৰিলে পৰাণেও এটা শিক্ষা পাব।

ৰূপক ঃ হ'ব, কিন্তু কেচ্ খেলিবলৈ টকা লাগিব। টকা ক'ত?

ৰতন ঃ আমি ৰাইজৰ পৰা ডনেচন তুলিম।

ৰূপক ঃ শুনিলেনে ৰবীন? এতিয়া তোৰ ওপৰতে নিৰ্ভৰ কৰিছে।

ৰবীন ঃ হ'ব বুলি কথা দিলোঁ নহয়।

ৰতন ঃ গোস্বামী, আমি আৰু এটা কথা ভাবিছোঁ।

ৰূপক ঃ কি কথা?

ৰতন ঃ পৰাণদাই যি টকা গোটাইছে এই টকা দুই নম্বৰী টকা। শিক্ষকসকলক প্ৰবঞ্চনা কৰি লোৱাৰ উপৰিও বহুত অসৎ উপায়েৰে টকা উপাৰ্জন কৰিছে। আমি চৰকাৰৰ ওচৰত দাবী জনাই চি.বি.আইৰ এনকুৱেৰী বিচাৰোঁ।

ৰূপক ঃ ঠিক কৈছে। কিন্তু ৰাইজ ওলাব জানো?

ৰতন ঃ সেই দায়িত্ব মোৰ।

ৰবীন ঃ সিমানেই নহয়, দুৰ্নীতিৰ বিৰুদ্ধে আমি জনজাগৰণ কৰিব লাগিব। পৰাণ যে এটা সাংঘাতিক দুৰ্নীতিকাৰী এই বিষয়ে জনগণক জনাব লাগিব।

ৰূপক ঃ কেনেকৈ জনাবি?

ৰবীন ঃ শোভাযাত্ৰা কৰি গাঁৱে-ভূঁঞে, নগৰে-চহৰে তাৰ দুৰ্নীতিবোৰ প্ৰচাৰ কৰিব লাগিব। সি যে এটা মস্ত দুৰ্নীতিকাৰী এইটো ৰাইজে জানিব লাগিব। তেতিয়া আমাৰ কেচ্‌টোও মজবুত হ'ব।

ৰতন ঃ ই মদ খালেও বৰ ভাল কথা কৈছে। ভায়েকটোৱে কেচ্ কৰিবলৈ ওলাওতে আপুনি ভাবকচোন পৰাণৰ উদ্ভগুলী কিমান বেছি হৈছে?

ৰূপক ঃ মই নিজে দেখিছোঁ। এটা আই.এচ. অফিচৰ সামান্য কেৰাণীৰ ঘৰত কি নাই? প্ৰতিটো ৰুমৰ মজিয়াত মাৰ্বল পাথৰ আৰু এ.চি. ব্যৱস্থা আছে। দামী টি.ভি., কম্পিউটাৰ, লেপটপ, ফ্ৰিজ, ইনভাৰটাৰ আৰু আপুনি ভাবিব নোৱাৰা দামী দামী চোফাচেট। কেবিনেট মিনিষ্টাৰ এজনৰ ঘৰতো ইমান দামী আচবাব দেখা নাপায়।

ৰতন ঃ হয়, ময়ো দেখিছোঁ। আপুনি ক'ব নালাগে।

ৰূপক ঃ কিন্তু মোৰ দেউতাক একো নজনাব।

ৰতন ঃ হ'ব। মই গাঁৱলৈ গৈ মিটিং পাতি শোভাযাত্ৰাৰ আয়োজন কৰোঁ। আপোনালোকেও ইয়াত আয়োজন কৰক। তাৰ পিছত দিন-বাৰ ঠিক কৰি আপোনাক জনাম। সেইদিনাই আমি ডি.চিৰ ওচৰতো ডেপুটেচন দিম।

ৰূপক ঃ ৰবীন বুজিলি নহয়? মদ খোৱা বাদ দি মিটিঙৰ আয়োজন কৰ। তেতিয়াহে চন্দনৰ চিকিৎসা কৰিব নোৱাৰাৰ প্ৰতিশোধটো ল'ব পাৰিম।

ৰবীন ঃ ঠিক কৈছ। মই তোক কথা দিলোঁ শোভাযাত্ৰা হৈ নোযোৱালৈকে মই মুখত মদ নিদিওঁ। হ'বতো?

ৰতন ঃ এতিয়া মই যাওঁ। মই কি কৰিলোঁ আপোনাক অভাৱ টেলিফোন জনাই থাকিম।

ৰূপক ঃ হ'ব যাওক। [ৰতন যায়] ৰবীন, এইবাৰ দেখিম তোৰ ককায়েৰটো কিমান পানীৰ মাছ?

ৰবীন ঃ সি কিন্তু দ' পানীৰ মাছদেই। মনত ৰাখিবি। অ' এতিয়া ময়ো আহিলোঁ। [ৰবীন যায়, ৰূপকে মঞ্চৰ মাজভাগলৈ আহি ক'ব]

ৰূপক ঃ এইবাৰ ক'ত যাবি পৰাণ বেজবৰুৱা? এইবাৰ তই ৰাইজৰ জালত। তোৰ বিচাৰ হ'ব ৰাইজৰ কাঠগৰাত।

### ।। ষষ্ঠদশ তথা শেষ দৃশ্য।।

[পৰাণৰ ঘৰ। পৰাণে বাহিৰৰ পৰা আহি মাত দিয়ে]

পৰাণ ঃ ধনীৰাম, ধনীৰাম। [ধনীৰাম সবেগে ওলাই আহে]

ধনী ঃ কিয় মাতিছিল দাদা?

পৰাণ ঃ ৰবীনক দেখোন দুদিনমান দেখা নাই। ই ক'লৈ গ'ল?

ধনী ঃ হয় দাদা, আজি কেইবাদিনো ঘৰত নাই।

পৰাণ ঃ ক'লৈ গ'ল কিবা জাননে?

ধনী ঃ দেউতাহঁতৰ লগতে গ'ল যেন পাওঁ।

পৰাণ ঃ আপদ এটা গ'ল যদি ভালেই হ'লদে।

ধনী ঃ হয় দিয়ক, ময়ো ৰক্ষা পালোঁ।

পৰাণ ঃ ঐ আমাৰ বুঢ়া-বুঢ়ীহাল যোৱাত তয়ো বেয়া পাইছ নেকি?

ধনী ঃ নাই পোৱা। ভালেই পাইছোঁ।

পৰাণ ঃ কিয়?

ধনী ঃ এ নক'ব দিয়ক। দেউতাই য'তে ত'তে খেক কৰি থু-খেকাৰবিলাক পেলায়। মই নেদেখাত গচকি ভৰি ধুই মৰিব লাগে। এতিয়া বাৰে বাৰে ভৰি ধুই থকাৰ পৰা ৰাইখা পালোঁ।

পৰাণ ঃ বাৰু, তোৰ এতিয়া কেনেকুৱা লাগিছে?

ধনী ঃ ঘৰখনহে তেনেই উদং উদং লাগি থাকে। দাদা, লোকৰ ঘৰত জাক-জাক ল'ৰা-ছোৱালী। আমাৰনো এটাও হ'ব নাপায়নে? আপুনি কোৱা বুঢ়া-বুঢ়ীহালে সেইটো কথাকে কৈ কৈ গুচি গ'ললৈ।

পৰাণ ঃ হ'ব দে। অনাথ আশ্ৰমৰ পৰা ল'ৰা এটা আনি তুলি ল'ম।

ধনী ঃ নাই নাই দাদা, সেইবিলাক নকৰিব।

পৰাণ ঃ কিয়? বহুতে দেখোন তুলি লৈছে।

ধনী ঃ সেইবিলাকৰ জাত-পাতৰ বিচাৰ নাই। ক'ৰবাৰ কেলেহুৱা মানুহৰ ল'ৰা-ছোৱালী আনি বিপদ চপাই নল'ব।

পৰাণ ঃ বাৰু ধনীৰাম, এই বুঢ়া-বুঢ়ী দুটাই গাঁৱলৈ গৈ খাইছে কি? আছে কেনেকৈ? [সাগৰিকা ওলাই আহে, ধনীৰাম আঁতৰি যায়[

সাগৰিকা ঃ তুমি কাক বুঢ়া-বুঢ়ী বুলি কৈছা?

পৰাণ ঃ তোমাৰ শাহু-শহুৰৰ কথা কৈছোঁ। আৰু কাক ক'ম?

সাগৰিকা ঃ নিজৰ মা-দেউতাক বুঢ়া-বুঢ়ী বুলি ক'বলৈ বেয়া লগা নাই?

পৰাণ ঃ বুঢ়াক বুঢ়া বুলি নকৈ, ডেকাক ডেকা বুলি নকৈ আৰু কি বুলি ক'ব লাগে?

সাগৰিকা ঃ হ'লেও নিজৰ মা-দেউতাক তেনেকৈ ক'লে বেয়া শুনি। তুমি বুঢ়া হ'লে তোমাকো বুঢ়া বুলি মাতিলে তুমি জানো ভাল পাবা?

পৰাণ ঃ মই বেয়া পালেও মানুহে বুঢ়া বুলি ক'ব, ভাল পালেও মানুহে বুঢ়া বুলি ক'ব। সেইটো কোনো নতুন কথা নহয়।

সাগৰিকা ঃ হ'লেও শিক্ষিত মানুহৰ মুখত এনেকুৱা কথা শোভা নাপায়।

পৰাণ ঃ হ'ব দিয়া। বাৰু তুমি কোৱাচোন বুঢ়া-বুঢ়ীহাল নথকাত তোমাৰ কিবা বেয়া লাগিছে নেকি?

সাগৰিকা ঃ সেয়া আকৌ তাকেই ক'লা।

পৰাণ ঃ আস্, তুমিও বৰ আঁকৰীহে।

সাগৰিকা ঃ মই যদি আঁকৰি তুমি অহংকাৰী।

পৰাণ ঃ কি ক'লা?

সাগৰিকা ঃ অহংকাৰৰ বাবেই নিজৰ মা-দেউতাক উপহাস কৰি কথা ক'বলৈ বেয়া পোৱা নাই।

পৰাণ ঃ অ তুমি ঠিকেই কৈছা। মই অহংকাৰী। কিন্তু মই অহংকাৰী কিয় জানা?

সাগৰিকা ঃ কিয়?

পৰাণ ঃ যাৰ অভাৱ বুলিবলৈ একোৱে নাই সি অহংকাৰী হোৱাটো স্বাভাৱিক কথা। ৰ'বা, মোৰ যি আছে তাত জানো তোমাৰ অধিকাৰ নাই?

সাগৰিকা ঃ দহজনে আছে বুলিয়ে ভাবে।

পৰাণ ঃ যদি আছে তোমাৰো মোৰ দৰে অহংকাৰ আছে। আৰু যদি নাই তেন্তে মই ক'ম অভাৱৰ মাজত ডাঙৰ-দীঘল হৈ অহা ছোৱালী কাৰণে অহংকাৰ কৰিব নাজানা।

সাগৰিকা ঃ কি ক'লা?

পৰাণ ঃ চোৱা মোৰ শহুৰে অতি শ্ৰম কৰি কোনোমতে ঘৰখন চলাই আছে। তোমালোকৰ অভাৱবোৰ তেওঁ পূৰণ কৰিব পৰা নাছিল। গতিকে তুমি কি লৈ অহংকাৰ কৰিবা, কোৱা?

সাগৰিকা ঃ মোৰ দেউতাই প্ৰয়োজনত নহা কোনো বস্তুৱে যোগান ধৰা নাছিল। কিন্তু অপ্ৰয়োজনীয় বস্তুৰে তুমি ঘৰ ভৰাই পেলাইছা। তোমাৰ এই অপ্ৰয়োজনীয় বস্তুবোৰ কেৱল দৰমহাৰ টকাৰে কিনিব পাৰিছানে?

পৰাণ ঃ কি হ'ল, আজি মোক চাৰ্জ কৰিম বুলিয়ে ভাবিছা নেকি?

সাগৰিকা ঃ ইমানদিনে মা-দেউতা থকাৰ কাৰণে একো কোৱা নাছিলোঁ। কিন্তু আজি ক'ম। তুমি শুনিব লাগিব।

পৰাণ ঃ কোৱাচোন শুনো।

সাগৰিকা ঃ তুমি কিনি অনা ৯/১০টা গহণাৰ চেট্ মই পিন্ধা দেখিছানে?

পৰাণ ঃ অ ঠিক কৈছা। নাই দেখা।

সাগৰিকা ঃ কিয় পিন্ধা নাই জানা?

পৰাণ ঃ কিয়?

সাগৰিকা ঃ অসৎ উপায়েৰে উপাৰ্জন কৰা ধনেৰে অনা অপ্ৰয়োজনীয় বস্তুবোৰ ব্যৱহাৰ কৰিবলৈ মোৰ ঘিণ লাগে।

পৰাণ ঃ তুমি কাৰ আগত কথা কৈছা জানানে?

সাগৰিকা ঃ জানো, তোমাৰ চাৰিত্ৰিক দোষ নাই। কিন্তু তোমাৰ ধন উপাৰ্জনৰ অসৎ উপায়টোক মই অতিপাত ঘিণ কৰোঁ।

পৰাণ ঃ সৎ হওক অসৎ হওক মই উপাৰ্জন কৰা ধনেৰে আৰামত খাবলৈ পাইছাতো? তোমাৰ দেউতাৰাৰ দৰে টানি-টুনি ঘৰখন চলোৱা হ'লে বুজিলাহেঁতেন, মানুহক ধন কিয় লাগে।

সাগৰিকা ঃ ধনৰ কাৰণে মোৰ দেউতাই কাকো ঠগিবলৈ যোৱা নাই। কিন্তু তুমি কি কৰিছা? লোকক শোষণ কৰিছা, ঠগবাজি কৰি টকা গোটাইছা।

পৰাণ ঃ সাগৰিকা [গৰজি উঠে]

সাগৰিকা ঃ [সমানভাৱেই গৰজি] তুমি শোষণকাৰী, তুমি মদগৰ্বী, তুমি দুৰ্নীতিকাৰী, তুমি সমাজৰ শত্ৰু। [পৰাণে ঠাচ্ কৰি চৰ মাৰি দিয়ে। লগে লগে বাহিৰত শুনা যায়— "পৰাণ বেজবৰুৱাৰ বিচাৰ লাগে", "পৰাণ বেজবৰুৱাৰ সম্পত্তিৰ হিচাপ লাগে"] সেয়া কাৰ কথা কৈছে, শুনিছানে?

পৰাণ ঃ মূৰ্খ কিছুমানে ৰাজবাটত চিঞৰিলেই মই মানিমনে?

সাগৰিকা ঃ অকল তেওঁলোকেই নহয়। ময়ো ক'ম— "পৰাণ বেজবৰুৱাৰ বিচাৰ লাগে"।

পৰাণ ঃ কি? [মাৰিবলৈ যায়। ঠিক তেনেতে শোভাযাত্ৰা আহি সেই ঠাই পায়হি। সাগৰিকাই দৌৰ মাৰি শীলাৰ হাতৰ পৰা প্লেকাৰ্ড লৈ চিঞৰি উঠে] — "পৰাণ বেজবৰুৱা সমাজৰ শত্ৰু", "ৰাইজ ন্যায়ৰ অভিযাত্ৰী"। [ৰতন, ৰূপক, ৰবীন আদিক শোভাযাত্ৰাত দেখা যায়। পৰাণে চাই থাকি উচাৎ মাৰি ভিতৰ সোমায়।]

।। সমাপ্ত।।







# সভাপতিৰ প্ৰতিবেদন

প্ৰথমতে মই গোৱালপাৰা মহাবিদ্যালয়ৰ প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিক শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰিলোঁ। ঐতিহ্যপূৰ্ণ গোৱালপাৰা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সভাপতিৰ দৰে এটা মানসম্পন্ন বিভাগত সেৱা আগবঢ়াবলৈ পাই নিজকে ধন্য মানিছোঁ।

এতিয়া আহোঁ মোৰ কাৰ্যকালৰ সংক্ষিপ্ত বিৱৰণ আৰু আন কিছুমান কথালৈ। আন কথালৈ যোৱাৰ আগতে প্ৰথমে মই সাংস্কৃতিক দিশটোৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ আকৰ্ষণ আনিবলৈ প্ৰয়াস কৰিম। আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সাংস্কৃতিক মনোভাৱৰ অভাৱ। দুই-এজন সংস্কৃতিৱান ছাত্ৰ-ছাত্ৰী আছে যদিও তেওঁলোকেও ভালদৰে আগুৱাই নাহে। অথচ এসময়ত গোৱালপাৰা মহাবিদ্যালয়খন সাংস্কৃতিক দিশত অতি সবল আছিল। আনকি গুৱাহাটী বিশ্ববিদ্যালয়লৈ পঢ়িবলৈ যোৱা কেইবাগৰাকী ছাত্ৰ-ছাত্ৰীয়ে 'বিশ্ববিদ্যালয় সপ্তাহ'ত শ্ৰেষ্ঠ সংগীত প্ৰতিযোগীৰ সন্মান পোৱাটো আমাৰ বাবে গৌৰৱৰ বিষয়। শেহতীয়াভাৱে গোৱালপাৰা মহাবিদ্যালয়ৰে ইংৰাজী বিভাগৰ প্ৰাক্তন ছাত্ৰী পল্লৱী দেৱীয়ে গুৱাহাটী বিশ্ববিদ্যালয়ৰ 'বিশ্ববিদ্যালয় সপ্তাহ'ত শ্ৰেষ্ঠ সংগীত শিল্পী হিচাপে সুনাম লৈ গোৱালপাৰা মহাবিদ্যালয়ৰ লগতে জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। আমি পল্লৱী দেৱীৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিলোঁ। কিন্তু আজিৰ দিনত গোৱালপাৰা মহাবিদ্যালয়ত বহল প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব পৰা প্ৰতিভাৱান ছাত্ৰ-ছাত্ৰীৰ অভাৱ অনুভৱ কৰা হৈছে।

মোৰ কাৰ্যকাল আৰম্ভ হয় মহাবিদ্যালয় সপ্তাহেৰে। আন আন বছৰৰ দৰে এইবাৰো বিভিন্ন বিভাগৰ প্ৰতিযোগিতাসমূহ সুকলমে অনুষ্ঠিত হৈ যায়। অইন বছৰৰ তুলনাত বহুতো প্ৰতিযোগীয়ে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছিল। অৱশ্যে ছাত্ৰ-ছাত্ৰীৰ তুলনাত যিমান হ'ব লাগিছিল সিমান নহ'ল। আনকি বহুতো ছাত্ৰ-ছাত্ৰীয়ে 'মহাবিদ্যালয় সপ্তাহ' বন্ধৰ দিন বুলি ভাবি মহাবিদ্যালয়লৈ নাহে। যি কি নহওক, মোৰ কাৰ্যকালৰ সম্যক অভিজ্ঞতাহে মাথো ব্যক্ত কৰিছোঁ।

সাধাৰণ সম্পাদকে তেওঁৰ প্ৰতিবেদনত উল্লেখ কৰা কামবোৰ আমি উমৈহতীয়াভাৱে সম্পাদন কৰিছিলোঁ। আমি বিশেষকৈ শৈক্ষিক দিশটোৰ উন্নতিৰ ক্ষেত্ৰত বিশেষ মনোযোগ দিছিলোঁ। মহাবিদ্যালয় এখনৰ শৈক্ষিক দিশটো যদি উন্নত নহয় তেতিয়াহ'লে ছাত্ৰ-ছাত্ৰীয়ে নিশ্চয় আশানুযায়ী ভাল ফল দেখুৱাব নোৱাৰিব। আমি আমাৰ পৰম শ্ৰদ্ধাভাজন শিক্ষাগুৰুসকলক অনুৰোধ জনাওঁ যাতে তেখেতসকলে মানৱ সম্পদ সৃষ্টিত অগ্ৰণী ভূমিকা লৈ শিক্ষাৰ পৰিৱেশ অধিক উন্নত কৰি তোলে।

আমাৰ মহাবিদ্যালয়ত বিভিন্ন সা-সুবিধাযুক্ত ছাত্ৰ জিৰণী কোঠা আৰু ছাত্ৰী

জিৰণী কোঠাৰ আৱশ্যক।, ছাত্ৰ-ছাত্ৰীৰ অনুপাতে জিৰণী কোঠাত আসন তেনেই সীমিত। তদুপৰি বিশুদ্ধ খোৱাপানীৰো ব্যৱস্থা নাই। আমাৰ বিশ্বাস ছাত্ৰ-ছাত্ৰীৰ জিৰণী কোঠাত সুকীয়াকৈ খোৱাপানীৰ ব্যৱস্থা কৰিলে ছাত্ৰ-ছাত্ৰীসকল বহুত উপকৃত হ'ব। কিন্তু আমাৰ ভাল লগা কথা এইটোৱে যে বৰ্তমান গোৱালপাৰা মহাবিদ্যালয়ৰ চৌহদটো সৌন্দৰ্যৰ ক্ষেত্ৰত আটকধুনীয়া হৈছে।

মোৰ কাৰ্যকালত বিভিন্ন কামত দিহা-পৰামৰ্শৰে সহায় কৰাৰ বাবে ভাঁৰপ্ৰাপ্ত অধ্যক্ষ মাননীয় শ্ৰীযুত জ্যোতিষ দাস ছাৰৰ ওচৰত চিৰদিন কৃতজ্ঞ হৈ থাকিম। তেনেদৰে আন শিক্ষাগুৰুসকলৰ পৰা পোৱা বহুমূলীয়া উপদেশ তথা পৰামৰ্শৰ বাবে তেওঁলোকৰ ওচৰতো মই চিৰকৃতজ্ঞ। মোক বিভিন্ন কামত বিভিন্ন ধৰণে সহায় কৰা সাধাৰণ সম্পাদক সমন্বিতে ছাত্ৰ-একতা সভাৰ সমূহ সদস্যৰ শলাগ ল'লোঁ।

শেষত গোৱালপাৰা মহাবিদ্যালয় ছাত্ৰ-একতা সভাৰ সভাপতি হিচাপে নিৰ্বাচিত কৰি মহাবিদ্যালয়খনলৈ সেৱা আগবঢ়োৱাৰ সুবিধা দিয়া বাবে প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰী ওচৰত কৃতজ্ঞ হৈ থাকিলোঁ।

জয়তু গোৱালপাৰা মহাবিদ্যালয়।

ধন্যবাদেৰে -
আছমিনুল হক
সভাপতি,
গোৱালপাৰা মহাবিদ্যালয় ছাত্ৰ একতা সভা









# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

গোৱালপাৰা মহাবিদ্যালয় এখন গৌৰৱোজ্জ্বল মহাবিদ্যালয়। ১৯৫৫ চনতে স্থাপিত হোৱা এইখন মহাবিদ্যালয়ৰ প্ৰতি সেৱা আগবঢ়োৱাৰ সুবিধাকণ দিয়া বাবে প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিক শুভেচ্ছা তথা কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

আমাৰ কাৰ্যকালটো আছিল সামগ্ৰিকভাৱে বিশেষ কৰ্মতৎপৰতাৰ কাল। অধ্যক্ষ মহোদয়ৰ লগতে আমিও প্ৰতিক্ষণ নিমগ্ন আছিলোঁ শিক্ষানুষ্ঠানটিৰ সৰ্বাংগীন উন্নতিৰ বাবে। বৌদ্ধিক, শৈক্ষিক, সাংস্কৃতিক আদি বিভিন্ন দিশ সবল কৰাৰ কাৰণে আমি সংকল্প লৈছিলোঁ আৰু এই ক্ষেত্ৰত কৃতকাৰ্য হোৱা বুলিয়েই দাবী কৰিব খোজোঁ। মহাবিদ্যালয়খনৰ সকলো দিশ যাতে সূচাৰুৰূপে পৰিচালিত হয় তাৰ বাবে আমি বিশেষ নজৰ দিছিলোঁ।

শৈক্ষিক পৰিবেশৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলক শ্ৰেণী কোঠাত নিয়মিতভাৱে পাঠ গ্ৰহণ কৰিবলৈ আহ্বান জনাইছিলোঁ। তদুপৰি শৈক্ষিক পৰিৱেশৰ প্ৰতি লক্ষ্য ৰাখি মহাবিদ্যালয় চৌহদত নীতি-বহিৰ্ভূতভাৱে প্ৰৱেশ কৰাৰ কিছুমান ল'ৰাক চৌহদৰ পৰা বাহিৰ কৰি দিয়া হৈছিল। আমাৰ শিক্ষাগুৰুসকলেও এই ক্ষেত্ৰত বিশেষ সহায় আগবঢ়াইছিল। কিন্তু দুখৰ বিষয় এয়ে যে পূৰ্বতে মূল প্ৰৱেশ পথত নিৰাপত্তাৰক্ষীৰ ব্যৱস্থা আছিল যদিও বৰ্তমান সেই ব্যৱস্থা ৰখা হোৱা নাই। মূল প্ৰৱেশ পথত নিৰাপত্তাৰক্ষী থাকিলে বাহিৰা ল'ৰাই আহি আমাৰ মহাবিদ্যালয়ৰ শৈক্ষিক পৰিৱেশ বিনষ্ট কৰিব নোৱাৰিলেহেঁতেন।

আমাৰ কাৰ্যকালৰ সময়ছোৱাত গোৱালপাৰা মহাবিদ্যালয়ৰ চৌহদটো সৌন্দৰ্যৰ ক্ষেত্ৰত চালে চকুৰোৱা হৈ পৰে। গোৱালপাৰা মহাবিদ্যালয়ৰ মূল গৃহৰ সন্মুখত এখন বিশালাকাৰ উদ্যান নিৰ্মিত হৈছে আৰু এই উদ্যানখনৰ ভিতৰত ছাত্ৰ-ছাত্ৰীয়ে জিৰণি লোৱাৰ বাবে বহা আসনৰো ব্যৱস্থা কৰা হৈছে। গোৱালপাৰা মহাবিদ্যালয়ৰ উন্নয়নমূলক প্ৰতিটো কামতে আমি অধ্যক্ষ মহোদয়লৈ সহযোগ আগ বঢ়াইছিলোঁ। তদুপৰি আমাৰ কাৰ্যকালত মূল পথকেইটাৰো উন্নতি সাধন কৰা হয়। বিজ্ঞানাগাৰৰ মানো আগতকৈ উন্নত কৰা হয়। আমাৰ কাৰ্যকালত ইউনিফৰ্মৰ ক্ষেত্ৰতো কোনো আপোচ কৰা হোৱা নাছিল। এইটো ঠিক যে সাধাৰণ সম্পাদক হিচাপে সকলো কামেই সূচাৰুৰূপে পৰিচালনা কৰিছিলোঁ।

আমাৰ কাৰ্যকালত সাংস্কৃতিক দিশটো উন্নত কৰাৰ কাৰণেও গুৰুত্ব দিছিলোঁ। এনেও গোৱালপাৰা মহাবিদ্যালয়ৰ সাংস্কৃতিক দিশটো গৌৰৱ কৰিব পৰা দিশ। আমাৰ কাৰ্যকালত পূৰ্বতকৈ সাংস্কৃতিক বিভাগৰ বিভিন্ন প্ৰতিযোগিতাত প্ৰতিযোগীৰ সংখ্যা যথেষ্ট বৃদ্ধি পায়। মহাবিদ্যালয় সপ্তাহো সূচাৰুৰূপে পৰিচালনা কৰিব পৰাটো আমাৰ কাৰ্যকালৰ

এটা বিশেষ সফলতা। ছাত্ৰ-ছাত্ৰীৰ দাবীৰ প্ৰতি লক্ষ্য ৰাখি মহাবিদ্যালয় সপ্তাহৰ সাংস্কৃতিক অনুষ্ঠানত জনপ্ৰিয় কণ্ঠশিল্পী বাবুক নিমন্ত্ৰণ কৰি অনা হৈছিল। তেনেদৰে 'নৱাগত আদৰণী সভা'ৰ সাংস্কৃতিক অনুষ্ঠানত সুবাসনা দত্তই গীত পৰিৱেশন কৰি আমাক আনন্দ দিছিল। কিন্তু দুখৰ বিষয় এয়ে যে আমাৰ কাৰ্যকালত গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱত গোৱালপাৰা মহাবিদ্যালয়ে অংশগ্ৰহণ কৰা নাছিল। নিৰ্বাচিত ছাত্ৰ-ছাত্ৰীক প্ৰতিযোগিতালৈ পঠোৱাৰ ব্যৱস্থা কৰা হৈছিল যদিও দুগৰাকীকৈ তত্বাৱধায়ক থকাৰ পিছতো তেওঁলোকে বিশেষ ব্যৱস্থা গ্ৰহণ নকৰিলে। পূৰ্বতে গোৱাপাৰা মহাবিদ্যালয়ৰ সাংস্কৃতিক দিশটোক বহুত ওপৰলৈ নিয়া সন্মানীয় শিক্ষাগুৰু শৈলেনজিৎ শৰ্মা ছাৰে একান্ত ব্যক্তিগত কাৰণত যুৱ মহোৎসৱলৈ যাবলৈ অপাৰগ হোৱা হেতুকে বাকী দুগৰাকী শিক্ষাগুৰুৱে যেনেদৰে গুৰুত্ব দিব লাগিছিল তেনেদৰে নিদিলে। আশা কৰোঁ পৰৱৰ্তী সময়ত আমাৰ ছাত্ৰ-ছাত্ৰীয়ে যুৱ মহোৎসৱত অংশগ্ৰহণ কৰি সফলতা লাভ কৰিব। গোৱালপাৰা মহাবিদ্যালয়ত এতিয়াও সাংস্কৃতিক ক্ষেত্ৰত কিছুসংখ্যক প্ৰতিভাৱান ছাত্ৰ-ছাত্ৰী আছে। এই প্ৰতিভাৱান ছাত্ৰ-ছাত্ৰীখিনিক প্ৰয়োজনীয় সুবিধা আৰু সুযোগ দিয়াটো আমাৰ কৰ্তব্য হোৱা উচিত।

আজিৰ শিক্ষা জগতখন যথেষ্ট উন্নতিৰ শিখৰত আৰোহণ কৰিছে যদিও অতি পৰিতাপৰ বিষয় যে বৰ্তমান সময়ৰ প্ৰায়বোৰ মহাবিদ্যালয়তেই শ্ৰেণী সমূহত দিনৰ ১.০০ বজাৰ পিছত ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি পুতৌ লগা ধৰণৰ। আমাৰ মহাবিদ্যালয়ো এই ক্ষেত্ৰত ব্যতিক্ৰম নহয়। তদুপৰি শিক্ষক আৰু ছাত্ৰ সমাজৰ মাজত ব্যৱধান বৃদ্ধিও পৰিলক্ষিত হয়। গতিকে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক অনুৰোধ জনাইছোঁ তেওঁলোকে যাতে এই বিষয়টো গুৰুত্ব সহকাৰে গ্ৰহণ কৰি সঠিক ভূমিকা পালন কৰে।

নাজানো আমাৰ কাৰ্যকালত আমি কিমানদূৰ সফল হ'লোঁ বা আপোনালোক কিমান উপকৃত হ'ল। তথাপিও আমাৰ দৃষ্টিত আমাৰ এই কাৰ্যকালৰ বিভিন্ন কাৰ্যসূচীত আপোনালোকৰ অকুণ্ঠ সহায়-সহযোগ লাভ কৰিবলৈ সক্ষম হোৱাত নিজকে ধন্য মানিছোঁ।

আমাৰ বিভিন্ন কাম-কাজত দিহা-পৰামৰ্শ তথা সহায়-সহযোগ আগবঢ়োৱা বাবে মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ মাননীয় শ্ৰীযুত জ্যোতিষ দাস ছাৰলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। এখন মানসম্পন্ন আলোচনী (প্ৰতিবিম্বন) প্ৰকাশৰ ক্ষেত্ৰত বিশেষ অৰিহণা যোগোৱা শৈলেনজিৎ শৰ্মা ছাৰৰ লগতে মাননীয় সদস্যবৃন্দ আৰু শিক্ষাগুৰুসকললৈ শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ। ছাত্ৰ একতা সভাৰ প্ৰতিগৰাকী সদস্যলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

শেষত আমাৰ কাৰ্যকালত হোৱা ভুল-ত্ৰুটি তথা দুৰ্বলতাসমূহৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি আৰু মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰি প্ৰতিবেদন সামৰিলোঁ।

জয়তু গোৱালপাৰা মহাবিদ্যালয়

ধন্যবাদেৰে—
**ইকৰাম হুছেইন**
সাধাৰণ সম্পাদক,
গোৱালপাৰা মহাবিদ্যালয় ছাত্ৰ একতা সভা

## মহাবিদ্যালয় চৌহদ

















শ্ৰেষ্ঠ সংগীত প্ৰতিযোগী বৰষা দাস



শ্ৰেষ্ঠ সাহিত্য প্ৰতিযোগী চিমী কলিতা




পথ সুৰক্ষা সজাগতা অনুষ্ঠান



ৰাষ্ট্ৰীয় একতা দিৱস উদ্‌যাপন

## মহাবিদ্যালয় সপ্তাহৰ সাংস্কৃতিক শোভাযাত্ৰাৰ বৰ্ণাঢ্য ৰূপ













## মহাবিদ্যালয় সপ্তাহৰ সাংস্কৃতিক শোভাযাত্ৰাৰ বৰ্ণাঢ্য ৰূপ










## মহাবিদ্যালয় সপ্তাহৰ সাংস্কৃতিক শোভাযাত্ৰাৰ বৰ্ণাঢ্য ৰূপ











## মহাবিদ্যালয় সপ্তাহৰ ভেশছন প্রতিযোগিতাৰ কিয়দংশ










## মহাবিদ্যালয় সপ্তাহৰ প্ৰদৰ্শনীৰ আৰ্হি







অসমৰ মাননীয় ৰাজ্যপাল শ্ৰীযুত জগদীশ মুখীৰ আগমণৰ মুহূৰ্তত




ড° মহেন্দ্ৰ বৰা স্মাৰক বক্তৃতানুষ্ঠানত ভাষণৰত অৱস্থাত গণিত বিশেষজ্ঞ ড° বিজয়কৃষ্ণ দেৱ শৰ্মা



'মিছন চাইনা'ৰ প্ৰচাৰৰ বাবে গোৱালপাৰা মহাবিদ্যালয়ত উপস্থিত হোৱাৰ মুহূৰ্তত জুবিন গাৰ্গ



মহাবিদ্যালয় সপ্তাহৰ সাংস্কৃতিক অনুষ্ঠানত জনপ্ৰিয় গায়ক 'বাবু'ৰ সংগীত পৰিৱেশন



নৱাগত আদৰণী সভাৰ সাংস্কৃতিক অনুষ্ঠানত গীত পৰিৱেশনৰ মুহূৰ্তত 'সুবাসনা দত্ত'



গোৱালপাৰা মহাবিদ্যালয়ত উদ্‌যাপিত হোৱা শিক্ষক দিৱ
উপস্থিত শিক্ষকবৃন্দ

# গৌৰৱপূর্ণ মুহূর্ত


গোৱালপাৰা মহাবিদ্যালয়
GOALPARA COLLEGE
AMBIKA CHARAN DAS
MEMORIAL GATE






GOALPARA COLLEGE
ESTD-1955
গোৱালপাৰা মহাবিদ্যালয়


GOALPARA COLLEGE
ESTD-1955
গোৱালপাৰা মহাবিদ্যালয়